।।পূৰ্ণ পৰমাত্মনে নমঃ।।

শ্ৰীমদভগৱৎ গীতা

# গীতা তোমাৰ জ্ঞান অমৃত

জীৱ আমাৰ জাতি, মানৱ (Mankind) আমাৰ ধৰ্ম ।
হিন্দু , মুছলমান, শিখ, খৃষ্টান ধৰ্মৰ পৃথক নহয় মৰ্ম।

# অৱশ্যে চাওক

**সন্ত ৰামপালজী মহাৰাজৰ মঙ্গল প্ৰবচন**

প্ৰতিদিন সন্ধ্যা ৭.৩০ ৰ পৰা ৮.৩০লৈ

প্ৰতিদিন ৰাতি ৮.৩০ ৰ পৰা ৯.৩০ লৈ

প্ৰতিদিন পুৱা ৬.০০ ৰ পৰা ৭.০০ লৈ

প্ৰতিদিন পুৱা ৫.৫৫ ৰ পৰা ৬.৫৫ লৈ

প্ৰতিদিন দুপৰীয়া ২.০০-ৰ পৰা ৩.০০ লৈ

**ধৰ্মাৰ্থ মূল্য মাথোন-২০টকা**

**মূঠ খৰচ-৯৮টকা**

**লেখক ঃ- সন্ত ৰামপাল জী মহাৰাজ**

**প্ৰকাশক ঃ- প্ৰচাৰ প্ৰসাৰ সমিতি আৰু সম্পূৰ্ণ সংগী। সতলোক আশ্ৰম, হিসাৰ-টোহানা ৰোড,বৰৱালা, জিলা-হিসাৰ (ৰাজ্য-হৰিয়ানা) ভাৰত।**

Printing Press:- Kabir Printers
C-117, Sector-3, Bawana Industrial Area, New Delhi

সম্পৰ্ক সূত্ৰঃ- 7636835257, 9395848042, 9401841484
e-mail:-jagatgururampalji@yahoo.com
visit us at:- www.jagatgururampalji.org

# বিষয় সূচী


| ক্ৰমিক নং | বিৱৰন | পৃষ্ঠা |
|---|---|---|
| ১। ভূমিকা | | I-III |
| ২। একাষাৰ | | 1 |
| | * মক্কা মহাদেৱৰ মন্দিৰ হয়। | 7 |
| ৩। গীতাৰ সত্যসাৰ | | 9 |
| | * শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱৰ পিতৃ কোন ? | 13 |
| ৪। শংকা সমাধান | | 15 |
| | * গীতাত দুই প্ৰকাৰৰ জ্ঞান আছে। | 37 |
| | * পাণ্ডৱে কৰা যজ্ঞ। | 38 |
| | * পৰমেশ্বৰে কাক -কাক লগ ধৰিছিল। | 49 |
| | * ব্ৰত পালন কৰা সম্পৰ্কে গীতাই কি কয়? | 52 |
| | * শ্ৰাদ্ধ (শৰাধ) পিণ্ডদান গীতাৰ মতে কেনেকুৱা ? | 53 |
| | * শ্ৰাদ্ধ, পিণ্ডদানৰ প্ৰতি ৰুচি ঋষিৰ মত। | 53 |
| | * জিন্দা মহাত্মা (পৰমেশ্বৰ) দ্বিতীয় বাৰ অন্তৰ্দ্ধান হ'ল। | 59 |
| | * ধৰ্মদাসৰ অন্য সাধু-সন্তৰ লগত জ্ঞান চৰ্চা। | 60 |
| | * হিৰণ্যকশিপুৰ কথা। | 70 |
| | * ৰাৱণ আৰু ভস্মাসুৰৰ কথা। | 70 |
| | * হৰিদ্বাৰত সাধুসকলৰ হত্যা। | 71 |
| | * ঋষি চুণক আৰু মান্ধাতাৰ কথা। | 73 |
| | * চৌৰাষি লাখ প্ৰকাৰৰ জীৱবোৰতকৈ মানৱ দেহ উত্তম। | 80 |
| | * কথা আৰু কামৰ মাজত পাৰ্থক্য। | 85 |
| | * ধৰ্মদাস দেৱক সত্যলোককৈ লৈ যোৱা প্ৰকৰণ। | 88 |
| | * গুৰু সলনি কৰিব পাৰিনে ? | 91 |
| ৫। বেদ মন্ত্ৰৰ প্ৰতিলিপি (প্ৰমাণৰ সৈতে)। | | 93 |
| ৬। সংক্ষিপ্ত সৃষ্টি ৰচনা। | | 107 |
| | * আমি কালৰ লোকত কেনেকৈ আহিলোঁ ? | 109 |
| | * শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰী শংকৰৰ উৎপত্তি । | 113 |
| ৭। সম্পূৰ্ণ সৃষ্টি ৰচনা ঃ | | 117 |
| | * জীৱাত্মা কালৰ জালত কেনেকৈ আবদ্ধ হ'ল ? | 121 |
| | * শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱ দেবৰ উৎপত্তি। | 124 |

* প্ৰমাণৰ সৈতে তিনিগুণৰ ব্যাখ্যা। 126
* ব্ৰহ্ম (কাল) ৰ অব্যক্ত হৈ থকাৰ প্ৰতিজ্ঞা। 127
* ব্ৰহ্মাৰ নিজ পিতা ব্ৰহ্ম (কাল)ক বিচাৰি পোৱাৰ বাবে চেষ্টা। 129
* মা দুৰ্গাৰ দ্বাৰা ব্ৰহ্মাক অভিশাপ দিয়া প্ৰসংগ। 130
* বিষ্ণুদেৱৰ নিজৰ পিতা (কাল/ব্ৰহ্ম) ৰ প্ৰাপ্তিৰ বাবে প্ৰস্থান আৰু মা দুৰ্গাৰ দ্বাৰা আৰ্শীবাদ প্ৰাপ্তি। 132
* পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ডৰ স্থাপনা। 139
* পবিত্ৰ অৰ্থবেদত সৃষ্টি ৰচনাৰ প্ৰমাণ। 140
* পবিত্ৰ ঋগবেদত সৃষ্টি ৰচনাৰ প্ৰমাণ । 146
* পবিত্ৰ শ্ৰীমদদেবী মহাপুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ। 152
* পবিত্ৰ শিৱ মহাপুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ। 154
* পবিত্ৰ শ্ৰীমদ্ভাগৱত গীতাত সৃষ্টি ৰচনাৰ প্ৰমাণ। 154
* পবিত্ৰ বাইবেল তথা পবিত্ৰ কোৰাণ শ্বৰীফত সৃষ্টি ৰচনাৰ প্ৰমাণ। 157
* পূজ্য কবীৰ পৰমেশ্বৰ (কবিৰ দেৱ) ৰ অমৃত বাণীত সৃষ্টি ৰচনা। 159
* আদৰণীয় গৰীবদাস চাহেবৰ অমৃত বাণীত সৃষ্টি ৰচনাৰ প্ৰমাণ। 162
* আদৰণীয় নানক চাহেবৰ বাণীত সৃষ্টি ৰচনাৰ সংকেত। 169
* অন্য সন্তৰ দ্বাৰা সৃষ্টি ৰচনাৰ কিংবদন্তি (আখ্যান) 173

৮। শাস্ত্ৰত পৰমাত্মা (পৰমেশ্বৰ) 175
* বাইবেলৰ মতে মাংস খোৱা নিষেধ। 176
* হজৰত মহম্মদে মাংস খোৱা নাছিল। 181
* সন্ত জম্ভেশ্বৰ মহাৰাজৰ বিচাৰ। 181
* সকলো সদগ্ৰন্থ আৰু পৰমাত্মা প্ৰাপ্ত সন্তৰ সাৰকথা “পৰমাত্মা সাকাৰ, নৰাকাৰ। 187
* বিশ্নোই ধৰ্মৰ ভক্তি 188
* সদগুৰুৰ পৰা নাম দীক্ষা লৈ ভক্তি কৰক। 188
* হৰিয়ানাত “হৰি” আহিব । 189

৯। এইখন পুথি “গীতা তোমাৰ জ্ঞান অমৃত” ৰ সম্পৰ্কীয় শ্ৰীমদ্‌ভগৱত গীতাৰ শ্লোকৰ প্ৰতিলিপি । 190-297

# ভূমিকা

আধ্যাত্মিক জ্ঞানৰ ভৰাঁল স্বৰূপ "গীতা" এখন পবিত্ৰ সত্য গ্ৰন্থ্। বৰ্ত্তমান সময়ত "গীতা" হিন্দু সকলৰ ধৰ্ম গ্ৰন্থ্ ৰূপে জনাজাত। ইয়াৰ উৎপত্তি আজি ২০১২ চনৰ পৰা প্ৰায় ৫৫৫০ বছৰ আগেয়ে মহাভাৰতৰ যুদ্ধৰ সময়ত হৈছিল। সেই সময়ত কোনো ধৰ্ম নাছিল, এটাই মাথোন সনাতন পন্থ্ অৰ্থাৎ মানৱ ধৰ্ম আছিল। শব্দ খণ্ডিত নহয়। যি সকল পবিত্ৰ আত্মাৰ নেটৱৰ্ক সুচাৰুৰূপে চলি আছে তেওঁলোকৰ মস্তিষ্কৰূপী WhatsApp ত শব্দ প্ৰবেশ কৰে । "গীতা" ৰ জ্ঞান মহৰ্ষি ব্যাসদেৱৰ (শ্ৰী কৃষ্ণ দ্বৈপায়ন) মস্তিষ্কৰূপী WhatsApp ত ডাউনলোড হৈ গৈছিল। সেই জ্ঞান শ্ৰীব্যাসদেৱে গ্ৰন্থ্ ৰূপত প্ৰকাশ কৰাত আজি আমি পঢ়িবলৈ পাইছোঁ। গীতা শাস্ত্ৰত সৰ্ব্বমুঠ ১৮ অধ্যায় আৰু ৭০০ শ্লোক আছে। এই পবিত্ৰ পুথিৰ পৰা প্ৰয়োজন অনুসৰি বিৱৰণ লৈ "গীতা তোমাৰ জ্ঞান অমৃত" পুথি খন ৰচনা কৰা হৈছে । অৰণ্য বনৌষধিৰে ভৰি থাকে। বৈদ্যই সেই অৰণ্যৰ পৰা ঔষধ জাতীয় উদ্ভিদ বাচি উলিয়াই জীৱনদায়িণী ঔষধ তৈয়াৰ কৰে। অৰণ্যখন আগৰ দৰেই থাকে ।

ঠিক তেনেদৰে "গীতা তোমাৰ জ্ঞান অমৃত" পুথিখন ঔষধ বুলি বিবেচনা কৰিব যাক পান কৰি নিজৰ বৃদ্ধাৱস্থা আৰু মৃত্যু ৰোগৰ পৰা হাত সাৰিব পাৰিব।

আধ্যাত্মিক জ্ঞান অবিহনে মানৱ জীৱন আধৰুৱা হৈ ৰব। কোটিপতি সকলেও নিজৰ জীৱনত কিবা নহয় কিবা অভাৱ অনুভৱ কৰি জীৱন অসাৰ বুলি ভাৱে। জীৱনৰ এই শূণ্যতা পূৰণ কৰিবলৈকে পৰ্যটকসকল দেশে-বিদেশে ঘূৰি ফুৰে।পৰ্যটনৰ কালছোৱাত তেওঁলোকে সুখ অনুভৱ কৰে যদিও সেয়া ক্ষণস্থায়ী। পৰ্যটনৰ দ্বাৰা তেওঁলোকৰ সম্পূৰ্ণ জীৱন সুখী হ'ব নোৱাৰে। তাৰ দ্বাৰা আত্ম কল্যাণো নহয়। ওৰে জীৱন মানুহে যি অভাৱ অনুভৱ কৰে সেইটো হ'লপৰমেশ্বৰৰ ভক্তিৰ অভাৱ। সেই অভাৱ পূৰণ কৰিবলৈ বিশ্বৰ ধৰ্মপৰায়ণ ব্যক্তিসকলে নিজৰ নিজৰ পৰম্পৰাগত সাধনা কৰে। যদি সেই সাধনা শাস্ত্ৰ অনুকূল হয় তাৰ পৰা লাভ হব, যদি শাস্ত্ৰ বিধি ত্যাগ কৰি মনেসজা সাধনা হয় তেতিয়াহলে গীতা অধ্যায় ১৬ ৰ ২৩-২৪ শ্লোক অনুসৰি সকলো ব্যৰ্থ হয়। সাধকে বা ভকতে সুখ সিদ্ধি আৰু পৰমগতি লাভ নকৰে অৰ্থাৎ তেনে সাধনা ব্যৰ্থ হয় ।

কিছুমান শ্ৰদ্ধাৱান পুৰুষে কোনো গুৰুৰ পৰা দীক্ষা লৈ ভক্তি কৰে। যদি গুৰুজন পূৰ্ণ গুৰু হয়, তেতিয়া লাভ হ'ব অন্যথা এনে সাধনা ভক্তিও ব্যৰ্থ হয়।

"গীতা তোমাৰ জ্ঞান অমৃত" পুথিখনৰ গভীৰ অধ্যয়নৰ দ্বাৰা শাস্ত্ৰসন্মত ভক্তি সাধনাৰ বাবে প্ৰমাণিত শাস্ত্ৰ সমূহৰ জ্ঞান লাভ হ'ব। শাস্ত্ৰবিধি অনুসৰি কৰিবলগীয়া সাধনা কোনবিধ ? তাৰ বিধি বিধান কি ? কোনজন সন্ত মহাত্মাৰ

পৰা পাব পাৰি? পূৰ্ণ গুৰুৰ লক্ষণ কি ? এনে বিলাক প্ৰশ্নৰ যথাৰ্থ উত্তৰ এই পুথিখনৰ গভীৰ অধ্যয়নৰ দ্বাৰা লাভ কৰিব পাৰিব।
বিশ্বৰ বিভিন্ন ধৰ্মাৱলম্বীৰ মাজত সৃষ্টি হোৱা মাৰাত্মক বৈষম্য দূৰ কৰি এই পুথিখনে সমগ্ৰ বিশ্বত বিশ্ব ভাতৃত্বৰ ভাৱ জগাই তুলিব। গীতা শাস্ত্ৰ কোনো পন্থৰ বিশেষ ধৰ্ম গ্ৰন্থ নহয়। এই শাস্ত্ৰ মানৱ কল্যাণৰ বাবে সেই সময়ত প্ৰদান কৰা হৈছিল, যেতিয়া কোনো ধৰ্ম নাছিল মাথোন মানৱ ধৰ্মহে আছিল। মোৰ (সন্ত ৰামপাল) শ্লোগান হ'ল -

"জীৱ আমাৰ জাতি, মানৱ আমাৰ ধৰ্ম ।
হিন্দু, মুছলিম, শিখ, খৃষ্টান ধৰ্মৰ পৃথক নহয় মৰ্ম।।"

গুৰু নানকদেৱৰ জন্ম পবিত্ৰ হিন্দু ধৰ্মাৱলম্বী শ্ৰীকালুৰাম মেহেতাৰ ঘৰত খত্ৰী (অৰোৰা) কুলত হৈছিল। শ্ৰীনানকদেৱে শ্ৰীব্ৰজলাল পাণ্ডেৰ পৰা গীতা জ্ঞান গ্ৰহণ কৰি তেওঁ কোৱা অনুসৰি ভক্তি কৰি আছিল। শ্ৰীবিষ্ণু আৰু শ্ৰীশংকৰৰ লগতে হিন্দুধৰ্মৰ অন্য সকলো দেৱ-দেৱীৰ পূজা ভক্তি কৰিছিল। শ্ৰী নানকদেৱে চুলতানপুৰ চহৰৰ নবাবৰ অধীনত চাকৰি কৰিছিল। চহৰৰ পৰা প্ৰায় আধা কিঃমিঃ দূৰত বেঁই নদী আছিল, শ্ৰীনানক দেৱ প্ৰতিদিনে সেই নদীত গা ধুবলৈ গৈছিল।পৰমেশ্বৰে (পৰমাত্মাই) পবিত্ৰ আত্মাৰ দৃঢ় ভক্ত সকলক লগ ধৰে, যাৰ প্ৰমাণ এই পুথিখনত পঢ়িবলৈ পাব। সেই বিধান অনুসৰি শ্ৰীনানকদেৱক পৰমাত্মাই লগ ধৰি তত্বজ্ঞান দিছিল আৰু শাস্ত্ৰানুকূল সত্য সাধনাৰ জ্ঞান প্ৰদান কৰিছিল। শ্ৰীনানক দেৱক সন্তুষ্ট কৰিবলৈ পৰমাত্মাই তেওঁক নিজৰ পৰম সনাতন ধাম অৰ্থাৎ সত্যলোকলৈ লৈ গৈছিল আৰু সকলো ব্ৰহ্মাণ্ডৰ ভ্ৰমণ কৰাই যথাৰ্থ ভক্তি বিধিৰ জ্ঞান দি "সনাতন ভক্তি" পুনৰ প্ৰচলন কৰিবলৈ আদেশ দিলে। তিনিদিন পিছত শ্ৰীনানক দেৱক পুনৰ পৃথিৱীলৈ ঘূৰাই পঠিয়াইছিল। তাৰ পাছত শ্ৰীনানকদেৱে হিন্দু ধৰ্মত চলি থকা মনেসজা আচৰণ বিধি বন্ধ কৰি গীতা (সপ্তশ্লোকী গীতা) শাস্ত্ৰ অনুসৰি ভক্তি প্ৰচাৰ কৰিলে ।

পৰমাত্মাৰ সত্য সাধনা গুৰু অবিহনে সম্ভৱ নহয়। এই বিধান মতে শ্ৰী নানকদেৱে নিজে গুৰু পদত অধিষ্ঠিত হৈ ভকতসকলক শিষ্যত্ব প্ৰদান কৰিলে। তেওঁৰ শিষ্যসকলক শিখ বুলি কোৱা হয়, এই ধৰণে সমাজত তেওঁলোকৰ এটা অস্তিত্ব থাকিল, কিন্তু ধৰ্মৰ নামত খোৱা কামোৱা চলি থাকিল, বিবেক, বুদ্ধি, বিচাৰৰ অভাৱে দেখা দিলে।

বিবেচনা- ভক্তি কৰিবলৈ হ'লে শাস্ত্ৰ গুৰুত শৰণ লোৱাটো অনিবাৰ্য্য। গুৰুজন সমকালিক হ'ব লাগিব যিজনে নিজ মুখ পদ্মৰ পৰা তত্বজ্ঞান আৰু সাধনা বিধি ক'ব পাৰে। গুৰু শৰীৰৰ নাম নহয় , শৰীৰত থকা আত্মাহে গুৰু। শৰীৰ পাঁচ তত্বেৰে নিৰ্মিত হওঁক বা ইলেকট্ৰনিক (Video) হওক তেওঁক সমকালিক গুৰু বুলি কোৱা হয়। হিন্দুসকলৰ বেছিভাগেই গুৰুৰ শৰণ নোলোৱাকৈ পৰম্পৰাগত

সাধনা কৰে। ভক্তিৰ এই বিচলিত ধাৰাক শ্ৰীনানকদেৱে পৰমাত্মাৰ পৰা প্ৰাপ্ত জ্ঞানৰ দ্বাৰা সঠিক পথলৈ আনিছিল। বৰ্তমান সময়ত শিখসকলৰ মাজতো পূৰ্ণ গুৰুৰ অভাৱ আছে । সূক্ষ্মবেদত (সূক্ষবেদৰ বিষয় আগলৈ এই পুথিত পঢ়িবলৈ পাব) কোৱা আছে যে-

ৰাম-কৃষ্ণ সে কৌন বড়া, উনহোনে ভী গুৰু কীহ্ন ।
তীনলোক কে ৰে ধনী, গুৰু আগে আধীন ।।

ভাৱাৰ্থ - যি সকল হিন্দু শ্ৰদ্ধাৱান সকলে গুৰু অবিহনে মনে সজা বিধিৰে ভক্তি কৰে তেওঁলোকৰ মতে শ্ৰীৰাম আৰু শ্ৰীকৃষ্ণতকৈ ডাঙৰ আন কোনো নাই । তেনে অন্ধ শ্ৰদ্ধা ভক্তি কৰা সকলে জনা উচিত যে শ্ৰীকৃষ্ণ আৰু ৰামে তিনিওলোকৰ স্বামী হৈও গুৰুৰ শৰণ লৈ ভক্তি কৰিছিল আৰু নিজৰ নিজৰ গুৰুদেৱৰ চৰণত দণ্ডৱৎ প্ৰণাম কৰিছিল। শ্ৰীৰাম চন্দ্ৰৰ গুৰু আছিল ঋষি বশিষ্ঠ আৰু ঋষি দুৰ্বাসা হ'ল শ্ৰীকৃষ্ণৰ গুৰু। সন্দীপণি ঋষিয়ে শ্ৰীকৃষ্ণক আক্ষৰিক জ্ঞানহে দিছিল। ঋষি দুৰ্বাসা আধ্যাত্মিক গুৰু আছিল । ভাবি চাওক আমি সাধাৰণ প্ৰাণীয়ে গুৰু অবিহনে ভক্তি কৰি আত্মা কল্যাণ সাধিব পাৰিম নে ? সূক্ষ্মবেদত আকৌ উল্লেখ আছে ঃ-

কবীৰ গুৰু বিন মালা ফেৰতে, গুৰু বিন দেতে দান ।
গুৰু বিন দোনো নিস্ফল হৈ, পুছো বেদ পুৰাণ ।।

এই পুথিখনত আপুনি ভক্তিৰ অনেক গূঢ় ৰহস্যৰ বিষয় জ্ঞান লাভ কৰিব আৰু যৰ্থাথ অধাত্ম্য জ্ঞান ও সাধনাৰ সবিশেষ জানিবলগীয়াখিনি পাব। আশা কৰো পুথিখনে মানৱৰ কল্যাণ সাধন কৰিব। পৰমেশ্বৰৰ ওচৰত মোৰ কাতৰ প্ৰাৰ্থনা এই যে , “হে পৰমাত্মা দাসৰ এই চেষ্টা যেন ফলৱতী হওক। সকলো প্ৰাণী আপোনাৰেই সন্তান, আপোনাৰ আত্মা। এওলোকে যেন যৰ্থাথ ভক্তি পথৰ সন্ধান পায় আৰু তাৰ দ্বাৰা সকলো মানুহে নিজৰ জীৱন সফল কৰি তোলে। বিশ্বত শান্তি বিৰাজ কৰক । “সত সাহেব”

তাৰিখ ঃ- ০৮-০৯-২০১২

লেখক

**সন্ত ৰামপাল দাস মহাৰাজ**

সতলোক আশ্ৰম, বৰৱালা, হাৰিয়ানা ।

# দু-আষাৰ

জীৱ আমাৰ জাতি, মানৱ আমাৰ ধৰ্ম ।
হিন্দু, মুছলিম, শিখ, খৃষ্টান ধৰ্মৰ পৃথক নহয় মৰ্ম ।।

শ্ৰীমদভাগৱৎ গীতাৰ জ্ঞান ২০১২ চনৰ পৰা প্ৰায় ৫৫৫০ বছৰ আগেয়ে কোৱা হৈছিল। সেই সময়ত কোনো ধৰ্ম নাছিল। আদি শংকৰাচাৰ্য্যৰ দ্বাৰা প্ৰচলনত অনা পাঁচজন দেৱতাৰ উপাসনা পৰম্পৰাক গ্ৰহণ কৰা সকলক হিন্দু বুলি কোৱা হ'ল (প্ৰকৃততে এইটো লাখ লাখ বছৰৰ পৰা চলি অহা সনাতন পন্থ আছিল)। তাৰ (হিন্দু ধৰ্ম) প্ৰচলন আদি (প্ৰথম) শংকৰাচাৰ্য্যই ২০১২ চনৰ পৰা ২৫০০ বছৰ আগেয়ে কৰিছিল। তেওঁৰ জন্ম যীশুখৃষ্টৰ জন্মৰ ৫০৮ বছৰ আগতে হৈছিল। আঠ বছৰ বয়সতে তেওঁ উপনিষদৰ জ্ঞান প্ৰাপ্ত কৰিছিল। তাৰ পাছত তেওঁ গুহাবাসী বিৰক্ত সাধু এজনৰ শৰণত ১৬ বছৰ বয়সত দীক্ষা ল'লে। সেই সাধুজন গুহাৰ পৰা কাচিৎহে বাহিৰ হৈছিল। সেইজন মহাত্মাই আদি শংকৰাচাৰ্য্যক "জীৱেই ব্ৰহ্ম হয়" বুলি "অয়ম আত্মা ব্ৰহ্ম"ৰ পাঠ পঢ়ালে আৰু চাৰিবেদত ইয়াৰ প্ৰমাণ আছে বুলি ক'লে। জনসাধাৰণে আদি শংকৰাচাৰ্য্যক ক'লে যে যদি জীৱেই ব্ৰহ্ম হয় তেতিয়া হ'লে ভগৱানৰ পূজাৰ প্ৰয়োজন নাই । সকলো মানুহ ব্ৰহ্ম আৰু ব্ৰহ্মৰ অৰ্থ পৰমাত্মা, গতিকে কাক পূজা কৰা যায়? এই প্ৰশ্নত আদি শংকৰাচাৰ্য্য বিপাঙত পৰিল আৰু নিজ বিচাৰ বুদ্ধিৰে শ্ৰীবিষ্ণু, শ্ৰীশংকৰৰ ভক্তি কৰিবলৈ ক'লে ।

ক্ৰমান্বয়ে পাঁচজন দেৱতাৰো উপাসনা প্ৰচলনত আহিল - ১) শ্ৰীব্ৰহ্মাদেৱ, ২) শ্ৰীবিষ্ণুদেব, ৩) শ্ৰীশিৱদেব, ৪) শ্ৰীদুৰ্গাদেবী, ৫) শ্ৰীগণেশদেৱ। কিন্তু ইষ্টদেৱ ৰূপত মূলতঃ তমগুণী শংকৰৰ পূজা আৰম্ভ হ'ল। আদি শংকৰাচাৰ্য্যই খ্ৰীষ্টপূৰ্বঃ ৪৮৮ ত এই বিধান তৈয়াৰ কৰি হিন্দুধৰ্মৰ স্থাপনা কৰিছিল। ইয়াৰ প্ৰচাৰ প্ৰসাৰৰ বাবে পৰবৰ্ত্তী কালত ভাৰতৰ চাৰি দিশত এটাকৈ শংকৰ পীঠৰ স্থাপনা কৰিলে। আদি শংকৰাচাৰ্য্যই প্ৰথমতে পাহাৰ-পৰ্বতত বাস কৰা জনতাৰ মাজত নিজৰ ধৰ্ম প্ৰচলনৰ বাবে গিৰি সাধু তৈয়াৰ কৰিলে, দ্বিতীয়তে পুৰী সাধুৰ দল তৈয়াৰ কৰি গাঁৱে-ভূএঞে নিজৰ ধৰ্ম প্ৰচাৰ কৰি সেইমতে আচৰণ কৰিবলৈ লগালে, তৃতীয়তে বিৰক্ত সন্যাসী সাধুৰ দ্বাৰা জনতাক প্ৰভাৱিত কৰি নিজৰ পক্ষত কৰিলে। শেষত বানপ্ৰস্থী সাধু সাজু কৰিলে যি সকলে বনবাসী জনতাক নিজৰ মনোমত পন্থ প্ৰচাৰ কৰি নিজৰ কৰি ল'লে। আজিৰ হিন্দু ধৰ্মৰ শ্ৰদ্ধাৱান ব্যক্তিসকলৰ দৰেই তেওঁলোকেও চাৰিবেদ (ঋগবেদ, যৰ্জুবেদ, সামবেদ আৰু অথৰ্ববেদ), গীতা, পুৰাণ, উপনিষদৰ জ্ঞানক সত্য বুলি মানিছিল। এইদৰে খৃষ্টপূৰ্ব ৪৮৮ ৰ পৰা (২০১২ ৰ চনৰ পৰা ২৫০০ বছৰ পূৰ্বে) হিন্দু ধৰ্মৰ স্থাপনা হৈছিল। আদি শংকৰাচাৰ্য্য ৩০ বছৰ বয়সত অসাধ্য ৰোগত আক্ৰান্ত হৈ শৰীৰ ত্যাগ কৰি ভগৱান শংকৰৰ লোকলৈ গুচি গ'ল, কাৰণ তেওঁ শংকৰৰ উপাসক আছিল। মান্যতা আছে যে তেওঁ শিৱলোকৰ পৰা এই ধৰ্ম প্ৰচাৰৰ বাবে আহিছিল। তেওঁৰ সময়ত বৌদ্ধধৰ্মই ক্ষিপ্ৰ গতিৰে বিস্তাৰ লাভ কৰিছিল। বৌদ্ধ ধৰ্মৰ এই বিস্তাৰক আদি শংকৰাচাৰ্য্যই বাধা দিছিল। যদি বৌদ্ধ ধৰ্মই আৰু বিস্তাৰ লাভ কৰাহেঁতেন চীনদেশৰ দৰে ভাৰত বাসীও নাস্তিক হ'লহেঁতেন ।

খৃষ্টান ধৰ্মৰ স্থাপনা ঃ- যীশুখৃষ্টই খৃষ্টান ধৰ্মৰ প্ৰৱৰ্ত্তন কৰিলে। যীশুখৃষ্টৰ সমসাময়িক ধৰ্মগুৰু সকলে গবৰ্ণৰৰ হতুৱাই যীশুখৃষ্টক ক্ৰুছবিদ্ধ কৰি মাৰিছিল। তেতিয়া তেওঁৰ বয়স মাত্ৰ বত্ৰিশ বছৰ আছিল ।

গীতা আৰু বেদৰ জ্ঞানদাতা প্ৰভূৱে যীশুখৃষ্টক "ইঞ্জিল" নামৰ গ্ৰন্থ দি পঠিয়াইছিল। সম্পূৰ্ণ আধ্যাত্মিক জ্ঞান বেদ আৰু গীতাত আছে, "ইঞ্জিল" গ্ৰন্থত বেলেগে কোনো জ্ঞান নাই। গীতা আৰু বেদৰ জ্ঞান কোনো ধৰ্ম বিশেষৰ নহে সম্পূৰ্ণ মানৱ জাতিৰ বাবে হয়। যীশুখ্ৰীষ্টৰ প্ৰায় ৬০০ বছৰ পাছত হজৰত মহম্মদে ইছলাম ধৰ্ম প্ৰৱৰ্ত্তন কৰিছিল। গীতা আৰু বেদত থকা ব্ৰহ্মই মহম্মদক পবিত্ৰ "কোৰাণ শ্বৰীফ" গ্ৰন্থ দিছিল। গতিকে সেই জ্ঞান পুনৰ মহম্মদক কৈ দিয়া নাছিল। গীতা অধ্যায় ৪ শ্লোক ৩৪ ত আৰু যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১০ ত সম্পূৰ্ণ সৃষ্টিৰ ৰচনা কৰ্ত্তা পূৰ্ণ পৰমেশ্বৰৰ বিষয় কোনো তত্বদৰ্শী সন্তৰ পৰা জানি লবলৈ কৈছে, তেওঁহে সঠিক জ্ঞান আৰু ভক্তিবিধি ক'ব পাৰিব। পূৰ্ণ পৰমেশ্বৰৰ জ্ঞান থকা সন্তজনে সত্য সাধনাও জানে।

বাইবেলৰ জ্ঞানো গীতা জ্ঞান দাতাই দিছে। বাইবেল ১) জবুৰ ২) তৌৰত আৰু ৩) ইঞ্জিল এই তিনিখন কিতাপৰ সংকলন হয়। বাইবেলৰ "উৎপত্তি" অধ্যায়ৰ আৰম্ভনিতে লিখা আছে যে পৰমেশ্বৰে মানুহক নিজৰ স্বৰূপত উৎপন্ন কৰিলে, নৰ আৰু নাৰী সাজিলে। ৬ দিনত সৃষ্টি ৰচনা কৰি সপ্তম দিনত পৰমেশ্বৰে বিশ্ৰাম ল'লে।

কোৰাণ শ্বৰীফ ঃ- কোৰাণৰ সুৰতি ফুৰ্কানি নং ২৫, আয়ত নং ৫২ ৰ পৰা ৫৯ ত কৈছে - কবীৰ আল্লাই ৬ দিনত সৃষ্টি ৰচনা কৰিলে আৰু ওপৰ আকাশত গৈ সিংহাসনত বহিল। সেইজন পৰমেশ্বৰৰ খবৰ কোনো বাখবৰ অৰ্থাৎ তত্বদৰ্শী সন্তক সুধিবা। ইয়াৰ পৰা স্পষ্ট হ'ল যে কোৰাণ শ্বৰীফৰ জ্ঞান দাতাৰো সেই পূৰ্ণ পৰমেশ্বৰ অৰ্থাৎ আল্লাহু আকবৰ (কবীৰ আল্লা) ৰ বিষয়ে জ্ঞান নাই ।

কোৰাণ শ্বৰীফৰ সুৰতি ৪২ ৰ প্ৰথম আয়তত গীতা অধ্যায় ১৭ ৰ শ্লোক ২৩ ত থকা তিনিটা মন্ত্ৰৰ সাংকেতিক জ্ঞান আছে। গীতাত কৈছে "ব্ৰহ্মণ" অৰ্থাৎ সচ্চিদানন্দ ঘন ব্ৰহ্মৰ ভক্তিৰ " ওঁ-তত্-সত্" তিনি নামৰ স্মৰণ কৰা ।

কোৰাণ শ্বৰীফৰ সুৰতি ৪২ৰ প্ৰথম আয়তত ওপৰৰ তিনি নামৰ সংকেত এনদৰে দিছেঃ- " অৈন্-সীন্-কাঁফ্"। "অৈন" হিন্দীৰ "অ" হয় আৰু "ওম"ৰ সংকেত দিছে। "অৈন" ৰ ভাৱাৰ্থ হ'ল ওম্। "সীন"= স, -এইটো গীতা অধ্যায় ১৭ ৰ শ্লোক ২৩ ৰ দ্বিতীয় সাংকেতিক মন্ত্ৰ "তত্" ৰ সমকক্ষ যাৰ বাস্তৱিক মন্ত্ৰৰ প্ৰথম আখৰ "স" হয়। এই "ওম" + "সীন" বা "তত্" লগলাগি সত্যনামৰ দুটা মন্ত্ৰ হয়। কোৰাণত থকা তৃতীয় মন্ত্ৰ "কাঁফ্" = ক গীতা অধ্যায় ১৭ শ্লোক ২৩ ৰ তিনিটা সাংকেতিক মন্ত্ৰৰ অন্তিম "সত্" মন্ত্ৰৰ সমকক্ষ । (গুৰুমুখী) ত ক=ককা, খ=খকা, গ= গগা, ঊ =ঊড়া, ঈ = ইড়া বুলি কোৱা আৰু লিখা হয়। এইদৰে কোৰাণত অ, স, ক লিখা হৈছে । "সত" মন্ত্ৰ সাংকেতিক হয় আৰু ইয়াৰ বাস্তৱিক নাম (মন্ত্ৰ) ৰ প্ৰথম আখৰ "ক" হয় (সেইটো নাম "কৰীম" হয়) যাক সাৰনাম বুলিও কোৱা হয়। যি সকল ভকতে মোৰ (সন্ত ৰামপাল দাস) ৰ তিনিটা মন্ত্ৰ উপদেশ (দীক্ষা) লৈছে, তেওঁলোকে সেই দুটা সাংকেতিক মন্ত্ৰৰ বাস্তৱিক নাম জানে।

"সকলো ধৰ্ম গ্ৰন্থৰ মাজত কিছু সমতা আছে"

বাইবেলৰ উৎপত্তি গ্ৰন্থত উল্লেখ আছে- "আদম আৰু তেওঁৰ ধৰ্মপত্নী হব্বাই বাগিচাৰ মাজত থকা গছৰ ফল খোৱাত তেওঁলোকৰ ভাল-বেয়াৰ জ্ঞান হ'ল। প্ৰভু সন্ধিয়া বেলা বাগিচাত ফুৰিবলৈ আহি এই ঘটনা গম পালে আৰু ক'লে "ভাল- বেয়াৰ জ্ঞান হোৱাত আদম আৰু হব্ৰা আমাৰ (প্ৰভুসকলৰ) সমান হ'ল", তেতিয়া প্ৰভু সৰ্তক হ'ল যাতে আদম আৰু হব্ৰাই অমৰত্ব প্ৰদান কৰা বৃক্ষৰ ফল খাই অমৰ নহয়। গতিকে দুয়োকে স্বৰ্গৰ বাগিচাৰ পৰা বাহিৰ কৰি পৃথিৱীত এৰি দিলে।

বিবেচনা ঃ-ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে প্ৰভু এজনতকৈ বেছি আছে কাৰণ ওপৰত কৈছে, "আমাৰ সমান হ'ল"। বাইবেলত এইটোও উল্লেখ আছে যে, "আব্ৰাহিম" মামৰ গছৰ তলত বহি থাকোতে তিনিজন প্ৰভুৱে দেখা দিলে, তেওঁলোকক ভোজন খুৱালে, দণ্ডৱত প্ৰণাম কৰি আৰ্শীবাদ ল'লে। ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে বাইবেলে তিনিজন প্ৰভু আছে বুলি মানি লৈছে। মুছলমান ধৰ্মত বালক ৰূপত থকা "চাৰি বন্ধু" ৰ উল্লেখ আছে। সূক্ষ্মবেদ অৰ্থাৎ তত্বজ্ঞানত উল্লেখ আছে -

*"ৱহী সনক সনন্দনা, ৱহী চাৰ য়াৰী। তত্বজ্ঞান জানে বিনা, বিগড়ী বাত সাৰী ।।"*

ভাৱাৰ্থ ঃ- হিন্দু ধৰ্মৰ মতে বালক ৰূপত থকা সনক, সনন্দন, সনাতন আৰু সন্তকুমাৰ শ্ৰীব্ৰহ্মাৰ মানস পুত্ৰ হয়। মুছলমান ধৰ্মত এওঁলোকক "চাৰিবন্ধু"- চাৰিজন বালক মিত্ৰ কোৱা আছে । ত্ক্ষ্মবেদত আকৌ উল্লেখ আছে যে ঃ-

*" ৱহী মোহম্মদ ৱহী মহাদেৱ, ৱহী আদম ৱহী ব্ৰহ্মা ।*
*দাস গৰীব দুসৰা কোই নহী , দেখ আপনে ঘৰমা ।।*

ভাৱাৰ্থ ঃ- মুছলমান ধৰ্মৰ প্ৰৱৰ্ত্তক হজৰত মহম্মদ শিৱলোকৰ পৰা অহা পুণ্যাত্মা আছিল। তেওঁ গুহাৰ ভিতৰত বহি সাধনা কৰি থাকোঁতে শিৱৰ এঘাৰ ৰূদ্ৰৰ ভিতৰৰ এজন গণে মহম্মদক লগ ধৰি কাল প্ৰভুৰ অৰ্থাৎ ব্ৰহ্মৰ বাৰ্ত্তা আৰবী ভাষাত শুনালে। সেই ৰূদ্ৰক মুছলমানসকলে জবৰিল ফৰিস্তা (দেৱদূত) কয় আৰু তেওঁক ভাল চৰিত্ৰৰ বুলি ভাৱে । সাৰ কথা হ'ল হজৰত মহম্মদো শিৱৰ সন্তান হয়। মুছলমান শ্ৰদ্ধাৱান সকলে তেওঁলোকৰ পবিত্ৰ তীৰ্থ "কাবা"ত থকা ভগৱান শংকৰৰ লিংগ আকাৰৰ শিলক প্ৰণাম কৰে ।

২) আদম বাবা ঃ- পুৰাণ আৰু জৈন ধৰ্মৰ গ্ৰন্থত আদম বাবাৰ উল্লেখ আছে। ঋষভদেৱ অযোধ্যাৰ ৰজা নাভিৰাজৰ পুত্ৰ আছিল। তেওঁৰ এশজন পুত্ৰ আৰু এজনী কণ্যা আছিল। পৰমেশ্বৰে সন্তৰূপত ঋষভদেৱক লগ ধৰি ভক্তিৰ প্ৰেৰণা দি ক'লে যে মনুষ্য জীৱনত শাস্ত্ৰবিধি অনুসৰি সাধনা নকৰিলে জীৱন অথলে যায়। বৰ্ত্তমান জীৱনৰ সকলো সুখ-দুখ পূৰ্বৰ জন্ম-জন্মান্তৰৰ পূণ্য আৰু পাপৰ ফল হয়। আপুনি যদি ৰজা, সেয়া আপোনাৰ পূৰ্ব জন্মৰ শুভ কৰ্মৰ ফল হয়। এই জীৱনত ভক্তি নকৰিলে আপুনি ভক্তি শক্তিহীন আৰু পুণ্যহীন হৈ নৰক ভোগ কৰি অন্য প্ৰাণীৰ শৰীৰ ধাৰণ কৰি কষ্ট পাব। (উদাহৰণস্বৰূপে- ইনভাৰটাৰৰ বেটাৰি সম্পূৰ্ণ চাৰ্জ কৰি চাৰ্জাৰ খুলি থলেও বেটাৰিয়ে কাৰ্য্য

কৰি থকাত ইনভাৰটাৰৰ দ্বাৰা ফেন চলিব, বাল্বে পোহৰ দিব । যদি বেটাৰিটো আকৌ চাৰ্জ কৰা নহয়, কিছু সময়ৰ পাছত ইনভাৰটাৰৰ দ্বাৰা একো কাম নহ'ব, ফেনো নচলিব, বাল্বে পোহৰো নিদিব। মানৱ শৰীৰো এটা ইনভাৰটাৰৰ দৰে হয়, শাস্ত্ৰবিধি অনুসৰি কৰা ভক্তি চাৰ্জাৰ হয়,পৰমেশ্বৰৰ শক্তিৰ দ্বাৰা মানৱ শৰীৰ চাৰ্জ হৈ যাব অৰ্থাৎ ভক্তিৰ দ্বাৰা শক্তিমান আৰু পুণ্যৱান হ'ব)। ঋষি ৰূপত অহা পৰমেশ্বৰৰ শ্ৰীমুখৰপৰা এই জ্ঞান শুনি ঋষভদেৱে ভক্তি কৰাৰ দৃঢ় সংকল্প ল'লে। ঋষভদেৱে পৰিচয় সোধাত ঋষিজনে তেওঁৰ নাম চাৰিওবেদত "কবিৰ্দেৱ" বুলি লিখা আছে বুলি কৈ নিজকে পূৰ্ণ পৰমেশ্বৰ বা পৰম অক্ষৰ ব্ৰহ্ম বুলি চিনাকি দিলে । সূক্ষ্মবেদত লিখা আছে যে -

*ঋষভদেৱ কে আইয়া, কবী নামে কৰতাৰ ।*
*নৌ যোগেশ্বৰ কো সমঝায়া, জনক বিদেহ উদ্ধাৰ ।।*

সাৰমৰ্ম ঃ- পৰমেশ্বৰে "কবী" নামেৰে ঋষভদেৱক লগধৰি ভক্তিৰ প্ৰেৰণা দিলে। সেইজন পৰমেশ্বৰে ৯ জন যোগেশ্বৰ আৰু জনক ৰজাক জ্ঞান প্ৰদান কৰি আত্ম উদ্ধাৰৰ বাবে ভক্তি কৰাৰ প্ৰেৰণা দিলে। ঋষভদেৱে কবিৰ্দেৱ ঋষিক প্ৰভু বুলি মানিবলৈ টান পালেও ভক্তি কৰাৰ বাবে মন বান্ধিলে। পাছত তপস্বী ঋষি এজনৰ পৰা দীক্ষা লৈ "ওঁ" নামৰ জপ আৰু হঠযোগ কৰিলে। ঋষভদেবৰ ডাঙৰ লৰা "ভৰত" আৰু ভৰতৰ পুত্ৰ "মাৰীচি" আছিল। ঋষভদেৱে প্ৰথমতে এবছৰ ধৰি অনাহাৰে তপস্যা কৰিলে, আকৌ এক হাজাৰ বছৰলৈকে ঘোৰ তপস্যা কৰিলে। তপস্যাৰ শেষত নাতি মাৰীচিক প্ৰথম দীক্ষা দিলে। এই মাৰীচিৰ আত্মাই চতুৰ্বিংশতিতম তীৰ্থংকৰ মহাবীৰ জৈনৰ ৰূপত জন্ম ল'লে। ঋষভদেৱে জৈনধৰ্মৰ প্ৰৱৰ্ত্তন কৰা নাছিল, এই ধৰ্ম্ম শ্ৰীমহাবীৰ জৈনৰ পৰা আৰম্ভ হৈছিল। ক'বলৈ গ'লে শ্ৰীমহাবীৰেও কোনো ধৰ্মৰ প্ৰৱৰ্ত্তন কৰা নাছিল; মাত্ৰ নিজৰ অনুভৱ আৰু অভিজ্ঞতাখিনি অনুগামী সকলৰ মাজত ব্যক্ত কৰিছিল। সেই ভক্ত সমুদায় আছিল ভক্তি কৰা সকলৰ এটা সমষ্টি মাত্ৰ। ঋষভদেৱে "ওম" নামৰ জপ ওংকাৰ বুলি কৰিছিল। জৈন সকলৰ মতে বৰ্তমানত "ওংকাৰ" ৰ অপ্ৰভ্ৰংশ ৰূপ হ'ল "নোংকাৰ"। তেওঁলোকে ইয়াৰ জপ কৰে, ইয়াক ওংকাৰ বা ওঁ বুলিও কয়।

এতিয়া আকৌ আগৰ প্ৰসঙ্গলৈ আহোঁ। জৈন ধৰ্মৰ গ্ৰন্থ আৰু জৈন ধৰ্মৰ অনুগামী সকলৰ দ্বাৰা লিখিত পুথি "জৈন ধৰ্মক জানো, আহক"ৰ মতে ঋষভদেৱৰ (জৈনসকলে তেওঁক আদিনাথ কয়) জীৱ বাবা আদমৰ ৰূপত জন্ম লৈছিল। এতিয়া সূক্ষ্ম বেদৰ আগতে উল্লেখ কৰা বাণীৰ সৰলাৰ্থ কৰিম -

*ৱহী মোহম্মদ ৱহী মহাদেৱ ৱহী আদম ৱহী ব্ৰহ্মা ।*
*দাস গৰীব দুসৰা কোই নহী, দেখ আপনে ঘৰমা ।।*

আদম বাবা ভগৱান ব্ৰহ্মাৰ লোকৰ পৰা আহিছিল; কাৰণ মানৱ জনমত কৰা ভক্তি সাধনা অনুসৰি প্ৰাণী ওপৰৰ তিনিও দেৱতাৰ লোকলৈ ক্ৰমান্বয়ে গতি কৰে আৰু পুণ্যক্ষীণ হোৱাৰ লগে-লগে পুনৰ সংস্কাৰবশ পৃথিৱীত জন্ম লয় ।

সন্ত গৰীব দাসৰ ঘৰ হাৰিয়ানা ৰাজ্যৰ ঝজ্জৰ জিলাৰ ছুড়ানী গাঁৱত আছিল। ঋষভদেৱক জ্ঞান দিওঁতা পৰমেশ্বৰে সন্ত গৰীবদাসক লগ ধৰি ওপৰৰ সত্য

লোকৰ সকলো ব্যৱস্থা দেখুৱাইছিল। পৰমেশ্বৰে কৈছিল যে বাবা আদম ব্ৰহ্মাৰ লোকৰ পৰা অহা স্বয়ং ব্ৰহ্মাৰ অৱতাৰ হয়। মহম্মদ তমগুণ শিৱৰ অৱতাৰ আছিল। অৱতাৰ দুই ধৰণৰ - ১) শ্ৰীৰাম, শ্ৰীকৃষ্ণ স্বয়ং শ্ৰীবিষ্ণুৰ অৱতাৰ হয়। ২) কপিল ঋষি, পৰশুৰাম আদিও বিষ্ণুৰ অৱতাৰ বুলি গণ্য কৰা হয়, এওঁলোক স্বয়ং বিষ্ণু নহয়, বিষ্ণু লোকৰ পৰা অহা দেবাত্মা আছিল। শ্ৰীবিষ্ণুৱে কিছু শক্তি দি তেওঁলোকক পঠিয়াইছিল। হজৰত মহম্মদও শিৱলোকৰ পৰা অহা দেৱাত্মা-অৱতাৰ আছিল আৰু বাবা আদম শ্ৰীব্ৰহ্মালোকৰ পৰা অহা দেৱাত্মা-অৱতাৰ আছিল। যীশুখ্ৰীষ্ট শ্ৰীবিষ্ণুৰ লোকৰ পৰা অহা দেৱাত্মা-অৱতাৰ আছিল। খ্ৰীষ্টান শ্ৰদ্ধাবানসকলে যীশুখ্ৰীষ্টক প্ৰভুৰ পুত্ৰ বুলি মানে, প্ৰভু বুলি নামানে। সন্ত গৰীবদাস মহাৰাজে কৈছে ওপৰোক্ত কথাৰ সত্যতাৰ বাবে তেওঁ প্ৰদান কৰা শাস্ত্ৰ সন্মত ভক্তি সাধনা কৰি নিজৰ ঘৰত অৰ্থাৎ নিজৰ শৰীৰত নিজ চকুৰে চাব পাৰে ।

ভাৱাৰ্থ ঃ- সকলো ধৰ্মৰ মানুহৰ শৰীৰ-ৰচনা একে সমান। তত্বজ্ঞানৰ অভাৱত আমি ধৰ্মৰ নামত বিভক্ত হলোঁ। সন্ত গৰীবদাস মহাৰাজে কৈছে আমাৰ শৰীৰৰ ভিতৰত পৰমেশ্বৰে ভিন ভিন অঙ্গ সাজিছে। ৰাজহাড়ৰ ভিতৰফালে তলৰ পৰা কণ্ঠলৈকে পাঁচটা কমল বা চক্ৰ আছে; সিপিঠিৰ চিত্ৰ চাওক -

১) মূলচক্ৰ ঃ- এই চক্ৰ ৰাজহাড়ৰ শেষ বিন্দুৰ এক ইঞ্চি ওপৰত আছে। ইয়াত শ্ৰীগণেশ থাকে। এই কমলৰ পাহি চাৰিটা ।

২) স্বাদ চক্ৰ ঃ- স্বাদচক্ৰ মূল চক্ৰৰ দুই ইঞ্চি ওপৰত ৰাজহাড়ৰ ভিতৰত আছে। ইয়াৰ দেৱতা শ্ৰী ব্ৰহ্মা আৰু তেওঁৰ পত্নী সাবিত্ৰী দেবী। এই কমলৰ পাহি সংখ্যা ৬ টা ।


৩) নাভিকমল বা নাভি চক্ৰ ঃ-নাভিৰ পোনে পোনে পিঠিৰফালে ৰাজহাড়ৰ ভিতৰত নাভি কমল অৱস্থিত। ইয়াৰ দেৱতা শ্ৰী বিষ্ণু আৰু তেওঁৰ পত্নী লক্ষ্মী দেবী। এই কমলত ৮ টা পাহি আছে।

৪) হৃদয় কমল ঃ-স্তন দুটাৰ মাজত ৰাজহাড়ৰ ভিতৰত এই চক্ৰ অৱস্থিত। ইয়াৰ দেৱতা শ্ৰী শিৱ আৰু তেওঁৰ পত্নী পাৰ্বতী দেবী। এই কমলৰ ১২টা পাহি আছে।

৫) কণ্ঠ কমল ঃ-বুকুৰ হাড়ৰ ওপৰত, যৰ পৰা কণ্ঠ আৰম্ভ হয় তাৰ পিছফালে ৰাজহাড়ৰ অন্তিম অংশত এই কমল আছে। ইয়াৰ প্ৰধান (সৰ্বেসৰ্বা) শ্ৰীদুৰ্গা দেবী হয়। ইয়াত ১৬ টা পাহি আছে। বাকী কমল চক্ৰ ওপৰৰ পিনে অৱস্থিত ।

৬) সঙ্গম কমল বা ষষ্ঠ কমল ঃ- এই কমল সুষ্মণাৰ সুযুন্নাৰ ওপৰৰ দুৱাৰত আছে। ইয়াত সৰস্বতী ৰূপত দুৰ্গা দেবীয়ে বাস কৰে। এই কমলত তিনিটা পাহি আছে। এটা পাহিত ৭২ কোটি উৰ্ব্বশী (সুন্দৰ পৰী) থাকে, এওঁলোকে ওপৰলৈ যোৱা ভকতক নিজৰ মায়াজালত বন্দী কৰে। দ্বিতীয়টো পাহিত সুন্দৰ যুৱকসকল থাকে যিসকলে ওপৰলৈ যোৱা ভকতনীক আকৰ্ষিত কৰি কাল জালত বন্দী কৰে। ইয়াত স্বয়ং কাল ব্ৰহ্মও অন্য ৰূপত এই যুবক সকলৰ সঞ্চালক প্ৰধান হৈ থাকে। তৃতীয় পাহিত স্বয়ং পৰমাত্মা অন্য ৰূপত থাকে, নিজৰ ভকতক জ্ঞান প্ৰদান কৰি, সতৰ্ক কৰি দিয়ে আৰু কালৰ জালৰ পৰা মুক্ত কৰে ।

৭) ত্ৰিকুটি কমল চক্ৰ ঃ- দুটা চেলাউৰিৰ মাজ ভাগৰ পোনে পোনে মূৰৰ পিচফালে অন্য কমলৰ শাৰীত এই কমল আছে। ইয়াৰ দেৱতা সতগুৰু ৰূপত পৰমেশ্বৰ নিজে হয়। এই কমলৰ পাহি দুটা, এটা বগা ৰঙৰ, আনটো কলা-ভোমোৰাৰ ৰঙৰ থাকে। বগা পাহিত সতগুৰু ৰূপত সত্যপুৰুষ বাস কৰে; কলা পাহিত নকলী সতগুৰু ৰূপত কাল নিৰঞ্জন বাস কৰে ।



**শৰীৰ (পিণ্ড) ত কমল (চক্ৰ) ৰ চিত্ৰ**

৮) সহস্ৰ কমল চক্ৰ ঃ- সহস্ৰ কমল মূৰৰ মধ্যভাগৰ দুই আঙুল তলত অন্য কমলৰ শাৰীত অৱস্থিত। সহস্ৰ কমলৰ অৱস্থান টিকনিৰ তলত। ইয়াৰ দেৱতা হ'ল গীতা আৰু বেদ জ্ঞানদাতা ব্ৰহ্ম বা ক্ষৰ পুৰুষ। এই কমলত এক হাজাৰ পাহি আছে যি বোৰক কাল ব্ৰহ্মই পোহৰাই ৰাখি নিজে এই চক্ৰৰ ভিতৰতে কিছুদুৰত অৱস্থান কৰে। তেওঁ নিজে দৃষ্টিগোচৰ নহয়, মাত্ৰ পাহিবোৰ চিকমিকাই থাকে।

অষ্ট কমল চক্ৰ ঃ- এই কমলৰ দেৱতা অক্ষৰ পুৰুষ বা পৰব্ৰহ্ম হয়। ইয়াৰ পাহি ৮টা। ইয়াৰ স্থিতি প্ৰকাশ নকৰোঁ কাৰণ নকলী গুৰুৱে জানিলে জনতাক ভ্ৰমিত কৰিব।

৯) শঙ্খ কমল দল ঃ- এই কমলত পূৰ্ণ ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম বাস কৰে। ইয়াত শঙ্খ পাহি আছে। ইয়াৰ সবিশেষ বিৱৰণ ইয়াত নিদিওঁ কাৰণ নকলী গুৰুৱে ইয়াৰ অনৰ্থ কৰিব । [কমলৰ চিত্ৰত ষষ্ঠ কমল আৰু নৱম কমল দেখুৱা

নাই কাৰণ শিক্ষাৰ্থীক লাহে লাহে জ্ঞান দিব লাগে। কমলৰ ৰহস্য অতি গভীৰ। তাৰ বিষয়ে "কবীৰ সাগৰ"ৰ সাৰাংশত লিখা আছে ]

শৰীৰত থকা কমলৰ তুলনা টিভিৰ চেনেলৰ লগত কৰিব পাৰি। যি কোনো চেনেলৰ কাৰ্যক্ৰম ইচ্ছা কৰিলে চাব পাৰি; কাৰ্যক্ৰম চলি থাকে ষ্টুডিঅ'ত আৰু আমি চাওঁ টিভিত। শৰীৰত থকা কমলেও চেনেলৰ দৰে কাম কৰে। এই কমলবোৰক মেলি দিয়া (সক্ৰিয় কৰা ) মন্ত্ৰ (Remote control) মই (সন্ত ৰামপাল দাসে) জপ কৰিবলৈ দিওঁ ।

প্ৰথমে শৰীৰত থকা কমলবোৰক মেলিবলৈ দীক্ষা দিয়া হয়। মন্ত্ৰ শক্তিৰ দ্বাৰা সকলো কমলৰ পাহিবোৰ মেল খায় আৰু সাধকে তাত থকা দেৱতাৰ ধামত ঘটি থকা সকলো দৃশ্য চাব পাৰে। সেই কাৰণে সন্ত গৰীবদাস মহাৰাজে ন দি কৈছে নিজৰ শৰীৰৰ চেনেল সক্ৰিয় কৰি বাবা আদম ব্ৰহ্মা লোকৰ পৰা অহা দৃশ্য চাব পাৰিব, কাৰণ তাত সকলো ৰেকৰ্ড যথাযথ আছে। আজিকালি You Tube চোৱাৰ দৰে প্ৰত্যেক দেৱধামত অতীতত ঘটা ঘটনা আপুনি ইচ্ছা কৰিলে চাব পাৰে।

এইদৰে আপুনি হজৰত মহম্মদক শিৱলোকৰ পৰা আৰু যীশুখ্ৰীষ্টক শ্ৰী বিষ্ণুৰ লোকৰ পৰা অহা দেখা পাব।

## "মক্কা মহাদেৱৰ মন্দিৰ হয়"

"ভাইবালে ৱালী জন্ম সাখী"ত প্ৰমাণ ঃ- "সাখী মদিনে কী চলী"ৰ হিন্দী অনুবাদৰ ২৬২ পৃষ্ঠাত শ্ৰীনানক দেৱে চাৰিজন ইমামৰ প্ৰশ্নৰ উত্তৰত কৈছে ঃ-

*আখে নানক শাহ সচ্চ, সুণ হো চাৰ ইমাম।*
*মক্কা হৈ মহাদেৱ কা, ব্ৰাহ্মণ সন চুলতান ।।*

এটা কথা স্পষ্ট যে যথাৰ্থ আধ্যাত্মিক জ্ঞান সুক্ষ্মবেদ, গীতা আৰু চাৰিবেদত হে আছে; পুৰাণ, কোৰাণ, বাইবেল, ছয়শাস্ত্ৰ আৰু এঘাৰ উপনিষদত সেই জ্ঞান নাই। উদাহৰণ - দশম শ্ৰেণীলৈকে থকা পাঠ্যক্ৰম ভুল নহয়, কিন্তু তাত বি. এ. বা এম. এ. ৰ জ্ঞান নাথাকে। সেইটো পাঠ্যক্ৰম ভুল নহয় কিন্তু যথেষ্ট নহয় ।

অন্য উদাহৰণ ঃ- গীতা অধ্যায় ২ ৰ শ্লোক ৪৬ ৰ মতে ডাঙৰ জলাশয় (হ্ৰদ) পোৱাৰ পিছত সৰু জলাশয়ত যিমান আস্থা থাকে, পূৰ্ণ পৰমাত্মাৰ সম্পূৰ্ণ জ্ঞান হোৱাৰ পাছত অন্য জ্ঞান আৰু অন্য ভগৱানতো সিমানেই আস্থা থাকে ।

গীতা জ্ঞান প্ৰকাশৰ সময়ত অৰ্থাৎ অতীতত মানুহে জলাশয়ৰ ওচৰত বাস কৰিছিল। এবছৰ বৰষুণ নহ'লে সৰু জলাশয়ৰ ওপৰত নিৰ্ভৰশীল মানুহবোৰৰ সংকট কাল উপস্থিত হৈছিল । ডাঙৰ জলাশয় (হ্ৰদ) ৰ পানী দহ বছৰ বৰষুণ নহ'লেও শেষ নহয়। মানুহে তেনে জলাশয় পালে সৰু জলাশয় এৰি তাৰ ওচৰত বাস কৰিছিল। "গীতাৰ অমৃত জ্ঞান" পুথিখনো আধ্যাত্মিক দিশৰ পৰা এখন ডাঙৰ জলাশয়। অতিশীঘ্ৰে ইয়াৰ ওচৰত বাস কৰি নিজৰ মানৱ জীৱন সুখী কৰক। আহক, ইয়াৰ অমৃত জ্ঞান পান কৰি অমৰ হওক ।

হিন্দু সকলে কয় মুছলমানৰ সকলো সাধনা বিপৰীত। হিন্দুসকলে উদিত সূৰ্য্যক প্ৰণাম কৰাৰ বিপৰীতে মুছলমান সকলে অস্তমিত সূৰ্য্যক চেলাম কৰে ।

বিবেচনা ঃ- দুয়ো পক্ষৰ মনোভাৱ শুদ্ধ , কিন্তু দুয়ো বিবেক শূণ্য। হিন্দু সকলে আন্ধাৰ ৰাতিৰ পাছত পোহৰ দি নিজৰ কাম-বন কৰাত সুবিধা কৰি দিয়াৰ বাবে সূৰ্য্যক ধন্যবাদ দি প্ৰাৰ্থনা জনায় যে সদায় এনেদৰে আমাৰ ওপৰত কৃপাদৃষ্টি ৰাখিব।

মুছলমানসকলে জানে যে তেওঁলোৰ জ্যেষ্ঠ ভাতৃ হিন্দুসকলে সকলোৰে মঙ্গল কামনা কৰি ৰাতিপুৱাই সূৰ্য্য দেৱক ধন্যবাদ জনাইছে। পোহৰ আৰু তাপ দি সকলোৰে উপকাৰ কৰাৰ বাবে মুছলমান সকলে সূৰ্য্যস্তৰ সময়ত সূৰ্য্যক ধন্যবাদ দি পিছদিনাখনো সূৰ্য্যৰ পৰা কৃপা পাবলৈ ইচ্ছা প্ৰকাশ কৰে। আপুনিও আল্লা অকবীৰৰ সন্তান, আমিও তেওঁৰেই সন্তান ।

প্ৰকৃততে হিন্দু বা মুছলমান কোনেও সূৰ্য্যৰ পূজা নকৰে। পূব আৰু পশ্চিম মুৱা হৈ ৰাতিপুৱা হিন্দুসকলে আৰু গধূলি মুছলমান সকলে পৰমাত্মাৰ পূজা কৰে।

মাত্ৰ পূৰ্ণ পৰমেশ্বৰৰ হে পূজা কৰিব লাগে। অন্য দেৱ-দেৱী বা দেৱদূতৰ আদৰ-সৎকাৰ কৰিব লাগিব। এই সন্দৰ্ভত অধিক জ্ঞান লাভৰ বাবে পৰৱৰ্ত্তী অধ্যায়ত “গীতাৰ সত্য সাৰ” নিশ্চয় পঢ়িব।

নিবেদন ঃ- আপোনালোকৰ সুবিধাৰ্থে পুথিখনৰ শেষৰফালে গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত আৰু শ্ৰীজয়দয়াল গোয়ন্দকাৰ দ্বাৰা অনুবাদিত গীতাৰ বিষয় জড়িত অধ্যায়ৰ শ্লোকৰ যথাযথ অনুবাদ দিয়া আছে যাতে আপোনালোকে চকু পচাৰতে সত্যক জানিব পাৰে আৰু প্ৰমাণৰবাবে বেলেগ গীতা কিনিবলগীয়া নহয়।

লেখক - সন্ত ৰামপাল দাস

## "গীতাৰ সত্য সাৰ"

১) প্ৰশ্নঃ- গীতাৰ তত্বজ্ঞান কেতিয়া, কোনে, কাক শুনাইছিল ? এইখন কোনে লিপিবদ্ধ কৰিছিল। অনুগ্ৰহ কৰি বহলাই কওক ।

উত্তৰ ঃ- শ্ৰীমদভাগৱত গীতাৰ জ্ঞান শ্ৰীকৃষ্ণৰ দেহত প্ৰবেশ কৰি কাল ভগৱানে (বেদ আৰু গীতাত কাল ভগৱানক "ব্ৰহ্ম" বুলি জনা যায় ) অৰ্জুনক কৈছিল। কৌৰৱ আৰু পাণ্ডৱে দিল্লীৰ সিংহাসনৰ বাবে নিজৰ-নিজৰ দাবী উত্থাপন কৰি কুৰুক্ষেত্ৰত যুদ্ধৰ বাবে সাজু হৈছিল। অৰ্জুনে সন্মুখত ভীস্ম পিতামহ, গুৰু দ্ৰোণাচাৰ্য আৰু কৌৰৱ বংশৰ পুত্ৰ আৰু অন্য সম্পৰ্কীয় লোক সকল যুদ্ধত বিনাশ হ'বলৈ অহা দেখিলে। কৌৰৱ আৰু পাণ্ডৱ পৰস্পৰ ভাই-ককাই। অৰ্জুনৰ মনত সৎ ভাৱৰ উদয় হ'ল আৰু ভাৱিলে ৰাজ্য লাভৰ বাবে নিজৰ সম্পৰ্কীয় ভাতৃ আৰু গুৰুজনাৰ লগত যুদ্ধ কৰি তেওঁলোকক হত্যা কৰিবনে? আমিনো সংসাৰত কিমান দিন জীয়াই থাকিম। গতিকে আত্মীয় স্বজনক হত্যা কৰি ৰাজ্যলাভ আৰু সুখ ভোগ কৰাতকৈ ভিক্ষা কৰি জীৱন নিৰ্বাহ কৰাই উত্তম, সেয়ে তেওঁ যুদ্ধ নকৰাৰ সিদ্ধান্ত ল'লে, হাতৰ ধনু-শৰ এৰি ৰথৰ পিছফালে বহি পৰিল। অৰ্জুনৰ এই অৱস্থা দেখি শ্ৰীকৃষ্ণই ক'লে- "চোৱা, সন্মুখত থকা কোন যোদ্ধাৰ লগত তুমি যুদ্ধ কৰিবা ?" অৰ্জুনে উত্তৰ দিলে- "হে কৃষ্ণ, যি কোনো মূল্যৰ বিনিময়ত মই যুদ্ধ নকৰো"। তেওঁৰ মনৰ ভাৱ অৰ্জুনে শ্ৰীকৃষ্ণক জনালে। সেই সময়তে শ্ৰীকৃষ্ণৰ দেহত কাল ভগৱান প্ৰবেশ কৰিলে। ভূত-প্ৰেত ব্যক্তিৰ দেহত প্ৰবেশ কৰিলে যেনেকৈ কথা ক'ব পাৰে, শ্ৰীকৃষ্ণৰো সেয়ে হ'ল। কাল প্ৰৱেশ কৰাত শ্ৰীকৃষ্ণই শ্ৰীমদভাগৱত গীতাৰ জ্ঞান দি অৰ্জুনক যুদ্ধ কৰিবলৈ প্ৰেৰণা দিলে। কলিযুগত বেদ জনা লোক নাথাকিব কাৰণে চাৰি বেদৰ সংক্ষিপ্ত বৰ্ণনা "গীতাজ্ঞান" ৰূপে ১৮ অধ্যায় আৰু ৭০০ শ্লোক শুনালে। পিছত "গীতা জ্ঞান" ত কি কৈছিল শ্ৰীকৃষ্ণৰ মনত অৱেশ্য নাথাকিল। ব্ৰহ্মকুমাৰী পন্থই কাল ব্ৰহ্মক নিৰাকাৰ শিৱ বুলি বিশ্বাস কৰে, তেওঁলোকে বিশ্বাস কৰে যে শিৱই কোনো বৃদ্ধৰ শৰীৰত প্ৰবেশ কৰি গীতাৰ জ্ঞান কৈছিল। ব্ৰহ্মকুমাৰী পন্থই শিৱক পূজ্য প্ৰভুৰূপে মানে ।

কিছু বছৰৰ পিছত বেদব্যাসে দেৱনাগৰী লিপিত সংস্কৃত ভাষাত "গীতা জ্ঞান" লিপিবদ্ধ কৰে। অনুবাদক সকলে নিজৰ নিজৰ বুদ্ধি অনুসৰি এই পবিত্ৰ গ্ৰন্থৰ হিন্দী আৰু অন্য ভাষালৈ অনুবাদ কৰে। বৰ্তমানত গীতা প্ৰেছ গোৰখপুৰৰ পৰা ইয়াৰ প্ৰকাশন হৈ আছে। ইয়াৰ ফটোকপি ১৮৯-২৯৬ পৃষ্ঠালৈকে সংযুক্ত কৰা হৈছে ।

১) প্ৰশ্ন-এতিয়ালৈকে (২০১২) শ্ৰীকৃষ্ণই গীতা জ্ঞান শুনাইছিল বুলি জানিছোঁ। আপুনি কৈছে শ্ৰীকৃষ্ণৰ দেহত কাল প্ৰবেশ কৰি গীতাজ্ঞান তেওঁৰ মুখেদি কোৱাইছিল, এই কথা শ্ৰীকৃষ্ণই জনা নাছিল। এই কথাৰ সত্যতা প্ৰমাণ কৰক ।

উত্তৰ ঃ-আপোনাক গীতাজ্ঞান যে কালেহে ব্যক্ত কৰিছিল সেই কথাৰ বহুত প্ৰমাণ দিব পাৰিম। প্ৰথমে গীতাৰ পৰাই প্ৰমাণ দিছোঁ -

প্ৰমাণ (১) ঃ গীতাৰ ১১ অধ্যায়ত গীতা জ্ঞানদাতাই নিজৰ বিৰাট ৰূপ দেখুৱাইছিল। তেতিয়া অৰ্জুন ভয়তে কঁপিবলৈ ধৰিলে। শ্ৰীকৃষ্ণ অৰ্জুনৰ জেঠেৰী,

কিয়নো অর্জুনে শ্ৰীকৃষ্ণৰ ভগ্নী সুভদ্ৰাক বিয়া কৰিছিল। গীতাৰ জ্ঞানদাতাই নিজৰ বিৰাট ৰূপ প্ৰদৰ্শন কৰোঁতে সহস্ৰ বাহু দেখা গৈছিল। তেতিয়া অর্জুনে শ্ৰীকৃষ্ণক কোন বুলি সুধিছিল (গীতা ১১ অধ্যায়, শ্লোক ৩১) ।

হে সহস্ৰ বাহু (এহেজাৰ বাহু থকা প্ৰভু ) আপুনি মোক চতুৰ্ভু জ ৰূপত দৰ্শন দিয়ক (কিয়নো অর্জুনে শ্ৰীকৃষ্ণক বিষ্ণু অৱতাৰ বুলিহে জানে আৰু মানি আহিছে। সেই সময়ত কালপুৰুষ শ্ৰীকৃষ্ণৰ দেহৰ পৰা ওলাই নিজৰ বিৰাট ৰূপ প্ৰদৰ্শন কৰিছিল)। কিয়নো মই ভয়ত বিতত হৈছোঁ । আপোনাৰ এই ৰূপ মই সহ্য কৰিব পৰা নাই ( গীতা ১১ অধ্যায়, শ্লোক-৪৬)

পাঠকে বিচাৰ কৰক ঃ- নিজৰ জেঠেৰীক , হে মহানুভৱ আপুনি কোন বুলি আপুনি সুধিবনে ? নিশ্চয় নোসোধে। এবাৰ এজন ব্যক্তিৰ ভিতৰত প্ৰেতে কথা ক 'ব ধৰিলে। একেলগে বহি থকা ব্যক্তিয়ে আপুনি কোন বুলি সোধাত তেওঁ (প্ৰেতে) মামা বুলি ক'লে। দুৰ্ঘটনাত মৃত্যু হৈছিল বুলি ক'লে। এনেকৈয়ে শ্ৰীকৃষ্ণৰ শৰীৰত থাকি কালে কথা কৈ আছিল ।

প্ৰমাণ (২) - গীতাৰ অধ্যায় ১১, শ্লোক ২১ ত অর্জুনে কৈছে, “আপোনাক হাত জোৰ কৰি স্তুতি কৰি থকা দেৱতা সকলকো আপুনি গ্ৰাস কৰি আছে। মহৰ্ষি আৰু সিদ্ধ সকলে নিজৰ জীৱনৰ মঙ্গল কামনা কৰি আছে” । ১১ অধ্যায়ৰ শ্লোক৩২ ত গীতা জ্ঞানদাতাই অর্জুনক কৈছে- “হে অর্জুন, মই বৃদ্ধি হোৱা কাল। সম্প্ৰতি প্ৰবৰ্ত হৈছোঁ (দেখা দিছোঁ) অৰ্থাৎ শ্ৰীকৃষ্ণৰ শৰীৰত এতিয়া প্ৰৱেশ কৰিছোঁ। মই সকলোকে নাশ কৰোঁ। বিপক্ষৰ সকলো সেনা তুমি যুদ্ধ নকৰিলেও নাশ কৰিম”।

ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে গীতাৰ জ্ঞান শ্ৰীকৃষ্ণৰ দেহত প্ৰবিষ্ট হৈ কালপুৰুষে কৈছিল। শ্ৰীকৃষ্ণই প্ৰথমতে ক'তো মই কাল বুলি কোৱা নাই। শ্ৰীকৃষ্ণক দেখিলে কোনো ভয়ভীত নহয়। গোপ-গোপী, গোৱাল বালক, পশু পক্ষী সকলোৱে দৰ্শন কৰি আনন্দহে পায়। তেতিয়া হ'লে শ্ৰীকৃষ্ণ কাল আছিলনে ? প্ৰকৃত কথা হ'ল শ্ৰীকৃষ্ণৰ শৰীৰত প্ৰৱেশ কৰি কালেহে গীতা জ্ঞান কৈছিল ।

প্ৰমাণ (৩)ঃ-গীতাৰ ১১ অধ্যায়ৰ ৪৭ নম্বৰ শ্লোকত গীতা-জ্ঞান দাতাই কৈছে- “হে অর্জুন, মই প্ৰসন্ন হৈ তোমাক দিব্যদৃষ্টি দান কৰি বিৰাট ৰূপ দেখুৱাইছিলোঁ। তোমাৰ বাহিৰে আন কোনেও এই বিৰাট ৰূপ দেখা নাছিল ”।

বিৱেচ্য বিষয় ঃ- প্ৰিয় পাঠক, মহাভাৰতত শ্ৰীকৃষ্ণই কৌৰৱ ৰাজসভাত উপস্থিত হৈ কৈছিল,-“কৌৰৱ আৰু পাণ্ডৱ, তোমালোকে নিজৰ ভিতৰত আলোচনা কৰি ৰাজ্যভাগ কৰি লোৱা, যুদ্ধ কৰা শোভা নাপায়”, তেতিয়া পাণ্ডৱে মাত্ৰ পাচঁখন গাঁও পালে সন্তুষ্ট হ'ম বুলি ক'লে। দুৰ্যোধনে ইয়াত সন্তুষ্ট নহৈ ক'লে যে পাণ্ডৱে বেজীৰ আগত উঠা মাটিও নাপায়, যদি লাগে যুদ্ধ কৰি ল'ব। এই কথাত শ্ৰীকৃষ্ণ অসন্তুষ্ট হ'ল আৰু দুৰ্যোধনক পৃথিৱী নাশৰ বাবে জন্ম লৈছে বুলি ক'লে। হায় মানৱ ক'ত আধা ৰাজ্য, ক'ত পাঁচখন গাওঁ ।

শ্ৰীকৃষ্ণৰ কথাত দুৰ্যোধনৰ খং উঠিল আৰু শ্ৰীকৃষ্ণক বন্দী কৰিবলৈ আদেশ দিলে। লগে-লগে শ্ৰীকৃষ্ণই বিৰাটৰূপ দেখুৱালে । এই বিৰাটৰূপ দেখি সভাসদ

সকলৰ বৰ ভয় লাগিল, কিছুমান লুকাল, কিছুমানে চকুত হাত দি চকু বন্ধ কৰি মাটিত বাগৰি পৰিল । শ্ৰীকৃষ্ণই পূৰ্বৰ ৰূপ ধাৰণ কৰি ৰাজসভা এৰি গুচি গল ।

গীতাৰ ১১ অধ্যায়ৰ ৪৭ নম্বৰ শ্লোকত গীতা-জ্ঞান দাতাই কৈছে যে অৰ্জুনৰ বাহিৰে তেওঁৰ এই বিৰাট ৰূপ আন কোনেও দেখা নাই । যদি শ্ৰীকৃষ্ণই গীতা-জ্ঞান দিয়া হলে তেওঁ কেতিয়াও নকলেহেতেন যে তেওঁৰ বিৰাট ৰূপ অৰ্জুনৰ বাহিৰে আগতে কোনেও দেখা নাই, কাৰণ শ্ৰীকৃষ্ণই নিজৰ বিৰাট ৰূপ কৌৰৱ আৰু অন্য সভাসদ সকলক দেখুৱাইছিল ।

ইয়াৰ পৰা এইটো প্ৰমাণিত হয় যে শ্ৰীমদভাগৱত গীতা শ্ৰীকৃষ্ণই কোৱা নাছিল। তেওঁৰ শৰীৰত কাল প্ৰেতৰত প্ৰবেশ কৰিহে কৈছিল । এইটো হ'ল তৃতীয় প্ৰমাণ ।

প্ৰমাণ (৪) ঃ- বিষ্ণু পুৰাণৰ ( গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত) ২৩৩ পৃষ্ঠাত উল্লেখ আছে যে এসময়ত দেৱতা আৰু অসুৰৰ যুদ্ধ হৈছিল । দেৱতাসকল পৰাস্ত হৈ সাগৰৰ পাৰলৈ গৈ লুকাল । তাত ভগৱানৰ তপস্যা কৰিবলৈ ধৰিলে । কালৰ প্ৰতিজ্ঞা আছে যে তেওঁ বাস্তৱত কাকো দৰ্শন নিদিয়ে, যোগমায়াৰ বলত সুপ্ত হৈ থাকিব । সেয়ে কাল ভগৱানে (ক্ষৰ পুৰুষ) বিষ্ণু ৰূপত দৰ্শন দিয়ে, কেতিয়াবা শিৱৰ ৰূপত আৰু কেতিয়াবা ব্ৰহ্মা ৰূপত দৰ্শন দিয়ে । (গীতা অধ্যায় ৭ৰ শ্লোক ২৪-২৫) । এইবাৰ দেৱতাসকলক বিষ্ণুৰূপত দৰ্শন দি কলে-" মই তোমালোকৰ সমস্যাৰ কথা জানিছোঁ । তোমালোকে পুৰঞ্জয় ৰজাক যুদ্ধৰ কাৰণে সাজু কৰা । মই তেওঁৰ দেহত প্ৰবেশ কৰি ৰাক্ষসক ধ্বংস কৰিম । ইয়াকে কৰা হ'ল । (অধিক জানিবৰ বাবে বিষ্ণু পুৰাণ পঢ়িব পাৰে ) ।

প্ৰমাণ ৫ ঃ- শ্ৰীবিষ্ণু পুৰাণৰ ২৪৩ পৃষ্ঠাত প্ৰমাণ আছে যে এসময়ত নাগবংশী আৰু গন্ধৰ্বৰ মাজত যুদ্ধ হ'ল । গন্ধৰ্ব সকলে নাগবংশীৰ সকলো হীৰা-ৰত্ন কাঢ়ি ললে, ৰাজ্যও দখল কৰিলে । নাগ সকলে ভগৱানৰ স্তুতি কৰিলে । কাল ভগৱানে বিষ্ণুৰূপত দেখা দি কলে যে নাগসকলে পুৰুকুৎস ৰজাক গন্ধৰ্বৰ বিৰুদ্ধে যুঁজত অৱতীৰ্ণ কৰাব লাগে । কাল ভগৱানে পুৰু কুৎসৰ শৰীৰত প্ৰবেশ কৰি দুষ্ট গন্ধৰ্ব সকলৰ বিনাশ কৰিব। ( সেইটোৱে কৰা হ'ল ) ।

বিষ্ণু পুৰাণৰ ওপৰোক্ত দুটা প্ৰকৰণৰ পৰা স্পষ্ট হ'ল যে কাল ভগৱানে (ক্ষৰ পুৰুষ) এনেদৰে অব্যক্ত হৈ লুকাই কাৰ্য কৰে । শ্ৰীকৃষ্ণৰ শৰীৰতো এইদৰে প্ৰবেশ কৰি গীতাৰ জ্ঞান কৈছিল ।

প্ৰমাণ ৬ ঃ মহাভাৰত (গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত ) দ্বিতীয় খণ্ডৰ ৬৬৭ পৃষ্ঠাত উল্লেখ আছে যে যুদ্ধৰ পিচত ৰজা যুধিষ্ঠিৰক সিংহাসনত বহুৱাই শ্ৰীকৃষ্ণই দ্বাৰিকালৈ যোৱাৰ প্ৰস্তুতি চলালে। তেতিয়া অৰ্জুনে শ্ৰীকৃষ্ণক গীতা-জ্ঞান পুনৰ কবলৈ অনুৰোধ কৰিলে কাৰণ তেওঁ সেই জ্ঞান পাহৰি গৈছিল। শ্ৰীকৃষ্ণই অৰ্জুনক বুদ্ধিহীন, শ্ৰদ্ধাহীন বুলি কৈ গীতা জ্ঞান পাহৰাৰ বাবে ককৰ্থনা কৰিলে। শ্ৰীকৃষ্ণই ক'লে যে এতিয়া তেওঁ সেই জ্ঞান শুনাব নোৱাৰে , যুদ্ধৰ সময়ত যোগযুক্ত হৈ তেওঁ সেই জ্ঞান শুনাইছিল।

বিবেচনা কৰক ঃ যুদ্ধৰ সময়ত যোগযুক্ত হ'ব পৰা ব্যক্তিৰ বাবে শান্তিৰ

সময়ত যোগযুক্ত হোৱাত সমস্যা কিহৰ? আচলতে কালে শ্ৰীকৃষ্ণত প্ৰবেশ কৰি গীতাজ্ঞান দিছিল বাবে শ্ৰীকৃষ্ণ এই ক্ষেত্ৰত অনভিজ্ঞ ।

শ্ৰীকৃষ্ণৰ গীতা জ্ঞান মনত নাছিল। যদি তেৰেঁই বক্তা হোৱা হ'লে মনত ৰ'ল হেতেন। বক্তা এজনৰ সকলো কথা মনত থাকে। শ্ৰোতা সকলৰো ৪০ শতাংশ কথা মনত থাকে। ইয়াৰ পৰা প্ৰমাণিত হয় যে গীতা-জ্ঞান শ্ৰীকৃষ্ণত প্ৰবেশ কৰি কালে (ক্ষৰ পুৰুষে)কৈছিল ।

ওপৰৰ প্ৰমাণ সমূহৰ পৰা স্পষ্ট হ'ল যে শ্ৰীমদ্ভাগৱত গীতাৰ জ্ঞান শ্ৰীকৃষ্ণই কোৱা নাছিল। তেওঁ এয়াও নাজানিছিল যে তেওঁ কিহৰ বিষয়ে কৈছিল। সকলো কথা শ্ৰীকৃষ্ণত প্ৰবেশ কৰি কালে কৈছিল।

প্ৰশ্ন ২ঃ কালপুৰুষ কোন ?

উত্তৰ ঃ কালপুৰুষৰ বিষয় ১১৫ পৃষ্ঠাত থকা "সৃষ্টি ৰচনা" পঢ়ক ।

প্ৰশ্ন ৩ ঃ কাল ভগৱান অৰ্থাৎ ব্ৰহ্ম অবিনাশী নে বিনাশী ?

উত্তৰঃ বিনাশী অৰ্থাৎ তেওঁৰ জন্ম- মৃত্যু আছে ।

প্ৰশ্ন ৪ ঃ তেওঁৰ জন্ম-মৃত্যু আছে বুলি ক'ত প্ৰমাণ আছে ?

উত্তৰ ঃ শ্ৰীমদ্ভাগৱত গীতাৰ অধ্যায় ২ শ্লোক ১২, অধ্যায় ৪ শ্লোক ৫, অধ্যায় ১০ শ্লোক ২ ত গীতা-জ্ঞান দাতাই স্বয়ং স্বীকাৰ কৰিছে যে তেওঁৰো জন্ম-মৃত্যু আছে, তেওঁ অবিনাশী নহয়। তেওঁ কৈছে-"হে অৰ্জুন, তোমাৰ আৰু মোৰ বহু জন্ম হৈ গৈছে, তুমি নাজানা, মই জানো। তুমি, মই আৰু এই ৰজাসকল, সৈনিকসকল আগতেও আছিল, ভবিষ্যতেও থাকিব, এইটো নাভাবিবা যে আমি বৰ্তমানত হে আছোঁ। মোৰ জন্মৰ কথা দেৱতাসকলেও নাজানে আৰু ঋষিসকলেও নাজানে কাৰণঁ এওলোক সকলো মোৰ পৰা উৎপন্ন হৈছে ।

ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে গীতা জ্ঞান দাতা কালপুৰুষ অবিনাশী নহয়। সেইকাৰণে ইয়াক ক্ষৰ পুৰুষ কোৱা হয়।

প্ৰশ্ন ৫ ঃ ব্ৰহ্মা, বিষ্ণু, শিৱ অবিনাশী নে ?

উত্তৰঃ অবিনাশী নহয়। এওঁলোক বিনাশী, এওঁলোকৰ জন্ম-মৃত্যু আছে। ব্ৰহ্মা, বিষ্ণু, শিৱৰ পিতৃ-মাতৃ আছে ।

প্ৰশ্ন ৬ ঃ পিতৃ-মাতৃৰ নাম জনাই প্ৰমাণ দিয়ক ।

উত্তৰ ঃ শ্ৰীদেবী পুৰাণৰ ( গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত) তৃতীয় স্কন্ধৰ ১২৩ পৃষ্ঠাত শ্ৰীবিষ্ণুৱে নিজ মাতৃদেবী দুৰ্গাক স্তুতি কৰি কৈছে- "হে মাতা, তুমি শুদ্ধ স্বৰূপা, সমস্ত জগত তুমি উদ্ভাষিত কৰি ৰাখিছা, তোমাৰ কৃপাত আমি বিদ্যমান , মই, ব্ৰহ্মা আৰু শংকৰৰ জন্ম মৃত্যু আছে। আমাৰ আৱিৰ্ভাৱ (জন্ম) আৰু তিৰোভাৱ (মৃত্যু) আছে। আমি অবিনাশী নহওঁ। তুমি জগতজননী, সনাতনী প্ৰকৃতি দেবী"। শঙ্কৰ ভগৱানে ক'লে-" হে মাতা, বিষ্ণুৰ পিছতেই জন্ম লোৱা ব্ৰহ্মা আপোনাৰ পুত্ৰ, তেনেকৈ মই তমোগুণী শংকৰ তোমাৰ সন্তান নহওঁ জানো? অৰ্থাৎ মোৰো জন্মদাত্ৰী আপুনি"। দেবী মহাপুৰাণৰ পৰা এইটো প্ৰমাণিত হ'ল যে শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশংকৰৰ ৰ জন্মদাতী মাতৃ দুৰ্গা দেবী (অষ্টাংগী দেবী) আৰু তিনিও বিনাশী ।

## শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱৰ পিতৃ কোন ?

প্ৰমাণ ঃ শ্ৰীশিৱপুৰাণত (গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত) এওঁলোকৰ পিতৃ-মাতৃৰ বিষয়ে আছে। শ্ৰীশিৱ মহাপুৰাণৰ ৰুদ্ৰ সংহিতাৰ ১০০-১১০ পৃষ্ঠাত তলত দিয়া বিৱৰণ আছে-

নিজ পুত্ৰ নাৰদৰ প্ৰশ্নৰ উত্তৰ দি ব্ৰহ্মাই কৈছিল-"পুত্ৰ নিজৰ সৃষ্টি কৰ্ত্তাৰ বিষয়ে কৰা প্ৰশ্নৰ উত্তৰ শুনা -

আৰম্ভণিতে মাত্ৰ "সদ্ব্ৰহ্ম"হে আছিল। সকলো ঠাইতে প্ৰলয় হৈছিল। তেতিয়া সেই নিৰাকাৰ পৰমাত্মাই নিজৰ ৰূপ শিৱৰ দৰে কৰিলে তেওঁক সদাশিৱ বুলি কোৱা হয়। তেওঁ শৰীৰৰ পৰা এগৰাকী স্ত্ৰী জন্ম দিলে, এয়ে দুৰ্গা জগদম্বা, প্ৰকৃতিদেবী আৰু ত্ৰিদেৱ ( ব্ৰহ্মা, বিষ্ণু আৰু শিৱ) ৰ জননী , এওঁৰ আঠখন হাত। এওঁৰ অন্য এটা নাম শিৱা।

বিষ্ণুৰ জন্ম ঃ- শিৱ আৰু দুৰ্গা পতি-পত্নীৰূপে বাসকৰাত বিষ্ণুৰ জন্ম হ'ল।

ব্ৰহ্মাৰ জন্ম ঃ- শিৱ আৰু দুৰ্গাৰ পৰা বিষ্ণুৰ জন্ম হোৱাৰ দৰে শিৱ আৰু শিৱাৰ ভোগবিলাসত তেওঁৰ জন্ম হয়। গতিকে শিৱ আৰু শিৱা তেওঁৰ পিতৃ-মাতৃ ।

টোকা ঃ ইয়াৰ পৰা জনা যায় যে শিৱ কাল ব্ৰহ্ম হয় আৰু শিৱাক দুৰ্গা বুলি জনা যায়। প্ৰিয় পাঠক, এই ৰুদ্ৰ সংহিতা খণ্ডত শংকৰৰ জন্ম প্ৰকৰণ নাই এয়া অনুবাদকৰ ভুল। অৱেশ্য দেবী পুৰাণত শংকৰে নিজে কৈছে তেওঁৰ জন্ম দুৰ্গা (প্ৰকৃতি) ৰ পৰা হৈছে।

শ্ৰীশংকৰ শিৱ আৰু শিৱাৰ পুত্ৰ , শ্ৰীশিৱমহাপুৰাণৰ বিধেশ্বৰ সংহিতা খণ্ডৰ পৃষ্ঠা ২৪-৩০ লৈ প্ৰমাণ ।

এসময়ত ব্ৰহ্মাই বিষ্ণুৰ লগত বাৰ্তালাপ কৰোঁতে ব্ৰহ্মাই ক'লে যে তেওঁ জগতৰ সৃষ্টিকৰ্তা, সেয়ে বিষ্ণুৰ পিতৃ ব্ৰহ্মা, ব্ৰহ্মাই প্ৰজাপতি। এই বাৰ্তালাপে প্ৰথমতে তৰ্ক আৰু শেষত দুয়োৰো মাজত যুদ্ধৰ ৰূপ ল'লে। বিষ্ণুৱে ক'লে, " মোৰ নাভি কমলৰ পৰা তুমি (ব্ৰহ্মা) জন্ম হৈছা সেয়ে মই তোমাৰ পিতৃ"। দুয়ো পৰস্পৰ মৰা-মৰি কৰিবলৈ তৎপৰ হ'ল। সেই সময়ত কাল ব্ৰহ্মই এটা বগা স্তম্ভ দুয়োৰো মাজত থিয় কৰিলে আৰু স্বয়ং শংকৰ ৰূপত প্ৰকট হৈ ক'লে-"তোমালোক দুয়ো কৰ্ত্তা নহয়"।

হে পুত্ৰসকল মই তোমালোকক জগতৰ উৎপত্তি আৰু স্থিতি ৰূপী দুটা কাৰ্য দিছোঁ। এনেকৈয়ে শংকৰ আৰু ৰুদ্ৰক সংহাৰ আৰু মৃত্যুৰ ভাৰ দিছোঁ। বেদত মোকেই ব্ৰহ্ম বুলি কৈছে। মোৰ মুখ পাঁচখন , এখন মুখত অ-কাৰ (অ), দ্বিতীয় মুখত উ-কাৰ (উ), তৃতীয় মুখত ম-কাৰ (ম), চতুৰ্থ মুখত বিন্দু (.) আৰু পঞ্চম মুখত নাদ (শব্দ)। পাঁচ অক্ষৰ লগলাগি ওম (ওঁ) সাধন হৈছে, মোৰ মূল মন্ত্ৰ এয়ে।

উল্লিখিত শিৱ মহাপুৰাণৰ পৰা জনা যায় যে শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু, শ্ৰীশংকৰৰ মাতৃ দুৰ্গা (অষ্টাংগী দেবী) আৰু পিতৃ সদাশিৱ অৰ্থাৎ "কালব্ৰহ্ম"। এই কাল ব্ৰহ্মই শ্ৰীকৃষ্ণৰ দেহত প্ৰবেশ কৰি শ্ৰীমদ্ভাগৱত গীতা জ্ঞান কৈছিল। এওঁকেই ক্ষৰ পুৰুষ, ক্ষৰ ব্ৰহ্ম বোলে। ইয়াৰ প্ৰমাণ শ্ৰীমদ্ভাগৱত গীতাৰ অধ্যায় ১৪, শ্লোক ৩-৫ ত আছে। তাত উল্লেখ আছে ৰজ (ৰজগুণ ব্ৰহ্মা), সত্ (সত্ গুণ বিষ্ণু), তম্ (তম্ গুণ শংকৰ) এই তিনি গুণ প্ৰকৃতি অৰ্থাৎ দুৰ্গাদেবীৰ পৰা জন্ম হৈছে। "সকলো জীৱৰ জন্মদাত্ৰী মাতৃ প্ৰকৃতি। মই (গীতা জ্ঞান দাতা) সকলো

জীৱৰ পিতৃ। মই দুৰ্গাৰ (প্ৰকৃতি) গৰ্ভত বীজ সংস্থাপন কৰাৰ বাবেই এওঁলোকৰ জন্ম হয়।”

প্ৰশ্নঃ ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তমগুণ শংকৰ বুলি প্ৰমাণ ক'ত আছে?

উত্তৰ ঃ (১) শ্ৰীমাৰ্কণ্ডেয় পুৰাণ (সচিত্ৰ, ডাঠ আখৰ, গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত) ৰ ১২৩ পৃষ্ঠাত ৰজগুণী ব্ৰহ্মা, সতগুণী বিষ্ণু আৰু তমগুণী শংকৰ ব্ৰহ্মৰ প্ৰধান শক্তি বুলি লিখা আছে। এওলোক তিনিজন দেৱতা, এওঁলোকেই তিনিগুণ।

(২) শ্ৰীদেৱীপুৰাণ সংস্কৃতত আৰু ইয়াৰ হিন্দী অনুবাদৰ (শ্ৰীভেংকটেশ্বৰ প্ৰেছ, বোম্বাই) তৃতীয় স্কন্ধৰ পঞ্চম অধ্যায় শ্লোক ৮ ত শংকৰ ভগবানে কৈছে- হে মাতা, যদি আপুনি আমাৰ প্ৰতি দয়ালু তেনেহ'লে মোক তমগুণী, ব্ৰহ্মাক ৰজগুণী আৰু বিষ্ণুক সতগুণী কিয় কৰিলা? উল্লিখিত কথাৰ পৰা প্ৰমাণ হ'ল যে ব্ৰহ্মা ৰজগুণী, বিষ্ণু সতগুণী আৰু শিৱ তমগুণী হয়।

(৮) প্ৰশ্ন ঃ- পৰমাত্মা জন্মৰহিত, অজৰ-অমৰ। উল্লিখিত কথাৰ পৰা প্ৰমাণ হয় যে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ বিনাশী, তেনেহ'লে অবিনাশী পৰমাত্মা কোন? বিষ্ণু, ব্ৰহ্মা, শংকৰ আৰু কাল ব্ৰহ্ম পৰমাত্মা হয় নে? প্ৰমাণৰ সৈতে কওক।

উত্তৰ ঃ- প্ৰথমেই এইটো স্পষ্ট যে ব্ৰহ্মা, বিষ্ণু, শিৱ পৰমাত্মা নহয়। আপোনাৰ প্ৰশ্নতেই ওলাই পৰিছে যে পৰমাত্মাৰ জন্ম নাই, অজন্মা। ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ পিতৃ-মাতৃ আছে। ব্ৰহ্ম বিনাশী, এওঁৰ জন্ম আছে। ইয়াৰ পৰা প্ৰমাণ হয় যে ব্ৰহ্ম পৰমাত্মা নহয়। এতিয়া প্ৰশ্ন হ'ল অবিনাশী কোন? ইয়াৰ উত্তৰ হ'ল-অবিনাশী পৰমাত্মা শ্ৰীমদ্‌ভাগৱত গীতাৰ জ্ঞান দিওঁতা (ব্ৰহ্ম)তকৈ বেলেগ। শ্ৰীমদ্‌ভাগৱত গীতাৰ অধ্যায়-২ শ্লোক ১২, অধ্যায়-৪ শ্লোক ৫, অধ্যায়-১০ শ্লোক ২ ত জ্ঞান দাতাই স্পষ্টকৈ কৈছে যে তেওঁৰ উৎপত্তি আছে, জন্ম-মৃত্যু আছে। গতিকে তেওঁ বিনাশী। অধ্যায় ২ শ্লোক ১৭ আছে যে অবিনাশী জনক কোনেও মাৰিব নোৱাৰে, তেওঁ সমগ্ৰ সৃষ্টি কৰ্ত্তা, তেওঁ পৰমাত্মা। অবিনাশী পৰমাত্মাৰ এয়া প্ৰথম প্ৰমাণ ।

দ্বিতীয় প্ৰমাণ ঃ- গীতাৰ অধ্যায় ১৫ ৰ শ্লোক ১৬-১৭ তিনি পুৰুষৰ (প্ৰভু) উল্লেখ আছে। অধ্যায় ১৫ শ্লোক ১৬ ত কৈছে যে এই বিশ্বত দুই পুৰুষ প্ৰসিদ্ধ ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ। এই দুই পুৰুষ আৰু তেওঁলোকৰ ক্ষেত্ৰৰ সকলো প্ৰাণী বিনাশী, আত্মাহে অমৰ । গীতাৰ অধ্যায় ১৫ ৰ শ্লোক ১৭ ত কোৱা আছে যে উত্তম পুৰুষ অৰ্থাৎ পুৰুষোত্তম আন এজনহে। তেওঁ পৰমাত্মা, তেওঁ তিনিও লোকত থাকি সকলোকে ধাৰণ-পোষণ কৰি থাকে , তেওঁ প্ৰকৃততে অবিনাশী।

গীতাৰ অধ্যায় ৭ শ্লোক ২৯ ত কৈছে যে কোনো-কোনো সাধকে কেৱল জৰা (বৃদ্ধ অৱস্থা), মৰণ (মৃত্যু) ৰ পৰা ৰক্ষা পাবলৈ যত্ন কৰে। তেওঁলোকে তত্ ব্ৰহ্মক জানে, সকলো কৰ্ম আৰু আধ্যাত্ম বিষয় জানে। গীতাৰ অষ্টম অধ্যায় শ্লোক ১ ত অৰ্জুনে সুধিছে “তত্ ব্ৰহ্ম” কি ? গীতা-জ্ঞান দাতাই অধ্যায় ৮ ৰ শ্লোক ৩ ত উত্তৰ দিছে “এওঁ পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ পুৰুষ (ব্ৰহ্মৰ অৰ্থ পুৰুষ) অধ্যায় ১৫ ৰ শ্লোক ১৭ত কৈছে “উত্তম পুৰুষঃ তু অন্যঃ পৰমাত্মা ইতি উদাহৃত”, এওঁৱেই পৰম অক্ষৰ ব্ৰহ্ম, এওঁৱেই পুৰুষোত্তম।

## শংকা সমাধান

গীতাৰ পঞ্চদশ অধ্যায়ৰ ১৮ নং শ্লোকত গীতা-জ্ঞান দাতাই কৈছে যে তেওঁৰ অধীনৰ ২১ ব্ৰহ্মাণ্ডৰ সকলো প্ৰাণীতকৈ তেওঁ উত্তম আৰু শক্তিমান,সেয়ে লোকবেদ মতে তেওঁ পুৰুযোত্তম ৰূপে প্ৰসিদ্ধ। বাস্তবিকতে গীতাৰ অধ্যায় ১৫ ৰ শ্লোক ১৭ত পুৰুষোত্তমৰ বিষয়ে স্পষ্ট কোৱা হৈছে। উত্তম পুৰুষ অৰ্থাৎ পুৰুযোত্তম ক্ষৰ পুৰুষ (গীতা জ্ঞান দাতা) আৰু অক্ষৰ পুৰুষৰ পৰা (যি সাত শঙ্খ ব্ৰহ্মাণ্ডৰ গৰাকী) বেলেগ, এওঁকে পৰমাত্মা বুলি কোৱা হয়। এওঁ সকলোকে ধাৰণ-পোষণ কৰি আছে আৰু বাস্তৱতে তেওঁ অবিনাশী। এওঁ "পৰম অক্ষৰ ব্ৰহ্ম"। এওঁ অসংখ্য ব্ৰহ্মাণ্ডৰ গৰাকী, সৃষ্টিকৰ্তা, মালিক অৰ্থাৎ পৰমাত্মা।

প্ৰশ্ন নং ৯ ঃ- অক্ষৰ মানে অবিনাশী । আপুনি গীতাৰ অধ্যায় ১৫ ৰ ১৬ নং শ্লোকত অক্ষৰ পুৰুযক বিনাশী বুলি কৈছে। অনুগ্ৰহ কৰি স্পষ্টকৈ বুজাই দিয়ক ।

উত্তৰ ঃ- এইটো সত্য যে "অক্ষৰ" মানে অবিনাশী , কিন্তু প্ৰকৰণবশতঃ অন্য অৰ্থ হ'ব পাৰে। গীতাৰ পঞ্চদশ অধ্যায়ৰ ১৬ নং শ্লোকত কৈছে যে ক্ষৰ আৰু অক্ষৰ দুই পুৰুষ (প্ৰভু) এই লোকত আছে, এওঁলোক দুয়ো আৰু ইয়াৰ অন্তৰ্গত সকলো জীৱ বিনাশী, কিন্তু আত্মা অমৰ। পুনৰ একে অধ্যায়ৰ ১৭ নং শ্লোকত স্পষ্ট কৰিছে যে পুৰুযোত্তম উল্লিখিত দুই প্ৰভুতকৈ বেলেগ। তেওঁ অবিনাশী, তেওঁ সকলোকে ধাৰণ পোষণ কৰে, বাস্তৱতে তেওঁহে অবিনাশী। গীতাৰ অষ্টম অধ্যায়ৰ ৩ নং শ্লোকত তত্ ব্ৰহ্মক পৰম অক্ষৰ ব্ৰহ্ম বুলিছে। অক্ষৰ মানে অবিনাশী, কিন্তু ইয়াত পৰম অক্ষৰ ব্ৰহ্ম বুলি কৈছে। ইয়াৰ পৰা জনা গ'ল যে অক্ষৰৰ আগত পৰম অক্ষৰ ব্ৰহ্ম আছে, তেওঁ প্ৰকৃততে অবিনাশী ।

প্ৰমাণঃ ব্ৰহ্মাৰ আয়ুস ১০০ বছৰ হ'লে দেৱতাৰ আয়ুস কিমান হ'ব ? শুনা- চাৰিযুগ ( সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি যুগ) ৰ এক চতুৰ্যুগ হয় যিটো মানুহৰ ৪৩,২০,০০০ (তিয়াল্লিছ লাখ বিশ হাজাৰ) বছৰ । ১০০৮ চতুৰ্যুগ ব্ৰহ্মাৰ এদিন আৰু ইমানেই ৰাতি, এনে ত্ৰিশ দিন-ৰাতিয়ে এমাহ আৰু ১২ মাহে ব্ৰহ্মাৰ এবছৰ। এনেকৈ ১০০ বছৰ ব্ৰহ্মাৰ আয়ুস ।

শ্ৰীবিষ্ণুৰ আয়ুস ব্ৰহ্মাতকৈ ৭ গুণ বেছি অৰ্থাৎ ৭০০ বছৰ, শ্ৰীশংকৰৰ আয়ুস শ্ৰীবিষ্ণুতকৈ ৭ গুণ বেছি অৰ্থাৎ ৪৯০০ বছৰ।ব্ৰহ্মৰ আয়ুস =৭০ হাজাৰ শংকৰৰ মৃত্যুৰ পিছত এক ব্ৰহ্মৰ মৃত্যু হয় অৰ্থাৎ ক্ষৰ পুৰুষৰ মৃত্যু হয়। এইখিনি সময় অক্ষৰ পুৰুষৰ এযুগ ।

অক্ষৰ পুৰুষৰ আয়ুস = গীতাৰ অষ্টম অধ্যায়ৰ ১৭ নং শ্লোকত আছে-

সহস্ৰ যুগ পৰ্যন্তম অহঃ যত্ ব্ৰহ্মণ ৱিদুঃ ।
ৰাত্ৰিম্ যুগ সহস্ৰান্তম তে অহোৰাত্ৰ ৱিদঃ জনা ঃ ।।

অনুবাদ ঃ এতিয়ালৈকে কোনো অনুবাদকে সঠিক অনুবাদ কৰা নাই। সকলোৱে ব্ৰহ্মাৰ এহেজাৰ চতুৰ্যুগ বুলিছে। এইটো ভুল হিচাপ (এই পুথিৰ ১৮৯-২৯৬ লৈ থকা "গীতাৰ ফটো কপি যিটো গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত)। অষ্টম

অধ্যায়ৰ ১৭ নং শ্লোকৰ মূল পাঠত "সহস্ৰযুগ"হে লিখা আছে, সহস্ৰ চতুৰ্যুগ বুলি লিখা নাই। গতিকে ওপৰোক্ত শ্লোকৰ অনুবাদ এনেকুৱা হ'ব ঃ-

(ব্ৰহ্মণ) অক্ষৰ পুৰুষৰ (যত) যি (অহঃ) দিন (সহস্ৰ যুগ পৰ্যন্তম) এক হাজাৰ যুগ পৰ্যন্ত আৰু (ৰাত্ৰিম) ৰাতিও (যুগ সহস্ৰান্তম) এক হাজাৰ যুগ পৰ্যন্ত বুলি যি জনে (ৱিদুঃ) জানে (তে) সেই (জনাঃ) জনে (অহোৰাত্ৰ) দিন ৰাতি (ৱিদ) জানে।

ভাৱাৰ্থ ঃ- এই শ্লোকৰ মূল পাঠত "ব্ৰহ্মা" আৰু চতুৰ্যুগ" শব্দ নাই ইয়াত "ব্ৰহ্মণ" শব্দ আছে, ইয়াৰ অৰ্থ সচিদানন্দ ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম।

প্ৰমাণ ঃ গীতাৰ ১৭ অধ্যায়ৰ ২৩ নং শ্লোকত "ব্ৰহ্মণ" শব্দৰ অৰ্থ সচিদানন্দ ঘন ব্ৰহ্ম কৰা হৈছে, এইটো উচিত অনুবাদ। অষ্টম অধ্যায়ৰ ১৭ নং শ্লোকত আয়ুস প্ৰকৰণ আছে। গতিকে ইয়াত "ব্ৰহ্মণ" শব্দৰ অৰ্থ অক্ষৰ ব্ৰহ্ম হয় আৰু তেওঁৰ আয়ুস সম্পৰ্কে কোৱা আছে। অক্ষৰ পুৰুষৰ এদিন ওপৰোক্ত এহেজাৰ যুগ হয়। (৭০ হাজাৰ শংকৰৰ মৃত্যুৰ পিছত এক ক্ষৰ পুৰুষৰ মৃত্যু হয়, এই চোৱা সময় অক্ষৰ পুৰুষৰ এযুগ) এনে এহেজাৰ যুগ অক্ষৰ পুৰুষৰ এদিন আৰু সিমানেই সময় ৰাতি, এনে ৩০ দিন ৰাতিৰ এমাহ আৰু ১২ মাহৰ অক্ষৰ পুৰুষৰ এবছৰ আৰু এনে ১০০ বছৰ অক্ষৰ পুৰুষৰ আয়ুস, ইয়াৰ পিছতহে তেওঁৰ মৃত্যু হয়। পঞ্চদশ অধ্যায়ৰ ১৬ নং শ্লোকত ক্ষৰ-অক্ষৰ দুই অবিনাশী পুৰুষৰ আৰু ১৭ নং শ্লোকত অবিনাশী পৰমাত্মাৰ কথা কোৱা আছে। সকলো প্ৰাণীৰ নাশ হ'লেও এওঁৰ নাশ নহয়, এওঁ প্ৰকৃত অবিনাশী। প্ৰমাণ ঃ- গীতা অধ্যায় ৮ শ্লোক ২০-২২ ত স্পষ্ট আছে যে সেই পৰম অক্ষৰ ব্ৰহ্ম সকলো প্ৰাণী নষ্ট হলেও কেতিয়াও নষ্ট নহয়।

উদাহৰণঃ (১) বগা মাটিৰে তৈয়াৰ কৰা কাপপ্লেট হাতৰ পৰা পৰিলেই ভাগি যায় অৰ্থাৎ ই বিনাশী "ক্ষৰ" হয়। এই স্থিতি ক্ষৰ পুৰুষৰ ।

(২) ইস্পাতৰ কাপ-প্লেট সোনকালে নাভাগে আৰু নষ্ট নহয় , কিন্তু মামৰে ধৰাত সময়ত নষ্ট হয়। মাটিতকৈ ইস্পাতৰ কাপ বেচি স্থায়ী আৰু অবিনাশী বুলি বোধ হয় যদিও ই বিনাশী, "অক্ষৰ পুৰুষ" ৰ স্থিতিও এনেকুৱা।

(৩) তৃতীয় কাপ প্লেট সোণৰ, ই কেতিয়াও নষ্ট নহয় আৰু ইয়াত মামৰেও নধৰে। এই স্থিতি "পৰম অক্ষৰ ব্ৰহ্মৰ"। বাস্তৱত অবিনাশী এইটোহে। প্ৰকৰণ বশতঃ অক্ষৰৰ অৰ্থ বিনাশী হ'লেও বাস্তৱিকতে অক্ষৰৰ অৰ্থ অবিনাশী হয়। উদাহৰণস্বৰূপে গীতাৰ অষ্টম অধ্যায়ৰ ১১ নং শ্লোকৰ মূল পাঠ চাওক -

*যত অক্ষৰম্ ৱেদৱিদঃ ৱদন্তি ৱিশন্তি যত্ যতয়ঃ বীতৰাগাঃ ।*
*যত ইচ্ছন্তঃ ব্ৰহ্মচৰ্যং চৰন্তি তত্ তে পদম সংগ্ৰহেন প্ৰৱক্ষে ।। (১১)*

অনুবাদ ঃ ইয়াত "অক্ষৰ" শব্দই অবিনাশী পৰমাত্মাক বুজাইছে। (বেদবিদ) তত্বদৰ্শী সন্ত অৰ্থাৎ বেদৰ তাতপৰ্য জনা মহাত্মাই (যত্) যাক (অক্ষৰম) অবিনাশী (ৱদন্তি) বুলি কয় , (যতয়ঃ)সাধনাৰত, (বীতৰাগ) আসক্তিৰহিত সাধক (যত) যি লোকত (বিশন্তি) প্ৰবেশ কৰে আৰু (যত্) যি পৰমাত্মাক (ইচ্ছন্তঃ) পাবলৈ বাঞ্চা কৰা সাধকে (ব্ৰহ্মচৰ্যম) ব্ৰহ্মচৰ্য আৰু শিষ্য পৰম্পৰা (চৰন্তি) আচৰণ কৰে, (তত্) সেই (পদম) পদ (তে) তোমাৰ বাবেই (সংগ্ৰহেন) সংক্ষেপে (পৱক্ষে) কম। এই শেকত "অক্ষৰ"ৰ অৰ্থ "অবিনাশী" উচিত হৈছে ।

কবিৰ পৰমেশ্বৰে সুক্ষ্ম বেদত কৈছে -
গুৰু বিন কাহু ন পায়া জ্ঞানা, জ্যোঁ থোথা ভুষ ছিড়ে মূঢ় কিসানা ।
গুৰু বিন ৰেদ পঢ়ে যো প্ৰাণী, সমঝে না সাৰ ৰহে অজ্ঞানী ।।
প্ৰশ্ন ১০ ঃ আপুনি পূৰ্ণ মোক্ষ বুলি কাক মানে ?

উত্তৰ ঃ গীতাৰ পঞ্চদশ অধ্যায়ৰ ৪ নং শ্লোকত কৈছে যে তত্বদৰ্শী সন্ত পোৱাৰ পিচত তত্বজ্ঞানৰূপী অস্ত্ৰৰ দ্বাৰা অজ্ঞানখিনি আঁতৰাই অৰ্থাৎ ভালদৰে জ্ঞানখিনি বুজিলৈ পৰমেশ্বৰৰ সেই পৰম পদ (সত্যলোক) ৰ সন্ধান কৰা উচিত য'ত যোৱাৰ পিচত সাধক পুনৰ সংসাৰলৈ ঘূৰি নাহে অৰ্থাৎ তেওঁৰ পুনৰ কেতিয়াও জন্ম নহয়। যি জন পৰমাত্মাই সকলোকে সৃষ্টি কৰিছে তেওঁকে ভক্তি কৰিব লাগে। পূৰ্ণমোক্ষ লাভ কৰাৰ অৰ্থ হ'ল পুনৰ জন্ম নোহোৱা। জন্ম-মৃত্যুৰ চক্ৰ অনন্ত কাললৈ বন্ধ হয়।

প্ৰশ্ন ১১ঃ গীতা জ্ঞান দাতা ব্ৰহ্মৰ ভক্তিয়ে পূৰ্ণ মোক্ষ দিব পাৰেনে ?
উত্তৰ ঃ নোৱাৰে ।

প্ৰশ্ন-১২ঃ গীতাৰ অষ্টম অধ্যায়ৰ ১৬ নং শ্লোকৰ যোগেদি প্ৰমাণ হয় যে গীতা জ্ঞান দাতাই অৰ্জুনক কৈছিল যে মোক (গীতা জ্ঞানদাতা) লাভ কৰিলে পুনৰ জন্ম নহয়। তেনেহ'লে আপুনি কেনেকৈ ক'লে ব্ৰহ্মৰ ভক্তিৰে পূৰ্ণমোক্ষ সম্ভৱ নহয় বুলি ?

উত্তৰ ঃ শ্ৰীদেবী মহাপুৰাণৰ (সচিত্ৰ ডাঠ আখৰৰ গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত) সপ্তম স্কন্ধৰ ৫৬২-৫৬৩ পৃষ্ঠাত প্ৰমাণ আছে শ্ৰীদেবীয়ে ৰজা হিমালয়ক ক'লে - হে ৰাজনন্থ তুমি সকলো বাদ দি, মোৰ ভক্তিকো এৰি কে ৱল "ওঁ" নাম জপ কৰা। এই মন্ত্ৰ ব্ৰহ্ম প্ৰাপ্তিৰ বাবে, ইয়াৰ যোগেদি তুমি সংসাৰৰ সিপাৰৰ ব্ৰহ্মক লাভ কৰিবা, তোমাৰ মঙ্গল হওক। তেওঁ ব্ৰহ্মলোক ৰূপী দিব্য আকাশত থাকে। ইয়াৰ ভাৱাৰ্থ এয়ে যে ব্ৰহ্ম সাধনাৰ একমাত্ৰ মন্ত্ৰ হ'ল ওঁ নামৰ জপ। ইয়াৰ ফলত ব্ৰহ্ম প্ৰাপ্তি হয় আৰু সাধক ব্ৰহ্মলোকলৈ যাব পাৰে। গীতাৰ ৮ অধ্যায়ৰ ১৬ নং শ্লোকৰ মতে ব্ৰহ্মলোককে মুখ্য কৰি সকলো লোকৰ পুনৰাগমন হয়। ব্ৰহ্মলোকলৈ গ'লেও সাধকৰ পুনৰ জন্ম হয়। ব্ৰহ্মৰ ভক্তিত পূৰ্ণমোক্ষ নহয়। গীতাৰ ৮ অধ্যায়ৰ ১৬ নং শ্লোকৰ অনুবাদ (গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত আৰু অন্য প্ৰকাশনৰ গীতা ) ভুল। গীতাৰ ৮ অধ্যায়ৰ ১৬ নং শ্লোক-

*আ ব্ৰহ্ম ভুৱনাত লোকাঃ পুনৰাবৰ্তিনঃ অৰ্জুন ।*
*মাম উপেত্য তু কৌন্তেয় পুনৰজন্ম ন বিদ্যতে ।।*

ইয়াক ভুলকৈ এনেদৰে অনুবাদ কৰা হৈছে - হে অৰ্জুন, ব্ৰহ্মলোক পৰ্যন্ত গ'লেও পুনৰ জন্ম হ'ব। কিন্তু মোক যি লাভ কৰে তেওঁৰ পুনৰ জন্ম নহয়। (এয়া ভুল অনুবাদ) ইয়াৰ প্ৰকৃত অনুবাদ এনেধৰণৰ হ'ব ব্ৰহ্মলোককে মুখ্য কৰি সকলোলোকৰ পুনৰাবৰ্ত্তী আছে, অৰ্থাৎব্ৰহ্মলোকলৈ গ'লেও ব্যক্তিৰ পুনৰ জন্ম হ'বই , এই কথা তেওঁলোকে নাজানে। মোক লাভ কৰিলেও পুনৰ জন্ম হ'ব। ইয়াত "বিদ্যতে" শব্দৰ অৰ্থ "জনা" বা "জ্ঞাত" বুলি কৰা হৈছে। গীতাৰ

৬ অধ্যায়ৰ ২৩ নং শ্লোকত “বিদ্যাত” শব্দৰ অৰ্থ জ্ঞাত কৰা হৈছে। ইয়াতো “বিদ্যাত” শব্দ “জনা” অৰ্থত ব্যৱহৃত হৈছে। অধিক স্পষ্ট হ'বৰ বাবে চাওক অধ্যায় ৮ ৰ শ্লোক নম্বৰ ১৫।

মূল পাঠ = *মাম উপেত্য পুৰ্নজন্ম দুখালয়ম অশাশ্বতম ।*
*ন আপুৱন্তি মহাত্মন ঃ সংসিদ্ধিম পৰামম গতাঃ।*

অনুবাদঃ (মাম) মোক (উপেত্য) লাভ কৰিও (পুৰ্নজন্ম) পুনৰ জন্ম হয়, যি (অশাশ্বতম) বিনাশী জীৱন (দুঃখালয়ম) দুঃখৰ ঘৰ। (পৰমাম) পৰম (সং সিদ্ধিমগতা) সিদ্ধি লাভ কৰা (মহাত্মনঃ) মহাত্মাজনৰ (নআপুৱন্তি) পুনৰ জন্ম নহয়। (গীতা ৮/১৫)

ভাৱাৰ্থঃ- গীতাৰ জ্ঞান দাতাই কৈছে যে তেওঁক লাভ কৰিলে ক্ষণভঙ্গুৰ জীৱনৰ জন্ম-মৃত্যুৰ সন্মুখীন হ'ব, কিন্তু যি পৰম গতি পাইছে তেওঁৰ পুনৰ জন্ম নহয় ।

বিচাৰ ঃ গীতাৰ অষ্টম অধ্যায়ৰ ১ ৰ পৰা ১০ নম্বৰ শ্লোকৰ সাৰাংশ হ'ল- ১ নং শ্লোকত অৰ্জুনে সুধিছিল- তত্ ব্ৰহ্ম কি ? গীতাৰ জ্ঞান দাতাই ৩ নং শ্লোকৰ যোগেদি উত্তৰ দিলে যে সেয়া পৰম অক্ষৰ ব্ৰহ্ম, ৫ আৰু ৭ নং শ্লোকত গীতা জ্ঞান দাতাই নিজৰ ভক্তি কৰিবলৈ কৈছে আৰু ৮, ৯ আৰু ১০ নং শ্লোকত পৰম অক্ষৰ ব্ৰহ্মৰ ভক্তি কৰিবলৈ কৈছে। নিজৰ ভক্তিৰ বিষয়ে ১৩ নং শ্লোকত কৈছে যে সেয়া ওম (ওঁ) অক্ষৰ হয়। এই মন্ত্ৰ উচ্চাৰণ কৰি দেহত্যাগ কৰিলে ওঁ মন্ত্ৰই দিব পৰা পৰম গতি লাভ হয়। দেৱী পুৰাণৰ বিষয়ে আগতে কোৱা হৈছে যে ওঁ জপ কৰিলে ব্ৰহ্মলোক প্ৰাপ্তি হয়। ১৬ নং শ্লোকত কোৱা হৈছে যে ব্ৰহ্মলোক প্ৰাপ্ত হ'লেও সাধকৰ পুনৰ জন্ম হয়। সেয়ে ১৩ নং শ্লোকত ওঁ জপ কৰাৰ বাবে হোৱা পৰম গতিৰ কথা কোৱা হৈছে। কিন্তু ৮, ৯ আৰু ১০ নম্বৰ শ্লোকত সচিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম দিব্য পুৰুষৰ ভক্তি কৰাৰ কথা কৈছে। ইয়াৰ মন্ত্ৰ সপ্তদশ অধ্যায়ৰ ২৩ নং শ্লোকত দিয়া আছে ।

*ওঁ তত্ সত্ ইতি নিদেৰ্শঃ ব্ৰহ্মণ ত্ৰিবিধ স্মৃত ।*
*ব্ৰাহ্মণা ঃ তেন ৱেদা চ য়জ্ঞা চ ৱিহিতাঃ পুৰা ।।*

অনুবাদ ঃ সচিদানন্দ ঘন ব্ৰহ্মৰ ভক্তিৰ মন্ত্ৰ “ওঁ তত্ সত্”। ওঁ মন্ত্ৰ ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষৰ, তত্ অক্ষৰ পুৰুষৰ আৰু সত্ পৰম অক্ষৰ ব্ৰহ্মৰ হয়। এই তিনিটা মন্ত্ৰ জপ কৰিলে তেনে পৰম গতি লাভ হয় যাৰ বিষয়ে পঞ্চদশ অধ্যায়ৰ ৪ নং শ্লোকত উল্লেখ আছে - তেনে পৰম গতি লাভ কৰা সাধকৰ পুনৰ জন্ম নহয়।

যদি গীতাৰ অষ্টম অধ্যায়ৰ ১৬ নং শ্লোকৰ অৰ্থ “মোক লাভ কৰা জনৰপুনৰ জনম নহয়” বুলি মানি লোৱা হয় তেনেহ'লে গীতা অধ্যায় ২ শ্লোক ১২, অধ্যায় ৪ শ্লোক ৫ আৰু অধ্যায় ১০ শ্লোক ২ ভুল প্ৰমাণিত হ'ব য'ত গীতা-জ্ঞান দাতাই কৈছে - “হে অৰ্জুন, তোমাৰ আৰু মোৰ বহুত জন্ম হৈছে, তুমি নাজানা, মই জানো। মোৰ উৎপত্তিৰ বিষয়ে দেৱতা, মহৰ্ষিগণ আৰু সিদ্ধ সকলে নাজানে”। বিচাৰ্য বিষয় যে সাধনা কৰা ইষ্ট জনৰ যদি জন্ম-মৃত্যু থাকে তেতিয়া সাধকৰ মোক্ষ কেনেকৈ হয় ?

গীতাৰ অধ্যায় ৮ ৰ শ্লোক নং ১৬ ৰ অনুবাদ মই (সন্তৰামপাল) এনদৰে

কৰিছো যিটো সত্য। গীতাৰ জ্ঞান দাতাই কৈছে যে “ব্ৰহ্মলোককে মুখ্য কৰি সকলো লোকৰ পুনৰাবৃতি আছে অৰ্থাৎ ব্ৰহ্মলোকলৈ গৈ প্ৰাণী পুনৰ সংসাৰত জন্ম গ্ৰহণ কৰে। মানুহে মোৰ ভক্তি কৰিলেও পুনৰ জন্ম হয় বুলি নাজানি মোৰ ভক্তি কৰে আৰু পুনৰ জন্ম পায়। সেয়ে গীতা জ্ঞান দাতাই অধ্যায় ১৮ ৰ ৬২ নং শ্লোকত অৰ্জুনক কৈছে “তুমি সৰ্বভাৱে সেই পৰমেশ্বৰৰ শৰণ লোৱা, তেওঁৰ কৃপাতহে তুমি পৰম শান্তি আৰু সনাতনপৰম ধাম অৰ্থাৎ সতলোক প্ৰাপ্ত কৰিবা। ইয়াৰ প্ৰমাণ গীতাৰ পঞ্চদশ অধ্যায়ৰ ৪ নং শ্লোকত আছে- তত্বদৰ্শী সন্তৰ পৰা জ্ঞান লাভ কৰি তত্বজ্ঞানৰূপী অস্ত্ৰৰ দ্বাৰা অজ্ঞান দূৰ কৰাৰ পাছত পৰমেশ্বৰৰ সেই পৰম পদ বিচাৰিব লাগে য’ত যোৱাৰ পিছত সাধক সংসাৰলৈ কেতিয়াও ঘূৰি নাহে”।

যি জন পৰমেশ্বৰৰ কৃপাত সংসাৰৰূপী বৃক্ষৰ প্ৰবৃত্তি বিস্তাৰ হয় অৰ্থাৎ যিজন পৰমেশ্বৰে জগত সৃষ্টি কৰে কেৱল সেইজন পৰমেশ্বৰৰ ভক্তি কৰিবলৈ গীতা জ্ঞান দাতাই কৈছে তেওঁৰ দ্বাৰাহে সকলোৰে কল্যাণ সম্ভৱ ।

প্ৰমাণ হ’ল যে ব্ৰহ্মৰ ভক্তিৰ দ্বাৰা পূৰ্ণমোক্ষ সম্ভৱ নহয়। কেৱল পূৰ্ণ পৰমাত্মা (পৰম অক্ষৰ ব্ৰহ্ম) ৰ ভক্তিৰে পূৰ্ণ মোক্ষ সম্ভৱ।

প্ৰশ্ন ১৩ ঃ “ওঁ” মন্ত্ৰ হ’ল ব্ৰহ্মৰ জপ মন্ত্ৰ । আপুনি কৈছে ব্ৰহ্মৰ ভক্তিৰ দ্বাৰা পূৰ্ণমোক্ষ নহয়। আকৌ আপুনি কৈছে যে গীতাৰ অধ্যায় ১৭ ৰ ২৩ নং শ্লোকৰ “ওঁ” তত্ সত্” মন্ত্ৰ জপ কৰিলে পূৰ্ণমোক্ষ হয়। এই মন্ত্ৰতো “ওঁ” আছে।

উত্তৰ ঃ- ইঞ্জিনিয়াৰ বা ডাক্তৰ হ’বলৈ শিক্ষাৰ প্ৰয়োজন। প্ৰথম শ্ৰেণীৰ পৰা লাহে লাহে দ্বিতীয়, তৃতীয় শ্ৰেণী পাৰহৈ দশম শ্ৰেণী পায়। ইয়াৰ পাছত অধিক পঢ়িব লাগে। পাছলৈ প্ৰশিক্ষণ লৈ ডাক্তৰ, ইঞ্জিনিয়াৰ হয়। তেনেকৈ শ্ৰীব্ৰহ্মা, বিষ্ণু, শিৱ, গণেশ আৰু দেবীৰ সাধনা কৰিব লাগে, মই নিজে কৰো আৰু মোৰ অনুগামীসকলৰ দ্বাৰাও কৰাও। এয়া পঞ্চম শ্ৰেণীৰ পঢ়াৰ দৰে। অৰ্থাৎ ই হ’ল পাঁচটা কমলৰ সাধনা। ইয়াৰ পিচত ব্ৰহ্মলোকৰ সাধনা আছে - যিটো দশম শ্ৰেণীৰ পঢ়াৰ সমকক্ষ। ইয়াৰ বাবে ব্ৰহ্মৰ “ওঁ” মন্ত্ৰৰ জপ কৰিব লাগে। তাৰ পিছৰ অক্ষৰ পুৰুষৰ সাধনা চতুৰ্দশ শ্ৰেণীৰ পঢ়াৰ সমকক্ষ। ইয়াৰ বাবে “তত্” মন্ত্ৰ জপ কৰিব লাগে। “তত্” সাংকেতিক মন্ত্ৰ, প্ৰকৃত মন্ত্ৰ ভিন্ন আছে, দীক্ষা প্ৰাপ্ত ব্যক্তিক হে এই “তত্” মন্ত্ৰৰ প্ৰকৃত মন্ত্ৰ কৈ দিয়া হয়। পৰম অক্ষৰ পুৰুষৰ সাধনা ইঞ্জিনিয়াৰ বা ডাক্তৰৰ পঢ়াৰ সমান বুজিব লাগে। ইয়াৰ বাবে “সত্” মন্ত্ৰৰ জপ কৰিব লাগে। “সত্” মন্ত্ৰও সাংকেতিক, ইয়াৰ প্ৰকৃত মন্ত্ৰ বেলেগ আছে, মাত্ৰ দীক্ষা প্ৰাপ্ত সকলকহে দিয়া হয়। ইয়াৰ অন্য এটা নাম “সাৰনাম” ।

গতিকে অকল “ব্ৰহ্ম”ৰ নাম “ওঁ” মন্ত্ৰৰ পৰা পূৰ্ণমোক্ষ নহয়। “ওঁ” কেৱল ব্ৰহ্মৰ হে জপ মন্ত্ৰ । ইয়াৰ সাধনাৰ যোগেদি ব্ৰহ্মলোক প্ৰাপ্ত হয়। এই বিষয়ে গীতাৰ ৮ নং অধ্যায়ৰ ১৬ নং শ্লোকত কৈছে যে ব্ৰহ্ম লোকলৈ গৈও সাধকে পুনৰ জন্ম পায়। যদি পুনৰ জন্ম হয়, তেতিয়া হ’লে মোক্ষ লাভ নহ’ল , মোক্ষ লাভৰ বাবে গীতাৰ পঞ্চদশ অধ্যায়ৰ ৪ নং শ্লোকত কোৱাৰ দৰে পৰমেশ্বৰৰ

সেই পৰম পদ বিচাৰিব লাগিব যত যোৱাৰ পিছত সাধকে কেতিয়াও ঘূৰি আহি পুনৰ জন্ম লব লগা নহয়। এনে পূৰ্ণ মোক্ষ পূৰ্ণ গুৰুৰ পৰা শাস্ত্ৰবিধিসন্মত ভক্তি সাধনা লাভ কৰিলেহে সম্ভৱ হয়। বৰ্ত্তমান সময়ত সমগ্ৰ বিশ্বত মোৰ (সন্ত ৰামপালৰ দাস) বাহিৰে আনো কাৰো লগত এনে ভক্তি সাধনা নাই ।

প্ৰশ্ন১৪ ঃ পৰমাত্মা এক নে অনেক ?

উত্তৰ ঃ সকলোৰে (জীৱৰ) মালিক এক ।

প্ৰশ্নঃ১৫ ঃ সকলোৰে মালিক পৰমাত্মা কোন? ক'ত প্ৰমাণ আছে?

উত্তৰ ঃ তেওঁ "পৰম অক্ষৰ ব্ৰহ্ম" যি সকলোৰে মালিক হয় ।

প্ৰমাণঃ- শ্ৰীমদ্‌ভাগৱত গীতাৰ পঞ্চদশ অধ্যায়ৰ ১-৪ আৰু ১৬-১৭ নং শ্লোকত প্ৰমাণ আছে। ১-৪ নং শ্লোকৰ সাৰাংশ হ'ল- এই সংসাৰ ওলোটাকৈ ওলমি থকা বৃক্ষৰ দৰে, যেন গছৰ শিপা ওপৰত আছে, তললৈ তিনিগুণ ৰূপী শাখা আছে। ১ নং শ্লোকত স্পষ্ট কৰি দিয়া আছে তত্বদৰ্শী সন্তৰ পৰিচয় কি ? সেইজনেই তত্বদৰ্শী সন্ত যি সংসাৰ বৃক্ষৰ সৰ্বাঙ্গৰ বিষয়ে তন্ন-তন্নকৈ কব পাৰে ।

বিশেষ ঃ এই পুথিত মহৰ্ষি দয়ানন্দ আৰু তেওঁৰ অনুগামীসকলে কৰা বেদ মন্ত্ৰৰ অনুবাদৰ প্ৰতিলিপি দিয়া আছে। এই অনুবাদ দিল্লীৰ সৰ্বদেশীক আৰ্য প্ৰতিনিধি সভাই প্ৰকাশ কৰিছিল। ইয়াত কোৱা হৈছে যে স্বয়ং পৰমেশ্বৰ পৃথিৱীত সশৰীৰে প্ৰকট হয় আৰু কবিৰ দৰে আচৰণ কৰি সত্য আধ্যাত্মিক জ্ঞান শুনায় (প্ৰমাণঃ ঋকবেদ-মণ্ডল ৯, সুক্ত ৮৬, মন্ত্ৰ ২৬-২৭, মণ্ডল ৯, সুক্ত ৮২, মন্ত্ৰ ১-২, মণ্ডল ৯ সুক্ত ৯৬, মন্ত্ৰ ১৬-২০, মণ্ডল ৯, সুক্ত ৯৪, মন্ত্ৰ ১, মণ্ডল ৯, সুক্ত ৯৫, মন্ত্ৰ ২, মণ্ডল ৯ সুক্ত ২০, মন্ত্ৰ ১, মণ্ডল ৯, সুক্ত ৫৪, মন্ত্ৰ ৩)। এই মন্ত্ৰ সমূহত কোৱা হৈছে যে পৰমাত্মা সকলো লোকৰ ওপৰত বিৰাজমান, পৃথিৱীত অজ্ঞানৰ প্ৰভাৱ বেচি হৈ অধৰ্মৰ বৃদ্ধি হ'লে পৰমাত্মাই সশৰীৰে পৃথিৱীত প্ৰকট হৈ প্ৰকৃত অধ্যাত্মজ্ঞান প্ৰচাৰ কৰে। তেওঁ কবিৰ দৰে আচৰণ কৰি কবিতা, লোকোক্তি, শব্দ আদিৰ মাধ্যমেৰে আধ্যাত্মিক জ্ঞানবিভিন্ন ঠাইত ঘূৰি-ফুৰি প্ৰচাৰ কৰা বাবে প্ৰসিদ্ধ কবিৰ উপাধিও লাভ কৰে। (বেদ মন্ত্ৰৰ ফটো কপি ৯৫ পৃষ্ঠাত অনুগ্ৰহ কৰি চাওক )

পৰমাত্মাই নিজৰ মূখকমলেৰে জ্ঞান শুনাইছিল। ইয়াকে সুক্ষ্মবেদ বোলে। ইয়াক তত্বজ্ঞান বুলিও কয়। তত্বজ্ঞান প্ৰচাৰ কৰাৰ কাৰণে তেওঁক তত্বদৰ্শী সন্তও বোলা হৈছিল । তেওঁ সংসাৰৰূপী বৃক্ষৰ সৰ্বাঙ্গ এনেদৰে বৰ্ণনা কৰিছে -

*কবীৰ অক্ষৰ পুৰুষ এক বৃক্ষ হৈ, ক্ষৰ পুৰুষ বাকী ডাৰ ।*
*তিনো দেৱা শাখা হৈ, পাতৰূপ সংসাৰ ।।*

ভাৱাৰ্থ ঃ- বৃক্ষৰ চকুৰে দেখা অংশ গা-গছ , তেনেকৈ সংসাৰৰূপী বৃক্ষৰ গা-গছ অক্ষৰ পুৰুষ, গা-গছৰ পৰা যি শকত ডাল ওলায় সেইটো ক্ষৰ পুৰুষ, ডালৰ পৰা ওলোৱা প্ৰধান তিনিটা শাখা তিনিজন দেৱতা (ৰজগুণা ব্ৰহ্মা, সতগুণী বিষ্ণু আৰু তম গুণী শিৱ ) হয় আৰু শাখাৰ পৰা ওলোৱা ঠাল-ঠেঙুলি পাতবোৰ সংসাৰ বুলি জানিব। সংসাৰৰূপী বৃক্ষৰ ওপৰোক্ত বাহিৰ ওলাই থকা ভাগ দেখা

পোৱা যায়। কিন্তু মূল মাটিৰ তলত থাকে। ইয়াৰ পৰাই বৃক্ষৰ পোষণ হয়। গীতাৰ পঞ্চদশ অধ্যায়ৰ ১৬-১৭ নং শ্লোকত তিনিপুৰুষৰ কথা কোৱা হৈছে। শ্লোক ১৬ ত ক্ষৰ আৰু অক্ষৰ দুই পুৰুষৰ উল্লেখ আছে, দুয়োৰো স্থিতি ওপৰত বৰ্ণোৱা হৈছে। এই শ্লোকত দুয়োজনক বিনাশী বুলি কোৱা আছে, কিন্তু আত্মাৰ বিনাশ নাই। ১৭ নং শ্লোকত কৈছে যে উত্তম পুৰুষ অৰ্থাৎ পুৰুষোত্তম ক্ষৰ আৰু অক্ষৰ পুৰুষতকৈ পৃথক, তেওঁকে পৰমাত্মা বুলি কোৱা হয়। গীতাৰ অষ্টম অধ্যায়ৰ ৩ নং শ্লোকত এওঁকেই পৰম অক্ষৰ ব্ৰহ্ম বুলিছে। পঞ্চদশ অধ্যায়ৰ ১৭ নং শ্লোকত ইয়াৰ বৰ্ণনা আছে। এই প্ৰভুৱে তিনিও লোকত প্ৰৱেশ কৰি সকলোকে ধাৰণ-পোষণ কৰে। প্ৰকৃততে এওঁৱেই অবিনাশী পৰমেশ্বৰ। মূলৰ পৰাই গছে খাদ্য আহৰণ কৰে। গতিকে সকলোৰে ধাৰণ-পোষণ কৰোঁতা পৰম অক্ষৰ ব্ৰহ্ম হয়। কাৰণ পৰম অক্ষৰ ব্ৰহ্ম সংসাৰৰূপী বৃক্ষৰ মূল (শিপা) হয়, এওঁ সকলো পুৰুষৰ (প্ৰভুৰ) পালন কৰ্তা, স্ৰজন কৰ্তা। এওঁৱেই সকলোৰে মালিক ।

**প্ৰশ্নঃ ১৬ঃ ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তমগুণ শংকৰ (শিৱৰ) ভক্তি (পূজা) কৰিব লাগেনে?**

উত্তৰ ঃ নালাগে।

**প্ৰশ্ন ১৭ঃ ৰজগুণী ব্ৰহ্মা, সৎ গুণী বিষ্ণু আৰু তমগুণী শিৱৰ পূজা কিয় কৰিব নালাগে তাৰ প্ৰমাণ আছেনে ?**

উত্তৰ ঃ- শ্ৰীমদ্‌ভাগৱত গীতা অধ্যায় ৭ৰ ১২-১৫ নং শ্লোকত প্ৰমাণ আছে যে ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তম গুণ শিৱৰ ভক্তি কৰা সকলে মোৰ (গীতা জ্ঞান দাতাৰ) ভক্তিও নকৰে। (সপ্তম অধ্যায়ৰ ২০-২৩ শ্লোক আৰু নৱম অধ্যায়ৰ ২৩-২৪ শ্লোকতো এই কথাই কোৱা আছে)। অধ্যায় ১৫ ৰ ১৬-১৭ নং শ্লোকত বৰ্ণিত ক্ষৰ পুৰুষ, অক্ষৰ পুৰুষ আৰু পৰম অক্ষৰ পুৰুষক বাদ দি শ্ৰী ব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱও অন্য দেৱতাৰ শ্ৰেণীত পৰে। সপ্তম আৰু নৱম অধ্যায়ৰ ওপৰত উল্লেখ কৰা শ্লোকত গীতা জ্ঞান দাতাই কৈছে যি সাধকে যি উদ্দেশ্যে লৈ অন্য দেৱতাক ভজে, তেওঁলোকে ভগৱান বুলি মান্য কৰি ভজে। এই দেৱতা সকলক মই (গীতা জ্ঞান দাতা ব্ৰহ্ম) কিছু শক্তি দি ৰাখিছো। দেৱতাসকলক ভজিলে মই দিয়া বিধান মতে অলপ লাভ হয়। কিন্তু অল্পমতি সকলে পোৱা সেই লাভ ক্ষণস্থায়ী। দেৱতাসকলক ভজাসকল দেৱলোকলৈ যায় আৰু মোৰ পূজাৰীয়ে মোক প্ৰাপ্তি কৰে ।

গীতাৰ অধ্যায় ১৬ ৰ ২৩-২৪ নং শ্লোকত কৈছে যে শাস্ত্ৰবিধি ত্যাগ কৰি যি সাধকে মনোগত আচৰণ কৰে অৰ্থাৎ ভূত, প্ৰেত-যক্ষৰ ভক্তি কৰে আৰু মনোকল্পিত মন্ত্ৰেৰে জপ কৰে তেওঁলোকৰ সুখ বা সিদ্ধি নহয় আৰু মোক্ষ লাভো নহয়। হে অৰ্জুন, কৰ্তব্য (উচিত ভক্তি) আৰু অকৰ্তব্য (অনুচিত ভক্তি) সম্পৰ্কে শাস্ত্ৰত প্ৰমাণ আছে। গীতাৰ ১৭ অধ্যায়ৰ ১ নং শ্লোকত অৰ্জুনে কৃষ্ণক সুধিলে -(কিয়নো অৰ্জুনে ভাৱিছিল কৃষ্ণই জ্ঞানৰ কথা কৈ আছে, কিন্তু শ্ৰীকৃষ্ণৰ শৰীৰত কালে প্ৰেতৰত প্ৰৱেশ কৰি জ্ঞান দি আছিল সেই কথা পুৰ্বেই প্ৰমাণিত হৈছে) যি শাস্ত্ৰবিধি এৰি আন দেৱতাক পূজা কৰে তেওঁৰ স্বভাৱ কেনেকুৱা

? গীতা জ্ঞান দাতাই উত্তৰত কৈছে যে সাত্বিক ব্যক্তিয়ে দেৱতাৰ পূজা কৰে। ৰাজসিকলোকে যক্ষ আৰু ৰাক্ষসৰ আৰু তামসিক সকলে প্ৰেত পুজা কৰে। এইবোৰ শাস্ত্ৰ বিধি ৰহিত কৰ্ম। গীতাৰ ১৭ অধ্যায়ৰ ৫-৬ নং শ্লোকত কৈছে যে যি শাস্ত্ৰৰ বিপৰীতে মনোকল্পিত তপস্যা কৰে তেওঁলোক দাম্ভিক আৰু শৰীৰস্থিত কমলত বিৰাজমান শক্তিসকলক আৰু মোকো কষ্ট দিয়া সকলক ৰাক্ষস স্বভাৱৰ অজ্ঞানী বুলি জানিবা। সুক্ষ্ম বেদত পৰমেশ্বৰে কৈছেঃ-

*"কবীৰ , মাই মসানী সেঢ় শীতলা ভৈৰৱ ভূত হনুমন্ত ।*
*পৰমাত্মা সে ন্যাৰা ৰহৈ, জো ইনকো পূজন্ত ।।*
*ৰাম ভজৈ তো ৰাম মিলৈ, দেব ভজৈ সো দেৱ ।*
*ভূত ভজৈ সো ভূত ভৱৈ, সুনো সকল সুৰ ভেৱ ।।"*

ইয়াৰ পৰা স্পষ্ট হ'ল যে ব্ৰহ্মা (ৰজগুণ), বিষ্ণু (সতগুণ) আৰু শিৱ (তমগুণ)ৰ পূজা কৰিব নালাগে আৰু ইয়াৰ লগে লগে ভূত-প্ৰেতৰ পূজা (শ্ৰাদ্ধ কৰ্ম, পিণ্ডদান আৰু তৰ্পন আদি প্ৰেত পূজা ) ভৈৰৱ বা হনুমানৰ পূজা কৰাও অনুচিত।

প্ৰশ্নঃ ১৮ ঃ- ক্ষৰ পুৰুষ (ব্ৰহ্ম)ৰ পূজা কৰিব লাগে নে নালাগে ?

উত্তৰঃ- তত্বজ্ঞান পোৱাৰ পিছত পৰমেশ্বৰৰ পৰমপদ বিচাৰিব লাগে যাতে সাধক পুনৰ সংসাৰলৈ নাহে বুলি গীতাৰ ১৫ অধ্যায়ৰ ৪ নং শ্লোকত কোৱা হৈছে। ক্ষৰ পুৰুষ (ব্ৰহ্ম) সংসাৰ বৃক্ষৰ ডাল, তেওঁৰ পূজা কৰিব নালাগে ।

প্ৰশ্ন ১৯ ঃ- প্ৰাচীন ঋষি-মহৰ্ষিয়ে ব্ৰহ্মক পূজা কৰে, আনৰ হতুৱাই কৰায়, ওঁ মন্ত্ৰ জপ কৰিবলৈ কয়। যদি ব্ৰহ্মৰ ভক্তি শ্ৰেষ্ঠ নহয় তেনেহ'লে গীতাৰ পৰা প্ৰমাণসহ কওক ।

উত্তৰঃ- আগতেই কোৱা হৈছে যে প্ৰকৃত আধ্যাত্মিক জ্ঞান স্বয়ং পৰমেশ্বৰ (পৰম অক্ষৰ ব্ৰহ্ম) পৃথিৱীত সশৰীৰে প্ৰকট হৈ প্ৰদান কৰে। ইয়াৰ প্ৰমাণ থকা বেদ মন্ত্ৰৰ অনুবাদ এই পুথিৰ ১০১-১০২ পৃষ্ঠাত চাওক। পৰমেশ্বৰে দিয়া এই জ্ঞানক সুক্ষ্মবেদ (তত্বজ্ঞান) বোলে। তত্বজ্ঞান সৰ্ম্পকে পৰমাত্মাই কৈছে -

*গুৰু বিন কাহু ন পায়া জ্ঞানা, জ্যো থোথা ভুস ছড়ে মূঢ় কিসানা ।*
*গুৰু বিন বেদ পঢ়ৈ জো প্ৰাণী , সমঝে না সাৰ ৰহে অজ্ঞানী ।।*

সতগুৰুৰ সানিধ্যত নহা ঋষি-মহৰ্ষিসকলে বেদ অধ্যয়ন কৰিও একোকে বুজি পোৱা নাছিল। উদাহৰণস্বৰূপে শ্ৰীদেবী পুৰাণ (সচিত্ৰ ডাঠ আখৰৰ, গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত )ৰ ৪১৪ পৃষ্ঠা, চতুৰ্থ স্কন্ধত লিখা আছে যে সত্যযুগৰ ব্ৰাহ্মণ (মহৰ্ষি) বেদজ্ঞ আছিল , শ্ৰীদেবী (দুৰ্গাৰ) ৰ পূজা কৰিছিল ।

এতিয়া বিচাৰ কৰক - শ্ৰীমদ্‌ভাগৱত গীতা চাৰিবেদৰ সাৰাংশ। সেই গীতাৰ বিষয়ে আপুনি জানে আৰু পঢ়িছেও। গীতাত শ্ৰীদেবী (দুৰ্গা) ক পূজন কৰিবলৈ কৈছেনে ? চাৰিওবেদত কতো দূৰ্গাক পূজা কৰিবলৈ কোৱা নাই, তেনেহ'লৈ মহৰ্ষি সকলৰ বেদৰ জ্ঞান আছিল নে ? সত্যযুগৰ মহৰ্ষি কিহৰ বিদ্বান ? মহৰ্ষিৰ মনোময় বিধান হল ওঁম নাম সকলোতকৈ ডাঙৰ আৰু শ্ৰেষ্ঠ, সেয়ে ব্ৰহ্ম পূজা সৰ্বশ্ৰেষ্ঠ। প্ৰিয় পাঠক, যি ইষ্টদেৱ বুলি ব্ৰহ্মক পূজা কৰে তেওঁলোক অজ্ঞানী, এওঁলোকৰ ব্ৰহ্ম সাধনাই উত্তম ফল নিদিয়ে ।

গীতাৰ প্ৰমাণ ঃ- গীতাৰ ৭ ম অধ্যায়ৰ ১২-১৫ নং শ্লোকত গীতা জ্ঞানদাতাই কৈছে যে তিনিগুণৰ (ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু, তমগুণ শিৱ) অধিকাৰী দেৱতাক পূজা কৰা সকল ৰাক্ষস স্বভাৱৰ হয়, দূষিত কৰ্ম কৰা এনে মূৰ্খই মোক (গীতা জ্ঞান দাতাক) নভজে। সপ্তম অধ্যায়ৰে ১৬-১৮ শ্লোকলৈকে, গীতাৰ জ্ঞান দাতাই কৈছে মোৰ ভক্তি চাৰি প্ৰকাৰৰ মানুহে কৰে-অৰ্থাৰ্থী, আৰ্ত, জিজ্ঞাসু আৰু জ্ঞানী। জ্ঞানীয়ে মোক ভালপায় , ময়ো জ্ঞানীক ভাল পাওঁ। ইয়াত আকৌ কৈছে যে জ্ঞানীৰ আত্মা উদাৰ (ভাল) কিন্তু এওঁলোকো মোৰ অনুত্তম (বেয়া) গতিত আশ্ৰিত (নিৰ্ভৰশীল)। এই শ্লোকতে (সপ্তম অধ্যায়ৰ ১৮ নং) উল্লেখ আছে যে গীতা জ্ঞান দাতাৰ ভক্তিৰ দ্বাৰা পোৱা গতি অনুত্তম (বেয়া)। গীতা অধ্যায় ৭ শ্লোক ১৯ ত কৈছে

*বহুনাম্, জন্মানাম্, অন্তে , জ্ঞানৱান্, মাম প্ৰপদ্যতে ।*
*বাসুদেৱঃ সৰ্বম্ ইতি্ সঃ মহাত্মা সুদুৰ্লভঃ ।।*

অনুবাদ ঃ গীতা জ্ঞান দাতা ব্ৰহ্মই কৈছে যে কোনো জ্ঞানী আত্মাই বহু জন্মৰ অন্তত হে মোৰ (ব্ৰহ্মৰ) ভক্তি কৰে অন্যথা বিভিন্ন দেৱ-দেৱী, ভূত- প্ৰেতৰ ভক্তি কৰি জীৱন নাশ কৰি থাকে। গীতা জ্ঞান দাতাই নিজৰ ভক্তিৰ দ্বাৰা হোৱা লাভ বা গতিক অনুত্তম বুলিছে (অধ্যায়-৭ শ্লোক-১৮)। আকৌ অধ্যায় ৭ৰ শ্লোক ১৯ ত কৈছে- "বাসুদেৱেই সকলোৰে মূল বুলি বুজাব পৰা মহাত্মা অতি বিৰল, বাসুদেৱ সকলোৰে স্ৰজন কৰোঁতা, পাপনাশক পূৰ্ণ মোক্ষদায়ক, সেয়ে তেওঁ পূজাৰ যোগ্য। এওঁৱেই (বাসুদেৱ) পৰম অক্ষৰ ব্ৰহ্ম। সেয়ে তেওঁৱেই ভক্তি কৰা, অন্যৰ নহয়। গীতাৰ জ্ঞান দাতাই স্বয়ং কৈছে - "হে অৰ্জুন সমগ্ৰ মনেৰে সেই পৰমেশ্বৰত শৰণ লোৱা । তেওঁৰ কৃপাত পৰম শান্তি আৰু সনাতন পৰম ধাম (সত্যলোক) প্ৰাপ্ত হব (গীতা অধ্যায় ১৮ শ্লোক ৬২ ত)। পুনৰ গীতাৰ অধ্যায় ১৮, শ্লোক ৪৬ ত কৈছে যি পৰমেশ্বৰৰ পৰা সমস্ত প্ৰাণীৰ উৎপত্তি হৈছে, তেওঁ সমস্ত জগত ব্যাপী আছে। সেই পৰমেশ্বৰক নিজৰ দৈনন্দিন স্বাভাৱিক কৰ্মৰ মাজতে পূজা কৰি মনুষ্যই পৰম সিদ্ধি পাব পাৰিব। গীতাৰ অধ্যায় ১৫ ৰ ৪ নং শ্লোকত কৈছে যে তত্বজ্ঞান লাভ কৰি পৰমেশ্বৰৰ পৰম পদ বিচাৰিব লাগে। তত্বজ্ঞানৰ ফলত সাধক পুনৰ সংসাৰলৈ নাহে। যি জনা পৰমেশ্বৰৰ পৰা সংসাৰৰূপী বৃক্ষৰ প্ৰবৃতি বিস্তাৰ হয়, তেওঁৱেই সকলোকে সৃষ্টি কৰিছে। তেওঁকহে পূজা কৰা। ইয়াৰ পৰা বুজা গ'ল যে ঋষিসকলেও বেদৰ গূঢ় ৰহস্য নাজানে। গতিকে তেওঁলোক অজ্ঞানী।

প্ৰশ্ন-২০ ঃ গীতাৰ জ্ঞান দাতাই নিজৰ গতিক অনুত্তম কিয় বুলিছে ?

উত্তৰ ঃ গীতা জ্ঞান দাতাই অধ্যায় ২ ৰ ১২ নং শ্লোক, অধ্যায়-৪ ৰ ৫ নং শ্লোক আৰু অধ্যায় ১০ ৰ ২ নং শ্লোকত কৈছে - "হে অৰ্জুন তোমাৰ আৰু মোৰ বহুত জন্ম হ'ল। তুমি নাজানা, মই কিন্তু জানো, মোৰ উৎপত্তিৰ বিষয়ে দেৱতা, ঋষি-মহৰ্ষি কোনেও নাজানে। তুমি, মই আৰু এই ৰজা, সৈনিক সকল বহুত বাৰ জন্ম হৈছে, ভৱিষ্যতেও হ'ব"। পাঠক এতিয়া বিচাৰ কৰক। যিহেতু ব্ৰহ্মই নিজে জন্ম মৰণৰ অধীন বুলি কয়, ব্ৰহ্মৰ পূজাৰীৰ গতি গীতাৰ অধ্যায় ১৫ ৰ ৪

নং শ্লোকত কোৱাৰ দৰে নহয়, অৰ্থাৎ জন্ম-মৃত্যু চিৰকালৰ বাবে নোহোৱা নহয়। যেতিয়ালৈকে জন্ম-মৃত্যু হয় তেতিয়ালৈকে পৰম শান্তি নহয়। সেয়ে গীতাজ্ঞান দাতাই নিজৰ অসমৰ্থতা প্ৰকাশ কৰিছে। গীতাৰ অধ্যায় ১৮ ৰ ৬২ নং শ্লোকত কৈছে যে পৰম শান্তিৰ বাবে সেই পৰমেশ্বৰত (পৰম অক্ষৰ ব্ৰহ্ম) শৰণ লোৱা, তেওঁৰ কৃপাতহে পৰম শান্তি আৰু সনাতন পৰম ধাম প্ৰাপ্ত হয়। অধ্যায় ৮ ৰ ৫ আৰু ৭ নং শ্লোকত কৈছে যে মোৰ (ব্ৰহ্মৰ) ভক্তি কৰিবলৈ হ'লে যুদ্ধও কৰিব লাগিব, ইয়াত শান্তি নহয়, পৰম শান্তিৰ স্থান বহু দূৰত। সেয়ে গীতাৰ জ্ঞান দাতাই নিজৰ গতিক (ওঁ নাম জপৰ পৰা হোৱা লাভ) অনুত্তম বুলিছে ।

প্ৰশ্ন ২১ ঃ- প্ৰশ্ন ১৩ ৰ উত্তৰত কৈছিল যে পূৰ্ণ মোক্ষ লাভৰ বাবে ব্ৰহ্মা, বিষ্ণু, শিৱ, গনেশ আৰু ক্ষৰ ব্ৰহ্ম আৰু অক্ষৰ ব্ৰহ্মৰ সাধনা কৰিব লাগে। আকৌ এতিয়া কৈছে ব্ৰহ্মা, বিষ্ণু, শিৱ আৰু আন দেৱতা আৰু ক্ষৰ ব্ৰহ্ম পূজাৰ যোগ্য নহয়। কেৱল পৰম অক্ষৰ ব্ৰহ্মহে পূজাৰ যোগ্য। কথাটো স্পষ্ট কৰক।

উত্তৰ ঃ মই কোৱা নাই, আমাৰ সদ গ্ৰন্থইহে কৈছে। প্ৰথমে পূজা আৰু সাধনাৰ মাজৰ প্ৰভেদ স্পষ্ট কৰি দিওঁ ।

প্ৰাপ্য বস্তু পোৱাৰ ইচ্ছা হ'ল পূজা আৰু তাক পাবলৈ কৰা চেষ্টা হ'ল সাধনা । উদাহৰণ- আমি পানী খাওঁ, পানী আমাৰ প্ৰাপ্য। আমি পানী পোৱাৰ ইচ্ছা কৰো। পানী পাবলৈ হ'লে হেণ্ডপাম্পৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ বাবে প্ৰয়োজনীয় বিভিন্ন উপকৰণ লগোৱাটোক প্ৰযন্ত বা সাধনা বোলে। তেনেকৈ পৰমেশ্বৰৰ পৰম পদ লাভ কৰিবলৈ আমাৰ ইচ্ছা আছে, পৰম পদ পোৱাৰ পিছত সাধকৰ পুনৰ জনম নহয়। আমাৰ প্ৰাপ্য হ'ল পৰমেশ্বৰ আৰু তেওঁৰ সনাতন পৰম ধাম। ইয়াক পাবলৈ কৰা নামজপ, যজ্ঞ ইত্যাদি প্ৰচেষ্টাক সাধনা বোলে। এই সাধনাৰ দ্বাৰা পূজ্য বস্তু পৰমাত্মাক পোৱা যাব।

প্ৰশ্ন ১৩ ৰ উত্তৰত দিয়া স্পষ্টীকৰণ উপযুক্ত উদাহৰণ হয়। সেই পূৰ্ণ মোক্ষ লাভৰ বাবে তিনিবাৰত দীক্ষা ক্ৰম সম্পূৰ্ণ কৰিব লাগিব ।

১) প্ৰথম নাম দীক্ষা ঃ ব্ৰহ্মা, বিষ্ণু, শিৱ, গণেশ আৰু দেবীৰ মন্ত্ৰৰ সাধনা কৰিবলৈ দিয়া হয়।

২) দ্বিতীয়বাৰত ক্ষৰ আৰু অক্ষৰ ব্ৰহ্মৰ দুই অক্ষৰ মন্ত্ৰ জপ কৰিবলৈ দিয়া হয়। ইয়াক সন্ত সকলে সতনাম বোলে। গীতা অধ্যায় ১৭ৰ ২৩ শ্লোকত থকা তিনিটা নাম "ওঁম, তৎ, সৎ" ৰ পৰা দুটা অক্ষৰ, প্ৰথমটো ওঁম আৰু দ্বিতীয় তৎ (এইটো সাংকেতিক অৰ্থাৎ গুপ্ত) যিটো উপদেশ (দীক্ষা) দিয়াৰ সময়ত বুজাই দিয়া হয় ।

৩) তৃতীয় বাৰত "সাৰনাম"ৰ দীক্ষা দিয়া হয়, ইয়াক গীতাৰ অধ্যায় ১৭ৰ ২৩ নং শ্লোকত "সত" বুলি কোৱা হৈছে। এইটোও সাংকেতিক। দীক্ষা দিওঁতে কৈ দিয়া হয়। এনেদৰে পূৰ্ণমোক্ষ লাভ হয়।

প্ৰশ্ন ২২ ঃ প্ৰথমে আমি যি সাধনা কৰিছিলো সেয়া ত্যাগ কৰিব লাগিব নেকি ?

উত্তৰ ঃ যদি শাস্ত্ৰ বিধি ৰহিত তেতিয়া ত্যাগ কৰিব লাগিব। অনুপযুক্ত লোকৰ পৰা যদি দীক্ষা লৈছে তেন্তে তাৰ পৰা একো লাভ নহয়। পূৰ্ণ গুৰুৰ পৰা সাধনাৰ দীক্ষা লওক।

প্ৰশ্ন ২৩ ঃ গীতাৰ অধ্যায় ১৮ ৰ ৪৭ নং তথা অধ্যায় ৩ ৰ ৩৫ নং শ্লোকত কৈছে-

*শ্ৰেয়ান স্বধৰ্মঃ বিগুণঃ পৰধৰ্মাত স্বনুষ্ঠিতাত্ ।*
*স্বধৰ্মে নিধনম শ্ৰেয়ঃ পৰধৰ্ম ভয়াবহ ।।*

(অধ্যায় ৩, শ্লোক ৩৫ )

আনৰ ভাল আচৰণৰ ধৰ্মতকৈ নিজৰ গুণ ৰহিত ধৰ্ম উত্তম হয়। নিজৰ ধৰ্মত থাকি মৃত্যুও কল্যাণদায়ক হয়, অন্যৰ ধৰ্ম অতি ভয়াবহ হয় ।

উত্তৰ ঃ এই অনুবাদ অশুদ্ধ। “নিজৰ ধৰ্ম গুণ-ৰহিত হ'লেও তাক ত্যাগ কৰিব নালাগে”- কথাষাৰ যদি সত্য তেতিয়া হ'লে শ্ৰীমদ্‌ভাগৱত গীতাৰ জ্ঞান ১৮ অধ্যায়ৰ ৭০০ শ্লোকত লিখাৰ প্ৰয়োজন নাছিল। এনে ধৰণৰ এটা শ্লোকেই যথেষ্ট আছিল যে নিজৰ সাধনা যেনেকুৱাই নহওঁক তাক কৰি যাব লাগে - লাগিলে সেই সাধনা গুণ ৰহিতেই (নিষ্ফল) নহওক কিয়। আকৌ গীতা অধ্যায় ৭ ৰ শ্লোক ১২-১৫ ত কিয় কলে যে ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তম গুণ শিৱৰ পূজা কৰা ৰাক্ষস স্বভাৱৰ নীচ, দূষিত কৰ্ম কৰা মূৰ্খই মোক নভজে। গীতা জ্ঞান দাতাই এই সাধকসকলক তেওঁলোকৰ ধৰ্ম অৰ্থাৎ ধাৰ্মিক সাধনা ত্যাগ কৰিবলৈ কৈছে আৰু অধ্যায় ৭ ৰ শ্লোক ২০-২৩ ত আকৌ কৈছে -“মোৰ পূজা নকৰি অন্য দেৱতাৰ পূজা কৰা সকল অজ্ঞানী হয়। অন্য দেৱতাৰ সাধনাৰ ফলত শীঘ্ৰে সমাপ্ত হোৱা সুখ (স্বৰ্গ সময়) পোৱা যায়”। আগলৈ আৰু কৈছে যে পূৰ্ণ লাভ পাবলৈ হ'লে তেওঁৰ নিজৰ ধাৰ্মিক পূজাও এৰি সাধকে পৰম অক্ষৰ ব্ৰহ্মৰ ধাৰ্মিক সাধনা গ্ৰহণ কৰিব লাগিব ।

গীতাৰ অধ্যায় ৩ ৰ শ্লোক নং ৩৫ ৰ যথাৰ্থ অনুবাদ এনে -

অনুবাদ ঃ (বিগুণ ঃ পৰধৰ্মাতস্বনুষ্ঠিতাত) আনৰ গুণ ৰহিত অৰ্থাৎ লাভ নথকা ৰংচঙীয়া, জাক জমকপূৰ্ণ ধাৰ্মিক অনুষ্ঠানতকৈ (স্বধৰ্ম) নিজৰ শাস্ত্ৰ বিধিসন্মত ধাৰ্মিক কৰ্ম (শ্ৰেয়ান) অতি শ্ৰেষ্ঠ। (স্বধৰ্মে) নিজৰ শাস্ত্ৰ বিধিসন্মত ধৰ্ম কৰ্ম সাধনাৰ বাবে (নিধনম) মৃত্যুও (শ্ৰেয়) কল্যাণকাৰক, (পৰধৰ্ম) আনৰ ধাৰ্মিক কৰ্ম (ভয়াবহ) ভয়ৰ কাৰণ হৈ পৰে ।

সাৰৰ্মম ঃ-দুৰ্গা পূজাকে মূখ্য কৰি বিভিন্ন ধাৰ্মিক অনুষ্ঠান অতিশয় শোভাযুক্ত আৰু ঢোল খোল, শঙ্খ-ঘন্টা, গীতৰ শব্দেৰে মুখৰিত কৰি উদ্‌যাপন কৰা হয়। নিজৰ শাস্ত্ৰ বিধিসন্মত ধৰ্ম কৰ্মত কেৱল নাম জপ বা সামান্য বিধিৰে আৰতি কৰা হয়। বেদ বা গীতা শাস্ত্ৰৰ কতো শ্ৰীদুৰ্গাৰ পূজা বা জাগৰণ (প্ৰতিমাত প্ৰাণ প্ৰতিষ্ঠা) কৰাৰ নিৰ্দেশ নথকাৰ বাবে এইটো শাস্ত্ৰ বিৰুদ্ধ মনোগত আচৰণ, গতিকে ই ব্যৰ্থ, নিষ্ফল হয়। আনৰ শাস্ত্ৰবিধিৰহিত ধাৰ্মিক কৰ্ম দেখাত ভাল লাগে, তাত আড়ম্বৰ বেছি হোৱাত ই প্ৰদৰ্শনীৰ ৰূপ লয়, ফলত সত্য সাধনা কৰা সকলৰ মনত ভয়, সোমায় জানোচা তেওঁলোকৰ ভক্তি বিধি উচিত হোৱা নাই। কিন্তু তত্বজ্ঞান বুজাৰ পিচত এনে ভয় নাই কিয়া হয়। তত্বজ্ঞানত কোৱা হৈছে-

*দুৰ্গা ধ্যান পড়ে জিস বগড়ম তা সংগতি ডুবৈ সব নগৰম ।*
*দম্ভ কৰে ডুংগৰ চঢ়ে, অন্তৰ ঝিনী ঝুল।*
*জগ জানে বন্দগী কৰে, বোৱে শূল ববুল ।।*

সেই কাৰণে নিৰ্গুণ অৰ্থাৎ লাভ ৰহিত ধাৰ্মিক সাধনা ত্যাগ কৰি শাস্ত্ৰ বিধি অনুসৰি সত্য সাধনা কৰিলেহে কল্যাণ হ'ব।

প্ৰশ্ন ২৪ঃ মই সন্ত শ্ৰী অভিলাষ দাসৰ বিচাৰ শুনিছো। তেওঁ কৈছে যে সংসাৰ সৃষ্টি কৰা কোনো ভগৱান নাই। সংসাৰখন স্ত্ৰী পুৰুষৰ সংযোগত সৃষ্টি হয় আৰু সময়ত শেষ হয়। ইয়াত কোনো ভগৱান নাই। জীৱই ব্ৰহ্ম, জীৱই কৰ্ত্তা। অভিলাষ দাসৰ এই কথা শুদ্ধনে ?

উত্তৰ ঃ ইয়াৰ উত্তৰ গীতা অধ্যায় ১৬ ৰ শ্লোক ৬-১০ লৈকে বৰ্ণিত আছে। কোৱা আছে অসুৰ প্ৰবৃত্তিৰ লোকেহে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰে। সংসাৰখন স্ত্ৰী-পুৰুষৰ সংযোগত সৃষ্টি হৈ আকৌ শেষ হয় বুলি কয়। তেওঁলোকৰ মতে ইয়াৰ কোনো কৰ্ত্তা নাই। এনে ব্যক্তি সংসাৰ নাশৰ বাবেহে জন্ম লয়। বাস্তৱতে পৰমাত্মাই বিশ্ব সৃষ্টি কৰিছে। জীৱ ব্ৰহ্ম নহয়। ব্ৰহ্মৰ অৰ্থ প্ৰভু (স্বামী) উদাহৰণ স্বৰূপ (১) ব্ৰহ্ম (ক্ষৰ পুৰুষ) ২১ ব্ৰহ্মাণ্ডৰ স্বামী, (২) অক্ষৰ ব্ৰহ্ম (অক্ষৰ পুৰুষ গীতা অধ্যায় ১৫শ্লোক ১৬) এওঁ ৭ শঙ্খ ব্ৰহ্মাণ্ডৰ স্বামী। (৩) পূৰ্ণ ব্ৰহ্ম (গীতা ৮ অধ্যায়ৰ শ্লোক ৩ ত পৰম অক্ষৰ ব্ৰহ্ম বোলা হৈছে। এওঁ অসংখ্য ব্ৰহ্মাণ্ডৰ স্বামী। এওঁ সকলোৰে মালিক)। সংসাৰ স্ত্ৰী-পুৰুষৰ সংযোগত সৃষ্টি হয় আৰু সময়ত সমাপ্ত হয়, জীৱই কৰ্তা, জীৱই ব্ৰহ্ম বুলি কোৱাটো সৰ্ম্পূণ অনুচিত হ'ব ।

প্ৰশ্ন ২৫ঃ গীতাৰ অধ্যায় ৮ ৰ ৫ আৰু ৭ নং শ্লোকত গীতা জ্ঞান দাতাই কৈছে যে মৰণ কালত যি মোক (গীতা জ্ঞান দাতাক) স্মৰণ কৰি শৰীৰ ত্যাগ কৰে তেওঁ মোক লাভ কৰে। সেয়ে, হে অৰ্জুন সকলো সময়তে মোৰ স্মৰণ কৰা আৰু যুদ্ধও কৰা, তেতিয়া তুমি মোক পাবা। সেই কাৰণে অধ্যায় ১৮ ৰ ৬২ নং শ্লোকত সেই পৰমাত্মাৰ শৰণত আশ্ৰয় লবলৈ কৈছে। গীতা জ্ঞান দাতাই আওপকীয়াকৈ তেওঁৰেই সাধনা, স্মৰণ কৰিবলৈ কৈছে , আপুনিহে অন্য পৰমাত্মাৰ কথা কৈ আছে, আপোনাৰ কথা বিশ্বাসযোগ্য নহয়। গীতাৰ অন্য অধ্যায় বিলাকত গীতা জ্ঞান দাতাৰ বাহিৰে অন্য পৰমাত্মাৰ ভক্তি সাধনাৰ বিষয়ে উল্লেখ আছে নেকি ?

উত্তৰ ঃ গীতাৰ ৭ নং অধ্যায়ৰ ২৯ নং শ্লোকত গীতা জ্ঞান দাতাই জৰা (বৃদ্ধাৱস্থা) আৰু মৰণ (মৃত্যু) ৰ পৰা নিস্তাৰ পাবলৈ ইচ্ছা কৰা সাধকে "তৎ ব্ৰহ্ম"ৰ বিষয়ে জানে বুলি কৈছে । ৮ নং অধ্যায়ৰ ১ নং শ্লোকত অৰ্জুনে "তৎ ব্ৰহ্ম" মানে কি বুলি কৈছে। ইয়াৰ উত্তৰ গীতা জ্ঞান দাতাই ৮ নং অধ্যায়ৰে ৩ নং শ্লোকত "পৰম অক্ষৰ ব্ৰহ্ম" হয় বুলি কৈছে । অধ্যায় ৮ ৰ শ্লোক নং ৫ আৰু ৭ত গীতা জ্ঞান দাতাই নিজৰ সাধনা অৰ্থাৎ স্মৰণ কৰিবলৈ কৈছে। তুৰন্তে একে অধ্যায়ৰ শ্লোক ৮, ৯ আৰু ১০ ত নিজতকৈ অন্য "পৰম অক্ষৰ ব্ৰহ্ম"ৰ ভক্তি কৰিবলৈ কৈ উপদেশ দিছে -

"হে পাৰ্থ, পৰমেশ্বৰ সাধনাৰ অভ্যাসযোগত নিমজ্জিত হৈ অন্য কোনো দেৱতা বা প্ৰভুৰ প্ৰতি আস্থা নাৰাখি কায়মনোবাক্যে একমাত্ৰ পৰমেশ্বৰৰ স্মৰণ কৰি মানুহ (পৰমম দিব্যম পুৰুষম যাতি) সেই পৰম অলৌকিক পৰমেশ্বৰ অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মক প্ৰাপ্ত হয়। ( গীতা অধ্যায় ৮ শ্লোক ৮)

যি সাধকে পৰম অক্ষৰ ব্ৰহ্ম, অনাদি, সকলোৰে পৰিচালক, নিয়ন্ত্ৰক, সুক্ষ্মাতিসূক্ষ্ম, সকলোৰে ধাৰণ-পোষণ কৰা, অচিন্ত্য স্বৰূপ, সূৰ্যৰ দৰে দীপ্তিমান অজ্ঞানতাৰ পৰা বহু দূৰত অৱস্থিত, শুদ্ধ চিদানন্দ পৰমেশ্বৰৰ স্মৰণ কৰে, (অধ্যায় ৮ শ্লোক ৯) সেই ভক্তি সাধনাযুক্ত সাধক অন্তিম কালত ভক্তিৰ শক্তিৰে ভ্ৰূকুটিৰ মধ্যত প্ৰাণ (শ্বাস) ক ভালদৰে স্থাপন কৰি আৰু নিশ্চল মনেৰে স্মৰণ কৰি সেই (দিব্য পৰম পুৰুষম) অলৌকিক পৰম পুৰুষ অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম (গীতা জ্ঞান দাতাতকৈ যি জন বেলেগ) ক প্ৰাপ্ত হয় (অধ্যায় ৮ শ্লোক ১০) ইয়াৰ প্ৰমাণ গীতা অধ্যায় ৮ ৰ শ্লোক ১১ ৰ পৰা ২২ লৈ দিয়া আছে। শ্লোক ১১ ত কৈছে যে তত্বদৰ্শী অৰ্থাৎ বেদক ভালদৰে বুজা জনে যাক অবিনাশী বুলি কয় সেই পৰম পদৰ কথা তোমাক কৈছো। শ্লোক ১২ ত বৰ্ণিত আছে যে তাক প্ৰাপ্ত কৰাৰ সাধনা শ্বাসেৰে নাম স্মৰণ কৰি কৰিব লাগে ।

গীতা অধ্যায় ৮ শ্লোক ১৩ ত গীতা জ্ঞান দাতাই কৈছে যে তেওঁৰ (ব্ৰহ্মৰ) কেৱল এটা ওম (ওঁ) অক্ষৰ আছে। ইয়াৰ স্মৰণ মৃত্যু পৰ্যন্ত কৰিব লাগে। তেতিয়া এই মন্ত্ৰৰ দ্বাৰা হ'ব লগা পৰমগতি অৰ্থাৎ ব্ৰহ্মলোক প্ৰাপ্তি হয় ।

গীতা অধ্যায় ৮ শ্লোক ১৬ ত কৈছে যে ব্ৰহ্মলোকলৈ যোৱা সাধকেও পুনৰ উভতি সংসাৰত জন্ম লয় আৰু মৃত্যুবৰণ কৰে। এইটো পূৰ্ণ মোক্ষ নহয়। গীতা অধ্যায় ৮ শ্লোক ১৪ ত কৈছে যে মোৰ (ব্ৰহ্মৰ) সাধনা, স্মৰণ কৰা সকলৰ বাবে মই সহজলভ্য হওঁ । গীতা অধ্যায় ৮ শ্লোক ১৫ ত গীতা জ্ঞান দাতাই কৈছে যে মোক প্ৰাপ্ত হ'লেও সদায় পুনৰ জন্ম হৈয়েথাকিব অৰ্থাৎ দুখৰ ঘৰ ক্ষণ ভঙ্গুৰ জীৱনৰ ওৰ-নপৰিব, আনহাতে যি সাধকে পৰম অক্ষৰ ব্ৰহ্মৰ ভক্তি সাধনা কৰে তেওঁ পৰম সিদ্ধি প্ৰাপ্ত হৈ অমৰ হয় আৰু পুনৰ জন্ম মৃত্যুৰ পাকচক্ৰত নোসোমায়।

গীতা অধ্যায় ৮ শ্লোক ১৬ ত গীতা জ্ঞান দাতাই কৈছে যে ব্ৰহ্মলোকলৈকে থকা সকলোলোকৰ পৰা পুনৰাগমন হয়, অৰ্থাৎ ব্ৰহ্মলোকলৈকে সকলো লোকলৈ যোৱা সাধক সদায় জন্ম-মৃত্যুৰ চক্ৰত থাকে। হে অৰ্জুন যি সকলে এই কথা নাজানে তেওঁলোক মোক প্ৰাপ্ত হৈও জন্ম-মৃত্যুৰ চক্ৰত সদায় থাকিব। কাৰণ গীতা জ্ঞান দাতাই অধ্যায় ২ ৰ শ্লোক নং ১২, অধ্যায় ৪ ৰ শ্লোক নং ৫, অধ্যায় ১০ ৰ শ্লোক নং ২ ত নিজেই কৈছে যে, "হে অৰ্জুন তোমাৰ আৰু মোৰ বহুত জনম হৈছে, আগলৈও হৈয়ে থাকিব, তুমি নাজানা মই জানো। মোৰ উৎপত্তি (জন্ম) ৰ কথা দেৱতা, মহৰ্ষিসকল বা সিদ্ধসকলৰ কোনেও নাজানে"।

গীতা অধ্যায় ৮ ৰ ১৭ নং শ্লোকত অক্ষৰ পুৰুষ (পৰব্ৰহ্ম) ৰ দিন-ৰাতিৰ বৰ্ণনা আছে। (ব্ৰহ্মণঃ) পৰব্ৰহ্মৰ এদিন এক হাজাৰ যুগৰ সমান আৰু ৰাতিও সিমান সময়ৰ হয়। গীতা অধ্যায় ১৫ ৰ ১৬ নং শ্লোকত পৰব্ৰহ্ম অৰ্থাৎ অক্ষৰ পুৰুষৰ বৰ্ণনা আছে। ইয়াৰ প্ৰকৰণ গীতা অধ্যায় ৮ ৰ ১৭-১৯, শ্লোকত আছে ।

টোকা ঃ অধিক জানিবৰ বাবে ৯ নং প্ৰশ্নৰ উত্তৰ চাব পাৰে। গীতা অধ্যায় ৮ ৰ শ্লোক নং ১৭-১৯ ত অক্ষৰ পুৰুষৰ বিষয়ে তথ্য আছে। অক্ষৰ পুৰুষকো অব্যক্ত বুলি কোৱা হৈছে। অক্ষৰ পুৰুষৰ দিন শেষ হোৱাৰ পাচত ক্ষৰ পুৰুষৰ ২১ ব্ৰহ্মাণ্ডৰ সকলো প্ৰাণী প্ৰলয়ৰ মুখত পৰে অৰ্থাৎ নাশ হয়। ৰাতিৰ অন্তত আকৌ দিন আৰম্ভ হ'লে সংসাৰত জীৱ উৎপন্ন হয়। গীতা অধ্যায় ৮ শ্লোক ২০ত

কৈছে যে এই অক্ষৰ পুৰুষকো অব্যক্ত বোলা হয়। কিন্তু এইজন অব্যক্ততকৈ বেলেগ যি বিলক্ষণ সনাতন অব্যক্ত ভাৱ আছে, সেই পৰম দিব্য পুৰুষ অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম সকলো প্ৰাণী (ক্ষৰ পুৰুষ, অক্ষৰ পুৰুষ আৰু এওঁলোকৰ অন্তৰ্গত যিমান জীৱ আছে, এই সকলো) নাশ হ'লেও নাশ নহয় অৰ্থাৎ তেওঁহে প্ৰকৃততে অবিনাশী ।

গীতা অধ্যায় ৮ ৰ শ্লোক নং ২১ ত কৈছে যাক অব্যক্ত (অক্ষৰ) অবিনাশী বুলি কোৱা হয়, সেই পৰম পুৰুষক প্ৰাপ্তি হোৱাকে পৰম গতি বোলে। সেইজন সনাতন অব্যক্ত পৰম পুৰুষক প্ৰাপ্ত হ'লে আকৌ জন্ম-মৃত্যু নহয়। সেইখন ধাম মোৰ ধামতকৈও শ্ৰেষ্ঠ। প্ৰথমে মই তাতেই আছিলো। সেয়ে সেইখন মোৰো পৰম ধাম বুলি কৈছে কাৰণ গীতা জ্ঞান দাতা সেই পৰম সনাতন ধাম অৰ্থাৎ সত্য লোকৰ পৰা বহিস্কৃত হৈছে (সবিশেষ জানিবৰ বাবে অনুগ্ৰহ কৰি এই পুথিৰ ১১৯ পৃষ্ঠাত "সৃষ্টি ৰচনা" পঢ়ক) ।

গীতা অধ্যায় ৮ ৰ শ্লোক ২২ ত গীতা জ্ঞান দাতাই স্পষ্ট কৰিছে, "হে অৰ্জুন সৰ্বভূত অৰ্থাৎ সকলো প্ৰাণী যিজন পৰমাত্মাৰ অৰ্ন্তগত (ক্ষৰ পুৰুষ আৰু ইয়াৰ ২১ ব্ৰহ্মাণ্ডৰ প্ৰাণী, অক্ষৰ পুৰুষ আৰু ইয়াৰ সাত শঙ্খ ব্ৰহ্মাণ্ডৰ প্ৰাণী লগতে পৰম অক্ষৰ পুৰুষৰ অসংখ্য ব্ৰহ্মাণ্ডৰ প্ৰাণী পৰম অক্ষৰ ব্ৰহ্মৰ অৰ্ন্তগত), যি জন পৰম অক্ষৰ পুৰুষৰ দ্বাৰা এই সকলো জগত পৰিপূৰ্ণ অৰ্থাৎ যি সকলোকে উৎপন্ন কৰিছে আৰু যাৰ সত্তা সকলোৰে ওপৰত, সেইজন সনাতন অব্যক্ত, পৰম পুৰুষ অনন্য ভক্তিৰ দ্বাৰাহে প্ৰাপ্তিৰ যোগ্য। ভাৱাৰ্থ এই যে পৰম অক্ষৰ ব্ৰহ্মক প্ৰাপ্তি কৰিবলৈ হলে একমাত্ৰ তেওঁৰহে ভক্তি (পূজা) কৰিব লাগিব, আন কোনো প্ৰভুৰ প্ৰতি আস্থা ৰাখিব নালাগে। ইয়াক অনন্য ভক্তি অৰ্থাৎ পূজা বোলে।

একমাত্ৰ পৰম অক্ষৰ ব্ৰহ্মৰ পূজাক অনন্য ভক্তি বোলা হয়। গীতা অধ্যায় ৮ ৰ শ্লোক নং ২২ ৰ শুদ্ধ অনুবাদে বিষয়টো অধিক স্পষ্ট কৰি তুলিব ঃ-

*পুৰুষঃ, সঃ, পৰঃ, পাৰ্থ, ভক্ত্যা লভ্যঃ তু, অনন্যা,*
*য়স্য, অন্তঃ স্থানি, ভূতানি, য়েন, সৰ্বম, ইদম, ততম ।।*

অনুবাদ ঃ (সঃ) সেই (পৰঃ) অন্য (পুৰুষঃ) পৰমাত্মা অনন্য ভক্তিৰ দ্বাৰাহে প্ৰাপ্তিৰ যোগ্য, সকলো প্ৰাণী তেওঁৰ অন্তৰ্গত আৰু সকলো জগতৰ উৎপত্তি তেওঁৰ দ্বাৰাই হৈছে, তেওঁ সকলোৰে পালনকৰ্তা। সৰলাৰ্থ সমাপ্ত হ'ল (গীতা অধ্যায় ৮, শ্লোক ২২)। ইয়াৰ মূল পাঠত অৰ্থাৎ সংস্কৃতত লিখা আছে - সঃ পৰঃ পুৰুষ=গীতা অধ্যায় ৮ ৰ শ্লোক নং ২০ ত "পৰ" ৰ অৰ্থ বেলেগ অৰ্থাৎ অন্য। গীতা অধ্যায় ৮ ৰ শ্লোক ২২ তো "পৰ" ৰ অৰ্থ অন্য কৰিলে স্পষ্ট হৈ যাব যে গীতা জ্ঞান দাতাতকৈ অন্য কোনো সমৰ্থ প্ৰভু আছে যাৰ শৰণত যাবলৈ গীতা অধ্যায় ১৮ ৰ শ্লোক ৬২ ত গীতা জ্ঞান দাতাই কৈছে ।

উল্লিখিত বিৱৰণৰ পৰা প্ৰমাণিত হ'ল যে গীতা জ্ঞান দাতাই শ্ৰীমদ্‌ভাগৱত গীতাৰ বহুতো ঠাইত নিজতকৈ বেলেগ এজন পৰমেশ্বৰ (পৰম অক্ষৰ ব্ৰহ্ম) ৰ ভক্তি কৰিবলৈ কৈছে। তেওঁৰ দ্বাৰাহে পূৰ্ণ মোক্ষ সম্ভৱ হ'ব- জন্ম মৃত্যুৰ চক্ৰ চিৰিদিনৰ বাবে সমাপ্ত হ'ব। প্ৰমাণ ঃ- গীতা অধ্যায় ৭ শ্লোক ১৯, ২৯, অধ্যায় ১৮ ৰ শ্লোক ৪৬, ৬১, ৬২, ৬৬, অধ্যায় ৩ শ্লোক ১৪, ১৫, ১৯ অধ্যায় ৮ ৰ শ্লোক

৩, ৮, ৯, ১০, ২০, ২১, ২২ অধ্যায় ৪ ৰ শ্লোক ৩১, ৩২ অধ্যায় ১৫ ৰ শ্লোক ১, ৪, ১৭, অধ্যায় ২ৰ শ্লোক ১৭, ৫৯ আৰু অধ্যায় ৫ ৰ শ্লোক ১৪, ১৫, ১৬, ১৯, ২০, ২৪, ২৫, ২৬ ত এই প্ৰমাণ আছে।

প্ৰশ্ন ২৬ ঃ সকলো সন্ত, হিন্দু ধৰ্মৰ ধৰ্মগুৰুৰ পৰা জানো যে গীতাৰ জ্ঞান শ্ৰীকৃষ্ণই অৰ্জুনক শুনাইছিল। আমি জনা মতে শ্ৰীকৃষ্ণ পূৰ্ণ পৰমাত্মা। শ্ৰীবিষ্ণুৱে স্বয়ং অৱতাৰ ধাৰণ কৰি দৈৱকীৰ গৰ্ভৰ পৰা জন্ম লৈছিল। তেওঁৰ বাহিৰে আন কোনো পৰমাত্মা নাই। আপোনাৰ সতসঙ্গ শুনিছো, তাত আপুনি বহুতো উদ্ভট কথা কৈছে যে পূৰ্ণ পৰমাত্মা গীতা জ্ঞান দাতাৰ পৰা বেলেগ হয়। তাৰ প্ৰমাণ শাস্ত্ৰত দেখুৱাই ক'লেহে বিশ্বাস কৰিব পাৰি ।

উত্তৰ ঃ- উল্লিখিত প্ৰশ্ন বিলাকৰ উত্তৰত এই প্ৰমাণ দেখুৱা হৈছে। আপোনাৰ এতিয়াও সন্দেহ মাৰ যোৱা নাই। তাৰ প্ৰথম কাৰণ হ'ল হিন্দু ধৰ্মগুৰু সকলৰ নিজৰ শাস্ত্ৰৰ জ্ঞান নাই। জ্ঞান থকা হ'লে ওপৰোক্ত শাস্ত্ৰ বিৰুদ্ধ ব্যাখ্যা আপোনালোকক নুশুনালেহেঁতেন। দ্বিতীয়তে ধাৰ্মিক গুৰু এজন শিক্ষকৰ সমতুল্য হয়। নিজৰ পাঠ্যক্ৰমৰ জ্ঞান নথকা শিক্ষকক অজ্ঞানী বুলিব লাগিব আৰু তেওঁ শিক্ষাৰ্থীৰ জীৱনৰ লগত খেলা কৰিছে কাৰণ পাঠ্যক্ৰমৰ বিপৰীত জ্ঞান শিক্ষাৰ্থীক দি আছে। এনে শিক্ষকক এৰাই চলিব লাগিব। তেওঁক ত্যাগ কৰিলেহে শিক্ষাৰ্থীৰ হিত সাধনা হ'ব ।

আপোনাক শ্ৰীমদ্ভাগৱত গীতাৰ পৰা বহুতো প্ৰমাণ দিব পাৰো যে পূৰ্ণ পৰমাত্মা গীতা জ্ঞান দাতাতকৈ বেলেগ হয়, তেওঁহে উপাসনাৰ যোগ্য হয়। তেওঁৰ ভক্তিৰ দ্বাৰাহে পূৰ্ণ মোক্ষ প্ৰাপ্তি হয়। এতিয়া গীতাৰ কিছুমান শ্লোক উল্লেখ কৰিম, আপুনি গীতা শাস্ত্ৰত নিজে চাব পাৰে। যথাযথ ৰূপত জানিবলৈ হ'লে মোৰ ( সন্ত ৰামপাল দাসৰ) দ্বাৰা অনুবাদিত শ্ৰীমদ্ভাগৱত গীতাৰ প্ৰতিলিপি চাব । কিতাপখনৰ নাম "গহৰী নজৰ গীতা মে" । কিতাপ খন আমাৰ ৱেবচাইট www. jagatgururampalji.org ৰ পৰা ডাউনলোড কৰিব পাৰে ।

গীতা অধ্যায় ১৮ ৰ শ্লোক ৪৬, ৬১, ৬২, ৬৬, অধ্যয় ৭১ শ্লোক ১৯,২৯, অধ্যায় ৮ ৰ শ্লোক ৩, ৮, ৯, ১০, ২০, ২১, ২২, অধ্যায় ৪ ৰ শ্লোক ৩১, ৩২, অধ্যায় ১৫ ৰ শ্লোক ১, ৪, ১৬, ১৭, অধ্যায় ২ ৰ শ্লোক- ১৭, ৫৯,অধ্যায় ৩ ৰ শ্লোক ১৪, ১৫, ১৯, অধ্যায় ৫ ৰ শ্লোক ১৪, ১৫, ১৬, ১৯, ২০, ২৪, ২৫, ২৬ অধ্যায় ৬ ৰ শ্লোক ৭ অধ্যায় ১১ ৰ শ্লোক ৫৫, অধ্যায় ১২ ৰ শ্লোক ১ ৰ পৰা ৫। গীতাৰ ওপৰোক্ত শ্লোক বিলাকত প্ৰমাণ আছে যে পূৰ্ণ পৰমাত্মা গীতা জ্ঞান দাতাৰ পৰা বেলেগ হয়। তেওঁৰ বিষয় আৰু তেওঁৰ প্ৰাপ্তিৰ বাবে থকা ভক্তিৰ বিষয়ত গীতা জ্ঞান দাতা অনভিজ্ঞ (অপৰিচিত)। ইয়াৰ প্ৰমাণ গীতা অধ্যায় ৪ ৰ শ্লোক ৩২ আৰু ৩৪ ত আছে। গীতা জ্ঞান দাতাই অধ্যায় ৪ ৰ শ্লোক ৩২ ত কৈছে যে যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠানৰ বিস্তৃত জ্ঞান (ব্ৰহ্মণঃমুখে) সচ্চিদানন্দ ঘন ব্ৰহ্মৰ মুখ পদ্মৰ পৰা উচ্চাৰিত বাণীত আছে , এই জ্ঞান পৰমাত্মা স্বয়ং পৃথিবীত প্ৰকট হৈ নিজ মুখেৰে কয় যাক তত্বজ্ঞান অথবা সুক্ষ্ম বেদ বুলি কয় এই জ্ঞান যথা সময়ত তত্বদৰ্শী সন্তই জানে। সেই জ্ঞানত পূৰ্ণ পৰমাত্মাৰ স্থিতি আৰু প্ৰাপ্তিৰ বিষয় সবিশেষ আছে।

টোকা ঃ অনুবাদক সকলে গীতা অধ্যায় ৪ ৰ শ্লোক ৩২ ৰ অনুবাদত কিছু ভুল কৰিছে, যেনে- "ব্ৰহ্মণ" শব্দৰ অৰ্থ "বেদ" বুলিছে - এইটো অনুচিত হৈছে। "ব্ৰহ্মণ" শব্দৰ যথাৰ্থ অৰ্থ অধ্যায় ১৭ ৰ শ্লোক ২৩ ত কৰা হৈছে (ব্ৰহ্মণঃ=সচ্চিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পূৰ্ণ পৰমাত্মা) ।

পাঠকৰ প্ৰতি বিশেষ নিবেদনঃ আপোনালোকে গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত গীতাত ওপৰোক্ত প্ৰমাণ সমূহ মিলাই চাব। বিশেষকৈ পদচ্ছেদ, অন্বয় সাধাৰণ ভাষা টীকা সমন্বিতে অনুবাদক শ্ৰীজয়দয়াল গোয়ন্দকা আৰু শ্ৰীৰাম সুখ দাসৰ দ্বাৰা অনুবাদিত গীতাত চাব। হিন্দু সন্ত বিদ্বান শ্ৰীজয়দয়াল গোয়ন্দকাৰ দ্বাৰ অনুবাদিত আৰু গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত গীতাৰ প্ৰাসংঙ্গিক প্ৰতিলিপিৰ অনুবাদ এই পুথিৰ ১৮৯ পৃষ্ঠাত সন্নিবিষ্ট কৰা হৈছে।

গীতা অধ্যায় ৪ ৰ শ্লোক নং ৩৪ ত গীতা জ্ঞান দাতাই কৈছে যে পৰমাত্মাই স্বয়ং নিজ মুখ পদ্মৰ পৰা কোৱা জ্ঞানক তত্বজ্ঞান বোলে। তাত যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠান সমূহৰ বিস্তৃত বিৰৰণ থাকে, সেই জ্ঞানক তুমি তত্বদৰ্শী সন্তৰ ওচৰত গৈ বুজি লবা। তেখেতক দণ্ডৱত প্ৰণাম কৰি বিনম্ৰভাৱে প্ৰশ্ন কৰিলে তত্বজ্ঞানৰ সেই বিদ্বান মহাত্মাই তোমাক তত্বজ্ঞান বুজাই দিব।

ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে গীতা জ্ঞান দাতাৰ লগত তত্বজ্ঞান নাই। তত্বজ্ঞান শ্ৰীমদ্‌ভাগৱত গীতাতো নাই । গীতা জ্ঞান দাতাৰ লগত তত্বজ্ঞান থকা হ'লে আৰু এটা অধ্যায়ত সেই জ্ঞান ক'লেহেঁতেন।

উল্লিখিত শ্ৰীমদ্‌ভাগৱত গীতাৰ শ্লোকৰ পৰা স্পষ্ট হৈছে যে গীতা জ্ঞান দাতাৰ পৰা বেলেগ কোনো সমৰ্থ, অবিনাশী, পূৰ্ণমোক্ষ দাতা, সকলোৰে ধাৰণ-পোষণ কৰোঁতা "পৰমাত্মা" আছে যাৰ শৰণত গ'লে সনাতন পৰম ধাম (শাশ্বতম স্থানম) প্ৰাপ্তি হয় আৰু পৰম শান্তিও পোৱা যায়। সেই পৰম পদত যোৱাৰ পিছত সাধক কেতিয়াও সংসাৰলৈ উভতি নাহে অৰ্থাৎ জন্ম-মৃত্যু চিৰদিনৰ বাবে সমাপ্ত হয়। এতিয়া ওপৰোক্ত গীতা শ্লোক সমূহৰ পৰা কিছুমানৰ অনুবাদ কৰি বিষয়টো স্পষ্ট কৰিম।

গীতাৰ অধ্যায় ১৮ ৰ শ্লোক নং ৬২ ত কৈছে- হে ভাৰত তুমি সৰ্বভাৱেৰে সেইজন পৰমেশ্বৰৰ শৰণ লোৱা, তেওঁৰ কৃপাতহে তুমি পৰম শান্তি আৰু সনাতন পৰম ধাম লাভ কৰিব পাৰিবা। হিন্দু ধৰ্মৰ সন্ত, মণ্ডলেশ্বৰ, ধৰ্মগুৰুৱে কৈছে যে শ্ৰীকৃষ্ণই নিজৰ শৰণলৈ আহিবলৈ কৈছে। তেওঁলোকে এনেদৰে কোৱাটো অনুচিত হৈছে। কিয়নো গীতা অধ্যায় নং ২ ৰ শ্লোক নং ৭ত কৈছে- হে কৃষ্ণ, মই (অৰ্জুন) আপোনাৰ শৰণ লৈছোঁ আৰু শিষ্য হৈছো। আমাৰ মঙ্গলৰ বাবে আপুনি ৰায় দিয়ক। গীতা অধ্যায় ৪ ৰ শ্লোক নং ৩ ত কৈছে - হে অৰ্জুন, তুমি মোৰ ভক্ত। ইয়াৰ পৰা প্ৰমাণ হয় অৰ্জুন প্ৰথমৰ পৰাই শ্ৰীকৃষ্ণৰ শৰণত আছিল। গীতা অধ্যায় ১৮ ৰ ৬২ নং শ্লোকৰ ভাৱাৰ্থ হ'ল গীতাৰ জ্ঞান দাতাই নিজৰ পৰা বেলেগ অন্য পৰমেশ্বৰৰ শৰণ লববৈ কৈছে। গতিকে গীতাৰ জ্ঞান দাতাতকৈ আন পৰমেশ্বৰ আছে ।

অন্য প্ৰমাণ ঃ গীতাৰ অধ্যায় ৮ ৰ ১ নং শ্লোকৰ প্ৰশ্নৰ উত্তৰ ৩ নং শ্লোকত দি কৈছে- তেওঁ "পৰম অক্ষৰ ব্ৰহ্ম"। গীতা অধ্যায় ৮ ৰ শ্লোক ৫ আৰু ৭ত গীতা

জ্ঞান দাতাই তেওঁৰ নিজৰ ভক্তি কৰিবলৈ কৈছে। পুনৰ ৮, ৯, ১০ নং শ্লোকত পৰম অক্ষৰ ব্ৰহ্মৰ ভক্তি কৰিবলৈ ৰায় দিছে। অধ্যায় ৪ ৰ শ্লোক নং ৫, অধ্যায় ২ ৰ শ্লোক নং ১২, অধ্যায় ১০ ৰ শ্লোক নং ২ত শ্ৰীকৃষ্ণই নিজৰ স্থিতি স্পষ্ট কৰি কৈছে - মোৰ ভক্তি কৰিলে তুমি জন্ম-মৃত্যুৰ চক্ৰত থাকিবা, আনকি ময়ো থাকিব লাগিব। অধ্যায় ১৫ ৰ শ্লোক নং ১ ত তত্বদৰ্শী সন্তৰ পৰিচয় দি কৈছে যি ব্যক্তিয়ে সংসাৰৰূপী বৃক্ষৰ সকলো অংশক মূলৰ সৈতে তত্বেৰে জানে (সঃ বেদবিদ) তেওঁ বেদৰ তাৎপৰ্য জানে, গতিকে তেওঁ তত্বদৰ্শী সন্ত। পুনৰ অধ্যায় ১৫ ৰ শ্লোক ৪ ত কৈছে তত্বদৰ্শী সন্ত পোৱাৰ পিছত পৰমেশ্বৰৰ সেই পৰম্পদ বিচাৰিব লাগে য'ত যোৱাৰ পিছত সাধক কেতিয়াও সংসাৰলৈ উভতি আহি জন্ম-মৃত্যুৰ চক্ৰত নপৰে। অধ্যায় ১৮ ৰ শ্লোক নং ৬২ ত তাৰ বৰ্ণনা দি কৈছে - হে অৰ্জুন সৰ্বভাৱেৰে সেই পৰমেশ্বৰৰ ওচৰলৈ গৈ শৰণ লোৱা। তেওঁৰ কৃপাত তুমি পৰম পৰম শান্তি আৰু সনাতন পৰম ধাম লাভ কৰিবা। এয়ে পৰম শান্তি, কিয়নো সাধক পুনৰ জন্ম মৃত্যুৰ চক্ৰত নপৰে। সদায় অমৰ লোকত (সনাতন পৰম ধামত) নিবাস কৰিব। এয়া নিষ্কাম মোক্ষ। ইয়াৰ অৰ্থ- সত্যলোক (সনাতন পৰম ধাম) ত কাৰ্য নকৰিলেও সকলো সুবিধা আৰু পদাৰ্থ প্ৰাপ্ত হ'ব, নিজৰ পূণ্য কেতিয়াও শেষ নহয়। তেনেকৈ ব্ৰহ্মা, বিষ্ণু, শিৱ, গণেশ, দুৰ্গা, ব্ৰহ্ম, পৰব্ৰহ্মৰ ভক্তিৰ দ্বাৰাও নিষ্কাম মোক্ষ প্ৰাপ্ত হ য়। এই বিধ নিষ্কাম মোক্ষ কিন্তু ক্ষণস্থায়ী। এই মোক্ষ প্ৰত্যেক দেৱতাৰ লোকত নিৰ্মিত স্বৰ্গ (হোটেল) ত প্ৰাপ্তি হ'ব। তাত কিন্তু নিজ পূণ্যৰ ফলহে পাব। পূণ্য শেষ হোৱাৰ লগে লগে জন্ম-মৃত্যুৰ চক্ৰ আহিব। (" নিস্কাম" মুক্তিৰ বৰ্ণনা গীতা অধ্যায় ৩ ৰ শ্লোক নং ৪ আৰু অধ্যায় ১৮ ৰ শ্লোক নং ৪৯ ত আছে)।

যি সনাতন পৰমধাম আৰু শান্তি লাভৰ বাবে আৰু যি জন পৰমেশ্বৰৰ শৰণলৈ যোৱাৰ বাবে গীতা অধ্যায় ১৮ ৰ শ্লোক ৬২ আৰু অধ্যায় ১৫ ৰ শ্লোক ৪ ত কৈছে সেইজন গীতাজ্ঞান দাতাতকৈ অন্য পূৰ্ণ পৰমাত্মা ।

অধ্যায় ৮ ৰ শ্লোক নং ৫ আৰু ৭ত গীতা জ্ঞান দাতাই নিজৰ ভক্তি কৰিবলৈ কৈছে। এই ভক্তিৰ দ্বাৰা দুয়োৰে জন্ম মৃত্যু হৈ থাকিব। গতিকে পুনৰ অধ্যায় ৮ ৰ শ্লোক নং ৮, ৯, ১০ ত সেই পৰমেশ্বৰৰ ভক্তি কৰিবলৈ কৈছে যাৰ বৰ্ণনা অধ্যায় ১৮ ৰ শ্লোক নং ৬২ আৰু অধ্যায় ১৫ ৰ শ্লোক নং ৪ত আছে। গীতা অধ্যায় ১৫ ৰ শ্লোক ১৬-১৭ ত তিনি পুৰুষৰ কথা আছে-

(১) ক্ষৰ পুৰুষ - এইজন গীতাৰ জ্ঞান দাতা, এওঁক ক্ষৰ ব্ৰহ্মও বোলে, এওঁ মাত্ৰ ২১ ব্ৰহ্মাণ্ডৰ ইশ্বৰ ।

(২) অক্ষৰ পুৰুষ - এওঁক পৰব্ৰহ্মও বোলে, এওঁ ৭ শংখ ব্ৰহ্মাণ্ডৰ ইশ্বৰ।

(৩) পৰম অক্ষৰ পুৰুষ - এওঁ পৰম অক্ষৰ ব্ৰহ্ম, পৰমেশ্বৰ, সত্যপুৰুষ, অবিনাশী পৰমাত্মা, অসংখ্য ব্ৰহ্মাণ্ডৰ স্বামী। গীতা অধ্যায় ৮ ৰ শ্লোক ৮, ৯, ১০, ২০, ২২ ত পৰম অক্ষৰ পুৰুষৰ বৰ্ণনা আছে। অধ্যায় ৮ ৰ শ্লোক নং ১৮ ত অক্ষৰ পুৰুষৰ বিষয়ে বৰ্ণনা আছে ।

মন কৰিবলগীয়া কথা যে এক হাজাৰ যুগ শেষ হ'লে অক্ষৰ পুৰুষৰ এদিন

সমাপ্ত হয়। গীতা অধ্যায় ৮ ৰ শ্লোক নং ১৭ ৰ মূল পাঠত মাত্ৰ সহস্ৰ যুগ লিখা আছে, সহস্ৰ চতুৰ্যুগ লিখা নাই। অক্ষৰ পুৰুষৰ এদিন সমাপ্ত হ'লে ক্ষৰ পুৰুষৰ ক্ষেত্ৰৰ সকলো প্ৰাণী আৰু অক্ষৰ পুৰুষৰ কিছুমান ক্ষেত্ৰৰ প্ৰাণী নষ্ট হয়। ক্ষৰ পুৰুষৰ ২১ ব্ৰহ্মাণ্ডৰ সকলো প্ৰাণী নষ্ট হয়। অক্ষৰ পুৰুষৰ দিনৰ প্ৰাৰম্ভত সকলো জীৱ নিজৰ কৰ্ম অনুসাৰে পুনৰ উৎপন্ন হয় আৰু মৰে। আকৌ অধ্যায় ৮ ৰ শ্লোক নং ২০ত কৈছে কিন্তু এই অব্যক্ত অক্ষৰ পুৰুষৰ (পৰঃ) পৰা অন্য যি সনাতন অব্যক্ত ভাৱ অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম আছে, সেইজন পৰমেশ্বৰ সকলো প্ৰাণী নষ্ট হ'লেও, নষ্ট নহয়। অধ্যায় ৮ ৰ শ্লোক নং ২১ ত কৈছে সেইজনক অবিনাশী অব্যক্ত বোলে, তেওঁকেই পৰমেশ্বৰ কোৱা হয়। সেইধাম প্ৰাপ্তিৰ ফলত পৰম গতি অৰ্থাৎ পৰম শান্তি লাভ কৰি সাধক আকৌ উভতি নাহে, যাৰ বিষয়ে অধ্যায় ১৮ ৰ শ্লোক নং ৬২ আৰু অধ্যায় ১৫ ৰ শ্লোক নং ৪ ত উল্লেখ আছে। গীতা জ্ঞান দাতাই কৈছে যে সেই ধাম তেওঁৰ ধামত কৈ পৰম (শ্ৰেষ্ঠ), গতিকে তাক সনাতন পৰম ধাম বোলে। ( টোকা) অধ্যায় ৮ ৰ শ্লোক নং ২১ ৰ ভুল অনুবাদ কৰি লিখা হৈছে - " গীতা জ্ঞান দাতই কৈছে যে সেইখন মোৰ পৰম ধাম"। প্ৰকৃততে মূল পাঠত লিখা আছে "তত্ ধাম পৰমম্ মম", ইয়াত "মম" শব্দত হলন্ত (মম্) নাই । প্ৰমাণৰ বাবে একেই গীতা অনুবাদক সকলে অধ্যায় ৩ ৰ শ্লোক নং ২৩ ত "মম" ৰ অৰ্থ " মোৰ" কৰিছে। এইদৰে অধ্যায় ৮ ৰ শ্লোক নং ২১ ত "মম" ৰ অৰ্থ "মোৰ ধামতকৈ পৰম (শ্ৰেষ্ঠ) কৰাটো শুদ্ধ হ'ব"। আকৌ অধ্যায় ৮ ৰ শ্লোক নং ২২ ত স্পষ্ট কৰিছে যে "পুৰুষঃ সঃ পৰঃ = (সঃ) সেই (পৰঃ) অন্য (পুৰুষঃ) পৰমেশ্বৰক অনন্য ভক্তিৰ দ্বাৰাহে লাভ কৰিব পাৰি, যি জনে সকলো সংসাৰৰ ৰচনা (উৎপত্তি) কৰিছে, আৰু সকলো প্ৰাণী যিজনৰ অন্তৰ্গত"। অধ্যায় ৮ ৰ শ্লোক ২০ ৰ পৰা ২২লৈ গীতা জ্ঞান দাতাতকৈ অন্য পৰম পুৰুষৰ বৰ্ণনা আছে, গতিকে গীতা জ্ঞান দাতাই সেই ধামক নিজৰ ধাম বুলি কব নোৱাৰে। তেওঁ সেই পৰমেশ্বৰৰ ধামক নিজৰ ধাম অৰ্থাৎ লোকতকৈ পৰম (শ্ৰেষ্ঠ) বুলি কৈছে, এইটোহে শুদ্ধ অৰ্থ)।

বিচাৰ কৰক ঃ গীতা অধ্যায় ৮ ৰ শ্লোক নং ২০ ত "পৰঃ" শব্দৰ অৰ্থ "অন্য" কৰা হৈছে অৰ্থাৎ অব্যক্ততকৈ (পৰঃ) অন্য সনাতন অব্যক্ত ভাৱৰ পৰমেশ্বৰ আছে। এইদৰেই অধ্যায় ৮ ৰ শ্লোক নং ২২ ত কৈছে (সঃ) সেই (পৰঃ) অন্য (পুৰুষঃ) পৰমেশ্বৰ অনন্য ভক্তিৰেহে প্ৰাপ্তিৰ যোগ্য ।

ইয়াৰ অন্য প্ৰমাণঃ- গীতাৰ অধ্যায় ৭ৰ শ্লোক নং ১২-১৫ ত তিনিগুণ (ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তমগুণ শংকৰ) ৰ ভক্তি কৰা সকলক ৰাক্ষস স্বভাৱৰ নীচ, দুষিত কৰ্ম কৰা মূৰ্খ বুলি কৈ গীতা জ্ঞান দাতাই কৈছে যে তেওঁলোকে মোকো (গীতা জ্ঞান দাতাক) ভজনা নকৰে। নিজৰ ভক্তি সম্পৰ্কে অধ্যায় ৭ৰ শ্লোক নং ১৬-১৮ত কৈছে মোৰ ভক্তিৰ পৰা হোৱা গতি অনুত্তম (বেয়া)। অধ্যায় ৭ৰ শ্লোক ১৯ ত কৈছে যে বহু জন্মৰ পাচৰ কোনোবা জন্মত মানুহে মোৰ ভক্তি কৰে অন্যথা অন্য দেৱতাৰ আৰু ভূত-পিশাচৰ পূজাহে কৰি থাকে। কিন্তু এই কথা বুজোৱা সন্ত দুলৰ্ভ যে বাসুদেৱ অৰ্থাৎ সৰ্বোচ্চ সত্তাৰ অধিকাৰী জন পূৰ্ণ

পৰমাত্মা হয়, তেৰেঁই (সৰ্বম) সৰ্বেসৰ্বা অৰ্থাৎ পূজাৰ যোগ্য তেৰেঁই, তেওঁৰ ভক্তিৰেহে পূৰ্ণ মোক্ষ প্ৰাপ্তি হয়। তেওঁ সকলো সৃষ্টিৰ ৰচয়িতা, সকলোৰে ধাৰণ পোষণকাৰী। অধ্যায় ৭ৰ শ্লোক ২৯ ত গীতা জ্ঞান দাতাই কৈছে যি সাধকে মোৰ জ্ঞানৰ আধাৰত তত্বদৰ্শী সন্তৰ পৰা জ্ঞান লাভ কৰি কেৱল জৰা (বৃদ্ধাৱস্থাৰ দুখৰ পৰা) আৰু মৰণ (মৃত্যু দুখৰ পৰা ) ৰ পৰা হাত সাৰিববলৈ ভক্তি কৰি যত্ন কৰে তেওঁ সংসাৰৰ সকলো বস্তুক ক্ষণ-ভঙ্গুৰ জানি তাৰ ইচ্ছা নকৰে, কেৱল মোক্ষ লাভৰ বাবে ভক্তি কৰে। তেওঁলোকে (তত্ ব্ৰহ্ম ) সেই ব্ৰহ্মক (ৱিদু) জানে, কৰ্মৰ লগতো পৰিচিত আৰু সকলো আধ্যাত্মিক জ্ঞানৰ লগত পৰিচিত (গীতা অধ্যায় শ্লোক ২৯ )।

গীতা অধ্যায় ৮ ৰ শ্লোক ১ত অৰ্জুনে প্ৰশ্ন কৰিছে - হে ভগৱান (কিম্ তত্ ব্ৰহ্ম) সেই ব্ৰহ্ম কোন? যাক জানি সাধকে কেৱল মোক্ষহে বিচাৰে। ইয়াৰ উত্তৰ অধ্যায় ৮ ৰ শ্লোক নং ৩ ত দি কৈছে যে তেওঁ পৰম অক্ষৰ ব্ৰহ্ম। গীতা জ্ঞান দাতাই এই পৰম অক্ষৰ ব্ৰহ্মৰ বিষয়ে অধ্যায় ৮ ৰ শ্লোক নং ৮, ৯, ১০, ২০, ২১, ২২ ত কৈছে যে যি জন পৰমেশ্বৰে সম্পূৰ্ণ জগতৰ ৰচনা কৰিছে, যাৰ দ্বাৰা এই জগত ব্যাপ্ত (অৰ্থাৎ যাৰ শক্তিৰ দ্বাৰা সকলো ব্ৰহ্মাণ্ড বৰ্তি আছে) তেওঁ প্ৰকৃততে অবিনাশী পৰমাত্মা যাক নাশ কৰিববলৈ কোনো সমৰ্থ নহয়। অধ্যায় ১৫ ৰ শ্লোক নং ১৭ তো কৈছে যে পুৰুষোত্তম অন্য এজনহে (অধ্যায় ১৫ ৰ শ্লোক ১৬ ত দুজন পুৰুষৰ কথা কৈছে- ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ। উত্তম পুৰুষ এই দুজনৰ পৰা বেলেগ অৰ্থাৎ তেওঁ শ্ৰেষ্ঠ পৰমেশ্বৰ যি তিনিও লোকত প্ৰবেশ কৰি সকলোৰে ধাৰণ পোষণ কৰে - তেওঁক পৰমাত্মা বোলে। তেওঁ প্ৰকৃত অবিনাশী পৰমেশ্বৰ (অধ্যায় ১৫, শ্লোক ১৭) আকৌ অধ্যায় ২ ৰ শ্লোক ৫৯ তো গীতা জ্ঞান দাতাই নিজতকৈ অন্য পৰমেশ্বৰৰ কথা কৈছে। এতিয়া অধ্যায় ২ ৰ শ্লোক ৫৩ ৰ প্ৰসঙ্গলৈ আহোঁ। তাত কোৱা আছে "হে অৰ্জুন যেতিয়া বিভিন্ন প্ৰকাৰৰ ভ্ৰমিত কৰা জ্ঞানৰ কথা শুনি বিচলিত হৈ পৰা তোমাৰ বুদ্ধি পৰমাত্মাত অটল অৰ্থাৎ স্থিৰ হৈ পৰিব, তেতিয়া তুমি যোগক প্ৰাপ্ত হ'বা"। আকৌ অধ্যায় ২ ৰ শ্লোক ৫৯ ত কৈছে - কিছুমান ব্যক্তিয়ে নিৰাহাৰে থাকি (ভোজন ত্যাগ কৰি ) কেৱল ফলাহাৰ বা দুগ্ধাহাৰ কৰে, তেওঁলোকৰ বিষয়-বিকাৰ কিছু সময়ৰ বাবে ক্ষান্ত হয়, কিন্তু সংসাৰৰ বস্তুৰ প্ৰতি থকা আসক্তি ক্ষান্ত নহয়। শাস্ত্ৰ অনুসৰি সাধনা কৰিলে সেই অন্য পৰমেশ্বৰৰ সাক্ষাতকাৰ হয় যাৰ দ্বাৰা বিষয় বিকাৰ তথা আসক্তিও ক্ষান্ত হয়। অধ্যায় ২ ৰ শ্লোক ৫৯ ৰ মূল পাঠত থকা "পৰম" শব্দৰ অৰ্থ "পৰ" অৰ্থাৎ বেলেগ হয়। উদাহৰণস্বৰূপে অধ্যায় ৭ৰ শ্লোক ১৩ ৰ মূল পাঠত এই "পৰম" শব্দ আছে । ইয়াত গীতা জ্ঞান দাতাই কৈছে যে তিনিগুণ (ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু, তমগুণ শিৱ) ৰ ভাৱৰ দ্বাৰা সকলো সংসাৰ মোহিত হৈ আছে, এওঁলোকৰ পৰা বেলেগ মোৰ (গীতা জ্ঞান দাতাৰ) ভজনা নকৰে । ইয়াত "পৰম= পৰ=অন্য অৰ্থাৎ " বেলেগ" অৰ্থ কৰা হৈছে। এই দৰেই অধ্যায় ২ ৰ শ্লোক ৫৯ ত "পৰম"ৰ অৰ্থও 'পৰ'=অন্য অৰ্থাৎ 'বেলেগ' হ'ব কাৰণ অধ্যায় ১১ ৰ শ্লোক ৫৫ আৰু অধ্যায় ১২ ৰ শ্লোক

১ - ৬ লৈ প্ৰমাণ আছে। অধ্যায় ১১ ৰ শ্লোক ৫৫ ত সংকেত কৰিছে যে (মত্ কৰ্ম কৃত)= শাস্ত্ৰানুকুল ভক্তি কৰ্ম মোৰ বাবে কৰি থাকি (মত্ পৰম) মোতকৈ শ্ৰেষ্ঠ পৰমাত্মাৰ বাবে ভক্তি কৰি থাকিও (মত ভক্ত) মোৰ ভক্ত মোক প্ৰাপ্ত হয়। কাৰণ যেতিয়ালৈকে তত্বদৰ্শী সন্ত পোৱা নাযায়, তেতিয়ালৈকে বেদৰ জ্ঞান অনুসৰি "ওঁ" নামৰ জপ পূৰ্ণ পৰমাত্মাৰ হয় বুলি কৰি থাকে ফলত ব্ৰহ্মলোকলৈ গুচি যায়। গতিকে মোৰ ভক্তই মোতকৈ অন্য পূৰ্ণ পৰমাত্মাৰ ভক্তি কৰিলেও মোক প্ৰাপ্ত হ'ব (অধ্যায় ১১ শ্লোক ৫৫)।

আকৌ অধ্যায় ১২ ৰ শ্লোক নং ১ ত অৰ্জুনে স্পষ্টকৈ প্ৰশ্ন কৰিছে যে যি ভক্তই পূৰ্বোক্তি ধৰণে (অধ্যায় ১১ ৰ শ্লোক ৫৫ ত লিখা ধৰণে) (ত্বম) আপোনাক ভজনা কৰে আৰু যি জনে (অব্যক্তম অক্ষৰম) অবিনাশী অব্যক্তক (যাৰ বৰ্ণনা অধ্যায় ৮ ৰ শ্লোক ২০-২২ ত আছে ) ভজনা কৰে এই দুজনৰ ভিতৰত কোনজন ভক্তৰ ভক্তি উত্তম? (গীতা অধ্যায় ১২ শ্লোক ১)

আকৌ অধ্যায় ১২ ৰ শ্লোক ২ ত গীতা জ্ঞান দাতাই কৈছে যে যি জন মোৰ ভক্ত অকল মোৰ ধ্যানত মগ্ন হয়, তেওঁ (যুক্ত তমাঃ মতাঃ)মোৰ মতে প্ৰকৃত সাধক হয়। (গীতা অধ্যায় ১২ শ্লোক ২)

অধ্যায় ১২ ৰ শ্লোক নং ৩ আৰু ৪ ত গীতা জ্ঞান দাতাই কৈছে যে "মোৰো অগোচৰ সেই সৰ্বব্যাপী, সদায় এক ৰসত থকা, স্থায়ী, অচল, অব্যক্ত অৰ্থাৎ পৰোক্ষ অবিনাশী পৰম অক্ষৰ ব্ৰহ্মৰ নিৰন্তৰ উপাসনা কৰা সাধক আৰু সকলো প্ৰাণীৰ মঙ্গল কামনা কৰা সাধক লগতে সকলোতে সমভাৱাপন্ন সাধক মোক প্ৰাপ্ত হয়"। ভাৱাৰ্থ এই যে সচ্চিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ জ্ঞান গীতা জ্ঞান দাতাৰ নাই, তত্বদৰ্শী সন্তইহে তেওঁৰ জ্ঞান জানে। তত্বদৰ্শী সন্ত নোপোৱাত ব্ৰহ্মৰ ওঁ (ওম) নামক পৰম অক্ষৰ ব্ৰহ্মৰ নাম (মন্ত্ৰ) জপ বুলি ভাবি ভকতে সাধনা কৰে, ফলত কালৰ জালত বন্দী হয়। সেই কাৰণে কৈছে সেই সাধক মোক প্ৰাপ্ত হয়। পৰমেশ্বৰ কবীৰদেৱে "সোহং" মন্ত্ৰ আৱিস্কাৰ কৰি সাধকক কৈছিল। কিন্তু সাৰনাম হ'লে গোপনে ৰাখিছিল। সুক্ষ্মবেদত লিখা আছে -

*সোহং শব্দ হম জগ মে লাএ ।*
*সাৰ শব্দ হম গুপ্ত ছিপাএ ।।*
*সোহং ঊপৰ ঔৰ সত সুকৃত এক নাম।*
*সব হংসো কা বাস হৈ, নহী বস্তি নহী ঠাম ।।*
*সতগুৰু সোহং নাম দে, গুঝ বিৰজ বিস্তাৰ ।*
*বিম সোহং সীঝৈ নহী, মূল মন্ত্ৰ নিজ সাৰ ।।*

সাধকে কৰা 'সোহং' নামৰ জপ পৰব্ৰহ্মৰ (অক্ষৰ পুৰুষৰ যাৰ প্ৰমাণ গীতা অধ্যায় ১৫ ৰ শ্লোক ১৬ ত আছে ) হয়। সাৰনাম নোপোৱালৈকে 'সোহং' আৰু 'ওঁ' পূৰ্ণ মোক্ষদায়ক নহয়। "ওঁ" ৰ জপ ব্ৰহ্ম (গীতা জ্ঞান দাতা ) ৰ হয়। ব্ৰহ্মৰ "ওঁ" জপৰ দ্বাৰা ব্ৰহ্মলোকত থকা মহা ইন্দ্ৰৰ লোক প্ৰাপ্ত হয় আৰু "সোহং" নামৰ জপৰ পুণ্যৰ ফলত ব্ৰহ্মলোকত নিৰ্মিত নকলী সত্যলোক প্ৰাপ্ত হয় । সাধনা কৰা সময়ত সাধকে সকলো প্ৰাণীৰ মঙ্গল কামনা কৰে।

*সৰ্বে ভৱন্তু সুখিনঃ, সৰ্বে সন্তু নিৰাময়াঃ।*
*সৰ্বে ভদ্ৰাণি পশ্যন্তু,মা কশ্চিত্ দুঃখ ভাগ ভবেত্ ।।*

ভাৱাৰ্থঃ "সকলো সুখী হওক , সকলোৱে আৰোগ্য লাভ কৰক অৰ্থাৎ স্বাস্থ্যৱান হওক, সকলোৰে মঙ্গল হওক কোনো ধৰণৰ দুঃখ নহওক" । এনেকৈ মঙ্গল কামনাৰ মন্ত্ৰেৰে সাধকে আৰ্শীবাদ দিয়ে, প্ৰাৰ্থনা কৰে। এনেদৰে আনক আৰ্শীবাদ দিওঁতে সাধকৰ ভক্তি ধন শেষ হৈ যায়। তত্ত্বদৰ্শী সন্তৰ অনুগামীসকলে এনে ভুল কেতিয়াও নকৰে। সেই কাৰণে কৈছে যে সেই পৰম অক্ষৰ ব্ৰহ্মৰ সাধকো মোক প্ৰাপ্ত হয় কাৰণ ভক্তি কৰি উৰ্পাজন কৰা ধন (পুণ্য ফল) আৰ্শীবাদ দিয়াত আৰু মঙ্গল কামনা কৰাত শেষ কৰিলে, কিছু ভক্তি ধন মহাস্বৰ্গত (ব্ৰহ্মলোক) খাই-বৈ শেষ কৰিলে, তাৰ পাচত জন্ম-মৃত্যু আৰু ৮৪ লাখ প্ৰকাৰৰ প্ৰাণীৰ যোনীত পতিত হয়।

ৰজা জনকৰ জীৱনৰ দৃষ্টান্ত ঃ

ত্ৰেতাযুগত জনক নামেৰে ধাৰ্মিক ৰজা আছিল। তেওঁৰ জীয়েক সীতা ত্ৰিলোকীনাথ শ্ৰীবিষ্ণু ওৰফে শ্ৰীৰাম চন্দ্ৰ (শ্ৰীদশৰথৰ পুত্ৰ)ৰ পত্নী আছিল। জনক ৰজাৰ আত্মা সত্যযুগত শ্ৰীবিষ্ণুদেৱৰ পৰম ভক্ত অম্বৰীষ ৰজা আছিল। ৰজা অম্বৰীযে বেদ অনুসৰি "ওঁ" নামৰ জপ কৰি ব্ৰহ্ম সাধনা কৰিছিল। তাৰফলত লাখ-লাখ বছৰ ধৰি শ্ৰীবিষ্ণুদেৱৰ লোকত নিৰ্মিত স্বৰ্গত নিজৰ ভক্তিৰ সুখ ভোগ কৰিলে । পাচত ত্ৰেতাযুগত ধাৰ্মিক ৰজা জনকৰূপে জন্ম ললে আৰু গোটেই জীৱন বহুতো যজ্ঞ (ধাৰ্মিক অনুষ্ঠান) কৰিলে, শ্ৰীবিষ্ণুদেৱৰ ভক্তি আৰু ব্ৰহ্ম সাধনা কৰিলে, যেতিয়া সংসাৰ ত্যাগ কৰি যাবলৈ ওলাল তেতিয়া স্বৰ্গৰ পৰা এটা বিমান অহাত জনক ৰজা তাত বহি উৰা মাৰিলে। আকাশ মাৰ্গেৰে গৈ থাকোঁতে এটা নৰকত ১২ কোটি জীৱই নিজৰ পাপ কৰ্ম দণ্ড ভোগ কৰাৰ হাহাকাৰ পৰিস্থিতি দেখিলে। ৰজা জনকে বিমান ৰখাই দেৱদূতৰ পৰা জানিব বিচাৰিলে যে সেইটো কোন দুঃখীৰ আৰ্তনাদ আছিল। দেৱদূতে ক'লে যে নৰকত প্ৰাণীয়ে নিজৰ পাপ কৰ্মৰ শাস্তি ভোগ কৰি আছে। জনক ৰজাই ক'লে যে তেওঁ সেই দৃশ্য চাব নোৱাৰে, পাপী প্ৰাণীবোৰক নৰকৰ পৰা ওলাব লাগে। দেৱদূতে ক'লে যে তাত জনক ৰজাৰ হুকুম নচলে, যমৰজাৰ হুকুম হে চলে। ৰজা জনকে হয় ইহঁতক এৰি দিয়া নহয় মোকো নৰকত পেলাই দিয়া বুলি কোৱাত দেৱদূতে ক'লে যে এই কথাৰ সমাধান যমৰজাই হে কৰিব পাৰিব। ৰজা জনকে যমৰজাৰ লগত কথা পাতিব খোজা মাত্ৰকে যমৰজা আহি গোটেই বিষয়ৰ বুজ লৈ ক'লে যে মই আপোনাক নৰকত পেলাবও নোৱাৰোঁ। অথবা এই ১২ কোটি জীৱক নৰকৰ পৰা ওলাবও নোৱাৰোঁ। অৱেশ্য এটা উপায় আছে, আপুনি নিজৰ কিছু ভক্তি ধন (পূণ্য আৰু মন্ত্ৰ জপৰ ভক্তি ধন) এই জীৱ বোৰক দান কৰক। তেতিয়া ইহঁতক আপোনাৰ লগতে স্বৰ্গলৈ পঠাম। জনক ৰজাই দয়া পৰৱশ হৈ নিজৰ ভক্তি ধনৰ আধা অংশ সেই ১২ কোটি জীৱক দিলে। সেই ১২ কোটি আত্মা জনক ৰজাৰ দ্বাৰা দিয়া পুণ্যৰ আধাৰত স্বৰ্গ লৈ গ'ল আৰু

ৰজা জনকেও স্বৰ্গত (বিষ্ণু লোকৰ স্বৰ্গত আৰু ব্ৰহ্মলোকৰ মহা স্বৰ্গত) নিবাস কৰি নিজৰ পুণ্য ভোগ কৰিলে যাৰ ফলত তেওঁৰ ভক্তিধন সমাপ্ত হৈ গ'ল।

সাৰ্মমঃ জনক ৰজাই দান কৰা নিজৰ পুণ্যৰ আধা অংশ যমৰজাই ১২ কোটি জীৱৰ মাজত সমানে ভগাই দিলে। সেই পুণ্য শেষ নোহোৱালৈ স্বৰ্গত বাস কৰাৰ পাচত সেই জীৱবোৰক পুনৰ আগৰ নৰকত পেলোৱা হ'ল। সিহঁতে বাকী থকা পাপ কৰ্ম ভোগ কৰিবলৈ ধৰিলে । ৰজা জনক বেয়াকৈ প্ৰতাৰিত হ'ল। তেওঁ আধা পুণ্যদান দি শেষ কৰিলে আৰু আধা পুণ্য স্বৰ্গ সুখ ভোগ কৰি শেষ কৰিলে আৰু পুণ্যহীন হোৱাত আকৌ জন্ম মৃত্যুৰ পাক চক্ৰত সোমাল। সেই জনক ৰজাৰ জীৱ কলিযুগত শিখ ধৰ্মগুৰু শ্ৰী নানক দেৱ হ'ল। পূৰ্ণ পৰমাত্মাই এজন জিন্দা সাধুৰ বেশত আহি চুলতানপুৰ চহৰত বেঁই নদীৰ ঘাটত শ্ৰীনানক দেৱক লগ ধৰি সেই সনাতন পৰম ধাম (সত্যলোক=সচচখণ্ড)তলৈ গ'ল আৰু তিনি দিন পাছত সেই বেঁই নদীৰ ঘাটত এৰি দিলে। সকলো তত্বজ্ঞান বুজালে, তেওঁৰ পূৰ্ব জন্মৰ বহুতো ভাল জীৱন দেখুৱালে। তেওঁক সত্যনাম (এইটো দুটা অক্ষৰৰ মন্ত্ৰ এটা 'ওঁ' আৰু আনটো 'গুপ্ত', কেৱল দীক্ষাপ্ৰাপ্ত ভকতকহে কোৱা হয়)ৰ দীক্ষা দিলে। তেতিয়াহে শ্ৰীনানক দেৱৰ পূৰ্ণ মোক্ষ হ'ল। যদি পৰমাত্মাই সন্তবেশত আহি তত্বজ্ঞান নিদিয়া হ'লে শ্ৰীনানক দেৱৰ জীৱৰ জন্ম মৃত্যুৰ চক্ৰ কেতিয়াও সমাপ্ত নহ'লেহেঁতেন। সেই সত্য সাধনা মোৰ লগত (সন্ত ৰামপালদেৱৰ লগত) আছে। আলোচনাৰ বিষয় এই যে ভাৱ প্ৰৱণ হৈ আশীৰ্বাদ দি নিজৰ ভক্তি ধন কেতিয়াও নষ্ট কৰিব নালাগে। কোনো বুদ্ধিমান ধনী ব্যক্তিয়ে নিজৰ টকা আনক এনেয়ে বিলাই থকা আপুনি নিশ্চয় দেখা নাই। যদি কাৰোবাক সহায় কৰিব বিচাৰে তেওঁক উপাৰ্জনৰ পথ দেখুৱাই দিয়ক যাতে তেওঁ নিজৰ চেষ্টাৰ ফলত ধনী হ'ব পাৰে। এনেদৰে আনক সহায় কৰিব বিচৰা ভকতসকলে তেওঁক পূৰ্ণ গুৰুৰ দ্বাৰা দীক্ষিত কৰাই ভক্তি ধন উপাৰ্জনৰ প্ৰেৰণা দিব লাগে ।

গীতা অধ্যায় ১২ শ্লোক ৫ ত কৈছে যে যাৰ আস্থা সচিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মত আছে আৰু যি কেৱল তেওঁক জানে, তেওঁলোকৰ বেছিভাগেই সন্দেহৰ বাবে জ্ঞানৰ দন্দত পৰে। সেইকাৰণে এনে মানৱ শৰীৰধাৰী প্ৰাণীৰ কষ্টেৰে ভৰা গতি হয়। ভাৱাৰ্থ হ'ল তত্বদৰ্শী সন্ত নোপোৱাৰ বাবে কবীৰ পন্থী (ঘিচাদাস পন্থী, গৰীবদাস পন্থী, দাদু পন্থী, নেকীৰাম পন্থী) সকলেও কঠিন তপস্যা কৰে, ব্ৰত, মৌনব্ৰত, অন্য কঠিন সাধনা ইত্যাদি। সেইকাৰণে কৈছে যে সেই পূৰ্ণ পৰমাত্মাৰ সাধনা শংকাযুক্ত আৰু কষ্টেৰেহে প্ৰাপ্ত হোৱাৰ যোগ্য। প্ৰকৃততে শাস্ত্ৰানুকুল সকলোবোৰ সাধনা বহুত সহজ সৰল।

প্ৰমাণঃ যজুবেদ অধ্যায় ৪০ মন্ত্ৰ ১৫ত ব্ৰহ্ম সাধনাৰ বাবে কৈছে যে-

*বায়ুঃ অনিলম্ অমৃতম্ অথ ইদম্ ভস্মান্তম্ শৰীৰম্।*
*ওম কৃতম স্মৰ্ কিলবে স্মৰ, কৃতুঃ স্মৰ।।*

ভাৱাৰ্থঃ ব্ৰহ্ম সাধনাৰ মন্ত্ৰ হ'ল ওঁ । ইয়াৰ দ্বাৰা পাব লগা অমৃতম অৰ্থাৎ মোক্ষ প্ৰাপ্তিৰ বাবে "ওঁ" নামৰ জপ (বায়ুঃ অনিলম) শ্বাস-প্ৰশ্বাসৰ দ্বাৰা সম্পূৰ্ণ

একাগ্ৰতাৰে মৃত্যুলৈকে (কৃতম) দৈনন্দিন কামৰ মাজতে (স্মৰ) স্মৰণ কৰা (কিলবে স্মৰ) সম্পূৰ্ণ নিষ্ঠাৰে অৰ্থাৎ উৎসুকতাৰে বিলাপ কৰি স্মৰণ কৰা ( কৃতুঃ স্মৰ) মানৱ জীৱনৰ মূল কৰ্তব্য বুলি স্মৰণ কৰা (যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ -১৫)

আকৌ যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১৭ত বেদ জ্ঞান দাতাই (গীতা জ্ঞান দাতাও এইজনেই ) কৈছে যে সেই পূৰ্ণ পৰমাত্মা ওপৰৰ লোকত পৰোক্ষ অৰ্থাৎ অব্যক্ত আছে। (অহম্ খম্ ব্ৰহ্ম ওম্ ) মই ব্ৰহ্ম হওঁ, দিব্য আকাশৰূপী ব্ৰহ্মলোকত থাকোঁ, মোৰ নাম ওঁ। যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১০ ত বেদ জ্ঞান দাতাই কৈছে যে কিছুমানে পৰমাত্মাক (সম্ভৱাত) উৎপন্ন হোৱা সাকাৰ বুলি মানে, কিছুমানে (অসম্ভৱাত) উৎপন্ন নোহোৱা অৰ্থাৎ নিৰাকাৰ বুলি মানে।সেই পৰমাত্মা উৎপন্ন হয় নে নহয় অথবা তেওঁৰ অস্তিত্ব কেনেকুৱা এই জ্ঞান (ধীৰানাম) তত্বদৰ্শী সন্তই কৈ দিব, তেওঁৰ পৰা (শ্ৰুণুঃ) শুনা ( যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১০)। এইপ্ৰমাণ গীতা অধ্যায় ৪ শ্লোক ৩৪ ত আছে যে পৰমাত্মা সম্পৰ্কে সম্পূৰ্ণ জ্ঞান তত্বদৰ্শী সন্তই কয়। তেওঁক বিচাৰি লৈ, অকপটৰূপে, দণ্ডৱত প্ৰণাম কৰি বিনম্ৰভাৱে প্ৰশ্ন কৰিলে সেই তত্বদৰ্শী সন্তই তোমাক তত্ব জ্ঞানৰ উপদেশ দিব । সূক্ষ্ম বেদতো কোৱা আছে-

নাম উঠত নাম বৈঠত,নাম সোৱত জাগ ৰে ।
নামখাতে নাম পীতে, নাম সেতী লাগ ৰে।

ভাৱাৰ্থ ঃ পৰমাত্মাৰ সাধনা কেৱল নাম জপেৰে হয়, সেই নামৰ জপ কাম কৰি থাকোঁতে, শোৱাৰ আগতে, পুৱা শুই উঠিয়ে, খাওঁতে অৰ্থাৎ সকলো কাম কৰি থকাৰ মাজতে স্মৰণ কৰিবা। মূল কথা হ'ল হঠযোগ নকৰি কৰ্মযোগেৰে সাধনা কৰিবা।

## গীতাত দুই প্ৰকাৰৰ জ্ঞান আছে

গীতাৰ যি খিনি জ্ঞান চাৰিবেদ (ঋকবেদ যজুৰ্বেদ,সামবেদ,অথৰ্ববেদ) আৰু সচিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ সত্য পুৰুযে নিজ মুখ পদ্মৰ পৰা কোৱা তত্ব জ্ঞান অৰ্থাৎ সূক্ষ্মবেদৰ লগত নিমিলে, তাক স্বীকাৰ কৰিব নোৱাৰি। গীতা জ্ঞান দাতাই কেইবাটাও শ্লোকত (অধ্যায় ১৩, শ্লোক২, অধ্যায় ৭ শ্লোক ১৮, অধ্যায় ৬, শ্লোক ৩৬, অধ্যায় ৩, শ্লোক ৩১ আৰু অধ্যায় ১৮, শ্লোক ৭০ ত ) কৈছে যে এইটো মোৰ মত, মোৰ বিচাৰ হয়। শ্ৰীমদ ভাগৱত গীতাত ৯৫ শতাংশ বেদ জ্ঞান আছে, ৫ শতাংশ গীতা জ্ঞান দাতাৰ নিজৰ মত আছে । যদি সেয়া বেদৰ লগত মিলে তেন্তে শুদ্ধ নহ'লে ব্যৰ্থ হয়। উদাহৰণ স্বৰূপে গীতা অধ্যায় ২, শ্লোক ৩৭-৩৮ যথেষ্ট। এই দুটা শ্লোক এটা আনটোৰ বিৰোধী। অধ্যায় ২, শ্লোক ৩৭ ত যুদ্ধৰ লাভ-হানি সম্পৰ্কে কৈছে যে মৰিলে স্বৰ্গ প্ৰাপ্তি হ'ব আৰু জিকিলে পৃথিৱীত ৰাজসুখ ভোগ কৰিব। গতিকে অৰ্জুনক যুদ্ধৰ বাবে সাজু হ'বলৈ কৈছে। আকৌ অধ্যায় ২ ৰ শ্লোক ৩৮ ত ইয়াৰ বিপৰীতে কৈছে যে জয় পৰাজয়, অৰ্থাৎ লাভ-হানি, সুখ-দুখঃক সমান মানি লৈ যুদ্ধৰ বাবে সাজু হোৱা। এনেদৰে যুদ্ধ কৰিলে তোমাক পাপে নুচুব।

গীতা অধ্যায় ১১ শ্লোক ৩৩ তো স্পষ্ট কৰিছে যে “তুমি উঠা, যশ লাভ কৰা। শত্ৰুক পৰাজিত কৰি নদন-বদন ৰাজ্য ভোগ কৰা তোমাৰ সন্মুখৰ যোদ্ধা সকলক মই আগতেই মাৰিছোঁ, তুমি মাত্ৰ সিহঁতৰ মৃত্যুৰ কাৰণ হোৱা।”

## পাণ্ডুৱে কৰা যজ্ঞ

মহা ভাৰতত উল্লেখ আছে যে কুৰুক্ষেত্ৰৰ যুদ্ধত কোটি -কোটি সৈনিকৰ মৃত্যু হোৱাত তেওঁলোকৰ পত্নীসকল বিধৱা হ'ল আৰু সন্তান মাউৰা হ'ল। যুদ্ধত পাণ্ডৱ জয়ী হয়, কৌৰৱৰ সৰ্বনাশ হ'ল। দিল্লী (ইন্দ্ৰপ্ৰস্থ) ৰ সিংহাসনত যুধিষ্ঠিৰক বহুৱাই শ্ৰীকৃষ্ণ "দ্বাৰকা" লৈ গুচি গ'ল। যুধিষ্ঠিৰে ভয়াবহ সপোন দেখিব ধৰিলে। মূৰ কটা ব্যক্তি ৰাজমহলত সোমোৱা দেখিলে, অগণন শিশুৱে কাতৰ স্বৰত 'দেউতা' 'দেউতা' বুলি চিঞৰা শুনিব ধৰিলে, কোটি-কোটি সৈনিকৰ বিধৱাই 'হায় স্বামী' 'হায় স্বামী' বুলি ইনাই বিনাই নিজৰ মূৰৰ চুলি হাতেৰে আঁচোৰা সপোন দেখিলে। এই ইননি-বিননিয়ে যেন কৈ আছিল ৰাজমহলৰ সুখভোগ কৰিবলৈ তেওঁলোকৰ শিৰৰ সেঁন্দুৰ মচা সকলে তেওঁলোকক সন্তানেৰে সৈতে হত্যা কৰি নিজৰ নিজৰ ঐশ্বৰ্যৰ লালসা সৰ্ম্পূণ কৰক আৰু প্ৰশ্ন কৰিছিল তেওঁলোকে কিমান দিন সেই সিংহাসন ভোগ কৰিব? এদিনাখন পুৱাই ৰজা যুধিষ্ঠিৰ গা ধুবলৈ গংগা নদীৰ ঘাটত গ'ল। কেইবা হাজাৰ মহিলাও বিধৱা হোৱাৰ পাচত ভঙা নিজৰ খাৰু নদীত উটুৱাবলৈ সেই ঘাটত গৈছিল, কিছুমানে হুৰাওৱাৰে আৰু কিছুমানে ফেঁকুৰি কান্দি আছিল, কিছু মূৰ ঘূৰাই ঢলিব ধৰিছিল, তেওঁলোকৰ ল'ৰা-ছোৱালী সেই বিধৱা মাৰ ওপৰত পৰি কান্দি আছিল। কিছুমান বৃদ্ধাক দুজনীকৈ মহিলাই হাতত ধৰি লৈ গৈছিল আৰু কান্দি আছিল। এই বিকট দৃশ্য দেখি যুধিষ্ঠিৰ স্নান নকৰাকৈ উভতি গ'ল। দিনৰ দিনটো সেই দৃশ্য চকুৰ আগত পৰিল, খোৱা বোৱাও নকৰিলে, ৰাতি বিছনাতো সেই দৃশ্য চকুৰ সন্মুখত ভাহি উঠিল। যেনে তেনে শুলে, কিন্তু আকৌ ভয়নাক সপোন দেখিবলৈ ধৰিলে। ৰজা যুধিষ্ঠিৰ ক্ৰমান্বয়ে খাব শুব নোৱাৰা হ'ল, নামত হে পাতত বহিছিল। কান্দিবও নোৱাৰে কাৰণ তেওঁ ৰজা। চলচলীয়া চকুৰে ভয়ে ভয়ে দিন পাৰ কৰিব ধৰিলে। দ্ৰোপদীয়ে জেষ্ঠ্য পতিৰ এই দশা লক্ষ্য কৰি আছিল, কাৰণো সুধিছিল। কিন্তু যুধিষ্ঠিৰে একো হোৱা নাই বুলিহে উত্তৰ দিছিল। সন্তোষজনক উত্তৰ নোপোৱাত আৰু যুধিষ্ঠিৰৰ অৱস্থা দিনক দিনে বেয়ালৈ ঢাল খোৱাত দ্ৰোপদীয়ে অন্য পাণ্ডৱক বিষয়টো জনাবলৈ বাধ্য হ'ল। চাৰি পাণ্ডৱ (ভীম, অৰ্জ্জুন, নকুল, সহদেৱ) যুধিষ্ঠিৰৰ ওচৰত গৈ নম্ৰভাৱে কষ্টৰ কাৰণ সুধিলে, কিন্তু যুধিষ্ঠিৰে একো নকলে। সচৰাচৰ ডাঙৰ ককাই জীৱিত থাকোঁতে সৰুবোৰে চিন্তা কৰাৰ প্ৰয়োজন নহয়। কিন্তু অৰ্জুনে যুধিষ্ঠিৰক ক'লে যে তেওঁলোক সৰু হৈ থকা নাই । নিজৰ ককাইৰ দুঃখ কষ্ট ভগাই লব পৰা হৈছে। আকৌ দুখেৰে ক'লে যে যুধিষ্ঠিৰে তেওঁলোকক নিজৰ ভাই বুলি নাভাৱে নেকি? এই কথাত যুধিষ্ঠিৰৰ চকুলো বৈ পৰিল, চাৰিওজনক সাবট মাৰি ধৰি অৰ্জুনৰ মুখত হাত থৈ তেনে কথা নক'বলৈ ক'লে। যুধিষ্ঠিৰে ক'লে যে তেওঁলোক তেওঁৰ হিয়াৰ টুকুৰা, অকল ভাই নহয়, আচলতে তেওঁৰ উত্তৰাধিকাৰীহে, তেওঁলোকৰ পৰা লুকুৱাবলৈ একো কথা নাই। সহদেৱে অশ্ৰুসিক্ত নয়নেৰে ক'লে যে যুধিষ্ঠিৰ ৰজা হৈ অবিশ্বাসী আৰু প্ৰতাৰক হ'ল। তেওঁ নিশ্চয় কোনো ছল চাতুৰী আৰু খেলি মেলি কৰি আছে। চাৰি ভাইৰ শপত

খাই সত্য কথা ক'বলৈ তেওঁ যুধিষ্ঠিৰক অনুৰোধ কৰিলে, অন্যথা তেওঁলোকেও খোৱা বোৱা এৰিব বুলি ক'লে। কনিষ্ঠজনৰ এনে স্নেহসনা দোষাৰোপে যুধিষ্ঠিৰক নিজৰ দুখ প্ৰকাশ কৰিবলৈ বাধ্য কৰিলে।

শ্ৰীকৃষ্ণ পাণ্ডৱৰ গুৰু আছিল। (প্ৰমাণঃ গীতা অধ্যায় ২ শ্লোক ৭ আৰু অধ্যায় ৪ শ্লোক ৩) গতিকে পঞ্চ পাণ্ডৱ দ্বাৰকালৈ গৈ যুধিষ্ঠিৰৰ এই কষ্টৰ কথা শ্ৰীকৃষ্ণক অৱগত কৰাই তাৰ কাৰণ আৰু সমাধান জানিব বিচাৰিলে। শ্ৰী কৃষ্ণই ভাৰি চিন্তি ক'লে যে যুধিষ্ঠিৰৰ গাত বেয়া আত্মাই লম্ভিছে আৰু যুদ্ধত আত্মীয় স্বজনক হত্যা কৰাৰ পাপে চুইচে। সমাধান হিচাবে শ্ৰীকৃষ্ণই এটা অশ্বমেধ যজ্ঞ কৰাৰ পৰামৰ্শ দিলে। সমগ্ৰ পৃথিৱীৰ সাধু সন্ত ,ঋষি-মহৰ্ষি ব্ৰাহ্মণ, আত্মীয় স্বজন আৰু স্বৰ্গৰ সকলো দেৱতাক সেই যজ্ঞলৈ মাতি ভোজ খুৱাবলৈ ক'লে। এটা পঞ্চায়ণ (পঞ্চানন) অৰ্থাৎ পঞ্চমুখী শঙ্খ মেজত সুসজ্জিত কৰি ৰাখিবলৈ ক'লে। উপস্থিত সকলো আলহীয়ে ভোজন গ্ৰহণ কৰাৰ পাচত সেই শঙ্খ আপোনা আপুনি বাজিব আৰু পাণ্ডৱৰ দুঃখ কষ্টৰ ওৰ পৰিব। যদিহে শঙ্খ নাবাজে তেতিয়া যজ্ঞ সম্পূৰ্ণ নহ'ব আৰু সংকট চলি থাকিব। এই কথা শুনি অৰ্জুন হতভম্ব হ'ল, তেওঁৰ মূৰ ঘূৰালে। অৰ্জুনে ভাবিলে যুদ্ধৰ আৰম্ভণিত তেওঁ মানা কৰা সত্বেও ভগৱানে বাৰে বাৰে যুদ্ধৰ বাবে প্ৰেৰণা দিছিল, কৈছিল যে তোমাক পাপে নুচুব, তুমি মাত্ৰ যুদ্ধৰ কাৰণ হ'বা। জয়-পৰাজয় দুয়োফালে তোমাৰ লাভ হ'ব। এতিয়া কৈছে যুদ্ধত নৰ সংহাৰ কৰাৰ বাবে সংকট লম্ভিছে। সংকট সমাধানৰ বাবে দিয়া উপায়ৰ বাবে কোটিৰো বেছি টকা খৰছ হ'ব। অৰ্জুনে শ্ৰীকৃষ্ণক সুধিব বিচাৰিছিল যে তেওঁৰ বৰ্ত্তমানৰ কথা আৰু যুদ্ধৰ সময়ৰ কথাৰ মাজত ইমান পাৰ্থক্য কিয়। কিন্তু অৰ্জুনে মুখ খুলিব নোৱাৰিলে, মনৰ কথা মনতে ৰ'ল, কাৰণ সংকট মোচনৰ বাবে কৰিবলগীয়া যুদ্ধৰ খৰছ দেখি অৰ্জুনে মোৰ চিকিৎসা কৰিব বিচৰা নাই বুলি যুধিষ্ঠিৰে ভাবিলে সৰ্বনাশ হ'ব, তেনেস্থলত যুধিষ্ঠিৰ মৰিবলৈ ওলাব কিন্তু চিকিৎসা নকৰাব। গতিকে অৰ্জুনে দিন বাৰ স্থান সুধিলৈ যজ্ঞৰ যো-জা চলালে। সেই যজ্ঞলৈ ৩৩ কোটি দেৱতা, ৮৮ হাজাৰ ঋষি, ১২ কোটি ব্ৰাহ্মণ, ৫৬ কোটি যাদৱ (অৰ্জুনৰ শহুৰৰ গাঁৱৰ দ্বাৰকাবাসী), ৯ নাথ, ৮৪ সিদ্ধ মহাত্মা, অন্য বহুতো সাধাৰণ জনতাও আহিল আৰু শ্ৰীকৃষ্ণ সহিতে সকলোৰে ভোজন কৰিলে, কিন্তু শঙ্খ নাবাজিল। সুদৰ্শন (সুপচ) সাধুক মাতি আনি ভোজন কৰোৱাতহে শঙ্খ বাজিল আৰু যজ্ঞ সৰ্ম্পূন হ'ল। প্ৰত্যেক যুগতে লীলা কৰিবলৈ অহা পৰমাত্মা কৰুণাময় নাম লৈ তত্বদৰ্শী সন্তৰ বেশত আহিছিল। সুৰ্দশন তেওঁৰেই শিষ্য আছিল আৰু সত্যনাম (সত নাম, দুটা আখৰে গঠিত ওঁ আৰু তত্) ৰ ভক্তি কৰিছিল। তেওঁৰ উপস্থিতিত হে পাণ্ডৱৰ যজ্ঞ সফল হৈছিল আৰু তিনি তাপ (কষ্ট)ৰ বাবে হোৱা পাণ্ডৱৰ সংকটৰো ওৰ পৰিছিল। শ্ৰীকৃষ্ণই বা অন্য মহানুভৱ সকলে ভোজন কৰাত যজ্ঞ সফল হোৱা নাছিল। শ্ৰী সুদৰ্শনদেৱে সেই পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ পূৰ্ণ পৰমেশ্বৰৰ ভক্তি কৰিছিল। সুক্ষ্ম বেদত আছে-

*"তুম কৌন ৰাম কা জপতে জাপম ।
তাতে কটে না তুমহাৰে তিনো তাপম।।"*

ভাৱাৰ্থঃ আপুনি কোনজন ৰামৰ ভক্তিৰ জপ কৰে যাৰ দ্বাৰা আপোনাৰ তিনি তাপ সমাপ্ত নহ'ল, মোক্ষ লাভ কৰাটো বহু দূৰৰ কথা। তাৰ বাবে (তিনি তাপ দূৰ কৰি মোক্ষ লাভৰ বাবে) মোৰ (সন্ত ৰামপালৰ) লগত সেই সাধনা আছে, দুটা আখৰৰ সত্যনাম আছে। আহক, দীক্ষা লৈ নিজৰ কল্যাণ কৰক।

এতিয়া আগৰ প্ৰসঙ্গ লৈ আহোঁ যে গীতাত দুই ধৰণৰ জ্ঞান আছে অৰ্থাৎ পৰস্পৰ বিৰোধী জ্ঞান আছে। প্ৰথমতে গীতা জ্ঞান দাতাই যুদ্ধ কৰাবৰ বাবে ছলে বলে কৌশলে চেষ্টা কৰিছে-এই জ্ঞানৰাজি বেদ বিৰুদ্ধ হোৱা বাবে আৰু সত্য নোহোৱাৰ বাবে স্বীকাৰ কৰিব নোৱাৰি, এইয়া তেওঁৰ ব্যক্তিগত মত। এই বাবে অধ্যায় ১২ শ্লোক ৫ ত কৈছে যে সেই সচিদানন্দ ঘন ব্ৰহ্মৰ ভক্তি ক্লেশ আৰু কষ্টেৰেহে সম্ভৱ হয়। কিন্তু বেদত লিখা আছে যে তত্বদৰ্শী সন্ত পোৱাৰ পিছত সেই পৰমেশ্বৰ (পূৰ্ণ ব্ৰহ্ম)ৰ ভক্তি দৈনন্দিন কাম কাজৰ মাজতে নাম জপ সাধনা কৰি কৰা হয়, ই অতি সৰল প্ৰক্ৰিয়া। ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে গীতা জ্ঞান দাতাৰ মত যদি চাৰিবেদ (ঋকবেদ, যৰ্জুবেদ, সামবেদ, অথৰ্ব বেদ) ৰ লগত নিমিলে, সেয়া ব্যৰ্থ, গীতা জ্ঞান দাতাৰ ব্যক্তিগত মত। গতিকে আমি গ্ৰহণ কৰিব নোৱাৰোঁ, মানি চলিব নোৱাৰোঁ।

অন্য প্ৰমাণঃ অধ্যায় ১২ ৰ শ্লোক ৮ ৰ পৰা ১৯ লৈকে গীতা জ্ঞান দাতাই ব্যক্তিগত মত দিছে। অধ্যায়ৰ ১২ ৰ শ্লোক ৮ ত কৈছে মোৰ ভাৱত বিভোৰ হ'বা, মোক পাবলৈ বুদ্ধি প্ৰয়োগ কৰা, তেতিয়া মোক প্ৰাপ্ত হবা। এইদৰে (ঊৰ্দ্ধম) ওপৰত থকা অব্যক্তৰ ভক্তি কৰিলে তেওঁক পাবা, ইয়াত কোনো সন্দেহ নাই।

অধ্যায় ১২ ৰ শ্লোক ৯ ত গীতা জ্ঞান দাতাই কৈছে যে যদি মোক পাবলৈ ইচ্ছা কৰা স্বত্বেও মোৰ ভাৱত বিভোৰ হ'ব নোৱাৰা, তেতিয়া হে ধনঞ্জয় "অৰ্জুন" অভ্যাস যোগ অৰ্থাৎ নাম জপ আৰু নিত্য পাঠ ইত্যাদি কৰি মোক পাবলৈ ইচ্ছা কৰিবা।

অধ্যায় ১২ শ্লোক ১০ ত গীতা জ্ঞান দাতাই কৈছে যে যদি নাম জপ নিত্য পাঠ আদি অভ্যাস কৰিবলৈও সমৰ্থ নোহোৱা তেতিয়া (মত্ কৰ্ম পৰমঃ) মোৰ বাবে শ্ৰেষ্ঠ কৰ্ম কৰা বিধৰ হোৱা। এইদৰে শুভ কৰ্ম কৰিও সিদ্ধি প্ৰাপ্ত কৰিবা।

অধ্যায় ১২ শ্লোক ১১ ত গীতা জ্ঞান দাতাই কৈছে যে (মদ্যোগম =মত্ য়োগম) মই কোৱা ভক্তি সাধনাত আশ্ৰিত হৈ ওপৰোক্ত সাধনা কৰিবলৈও যদি সমৰ্থ নোহোৱা তেতিয়া (য়তাত্মৱান = য়ত আত্মৱান ) যতি আত্মা হোৱা। "যতি" ৰ অৰ্থ হ'ল নিজৰ পত্নীৰ বাহিৰে অন্য কোনো স্ত্ৰীৰ প্ৰতি বিষয় বাসনাগ্ৰস্ত হৈ মনত কেতিয়াও দ্বেষ উৎপন্ন হ'ব নালাগে, তেতিয়া তেওঁক যতি পুৰুষ কোৱা হয়। উদাহৰণ স্বৰূপে শ্ৰীৰামচন্দ্ৰক যতি অৰ্থাৎ সন্তৰ ভাষাত "জতি" কোৱা হয়। শ্ৰীব্যাসদেৱৰ পুত্ৰ শ্ৰী সুকদেৱ=শুকদেবো যতি=জতি পুৰুষ হিচাবে মান্যতা প্ৰাপ্ত। শ্ৰী ৰামচন্দ্ৰৰ পত্নী সীতাক "সতী" মানি লোৱা হৈছে। এই কাৰণে

কোৰা হৈছে যে “য়তাত্মবান” অৰ্থাৎ যতি পুৰুষ হৈ সকলো কামৰ ফল ত্যাগ কৰা (গীতা অধ্যায় ১২ শ্লোক ১১)।

গীতা অধ্যায় ১২ শ্লোক ১২ ত গীতা জ্ঞান দাতাই কৈছে যে (অভ্যাসাত) নাম জপ, নিত্য পাঠ ইত্যাদি যিবোৰ অভ্যাস কৰা হয় সেই ক্ৰিয়াবোৰতকৈ জ্ঞান শ্ৰেষ্ঠ অৰ্থাৎ জিজ্ঞাসু হৈ জ্ঞান প্ৰাপ্ত কৰা। জ্ঞানৰ সহায়েৰে ধ্যান অৰ্থাৎ হঠ সাধনা (হঠ যোগ) কৰি সমাধি অৱস্থা প্ৰাপ্ত হোৱাকে ইয়াত গীতা জ্ঞান দাতাৰ মতে ধ্যান কোৰা হৈছে। সকলো ঋষিয়ে এনে ধৰণে ধ্যান কৰিছিল যাক বৰ্ত্তমান সময়ত Meditation কোৰা হয়। সকলো কৰ্মৰ ফল ত্যাগ কৰাটো ধ্যানতকৈ শ্ৰেষ্ঠ কাৰণ ত্যাগৰ দ্বাৰা শান্তি তৎক্ষণাত লাভ হয় (এয়া গীতা জ্ঞান দাতাৰ ব্যক্তিগত মত)।

গীতা অধ্যায় ১২ শ্লোক ১৩-১৪ত গীতা জ্ঞান দাতাই কৈছে যে যি ব্যক্তি সকলো প্ৰাণীৰ প্ৰতি দ্বেষ ভাৱ ৰহিত, সকলোৰে বন্ধু আৰু দয়ালু (ৰজা জনকৰ দৰে) মমতা ৰহিত, অহঙ্কাৰ ৰহিত, সুখ-দুঃখত সমভাবাপন্ন, ক্ষমাবান, যি জন (যোগী) সাধক সদায় সন্তুষ্ট থাকে, যি জন যতি পুৰুষ হয়, দৃঢ় সংকল্প অৰ্থাৎ মই কোৰা জ্ঞান বা মত সংকল্প বদ্ধ হৈ পালন কৰে, মোৰ প্ৰতি সমৰ্পিত সেই ভক্ত মোৰ প্ৰিয় হয়।

এইদৰে অধ্যায় ১২ শ্লোক ১৫-১৯ লৈকে গীতা জ্ঞান দাতাই নিজৰ ব্যক্তিগত মত কৈছে যিয়ে মানুহক নাস্তিকতাৰ ফালে ঢাল খুৱায়। উদাহৰণস্বৰূপে ওপৰত উল্লেখ কৰা অধ্যায় ১২ শ্লোক ৮-১২ ত কৈছে যে- মোৰ ভাৱত বিভোৰ হোৱা, যদি নোৱাৰা, তেন্তে নাম জপ আৰু নিত্য পাঠ আদিৰ অভ্যাস কৰা অভ্যাসৰ অৰ্থ হ'ল নিত্য প্ৰাপ্তি বাৰে বাৰে কৰ্ম কৰা। নাম জপ নিত্য পাঠ কৰি মোক লাভ কৰাৰ ইচ্ছা কৰা। যদি নাম-জপ, নিত্য পাঠো কৰিব নোৱাৰা তেতিয়া মোৰ বাবে অৰ্থাৎ পৰমেশ্বৰৰ বাবে কৰ্ম কৰা । উদাহৰণস্বৰূপে ধাৰ্মিক কৰ্ম -লেপ বিলোৱা, ভোজ খুওৱা ,মন্দিৰ সজা, কুঁৱা খন্দা, চৰাই ৰ বাবে শস্য দিয়া ইত্যাদি কৰ্মক ভগৱান প্ৰাপ্তিৰ বাবে কৰা কাৰ্য বুলি কৈছে। এইবোৰ কৰিলে কিছু সিদ্ধি লাভ হয়। প্ৰিয় পাঠক সকল চিন্তা কৰি চাওক, এই শ্লোকত কৰ্মৰ পৰা হ'ব লগা ফল অৰ্থাৎ সিদ্ধি লাভৰ কথাও কৈছে। সিদ্ধি লাভ কৰি পাঠকে জৰা-ফুঁকা, তন্ত্ৰ-মন্ত্ৰ, আৰ্শীবাদ তথা অভিশাপ দিব পৰা হয় আৰু মহৰ্ষি ৰূপে খ্যাত হয় (অধ্যায় ১২ শ্লোক ১০)।

আকৌ কৈছে ভগৱানৰ বাবে কৰ্ম কৰিব নোৱাৰিলে যতি পুৰুষ হৈ কৰ্মফল ত্যাগ কৰা।

বিচাৰ কৰক ঃ যেতিয়া ভগৱানৰ বাবে ধাৰ্মিক কৰ্মও নকৰে তেতিয়া এনে কি কৰ্ম বাকী থাকিল যাৰ ফল ত্যাগ কৰিব। ইয়াক কয় পাগলৰ জ্ঞান, কাণ্ডজ্ঞানহীনতা (অধ্যায় ১২ শ্লোক ১১)। আকৌ অধ্যায় ১২ ৰ শ্লোক ১২ ত আচৰিত কথা কৈছে। ইয়াত কোৰা হৈছে যে অভ্যাস অৰ্থাৎ নাম-জপ, নিত্য পাঠৰূপী অভ্যাসতকৈ জ্ঞান শ্ৰেষ্ঠ - গীতা জ্ঞান দাতাৰ এই মতৰ চৰ্চা ইয়াত আছে। জ্ঞানতকৈ ধ্যান (Meditation) অৰ্থাৎ হঠতাৰে এঠাইত বহি একান্তভাৱে (অধ্যায় ৬ শ্লোক ১০-১৫ ত দিয়া গীতা জ্ঞানদাতাৰ ব্যক্তিগত মত/বিধি) বহি কৰা সাধনা শ্ৰেষ্ঠ হয়। ধ্যানৰ দ্বাৰা সকলো ধাৰ্মিক কৰ্মৰ ফল ত্যাগ কৰিলে

ততালিকে শান্তি লাভ হয়। গীতা অধ্যায় ১২ শ্লোক ১১ত সকলো ধাৰ্মিক কৰ্মও ত্যাগ কৰাৰ আদেশ আছে। এনেধৰণৰ যি জ্ঞানে সাধকক নাস্তিকতাৰ ফালে ঢাল খুৱায়, সেয়া গীতা জ্ঞান দাতাৰ শাস্ত্ৰ বিৰুদ্ধ জ্ঞান হয়, সেই কাৰণে সাধকে শাস্ত্ৰ বিধি ত্যাগ কৰি মনোময় আচৰণ আৰম্ভ কৰিলে আৰু নিজৰ অমূল্য মানব জীৱন ব্যৰ্থ কৰিলে। যদি ভগৱানত মগ্ন হ'ব নোৱাৰিলে অভ্যাস (নাম-জপ, নিত্য পাঠ) কৰিব লাগে, অভ্যাস কৰিব নোৱাৰিলে ভগৱানৰ বাবে কৰ্ম কৰিব লাগে, ভগৱানৰ বাবে কৰ্ম কৰিব নোৱাৰিলে, সকলো কৰ্মৰ ফল ত্যাগ কৰিব লাগে বোলা জ্ঞান উচিত হয় তেনেহলে চাৰিবেদ আৰু শ্ৰীমদ্ভাগৱত গীতাৰ অন্য ৬৫০ শ্লোকৰ (কাৰণ প্ৰায় ৫০ টা শ্লোকত গীতা জ্ঞান দাতাৰ মতে জ্ঞান আছে) কি আৱশ্যকতা আছিল। এই ৪-৫ টা শ্লোক যথেষ্ট আছিল। এনেদৰে গীতাৰ জ্ঞান দাতাৰ মত বেদ বিৰুদ্ধ হোৱা বাবে স্বীকাৰ কৰাৰ যোগ্য নহয়। গীতা অধ্যায় ১২ শ্লোক ২০ ত নিজৰ অজ্ঞতা লুকোৱাবলৈ আকৌ কৈছে যে "কিন্তু যি (শ্ৰদ্ধানাঃ) সাধকে শ্ৰদ্ধাৰে (মত পৰমাঃ) মোতকৈ শ্ৰেষ্ঠ পৰমেশ্বৰক (পৰ্যুবাসতে) পূজা কৰে, তেওঁলোক মোৰ অতি প্ৰিয় হয়"। উদাহৰণ স্বৰূপে আৰম্ভণিতেই বৰ্ণনা কৰা হৈছে অধ্যায় ৫ ৰ শ্লোক ১৪-১৬, ২০, ২৪, ২৫, ২৬ ত প্ৰমাণ আছে যে গীতা জ্ঞান দাতাই নিজতকৈ অন্য প্ৰভুৰ কথা কৈছে। অধ্যায় ৫ ৰ শ্লোক ১৪ ত গীতা জ্ঞান দাতাই কৈছে যে (প্ৰভু) পৰমেশ্বৰে কোনো মানুহৰ কৰ্তৃত্বৰ, অথবা কৰ্মৰ অথবা কৰ্মফলৰ সংযোগৰ সৃষ্টি নকৰে, কিন্তু সকলো প্ৰাণীয়ে নিজৰ স্বভাৱগত কৰ্ম কৰে।

গীতা অধ্যায় ৫ ৰ শ্লোক ১৫ ঃ- (বিভু) সৰ্বব্যাপী অৰ্থাৎ বাসুদেৱৰ বৰ্ণনা অধ্যায় ৩ ৰ শ্লোক ১৪-১৫ ত আছে। ইয়াত বৰ্ণনা কৰা আছে যে সকলো প্ৰাণীৰ উৎপত্তি অন্নৰ পৰা হয়, অন্ন বৰষুণৰ পৰা হয়, বৰষুণ ধাৰ্মিক অনুষ্ঠান অৰ্থাৎ যজ্ঞৰ পৰা হয়, যজ্ঞ শাস্ত্ৰানুকুল ধাৰ্মিক কৰ্মৰ পৰা উৎপন্ন হয়, ধাৰ্মিক কৰ্ম ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষৰ পৰা উৎপন্ন হয়, ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষক (অক্ষৰঃ সম্ উদ্ধভৰম্) অবিনাশী পৰমাত্মা অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ পৰা উৎপন্ন হৈছে বুলি জানিবা। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে (সৰ্বগতম ব্ৰহ্ম) সৰ্বব্যাপী পৰমাত্মা অৰ্থাৎ বিভুঃ সৰ্বব্যাপী পৰমেশ্বৰে কাৰো পাপ বা শুভ কৰ্ম গ্ৰহণ নকৰে। তেওঁৰ পৰাই সকলো (জন্তবঃ) জীৱ-জন্তু আৰু মানুহ মোহিত হৈ আছে।

গীতা অধ্যায় ৫ শ্লোক ১৬ আৰু ১৭ পঢ়িলে স্পষ্ট হ'ব যে গীতা জ্ঞান দাতাই নিজতকৈ অন্য পৰমেশ্বৰৰ কথা কৈছে। এই কথা অধ্যায় ৫ ৰ শ্লোক ২০, ২৪, ২৫, ২৬ ৰ অন্য অনুবাদক সকলে কৰা সৰলাৰ্থৰ পৰাও সহজে বুজিব পাৰি।

এইদৰে অধ্যায় ৬ ৰ শ্লোক ৭ৰ মূল পাঠত স্পষ্ট ভাৱে "পৰমাত্মা" শব্দ লিখা আছে- এইটো গীতা জ্ঞান দাতাকৈ অন্য "পৰমাত্মা" থকাৰ প্ৰমাণ হয় কাৰণ অধ্যায় ১৫ ৰ শ্লোক ১৭ত কৈছে যে শ্লোক ১৬ ত বৰ্ণিত দুজন পুৰুষ, ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষতকৈ অন্য কোনো উত্তম পুৰুষ অৰ্থাৎ পুৰুষোত্তম আছে যাক (পৰমাত্মা ইতি উদাহৃত) পৰমাত্মা কোৱা হয়। তেওঁৱেই তিনিও লোকত প্ৰৱেশ কৰি সকলোৰে ধাৰণ-পোষণ কৰে, তেওঁ অবিনাশী পৰমাত্মা

হয়। ইয়াতো (অধ্যায় ১৫ শ্লোক ১৭ ত) "পৰমাত্মা" শব্দ আছে। এনেধৰণে গীতাৰ অমৃত জ্ঞানক বুজিব লাগিব। গীতা শাস্ত্ৰ পঢ়িলে কল্যাণ নহ'ব, ইয়াৰ অমৃত জ্ঞানক বুজিলৈ সেইমতে ধাৰ্মিক কৰ্ম সমূহ কৰিলে তিনিওটা লাভ হয়- যাৰ বিষয় অধ্যায় ১৬ শ্লোক ২৩ ত সুখ প্ৰাপ্তি ,সিদ্ধি শক্তি প্ৰাপ্তি আৰু পৰম গতি অৰ্থাৎ পূৰ্ণ মোক্ষ প্ৰাপ্তি বুলি কৈছে।

এতিয়া আকৌ আগৰ প্ৰসংগলৈ আহোঁ যত প্ৰশ্ন কৰ্তাই জানিব বিচাৰিছে যে গীতা জ্ঞান দাতাতকৈ অন্য পূৰ্ণ পৰমাত্মা কোন হয় আৰু গীতা জ্ঞান দাতাই নিজতকৈ বেলেগ কোন পৰমেশ্বৰৰ শৰণত যাবলৈ কৈছে?

উক্ত প্ৰশ্নৰ উত্তৰ চলি আছে। এইটো স্পষ্ট হৈ পৰিছে যে গীতা জ্ঞান দাতাতকৈ অন্য "পৰম অক্ষৰ ব্ৰহ্ম" আছে। অধ্যায় ১৮ ৰ শ্লোক ৬২ ত সেই পৰমেশ্বৰ (পৰম অক্ষৰ পুৰুষ) ৰ শৰণত যাবলৈ কৈছে। অধ্যায় ১৮ শ্লোক ৬৬, অধ্যায় ৮ ৰ শ্লোক ২৮, অধ্যায় ১২ৰ শ্লোক ৬-৭ত কৈছে যে পূৰ্ণ পৰমাত্মাক পাবলৈ মোৰ (গীতা জ্ঞান দাতাৰ) ভক্তিও কৰা হয়। উদাহৰণ স্বৰূপে অধ্যায় ১৭ ৰ শ্লোক ২৩ ত "ওম (ওঁ) তত্ সত্ " তিনিটা নামৰ জপ পৰম অক্ষৰ ব্ৰহ্মৰ প্ৰাপ্তিৰ বাবে কৈছে। অধ্যায় ৮ শ্লোক ১৩ ত গীতা জ্ঞান দাতাই নিজৰ সাধনা কৰাৰ বাবে মাত্ৰ এটা "ওম (ওঁ)" নামৰ উল্লেখ কৰিছে। পূৰ্ণ পৰমাত্মা প্ৰাপ্তিৰ বাবে "ওঁ" নামৰ জপো সাধকে কৰে। এই বাবে অধ্যায় ৮ শ্লোক ২৮ ত কৈছে - যোগী অৰ্থাৎ ভকতে তত্বজ্ঞানৰ দ্বাৰা এই ৰহস্যক বুজি লৈ বেদ অনুসৰি ভক্তি কৰি, সেইমতে যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠান কৰি তপ অৰ্থাৎ নিজৰ ধৰ্ম দৃঢ়তাৰে পালন কৰোঁতে যি শাৰিৰীক মানসিক কষ্ট ভোগ কৰিব লাগে সেই তপৰ পৰা বা দান দিয়াৰ পৰা যি পূণ্য ফল হয় অৰ্থাৎ ধাৰ্মিক কৰ্মৰ দ্বাৰা ভক্তিফল হয়, তাক (অত্যেতি) উলংঘন কৰে অৰ্থাৎ ত্যাগ কৰে তেওঁ (আদ্য) সনাতন (পৰম) অন্য - বেলেগ (স্থানম) ধাম লাভ কৰে।

অধ্যায় ১২ শ্লোক ৬ ত কৈছে যে (মত্ পৰাঃ) মোতকৈ অন্য পৰমাত্মাৰ ভক্তি কৰা যি সকল ভকতে মোৰ ভক্তিৰ সকলো ভক্তি কৰ্ম মোৰ ওচৰত অৰ্পণ কৰে বা ত্যাগ কৰে আৰু অনন্য ভক্তিৰে মোতকৈ অন্য অৰ্থাৎ বেলেগক ভজনা কৰে আৰু অধ্যায় ১২ শ্লোক ৭ত বৰ্ণিত আছে যে, হে অৰ্জুন যি মোক চিত্ত দিছে মোক জানিছে (আবেশিত) আবেশৰ সৈতে অৰ্থাৎ গভীৰ মনোযোগেৰে (চেতাসাম) মোক বুজি পাইছে সেই ভক্তক মই শীঘ্ৰেই সংসাৰ সমুদ্ৰৰপৰা ( সম্ উৰ্দ্ধতা=সমুদ্ধৰ্তা) উদ্ধাৰ কৰি দিওঁ। গীতা অধ্যায় ১৮ শ্লোক ৬৬ ত কৈছে যে-

*সৰ্বধৰ্মান পৰিত্যজ্য মাম্ একম শৰণম ব্ৰজ।*
*অহম্ ত্বা সৰ্ব পাপেভ্য ঃ মোক্ষয়িষ্যামি মা শুচ।।*

অন্য অনুবাদক সকলে অধ্যায় ১৮ ৰ শ্লোক ৬৬ ৰ যি ভুল অনুবাদ কৰিছে সেয়া এনেধৰণৰ ঃ- সকলো ধৰ্ম অৰ্থাৎ সকলো কৰ্ম মোৰ ওচৰত এৰি তুমি একমাত্ৰ মই সৰ্বশক্তিমান সৰ্বাধাৰ পৰমেশ্বৰৰ শৰণত (ব্ৰজ) আহা। মই তোমাক সকলো পাপৰ পৰা মুক্ত কৰি দিম, শোক নকৰিবা।

বিবেচনা ঃ ওপৰত কৰা অনুবাদ সকলো ধৰ্ম অৰ্থাৎ সকলো কৰ্ম মোৰ ওচৰত এৰি তুমি একমাত্ৰ মই সৰ্বশক্তিমান সৰ্বাধাৰ পৰমেশ্বৰৰ শৰণত আহা ভুল হয়। বিচাৰ কৰক ঃ গীতা অধ্যায় ১৮ ৰশ্লোক ৪৬, ৬২, অধ্যায় ১৫ ৰ শ্লোক ১-৪ আৰু ১৭ ত অন্য এজনক সৰ্বশক্তিমান সৰ্বাধাৰ পৰমাত্মা বুলি কৈছে। ইয়াত অধ্যায় ৮ ৰ শ্লোক ৩ ত "পৰম অক্ষৰ ব্ৰহ্ম" বুলি কৈছে। ইয়াত অধ্যায় ১৮ ৰ শ্লোক ৬৬ ত অনুবাদকে নিজৰ ফালৰ পৰা মহিমা যোগ কৰিছে যিটো ব্যৰ্থ প্ৰমাণিত হয়। আকৌ কৈছে, সকলো কৰ্মক মোৰ ওচৰত এৰি মোৰ শৰণত আহা। যদি কোনোৱে কয় সকলো কৰ্ম মোৰ ওচৰত এৰি মোৰ শৰণত আহা কথাষাৰ ন্যায় সঙ্গত নহ'ব। কথাষাৰ স্পষ্ট ভাবে এনে হোৱা উচিত যে সকলো ধাৰ্মিক কৰ্মৰ ভক্তি ধন মোৰ ওচৰত এৰি অন্য এজনৰ শৰণত যোৱা । "ব্ৰজ" শব্দৰ অৰ্থও "যোৱা", "অহা" নহয়। উদাহৰণস্বৰূপে ইংৰাজীৰ Go শব্দৰ অৰ্থ "যোৱা" তাৰ অৰ্থ "অহা" কৰাটো অনুচিত। আকৌ অন্য প্ৰমাণো আছে। অধ্যায় ২ ৰ শ্লোক ৭ত অৰ্জুনে কৈছে, "মই আপোনাৰ শিষ্য মই আপোনাৰ শৰণত আছোঁ, মোক উচিত শিক্ষা দিয়ক"। অধ্যায় ৪ শ্লোক ৩ ত গীতা জ্ঞান দাতাই কৈছে, "তুমি মোৰ ভক্ত আৰু সখি"। ইয়াত অধ্যায় ১৮ ৰ শ্লোক ৬৬ ৰ অনুবাদ "মোৰ শৰণত আহা" বুলি কৰাটো সম্পূৰ্ণ অনুচিত কাৰণ অৰ্জুন প্ৰথমৰ পৰাই শ্ৰীকৃষ্ণৰ শৰণত আছিল-কথাষাৰ ওপৰত প্ৰমাণিত হৈছে। তত্বজ্ঞানৰ অভাৱত অনুবাদক সকলে অৰ্থৰ অনৰ্থ কৰি কৈছে।

গীতা জ্ঞান দাতাই অধ্যায় ১৮ ৰ শ্লোক ৬২ ত কৈছে "সেই পৰমেশ্বৰৰ শৰণত যোৱা, তেওঁৰ কৃপাত হে তুমি পৰম শান্তি আৰু সনাতন পৰমধাম প্ৰাপ্তি কৰিবা"। অধ্যায় ১৮ ৰ শ্লোক ৪৬ ত কৈছে "যি পৰমেশ্বৰৰ পৰা সকলো প্ৰাণীৰ সৃষ্টি হৈছে আৰু যাৰ দ্বাৰা এই সম্পূৰ্ণ জগত ব্যাপ্ত আছে সেই পৰমেশ্বৰৰ পূজা নিজৰ স্বাভাৱিক কৰ্ম কৰি থকাৰ মাজতে কৰি মানুহে পৰম সিদ্ধি লাভ কৰে"। অধ্যায় ১৫ ৰ শ্লোক ১৭ত স্পষ্ট কৰিছে যে শ্লোক ১৬ ত উল্লেখ কৰা দুজন পুৰুষ (ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ) তকৈ উত্তম পুৰুষ বেলেগ হয় যাক পৰমাত্মা কোৱা হয়। তেওঁ তিনিও লোকত প্ৰবেশ কৰি সকলোৰে ধাৰণ-পোষণ কৰে, তেওঁহে প্ৰকৃততে অবিনাশী পৰমেশ্বৰ হয়। অধ্যায় ১৫ ৰ শ্লোক ৪ ত কৈছে যে "তত্বদৰ্শী সন্ত পোৱাৰ পাচত পৰমেশ্বৰৰ সেই পৰমপদ বিচাৰিব লাগিব য'ত যোৱাৰ পাচত সাধক সংসাৰলৈ উভতি নাহে। যি পৰমেশ্বৰৰ পৰা সংসাৰ ৰূপী বৃক্ষৰ প্ৰবৃত্তি বিস্তাৰিত হৈছে তেওঁৰ ভক্তি কৰিবা"।

গীতা জ্ঞান দাতাই অধ্যায় ২ ৰ শ্লোক ১২, অধ্যায় ৪ শ্লোক ৫, অধ্যায় ১০ শ্লোক ২ ত নিজৰ স্থিতি স্পষ্ট কৰি থৈছে, "অৰ্জুন তোমাৰ আৰু মোৰ বহুত জনম হৈ গ'ল, আগলৈও হৈয়ে থাকিব তুমি নাজানা, মই জানোঁ"। যিজন প্ৰভুৰ নিজৰেই জন্ম মৃত্যু হৈ থাকে তেওঁ অবিনাশী নহয়, তেওঁৰ উপাসকৰো জন্ম মৃত্যু হৈ থাকিব,ব্ৰহ্মৰ সাধকে গীতা অধ্যায় ১৫ৰ শ্লোক ৪ ত কোৱা বিধৰ (য'ত যোৱাৰ পিছত পুনৰ জন্ম নহয়) মোক্ষ প্ৰাপ্তি কৰিব নোৱাৰে। গীতা অধ্যায় ১৮ ৰ শ্লোক ৬৬ ৰ প্ৰকৃত অনুবাদ এনেকুৱা হে হৰ-

অনুবাদঃ- (সৰ্বধৰ্মান্) মোৰ উপাসনাৰ সকলো ধৰ্মিক কৰ্ম উপাৰ্জিত ভক্তি ধন সকলোখিনি (মাম্) মোৰ ওচৰত (পৰিত্যজ্য) এৰি তুমি (একম) সেই অদ্বিতীয়, সৰ্বশক্তিমান পৰমেশ্বৰ অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ (শৰণম্) শৰণত (ব্ৰজ) যোৱা। (অহমত্বা) মই তোমাক (সৰ্ব পাপেভ্যঃ) সকলো পাপৰ পৰা (মোক্ষয়িষ্যামি) মুক্ত কৰি দিম, (মা শুচঃ) শোক নকৰিবা"। গীতা অধ্যায় ১৮ ৰ শ্লোক ৬৬ ত গীতা জ্ঞান দাতাই কৈছেযে,"মোৰ উপাসনাৰ মন্ত্ৰৰ দ্বাৰা উপাৰ্জিত ভক্তিধন মোৰ ওচৰত এৰি তুমি কেৱল সেই অদ্বিতীয়, যাৰ সমান কোনো শক্তি নাই, সৰ্বশক্তিমান পৰমেশ্বৰ অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ শৰণত যোৱা, মই তোমাক সকলো পাপৰ পৰা মুক্ত কৰি দিম,শোক নকৰিবা"।

বিশ্লেষণঃ- গীতা অধ্যায় ১৭ ৰ শ্লোক ২৩ ত গীতা জ্ঞান দাতাই সংকেত দিছে যে সেই (ব্ৰাহ্মণঃ) সচ্চিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম প্ৰাপ্তিৰ বাবে তিনিটা মন্ত্ৰ "ওঁ" তত্ সত্" জপ কৰাৰ নিৰ্দেশ আছে। আকৌ অধ্যায় ৮ ৰ শ্লোক ১৩ ত নিজৰ উপাসনাৰ মন্ত্ৰৰ বিষয় এনেদৰে কৈছেঃ মোৰ (ব্ৰহ্মৰ) ভক্তিৰ মাত্ৰ এটা "ওম"(ওঁ) আখৰ আছে, যি জনে ইয়াৰ উচ্চাৰণ কৰি শৰীৰ ত্যাগ কৰে তেওঁ মোৰ পৰম গতি (মোক্ষ) প্ৰাপ্তি কৰে। "ওঁ" মন্ত্ৰৰ জপ ব্ৰহ্মৰ হয়, ইয়াৰ দ্বাৰা ব্ৰহ্মলোক প্ৰাপ্তি হয়। ওঁ মন্ত্ৰৰ জপৰ দ্বাৰা হোৱা এই পৰম গতিক অধ্যায় ৭ৰশ্লোক ১৮ ত অতি অনুত্তম অৰ্থাৎ অশ্ৰেষ্ঠ বুলি কৈছে। অধ্যায় ৮ ৰ শ্লোক ১৬ ত কৈছে যে ব্ৰহ্মলোক লৈকে যিমান লোক আছে সেইবোৰ লোকত যোৱা সাধকৰ পুনৰাবৃত্তি হয় অৰ্থাৎ ব্ৰহ্মলোক লৈকে যোৱা সাধকৰ পুনৰ জন্ম মৃত্যু হৈ থাকে, সেইকাৰণে ওপৰোক্ত গীতা অধ্যায় ১৮ ৰ শ্লোক ৪৬, ৬২, ৬৬ অধ্যায় ১৫ ৰ শ্লোক ৪ আৰু ১৭ ত অন্য কোনো সমৰ্থ পৰমেশ্বৰৰ শৰণত যাবলৈ কৈছে, তাৰ বাবে ওঁ তত্ সত্ (অধ্যায় ১৭ ৰশ্লোক ২৩) মন্ত্ৰৰ জপ আছে। ইয়াৰে ওঁ হ'ল ব্ৰহ্মৰ জপ। এই ব্ৰহ্মক অধ্যায় ১৫ ৰ শ্লোক ১৬ ত ক্ষৰ পুৰুষ বুলি কৈছে আৰু আনজনক অক্ষৰ পুৰুষ বুলি কৈছে। অক্ষৰ পুৰুষৰ জপৰ মন্ত্ৰ হ'ল "তত্"-এইটো সাংকেতিক মন্ত্ৰ। আকৌ অধ্যায় ১৫ৰ শ্লোক ১৭ ত "উত্তম পুৰুষ তু অন্য" অৰ্থাৎ পুৰুষোত্তম অৰ্থাৎ সৰ্বশ্ৰেষ্ঠ, সৰ্ব শক্তিমান পুৰুষজন ক্ষৰপুৰুষ আৰু অক্ষৰ পুৰুষতকৈ বেলেগ বুলি কৈছে। উত্তম পুৰুষৰ সংকেতিক মন্ত্ৰ হ'ল "সত্"। সাধু-সন্তৰ ভাষাত "সত্য পুৰুষ" বুলি খ্যাত পৰমেশ্বৰ অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ পৰম পদ অৰ্থাৎ সনাতন পৰম ধাম (সাধু-সন্তৰ ভাষাত "সত্য লোক") ত যোৱাৰ বাবে অৰ্থাৎ পূৰ্ণ মোক্ষ লাভৰ বাবে গীতা অধ্যয় ১৭ ৰ শ্লোক ২৩ ত থকা "ওঁ তত্ সত্" মন্ত্ৰৰ জপ কৰিব লাগে অন্য কোনো নাম মন্ত্ৰৰ জপেৰে পূৰ্ণ মোক্ষ নহয়। "তত্ সত্" এই দুটা বেলেগ মন্ত্ৰ হয়-দীক্ষা লোৱাৰ সময়ত দীক্ষা লওঁতাক বুজাই দিয়া হয়। "ওঁ" নামৰ জপ ব্ৰহ্ম-ক্ষৰ পুৰুষ অৰ্থাৎ গীতা জ্ঞান দতাৰ হয়। ব্ৰহ্ম উপাসনা "ওঁ" নামৰ জপেৰে হয়। "ওঁ" নাম জপৰ উপাৰ্জিত ভক্তি ধন (ধাৰ্মিক কৰ্ম) ব্ৰহ্মক এৰি দিব লাগিব। আগতে তত্বজ্ঞানৰ অভাৱত আমি ওঁ নাম জপৰ উপাৰ্জিত ভক্তি ধন ব্ৰহ্মলোকত গৈ শেষ কৰিছিলোঁ, পাপ

অৰ্থাৎ ঋণ বাকী থাকিছিল। সেই ঋণ (পাপ) নৰকত আৰু ৮৪ লাখ প্ৰকাৰৰ প্ৰাণীৰ শৰীৰত কষ্টেৰে ভোগ কৰিছিলোঁ। এতিয়া আমি “ঔঁ” নাম জপৰ ভক্তি ধন ব্ৰহ্মক এৰি দিম, ইয়াৰ ফল ব্ৰহ্মলোকত ভোগ নকৰোঁ, যাৰ প্ৰতিফল হিচাবে এই ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষে আমাৰ সকলো পাপ অৰ্থাৎ ঋণ সমাপ্ত কৰি দিব। গীতা অধ্যায় ১৮ ৰ শ্লোক ৬৬ ৰ প্ৰকৃত ভাৱাৰ্থ এয়াই। আকৌ “তত্” মন্ত্ৰ জপৰ ভক্তি ধন আমি অক্ষৰ পুৰুষ অৰ্থাৎ পৰব্ৰহ্ম (গীতা জ্ঞান দাতাতকৈ অন্য ব্ৰহ্ম )ক এৰি দিম । পৰব্ৰহ্মৰ অধীনত ৭ শঙ্খ ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰ আছে, তাৰ সিপাৰে সনাতন পৰমধাম (সত্যলোক) লৈ যোৱাৰ ভাৰা দিব লাগে। অন্য শব্দত Toll tax দিব লাগে যিটো “তত্” মন্ত্ৰ জপৰ ভক্তি ধনেৰে পৰিশোধ কৰা হয়। আকৌ সত্যপুৰুষ (পৰম অক্ষৰ ব্ৰহ্ম) ৰ “সত্” মন্ত্ৰ জপৰ ভক্তি ধন লগত লৈ আমি পৰমেশ্বৰৰ সেই পৰমপদ অৰ্থাৎ সনাতন পৰমধামত (সত্যলোকত) উপস্থিত হম, য'ত যোৱাৰ পাচত সাধক আকৌ সংসাৰলৈ কেতিয়াও ঘূৰি নাহে, সাধকে পৰম শান্তি অৰ্থাৎ পূৰ্ণমোক্ষ লাভ কৰে। এই সম্পূৰ্ণ ভক্তি সাধনা মোৰ (সন্ত ৰামপাল দাসৰ) লগত আছে, আহক আৰু নিজৰ কল্যাণ সাধন কৰক।

গীতা অধ্যায় ১৮ ৰ শ্লোক ৬৬ ৰ যথাৰ্থ অনুবাদ ওপৰত দিয়া হ'ল। সেইকাৰণে গীতাৰ জ্ঞান অমৃত তুল্য বুলি কোৱা হয়। ওপৰোক্ত প্ৰমাণৰ পৰা স্পষ্ট হ'ল যে গীতা জ্ঞান দাতাকৈ অন্য পূৰ্ণ পৰমাত্মা আছে, তেওঁৰ শৰণত যাবলৈ গীতা জ্ঞান দাতাই অধ্যায় ১৮ ৰ শ্লোক ৬২, ৬৬ ত কৈছে। এনে অমূল্য গীতা জ্ঞান ভালদৰে বুজিব নোৱাৰি অজ্ঞানীসকলে বিপৰীত অৰ্থ কৰিলে, লিখিলে যে গীতা জ্ঞান দাতাই নিজৰেই শৰণত আহিবলৈ কৈছে।

উদাহৰণস্বৰূপে ব্যক্তি এজনৰ কাম মুখ্যমন্ত্ৰীৰ অধিকাৰ ক্ষেত্ৰত পৰিছিল। কিন্তু তেওঁ এজন বিভাগীয় মন্ত্ৰীৰ ওচৰত গৈ কামটোৰ বাবে খাটিলে। তেতিয়া বুদ্ধিমান মন্ত্ৰীজনে ক'লে যে আপুনি এই কামটোৰ বাবে মুখ্যমন্ত্ৰীৰ ওচৰত যাওক তেওঁৰ কৃপাত হে আপোনাৰ কামটো হ'ব। তেওঁ চিঠি এখন লিখি দি মানুহজনক মুখ্যমন্ত্ৰীৰ ওচৰলৈ পঠালে কাৰণ তেওঁ জানে যে মুখ্যমন্ত্ৰীৰ কৃপাতহে কামটো সম্ভৱ হব। যদি মন্ত্ৰীজনৰ কথাৰ অৰ্থ কোনো ব্যক্তিয়ে এনেদৰে ব্যাখ্যা কৰে যে মন্ত্ৰীজনে নিজৰ ওচৰলৈ আহিবলৈ কৈছে, তেতিয়া তেওঁ ভুল ব্যাখ্যা কৰিছে কাৰণ মন্ত্ৰীৰ ওচৰত মানুহজন ইতিমধ্যে আছেই। এইদৰে গীতাৰ অমৃত জ্ঞানক নুবুজি অজ্ঞানী সকলে অদ্ভুত অনুবাদ কৰি পাঠকক ভ্ৰমিত কৰিলে আৰু জন্ম মৃত্যুৰ চক্ৰত নিজেও পৰিল আৰু নিজৰ অবোধ সহজ সৰল অনুগামী সকলকো পেলালে। আমি তেনে অজ্ঞানী সকলক গীতা মনীষী বুলি সন্মান দি আছোঁ। গীতাৰ জ্ঞান কোনে কৈছিল ? ইয়াৰ উত্তৰ প্ৰশ্ন ১ৰ উত্তৰত স্পষ্ট কৰা হৈছে, অনুগ্ৰহ কৰি পঢ়ক।

প্ৰশ্ন ২৭ঃ পৰমাত্মা সাকাৰ নে নিৰাকাৰ ? অব্যক্তৰ অৰ্থ নিৰাকাৰ হয় নে ?

উত্তৰঃ পৰমাত্মা সাকাৰ নৰস্বৰূপ অৰ্থাৎ মানুহৰ আকৃতিৰ। অব্যক্তৰ অৰ্থ নিৰাকাৰ নহয় সাকাৰ হয়। উদাহৰণস্বৰূপে সূৰ্য্যক মেঘে ঢাকিলে সূৰ্য্য অব্যক্ত

হয়। আমি দেখা নাপালেও সূৰ্য্য অব্যক্ত আছে, সাকাৰ আছে। যি প্ৰভুৱে সাধাৰণ সাধনাৰ দ্বাৰা আমাক দেখা নিদিয়ে তেওঁক অব্যক্ত বোলে।

উদাহৰণস্বৰূপে গীতা অধ্যায় ৭ৰ শ্লোক ২৪-২৫ত গীতা জ্ঞান দাতাই নিজকে অব্যক্ত কৈছে কাৰণ তেওঁ শ্ৰীকৃষ্ণত প্ৰবেশ কৰি কথা কৈ আছিল। পাচত ব্যক্ত হৈ বিৰাট ৰূপ দেখুৱাইছিল, এইজন প্ৰথম অব্যক্ত প্ৰভু যি ক্ষৰ পুৰুষ বুলি খ্যাত হয়। এওঁৰ আন এটা নাম কাল। অধ্যায় ৮ ৰ শ্লোক ১৭ ৰপৰা ১৯ লৈকে দ্বিতীয়জন অব্যক্ত অক্ষৰ পুৰুষৰ বৰ্ণনা আছে। অধ্যায় ৮ ৰ শ্লোক ২০ ত কৈছে যে এইজন অব্যক্ত অৰ্থাৎ অক্ষৰ পুৰুষৰ পৰা বেলেগ আনজন সনাতন অব্যক্ত পৰমেশ্বৰ অৰ্থাৎ পৰম অক্ষৰ পুৰুষ আছে। এইদৰে এই তিনিওজন সাকাৰ (নৰাকাৰ=নৰসদৃশ) প্ৰভু হয়। অব্যক্তৰ অৰ্থ নিৰাকাৰ নহয়। ক্ষৰ পুৰুষে (ব্ৰহ্মই) প্ৰতিজ্ঞা কৰি থৈছে যে তেওঁ কেতিয়াও নিজৰ প্ৰকৃত ৰূপত কাকো দেখা নিদিব।

প্ৰমাণঃ- গীতা অধ্যায় ১১, শ্লোক ৪৭-৪৮ ত কৈছে “হে অৰ্জুন মোৰ এই বিৰাট ৰূপ আপুনি দেখিলে, মোৰ এই ৰূপ আপোনাৰ বাহিৰে আগতে কোনেও দেখা নাই , মই আপোনাক কৃপা কৰি দেখুৱাইছো”।

গীতা অধ্যায় ১১ শ্লোক ৪৮ ত কৈছে, “মোৰ এইটো স্বৰূপ বেদত বৰ্ণিত বিধিৰে, জপেৰে, তপ আৰু যজ্ঞ আদিৰে দৃষ্টি গোচৰ নহয়। গতিকে প্ৰমাণ হ’ল যে ক্ষৰ পুৰুষ (গীতা জ্ঞান দাতা) ক কোনো ঋষি, মহৰ্ষি আৰু সাধকে দেখা নোপোৱাত নিৰাকাৰ বুলি মানি লৈছে। সুক্ষ্ম বেদ (তত্ত্বজ্ঞান) ত কৈছে-

*“খোজত-খোজত থাকিয়া, অন্তমে কহা বেচুন (নিৰাকাৰ)*
*ন গুৰু পুৰা, ন সাধনা, সত্য হো ৰহে জুনম জুন (জন্ম-মৃত্যু)*

আকৌ গীতা অধ্যায় ৭ ৰ শ্লোক ২৪-২৫ ত গীতা জ্ঞান দাতাই স্পষ্ট কৰিছে,“মই নিজৰ যোগমায়াৰ দ্বাৰা লুকাই থাকোঁ, কাৰো সন্মুখত উপস্থিত নহওঁ , মই অব্যক্ত”। লুকাই আছে মানে সাকাৰ আছে। অক্ষৰ পুৰুষ অব্যক্ত থকাৰ কথা ওপৰত প্ৰমাণিত হৈছে। এইজন প্ৰভুৰ (অক্ষৰ পুৰুষৰ) ইয়াত একো ভূমিকা নাই। এইজনা নিজৰ ৭ শঙ্খ ব্ৰহ্মাণ্ডৰ ভিতৰতে সীমিত। গতিকে এওঁক কোনেও নেদেখিলে।

পৰম অক্ষৰ পুৰুষ ঃ- এইজনা পুৰুষৰ ভূমিকা সকলো ব্ৰহ্মাণ্ডত আছে। এওঁ পৃথিৱীৰ পৰা ১৬ শঙ্খ ক্ৰোশ (এক ক্ৰোশ প্ৰায় ৩ কিঃমিঃ দূৰত্বৰ হয়) দূৰত থকা সত্যলোকত বাস কৰে। এইজনা প্ৰভুক প্ৰাপ্তিৰ সাধনা চাৰিওখন বেদত উল্লেখ নাই। এই কাৰণে এওঁক কোনেও দেখা পোৱা নাই। যেতিয়া এই জনা প্ৰভু (পৰম অক্ষৰ ব্ৰহ্ম) পৃথিৱীত সশৰীৰে প্ৰকট হয় (আহে) তেতিয়া এওঁক কোনেও চিনি নাপায়। পৰমেশ্বৰে এই বুলি কৈছে ঃ-

*“হম হী অলস অল্লাহ হৈ, কুতুব- গোস ঔৰ পীৰ।*
*গৰীব দাস খালিক ধনী, হমৰা নাম কবীৰ”।।*

মই পূৰ্ণ পৰমাত্মা (পৰমেশ্বৰ) হওঁ, ময়েই পীৰ অৰ্থাৎ সত্য জ্ঞান দাতা

সতগুৰু। সমগ্ৰ সৃষ্টিৰ গৰাকীও ময়েই, মোৰ নাম কবীৰ কিন্তু সকলো সাধক ঋষি, মহৰ্ষি সকলে এনে জ্ঞানকে নিশ্চিত কৰি লৈছে যে পৰমাত্মা নিৰাকাৰ, তেওঁক দেখা পোৱা নাযায়। পৃথিৱীত ঘূৰি ফৰা এইজন তাঁতী কবীৰ কেনেকৈ পৰম অক্ষৰ ব্ৰহ্ম হব পাৰে।

ইয়াৰ সমাধান এইটো ঃ- পৰমাত্মাক মনেপ্ৰাণে বিচৰা বিশ্বৰ কোনো বুদ্ধিমান ব্যক্তিয়ে চাৰিবেদক (ঋকবেদ, যজুৰ্বেদ, সামবেদ, অথৰ্বৰ্বেদ) ভুল বুলি নামানে। বৰ্ত্তমান লৈকে আৰ্য সমাজৰ প্ৰৱৰ্ত্তক মহৰ্ষি দয়ানন্দক বেদৰ পূৰ্ণ বিদ্বান বুলি মানি অহা হৈছে। তেওঁৰো একেই কথা যে "পৰমাত্মা নিৰাকাৰ"। আৰ্য সমাজ আৰু মহৰ্ষি দয়ানন্দই বেদৰ জ্ঞান সত্য বুলি মানে। তেওঁলোকে নিজেই বেদৰ হিন্দী অনুবাদ কৰিছে। তাত স্পষ্টকৈ লিখা আছে যে পৰমাত্মা ওপৰৰ লোকত থাকে। তাৰপৰাই গতি কৰি যথাৰ্থ ভক্তি জ্ঞান শুনায়। পৰমাত্মাই তত্বজ্ঞান নিজ মুখ কমলেৰে উচ্চাৰণ কৰি লোকোক্তি, সাখী, দুলড়ী, শব্দাৱলী আৰু চতুস্পদীৰ ৰূপত গাই শুনায়, যাৰবাবে তেওঁ প্ৰসিদ্ধ কবিৰ উপাধিও লাভ কৰে। কবিৰ দৰে আচৰণ কৰি পৃথিৱীত ভ্ৰমি ফুৰে। ভক্তিৰ গোপন মন্ত্ৰ আবিষ্কাৰ কৰি সাধকক কয়, ভক্তি কৰিবলৈ প্ৰেৰণা যোগায়।

প্ৰমাণৰ বাবে বেদৰ নিম্নোক্ত মন্ত্ৰৰ ফটোকপি এই পুথিৰ ৯৫ পৃষ্ঠাত চাব।

ঋকবেদ মণ্ডল ৯ ৰ সূক্ত ২০ মন্ত্ৰ ১, সূক্ত ৫৪ মন্ত্ৰ ৩, সূক্ত ৮২ মন্ত্ৰ ১-২, সূক্ত ৮৬ মন্ত্ৰ ২৬-২৭, সূক্ত ৯৪ মন্ত্ৰ-১, সূক্ত ৯৫ মন্ত্ৰ-২, সূক্ত ৯৬ মন্ত্ৰ ১৬-২০ আৰু অন্য বহুতো বেদ মন্ত্ৰত পৰমাত্মা মনুষ্য সদৃশ বুলি প্ৰমাণ আছে। শ্ৰীমদ্‌ভগৱত গীতা অধ্যায় ৪ শ্লোক ৩২ আৰু ৩৪ তো প্ৰমাণ আছে। গীতা জ্ঞান দাতাই কৈছে,"হে অৰ্জুন ,পৰম অক্ষৰ ব্ৰহ্মই নিজ মুখ কমলেৰে তত্বজ্ঞান কৈ শুনায়, সেই সচ্চিদানন্দ ঘন ব্ৰহ্মৰ বাণীত যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠানৰ বিষয় বিস্তৃত ভাবে কোৱা হৈছে। তাক জনাৰ পাচত সকলো পাপৰ পৰা মুক্ত হ'বা "। আকৌ অধ্যায় ৪ ৰ শ্লোক ৩৪ ত কৈছে, "তুমি তত্বদৰ্শী সন্তৰ ওচৰলৈ গৈ সেই জ্ঞান বুজিবা, সাষ্টাঙ্গ প্ৰণাম কৰি নম্ৰভাৱে প্ৰশ্ন কৰিলে সেই তত্বদৰ্শী সন্তই তোমাক তত্বজ্ঞানৰ উপদেশ দিব।

এইখিনি প্ৰমাণ আপোনাক ক'লো। বিশেষ কথা এই যে গীতা চাৰিওখন বেদৰ সাৰাংশ, ইয়াত সাংকেতিক জ্ঞান বেছি আছে। এইটোও স্পষ্ট হ'ল যে তত্বজ্ঞান গীতা জ্ঞানৰ পৰা পৃথক, মাত্ৰ তত্বদৰ্শী সন্তইহে তত্বজ্ঞান জানে কাৰণ পৰম অক্ষৰ ব্ৰহ্ম স্বয়ং পৃথিৱীত আহি সেই সন্তক লগ ধৰে আৰু তত্বজ্ঞান অৱগত কৰায়।

প্ৰশ্ন ২৮ ঃ- কোন কোন পুন্যাত্মা মহাত্মাক পৰমাত্মাই লগ ধৰিছিল ?

উত্তৰঃ- পৰমাত্মা চাৰিওযুগত আহি জ্ঞান শুনায়। ১) সত্যযুগত "সত্যসুকৃত" নামেৰে, ২) ত্ৰেতাযুগত "মুনীন্দ্ৰ" নামেৰে, ৩) দ্বাপৰ যুগত "কৰুণাময়" নামেৰে আৰু ৪) কলিযুগত "কবীৰ" নাম লৈ পৰমেশ্বৰ আহে। সুক্ষ্ম বেদত কোৱা আছেঃ-

*সতযুগ মে সতসুকৃত কহ টেৰা, ত্ৰেতা নাম মুনীন্দ্ৰ মেৰা।*
*দ্বাপৰ মে কৰুণাময় কহায়া, কলযুগ নাম কবীৰ ধৰায়া।।*

## পৰমেশ্বৰে কাক -কাক লগ ধৰিছিল

কলিযুগত পৰমেশ্বৰে যি সকল মহান আত্মাক লগ ধৰি তত্বজ্ঞান কৈছিল তেওঁলোকৰ সংক্ষিপ্ত বৰ্ণনা তলত কৰিলো।

"সন্ত ধৰ্মদাসদেৱৰ লগত প্ৰথম বাৰ পৰমেশ্বৰ কবীৰদেৱৰ সাক্ষাৎকাৰ"

১) শ্ৰী ধৰ্মদাস দেৱ বহুত ধনী সদাগৰ আছিল, মধ্য প্ৰদেশৰ বাঁন্ধৱগড়ত বাস কৰিছিল। তেওঁৰ সৰুৰে পৰা ভক্তিৰ প্ৰতি আগ্ৰহ আছিল। সেইকাৰণে ৰূপদাস নামৰ এজন বৈষ্ণৱ সন্তক গুৰু ধাৰণ কৰিছিল। হিন্দু ধৰ্মত জন্ম হোৱাৰ বাবে সন্ত ৰূপদাসদেৱে শ্ৰী ধৰ্মদাস দেৱক ৰাম, কৃষ্ণ, বিষ্ণু আৰু শংকৰৰ ভক্তি কৰিবলৈ কৈছিল। একাদশীৰ ব্ৰত, তীৰ্থ ভ্ৰমণ, শৰাধ কৰা, পিণ্ডোদক কৰ্ম আদি কৰাৰো আদেশ দি থৈছিল। গুৰু ৰূপদাস দেৱে কোৱা সকলো সাধনা শ্ৰী ধৰ্মদাস দেৱে সম্পূৰ্ণ আস্থাৰে সৈতে কৰিছিল। গুৰু ৰূপদাস দেৱৰ পৰা আদেশ লৈ ধৰ্মদাসদেৱে মথুৰা নগৰত তীৰ্থদৰ্শন, তীৰ্থস্নান কৰিবলৈ আৰু গোৱৰ্দ্ধন পৰ্বতৰ পৰিক্ৰমা কৰিবলৈ গৈছিল। পৰম অক্ষৰ ব্ৰহ্মাই এজন জিন্দা মহাত্মাৰ বেশভূশাত ধৰ্মদাসদেৱক মথুৰাত লগ ধৰিলে। শ্ৰীধৰ্মদাসদেৱে তীৰ্থৰ সেইখন পুখুৰীত স্নান কৰিলে য'ত শ্ৰীকৃষ্ণই লৰালিকালত স্নান কৰিছিল। আকৌ সেই পুখুৰীৰ পৰা ঘটি এটাত পানী ভৰাই আনিলে। পানীখিনি ভগৱান শ্ৰীকৃষ্ণৰ পিতলৰ মূৰ্ত্তি (সালগ্ৰাম)ৰ চৰণত ঢালি আকৌ বেলেগ বাচনত বাকি চৰণামৃত বনাই খালে। তাৰ পাচত আকৌ সালগ্ৰামক গা-ধুৱাই নিজৰ কৰ্মকাণ্ড সম্পূৰ্ণ কৰিলে। এঠাইত গোবৰ মাটিৰে লিপি স্বচ্ছ কাপোৰ পাৰি শ্ৰীমদ্ভাগৱত গীতা পাঠ কৰিবলৈ বহিল। ধৰ্মদাসৰ এই সকলো কাম কাজ জিন্দাবেশত থকা পৰমাত্মাই নিলগত বহি চাই আছিল। ধৰ্মদাসেও লক্ষ কৰি আছিল যে এজন মুছলমান সন্তই তেওঁৰ ভক্তিবিধি বহুত মনোযোগেৰে চাই আছে, এওঁ নিশ্চয় হিন্দুৰ সাধনা ভাল পাইছে। গতিকে উচ্চস্বৰে গীতা পাঠ কৰিব ধৰিলে লগতে হিন্দী অনুবাদো পঢ়িব ধৰিলে। পৰমেশ্বৰ ধৰ্মদাসৰ ওচৰত গৈ বহিল আৰু ধৰ্মদাসে ভাবিলে তেওঁৰ অনুমান সত্য আছিল যে এই জিন্দা বেশত থকা সন্তই তেওঁৰ ধৰ্মৰ ভক্তি মাৰ্গ ভাল পাইছে। গতিকে সেইদিনা ধৰ্মদাসে গীতাৰ কেইবাটাও অধ্যায় পঢ়ি অৰ্থও শুনালে। ধৰ্মদাসৰ ভক্তিকৰ্ম শেষ হোৱাত পৰমেশ্বৰে তেখেতৰ নাম কি বুলি সুধিলে, তেওঁৰ জাতি কি আৰু ক'ৰ নিবাসী ? তেওঁৰ ধৰ্ম পন্থ কি ? ইত্যাদি কথা জনাবলৈ অনুৰোধ কৰিলে। আকৌ ক'লে যে পৰমেশ্বৰক ধৰ্মদাসৰ জ্ঞান বৰ ভাল লাগিছে, গতিকে এই জ্ঞান তেখেতক শুনাব লাগে।

ধৰ্মদাসদেৱে উত্তৰ দিলেঃ- মোৰ নাম ধৰ্মদাস হয়, মই বাঁন্ধৱগড় নিবাসী বৈশ্য কুলত জন্ম লৈছোঁ। মই হিন্দু ধৰ্মৰ বৈষ্ণৱ পন্থত দীক্ষা লৈছোঁ। মই ভালদৰে জ্ঞান বুজি লৈ সম্পূৰ্ণভাৱে নিশ্চিত হৈ বৈষ্ণৱ পন্থত দীক্ষা লৈছোঁ। মোৰ গুৰুদেৱৰ নাম ৰূপদাস। অধ্যাত্ম জ্ঞানৰ মই সম্পূৰ্ণ জ্ঞাতা আৰু অন্য কাৰো কথাত মই ভোল নাযাওঁ। মই বিষ্ণুৰ অৱতাৰ ৰাম, কৃষ্ণ আৰু ভগৱান শংকৰৰ পূজা কৰোঁ, একাদশীৰ ব্ৰত পালন কৰোঁ, তীৰ্থভ্ৰমণত গৈ তাত দান কৰোঁ। নিতৌ সালগ্ৰামৰ

পূজা কৰোঁ আৰু এই পবিত্ৰ পুথি শ্ৰীমদ্‌ভাগৱত নিতৌ পাঠ কৰোঁ। স্বৰ্গবাসী পূৰ্বপুৰুষসকলৰ শৰাধ কৰোঁ, পিণ্ডদান দিওঁ। মই জীৱ হিংসা নকৰোঁ, মাংস, সুৰা, ধঁপাত নাখাওঁ।

তেতিয়া পৰমেশ্বৰ কবীৰদেৱে ধৰ্মদাসে পঢ়ি থকা কিতাপখনৰ নাম কি বুলি সুধিলে। ধৰ্মদাসে ক'লে যে কিতাপখন শ্ৰীমদ্‌ভাগৱত গীতা হয় ।তেওঁলোক শূদ্ৰৰ ওচৰো নাচাপে কাৰণ তেওঁলোক শুদ্ধ প্ৰকৃতিৰ ।

প্ৰশ্ন ঃ ২৯ ঃ-(জিন্দা বেশত কবীৰদেৱৰ) আপুনি কি নামৰ জপ কৰে?

উত্তৰঃ- (ধৰ্মদাস দেৱৰ) আমি “হৰে কৃষ্ণ, কৃষ্ণ কৃষ্ণ হৰে হৰে, ওম নমঃ শিৱায়, ওম ভগৱতে বাসুদেবায় নমঃ, ৰাধে ৰাধে শ্যাম মিলা দে, গায়ত্ৰী মন্ত্ৰৰ জপ ১০৮ বাৰ প্ৰতিদিনে কৰোঁ। বিষ্ণু সহস্ৰ নামৰ জপো কৰোঁ।

প্ৰশ্নঃ৩০ (জিন্দা সন্তৰ) হে মহাত্মা ধৰ্মদাস, গীতাৰ জ্ঞান কোনে দিছিল?

উত্তৰঃ-(ধৰ্মদাসৰ) সকলোৰে গৰাকী সৰ্বশক্তিমান ভগৱান শ্ৰীকৃষ্ণই দিছিল। শ্ৰীকৃষ্ণ আৰু শ্ৰীবিষ্ণু এজনেই।

প্ৰশ্ন ঃ ৩১ঃ- (জিন্দা সন্তৰ ৰূপত পৰমাত্মাৰ) আপোনাৰ পূজ্য দেৱতা শ্ৰীকৃষ্ণ অৰ্থাৎ শ্ৰীবিষ্ণু হয়, তেওঁ কোৱা ভক্তি জ্ঞান গীতা শাস্ত্ৰ হয়।

হে ধৰ্মদাস, এজন খেতিয়কৰ বুঢ়া বয়সত ল'ৰা এজন হ'ল। খেতিয়কে ভাবিলে যে পুত্ৰ ডাঙৰ হৈ খেতি কৰিব পৰা হয় মানে তেওঁৰ মৃত্যু হ'ব। গতিকে তেওঁ খেতি কৰাৰ পদ্ধতি (নিজৰ অনুভৱ) বহী এখনত লিখি থলে আৰু নিজৰ পুতেকক ক'লে যে সি ডাঙৰ হোৱাৰ পাচত বহীখনত লিখা অনুভৱৰ কথা বাৰে বাৰে পঢ়িব। সেইমতে খেতি কৰিব। কিছুদিনৰ পিছত দেউতাক ঢুকাল। পুতেকে সদায় দেউতাৰ অনুভৱৰ পাঠ কৰিব ধৰিলে। কিন্তু খেতি হ'লে দেউতাৰ অনুভৱৰ বিপৰীতে নিজৰ ধৰণে কৰিছিল। এই পুত্ৰজনে নিজৰ খেতিত সফলতা লাভ কৰিবনে?

উত্তৰঃ-(ধৰ্মদাস)এইধৰণে কৰিলে পুতেকজন দুখীয়া হ'ব। তেওঁ দেউতাই লিখি থৈ যোৱা অনুভৱৰ মতে প্ৰত্যেকটো কাম কৰা উচিত। সেইজন পুত্ৰ মূৰ্খ হয়।

৩২নং প্ৰশ্নঃ- (জিন্দা সন্তৰ বেশত ভগৱানৰ)হে ধৰ্মদাস, গীতা শাস্ত্ৰ আপোনাৰ পৰম পিতা ভগৱান কৃষ্ণৰ ওৰফে বিষ্ণুদেৱৰ অনুভৱ আৰু আপোনাৰ বাবে আদেশ হয়। এই গীতা শাস্ত্ৰত লিখা শ্ৰীকৃষ্ণৰ অনুভৱ পঢ়ি সেইমতে ভক্তি কৰিলে মোক্ষ প্ৰাপ্তি কৰিব পাৰি বুলি উল্লেখ আছে। আপুনি গীতাত লিখা শ্ৰীকৃষ্ণৰ আদেশ মতে ভক্তি কৰি আছেনে? আপোনাৰ গুৰুদেৱে আপোনাক জপ কৰিবলৈ দিয়া মন্ত্ৰ (হৰে ৰাম হৰে ৰাম, ৰাম ৰাম হৰে হৰে, হৰে কৃষ্ণ হৰে কৃষ্ণ, কৃষ্ণ কৃষ্ণ হৰে হৰে, ওম নম শিবায়, ওম ভগৱতে বাসুদেবায় নমঃ, ৰাধে ৰাধে শ্যাম মিলাই দে, গায়ন্ত্ৰী মন্ত্ৰ আৰু বিষ্ণু সহস্ৰ নাম) গীতাত আছেনে? গীতাত একাদশীৰ ব্ৰত পালন কৰিবলৈ আৰু শৰাধ কৰিবলৈ বা পিণ্ডদান কৰিবলৈ আদেশ আছেনে?

উত্তৰঃ- (ধৰ্মদাস দেৱৰ ) নাই।

প্ৰশ্ন ৩৩ঃ-(পৰমেশ্বৰৰ) তেন্তে আপুনি সেই খেতিয়কৰ পুতেকৰ দৰে কাম কৰি আছে যি জনে পিতাৰ আদেশ উলংঘা কৰি নিজৰ মতে অসময়ত বেয়া কঠীয়া সিঁচি মূৰ্খতাৰ প্ৰমাণ দিছে আৰু আপুনিও তেওক মূৰ্খ বুলিয়ে কৈছিল। আপুনি সেই খেতিয়ক জনৰ মুৰ্খ পুত্ৰতকৈ কম হয় জানো ?

ধৰ্মদাসে ক'লে হে জিন্দা সন্ত আপুনি মুছলমান ফকিৰ গতিকে আমাৰ হিন্দু ধৰ্মৰ ভক্তি বিধি আৰু মন্ত্ৰক ভুল বুলি কৈছে।

উত্তৰঃ-(জিন্দা বেশত কবীৰ দেবৰ) হে স্বামী ধৰ্মদাসদেৱ ,মই একো কোৱা নাই আপোনাৰ ধৰ্ম গ্ৰন্থই কৈছে যে আপোনাৰ ধৰ্মৰ ধৰ্মগুৰুৱে আপোনাক শাস্ত্ৰবিধি ৰহিত মনেসজা আচৰণ কৰিবলৈ কৈছে যাৰ বিষয়ে গীতা অধ্যায় ১৬ ৰ শ্লোক ২৩-২৪ ত উল্লেখ আছে। তাত উল্লেখ আছে যে যি সাধকে শাস্ত্ৰবিধি ত্যাগ কৰি মনেসজা আচৰণ কৰে অৰ্থাৎ মনে গঢ়া মন্ত্ৰ জপ কৰে, মনে গঢ়া শৰাধ কৰ্ম আৰু পিণ্ডোদক কৰ্ম আৰু ব্ৰত আদি কৰে, তেওঁ কোনো সুখ, শান্তি, গতি অৰ্থাৎ মোক্ষ লাভ নকৰে, গতিকে সকলো মনে সজা সাধনা ব্যৰ্থ। অধ্যায় ১৬ ৰ ২৪ নং শ্লোকত কৈছে কৰ্ত্তব্য অৰ্থাৎ উচিত ভক্তি কৰ্ম আৰু অকৰ্তব্য অৰ্থাৎ অনুচিত ভক্তি কৰ্মৰ ব্যৱস্থাত শাস্ত্ৰই প্ৰমাণ। এই শাস্ত্ৰসমূহত কোৱা ভক্তি কৰ্ম কৰিলেহে লাভ হ'ব।

ধৰ্মদাসদেৱে ক'লে, "হে জিন্দা সন্ত, তুমি নিজৰ মুখ বন্ধ কৰা মই আৰু একোকে শুনিব নোখোজোঁ"। জিন্দা ৰূপত অহা পৰমেশ্বৰে ক'লে," হে বৈষ্ণৱ মহাত্মা ধৰ্মদাসদেৱ সত্য নিমপাতৰ দৰে তিতা কিন্তু ৰোগীয়ে ইচ্ছা নথকাতো তিতা দৰৱ খাবই লাগিব, এইটো তেওঁৰ বাবে পথ্য, হিতকৰ হয়। যদি আপুনি বেয়া পাইছে মই যাওঁ, এই বুলি কৈয়েই পৰমেশ্বৰ (জিন্দা বেশত থকা) অন্তৰ্দ্ধান হ'ল। ধৰ্মদাসে আচৰিত মানি ভাবিলে যে এওঁ কোনো সামান্য সন্ত নহয়। এখেত নিশ্চয় কোনো বিদ্বান পুৰুষ, মুছলমান হৈও হিন্দু ধৰ্মশাস্ত্ৰৰ সম্পূৰ্ণ জ্ঞান আছে, এওঁ কোনো দেৱতাও হ'ব পাৰে। ধৰ্মদাসে অন্তৰেৰে স্বীকাৰ কৰিছিল যে তেওঁ গীতা শাস্ত্ৰৰ বিৰুদ্ধ সাধনা কৰি আছিল, কিন্তু অভিমানৰ বাবে প্ৰকাশ্যে ক'ব পৰা নাছিল। পৰমেশ্বৰ অন্তৰ্দ্ধান হোৱাত তেওঁৰ মন ভাগিল যে তেওঁৰ সাধনা গীতা শাস্ত্ৰ বিৰুদ্ধ হয়, মনতে ভাবিলে তেওঁ ভগৱানৰ আদেশ উলংঘা কৰিছে। গুৰু শ্ৰীৰূপ দাস দেৱৰো প্ৰকৃত ভক্তি বিধিৰ জ্ঞান নাই, গতিকে এনে ভক্তি কৰা বা নকৰা সমান, সকলো ব্যৰ্থ। বৰ নিৰাশ হৈ চাৰিওফালে চালে আৰু অন্তৰেৰে ভাবিলে যে তেওঁ বৰ অবুজন। সকলো সত্য দেখিও এজন পৰমেশ্বৰ তুল্য মহাত্মাক তেওঁ নিজৰ নিৰ্বোধিতা আৰু হঠৰ বাবে হেৰুৱালে, মনে মনে প্ৰাৰ্থনা কৰিলে, "হে পৰমেশ্বৰ, আকৌ এবাৰ সেই সন্তক লগ পালে মই নিজৰ হঠকাৰিতা এৰি নম্ৰভাৱে সকলো জ্ঞান বুজি লম"। এনেদৰে গোটেই দিনটো ভাবি ভাবি ৰাতি শুই পৰিল, গোটেই ৰাতি ইকাতি সিকাতি কৰি কটালে, ভাবিলে যে পৰমেশ্বৰ এয়া কি হ'ল ? সকলো সাধনা শাস্ত্ৰ বিৰুদ্ধ কৰি আছোঁ। সেই দেৱদূতে মোৰ চকু মুকলি কৰি দিলে। এতিয়া আয়ুসো ৬০ বছৰ হ'ল,

সেই জিন্দা সন্ত ৰূপী দেৱতাক আকৌ লগ পামনে নাপাওঁ। ৰাতিপুৱা সময়মতে উঠিল, ৰন্ধা বঢ়া কৰিব ধৰিলে, সেইদিনা ভক্তি কৰ্ম একো নকৰিলে। আগদিনাখন আনি থোৱা খৰি ভাঙি ভোজন ৰান্ধিলে। এডাল খৰি শকত আৰু ফোপোলা আছিল, ভিতৰত বহুতো পৰুৱা আছিল। খৰিডাল জ্বলি শেষ হ'ব ধৰোঁতে ধৰ্মদাসে দেখিলে যে তাৰ এমূৰৰ পৰা গৰম জুলীয়া পদাৰ্থ ওলাই আছে আৰু পৰুৱাবোৰ ওলাই আহিব খোজাত তাত পৰি মৰিব ধৰিছে। তেওঁ লগে লগে খৰিডালৰ জুই নুমুৱালে। ভাবিলে যে বহুতো পৰুৱা মৰি গ'ল, গতিকে তেওঁ এই পাপযুক্ত ভোজন নাখাব, উপবাসে থাকিব আৰু ভোজন খিনি কোনো সাধু সন্তক দিব যাতে তেওঁৰ পাপ কিছু কমিব। এই ভাবি ভোজনখিনি লৈ সাধু সন্তৰ সন্ধানত ওলাল। পৰমেশ্বৰ কবীৰদেবে হিন্দু সন্তৰ ভেশত গছৰ তলত বহিল, ধৰ্মদাসে তেওঁক দেখি ভোজনৰ থালী থৈ মহাত্মাজনক ভোজন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলে। সাধুৰ বেশত থকা পৰমেশ্বৰে কলে, "দিয়া ধৰ্মদাস, ভোক লাগিছে"। নিজৰ নামেৰে মতা দেখি ধৰ্মদাস আচৰিত হল কিন্তু বিশেষ ধ্যান নিদিলে। সাধুৰূপত বহি থকা পৰমেশ্বৰে কমণ্ডলুৰ পৰা অলপ পানী হাতত লৈ কিছু বাণী উচ্চাৰণ কৰি ভোজনৰ ওপৰত পানী ছটিয়ালে। সকলো ভোজন পৰুৱা লৈ ৰূপান্তিৰত হ'ল, থালীখন পৰুৱাৰে কলা হৈ পৰিল। পৰুৱাবোৰে কণী মুখত লৈ থালীৰ পৰা ওলাবলৈ চেষ্টা কৰিলে। পৰমেশ্বৰৰ ৰূপো সলনি হৈ জিন্দা মহাত্মাৰ ৰূপ হ'ল। তেতিয়া পৰমেশ্বৰে ক'লে,"হে বৈষ্ণৱ সন্ত ধৰ্মদাস, আপুনি কৈছিল যে কোনো জীৱ হিংসা নকৰে, আপোনাতকৈ কচাই হে কম হিংসুক। আপুনি কেটি কোটি জীৱ হিংসা কৰিলে"। ধৰ্মদাস লগে লগে সাধুৰ চৰণত পৰিল, আগদিনা কৰা ভুলৰ বাবে ক্ষমা খুজি প্ৰাৰ্থনা কৰিলে,"হে প্ৰভু মই অজ্ঞানীক ক্ষমা কৰক মই অসাহয়বোধ কৰিছোঁ কাৰণ আগৰ সাধনা পূৰ্ণৰূপে শাস্ত্ৰ বিৰুদ্ধ, সেইটো কৰি একো লাভ নহয়, আপুনি গীতাৰ পৰা প্ৰমাণ কৰি দিছে। এতিয়া শাস্ত্ৰানুকুল সাধনা কোনে ক'ব, এয়া আপুনিয়ে ক'ব পাৰিব, আপোনাৰ পৰা সম্পূৰ্ণ আধ্যাত্মিক জ্ঞান শুনিবলৈ মই বৰ ইচ্ছুক। অনুগ্ৰহ কৰি এই দাসক সেই জ্ঞান দিয়ক যাৰ দ্বাৰা মোৰ মোক্ষ হব পাৰে"।

## "ব্ৰত পালন কৰা সম্পৰ্কে গীতাই কি কয়"

(জিন্দা সাধুৰ ৰূপত ) পৰমেশ্বৰে ক'লে,"হে ধৰ্মদাস,আপুনি একাদশীৰ ব্ৰত ৰাখে। শ্ৰীমদ্ভগৱত গীতা অধ্যায় ৬ ৰ শ্লোক ১৬ ত ব্ৰত পালন কৰিবলৈ বাধা দি কৈছে, "হে অৰ্জুন এই যোগ (ভক্তি) বেছিকৈ বা কমকৈ খোৱা সকলৰ অৰ্থাৎব্ৰত পালন কৰা সকলৰ আৰু বেছিকৈ শোৱাসকলৰ বা বেচিকৈ উজাগৰে থকা সকলৰ কাৰো সফল নহয়। এই শ্লোকত ব্ৰত পালন কৰা নিষেধ আছে, গীতা উলিয়াই চোৱা"। গীতাৰ শেক ধৰ্মদাসৰ কণ্ঠস্থ আছিল, কাৰণ নিতৌ পাঠ কৰিছিল। তথাপিও জিন্দা সন্তই বেয়া পাব বুলি গীতাৰ অধ্যায় ৬ ৰ শ্লোক ১৬ পঢ়িলে আৰু স্বীকাৰ কৰিলে যে পৰমেশ্বৰে তেওঁৰ চকু মুকলি কৰি দিছে আৰু তেওঁক পৰমেশ্বৰ স্বৰূপ বুলি স্বীকাৰ কৰিলে।

## “শ্ৰাদ্ধ (শৰাধ) পিণ্ডদান গীতাৰ মতে কেনেকুৰা”

আপুনি শ্ৰাদ্ধ আৰু পিণ্ডদান কৰে। গীতা অধ্যায় ৯ ৰ শ্লোক ২৫ ত স্পষ্ট কৰিছে যে ভূতৰ পূজা কৰা সকলে ভূত প্ৰাপ্তি কৰিব। শ্ৰাদ্ধ আৰু পিণ্ডদান কৰাটো ভূতৰ পূজা হয়, এইটো ব্যৰ্থ সাধনা।

## “শ্ৰাদ্ধ-পিণ্ডদানৰ প্ৰতি ঋষি ৰুচীৰ বেদোক্ত মত”

মাৰ্কণ্ডেয় পূৰাণত “ৰৌচ্য ঋষিৰ জন্ম” কথা আছে। এজন ৰুচী নামৰ ঋষি আছিল। তেওঁ ব্ৰহ্মচৰ্য পালন কৰি বেদৰ মতে সাধনা কৰিছিল, বিয়া কৰা নাছিল। ৰুচী ঋষিৰ দেউতা, ককা, আজো ককা আৰু আজো ককাৰ দেউতা সকলো প্ৰেত (ভুত) যোনিত ভোকে পিয়াহে ঘূৰি ফুৰিছিল। এদিনাখন চাৰিওজনে ৰুচী ঋষিক দেখা দি ক'লে,“পুত্ৰ , তুমি কিয় বিয়া কৰা নাই ? বিয়া কৰি আমাৰ শৰাধ কৰিবা”। ৰুচী ঋষিয়ে ক'লে,“হে পিতামহসকল, বেদত শৰাধ আদি কৰ্মক অবিদ্যা (মুৰ্খতা, অজ্ঞানতা) বুলি কৈছে, আকৌ আপোনালোকে মোক এনে কৰ্ম কৰিবলৈ কিয় কৈছে?

পিতৃসকলে ক'লে এইটো সত্য যে শ্ৰাদ্ধ আদি কৰ্মক বেদত অবিদ্যা অৰ্থাৎ মুৰ্খৰ কাম বুলি কৈছে। আকৌ সেই পিতৃসকলে বেদ বিৰুদ্ধ জ্ঞানৰ দ্বাৰা ৰুচী ঋষিক ভ্ৰমিত কৰিলে কাৰণ মোহমায়াও অজ্ঞানতাৰ গুৰি হয়। মাৰ্কণ্ডেয় পুৰাণৰ প্ৰকৰণৰ পৰা এইটো স্পষ্ট হ'ল যে বেদত আৰু বেদৰ সংক্ষিপ্ত ৰূপ গীতাত শ্ৰাদ্ধ -পিণ্ডদান আদি ভুত পূজা কৰ্মক নিষেধ কৰিছে, গতিকে এইবোৰ কৰিব নালাগে। সেই মুৰ্খ ঋষি (পিতৃ) সকলে নিজৰ পুত্ৰক শ্ৰাদ্ধ কৰিবলৈ বাধ্য কৰিলে। তেওঁ বিয়া কৰালে, ৰৌচ্য ঋষিৰ জন্ম হ'ল, পুত্ৰকো পাপৰ অংশীদাৰ কৰি ললে।

আমি যাক গায়ত্ৰী মন্ত্ৰ বুলি কওঁ সেইটো যজুৰ্বেদ অধ্যায় ৩৬ ৰ মন্ত্ৰ-৩ হয়, তাৰ আগত “ওম” আখৰ নাই। যদি বেদৰ এই মন্ত্ৰৰ আগত “ওম” যোগ কৰা হয় এইটো পৰমেশ্বৰক অপমান কৰা হ'ব কাৰণ “ওম” আখৰ ব্ৰহ্মৰ জপ মন্ত্ৰ হয়। যজুৰ্বেদ অধ্যায় ৩৬ মন্ত্ৰ ৩ ত পৰম অক্ষৰ ব্ৰহ্মৰ মহিমা আছে। যদি কোনো অজ্ঞানীয়ে প্ৰধানমন্ত্ৰীলৈ লিখা চিঠিত “প্ৰতি মাননীয় মুখ্যমন্ত্ৰী” বুলি লিখে সেইটো প্ৰধানমন্ত্ৰীক অপমান কৰাহে হ'ব। আকৌ যজুৰ্বেদৰ এই মন্ত্ৰৰ জপ বাৰে বাৰে কৰা সৰ্ম্পকত কওঁ যে এই মন্ত্ৰ মোক্ষ লাভৰ নহয়। মন্ত্ৰৰ মূল পাঠ এনেধৰণৰ ঃ-

ভূৰ্ভৰঃ স্বঃ ত্‌ত্‌ সবিতু বৰেণীয়ম ভৃগো দেবস্য ধীমহি ধীয়ো য়োনঃ প্ৰচোদয়াত।

অনুবাদঃ (ভূঃ) স্বয়ম্ভূ পৰমাত্মা পৃথিৱীলোক (ভৱঃ) গোলোক আদি সকলো লোকৰ শব্দ শক্তিৰ দ্বাৰা উৎপত্তি কৰ্তা হয়, (স্বঃ) স্বৰ্গলোক আদি সুখৰ আলয় হয়। (তত্‌) তেওঁ (সবিতু) সেই সকলোৰে জনক পৰমাত্মা হয়। (বৰেণীয়ম) সকলো সাধকৰ বৰণীয় অৰ্থাৎ শুদ্ধ আত্মাৰ দ্বাৰা ভক্তিৰ যোগ্য হয়। (ভৃগো) তেজোময় অৰ্থাৎ প্ৰকাশবান (দেবস্য) পৰমাত্মা (ধীমহি) সম্পৰ্কে উচ্চ ধাৰণা লৈ অৰ্থাৎ ভালদৰে বুজি লৈ (ধীয়ো নঃ প্ৰচোদয়াত)যি সকলে বুদ্ধিমানৰ দৰে বিবেচনা কৰে, সেইজন বিবেকশীল ব্যক্তি মোক্ষ লাভৰ অধিকাৰী হয়।

ভাবাৰ্থ ঃ- স্বয়ম্ভূ পৰমাত্মা পৃথিৱী গোলোক, স্বৰ্গলোককে ধৰি সকলো লোকৰ সৃষ্টি কৰ্তা হয়। শ্ৰেষ্ঠ ভক্ত সকলে সেই দীপ্তিমান পৰমেশ্বৰৰ ভক্তি এই বুলি কৰিব লাগিব যে আমি তেওঁৰ ভক্তি কৰোঁ যি জন পুৰুষোত্তম হয়, যি জন সকলো প্ৰভুতকৈ শ্ৰেষ্ঠ হয়, যি জন সুখধাম অৰ্থাৎ সকলো সুখৰ দাতা হয়। এইটো হ'ল ওপৰোক্ত মন্ত্ৰৰ অসমীয়া অনুবাদ আৰু ভাবাৰ্থ। এই মন্ত্ৰ সংস্কৃতত বা অসমীয়াত আওৰাই থাকিলে মোক্ষ লাভ নহয়। কাৰণ এইটো পৰমেশ্বৰৰ মহিমাৰ এটা অংশ মাথোন অৰ্থাৎ হাজাৰ হাজাৰ বেদ মন্ত্ৰৰ ভিতৰৰ এটা মন্ত্ৰ যাৰ উল্লেখ যজুৰ্বেদ অধ্যায় ৩৬ ৰ মন্ত্ৰ ৩ ত আছে। চাৰিওবেদ পঢ়ি থাকিলেও মোক্ষ সম্ভৱ নহয়। মোক্ষ লাভৰ বাবে বেদ বৰ্ণিত জ্ঞানৰ আধাৰত ভক্তি কৰ্ম কৰিব লাগিব।

উদাহৰণঃ- বিজুলীৰ মহিমা অনেক। বিজুলীয়ে পোহৰ দিয়ে, টিউবৱেল চলাই খেতিত পানী সিচেঁ, বহুতো কল- কাৰখানা চলে ইত্যাদি গুণ বিজুলিৰ আছে। কোনো ব্যক্তিয়ে নিতৌ বিজুলীৰে গুণ পাঠ কৰি থাকিলে তাৰ পৰা বিজুলীৰ লাভ একো নাপায়। লাভৰ বাবে বিজুলীৰ সংযোগ লব লাগিব, সংযোগ কেনেকৈ লব পাৰি তাৰ বিধি জানিলে বিজুলীৰ গুণৰ পৰা হোৱা লাভ পাব পাৰি। অকল বিজুলীৰ গুণ-গান কৰি থাকিলে লাভ নহ'ব।

এইদৰেই বেদৰ মন্ত্ৰবোৰত অৰ্থাৎ শ্ৰীমদ্‌ভাগৱত গীতা (চাৰিও বেদৰ সাৰাংশ) ত মোক্ষ লাভৰ বাবে যি জ্ঞান আছে সেইমতে আচৰণ কৰিলে মোক্ষ লাভ অৰ্থাৎ পৰমেশ্বৰ প্ৰাপ্তি হ'ব।

প্ৰশ্ন ৩৪ ঃ-(ধৰ্মদাসৰ) হে মহাত্মা, মই এইটোও নাজানো গীতাৰ কোনখিনি জ্ঞানৰ দ্বাৰা মোক্ষ লাভ হব? মই গীতা পঢ়িছোঁহে, বুজি পোৱা নাই, আমাৰ ধৰ্মগুৰু সকলে যি ভক্তি, সাধনা কৰিবলৈ ক'লে তাক শ্ৰদ্ধাৰে কৰি আহিছোঁ। বছৰ বছৰ ধৰি প্ৰচলিত ভক্তি শাস্ত্ৰ বিৰুদ্ধ হ'লেও সকলো ভকতে সত্য বুলি মানি লৈছে। গীতাত উল্লেখিত ভক্তি বিধি যথেষ্ট হয়নে?

উত্তৰ ঃ- (মহাত্মাৰ) গীতাৰ ভক্তি বিধি ব্ৰহ্ম প্ৰাপ্তিৰ বাবেহে। পূৰ্ণ মোক্ষ লাভৰ বাবে পৰম অক্ষৰ ব্ৰহ্মৰ ভক্তি কৰিব লাগিব, ইয়াৰ সম্পূৰ্ণ বিধি গীতাত নাই, অকল সংকেতহে আছে। উদাহৰণস্বৰূপে গীতা অধ্যায় ১৭ৰ শ্লোক ২৩ ত কৈছে, "সচ্চিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম প্ৰাপ্তিৰ বাবে "ওঁ", "তত্,সত্"এই মন্ত্ৰৰ নিৰ্দেশ আছে। ইয়াৰ স্মৰণৰ বিধি তিনি প্ৰকাৰৰ। এই মন্ত্ৰৰ "ওঁ" স্পষ্ট ভাৱে ক্ষৰ পুৰুষ অৰ্থাৎব্ৰহ্মৰমন্ত্ৰ হয়, কিন্তু "পৰব্ৰহ্ম" (অক্ষৰ পুৰুষ) ৰ মন্ত্ৰ "তত্" সাংকেতিক হয়, দীক্ষা লোৱা সকলক তত্বদৰ্শী সন্তই ক'ব।পূৰ্ণব্ৰহ্ম (পৰম অক্ষৰ ব্ৰহ্ম) ৰ "সত্" মন্ত্ৰও সাংকেতিক, তত্বদৰ্শী সন্তই দীক্ষা লোৱা সকলক ক'ব। তত্বদৰ্শী সন্তইহে পূৰ্ণ মোক্ষৰ পথ জানে বেদ, গীতা, পুৰাণ আৰু উপনিষদত মোক্ষ লাভৰ পথ নাই। তত্বজ্ঞানৰ সত্যতা প্ৰমাণিত কৰিবলৈ গীতা আৰু বেদ সহায়ক হব পাৰে, কাৰণ বেদ, গীতাত থকা ভক্তি বিধি তত্বজ্ঞানতো আছে। সুক্ষ্মবেদ অৰ্থাৎ তত্বজ্ঞানত বেদ আৰু গীতাৰ ভক্তি বিধিৰ ওপৰিও পূৰ্ণমোক্ষ লাভৰ সাধনা বিধি আছে। উদাহৰণস্বৰূপে দশম শ্ৰেণীৰ পাঠ্যক্ৰম

ভুল নহয় কিন্তু অসম্পূর্ণ। বি.এ, এম.এ ৰ পাঠ্যক্ৰমত দশম শ্ৰেণীৰ জ্ঞানো থাকে আৰু তাৰ পৰবৰ্তী পৰ্যায়ৰ জ্ঞানো থাকে। বেদ গীতা আৰু সুক্ষ্ম বেদৰ জ্ঞানৰ পাৰ্থক্যও তেনেধৰণৰ।

প্ৰশ্ন৩৫ ঃ- (ধৰ্মদাস দেৱৰ) পূৰ্ণ মোক্ষ মাৰ্গ অকল তত্বদৰ্শী সন্তৰ লগত হে থাকে, বেদ আৰু গীতাত নাই বুলি বেদ আৰু গীতাত ক'ত উল্লেখ আছে? হে প্ৰভু, মহাত্মা মোৰ সন্দেহ দূৰ কৰক, আপোনাৰ জ্ঞানে অন্তৰ চুইছে, সত্যও, কিন্তু প্ৰত্যক্ষ প্ৰমাণ দেখিলেহে বিশ্বাস হ'ব।

উত্তৰঃ- (মহাত্মা বেশত পৰমেশ্বৰৰ) গীতা অধ্যায় ৪ ৰ শ্লোক ২৫ ৰ পৰা ৩০ লৈকে গীতা জ্ঞানদাতাই কৈছে যে হে অৰ্জুন সকলো সাধকে নিজে কৰা সাধনা বা ভক্তিক পাপ নাশক বা মোক্ষদায়ক বুলি ভাৱি নিজে কৰা সাধনাত আগবাঢ়ে। যদি তেওঁলোকে কৰা সাধনা নিশ্চিতৰূপে শাস্ত্ৰ সন্মত নহয় বুলি জনা হ'লে সাধকে তেনে সাধনা এৰিদিলেহেতেঁন। যেনে কিছুমান সাধকে দেৱতাৰ পূজাৰূপী যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠান কৰি তাকে পূজা বুলি ভাবি লয়। অন্যসকলে ব্ৰহ্মৰ পূজা লৈকে আগবাঢ়ি যায়। কিছুমানে অকল জুইত ঘী ঢালি অনুষ্ঠান কৰে অৰ্থাৎ হোম কৰে। (গীতা অধ্যায় ৪ শ্লোক ২৫ )

* অন্য যোগী অৰ্থাৎ ভকত সকলে চকু, কাণ, মুখ বন্ধ কৰি ক্ৰিয়া কৰে। এনে ক্ৰিয়া কৰি নিজৰ মানৱ জীৱন হোম অৰ্থাৎ শেষ কৰে। (গীতা অধ্যায় ৪ শ্লোক ২৬)

* অন্য যোগী অৰ্থাৎ ভকত সকলে শ্বাসৰ অহা-যোৱা ক্ৰমত ধ্যানমগ্ন হৈ ভক্তি সাধনা কৰে। ইয়াৰ দ্বাৰা তেওঁলোকে আত্মসংযম সাধনাৰূপী অগ্নিত নিজৰ জীৱন আহুতি দিয়ে অৰ্থাৎ সেই কৰ্মত মানৱ জীৱন শেষ কৰে, তেওঁলোকে এনে সাধনাক জ্ঞানদীপ অৰ্থাৎ শ্ৰেষ্ঠ সাধনা বুলি মানে।(গীতা অধ্যায় ৪ শ্লোক ২৭)

* অন্য কিছুমান সাধকে দ্ৰব্য যজ্ঞ কৰে অৰ্থাৎ ধনৰ দ্বাৰা হোৱা যজ্ঞ বা ধাৰ্মিক অনুষ্ঠান কৰে, যেনে- ভোজৰ ব্যৱস্থা কৰা, কাপোৰ আদি বিলোৱা, ধৰ্মশালা, কুঁৱা আদিৰ নিৰ্মাণ যজ্ঞ কৰে। কিছুমানে তপস্যা কৰে, আন কিছুমানে যোগাসন কৰে। এইবোৰকে পৰমাত্মা প্ৰাপ্তিৰ সাধনা বুলি মানে। বহুতো সাধকে অহিংসা আদি কঠোৰ ব্ৰত পালন কৰে, যেনে মুখত পটী বন্ধা, খালী ভৰিৰে খোজকঢ়া, কেবাদিনো উপবাসে থকা ইত্যাদি। অন্য যোগী অৰ্থাৎ সাধকে নিতৌ বেদ আদি গ্ৰন্থৰ কিছুমান মন্ত্ৰ পাঠ কৰে অৰ্থাৎ জ্ঞান যজ্ঞ কৰে আৰু এই ক্ৰিয়াক মোক্ষ দায়ক বুলি মানে। (গীতা অধ্যায় ৪ শ্লোক ২৮ )

* অন্য যোগী অৰ্থাৎ ভকত সকলে প্ৰাণবায়ুক (শ্বাস) অপান বায়ুত লৈ যোৱাৰ ক্ৰিয়া কৰে। অন্যই ইয়াৰ বিপৰীতে অপান বায়ুক প্ৰাণ বায়ুত লৈ যোৱাৰ ক্ৰিয়া কৰে। বহুতো সাধক অল্পহাৰীহৈ থাকে। কিছুমানে যৌগিক ক্ৰিয়া কৰে, যেনে- প্ৰাণায়ামত অভ্যস্ত সাধকে প্ৰাণ-অপানৰ গতি ৰুদ্ধ কৰি কম শ্বাস লয়। এই প্ৰক্ৰিয়াত নিজৰ মানৱ জীৱন আহুতি দিয়ে অৰ্থাৎ সমৰ্পিত কৰে। ওপৰোক্ত সকলো (অধ্যায় ৪ ৰ শ্লোক ২৫ ৰ পৰা ৩০ লৈ বৰ্ণনা কৰা) সাধকে নিজৰ যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠান পালন কৰি মানি লয় যে তেওঁলোকে পাপনাশক ভক্তি সাধনা কৰিছে। (গীতা অধ্যায় ৪ ৰ শ্লোক ৩০ )

* হে কুৰুশ্ৰেষ্ঠ অৰ্জুন, যদি সাধকৰ সাধনা শাস্ত্ৰানুকূল হয় তেন্তে এই যজ্ঞৰ উচ্ছিষ্ট অমৃত ভোগ খোৱা সাধকে সনাতন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মক প্ৰাপ্তি কৰে আৰু শাস্ত্ৰানুকূল সাধনা নকৰা পুৰুষৰ বাবে এই পৃথিৱীলোকো সুখময় নহয় আকৌ পৰলোক কেনেকৈ সুখময় হ'ব পাৰে অৰ্থাৎ শাস্ত্ৰ বিৰুদ্ধ সাধকৰ কোনো লাভ নহয়। গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ ত এই প্ৰমাণ আছে। (গীতা অধ্যায় ৪ ৰ শ্লোক ৩১)

গীতা জ্ঞান দাতাই ওপৰত শ্লোক ২৫ ৰ পৰা ৩০ লৈকে স্পষ্ট কৰিছে যে সাধকে নিজে কৰা সাধনাক মোক্ষদায়ক আৰু সত্য বুলি মানি কৰি থাকে। কিন্তু গীতা অধ্যায় ৪ ৰ শ্লোক ৩২ ত কৈছে যে "যজ্ঞ অৰ্থাৎ ধাৰ্মিক অনুষ্ঠানৰ যৰ্থাথ জ্ঞান (ব্ৰহ্মণঃ মুখে) পৰম অক্ষৰ ব্ৰহ্মাই স্বয়ং নিজ মুখ কমেলেৰে কৈ দিয়ে।{সেই জ্ঞানকে সচিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ বাণী বোলা হৈছে। তাক তত্বজ্ঞান বুলিও কোৱা হয়, পঞ্চম বেদ (সুক্ষ্ম বেদ) বুলিও কয়} সেই তত্বজ্ঞানত ভক্তিবিধি বিস্তৃতভাৱে বৰ্ণনা কৰা আছে। এই ভক্তি বিধি বুজি লৈ সাধক সকলো পাপৰ পৰা মুক্ত হয় অৰ্থাৎ তেওঁ পূৰ্ণ মোক্ষ প্ৰাপ্তি কৰে।

টোকাঃ- গীতা অধ্যায় ৪ শ্লোক ৩২ ৰ অনুবাদত সকলো অনুবাদকে একে ধৰণৰ ভুল কৰিছে। "ব্ৰহ্মণ" শব্দৰ অৰ্থ "বেদ" বুলি কৈছে। "ব্ৰহ্মণ মুখে" ৰ অৰ্থ ভুল কৈ "বেদৰ বাণীত" বুলি কৈছে। এই অনুবাদকসকলে গীতা অধ্যায় ১৭ ৰ শ্লোক ২৩ ত "ব্ৰহ্মণ"ৰ অৰ্থ "সচিদানন্দ ঘন ব্ৰহ্ম" লিখিছে- এইটো শুদ্ধ হয়। প্ৰমাণৰ বাবে চাওক গীতাৰ ওপৰোক্ত শ্লোকৰ ফটোকপিৰ অনুবাদ এই পুথিৰ ২৮৫ পৃষ্ঠাত।

* গীতা অধ্যায় ৪ শ্লোক ৩৪ ত গীতা জ্ঞান দাতাই কৈছে যে সেই জ্ঞান (যি জ্ঞান পৰমেশ্বৰে নিজ মুখ কমলেৰে কৈ শুনায় আৰু যি তত্বজ্ঞান হয়) তুমি তত্বদৰ্শী সন্তৰ ওচৰত গৈ বুজি লবা। তেওঁক সাষ্টাংগ প্ৰণাম কৰি কপটতা এৰি বিনম্ৰভাবে প্ৰশ্ন কৰিলে তত্বদৰ্শী সন্তই তোমাক তত্বজ্ঞানৰ উপদেশ দিব।

* ইয়াৰ পৰা এইটোও প্ৰমাণিত হ'ল যে গীতাৰ জ্ঞান সম্পূৰ্ণ নহয় কিন্তু ভুলো নহয়। গীতা জ্ঞান দাতাৰো পূৰ্ণ মোক্ষ মাৰ্গৰ জ্ঞান নাই কাৰণ তত্বজ্ঞানৰ কথা (যিটো পৰমেশ্বৰে অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মাই নিজ মুখ কমলেৰে কয়) তেওঁ নাজানে । সেই জ্ঞান তত্বদৰ্শী সন্তৰ পৰা জানিবলৈ কৈছে।

* একেই প্ৰমাণ যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১০ ত আছে। উল্লেখ আছে যে পৰম অক্ষৰ ব্ৰহ্মক কিছুমানে "সম্ভবাত" অৰ্থাৎ ৰাম-কৃষ্ণৰ দৰে জন্ম হোৱা সাকাৰ বুলি কয়, কিছুমানে "অসম্ভবাত" অৰ্থাৎ পৰমেশ্বৰে জন্ম নলয়, তেওঁ নিৰাকাৰ বুলি কয়। পৰমেশ্বৰে জন্ম লয় নে নলয়, প্ৰকৃততে পৰমেশ্বৰ কেনেকুৱা ? এই জ্ঞান "ধীৰাণাম" অৰ্থাৎ তত্বদৰ্শী সন্তই ক'ব, তেওঁৰ পৰা শুনি লবা।

প্ৰশ্ন৩৬ ঃ (ধৰ্মদাসদেৱৰ) হে জিন্দা প্ৰভু, তত্বদৰ্শী সন্তৰ পৰিচয় কি আৰু প্ৰমাণিত সদগ্ৰন্থ বিলাকত ইয়াৰ প্ৰমাণ আছেনে ? আপোনাৰ জ্ঞানে আত্মা ভেদি গৈছে। গীতাৰ প্ৰতিটো শব্দৰ প্ৰকৃত ভাবাৰ্থ আপোনাৰ মুখ কমলৰ পৰা শুনি যুগ-যুগান্তৰৰ পৰা পিপাসু আত্মা কিছু পৰিমাণে তৃপ্ত হৈছে, অতি আনন্দিত হৈছে।

উত্তৰ ঃ (জিন্দা মহাত্মাৰ বেশত পৰমেশ্বৰৰ) প্ৰথমতে তত্বদৰ্শী সন্ত অৰ্থাৎ পূৰ্ণ জ্ঞানী সত গুৰুৰ লক্ষণ শুনা -

*গুৰুকে লক্ষণ চাৰ বখানা, প্ৰথম বেদ শাস্ত্ৰ কো জ্ঞানা (জ্ঞাতা)*
*দুজে হৰি ভক্তি মন কৰ্ম বাণী,তিসৰে সমদৃষ্টি কৰ জানী।*
*চৌথে বেদ বিধি সব কৰ্মা, য়হ চাৰ গুৰু গুন জানো মৰ্মা।*

"কবীৰ সাগৰ"ৰ "জীৱ ধৰ্ম বোধ" অধ্যায়ৰ ১৯৬০ পৃষ্ঠাত ওপৰৰ অমৃত বাণী সমূহ লিখা আছে।

ভাবাৰ্থঃ তত্বদৰ্শী সন্তৰ (পূৰ্ণ গুৰুৰ) চাৰিটা মুখ্য গুণ থাকে -

১) তেওঁ বেদ আৰু আন সকলো গ্ৰন্থৰ পূৰ্ণজ্ঞানী হয়।

২) তেওঁ কায়মনোবাক্যে পৰমেশ্বৰৰ ভক্তি নিজেও কৰে, অকল প্ৰবচন দি নুফুৰে, তেওঁৰ কথা আৰু কামত পাৰ্থক্য নাথাকে।

৩) তেওঁ নিজৰ সকলো অনুগামীক সমান দৃষ্টিৰে চায়। উচ্চ নীচৰ ভেদভাৱ নাৰাখে।

৪) তেওঁ সকলো ভক্তি কৰ্ম বেদৰ মতে কৰে আৰু কৰোৱায় অৰ্থাৎ শাস্ত্ৰানুকূল ভক্তি সাধনা কৰে আৰু কৰোৱায়।

সুক্ষ্ম বেদত থকা ওপৰোক্ত প্ৰমাণ পৰমেশ্বৰে নিজ মুখ কমলৰ পৰা কৈছে। এতিয়া তত্বদৰ্শী সন্তৰ প্ৰমাণ গীতাৰ পৰা আপোনালোকক দেখুৱাই দিছোঁ। শ্ৰীমদ্‌ভগৱত গীতা অধ্যায় ১৫ শ্লোক ১ ত স্পষ্ট আছে -

*ঊৰ্দ্ধ মূলম অধঃ শাখম অশ্বত্থম প্ৰাহুঃ অব্যয়ম।*
*ছন্দাসি য়স্য পৰ্ণা নি, য়ঃ তম বেদ সঃ বেদবিত।।*

অনুবাদঃ- সংসাৰৰূপী আঁহত বৃক্ষৰ মূল (শিপা) ওপৰত থাকে, তলৰ ফালে তিনি গুণ ৰূপী শাখা ওলোটাকৈ ওলমি থাকে, ইয়াক অবিনাশী বৃক্ষ বোলা হয় কাৰণ সংসাৰৰ উৎপত্তি প্ৰলয় চক্ৰ অবিৰাম ভাবে চলিয়েই থাকে। এই সংসাৰৰূপী বৃক্ষৰ পাত আদি ছন্দ অৰ্থাৎ ভাগ থাকে। (য় তম বেদ) যি জনে এই সংসাৰৰূপী বৃক্ষৰ সকলো ভাগক তত্বেৰে সৈতে জানে, (সঃ) তেওঁ (বেদবিত) বেদৰ তাৎপৰ্য জানে অৰ্থাৎ তেওঁ তত্বদৰ্শী সন্ত হয়। গীতা অধ্যায় ৪ শ্লোক ৩২ তো কৈছে যে পৰম অক্ষৰ ব্ৰহ্মই নিজে পৃথিৱীলৈ আহি নিজ মুখ কমলেৰে বিস্তাৰিত ভাবে তত্বজ্ঞান বৰ্ণনা কৰে। পৰমেশ্বৰে নিজৰ বাণীত অৰ্থাৎ তত্বজ্ঞানত কৈছে ঃ-

*কবীৰ অক্ষৰ পুৰুষ এক পেড় হৈ ,ক্ষৰ পুৰুষ বাকি ডাৰ।*
*তীনো দেবা শাখা হৈ ,পাত ৰূপ সংসাৰ।।*

ভাবাৰ্থ ঃ মাটিৰ ওপৰত থকা গছৰ অংশক গা-গছ বোলে। এই গা-গছ হ'ল অক্ষৰ পুৰুষ। গা-গছৰ পৰা কেইবাটাও শকত ডাল ওলায়, তাৰে এটা শকত ডাল হ'ল ক্ষৰ পুৰুষ। ইয়াৰ পৰা তিনিটা ডাল ওলাইছে। এওঁলোক হ'ল তিনিজন দেৱতা (ৰজ গুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তম গুণ শিৱ) আৰু শাখাৰ আগফালে পাত ওলায়-এই পাতবোৰ হ'ল সংসাৰ।

গীতা অধ্যায় ১৫ শ্লোক ১ৰ পৰা ৪ লৈকে সাংকেতিক বিৱৰণ আছে। তত্বজ্ঞানতহে বিস্তৃত বৰ্ণনা আছে। প্ৰথমতে গীতা জ্ঞানৰ আধাৰত বিষয়টো জানোঁ আহক।

গীতা অধ্যায় ১৫ শ্লোক ২ ত কৈছে যে সংসাৰৰূপী বৃক্ষৰ তিনি গুণ (ৰজ গুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তম গুণ শংকৰ) ৰূপী শাখা আছে। এই শাখা বিলাক (তিনিও দেৱতা) ওপৰলৈ (স্বৰ্গলোক পৰ্যন্ত) আৰু তললৈ (পাতাল লোক পৰ্যন্ত) বিয়পি আছে।

টোকাঃ ব্ৰহ্মা ৰজ গুণ, বিষ্ণু সতগুণ আৰু শিৱ তম গুণ হয়। প্ৰমাণৰ বাবে প্ৰশ্ন ৭ চাওক। তিনিও দেৱতা ওপৰলৈ আৰু তললৈ বিয়পি আছে বুলি কোৱাৰ অৰ্থ হ'ল গীতাৰ জ্ঞান পৃথিৱী লোকত কৈ থকা হৈছিল। এই তিনিওজন দেৱতাৰ অস্তিত্ব তিনিটা লোকত আছে -

১) পৃথিৱী লোক, ২) স্বৰ্গ লোক, ৩) পাতাল লোক ।

তিনিজন দেৱতা এটাকৈ বিভাগৰ মন্ত্ৰী। ব্ৰহ্মা ৰজগুণ বিভাগৰ, বিষ্ণু সতগুণ বিভাগৰ আৰু শিৱ তম গুণ বিভাগৰ মন্ত্ৰী হয়।

গীতা অধ্যায় ১৫ শ্লোক ৩ ত কৈছে যে হে অৰ্জুন এই সংসাৰৰূপী বৃক্ষৰ স্বৰূপ, ইয়াত (বিবেচনাৰ সময়ত) অৰ্থাৎ তোমাৰ আৰু মোৰ মাজত হৈ থকা গীতা জ্ঞানৰ চৰ্চাত, বিচাৰি পোৱা নাই অৰ্থাৎ মই ক'ব নোৱাৰোঁ কাৰণ ইয়াৰ আদ্যোপান্ত জ্ঞান মই ভালদৰে নাজানো। সেইকাৰণে এই অতি দৃঢ়মূলৰ অৰ্থাৎ যি সংসাৰৰূপী বৃক্ষৰ মূল হয় (সেই পৰমাত্মাও অবিনাশী আৰু তেওঁৰ স্থান সত্যলোক, অলখলোক, অগমলোক আৰু অকহলোক, এই চাৰিখনৰ ওপৰৰ লোকো অবিনাশী। এই চাৰিও ঠাইত এজনেই পৰমেশ্বৰ বিভিন্ন ৰূপত সিংহাসনত বিৰাজমান হয়। গতিকে ইয়াক "সুদৃঢ়মূলম" (অতি দৃঢ়মূলৰ) বোলা হৈছে।) তাক তত্বজ্ঞান ৰূপী অস্ত্ৰৰে কাটি (বুজি) অৰ্থাৎ তত্বদৰ্শী সন্তৰ পৰা তত্বজ্ঞান বুজি আকৌ গীতা অধ্যায় ১৫ ৰ শ্লোক ৪ ত কোৱাৰ দৰে পৰমেশ্বৰৰ সেই পৰমপদ অৰ্থাৎ সত্যলোকৰ সন্ধান কৰিব লাগিব যত যোৱাৰ পাচত সাধক সংসাৰলৈ আকৌ কেতিয়াও উভতি নাহে। যিজন পৰমেশ্বৰৰ দ্বাৰা সংসাৰৰূপী বৃক্ষৰ প্ৰবৃত্তি বিস্তাৰ হৈছে অৰ্থাৎ যি জন পৰমেশ্বৰে সকলো সংসাৰৰ ৰচনা কৰিছে সেইজন পৰমেশ্বৰৰ ভক্তিৰ বিষয় প্ৰথমতে তত্বদৰ্শী সন্তৰ পৰা বুজি লবা । গীতা জ্ঞান দাতাই ইয়াত নিজৰ ভক্তিকো মানা কৰিছে। গীতা অধ্যায় ১৫ শ্লোক ১৬-১৭ ত তিনিজন প্ৰভুৰ উল্লেখ আছে। শ্লোক ১৬ ত দুজন পুৰুষৰ কথা আছে - ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ, এই দুয়োজনেই নাশৱান। শ্লোক ১৭ ত তৃতীয়জন পুৰুষৰ উল্লেখ আছে যি জন সংসাৰৰপী বৃক্ষৰ মূল (শিপা) হয়। তেওঁ প্ৰকৃততে অবিনাশী। শিপা (মূল) ৰ পৰা গছৰ সকলো অংশই "গা-গছ,ডাল, শাখা ডাল আৰু পাতে" খাদ্য গ্ৰহণ কৰে। সেই জন পৰম অক্ষৰ পুৰুযে তিনিওলোকত প্ৰবেশ কৰি সকলোৰে ধাৰণ-পোষন কৰে। সেই (মূল) গৰাকীৰ পূজা কৰিব লাগিব। এই শ্লোকত তত্বদৰ্শী সন্তৰ পৰিচয় লগতে গীতা জ্ঞান দাতাৰ অল্পজ্ঞতা অৰ্থাৎ তত্বজ্ঞানহীনতা স্পষ্ট ৰূপে প্ৰকাশ পাইছে।

## “জিন্দা মহাত্মা (পৰমেশ্বৰ) দ্বিতীয় বাৰ অন্তৰ্দ্ধান হ’ল”

ধৰ্মদাসদেৱে ক’লে- “ হে মহাত্মা আপুনি এয়া কেনেকৈ কৈছে যে শ্ৰীবিষ্ণুদেৱ তিনিওলোকত এটা বিভাগৰহে মন্ত্ৰী, আপুনি ভুলতে কৈছে। শ্ৰীবিষ্ণুদেৱ সমগ্ৰ ব্ৰহ্মাণ্ডৰ স্বামী, তেওঁ ব্ৰহ্মাৰূপত সৃষ্টি কৰে, বিষ্ণু ৰূপ লৈ সংসাৰৰ পালন কৰে আৰু শিৱ ৰূপ ধৰি সংহাৰ কৰে। তেওঁ সকলোৰে গৰাকী । আপুনি দুনাই শ্ৰীবিষ্ণুদেৱক অপমানিত কৰিলে কথা বেয়া হ’ব। পৰমেশ্বৰ কবীৰদেৱে ক’লে-

*“মূৰ্খ কে সমঝাবতে,জ্ঞান গাঁঠি কা জায়।*
*কোয়লা হোত ন উজলা ,ভাবে সৌ মন সাবুন লায়।।”*

এই বুলি কৈ মহাত্মাৰূপী পৰমেশ্বৰ অন্তৰ্দ্ধান হ’ল। পৰমেশ্বৰক দ্বিতীয় বাৰ হেৰুৱাই ধৰ্মদাস বৰ উদাস হ’ল। ভগৱান বিষ্ণুৰ প্ৰতি ইমান আস্থা আছিল যে চকুৰে প্ৰমাণ দেখাৰ পাচতো মিছাক ত্যাগ কৰিবলৈ সাজু নাছিল।

*“কবীৰ, জান বুঝ সাচী তজৈ, কৰে ঝুঠ সে নেহ।*
*তাকি সঙ্গতি হে প্ৰভু, স্বপ্ন মে ভী না দেহ।।”*

কিছুসময়ৰ পাচত ধৰ্মদাসৰ বুদ্ধিৰ পৰা কালৰ ছাঁ (প্ৰভাৱ) দূৰ হল আৰু নিজৰ ভুলৰ বাবে অনুশোচনা কৰিলে যে সকলো প্ৰমাণ গীতাৰ পৰাই প্ৰত্য ক্ষ কৰা হৈছিল, মহাত্মাজনে নিজৰ ফালৰ পৰা একো কোৱা নাছিল। মই ইমান দুৰ্ভগীয়া যে নিজৰ আঁকোৰগোজা ব্যৱহাৰৰ বাবে দেৱতাৰ নিচিনা তত্বদৰ্শী সন্তক হেৰুৱালো, সেই দেৱতাক এতিয়া আৰু নাপাওঁ, মোৰ জীৱন অথলে যাব। এনেদৰে ভাবি ধৰ্মদাস শিয়ৰি উঠিল অৰ্থাৎ ভয়তে কঁপিব ধৰিলে, খোৱা কমাই দিলে, নিৰাশ হ’ল আৰু আন্তৰিকতাৰে প্ৰাৰ্থনা কৰিব ধৰিলে যে হে দেৱতা, হে মহাত্মা, এবাৰলৈ দৰ্শন দিয়ক, আগলৈ এনে ভুল কেতিয়াও নকৰোঁ। মই কৰযোৰে প্ৰাৰ্থনা কৰোঁ যে মোৰ বেয়া কথাত ধ্যান নিদিব, মোক আকৌ লগ ধৰক, হে প্ৰভু। আপোনাৰ জ্ঞান সত্য, আপুনি নিজেই সত্য, আপোনাৰ প্ৰতিটো বচন অমৃততুল্য। অনুগ্ৰহ কৰি দৰ্শন দিয়ক, নহ’লে মোৰ জীৱন আৰু বেছিদিন নাথাকিব।

তৃতীয় দিনা পৰমেশ্বৰ কবীৰদেব নদী এখনৰ পাৰত গছৰ তলত বহিছিল। ওচৰতে কিছুমান গাই সেই গছৰ তলত বহি ঘাঁহ পাগুলি আছিল। কিছুমানে নদীৰ পাৰত ঘাঁহ খাই আছিল। নদীৰ পাৰত হালধীয়া বস্ত্ৰ পিন্ধি বহি থকা সাধুৰ ওপৰত ধৰ্মদাসৰ চকু পৰিল, আশে-পাশে গাই চৰি থকাও দেখিলে। এনেকুৱা বোধ হ’ল যেন সাক্ষাত ভগৱান শ্ৰীকৃষ্ণ নিজৰ লোকৰ পৰা আহি বহিছে। ধৰ্মদাস বৰ আগ্ৰহেৰে সন্ত জনৰ ওচৰলৈ গৈ দেখে যে তেওঁ কোনো সাধাৰণ সন্ত আছিল। তথাপি চৰণ চুই হে আগবাঢ়িম বুলি ভাবিলে। ধৰ্মদাসদেৱে যেতিয়া চৰণ স্পৰ্শ কৰিলে, মূৰ চৰণত থলে তেতিয়া এনেকুৱা লাগিল যে তেওঁ কপাহ স্পৰ্শ কৰিছে। আকৌ ভৰিদুখন হাতেৰে পিটিকি চাই দেখিলে যে তাত কোনো হাড় নাই। ওপৰলৈ মুখখন চাই দেখে যে সেই মহাত্মাজন সেই আগৰ বেশভূষাত বহি আছিল। ধৰ্মদাসে ভৰি দুখন ভালদৰে ধৰিলে যাতে মহাত্মাজন গুচি নাযায়, নিজৰ ভুলৰ বাবে ক্ষমা খুজিলে। ধৰ্মদাসে ক’লে-“ হে মহাত্মা, আপুনি তত্বদৰ্শী

সন্ত হয়, মই এজন পথভ্ৰষ্ট জিজ্ঞাসু। যেতিয়ালৈকে মোৰ সন্দেহ মাৰ নাযায়, মোৰ অজ্ঞানতা কেনেকৈ দূৰ হ'ব? আপুনি অতি দয়ালু, আপোনাৰ দাসক দয়া কৰে যেন, মোৰ অজ্ঞানতা নাশকৰক, প্ৰভু।"

প্ৰশ্ন৩৭- (ধৰ্মদাসৰ) হে মহাত্মা, যদি শ্ৰীবিষ্ণুদেৱ পূৰ্ণ পৰমাত্মা নহয় তেন্তে পূৰ্ণ পৰমাত্মা কোন হয়? অনুগ্ৰহ কৰি গীতাৰ পৰা প্ৰমাণ দিব।

উত্তৰঃ- অনুগ্ৰহ কৰি মহাত্মা বেশত পৰমেশ্বৰে ধৰ্মদাসক শুনোৱা ১৫ নং প্ৰশ্ন উত্তৰ পঢ়ক।

প্ৰশ্ন ৩৮ ঃ- ধৰ্মদাসে সুধিলে- শ্ৰীবিষ্ণু আৰু শংকৰৰ পূজা কৰা উচিত নে?

উত্তৰ ঃ- (মহাত্মাৰ) তেওঁলোকৰ পূজা কৰিব নালাগে।

প্ৰশ্ন ৩৯ ঃ- (ধৰ্মদাসৰ) অনুগ্ৰহ কৰি গীতাৰ পৰা প্ৰমাণ দিয়ক।

উত্তৰঃ- অনুগ্ৰহ কৰি ১৭ নং প্ৰশ্নৰ উত্তৰ পঢ়ক।

প্ৰভুৱে ধৰ্মদাসক শুনালে, গীতা শ্ৰাস্ত্ৰত প্ৰত্যক্ষ প্ৰমাণ দেখি ধৰ্মদাসৰ চকু মুকলি হ'ল। মিছা মাতিব নোৱাৰে, স্বীকাৰ কৰিবলৈ সময় লাগিব।

জিন্দা ৰূপত থকা পৰমেশ্বৰে ধৰ্মদাসক সম্বোধন কৰি ক'লে "হে বৈষ্ণৱ মহাত্মা কি ভাৱি আছে, শুনক।" ধৰ্মদাসে যেন টোপনিৰ পৰাহে সাৰ পালে, সাৱধান হৈ ক'লে-"নাই, একো ভৱা নাই। অনুগ্ৰহ কৰি জ্ঞান শুনাওক যাতে মোৰ ভ্ৰম দূৰ হয়। কবীৰ পৰমেশ্বৰে ধৰ্মদাসক সৃষ্টি ৰচনা শুনালে, সৃষ্টি ৰচনা এই পুথিৰ ১১৭ পৃষ্ঠাত আছে।

সৃষ্টি ৰচনা শুনি ধৰ্মদাসে ভাবিলে যে তেওঁ যেন পাগল হ'ব কাৰণ হিন্দু ধৰ্মগুৰু, ঋষি-মহৰ্ষি, সন্ত সকলে আজিলৈকে শুনোৱা সকলো জ্ঞান আধাৰহীন আৰু অপ্ৰমাণিত বোধ হ'ল। মহাত্মাজনে হিন্দুৰ সদ্‌গ্ৰন্থৰ পৰাই প্ৰমাণিত কৰিছিল, গতিকে সন্দেহৰ কোনো থল নাছিল। মনতে ভাবি আছিল তেওঁ পাগল নহ'বতো।

প্ৰশ্ন৪০ ঃ- (ধৰ্মদাসৰ) হে জিন্দা মহাত্মা, তেনেহলে হিন্দু ধৰ্মৰ গুৰু আৰু ঋষি সকলৰ শাস্ত্ৰ জ্ঞান নাই নেকি?

উত্তৰ ঃ- (জিন্দা মহাত্মাৰ) এতিয়া সেয়াও কোৱাৰ প্ৰয়োজন আছে জানো?

## ধৰ্মদাসৰ অন্য সাধু সন্তৰ লগত জ্ঞান চৰ্চা

প্ৰশ্ন ৪১ ঃ (ধৰ্মদাসদেবৰ) ধৰ্মদাসে হিন্দুধৰ্মৰ সকলো সন্ত, গুৰু, মহৰ্ষিৰ লগত সত্য আধ্যাত্ম জ্ঞান নাই বুলি মানিবলৈ টান পালে। তেওঁ কোনো মহামণ্ডলেশ্বৰৰ পৰা জ্ঞান শুনিব লাগিব বুলি ভাবিলে। এজন ভ্ৰমি ফুৰা ফকীৰ (মুছলমান সন্যাসী)ৰ পৰা কিনো আশা কৰিম? এনেদৰে ভাবোঁতেই পৰমেশ্বৰ মহাত্মাই ধৰ্মদাসৰ মনৰ কথা জানি "আপুনি নিজৰ মহামণ্ডলেশ্বৰৰ পৰা জ্ঞান আহৰণ কৰক" বুলি তৃতীয় বাৰ অন্তৰ্দ্ধান হ'ল। ধৰ্মদাস যেন বঞ্চিত হৈ গ'ল আৰু নিজৰ মনৰ দোষ জিন্দা মহাত্মাৰ মুখ কমলৰ পৰা শুনি লাজত জঁই পৰিল। প্ৰভু অন্তৰ্ধান হোৱাত বৰ ব্যাকুল হ'ল। কিন্তু ধৰ্মদাসে আশা কৰিছিল যে হিন্দুৰ মহামণ্ডলেশ্বৰৰ পৰা তত্বজ্ঞান নিশ্চয় পাব। জিন্দা বাবাৰ (মুছলমানৰ ) জ্ঞানক তত্বজ্ঞান বুলি মানিলৈ সেইমতে সাধনা কৰাটো ধৰ্ম পৰিবৰ্ত্তন কৰাৰ দৰে

হ'ব,সমাজেও নিন্দা কৰিব। গতিকে নিজৰ হিন্দু মহাত্মাসকলৰ পৰা তত্বজ্ঞান আহৰণ কৰি উত্তম শাস্ত্ৰানুকূল ভক্তি কৰাটো উচিত হ'ব। এইবাৰ জিন্দা বাবাৰ হঠাৎ প্ৰস্থানে ধৰ্মদাসক বিচলিত নকৰিলে কাৰণ তেওঁ ভুলতে ভাবিছিল যে ইমান ডাঙৰ আৰু প্ৰাচীন হিন্দু ধৰ্মত এজনো তত্বদৰ্শী সন্ত নোলাবনে? ধৰ্মদাস বৈষ্ণৱ মহামণ্ডলেশ্বৰ শ্ৰী জ্ঞানা নন্দদেৱ বৈষ্ণৱৰ আশ্ৰমত গ'ল। সেই সময়ত শ্ৰীজ্ঞানানন্দদেৱৰ খ্যাতি ৰজনজনা আছিল। তেওঁ কাশীৰ স্বামী ৰামানন্দদেৱৰ শিষ্য আছিল। কিন্তু সেই সময়ত স্বামী ৰামানন্দদেৱ পৰমেশ্বৰ কবীৰদেৱৰ শিষ্য/গুৰু আছিল। স্বামী ৰামানন্দদেৱে নিজৰ জ্ঞানক অজ্ঞান বুলি মানি লৈছিল। স্বামী ৰামানন্দদেৱে নিজৰ সকলো ঋষি শিষ্য সকলক কৈছিল যে তেওঁৰ দ্বাৰা দিয়া জ্ঞান ব্যৰ্থ আৰু সেই সাধনাও শাস্ত্ৰ বিৰুদ্ধ হয়। তেওঁ সকলোকে পৰমেশ্বৰ কবীৰদেবৰ পৰা দীক্ষা লবলৈ আহ্বান জনাইছিল। কিন্তু জাত্যাভিমান, শিষ্যৰ ওপৰত থকা প্ৰতিষ্ঠা, জ্ঞানৰ পৰিৱৰ্তে অজ্ঞানৰ আধিক্যই জীৱক সত্য স্বীকাৰ কৰিবলৈ নিদিয়ে।

*"কবীৰ ৰাজ তজনা সহজ হৈ ,সহজ ত্ৰিয়া কা নেহ।*
*মান বড়াই ঈৰ্ষা, দুৰ্লভ তজনা য়েহ।।"*

ধৰ্মদাসদেৱে শ্ৰীজ্ঞানানন্দদেৱক বিষ্ণুতকৈও শ্ৰেষ্ঠ আন কোনো প্ৰভু আছেনে বুলি প্ৰশ্ন কৰিলে। শ্ৰীজ্ঞানানন্দদেৱে উত্তৰ দিলে যে শ্ৰীবিষ্ণু স্বয়ং পৰম ব্ৰহ্ম পৰমাত্মা হয়। তেওঁৰ ওপৰত অন্য কোন থাকিব পাৰে? শ্ৰীকৃষ্ণও স্বয়ং শ্ৰীবিষ্ণু আছিল। তেওঁৱেই শ্ৰীমদ্ভগৱত গীতাৰ জ্ঞান দিছিল। আপোনাক কোনে ভ্ৰমিত কৰিলে? ধৰ্মদাসে ক'লে যে গীতা অধ্যায় ৮ শ্লোক ১ ত অৰ্জুনে " তত্ ব্ৰহ্ম" কোন বুলি সোধাত ভগৱানে শ্লোক ৩ ত উত্তৰ দিলে যে "তত্ ব্ৰহ্ম" মানে "পৰম অক্ষৰ ব্ৰহ্ম" হয়। এইজন ভগৱান শ্ৰীকৃষ্ণতকৈ অন্য প্ৰভু বুলি প্ৰমাণিত হ'ল। শ্ৰীজ্ঞানানন্দ স্বামীয়ে ক'লে যে ধৰ্মদাসৰ ওপৰত কাশীৰ তাঁতীয়ে যাদু-মন্ত্ৰ কৰিছে। ধৰ্মদাসক নিজৰ কৰ্ত্তব্য কৰিবলৈ কৈ জ্ঞানানন্দই ক'লে যে কৃষ্ণৰ বাহিৰে আন কোনো প্ৰভু নাই। ধৰ্মদাসেও গম পালে যে জ্ঞানানন্দৰ লগত সেই জ্ঞান নাই যি জ্ঞান জিন্দা বাবাই প্ৰমাণৰ সৈতে কৈছিল। তেওঁ নিৰাশমনে তাৰ পৰা গুচি গ'ল। ধৰ্মদাসে জনা নাছিল যে কাশীৰ তাঁতী আৰু জিন্দা বাবা এজন ব্যক্তি। আকৌ ধৰ্মদাসে গম পালে যে মোহনগিৰি নামৰ এজন মহামণ্ডলেশ্বৰ আছে, তেওঁৰ ওচৰত গৈ ভগৱানৰ চৰ্চা আৰম্ভ কৰিলে। তেওঁ প্ৰথমতে টকা এটা দক্ষিণাত দিলে, ইয়াকে দেখি মোহনগিৰিয়ে তেওঁক ওচৰত বহুৱাই ক'লে যে ভগৱান শিৱ সকলো সৃষ্টিৰ ৰচয়িতা, এওঁৰ ওপৰত সংসাৰৰ কোনো প্ৰভু নাই। "ওম্ নমঃ শিৱায়" জপ কৰা। কথাটো শুনাৰ পাছত ধৰ্মদাসে প্ৰণাম কৰি গুচি গ'ল। মনতে ভাবিলে এওঁৰ নামহে ডাঙৰ, জ্ঞান এপইচাৰো নাই। ধৰ্মদাসক কোনোবাই ক'লে যে এজন ডাঙৰ তপস্বী আছে। বহু বছৰ ধৰি থিয় হৈ তপস্যা কৰি আছে। ধৰ্মদাস তপস্বীজনৰ ওচৰত গ'ল, তেওঁ নাথ পন্থী আছিল, ভগৱান শিৱ সমৰ্থ পৰমাত্মা হয় বুলি কৈছিল। তপস্যা কৰি হঠযোগ কৰি পৰমাত্মা লাভ হয় বুলি মানিছিল। ধৰ্মদাসে ভাবিলে যে ইমান ঘোৰ তপস্যা কৰিলেহে পৰমাত্মা

পোৱা যায় যদি এয়া তেওঁৰ সাধ্যৰ বাহিৰত। তাৰ পৰা উঠি আগবাঢ়ি গ'ল। গম পালে যে এজন ডাঙৰ বিদ্বান মহাত্মা কাশী বিদ্যাপীঠৰ পৰা অধ্যয়ন কৰি আহিছে, সম্পূৰ্ণ বেদৰ জ্ঞাতাও হয়। ধৰ্মদাসে সেই নিৰাকাৰ পৰমাত্মাৰ নাম সুধিলে, বিদ্বানজনে উত্তৰ দিলে যে পৰমাত্মাৰ নাম ব্ৰহ্ম। পৰমাত্মাক চকুৰে দেখা যায়নে বুলি সোধাত উত্তৰ পালে যে পৰমাত্মা নিৰাকাৰ, তেওঁক কেনেকৈ দেখা যাব ? পৰমাত্মাৰ অকল প্ৰকাশ হে দেখা যায়। শ্ৰীকৃষ্ণ বা শ্ৰীবিষ্ণু পৰমাত্মা হয়নে বুলি সোধাত উত্তৰ পালে যে এওঁলোক সগুন দেবতা, পৰমাত্মা নিৰ্গুণ হয়।

ধৰ্মদাসে প্ৰশ্ন কৰিলে যে গীতা আৰু বেদৰ জ্ঞানত কি পাৰ্থক্য আছে। ব্ৰাহ্মণ জনে উত্তৰ দিলে যে গীতা চাৰিওখন বেদৰ সাৰংশ। ধৰ্মদাসে ভক্তি মন্ত্ৰ কোনটো বুলি সোধাত ব্ৰাহ্মণ জনে গায়ত্ৰী মন্ত্ৰ জপ কৰিবলৈ ক'লে-"ওম ভূৰ্ভৰস্বঃ তত্ সবিতুঃ বৰেণ্যম ভৃগোদেবস্য ধীমহি, ধীয়ো য়ো নঃ প্ৰচোদয়াত"। ধৰ্মদাসক জিন্দা বাবাই কৈছিল যে এই মন্ত্ৰৰ দ্বাৰা মোক্ষ লাভ সম্ভৱ নহয়। ধৰ্মদাস তাৰ পৰাও আগবাঢ়ি যাঁওতে গম পালে যে এজন সন্ত গুহাত বাস কৰে, কাচিৎ হে ওলায়। তেওঁৰ ওচৰত গৈ ধৰ্মদাসে ভগৱান কেনেকৈ পোৱা যায় বুলি সুধিলে। উত্তৰত সন্তজনে ক'লে-"ইন্দ্ৰিয় সংযম কৰা, ইয়াৰ দ্বাৰাই পৰমাত্মা পোৱা যায়, নাম জপ কৰিলে একো ফল পোৱা নাযায়। চেনি চেনি বুলি কৈ থাকিলে মুখখন মিঠা নহয়। ইয়াতো ধৰ্মদাস সন্তুষ্ট নহ'ল। সকলো সাধু সন্তৰ লগত জ্ঞান চৰ্চা কৰি ধৰ্মদাসে বৰকৈ অনুশোচনা কৰিলে যে সেই জিন্দা বাবাই কোৱা কথা তেওঁ বিশ্বাস নকৰিলে যে কোনো সন্ত মহামণ্ডলেশ্বৰৰ লগত যথাৰ্থ অধ্যাত্ম জ্ঞান নাই। এতিয়া গম পালে যে কোনো সন্ত, মহাত্মাৰ জ্ঞান প্ৰমাণিত নহয়। কোনেও শাস্ত্ৰৰ আধাৰত জ্ঞান চৰ্চা নকৰে-এনেদৰে অনুতাপ কৰি ধৰ্মদাস কান্দিব ধৰিলে, নিজৰ অজ্ঞানতাৰ বাবে অনুতাপ কৰি নিজকে ধিকাৰ দিলে, দুৰ্ভগীয়া বুলি ভাবিলে। "মই সেই পৰমাত্মা স্বৰূপ জিন্দা মহাত্মাক বিশ্বাস নকৰিলোঁ। এতিয়া সেই অন্তৰ্যামীয়ে মোক দৰ্শন নিদিব, কাৰণ মই তেওঁক বাৰে বাৰে অপমান কৰিছোঁ। এতিয়া কি কৰোঁ ? জীয়াই থকাৰ ইচ্ছা নাই ,আত্মহত্যা মহাপাপ"। এই বুলি কৈ হুৰাওৰাৰে কান্দিব ধৰিলে,আছাৰ খাই চেতনা হেৰুৱালে।

উত্তৰ ঃ- পৰমাত্মা জিন্দা মহাত্মাৰ ৰূপত গছৰ তলত বহিল। ধৰ্মদাসে চেতনা ঘূৰাই পালে আৰু হৃদয়েৰে কাতৰভাৱে প্ৰাৰ্থনা কৰিলে যে হে জিন্দা, এবাৰ দৰ্শন দিয়ক, মই ভাগি পৰিছোঁ। কাৰো লগত জ্ঞান নাই, আপোনৰ প্ৰতিটো কথাই সত্য। হে পৰমাত্মা, মই অজ্ঞানী, মহামূৰ্খক এবাৰলৈ ক্ষমা কৰক প্ৰভু। আপুনি মহাত্মা নহয় পৰমাত্মাহে, মহাবিদ্বান। আপোনাৰ জ্ঞানৰ লগত কোনেও ফেৰ পাতিব নোৱাৰে। জীৱনত আৰু কেতিয়াও আপোনাক অবিশ্বাস নকৰোঁ। এনে বিচাৰ কৰি আগবাঢ়ি গৈ দেখে যে এটা গছৰ তলত এজন সাধু বহি আছে, কিছুমান ব্যক্তিও তেওঁৰ ওচৰত বহি আছে। ধৰ্মদাসে ভাবিলে যে তেওঁ মহামণ্ডলেশ্বৰ সকলক লগ ধৰি আহিছে, তেওঁলোকৰ লগত শ-শ ভক্ত দৰ্শনৰ বাবে বহি থাকে। এইজন সৰু সাধুক কিয় লগ ধৰিম ? কিন্তু আকৌ ভাবিলে যে অলপ জিৰাই লওঁ, ইয়াতে বহোঁ, আকৌ ভাবিলে সুধি চাওঁ- ধৰ্মদাসে সুধিলে-" হে

মহাত্মা, পৰমাত্মা কেনেকুৱাঁ ?” সাধুৱে উত্তৰ দিলে-“ময়েই পৰমাত্মা”। ধৰ্মদাস চুপ হৈ ভাবিলে এওঁ ধেমালি কৰি আছে, এইজনক সন্ত যেনো নালাগে। লাহে লাহে সকলো ব্যক্তি গুচি গ'ল। ধৰ্মদাস যাবলৈ ধৰাত পৰমাত্মাই ক'লে, “হে মহাত্মা, আপোনাৰ মহামণ্ডলেশ্বৰ সকলে নক'লে জানো পৰমাত্মা কেনেকুৱা ?” ধৰ্মদাস আচৰিত হ'ল, ভাবিলে এই সাধুৱে কেনেকৈ জানিলে যে তেওঁ অনাই বনাই ফুৰিছে। লগে লগে পৰমাত্মাই আগৰ জিন্দা বাবাৰ ৰূপ ললে। ধৰ্মদাস ভৰিত পৰি হুকহুক কৰি কান্দি ক'ব ধৰিলে-“হে ভগৱান, জ্ঞান কাৰো লগত নাই, মই পাপীতকৈও পাপী, মহাৰাজ, মই বৰ ডাঙৰ ভুল কৰিলোঁ। আপুনি বৰ্ণনা কৰা সৃষ্টি ৰচনাৰ জ্ঞানৰ তুলনাত অন্য সন্তৰ জ্ঞান সূৰ্যৰ তুলনাত চাকিৰ দৰে, সকলোৱে ভুল বকিছে”। পৰমেশ্বৰে ধৰ্মদাসক কলে-“আপুনি বেদৰ পূৰ্ণ বিদ্বানক পৰমাত্মা কেনেকুৱা বুলি সোধাত তেওঁলোকে পৰমাত্মা নিৰাকাৰ বুলি উত্তৰ দিছিল আৰু পৰমাত্মাক দেখা পোৱা যায়নে বুলি সোধাত তেওঁলোকে উত্তৰ দিছিল যে পৰমাত্মা নিৰাকাৰ, গতিকে দেখাৰ কোনো প্ৰশ্নই নাই, মাত্ৰ পৰমাত্মাৰ প্ৰকাশ হে চাব পাৰি”।

ধৰ্মদাস, বিবেচনা কৰা।পৰমাত্মাৰ ওপৰোক্ত ব্যাখ্যা কোনো কণা মানুহে কৰা সূৰ্যৰ ব্যাখ্যাৰ দৰে। সূৰ্য কেনেকুৱা বুলি নেত্ৰহীন জনক সোধাত তেওঁ উত্তৰ দিলে যে সূৰ্য নিৰাকাৰ। আকৌ প্ৰশ্ন কৰা হ'ল-সূৰ্যক দেখা পোৱা যায় নে ? কণাৰ উত্তৰ সূৰ্যক দেখা পোৱা নাযায়, সূৰ্যৰ পোহৰ হে দেখা পোৱা যায়। সেই নেত্ৰহীনক সুধি চাওক যে সূৰ্য অবিহনে কাৰ প্ৰকাশ দেখা পোৱা যায়। এই দৰে অধ্যাত্ম জ্ঞান নেত্ৰহীন অৰ্থাৎ পূৰ্ণ অজ্ঞানী সন্তই পৰমাত্মা নিৰাকাৰ বুলি ব্যাখ্যা কৰে। নিৰাকাৰ যদি প্ৰকাশ ওলাল ক'ৰ পৰা ? পৰমাত্মাৰেই প্ৰকাশ হ'ব। ধৰ্মদাসে কলে-“হে মহাত্মা ,এই কথা মোৰ বুদ্ধিয়ে ঢুকি নাপালে। আপোনাৰ দিব্য তৰ্কই মোৰ চকু মুকলি কৰি দিলে। যিমান মহামণ্ডলেশ্বৰ লগ পালোঁ, আটাইবোৰে মহা অজ্ঞানী। হে জিন্দা, মই আপোনাৰ জ্ঞান শুনাৰ পাছত এই মূৰ্খবোৰক লগ নধৰা হ'লে মোৰ ভ্ৰম কেতিয়াও দূৰ নহলহেঁতেন, আপুনি যিমান প্ৰমাণ দেখালেও মোৰ অজ্ঞানতাৰ বাবে সেইবোৰ ব্যৰ্থ হলহেঁতেন।

প্ৰশ্ন ৪২ ঃ (ধৰ্মদাস) হে জিন্দা, খং নকৰিব। মোৰ মনত এটা সন্দেহ আছে যে ভগৱান বিষ্ণুৰ ভক্তি ভাল নহয় জানো ?

উত্তৰ ঃ- (জিন্দা মহাত্মাৰ) হে ধৰ্মদাস, শ্ৰীমদ্‌ভগৱত গীতা অধ্যায় ২ শ্লোক ৪৬ ত গীতা জ্ঞান দাতাই অৰ্জুনক স্পষ্টকৈ কৈছে বহুত ডাঙৰ জলাশয় (হ্ৰদ) পোৱাৰ পিছত সৰু জলাশয় (পুখুৰী) ব্যক্তিৰ বাবে কিমান প্ৰয়োজনীয়। এইদৰে পূৰ্ণ জ্ঞান আৰু পূৰ্ণ পৰমাত্মাৰ ভক্তি বিধি আৰু তাৰ পৰা হোৱা লাভৰ জ্ঞান হোৱাৰ পাচত অন্য জ্ঞান আৰু সৰু ভগৱানৰ ওপৰত সিমানহে আস্থা থাকিব যিমান আস্থা ডাঙৰ জলাশয় পোৱাৰ পিছত সৰু জলাশয়ত থাকিব। সৰু জলাশয়ৰ পানী ভাল, কিন্তু যথেষ্ট নহয়। এবছৰ বৰষুণ নহ'লে সৰু জলাশয় শুকাব আৰু তাৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিয়ে পানীৰ অভাৱত কষ্ট পাব , হাহাকাৰ কৰিব। আনহাতে ডাঙৰ জলাশয়ৰ পানী দহ বছৰ বৰষুণ নহ'লেও

শেষ নহয়, যি ব্যক্তিয়ে সেই ডাঙৰ জলাশয় পাব তেওঁ অবিলম্বে সৰু জলাশয় এৰি ডাঙৰ জলাশয়ৰ ওচৰত বাস কৰিব। গীতাৰ জ্ঞান শুনোৱাৰ সময়ত সকলো মানুহ পুখুৰীৰ পানীৰ ওপৰত নিৰ্ভৰশীল আছিল, গতিকে এই উদাহৰণ দিয়া হৈছিল। এইদৰে আপুনি সতগুণ বিষ্ণুৰ ভক্তি ভাল পালেও, ই পূৰ্ণ মোক্ষদায়ক নহয়। শ্ৰীবিষ্ণু নাশৱান, তেওঁৰ জন্ম-মৃত্যু হয়। আকৌ তেওঁৰ সাধক (ভক্ত) অমৰ হ'ব কেনেকৈ? গতিকে পূৰ্ণ মোক্ষ অৰ্থাৎ অমৰ হ'বৰ বাবে অমৰ পৰমাত্মাৰ ভক্তি কৰিব লাগিব।

প্ৰশ্ন ৪৩ ঃ হে জিন্দা মহাত্মা, মই আপোনাক অবিশ্বাস কৰিলোঁ। মই মহাপাপী। মোক ক্ষমা কৰিব।

উত্তৰ ঃ- (জিন্দা বাবাৰ) ঃ- হে ধৰ্মদাস, ময়েই আপোনাক তেনে প্ৰেৰণা দিছিলোঁ। আপুনি নিজৰ ধৰ্মগুৰু সকলৰ জ্ঞানৰ অনুসন্ধান নকৰা হ'লে কেতিয়াও মোৰ কথাত বিশ্বাস নকৰিলেহেঁতেন, বাৰে বাৰে আপোনাৰ মনটোক এই কথাই খুলি খালেহেঁতেন যে হিন্দু ধৰ্মৰ কোনো মহৰ্ষি, মহামণ্ডলেশ্বৰ বা সন্ত মহন্তৰ লগত তত্বজ্ঞান নথকাটো সম্ভৱ নহয়। এতিয়া আপুনি মোৰ কথাত বিশ্বাস কৰিব। ধৰ্মদাস, চিন্তা কৰি চাওক, গীতাজ্ঞান দাতাই গীতা অধ্যায় ৪ ত শ্লোক ৩২ আৰু ৩৪ ত কৈছে যে যি জ্ঞান পৰম অক্ষৰ ব্ৰহ্মই (পৰমেশ্বৰ) নিজৰ মুখেৰে শুনায় সেয়া তত্বজ্ঞান হয় (গীতা অধ্যায় ৪ শ্লোক ৩২ ত) সেই জ্ঞান তুমি তত্বদৰ্শী সন্তৰ ওচৰলৈ গৈ বুজি লবা (গীতা অধ্যায় ৪ শ্লোক ৩৪)। ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে গীতা জ্ঞান দিওঁতা পৰমাত্মাৰ লগতো তত্বজ্ঞান নাই যেতিয়া গীতা পাঠ কৰোতাঁ সকলৰ আৰু এই প্ৰভুৰ উপাসকসকলৰ তত্বজ্ঞান কেনেকৈ হ'ব পাৰে?

গীতা অধ্যায় ২ শ্লোক ৫৩ ত কৈছে যে হে অৰ্জুন, বিভিন্ন প্ৰকাৰৰ ভ্ৰমিত কৰা বচনৰ পৰা আঁতৰি তোমাৰ বুদ্ধি একমাত্ৰ তত্বজ্ঞানত যেতিয়া স্থিৰ হ'ব, তেতিয়া তুমি যোগ (ভক্তি) প্ৰাপ্তি কৰিবা অৰ্থাৎ তেতিয়াহে তুমি ভকত হ'বা। সেইকাৰণে জিন্দা বাবাই ধৰ্মদাসক সেই সন্ত মহা মণ্ডলেশ্বৰ সকলৰ ওচৰত যাবলৈ প্ৰেৰণা দিছিল। এতিয়া ধৰ্মদাসে যোগ (ভক্তি) প্ৰাপ্তি কৰিব, ভকত হ'ব।

প্ৰশ্ন ৪৪ ঃ- (ধৰ্মদাসৰ) পূৰ্ণ মোক্ষ লাভৰ বাবে ভগৱান বিষ্ণু আৰু ভগৱান শংকৰৰ পূজা এৰিব লাগিব নেকি?

উত্তৰ ঃ- (জিন্দা বাবাৰ) ঃ- এই প্ৰভু সকলক এৰিব নালাগে, এওঁলোকৰ পূজা এৰিব লাগিব।

প্ৰশ্ন ৪৫ ঃ- (ধৰ্মদাসৰ) হে জিন্দা, মই বুজি পোৱা নাই। বিষ্ণু আৰু শংকৰক এৰিব নালাগে আৰু এওঁলোকৰ পূজা এৰিব লাগিব, এই কথাটো মোৰ সংকীৰ্ণ বুদ্ধিয়ে বুজা নাই। মই মহাঅজ্ঞানী প্ৰাণী, অনুগ্ৰহ কৰি বহলাই কওক।

উত্তৰ ঃ- (জিন্দা মহাত্মাৰ) হে ধৰ্মদাসদেৱ, আপুনি শাস্ত্ৰ বিধি ত্যাগ কৰি মনোময় আচৰণেৰে এওঁলোকৰ সাধনা কৰি আছে। গতিকে আপোনাৰ একো লাভ হোৱা নাই। এই দেৱতাসকলৰ পৰা লাভ ল'বলৈ হ'লে সাধনাৰ মন্ত্ৰ মোৰ লগত আছে। ম'হক মাতিবলৈ ম'হ-ম'হ কৈ চিঞৰিলে সি আপোনাৰ ফালে নাচাব। তাক মাতিবলৈ এটা বিশেষ মন্ত্ৰ (ধ্যান আকৰ্ষণ কৰা মাত) হুৰৰ হুৰৰ

আছে। এই শব্দ শুনিলে ম'হ আকৰ্ষিত হৈ মাতোতা জনৰ ফালে দৌৰি যায়। এইদৰে সকলো আদৰণীয় দেৱতাৰ নিজা মন্ত্ৰ আছে, তাৰ দ্বাৰা তেওঁলোকে পূৰ্ণ লাভ সোনকালে দিয়ে। প্ৰিয় পাঠক সকল, সেই মন্ত্ৰ মোৰ (সন্ত ৰামপাল দাসৰ) লগত আছে। এই মন্ত্ৰ পৰমেশ্বৰে মোৰ গুৰুদেৱৰ মাধ্যমেৰে মোক দিছে, আহক, সেই মন্ত্ৰ লাভ কৰক।

আপোনাক ইতিমধ্যে কৈছিলো (প্ৰশ্ন নং ৩৬ ৰ উত্তৰত বৰ্ণনা কৰিছিলোঁ) যে এই সংসাৰ এটা গছ বুলি জানিব। পৰম অক্ষৰ পুৰুষ ইয়াৰ শিপা বুলি মানিব আৰু অক্ষৰ পুৰুষ গা-গছ, ক্ষৰ পুৰুষ এটা শকত ডাল আৰু তিনিও দেৱতা (ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তম গুণ শিৱ) এই সংসাৰৰূপী গছৰ শাখা ডাল বুলি জানিব আৰু পাতৰূপ সংসাৰ হয়।

আপুনি আমৰ পুলি আনিলে গাঁত খান্দি তাৰ শিপা গাঁততথৈ মাটি দি হেঁচিব আৰু পানী দিব। পুলি ডাঙৰ হৈ গছ হ'ব আৰু গছৰ ডালত ফল লাগিব। গতিকে গছৰ ডাল ভাঙিব নোৱাৰি। কিন্তু শিপাৰ সলনি এই ডালবোৰক খালত দি মাটিৰে হেঁচি পানী দিয়া নহয়। ঠিক তেনেদৰে সংসাৰৰূপী গছৰ শিপা অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মক ইষ্ট ৰূপত প্ৰতিষ্ঠিত কৰি পূজা কৰিলে শাস্ত্ৰানুকূল পূজা, সাধনা হয় আৰু ইয়াৰ দ্বাৰা অতি উত্তম লাভ হ'ব।এইদৰে কৰা ভক্তি কৰ্মৰ ফল এই তিনিজন দেৱতাই (সংসাৰ বৃক্ষৰ শাখা) কৰ্ম অনুসাৰে প্ৰদান কৰে। গতিকে এওঁলোকৰ পূজা এৰিব লাগিব, কিন্তু এওঁলোকক এৰিব (ভাঙিব) নোৱাৰি। এই প্ৰমাণ গীতা অধ্যায় ৩ শ্লোক ৮ ৰ পৰা ১৫ লৈকে আছে। কোৱা আছে যে - হে অৰ্জুন শাস্ত্ৰৰ বিহিত কৰ্ম কৰা অৰ্থাৎ শাস্ত্ৰত যেনেদৰে ভক্তি কৰিবলৈ কৈছে তেনেদৰে ভক্তি কাৰ্য্য কৰা। যদি ঘৰ এৰি বনলৈ যোৱা অৰ্থাৎ কৰ্ম সন্যাসী হোৱা বা এঠাইত বহি হঠযোগ কৰা তেতিয়া তোমাৰ শৰীৰ পোষণৰ কাম নচলিব। গতিকে কৰ্ম নকৰাতকৈ কৰ্ম কৰি থাকিয়েই ভক্তি কৰ্ম কৰাটো শ্ৰেষ্ঠ (গীতা অধ্যায় ৩ শ্লোক ৮)।

যি সাধকে শাস্ত্ৰবিধি ত্যাগ কৰি নিজ ইচ্ছামতে আচৰণ কৰে তেনে ব্যক্তিসকল কৰ্মৰ বন্ধনত বান্ধ খাই জন্ম মৰণৰ চক্ৰত সদায় পৰে। গতিকে হে কুন্তীপুত্ৰ অৰ্জুন, কৰি থকা শাস্ত্ৰবিৰুদ্ধ ভক্তি কৰ্মৰ আসক্তি এৰি শাস্ত্ৰানুকূল ভক্তি কৰ্ম কৰা (গীতা অধ্যায় ৩ শ্লোক ৯)।

সংসাৰ ৰচনা কৰি প্ৰজাপতিয়ে (কুলৰ গৰাকীয়ে) সৰ্বপ্ৰথমে মানুহৰ ৰচনা কৰিলে আৰু লগে লগে যজ্ঞ, ধাৰ্মিক অনুষ্ঠান সমূহৰ বিষয়ে থকা জ্ঞান তেওঁলোকক দি ক'লে যে তোমালোক এনেদৰে বৰ্ণিত শাস্ত্ৰানুকূল কৰ্মৰ দ্বাৰা বৃদ্ধি লাভ কৰা। এনেদৰে শাস্ত্ৰানুকূল কৰা ভক্তিয়ে তোমালোকে ইচ্ছা কৰা ভোগ প্ৰাপ্তি কৰাব (গীতা অধ্যায় ৩ শ্লোক ১০ )।

এইদৰেই শাস্ত্ৰানুকূল ভক্তিৰ দ্বাৰা অৰ্থাৎ সংসাৰৰূপী বৃক্ষৰ শিপা (মূল অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম)ক সাৰ পানী দি অৰ্থাৎ পূজা কৰি দেৱতা সকলক অৰ্থাৎ সংসাৰৰূপী বৃক্ষৰ তিনিগুণ ৰূপী শাখাবোৰক (ব্ৰহ্মা- ৰজগুণ, বিষ্ণু- সতগুণ আৰু শিৱ-তম গুণ) উন্নত কৰা। সেই দেৱতাসকলে (সংসাৰৰ বৃক্ষৰ

শাখা তিনি দেৱতা) তোমালোকক কৰ্ম অনুসাৰে ফল দি উন্নত কৰক। এইদৰে ইজনে-সিজনক উন্নত কৰি পৰম কল্যাণ অৰ্থাৎ পূৰ্ণ মোক্ষ লাভ কৰিবা (গীতা অধ্যায় ৩ শ্লোক ১১)।

শাস্ত্ৰ বিধি অনুসৰি কৰা ভক্তি কৰ্ম অৰ্থাৎ যজ্ঞৰ দ্বাৰা বৃদ্ধি প্ৰাপ্ত দেৱতা অৰ্থাৎ সংসাৰৰূপী বৃক্ষৰ শিপা অৰ্থাৎ মূল গৰাকী (পৰম অক্ষৰ ব্ৰহ্ম) ক ইষ্ট ৰূপত প্ৰতিষ্ঠিত কৰিলে ভক্তি কৰ্মৰ দ্বাৰা ডাঙৰ হোৱা শাখাবিলাকে (তিনিও দেৱতা) তোমালোকক নুখুজিলেও কৰ্ম অনুসাৰে ইচ্ছা কৰা মতে সকলো ভোগ নিশ্চয় দি থাকিব। আমৰ পুলিত সাৰ পানী দিলে গছ হৈ ডালবিলাক শকত হ'ব। আকৌ সেই ডালত ফল লাগিব, সৰিও পৰিব। এনেদৰে ওপৰোক্ত বিধিৰ দ্বাৰা মানুহে কৰ্ম অনুসাৰে ধন প্ৰাপ্ত কৰিব। যদি কোনো ব্যক্তিয়ে সেই দেৱতা সকলে (ডাল বিলাকে) দিয়া ধনৰ দ্বাৰা পুনৰ দান পুণ্য নকৰে অৰ্থাৎ শাস্ত্ৰানুকূল সাধনা নকৰে অকল নিজৰ পেটহে ভৰায়, নিজেই ভোগ কৰি থাকে, তেনে ব্যক্তি পৰমেশ্বৰৰ চোৰ হয়। (গীতা অধ্যায় ৩ শ্লোক ১২)।

শাস্ত্ৰানুকূল ভক্তি বিধিত প্ৰথমে পৰমেশ্বৰক ভোগ লগোৱা হয় তাৰ পাচত ভোজন কৰা হয়। প্ৰথমতে পৰম অক্ষৰ ব্ৰহ্মক ইষ্ট ৰূপত পূজা কৰি ভোগ লগাই ৰাহি ভোজন ভকতৰ মাজত বাঁটি দিয়া হয়। সেই ৰাহি অন্ন সত্সঙ্গত উপস্থিত পবিত্ৰ আত্মাই খায় কাৰণ পুণ্যাত্মা সকলেহে পৰমেশ্বৰৰ বাবে সময় উলিয়াই ধৰ্মীয় অনুষ্ঠানত সমবেত হয়। সেই কাৰণে কৈছে যে সেই যজ্ঞৰ ৰাহি অন্ন খোৱা সন্ত সকল সকলো পাপৰ পৰা মুক্ত হৈ যায়। পাপী সকল তত্বদৰ্শী সন্তৰ সতসঙ্গলৈ নাহে, ফলত তেওঁলোকৰ জ্ঞান লাভ নহয়। সেই পাপাত্মা সকলে নিজৰ শৰীৰ পোষণৰ বাবে ভোজন ৰান্ধে, তেওঁলোকে পাপকে খায় কাৰণ ভোজন খোৱাৰ আগতে আমি ভকত সন্ত সকলে পৰম অক্ষৰ ব্ৰহ্মক ভোগ লগাওঁ। ফলত সকলো ভোজন পবিত্ৰ প্ৰসাদ হৈ যায়, যি সকলে এনে নকৰে তেওঁলোক পৰমাত্মাৰ চোৰ হয়। ভগৱানক ভোগ নলগোৱা ভোজন পাপৰ ভোজন হয়। গতিকে কৈছে যি সকলে ধৰ্ম কৰ্ম শাস্ত্ৰবিধি মতে নকৰে, তেওঁলোক পাপৰ ভাগী হয়। (গীতা অধ্যায় ৩ শ্লোক ১৩)


সকলো প্ৰাণী অন্নৰ পৰা উৎপন্ন হয়, অন্ন বৰষুণৰ পৰা হয়, বৰষুণ যজ্ঞ অৰ্থাৎ শাস্ত্ৰানুকূল ধৰ্মীয় অনুষ্ঠানৰ পৰা হয় আৰু যজ্ঞ অৰ্থাৎ ধৰ্মীয় অনুষ্ঠান শাস্ত্ৰানুকূল কৰ্মৰ পৰা হয় (গীতা অধ্যায় ৩ শ্লোক ১৪ )।


কৰ্ম ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষৰ পৰা উৎপন্ন হৈছে। কাৰণ যেতিয়া সকলো প্ৰাণী সনাতন পৰম ধামত আছিল কোনো কৰ্ম নকৰাকৈয়ে সুখ আৰু পদাৰ্থ ভোগ কৰিছিল। এই পৃথিৱীৰ সকলো প্ৰাণী নিজৰ ভুলৰ বাবে ক্ষৰ পুৰুষৰ লগত আহিল। এতিয়া সকলোৱে কৰ্ম কৰিলেহে ফল পাব, কৰ্ম কৰিলেহে নিৰ্বাহ হ'ব। এই কাৰণে কৈছে যে কৰ্ম ব্ৰহ্ম (ক্ষৰ পুৰুষ) ৰ পৰা উৎপন্ন হোৱা বুলি জানিব আৰু ব্ৰহ্ম অবিনাশী পৰমাত্মাৰ পৰা উৎপন্ন হোৱা বুলি জানিব। (বিশেষ জানিবৰ বাবে এই পুথিৰ ১১৯ পৃষ্ঠাত "সৃষ্টি ৰচনা" পঢ়ক)

টোকা ঃ- এই শ্লোকত "অক্ষৰ" শব্দৰ অৰ্থ অবিনাশী পৰমাত্মা উচিত হৈছে।

কিন্তু য'ত ক্ষৰ পুৰুষ, অক্ষৰ পুৰুষ আৰু পৰম অক্ষৰ পুৰুষৰ বৰ্ণনা আছে তাত অক্ষৰ পুৰুষ আৰু ক্ষৰ পুৰুষ দুয়োকে নাশৱান বুলি কৈছে। তাত "অক্ষৰ"ৰ অৰ্থ সেইটোৱে উচিত। গীতা অধ্যায় ১৫ শ্লোক ১৬-১৭ ত বৰ্ণনা আছে, ইয়াত "অক্ষৰ"ৰ অৰ্থ অবিনাশী পৰমাত্মা হয় কাৰণ সৃষ্টি ৰচনাৰ পৰা স্পষ্ট হয় যে ব্ৰহ্মৰ উৎপত্তি সত্যপুৰুযে (অবিনাশী পৰমাত্মা) কৰিছিল। ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে (সৰ্বগতম ব্ৰহ্ম) অৰ্থাৎ যি জন পৰমাত্মা সকলো ব্ৰহ্মাণ্ডত বৰ্ত্তমান, যি জন সকলোৰে গৰাকী, সেই পৰমাত্মা সদায় যজ্ঞ অৰ্থাৎ ধৰ্মীয় অনুষ্ঠানত প্ৰতিষ্ঠিত। ভাবাৰ্থ এই যে পৰম অক্ষ ৰ ব্ৰহ্মক ইষ্টদেৱ ৰূপত প্ৰতিষ্ঠিত কৰি ধৰ্মীয় অনুষ্ঠান অৰ্থাৎ যজ্ঞ কৰিলে, শাস্ত্ৰবিধি অনুসৰি কৰ্ম কৰিলে সাধকৰ ভক্তি লাভ হয়, যাৰ দ্বাৰা মোক্ষ প্ৰাপ্তি হয়। এই পুথিৰ ৬৯ পৃষ্ঠাত সংসাৰৰূপী বৃক্ষৰ চিত্ৰ চাওক।

পৃষ্ঠা ৬৯ ত থকা চিত্ৰটোলৈ মন কৰক। চিত্ৰটোত পুলিটোৰ ডাল বিলাক গাঁতত দিয়া দেখুৱা হৈছে অৰ্থাৎ এনদৰে যি তিনিও দেৱতাৰ (ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তমগুণ শিৱ) বা যি কোনো এজনৰ পূজা কৰে, তেওঁ শাস্ত্ৰবিধি ত্যাগ কৰি নিজৰ ইচ্ছামতে আচৰণ কৰি আছে যাক গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ ত অনুচিত আৰু ব্যৰ্থ কোৱা হৈছে। যিজন সাধকে সৰ্বগতম ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ পূজা কৰা নাই, তেওঁক ইষ্ট ৰূপত পূজা নাই, সেইকাৰণে সেই সাধকৰ সাধনা ব্যৰ্থ । ডালত সাৰ পানী দিলে পুলিটো নষ্ট হৈ যাব। অন্য দেৱতাৰ পূজা কৰাটো গীতা অধ্যায় ৭ শ্লোক ১২-১৫, ২০ পৰা ২৩ লগতে অধ্যায় ৯ ৰ শ্লোক ২৩-২৪ ত মানা কৰা হৈছে (প্ৰশ্ন ১৭ ৰ উত্তৰ পঢ়িব)।


পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰ
গীতা অধ্যায় নং - ১৫
শ্লোক নং- ১ ৰ পৰা ৪
তথা শ্লোক নং-১৬
আৰু ১৭ ৰ বিৱৰণ।
মূল শিপা
কবীৰ - অক্ষৰ পুৰুষ এটা গছ,
নিৰঞ্জন তাৰ ডাল।
তিনি দেৱতা শাখাডাল
বাকী সকল পাত ৰূপী সংসাৰ।।
গা-গছ
(অক্ষৰ পুৰুষ পৰ ব্ৰহ্ম)
ডাল ব্ৰহ্ম
(ক্ষৰ পুৰুষ)
বিষ্ণু (শাখা ডাল)
শিব
ব্ৰহ্মা
শাস্ত্ৰবিৰুদ্ধ
সাধনা
অৰ্থাৎ ওলোটাকৈ ৰোপন কৰা ভক্তি ৰূপী গছ


ব্রহ্মা
শিব
গীতা অধ্যায় নং - ১৫
বিষ্ণু
শ্লোক নং- ১ ৰ পৰা ৪
তথা শ্লোক নং-১৬
আৰু ১৭ ৰ বিৱৰণ।
ডাল ব্রহ্মা
(ক্ষৰ পুৰুষ)
কবীৰ - অক্ষৰ পুৰুষ এটা গছ,
নিৰঞ্জন তাৰ ডাল।
তিনি দেৱতা শাখাডাল
বাকী সকল পাত ৰূপী সংসাৰ।।
গা-গছ
(অক্ষৰ পুৰুষ পৰ ব্রহ্মা)
কবীৰ পৰমেশ্বৰ
(মূল শিপা)
শাস্ত্রানুকুল
সাধনা
অর্থাৎ সীধা ৰোপন কৰা ভক্তি ৰূপী গছ

পৃষ্ঠা ৬৯ চিত্ৰটোলৈ মন কৰক। ইয়াত পোনকৈ ৰোপণ কৰা পুলি দেখুৱা হৈছে, এইটো শাস্ত্ৰ বিধি অনুসৰি কৰা সাধনাৰ উদাহৰণ হয়, ইয়াৰ পৰা মোক্ষ লাভ হয়। এই প্ৰমাণ গীতাত আছে।

সেইকাৰণে হে ধৰ্মদাস, শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰী শিবক এৰিব নালাগে। এওঁলোকৰ পূজা তুমি ইষ্ট ৰূপত কৰি আছা, সেয়া এৰিব  লাগে, তেতিয়াহে ভকতৰ পূৰ্ণ মোক্ষ সম্ভৱ হয়।

প্ৰশ্ন ৪৬ ঃ- (ধৰ্মদাস) হে জিন্দা, আপুনি তিনিও দেৱতাৰ (ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তমগুণ শিৱ) ভক্তি কৰা সকলৰ দশা কি হ'ব তাৰ প্ৰত্য ক্ষ প্ৰমাণ শ্ৰীমদ্ভগৱত গীতা অধ্যায় ৭ৰ শ্লোক ১২-১৫, ২০-২৩ আৰু অধ্যায় ৯ৰ শ্লোক ২৩, ২৪ ত দেখুৱাই দিছে অৰ্থাৎ উল্লেখ আছে যে "তিনিও গুণৰ (ৰজ গুণ ব্ৰহ্মা, সত গুণ বিষ্ণু আৰু তম গুণ শিৱ) ভক্তি কৰা ৰাক্ষস স্বভাৱ ধাৰণ কৰা মানুহৰ ভিতৰত নীচ, দুষিত কৰ্ম কৰা মূৰ্খই মোক (গীতা জ্ঞান দাতা ব্ৰহ্ম) নভজে। অন্য দেৱতাৰ ভক্তি পূজা কৰা সকলৰ সুখৰ সময় (স্বৰ্গৰ সময়) খন্তেকীয়া হয়। স্বৰ্গপ্ৰাপ্তি কৰি শীঘ্ৰে পৃথিৱীত জন্ম ধাৰণ কৰে। হে মহাত্মা, অনুগ্ৰহ কৰি সংসাৰত হোৱা ব্যৱহাৰৰ পৰা এনে প্ৰকৰণ শুনাওক যাৰ দ্বাৰা আপুনি কোৱা কথাৰ সত্যতা প্ৰমাণিত হয়।

তিনিও দেৱতাৰ পূজাৰী সকলে এনে কাম কৰে।

### "হিৰণ্যকশিপুৰ কথা"

উত্তৰঃ-(জিন্দা জগদীশৰ)

১) ৰজ গুণ ব্ৰহ্মাৰ উপাসকৰ চৰিত্ৰ ঃ- হিৰণ্যকশিপু এজন ব্ৰাহ্মণ ৰজা আছিল। কিবা কাৰণত তেওঁ ভগবান বিষ্ণুক (সতগুণ) ঈৰ্ষা কৰিছিল। ৰজাজনে দেবতা ৰজগুণ ব্ৰহ্মাক ভক্তি কৰি প্ৰসন্ন কৰিলে। ব্ৰহ্মাদেৱে ক'লে,"পূজাৰী, কি লাগে কোৱা ?" হিৰণ্যকশিপুৱে এনে বৰ খুজিলে যাতে তেওঁ ৰাতিপুৱাও নমৰে, গধূলিও নমৰে, বাহিৰতো নমৰে, ভিতৰতো নমৰে, দিনতো নমৰে, ৰাতিও নমৰে, কোনো মাহতে নমৰে, আকাশতো নমৰে, পৃথিৱীতো নমৰে, মানুহৰ দ্বাৰাও নমৰে, পশু-পক্ষীৰ দ্বাৰাও নমৰে। ব্ৰহ্মাদেৱে 'তথাস্তু' বুলি ক'লে। ইয়াৰ পাচত হিৰণ্যকশিপুৱে নিজকে অমৰ মানিলে আৰু তেওঁৰ নিজৰ নাম জপ কৰিবলৈ ক'ব ধৰিলে। বিষ্ণুৰ নাম জপ কৰা সকলক হত্যা কৰিব ধৰিলে। তেওঁৰ পুত্ৰ প্ৰহ্লাদ বিষ্ণু ভক্ত আছিল, সেই কাৰণে তেওঁক বৰ যাতনা দিছিল। হে ধৰ্মদাস এই কথা আপুনিও জানে। ভাৱাৰ্থ এই যে ৰজগুণ ব্ৰহ্মাৰ ভক্ত হিৰণ্যকশিপু ৰাক্ষস বুলি জনাজাত হ'ল।

### "ৰাৱন আৰু ভস্মাসুৰৰ কথা"

২) তম গুণ শিৱৰ উপাসকৰ চৰিত্ৰ ঃ- লংকাৰ ৰজা ৰাৱণে তম গুণ শিৱৰ পূজা কৰিছিল। তেওঁ নিজৰ শক্তিৰে ৩৩ কোটি দেবতাক বন্দী কৰি থৈছিল। আকৌ সীতাদেৱীক অপহৰণ কৰিছিল, তাৰফলত কি হ'ল আপোনালোক সকলোৱে জানে। তম গুণ শিৱৰ উপাসক ৰাক্ষস বুলি জনাজাত হ'ল, তাৰ সৰ্বনাশ হ'ল, নিন্দাৰ পাত্ৰ হ'ল।

অন্য উদাহৰণ ঃ-আপোনালোকে ভস্মাসুৰৰ কাহিনী শুনিছে। তেওঁ ভগৱান শিৱ (তম গুণ) ৰ ভক্তি কৰিছিল। তেওঁ বাৰ বছৰ লৈকে শিৱৰ দুৱাৰৰ সন্মুখত শীৰ্ষাসন কৰি ভক্তি তপস্যা কৰিছিল। এদিনাখন পাৰ্বতীয়ে ক'লে "হে মহাদেৱ, আপুনিতো সমৰ্থবান। আপোনাৰ ভক্তই কি বিচাৰে? প্ৰদান কৰক"। ভগৱান শিৱই প্ৰসন্ন হৈ ভস্মাগিৰিক কি লাগে সুধিলে। ভস্মাগিৰিয়ে শিৱ প্ৰতিজ্ঞাবদ্ধ হ'লেহে বৰ মাগিব বুলি কোৱাত শিৱ প্ৰতিজ্ঞাবদ্ধ হ'ল। তেতিয়া ভস্মাগিৰিয়ে শিৱৰ ভস্মকণ্ডা (ভস্মখাৰু) মাগিলে, শিৱই ভস্মাগিৰিক ভস্মকণ্ডা দিলে। লগে-লগে ভস্মাগিৰিয়ে ক'লে-"শিৱ সাৱধান হোৱা, তোমাক ভস্ম কৰি পাৰ্বতীক পত্নী কৰিম"।এনেদৰে কৈ অভদ্ৰভাৱে হাঁহিলে আৰু শিৱক মাৰিবলৈ চোঁচা ল'লে। ভগৱান শিৱই সেই দুষ্টৰ উদ্দেশ্য বুজি দৌৰি পলাল। পিছে পিছে পূজাৰী আগে আগে ইষ্ট দেৱ শিৱ (তম গুণ) দৌৰি গৈ আছিল।

ধৰ্মদাস কথাটো মন কৰক, যদি আপোনাৰ শিৱ অৱিনাশী হয় মৃত্যুৰ ভয়ত নপলালেহেঁতেন। আপুনি এওঁক অবিনাশী বুলি কৈছিল, অন্তৰ্য্যামীও কৈছিল। অন্তৰ্য্যামী হোৱা হ'লে ভস্মাগিৰিৰ মনৰ দুষ্টালি জানিলেহেতেঁন। ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে শিৱ অন্তৰ্য্যামীও নহয়।

তেনেদৰে দৌৰি থাকোঁতেই ভগৱান শিৱই প্ৰাণ ৰক্ষাৰ বাবে পৰমেশ্বৰক আহ্বান কৰিলে। পৰম অক্ষৰ ব্ৰহ্মই তৎক্ষণাত পাৰ্বতীৰ ৰূপ লৈ দুষ্ট ভস্মাগিৰিৰ সন্মুখত থিয় হৈ ক'লে-" হে ভস্মাগিৰি, আহা,মোৰ ওচৰত বহা" ভস্মাগিৰিয়ে বুজিছিল যে এতিয়া শিৱ ওচৰত নৰব। ভস্মাগিৰিয়ে মাত্ৰ পাৰ্বতীৰ বাবেহে এনে কাণ্ড কৰি আছিল। হে ধৰ্মদাস, আপুনি সকলো কথা জানে। পাৰ্বতী ৰূপতপৰমাত্মাই ভস্মাগিৰিক গণ্ডহথ নাচ নচুৱাই ভস্ম কৰিলে। তম গুণ শিৱৰ পূজাৰী ভস্মাগিৰি নিজৰ দুষ্ট কৰ্মৰ বাবে ভস্মাসুৰ অৰ্থাৎ ভস্মা ৰাক্ষস বুলিও জনাজাত হ'ল।

গতিকে এই তিনিও দেৱতাৰ পূজাৰীক ৰাক্ষস স্বভাৱ ধাৰণ কৰা, মানুহৰ ভিতৰত নীচ, দুষিত কৰ্ম কৰা মূৰ্খ বুলি কৈছে।

## "হৰিদ্বাৰত সাধুসকলৰ হত্যা"

৩) এতিয়া সত গুণ শ্ৰীবিষ্ণুৰ পূজাৰী সকলৰ কথা শুনাম।

এসময়ত হৰিদ্বাৰত "হৰ কী পৌড়ী" (গঙ্গা নদীৰ পবিত্ৰ ঘাট) ত কুম্ভমেলা হৈছিল। সেইসময়ত তিনিও গুণৰ উপাসক নিজৰ নিজৰ খেলত গোট খায়। গিৰি, পুৰী, নাগা-নাথ এওঁলোক তম গুণ ভগৱান শিৱৰ উপাসক আৰু বৈষ্ণৱ সকল সত গুণ ভগৱান বিষ্ণুৰ উপাসক হয়। হৰ কী পৌড়ীত প্ৰথমে কোনে গা ধুব-এই কথাত দুয়ো পক্ষৰ (নাগা আৰু বৈষ্ণৱ) মাজত কাজিয়া লাগিল। প্ৰায় ২৫ হাজাৰ ত্ৰি গুণৰ (ব্ৰহ্মা-ৰজগুণ, বিষ্ণু-সতগুণ, শিৱ-তমগুণ) পূজাৰী কাজিয়াত মৰিল। তৰোৱাল, চুৰী, কটাৰীৰে এজনে সিজনৰ প্ৰাণ ললে। সুক্ষ্মবেদত কৈছে যে -

তীৰ তুপক তলবাৰ কটাৰী, জমধড় জোৰ বধাৱৈ হৈ।
হৰ পৌড়ী হৰ হেত নহী জানা, ৰহাঁ জা তেগ চলাৱৈ হৈ।।
কাটৈ শীশ নহী দিল কৰুণা,জগমে সাধ কহাৱৈ হৈ।
জো জন ইনকে দৰ্শন কু জাৱৈ ,উনকো ভী নৰক পঠাৱৈ হৈ।।

হে ধৰ্মদাস ওপৰোক্ত সত্য ঘটনাৰ পৰা প্ৰমাণিত হ'ল যে ৰজ গুণ-ব্ৰহ্মা, সত গুণ-বিষ্ণু আৰু তম গুণ-শিৱৰ পূজা কৰা সকলক গীতা অধ্যায় ৭শ্লোক ১২ ৰ পৰা ১৫ ত ৰাক্ষস স্বভাৱ ধাৰণ কৰা, মানুহৰ ভিতৰত নীচ, দুষিত কৰ্ম কৰা মূৰ্খ বুলি কৈছে। পৰমেশ্বৰ জিন্দাৰ মুখ কমলৰ পৰা উল্লেখিত কথা শুনি ধৰ্মদাসৰ মূৰ আচন্দ্ৰাই কৰিলে। ধৰ্মদাসে সাহস গোটাই ক'লে-"হে প্ৰভু, মই জ্ঞানৰ অন্ধক আপুনি চকু দিলে, ওপৰৰ সকলো কথা মই পঢ়িছিলোঁ আৰু শুনিছিলোঁ। কিন্তু কেতিয়াও মনলৈ ভাব নাহিল যে মই ভুল পথত গৈ আছোঁ। আপোনাক শ-শ বাৰ ধন্যবাদ। মই পাপীক আপুনি নৰকৰ পৰা উদ্ধাৰ কৰিলে, হে প্ৰভু।

প্ৰশ্ন ৪৭ ঃ-(ধৰ্মদাসৰ) হে জিন্দা মহাত্মা, আপুনি কৈছে আৰু গীতা অধ্যায় ৭ শ্লোক ১৮ ত ময়ো পঢ়িছোঁ যে গীতা জ্ঞান দাতাই নিজৰ সাধনাৰ পৰা হোৱা গতিক অনুত্তম অৰ্থাৎ বেয়া বুলি কৈছে। এই কথাটোও উদাহৰণ দি স্পষ্ট কৰাৰ কৃপা কৰক। তাৰ বাবে কোনো প্ৰসংগ শুনাওক।

উত্তৰ ঃ- (জিন্দা বাবা বেশত থকা পৰমেশ্বৰৰ) গীতা অধ্যায় ২শ্লোক ১২, অধ্যায় ৪ শ্লোক ৫ আৰু অধ্যায় ১০ শ্লোক ২ত গীতা জ্ঞান দাতাই (ব্ৰহ্ম) কৈছে- "হে অৰ্জুন তোমাৰ আৰু মোৰ বহুতো জন্ম হৈছে, তুমি নাজানা, মই জানো"। শ্ৰীমদ্ভগৱত গীতা অধ্যায় ১৫ শ্লোক ৪ ত কৈছে, "তত্বদৰ্শী সন্তৰ পৰা তত্বজ্ঞান লাভ কৰি পৰমেশ্বৰৰ সেই পৰম পদ বিচাৰিব লাগিব, যত যোৱাৰ পাচত সাধক সংসাৰলৈ কেতিয়াও উভতি নাহে। যি জন পৰমেশ্বৰৰ দ্বাৰা সংসাৰৰূপী বৃক্ষৰ প্ৰবৃত্তি বিস্তাৰ হৈছে অৰ্থাৎ যি পৰমেশ্বৰে সকলো সংসাৰৰ উৎপত্তি কৰিছে সেই পৰমেশ্বৰৰ ভক্তি কৰা। আকৌ গীতা অধ্যায় ১৮ শ্লোক ৬২ ত গীতা জ্ঞান দাতাই কৈছে-"হে অৰ্জুন তুমি সৰ্বতো প্ৰকাৰে সেই পৰমেশ্বৰৰ শৰণত যোৱা, তেওঁৰ কৃপাতহে তুমি পৰম শান্তি আৰু সনাতন পৰম ধাম লাভ কৰিবা"। হে ধৰ্মদাস, যেতিয়া জন্ম-মৃত্যু হ'ব, তেতিয়ালৈকে পৰম শান্তি হ'ব নোৱাৰে আৰু সনাতন পৰম ধামো লাভ নহয়। প্ৰকৃততে পৰম গতি তাক কয়, যত জন্ম-মৃত্যু চিৰদিনৰ বাবে সমাপ্ত হ'ব আৰু এইটো ব্ৰহ্ম সাধনাৰ দ্বাৰা কেতিয়াও সম্ভৱ নহয়। গতিকে গীতা অধ্যায় ৭শ্লোক ১৮ ত গীতা জ্ঞান দাতাই কৈছে যে সকলো জ্ঞানী আত্মা মোৰ মতে পবিত্ৰ। কিন্তু তেওঁলোক সকলো মোৰ অনুত্তম (বেয়া) গতিত লীন হয় (মিলি যায়) কাৰণ তেওঁলোকে মোৰ ভক্তি (ব্ৰহ্মৰ ভক্তি) কৰি আছে। ব্ৰহ্ম সাধনাৰ মন্ত্ৰ হ'ল 'ওঁ'। ইয়াৰ দ্বাৰা ব্ৰহ্মলোক প্ৰাপ্তি হয়। গীতা অধ্যায় ৮ শ্লোক ১৬ ত স্পষ্ট আছে যে ব্ৰহ্মলোকত যোৱা সাধকো পুনৰ উভতি সংসাৰত আহে। গতিকে তেওঁলোকৰ পৰম শান্তি হ'ব নোৱাৰে, সনাতন পৰম ধাম লাভ কৰিব নোৱাৰে। বেদ বৰ্ণিত সাধনাৰে পৰমাত্মা প্ৰাপ্তি হ'ব নোৱাৰে। কিছুমান সিদ্ধি লাভ হয়, এই সিদ্ধিৰ দ্বাৰা ঋষিয়ে চমৎকাৰ কৰি, কাৰোবাৰ হানি কৰি প্ৰসিদ্ধ লাভ কৰে। শেষত পাপৰ ভাগী হৈ চৌৰাষী লাখ প্ৰকাৰৰ প্ৰাণীৰ শৰীৰত কষ্ট ভোগ কৰে। গতিকে ব্ৰহ্ম সাধনাৰ পৰা হোৱা গতিক অৰ্থাৎ লাভক অনুত্তম (বেয়া) বোলা হৈছে।

## "ঋষি চুনক আৰু মান্ধাতাৰ কথা"

কথা প্ৰসংগ ঃ গীতা জ্ঞান দাতাই অধ্যায় ৭ৰ শ্লোক ১৬, ১৭ ত কৈছে -"মোৰ ভক্তি চাৰিধৰণৰ ভকতে কৰে - ১) আৰ্ত (সংকট নিবাৰণৰ বাবে), ২) অৰ্থাৰ্থী (ধন লাভৰ বাবে), ৩) জিজ্ঞাসু (জ্ঞান লাভ কৰি বক্তা হ'ব বিচৰাসকল) ৪) জ্ঞানী (মাত্ৰ মোক্ষ লাভৰ বাবে ভক্তি কৰা সকল)।

ইয়াৰ পৰা মাত্ৰ জ্ঞানী সকলক গীতা জ্ঞান দাতাই নিজৰ দৃঢ় ভক্ত বুলি কৈছে।

জ্ঞানীৰ বিশেষত্ব ঃ- জ্ঞানী সেইজন যি জনে বুজিছে যে মানব জীৱন কেৱল মোক্ষ লাভৰ বাবে পোৱা যায়। তেওঁৰ এই জ্ঞানো হৈ যায় যে পূৰ্ণ মোক্ষৰ বাবে মাত্ৰ এজন পৰমাত্মাৰ ভক্তি কৰিব লাগিব। অন্য দেৱতা (ৰজ গুণ -ব্ৰহ্মা, সত গুণ-বিষ্ণু, তম গুণ- শিৱ) ৰ ভক্তিৰ দ্বাৰা পূৰ্ণ মোক্ষ নহয়। সেই জ্ঞানী আত্মাসকলে গীতা অধ্যায় ৪ শ্লোক ৩৪ আৰু যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১০ ত বৰ্ণিত তত্বদৰ্শী সন্ত নোপোৱাৰ বাবে নিজে বেদৰ পৰা সাৰ উলিয়ালে যে "ব্ৰহ্ম" সমৰ্থ পৰমাত্মা হয়, 'ওঁ' তেওঁৰ ভক্তিৰ মন্ত্ৰ হয়। এই সাধনাৰ পৰা ব্ৰহ্মলোক প্ৰাপ্তি হয় আৰু ইয়াকে মোক্ষ বোলে।

জ্ঞানী আত্মা সকলে পৰমেশ্বৰ প্ৰাপ্তিৰ বাবে হঠযোগ কৰিলে। এঠাইত বহি ঘোৰ তপ কৰিলে আৰু ওম (ওঁ) নামৰ জপ কৰিলে, কিন্তু বেদ আৰু গীতাত হঠযোগ কৰা, ঘোৰ তপ কৰা সকলক মূৰ্খ, দাম্ভিক আৰু ৰাক্ষস বুলি কৈছে। (গীতা অধ্যায ৩ শ্লোক ৪ ৰ পৰা ৯, অধ্যায় ১৬ শ্লোক ১৭ ৰ পৰা ২০ আৰু অধ্যায় ১৭ শ্লোক ১ৰ পৰা ৬)। এওঁলোকে হঠযোগ কৰাৰ প্ৰেৰণা (ইচ্ছা) কেনেকৈ পালে ?

শ্ৰীদেবী পুৰাণ (গীতা প্ৰেচ, গোৰখপুৰৰ পৰা প্ৰকাশিত, সচিত্ৰ ডাঠ আখৰ) ৰ তৃতীয় স্কন্ধত লিখা মতে ব্ৰহ্মাই নিজৰ পুত্ৰ নাৰদক কৈছিল যে যেতিয়া ব্ৰহ্মাৰ উৎপত্তি হ'ল তেওঁ নিজকে পদুমফুলৰ ওপৰত বহি থকা পালে। আকৌ আকাশবাণী হ'ল-"তপ কৰা, তপ কৰা "। তেতিয়া ব্ৰহ্মই এক হাজাৰ বছৰ তপস্যা কৰিলে।

হে ধৰ্মদাস, ব্ৰহ্মাই পাচত সাগৰ মন্থনৰ সময়ত বেদ পালে। তেওঁ পঢ়ি যাওঁতে পালে যে যজুৰ্বেদ অধ্যায় ৪০ ৰ মন্ত্ৰ ১৫ ত "ওম" নাম আছে। ওঁ নামৰ জপ আৰু আকাশবাণীৰ পৰা শুনা হঠযোগ (ঘোৰ তপ) দুটা মিহলাই, ব্ৰহ্মাই নিজেও সাধনা কৰিলে আৰু নিজৰ সন্তান (ঋষি সকল) সকলকো ক'লে। (চাৰিওবেদ আৰু তাৰ সাৰভাগ শ্ৰীমদ্ভগৱত গীতাত হঠযোগ কৰি ঘোৰ তপস্যা কৰা সকলক ৰাক্ষস, ক্ৰুৰকৰ্মা (নিৰ্দয়), নৰাধম অৰ্থাৎ নীচ ব্যক্তি বুলি কৈছে (প্ৰমাণ গীতা অধ্যায় ১৬ শ্লোক ১৭-২০ আৰু অধ্যায় ১৭শ্লোক ১-৬ ত আছে। এই সাধনা পাচত জ্ঞানী আত্মা ঋষিসকলে কৰা আৰম্ভ কৰিলে। তেওঁলোকৰ মাজৰ পৰা এজন চুনক ঋষিৰ প্ৰসংগ কৈছোঁ শুনা। ইয়াৰ পৰা আপোনাৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ পাব- এজন চুণক নামৰ ঋষি আছিল। তেওঁ বহু হাজাৰ বছৰ ধৰি ঘোৰ তপ আৰু ওম (ওঁ) নামৰ জপ কৰিলে। এয়া ব্ৰহ্মৰ ভক্তি হয়। ব্ৰহ্মই প্ৰতিজ্ঞা

কৰি থৈছে যে তেওঁ (ব্ৰহ্ম) যি কোনো সাধনা অৰ্থাৎ বেদ বৰ্ণিত যজ্ঞৰ দ্বাৰা, জপৰ দ্বাৰা, তপস্যাৰ দ্বাৰা সাধনা কৰিলেও কাকো দৰ্শন নিদিয়ে। গীতা অধ্যায় ১১ শ্লোক ৪৮ ত কৈছে-" হে অৰ্জুন তুমি মোৰ যি ৰূপ দেখিছা অৰ্থাৎ মোৰ এই কাল ৰূপ দেখিছা, এয়া মোৰ স্বৰূপ (নিজৰ আচল ৰূপ) হয়। বেদত বৰ্ণিত বিধিৰে তপস্যাৰ দ্বাৰা, জপেৰে, যজ্ঞ আৰু যি কোনো সাধনা কৰিলেও এই ৰূপৰ দৰ্শন নহ'ব। গীতা জ্ঞান দাতাই অধ্যায় ৭ ৰ শ্লোক ২৪-২৫ ত স্পষ্ট কৰিছে- "এইটো মোৰ অবিনাশী বিধান যে মই কেতিয়াও কাকো দৰ্শন নিদিওঁ, নিজৰ যোগমায়াৰে লুকাই থাকোঁ। এই মূৰ্খ সকলে মোক মানুহৰ ৰূপত অৰ্থাৎ কৃষ্ণ ৰূপত অহা বুলি মানি লৈছে"- কথা খিনি গীতা জ্ঞান দাতাই সন্মুখৰ ফালে থকা সেনাৰ প্ৰতি সংকেত কৰি কৈ আছিল। কোৱাৰ অৰ্থ হ'ল মই (ব্ৰহ্ম) কেতিয়াও কাকো দেখা নিদিওঁ, এতিয়া তোমাক কৃপা কৰি নিজৰ ৰূপ দেখাইছোঁ।

ভাবাৰ্থ ঃ- বেদত বৰ্ণিত বিধিৰে আৰু অন্য প্ৰচলিত ক্ৰিয়াৰ দ্বাৰা ব্ৰহ্ম প্ৰাপ্তি নহয়। সেই কাৰণে চুণক ঋষিয়ে পৰমাত্মা প্ৰাপ্তি কৰিব নোৱাৰিলে, সিদ্ধিহে প্ৰাপ্তি কৰিলে। ঋষি সকলে সিদ্ধি প্ৰাপ্তিকে ভক্তিৰ অন্তিম লাভ মানি ললে। যি জনৰ লগত বেচি সিদ্ধি থাকে তেওঁক কম সিদ্ধি থকা জনতকৈ শ্ৰেষ্ঠ বুলি মানিবলৈ আৰম্ভ কৰিলে। চুণক ঋষিয়েও এনে লাভ উপাৰ্জন কৰিলে।

মান্ধাতা এজন চক্ৰবৰ্তী ৰজা আছিল। তেওঁৰ লগত ৭২ অক্ষৌহিনী সেনা আছিল। ৰজাই তেওঁৰ তলতীয়া ৰজা সকলক ক'লে যে যি সকলে তেওঁৰ বশ্যতা স্বীকাৰ নকৰে, তেওঁলোক যুদ্ধৰ বাবে সাজু হ'ব লাগে। ৰজাই কথাটো ফলি এটাত লিখি ফলিটো ঘোঁৰাৰ ডিঙিত বান্ধি ঘোঁৰা এৰি দিলে। ফলিত লিখা হ'ল যে বশ্যতা স্বীকাৰ নকৰা সকলে ঘোঁৰাটো ধৰি যুদ্ধৰ বাবে সাজু হ'ব লাগে। গোটেই পৃথিবীত ঘোঁৰাটো কোনেও নধৰিলে। ঘোঁৰাৰ লগত কিছু সৈনিকো আছিল। উভতি আহোঁতে চুণক ঋষিয়ে সৈনিকসকল ক'ত গৈছিল বুলি সুধিলে। সৈনিক সকলে সমগ্ৰ পৃথিৱী ফুৰি আহিছে বুলি ক'লে। কোনেও ৰজাৰ ঘোঁৰা ধৰি ৰাখিবলৈ সাহস কৰা নাই বুলি জনালে। ঋষিযে ক'লে যে তেওঁ যুদ্ধ স্বীকাৰ কৰিছে। সৈনিক সকলে ঋষিক ঠট্ৰা কৰি ক'লে যে খাবলৈ খুদকণ নাই আৰু মন মেলিছে ৰজাৰ লগত যুদ্ধ কৰিবলৈ। কিন্তু চুণক ঋষিয়ে ঘোঁৰাটো ধৰি গছত বান্ধিলে। মান্ধাতা ৰজাই গম পোৱাত যুদ্ধৰ বাবে সাজু হ'ল। ৰজাই ৭২ অক্ষৌহিনী সেনাৰ চাৰিটা গোট কৰিলে। ঋষিক আক্ৰমণ কৰিবলৈ ১৮ অক্ষৌহিনী (১৮ কোটি) সেনাৰ এটা গোট পঠালে। সিফালে ঋষিয়েও নিজৰ সিদ্ধিৰে চাৰিটা বম গোলা সাজিলে, এটা বম গোলা নিক্ষেপ কৰিলে আৰু ৰজাৰ ১৮ কোটি সেনা নিহত হ'ল। ৰজায়ো দ্বিতীয়টো গোট পঠালে, ঋষিয়ে দ্বিতীয়টো বম গোলা নিক্ষেপ কৰি আকৌ ১৮ কোটি সেনা নাশ কৰিলে। এইদৰে চুণক ঋষিয়ে মান্ধাতা ৰজাৰ ৭২ কোটি সেনা নাশ কৰিলে আৰু তাৰ ফলত মহৰ্ষি চুণকৰ মহিমা সম্পূৰ্ণ পৃথিৱীত বিয়পি পৰিল। এনে অনৰ্থ কৰি সৰ্বশ্ৰেষ্ঠ ঋষি ৰূপে জনাজাত হ'ল।

হে ধৰ্মদাস, (জিন্দা ৰূপত থকা পৰমেশ্বৰে ক'লে) চুণক ঋষিয়ে সেনাক হত্যা কৰিলে, এই পাপ কৰ্ম ঋষিৰ সঞ্চিত কৰ্মত জমা হ'ল। চুণক ঋষিয়ে 'ওঁ' নামৰ জপ কৰিছিল, তাৰ বিনিময়ত ব্ৰহ্মলোকলৈ যাব। আকৌ ব্ৰহ্মলোকৰ সুখৰ সময় পাৰ কৰি পৃথিৱীত জন্ম ল'ব। হঠযোগ আৰু তপস্যা কৰাৰ ফলস্বৰূপে পৃথিৱীত ৰজা হ'ব। আকৌ মৃত্যুৰ পাচত কুকুৰ হ'ব। যি ৭২ অক্ষৌহিনী সেনা মাৰিছিল সিহঁতে প্ৰতিশোধ ল'ব।কুকুৰৰ মূৰত ঘাঁ হ'ব তাত পোক হৈ ৭২ অক্ষৌহিনী সেনাই নিজৰ প্ৰতিশোধ ল'ব। সেইকাৰণে, হে ধৰ্মদাস, গীতা জ্ঞান দাতাই (ব্ৰহ্মই) নিজৰ সাধনাৰ পৰা হোৱা গতি অৰ্থাৎ মুক্তিক অনুত্তম (অশ্ৰেষ্ঠ) কৈছে।

প্ৰশ্ন ৪৮ (ধৰ্মদাসৰ)ঃ- হে জিন্দা, মই এজন মহামণ্ডলেশ্বৰক সুধিছিলো যে গীতা অধ্যায় ১৮ শ্লোক ৬২ ত ভগৱান শ্ৰীকৃষ্ণই কোন পৰমেশ্বৰৰ শৰণত যাবলৈ কৈছে? তেওঁ উত্তৰ দিছিল যে ভগৱান শ্ৰীকৃষ্ণৰ বাহিৰে আন কোনো ভগৱান নাই। শ্ৰীকৃষ্ণ স্বয়ং পূৰ্ণ পৰমাত্মা হয়, তেওঁ নিজৰেই শৰণত আহিবলৈ কৈছে, কোৱাৰ ঢং হে বেলেগ। হে জিন্দা, অনুগ্ৰহ কৰি মই অজ্ঞানীৰ ভ্ৰম নিবাৰণ কৰক।

উত্তৰ ঃ- (জিন্দা বাব পৰমেশ্বৰৰ)ঃ- হে ধৰ্মদাস

"য়ে মালা ডাল হুএ হৈ মুক্তা। ষটদল উৰা -বাই বকতা।"

আপোনাৰ সকলো মহামণ্ডলেশ্বৰ আৰু শংকৰাচাৰ্য্য সকলে ঠগবাজি কৰি সৰল জনতাক ভ্ৰমিত কৰি আছে। তেওঁলোকে কৈছে যে অধ্যায় ১৮ শ্লোক ৬২ত গীতা জ্ঞান দাতাই নিজৰ শৰণত আহিবলৈ কৈছে, এই কথা সম্পূৰ্ণ ভুল কাৰণ অধ্যায় ২ শ্লোক ৭ত অৰ্জুনে কৈছে, "হে কৃষ্ণ, এতিয়া মোৰ বুদ্ধিয়ে ভালদৰে কাম কৰা নাই। মই আপোনাৰ শিষ্য, মই আপোনাৰ শৰণত পৰিছোঁ। মোৰ বাবে যি ভাল হয় তেনে জ্ঞান মোক দিব"। হে ধৰ্মদাস, অৰ্জুন আগতেই কৃষ্ণৰ শৰণত আছিল। গতিকে অধ্যায় ১৮ শ্লোক ৬২ ত গীতা জ্ঞান দাতাই নিজতকৈ বেলেগ পৰম অক্ষৰ ব্ৰহ্মৰ শৰণত যাবলৈ কৈছে। অধ্যায় ৪ শ্লোক ৩ ত গীতা জ্ঞান দাতাই কৈছে, "হে অৰ্জুন, তুমি মোৰ ভক্ত, গতিকে এই গীতা শাস্ত্ৰ শুনাইছো।

গীতা জ্ঞান দাতাতকৈ অন্য পূৰ্ণ পৰমাত্মা থকাৰ প্ৰমাণ গীতা অধ্যায় ১৩ শ্লোক ১১ ৰ পৰা ২৮, ৩০, ৩১, ৩৪ তো আছে।

শ্ৰীমদ্ভগৱত গীতা অধ্যায় ১৩ শ্লোক ১ ত গীতা জ্ঞান দাতাই কৈছে যে শৰীৰক "ক্ষেত্ৰ" বোলে আৰু যিজনে এই "ক্ষেত্ৰ"ক অৰ্থাৎ শৰীৰক জানে তেওঁক "ক্ষেএজ্ঞ" বোলে (গীতা অধ্যায় ১৩ শ্লোক ১)।

গীতা অধ্যায় ১৩ শ্লোক ২ত গীতা জ্ঞান দাতাই কৈছে- "মই ক্ষেত্ৰজ্ঞ হওঁ। মোৰ মতে ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞ দুয়োকে বুজি পোৱাটোক তত্বজ্ঞান বোলে। অধ্যায় ১৩ শ্লোক ১০ ত কৈছে যে ,"মোৰ ভক্তি অব্যভিচাৰিণী হ'ব লাগিব"। উদাহৰণস্বৰূপে গীতা অধ্যায় ৭ শ্লোক ১২ৰ পৰা ১৫, ২০ ৰ পৰা ২৩ লৈকে আৰু অধ্যায় ৯ৰ শ্লোক ২৩ -২৪ ত অন্য দেৱতাসকলৰ ভক্তি সাধনা ব্যৰ্থ বুলি

কৈছে, মাত্র ব্ৰহ্মৰ ভক্তি কৰিবলৈ কৈছে। অন্য দেৱতাসকলৰ প্ৰতি আসক্ত নহ'বলৈ কৈছে। ভাবাৰ্থ এই যে ভক্তি আৰু মুক্তিৰ বাবে জ্ঞান বুজিব লাগিব, বক্তা হ'বৰ বাবে নহয়। ভক্তি আৰু মুক্তিৰ বাবে জ্ঞান নুশুনি বক্তা হ'বৰ বাবেহে জ্ঞান শুনাটো অজ্ঞান হয়। পতিব্ৰতা স্ত্ৰীৰ দৰে মাত্র মোৰ (ব্ৰহ্মৰ) ওপৰত আস্থা ৰাখি ভক্তি কৰা। মানুহৰ মাজত বহি কথকী হ'ব নালাগে, নিজান ঠাইত বহি ভক্তি কৰা।

গীতা অধ্যায় ১৩ শ্লোক ১১ত গীতা জ্ঞান দাতাই কৈছে যে অধ্যাত্ম জ্ঞানত ৰুচি ৰাখি তত্বজ্ঞান লাভৰ বাবে সদ্‌গ্ৰন্থ চোৱা তত্বজ্ঞান হয়, সেয়াই জ্ঞান, আৰু তত্বজ্ঞান বাদ দি কথা-কাহিনী শুনোৱা, শাস্ত্ৰ বিৰুদ্ধ ভক্তি কৰা এই সকলোবোৰ অজ্ঞান হয়। তত্বজ্ঞান লাভৰ বাবে পৰমাত্মাক বুজি পোৱাই জ্ঞান।

গীতা জ্ঞান দাতাই অধ্যায় ১৩ শ্লোক ১২ ত নিজতকৈ "পৰম ব্ৰহ্ম" অৰ্থাৎ শ্ৰেষ্ঠ পৰমাত্মাৰ জ্ঞান দিছে, সেইজন পৰমাত্মা (জ্ঞেয়ম) জনাৰ যোগ্য অৰ্থাৎ তেওঁক জনা উচিত, তেওঁক জনাৰ পাচত (অমৃতম অশ্নুতে) অমৰত্ব লাভ হ'ব অৰ্থাৎ পূৰ্ণ মোক্ষৰ অমৃততুল্য আনন্দ ভোগ কৰিবলৈ পোৱা যায়। সেই সৰ্ম্পকে গীতা জ্ঞান দাতাই ভাঙি পাতি কৈছে-"(তত্) সেই অন্য (ব্ৰহ্ম) পৰমাত্মা সত্ও নহয় অসৎও নহয়," অৰ্থাৎ গীতা জ্ঞান দাতাই অধ্যায় ৪ ৰ শ্লোক ৩২, ৩৪ ত কৈছে যে তত্বজ্ঞানত পৰমাত্মাৰ পূৰ্ণজ্ঞান আছে, সেই তত্বজ্ঞান পৰমাত্মাই নিজ মুখ কমলেৰে উচ্চাৰণ কৰি বৰ্ণনা কৰে। এনে তত্বজ্ঞানক তত্বদৰ্শী সন্তই জানে, তেওঁক সাষ্টাঙ্গ প্ৰণাম কৰি বিনম্ৰ হৈ জানিব বিচাৰিলে তেওঁ (পৰমাত্মা তত্বৰ বিষয়ে সৰ্ম্পূণ জ্ঞান থকা তত্বদৰ্শী সন্তই) তোমাক তত্বজ্ঞানৰ উপদেশ দিব। ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে গীতা জ্ঞান দাতাৰো পৰমাত্মাৰ পূৰ্ণ জ্ঞান নাই। গতিকে কৈছে যে যি জন সত্ও নহয় ,অসত্ও নহয় সেই পৰমাত্মা গীতা জ্ঞান দাতাতকৈ বেলেগ হয়। ইয়াত পৰ+ব্ৰহ্ম ৰ অৰ্থ সাত শংখ ব্ৰহ্মাণ্ডৰ গৰাকী পৰব্ৰহ্ম অৰ্থাৎ গীতা অধ্যায় ১৫ শ্লোক ১৬ত থকা অক্ষৰ পুৰুষ নহয় কাৰণ কাল লোক (যি খন ২১ ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰ) ত অক্ষৰ পুৰুষ (যি জনক পৰব্ৰহ্ম কোৱা হৈছে) ৰ বিশেষ ভূমিকা নাই। ইয়াত কাল লোকত, কালৰ আৰু দয়ালু পৰমাত্মাৰ ভূমিকা আছে। গতিকে ইয়াত (পৰ মানে অন্য আৰু ব্ৰহ্ম মানে পৰমাত্মা) ব্ৰহ্মত কৈ অন্য পৰমাত্মাৰ-পূৰ্ণ ব্ৰহ্মৰ বৰ্ণনা আছে।

ভাবাৰ্থ ঃ-গীতা অধ্যায় ১৩ শ্লোক ১২ত গীতা জ্ঞান দাতাই কৈছে যে তেওঁতকৈ অন্য ব্ৰহ্ম অৰ্থাৎ প্ৰভু অনাদি প্ৰভু হয়। অনাদিৰ অৰ্থ হ'ল যাৰ কেতিয়াও আদি অৰ্থাৎ আৰম্ভনি হোৱা নাই, কেতিয়াও জন্ম হোৱা নাই। গীতা জ্ঞান দাতা ক্ষৰ পুৰুষ হয়, তেওঁক "ব্ৰহ্ম" ও বোলা হয়। এই ব্ৰহ্মই অধ্যায় ২ শ্লোক ১২, অধ্যায় ৪ শ্লোক-৫, ৯, অধ্যায় ১০ শ্লোক ২ ত নিজে স্বীকাৰ কৰিছে,"হে অৰ্জুন তোমাৰ আৰু মোৰ বহুত জন্ম হৈছে, তুমি নাজানা, মই জানো"। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে গীতা জ্ঞান দাতা অনাদি "ব্ৰহ্ম" অৰ্থাৎ প্ৰভু নহয়। ইয়াৰ দ্বাৰা এইটো প্ৰমাণ

হ'ল যে গীতা জ্ঞান দাতাই অধ্যায় ১৩ শ্লোক ১২ত নিজতকৈ বেলেগ অবিনাশী পৰমাত্মাৰ মহিমা বখানিছে (অধ্যায় ১৩ শ্লোক ১২)।

গীতা জ্ঞান দাতা ব্ৰহ্ম হয়, ইয়াৰ এক হাজাৰ (সহস্ৰ) হাত-ভৰি আছে। ইয়াৰ সহস্ৰ কমল আছে অৰ্থাৎ এক হাজাৰ পাহি থকা কমল আছে। গীতা অধ্যায় ১১ শ্লোক ৪৬ ত অৰ্জুনে কৈছে-"হে সহস্ৰ বাহু (এক হাজাৰ হাতযুক্ত) আপুনি চতুৰ্ভুজ ৰূপত দৰ্শন দিয়ক।" ইয়াৰ পৰা প্ৰমাণিত হ'ল যে গীতা জ্ঞান দাতা মাত্ৰ এক হাজাৰ হাত যুক্ত হয়। সেই কাৰণে গীতা অধ্যায় ১৩ শ্লোক ১৩ ত গীতা জ্ঞান দাতাই নিজতকৈ বেলেগ সকলো ফালে হাত-ভৰি থকা, সকলো ফালে চকু, মূৰ আৰু মুখ থকা আৰু সকলো ফালে কাণ থকা পৰমাত্মাৰ মহিমা বখানিছে। কৈছে যে সেই পৰমাত্মা সংসাৰত সকলোতে ব্যাপ্ত আছে অৰ্থাৎ নিজৰ শক্তিৰ বলত সকলোতে তাৰ অস্তিত্ব আছে আৰু নিজে সত্যলোক (শাশ্বত স্থানম তিষ্ঠতি)ত বিৰাজমান হৈছে।

স্পষ্ট হ'ল যে গীতা জ্ঞান দাতাতকৈ অন্য সমৰ্থবান পৰমাত্মা আছে, তেওঁ সকলো সংসাৰৰ পৰিচালনা কৰে, পালন কৰে (গীতা অধ্যায় ১৩ শ্লোক ১৩)।

গীতাৰ অধ্যায় ১৩ শ্লোক ১৪তো স্পষ্ট আছে যে গীতা জ্ঞান দাতাই নিজতকৈ বেলেগ পৰমাত্মাৰ জ্ঞান দিছে। কৈছে যে-"সম্পূৰ্ণ ইন্দ্ৰিয়ৰ বিষয়ক জানে অৰ্থাৎ অন্তৰ্য্যামী হয়। তেওঁ ইন্দ্ৰিয় ৰহিত অৰ্থাৎ পৰমাত্মাৰ ইন্দ্ৰিয় মানুহ আৰু অন্য প্ৰাণীৰ দৰে বিকাৰগ্ৰস্ত নহয়। সেই পৰমাত্মা আসক্তি ৰহিত অৰ্থাৎ তেওঁ এই কাললোক (একৈশ ব্ৰহ্মাণ্ড)ৰ কোনো বস্তুত আসক্ত নহয় কাৰণ সেই পৰমাত্মাৰ সতলোক এই কালৰ ক্ষেত্ৰতকৈ অসংখ্য গুণে উত্তম। গতিকে সেই পৰমাত্মাক আসক্তি ৰহিত বোলা হৈছে। তেওঁ সকলোৰে প্ৰতিপালন কৰে। এই প্ৰমাণ অধ্যায় ১৫ৰ শ্লোক ১৭তো আছে। সেই পৰমাত্মা নিৰ্গুণ কিন্তু সগুণ হৈ নিজৰ মহত্ব প্ৰকাশ কৰে। উদাহৰণস্বৰূপে আমৰ গছ আমৰ বীজৰ ভিতৰত নিৰ্গুণ অৱস্থাত থাকে। সেই বীজক যেতিয়া ৰোপণ কৰা হয় তেতিয়া পুলি হৈ গছ হোৱাৰ পাছত সগুণ হৈ নিজৰ মহত্ব প্ৰকাশ কৰে। কিন্তু পৰমাত্মা সত্যলোকত সগুণ ৰূপত বহিছে কাৰণ তেওঁ নিজৰ বচন শক্তিৰে সকলো সৃষ্টি ৰচনা কৰি বিধান তৈয়াৰ কৰি থৈছে। সেই পৰমাত্মাৰ বিধান মতে সকলো প্ৰাণী আৰু নক্ষত্ৰৰ সৃষ্টি আৰু নাশ হয়। জীৱই কৰ্ম অনুসৰি জন্ম লয় আৰু মৃত্যু বৰণ কৰে। পৰমাত্মাৰ কোনো চিন্তা নাই। কিন্তু পৰমাত্মা পৃথিৱীত প্ৰকট হোৱাৰ (অহাৰ) পিচত সকলো গুণ ভোগ কৰে। আমৰ গছক নিৰ্গুণৰ পৰা সগুণ অৱস্থালৈ আহিবলৈ সময় লাগে, কিন্তু পৰমাত্মাৰ বাবে সময়সীমা নাই। তেওঁ এইমাত্ৰ নিৰ্গুণ হৈ লগে লগে সগুণ হ'ব পাৰে। উদাহৰণস্বৰূপে সত্যলোকলৈ যোৱাৰ লগে লগে তেওঁ আমাৰ বাবে নিৰ্গুণ হয়, আমি তেওঁৰ গুণৰ লাভ পাব নোৱাৰো। আকৌ পৃথিৱীত প্ৰকট হোৱা মাত্ৰকে তেওঁ সগুণ হৈ পৰে, আমাক আশীৰ্বাদ দি নিজৰ গুণৰ লাভ দিয়ে। এইদৰে পৰমাত্মাক নিৰ্গুণ-সগুণ বোলা হয়। ইয়াৰ

পৰাও প্ৰমাণ হ'ল যে গীতা জ্ঞান দাতাতকৈ বেলেগ অন্য কোনো সকলোকে প্ৰতিপালন কৰা পৰমাত্মা আছে।

গীতা অধ্যায় ১৩ শ্লোক ১৫-১৬ তো এইটো প্ৰমাণ আছে। গীতা জ্ঞান দাতাই কৈছে যে যেনেদৰে সূৰ্য দূৰত থাকিও এই পৃথিৱীত নিজৰ প্ৰভাৱ দেখুৱায় তেনেদৰে পৰমাত্মা সত্যলোকত থাকিও সকলো ব্ৰহ্মাণ্ডত নিজৰ শক্তিৰ প্ৰভাৱ নিশ্চিত কৰে। সকলো চৰাচৰ প্ৰাণীৰ বাহিৰে ভিতৰে পৰমাত্মা আছে। ইমান সূক্ষ্ম হোৱাৰ বাবে আমি তেওঁক চৰ্মদৃষ্টিৰে দেখা নাপাওঁ, গতিকে এই অৰ্থত তেওঁ "অবিজ্ঞেয়" অৰ্থাৎ আমাৰ জ্ঞানে ঢুকি নোপোৱা অৱস্থাত আছে। এইদৰে সেই পৰমাত্মা আমাৰ ওচৰতো আছে আকৌ দূৰতো আছে। পৰমাত্মা দূৰত অৱস্থিত সত্যলোক (শাশ্বত স্থানম)ত আছে, তেওঁৰ শক্তিৰ প্ৰভাৱ প্ৰত্যেকৰ লগত আছে (গীতা অধ্যায় ১৩শ্লোক-১৫)।

উদাহৰণস্বৰূপে সূৰ্য দূৰত আছে, কিন্তু পৃথিৱীৰ প্ৰত্যেক প্ৰাণীয়ে নিজৰ ওচৰত দেখে। আকৌ বহুত কলহত পানী ভৰাই চালেও সূৰ্যই প্ৰতিটো কলহতে দেখা দিয়ে, টুকুৰা হৈ দেখা নিদিয়ে। এইদৰে পৰমাত্মা সকলো ব্যক্তিৰ বাবে দৃশ্যমান, কিন্তু সূৰ্যৰ দৰে এঠাইত আছে। সেই পৰমাত্মা জনাৰ যোগ্য অৰ্থাৎ আমি তেওঁক জনা উচিত। ভাবাৰ্থ এই যে গীতা জ্ঞান দাতাৰ মতে তেওঁৰ পৰা ভিন্ন পৰমাত্মাক আমি জনাটো উচিত, আমাৰ লগত তেওঁৰ জ্ঞান থাকিব লাগিব। পৰমাত্মাৰ বিধান অনুসৰি সকলোৰে প্ৰতিপালন, জন্ম ও মৃত্যু হয়। প্ৰকৃততে "ব্ৰহ্মা" (সকলোৰে উৎপত্তি কৰ্তা) তেওঁহে, শংকৰো (সংহাৰ কৰ্তা) তেওঁ নিজেই। অন্য ব্ৰহ্মা, বিষ্ণু আৰু শংকৰ মাত্ৰ এটা ব্ৰহ্মাণ্ডৰ সৰ্বেসৰ্বা। কিন্তু সেই পৰমাত্মা সকলো ব্ৰহ্মাণ্ডৰ ব্ৰহ্মা, বিষ্ণু আৰু শংকৰ ৰূপত অকলে আছে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষত কেন্দ্ৰত এজন গৃহমন্ত্ৰী থাকে আৰু আৰু ৰাজ্য বোৰতো গৃহমন্ত্ৰী থাকে। দেশৰ প্ৰধানমন্ত্ৰীয়ে নিজৰ লগত অন্য বিভাগো ৰাখে। সেই সময়ত প্ৰধান মন্ত্ৰীয়ে গৃহমন্ত্ৰী ইত্যাদিৰ পদতো থাকে আৰু প্ৰধানমন্ত্ৰী পদতো থাকে।

ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে গীতা জ্ঞান দাতাই নিজতকৈ অন্য সমৰ্থ পৰমাত্মাৰ মহিমা বখানিছে। গীতাজ্ঞান দাতাতকৈ অন্য কোনো পূৰ্ণ পৰমাত্মা আছে (গীতা অধ্যায় ১৩ শ্লোক-১৬)। গীতা জ্ঞান দাতাই অধ্যায় ১৩ শ্লোক-১৭ ত নিজতকৈ অন্য পৰমাত্মাৰ মহিমা এইদৰে বৰ্ণনা কৰিছে -

সেই অন্য পৰমাত্মা (পৰম ব্ৰহ্ম) সকলো জ্যোতিৰো জ্যোতি অৰ্থাৎ সম্পূৰ্ণ জ্যোতিৰ উৎস হয়, সেই অন্য সমৰ্থ পৰমাত্মাৰ শক্তিৰে সকলো প্ৰকাশমান হয় আৰু সেই পৰমাত্মাৰ প্ৰকাশ সকলোতকৈ অধিক। সেই পৰমাত্মা মায়াৰ পৰা অতি নিলগত বুলি জনা যায়। প্ৰকৃততে নিৰঞ্জন তেৱেঁই। গীতা জ্ঞান দাতা নিৰঞ্জন মায়াযুক্ত "জ্যোতি নিৰঞ্জন" বুলি জনা যায়। সেই পৰমাত্মা জ্ঞানৰ ভঁৰাল, তেওঁক আমি জনা উচিত। তেওঁ (জ্ঞানগম্যম) তত্বজ্ঞানৰ দ্বাৰা পোৱাৰ যোগ্য হয়।

গীতা অধ্যায় ১৩ শ্লোক-১৭ৰ মূল পাঠত "জ্ঞানম জ্ঞেয়ম জ্ঞান গম্যম" লিখা আছে যাৰ ভাবাৰ্থ এনধৰণৰ - (জ্ঞানম) সেই জ্ঞান পৰমাত্মা স্বয়ং পৃথিৱীত আহি তত্বজ্ঞান ৰূপত নিজ মুখ কমলেৰে কয় - সেইকাৰণে তেওঁ জ্ঞান ৰূপ হয় অৰ্থাৎ জ্ঞানৰ ভঁৰাল হয়। সেই পৰমাত্মা (জ্ঞেয়ম জ্ঞান গম্যম) তেওঁ কোৱা তত্বজ্ঞানৰ দ্বাৰা বোধগম্য আৰু সেই তত্বজ্ঞানৰ দ্বাৰাহে লাভ কৰাৰ যোগ্য হয় অৰ্থাৎ লাভ কৰিব পাৰি। সেই পৰমাত্মা সকলো প্ৰাণীৰ হৃদয়ত আছে যেনেদৰে সূৰ্য দূৰত আছে যদিও প্ৰত্যেকটো কলহৰ পানীত দেখা দিয়ে। প্ৰকৃততে সূৰ্য সেই কলহবোৰত নাই, কিন্তু কলহৰ ওপৰত নিজৰ প্ৰভাৱ প্ৰতিপন্ন কৰে, উষ্ণতা দিয়ে। সুক্ষ্ম বেদত কৈছে যে -

"ব্ৰহ্মা, বিষ্ণু, শিৱ ৰাই ঝুমকৰা।

*নহী সব বাজী কে খম্ব সুনোঁ ৰাই ঝুমকৰা।*

*ৰহ সৰ্ব ঠাম সব ঠৌৰ হৈ ৰাই ঝুমকৰা।*

*সকল লোক ভৰপূৰ সুনোঁ ৰাই ঝুমকৰা"*

এই প্ৰমাণ গীতা অধ্যায় ১৮ শ্লোক ৬১ তো কৈছে- "হে অৰ্জুন শৰীৰৰূপী যন্ত্ৰত আৰূঢ় (উঠা) সকলো প্ৰাণীক অন্তৰ্য্যামী পৰমেশ্বৰে নিজৰ মায়া অৰ্থাৎ শক্তিৰে তেওঁলোকৰ কৰ্ম অনুযায়ী ঘূৰি-ফুৰিবলৈ দিয়ে অৰ্থাৎ কৰ্মসংস্কাৰ অনুসাৰে ভাল-বেয়া যোনিত জন্ম দিয়ে। সেই সৰ্বশক্তিমান পৰমাত্মা সকলো প্ৰাণীৰ হৃদয়ত আছে"।এই দৰে পৰমেশ্বৰৰ মহিমা গীতা অধ্যায় ১৩ শ্লোক-১৭ত কৈছে। ইয়াৰ দ্বাৰা প্ৰমাণ হ'ল যে গীতা জ্ঞান দাতাই নিজতকৈ অন্য পূৰ্ণ পৰমাত্মাৰ মহিমা কৈছে (গীতা অধ্যায় ১৩ শ্লোক-১৭)।

গীতা জ্ঞান দাতাই অধ্যায় ১৩ শ্লোক ১৮ত ক্ষেত্ৰ অৰ্থাৎ শৰীৰ, জ্ঞানম অৰ্থাৎ তত্বজ্ঞান আৰু জ্ঞেয়ম অৰ্থাৎ জনাৰ যোগ্য পৰমাত্মাৰ বিষয়ে সংক্ষেপে কৈছে। আকৌ কৈছে-"মোৰ ভক্ত আগতে ময়েই সৰ্বেসৰ্বা বুলি মোৰ ওপৰত আশ্ৰিত আছিল। তেওঁ এই (বিজ্ঞায়) তত্বজ্ঞানৰ আধাৰত মোৰ ভাব অৰ্থাৎ মোৰ শক্তিৰ লগত পৰিচিত হৈ আৰু সেই সমৰ্থবানৰ শক্তিৰ লগত পৰিচিত হৈ (উপপদ্যতে) যোৱাৰ পাছত ভক্তি কৰি সেই ভাব প্ৰাপ্তি কৰিব।" (অধ্যায় ১৩ শ্লোক-১৮)

এইদৰে অধ্যায় ১৩ শ্লোক ১৯ত গীতা জ্ঞান দাতাই নিজতকৈ অন্য পুৰুষ অৰ্থাৎ পৰমাত্মাৰ মহিমা বখানিছে, কৈছে যে প্ৰকৃতি আৰু পুৰুষ দুয়ো অনাদি। ইয়াত প্ৰকৃতিয়ে সত্যলোকৰ প্ৰকৃতিক বুজাইছে যাক পৰাশক্তি,পৰানন্দনী,মহান প্ৰকৃতি বোলা হয়।পুৰুষৰ অৰ্থ পূৰ্ণ পৰমাত্মা হয়, এই দুয়ো অনাদি। এই প্ৰকৃতিৰ ভাবাৰ্থ দুৰ্গাৰ দৰে স্ত্ৰীৰূপ প্ৰকৃতি নহয়। যেনেদৰে সূৰ্যৰ প্ৰকৃতি অৰ্থাৎ উষ্ণতা সদায় সূৰ্যৰ লগত থাকে তেনেদৰেই সত্যপুৰুষ আৰু তেওঁৰ প্ৰকৃতি অৰ্থাৎ শক্তি দুয়ো অনাদি হয়।

এইদৰে বিকাৰ আৰু তিনিও গুণ যাৰ পৰা উৎপন্ন হৈছে, সেয়া অন্য প্ৰকৃতি বুলি জানিবা। গীতা অধ্যায় ৭শ্লোক ৪, ৫ ত দুটা প্ৰকৃতিৰ উল্লেখ আছে- এটা জড় আৰু আনজনী দুৰ্গা দেবী। ইয়াত দ্বিতীয় প্ৰকৃতি দুৰ্গা বুলি কৈছে (গীতা অধ্যায় ১৩ শ্লোক ১৯)

গীতা অধ্যায় ১৩ শ্লোক-২০ তো অন্য (পুৰুষঃ) পৰমাত্মাৰ বৰ্ণনা আছে। গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত গীতাৰ এই শ্লোকৰ অনুবাদত "পুৰুষঃ" ৰ অৰ্থ জীৱাত্মা কৰিছে। প্ৰকৃততে ইয়াত পুৰুষৰ অৰ্থ পৰমাত্মা হয়। গীতা অধ্যায় ১৩ ৰ শ্লোক ২০ ৰ যথাৰ্থ অনুবাদ "গহৰী নজৰ গীতা মে" পুথিত চাব।ইয়াৰ বাবে আমা ৰ website " www.jagatgururampalji.org " ৰ সহায় লব পাৰে।

গীতা অধ্যায় ১৩ শ্লোক-২১ তো অন্য (পুৰুষঃ) পৰমাত্মাৰ বৰ্ণনা আছে। ইয়াৰ অনুবাদ গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত গীতাতো "পুৰুষ" ৰ অৰ্থ পুৰুষেই কৰিছে, এইটো শুদ্ধ হৈছে। পুৰুষৰ অৰ্থ পৰমাত্মা হয়। প্ৰসঙ্গক্ৰমে পুৰুষৰ অৰ্থ মানুহো হয় কাৰণ পৰমাত্মাই মানুহক নিজৰ স্বৰূপৰ অনুৰূপ সাজিছে। সেই কাৰণে কোৱা হয় যে-"নৰ নাৰায়ণ ৰূপ হৈ, তু না সমঝ দেহি।" অৰ্থঃ- মানুহ নাৰায়ণৰ ৰূপ হয়, ইয়াক মাত্ৰ শৰীৰ বুলি নাভাবিবা।

## চৌৰাশী লাখ প্ৰকাৰৰ জীৱবোৰতকৈ মানৱ দেহ উত্তম

গীতা অধ্যায় ১৩ শ্লোক ২২ তো গীতা জ্ঞান দাতাই নিজতকৈ অন্য পৰমাত্মাৰ প্ৰত্যক্ষ প্ৰমাণ কৈছে। গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত গীতাত এই শ্লোকৰ অৰ্থ সম্পূৰ্ণৰূপে ভুল কৰিছে। (এই পুথিৰ ২৭৯পৃষ্ঠালৈকে চাওক)।

শুদ্ধ অনুবাদ ঃ- আগৰ শেকৰ বৰ্ণনাত আছে যে পৰমাত্মা প্ৰত্যেক জীৱৰ লগত এনেদৰে থাকে যেনেকৈ প্ৰতিটো কলচীৰ পানীত সূৰ্যক দেখা যায়। তাত থকা পানীক সূৰ্যই উষ্ণতা প্ৰদান কৰিয়েই আছে। পৰমাত্মা প্ৰত্যেক জীৱৰ হৃদয় কমলত এনেদৰে বিদ্যমান আছে যেনেদৰে সৌৰ কোষ (solarcell) য'ত থলেও সেইটোৱে সূৰ্যৰ পৰা উষ্ণতা শোষণ কৰি শক্তি সংগ্ৰহ কৰে। এইদৰে প্ৰত্যেক জীৱৰ লগত পৰমাত্মা থাকে। সেইকাৰণে এই শ্লোক (অধ্যায় ১৩ শ্লোক-২২)ত কৈছে যে সেই পৰমাত্মা সকলো প্ৰভুৰ স্বামী হোৱা হেতুকে "মহেশ্বৰ", সকলোৰে ধাৰণ-পোষন কৰা বাবে "কৰ্তা" আৰু সত্যলোকত বহিও প্ৰত্যেক প্ৰাণীৰ প্ৰত্যেক গতিবিধিৰ ওপৰত চকু ৰখা বাবে "উপদ্ৰষ্টা" হয়। জীৱই সকলো কৰ্ম পৰমাত্মাৰ শক্তিৰ জৰিয়তে কৰে। জীৱ পৰমাত্মাৰ অংশ হয় (ৰামায়ণতো কোৱা আছে- ঈশ্বৰৰ অংশ জীৱ অবিনাশী)। সেই কাৰণে জীৱই নিজৰ কৃতকৰ্মৰ সুখ, দুঃখ ভোগ কৰি যাওঁতে নিজৰ অংশৰ সুখ-দুঃখৰ বিষয়ে পৰমাত্মাই গম পায়।

সুক্ষ্ম বেদত লিখা আছে -

*কবীৰ, কহ মেৰে জীৱকো দুঃখ না দিজো কোয়।*
*ভক্ত দুঃখায় মই দুঃখী মেৰা আপাভী দুঃখী হোয়।।*

সেইকাৰণে পৰমাত্মা ভোক্তা বুলি জনাজাত। তেওঁ প্ৰত্যেক প্ৰাণীকে গোপনে উচিত ৰায় প্ৰদান কৰে, সেইকাৰণে পৰমাত্মা "অনুমন্তা" বুলি খ্যাত (পৰমাত্মা শব্দৰ সন্ধি বিচ্ছেদ = পৰম + আত্মা = শ্ৰেষ্ঠ আত্মা = পৰমআত্মা।

সংসাৰত সুখ ভোগ আৰু দুঃখ ভোগ দুয়োটাই আছে। জীৱই যদি নিজৰ কৰ্ম অনুসাৰে ভোগ কৰিবলগীয়া হয়, সেইটো জীৱক পৰমাত্মা বুলি কৰ নোৱাৰি, সেইটো শ্ৰেষ্ঠ আত্মা নহয়। উদাহৰণস্বৰূপে এই কাল (ব্ৰহ্ম) লোকত বিধান আছে যে যেনে কৰ্ম তেনে ফল ভগৱানে অৱশ্যে দিব। তেতিয়াহ'লে ইও প্ৰভু (স্বামী) হয়, কিন্তু "পৰম আত্মা" নহয়। এই মানৱ শৰীৰত (পৰঃ) অন্য (পুৰুষঃ) পৰমাত্মা জীৱৰ লগত অভিন্ন ৰূপত থাকে। সূৰ্যই প্ৰত্যেককে নিজৰ শক্তি দিয়াৰ দৰে এই অন্য পৰমাত্মাৰো মহিমা আছে। সৌৰ শক্তিৰ পৰা বিজুলীৰ বাল্ব জলে- তাত সূৰ্য আছে অৰ্থাৎ সূৰ্যৰ শক্তিয়ে কাৰ্য কৰে। এনেদৰেই পূৰ্ণ পৰমাত্মাৰ ভূমিকা বুজিব লাগে।

অধ্যায় ১৩ শ্লোক ২৩ তো অন্য (পুৰুষম) পৰমাত্মাৰ কথা কৈছে। কৈছে যে যি সন্তই উপৰোক্ত ধৰণে (পুৰুষম) পৰমাত্মা, প্ৰকৃতি আৰু গুণ সমূহকো জানে, সেই সন্ত-সাধকে সকলো প্ৰকাৰে, পৰমাত্মাত লীন (বৰ্ত্তমান) হৈ পুনৰ জন্মক প্ৰাপ্ত নহয় অৰ্থাৎ তেওঁৰ পূৰ্ণ মোক্ষ হৈ যায়।

গীতা অধ্যায় ১৩ শ্লোক ২৪ ও অন্য পৰমাত্মাৰ বৰ্ণনা আছে যি জন গীতা জ্ঞান দাতাতকৈ বেলেগ হয়। কৈছে যে সূৰ্যৰ দৰে জীৱাত্মাৰ লগত পৰমাত্মা অভেদ ৰূপেৰে থাকে। তেওঁক সাধকে ধ্যানৰ দ্বাৰা দিব্য দৃষ্টিৰে হৃদয়ত দেখা পায় যেনেদৰে বিদ্যুতক টেষ্টাৰৰ (Tester) দ্বাৰা দেখা পোৱা যায়। অন্য সাধকে জ্ঞান শুনি, বিশ্বাস কৰি পৰমাত্মাৰ অস্তিত্ব স্বীকাৰ কৰে। অন্যভক্ত সকলে (কৰ্মযোগেন) পৰমাত্মাৰ কৰ্মসমূহ অৰ্থাৎ লীলা দেখি পৰমাত্মাৰ অস্তিত্ব জানি লয়। উদাহৰণস্বৰূপে সংসাৰত প্ৰায় ৭০০ কোটি জনসংখ্যা আছে। কাৰো চেহেৰাৰ মাজত মিল নাই। কবিয়ে কৈছে-

*কই অৰব বনায় বন্দে আঁখ, নাক ,হাত লগায়।*
*এক দুসৰে কে নাল কোইভী ৰলদে নহী ৰলায়।।*

অৰ্থাৎ অসংখ্য মানুহৰ মাজতো কাৰো চেহেৰাৰ মিল নাই। ইয়াৰ দ্বাৰাও প্ৰমাণ হয় যে কোনোবা সৰ্বজ্ঞ শক্তি আছে, তেওঁক পৰমাত্মা বোলা হয়। কিছুমান ভকতে পৰমাত্মাৰ এনেবোৰ কাৰ্য দেখি পৰমাত্মা আছে বুলি জানি লয়।

গীতা অধ্যায় ১২ শ্লোক ২৫ ত কৈছে যে যিসকল ব্যক্তি শিক্ষিত নহয়, ধ্যানো নকৰে, জ্ঞানো বুজি নাপায়, পৰমাত্মাৰ সৃষ্টি অৱলোকন কৰিও পৰমাত্মাক বুজিব নোৱাৰে, তেওঁলোকে অন্য শিক্ষিত, বিদ্বান ব্যক্তিৰ পৰা পৰমাত্মাৰ মহিমা শুনি মানি লয় যে এই শিক্ষিত আৰু জ্ঞানীসকলে কৈছে যেতিয়া পৰমাত্মা নিশ্চয় আছে। এনেকৈ বিশ্বাস কৰি তেওঁলোকে উপাসনা আৰম্ভ কৰে। তেওঁলোকে পৰমাত্মাৰ বিষয়ে শুনি পৰমাত্মাৰ অস্তিত্বক মানি লৈ উপাসনা কৰা বাবে এই মৃতলোক (মৃত্যু সংসাৰ) ৰ পৰা পাৰ হৈ যায়।

গীতা অধ্যায় ১৩ শ্লোক ২৬ ত মাত্ৰ ইমানেই কৈছে যে সকলো প্ৰাণী ক্ষেত্ৰ অৰ্থাৎ দুৰ্গাৰ শৰীৰ আৰু ক্ষেত্ৰজ্ঞ অৰ্থাৎ গীতা জ্ঞান দাতা ক্ষৰ ব্ৰহ্মৰ সংযোগৰ

পৰা উৎপন্ন হৈছে। মন কৰিবলগীয়া কথা যে গীতা জ্ঞান দাতাই অধ্যায় ১৩ ৰ শ্লোক ১ত কৈছে যে শৰীৰক "ক্ষেত্ৰ" কয় আৰু শৰীৰৰ বিষয়ে যি জানে তেওঁক "ক্ষেত্ৰজ্ঞ" কয়। অধ্যায় ১৩ শ্লোক-২ ত কৈছে যে এই কাল লোকত (২১ ব্ৰহ্মাণ্ড ক্ষেত্ৰ) যিমান প্ৰাণী উৎপন্ন হয়, তেওঁলোক দুৰ্গা আৰু কাল ভগৱানৰ মিলনৰ পৰা উৎপন্ন হয় অৰ্থাৎ কালৰ প্ৰেৰণাত স্ত্ৰী-পুৰুষৰ পৰা কাল-সৃষ্টি উৎপন্ন হয়। গীতা অধ্যায় ১৩ শ্লোক ২৭ ত গীতা জ্ঞান দাতাতকৈ অন্য পৰমেশ্বৰ স্পষ্ট হৈ পৰিছে। উদাহৰণস্বৰূপে ওপৰৰ শ্লোক সমূহত প্ৰমাণ আছে যে পৰমেশ্বৰ প্ৰত্যেক প্ৰাণীৰ শৰীৰত-হৃদয়ত এনেদৰে বহা দেখা যায় যেনেদৰে সূৰ্য পানীৰে ভৰা কলচীবোৰত দেখা যায়। এইদৰে এই শ্লোক ২৭ত কৈছে যে পৰমেশ্বৰ হৃদয়ত বহে। প্ৰাণীৰ শৰীৰ নষ্ট হ'লেও পৰমেশ্বৰ নষ্ট নহয়। যেনেকৈ কোনো এটা কলচী ভাঙি গ'লে তাৰ পানী মাটিত পৰি মাটিৰ লগত মিলি যায় কিন্তু সূৰ্য আগৰ দৰেই থাকে। সেই কাৰণে পৰমেশ্বৰ অবিনাশী হয়, যি সন্তই পৰমাত্মাক এই দৃষ্টি কোণৰ পৰা চায় তেওঁ শুদ্ধকৈ জানে অৰ্থাৎ সত্যক জানে, তেওঁ তত্বজ্ঞানী সন্ত হয়।

এই শ্লোক (অধ্যায় ১৩ শ্লোক-২৭) ত "পৰমেশ্বৰ" শব্দ লিখা আছে। ইয়াৰ পৰাও গীতা জ্ঞান দাতাতকৈ অন্য পৰমাত্মাৰ বোধ হয়। আহক , জানি লওঁ - "পৰমেশ্বৰ"ৰ সন্ধি বিচ্ছেদ - পৰম + ঈশ্বৰ। ব্যাখ্যা -"ঈশ"ৰ অৰ্থ স্বামী, প্ৰভু, মালিক। "ৱৰ" অৰ্থ শ্ৰেষ্ঠ পতি।

১) ঈশ হ'ল গীতা জ্ঞান দাতা "ক্ষৰ পুৰুষ" অৰ্থাৎ ক্ষৰ ব্ৰহ্ম যিজন মাত্ৰ ২১ ব্ৰহ্মাণ্ডৰ প্ৰভু হয়।

২) ঈশ্বৰ = ঈশ অৰ্থাৎ ক্ষৰ পুৰুষতকৈ শ্ৰেষ্ঠ প্ৰভু। তেওঁ মাত্ৰ ৭ শংখ ব্ৰহ্মাণ্ডৰ প্ৰভু হয়। এওঁক অক্ষৰ পুৰুষ আৰু পৰ ব্ৰহ্মও বোল াহয়।

৩) পৰমেশ্বৰ = ঈশ্বৰ অৰ্থাৎ অক্ষৰ পুৰুষতকৈ "পৰম" অৰ্থাৎ শ্ৰেষ্ঠ হয়, এওঁ অসংখ্য ব্ৰহ্মাণ্ডৰ প্ৰভু হয়, এওঁক পৰম অক্ষৰ ব্ৰহ্মও বোলা হয় (গীতা অধ্যায় ৮ শ্লোক ৩ ত প্ৰমাণ আছে)। গীতা অধ্যায় ১৫ শ্লোক ১৬-১৭ত তিনিজন পুৰুষৰ বৰ্ণনা আছে। ক্ষৰ পুৰুষ -এই জন গীতা জ্ঞানদাতা ঈশ হয়, অক্ষৰ পুৰুষ- এওঁ ঈশ্বৰ হয়। আকৌ অধ্যায় ১৫ শ্লোক১৭ ত কৈছে যে (উত্তম পুৰুষঃ) পুৰুষোত্তম অৰ্থাৎ প্ৰকৃততে সৰ্বশ্ৰেষ্ঠ প্ৰভুজন ওপৰৰ শ্লোক (অধ্যায় ১৫ শ্লোক ১৬)ত উল্লেখ কৰা দুজন প্ৰভু (ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ) তকৈ বেলেগ হয়, প্ৰকৃততে তেওঁকহে "পৰমাত্মা" বোলা হয়। তেওঁ তিনিলোকত (ক্ষৰ পুৰুষৰ ২১ ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰ = কাল লোক, অক্ষৰ পুৰুষৰ ৭ শংখ ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰ = পৰব্ৰহ্মৰ লোক আৰু ওপৰৰ চাৰিটা লোক = সত্যলোক, অলখলোক, অগমলোক আৰু অকহলোকৰ ক্ষেত্ৰ = অমৰ লোক যাক পৰমেশ্বৰৰ লোক বোলা হয় -এনেকুৱা তিনিটা লোক) প্ৰৱেশ কৰি সকলোৰে প্ৰতিপালন কৰে। তেওঁ প্ৰকৃত অবিনাশী পৰমেশ্বৰ। গীতা অধ্যায় ১৩ শ্লোক ২৭ ত "পৰমেশ্বৰ" শব্দ আছে যিয়ে গীতা জ্ঞান দাতাতকৈ বেলেগ সৰ্বশক্তিমান,সকলোৰে পালন কৰ্ত্তাক বুজায়।

গীতা অধ্যায় ১৩ শ্লোক ২৮ তো গীতা জ্ঞান দাতাতকৈ অন্য প্ৰভুৰ প্ৰমাণ আছে। এই শ্লোকত “ঈশ্বৰ” শব্দই পৰমেশ্বৰক বুজায়, “ঈশ” ৰ অৰ্থ স্বামী, “ৱৰ” ৰ অৰ্থ শ্ৰেষ্ঠ। প্ৰকৃততে সকলোৰে “ঈশ”- স্বামী হ’ল পৰম অক্ষৰ ব্ৰহ্ম। তেওঁৱেঁই শ্ৰেষ্ঠ ঈশ হয়, সেইবাবে “ঈশ্বৰ” শব্দই প্ৰসংগক্ৰমে পূৰ্ণ পৰমাত্মাক বুজায়। যদি অন্য “ঈশ” -নকলী স্বামী নোহোৱাহ’লে “ঈশ্বৰ” আৰু “পৰমেশ্বৰ” শব্দ দুটাৰ আৱশ্যকতা নাছিল। গতিকে এই শ্লোকত থকা “ঈশ্বৰ” শব্দই সত্য পুৰুষক বুজাইছে।

গীতা অধ্যায় ১৩ শ্লোক ২৮ ৰ ভাবাৰ্থ এই যে যি সাধকে পৰমেশ্বৰক সকলোতে সমভাৱাপন্ন মানি (আত্মানম) নিজৰ আত্মাক (আত্মানা) নিজৰ অজ্ঞান আত্মাৰ দ্বাৰা নষ্ট নকৰে অৰ্থাৎ পৰমাত্মাক ভালদৰে বুজি, তেওঁৰ সাধনা কৰি (ততঃ) তাতকৈও (পৰাম = পৰা) অন্য (গতিম) গতি অৰ্থাৎ মোক্ষক (য়াতি) প্ৰাপ্ত হয় অৰ্থাৎ সেইজন সাধক গীতা জ্ঞান দাতাৰ পৰমগতি (অধ্যায় ৮ শ্লোক ১৩) তকৈ অন্য গতিক প্ৰাপ্ত হয়।

গীতা অধ্যায় ১৩ শ্লোক ৩০ ত স্পষ্ট আছে যে গীতা জ্ঞান দাতাই নিজতকৈ অন্য পৰমাত্মাৰ মহিমা বখানিছে। কৈছে যে যি সন্তই সকলো প্ৰাণীৰ স্থিতি ভিন-ভিন হোৱা স্বত্বেও সকলো প্ৰাণী এজন সৰ্বশক্তিমান পৰমাত্মাৰ ভিতৰত আছে বুলি মানি লয়, তেওঁ “সচিদানন্দঘন ব্ৰহ্ম” অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মক প্ৰাপ্ত হৈছে, তেওঁ সত্য ভক্তি কৰি সেই পৰমেশ্বৰক প্ৰাপ্ত হয়। গীতা অধ্যায় ১৩ শ্লোক ৩১ তো গীতা জ্ঞান দাতাই নিজতকৈ অন্য “পৰমাত্মাৰ” বিষয়ে কৈছে। এই শ্লোক ত “পৰমাত্মা” শব্দ আছে যাৰ স্পষ্ট পৰিভাষা গীতা অধ্যায় ১৫ শ্লোক ১৭ ত কৈছে। কৈছে যে- যি জন উত্তম পুৰুষ অৰ্থাৎ সৰ্বশ্ৰেষ্ঠ প্ৰভু, তেওঁ তিনিলোকত প্ৰৱেশ কৰি সকলোকে প্ৰতিপালন কৰে। তেওঁ প্ৰকৃত অবিনাশী। তেওঁকে “পৰমাত্মা”বোলা হয়। তেওঁ ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষৰ পৰা বেলেগ।

এই শ্লোক (অধ্যায় ১৩ শ্লোক ৩১)তো এইটো স্পষ্ট কৰা হৈছে যে পৰমাত্মা অনাদি হোৱা বাবে, নিৰ্গুণ হোৱা বাবে প্ৰত্যেক প্ৰাণীৰ শৰীৰত (সূৰ্য্য যেনেকৈ কলচীত) থকা স্বত্বেও একো নকৰে কাৰণ সকলো কাৰ্য পৰমাত্মাৰ শক্তিয়ে কৰে (যেনেকৈ কলচীৰ পানীত সূৰ্য্য দেখা যায় আৰু তাৰ দ্বাৰা পানীও গৰম হৈ আছে, সূৰ্য্যই একো কৰা নাই, অকল দেখা দিয়ে, তাৰ উষ্ণতাই ক্ৰিয়া কৰি আছে। সূৰ্য্যই একো কৰা দেখা নাযায়) আৰু পৰমাত্মা সেই শৰীৰত লিপ্তও নহয়, যেনেকৈ সূৰ্য্য কলচীৰ পানীত লিপ্ত নহয়।

গীতা অধ্যায় ১৩ শ্লোক ৩২ তো এই প্ৰমাণ আছে।

গীতা অধ্যায় ১৩ শ্লোক৩৩ ত আত্মা আৰু শৰীৰৰ স্থিতিৰ বিষয়ে ব্যাখ্যা কৰা হৈছে।

গীতা অধ্যায় ১৩ শ্লোক ৩৪ ত গীতা জ্ঞান দাতাই নিজতকৈ অন্য পৰমাত্মাৰ বিষয়ে কৈছে। কৈছে যে এইদৰে ক্ষেত্ৰ (শৰীৰ) আৰু ক্ষেত্ৰজ্ঞ (গীতা জ্ঞান দাতা) ৰ পাৰ্থক্য আৰু কৰ্ম কৰি কৰি ভক্তি কৰি কালৰ প্ৰকৃতি অৰ্থাৎ কাল জালৰ

পৰা মুক্ত হোৱা কথা সাধকে জ্ঞানৰ চকুৰ দ্বাৰা জানি তত্বদৰ্শী সন্তক বিচাৰি সত্য শাস্ত্ৰানুকূল সাধনা কৰি তত্ত্বজ্ঞান বুজি সেই পৰম অৰ্থাৎ অন্য পৰব্ৰহ্ম পৰমেশ্বৰক প্ৰাপ্ত হয়।

ওপৰোক্ত বিৰৰণৰ পৰা স্পষ্ট হ'ল যে গীতা জ্ঞান দাতাতকৈ অন্য পূৰ্ণ পৰমাত্মা আছে যাৰ ভক্তিৰ সাধনা কৰি সাধক সেই পূৰ্ণ মোক্ষক প্ৰাপ্ত হয় যাৰ বিষয়ে, গীতা অধ্যায় ১৫ শ্লোক ৪ ত বৰ্ণিত আছে যে তত্বজ্ঞান লাভ কৰাৰ পাছত পৰমেশ্বৰৰ সেই পৰমপদ বিচাৰিব লাগিব য'ত যোৱাৰ পাছত সাধক আকৌ উভতি সংসাৰত কেতিয়াও নাহে।

সাৰাংশ - ওপৰোক্ত অন্য প্ৰমাণ আৰু গীতা অধ্যায় ১৩ৰ প্ৰমাণৰ পৰা স্পষ্ট হ'ল যে গীতা জ্ঞান দাতাতকৈ অন্য পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ পূৰ্ণ পৰমাত্মা আছে যাৰ শৰণত যাবলৈ গীতা জ্ঞান দাতাই অধ্যায় ১৮শ্লোক ৬২-৬৬ ত কৈছে। সেই জনেই পূৰ্ণ মুক্তি দাতা হয়,পূজ্য হয়,সকলোৰে সৃষ্টি কৰ্ত্তা , পালন কৰ্তা, ধাৰণ কৰ্তা, সকলো সুখৰ দাতাও সেই জনেই । তেওঁক "পৰমাত্মা"বোলা হয়।

প্ৰশ্ন ৪৯ (ধৰ্মদাসৰ) ঃ- গীতা অধ্যায় ৪ শ্লোক ৬ ত গীতা জ্ঞান দাতাই কৈছে যে মই (গীতা জ্ঞান দাতা) অজন্মা আৰু অবিনাশী হ'লেও, সকলো প্ৰাণীৰ ঈশ্বৰ হ'লেও নিজৰ যোগমায়াৰে প্ৰকট হওঁ। ইয়াত শ্ৰীকৃষ্ণই নিজকে সকলো প্ৰাণীৰ অবিনাশী ঈশ্বৰ কৈছে, নিজকে অজন্মাও কৈছে।

উত্তৰ (জিন্দা পৰমেশ্বৰৰ)ঃ- হে ধৰ্মদাস কাল ব্ৰহ্মাই শ্ৰীকৃষ্ণৰ শৰীৰত প্ৰৱেশ কৰি গীতা জ্ঞান কৈছিল। শ্ৰীকৃষ্ণৰ ইয়াত একো ভূমিকা নাই। গীতা জ্ঞান দাতা কাল ব্ৰহ্ম হয়। গীতা জ্ঞান দাতাই কৈছে যে তেওঁৰ ২১ ব্ৰহ্মাণ্ডৰ সকলো প্ৰণীৰ বাবে তেওঁৰেই শ্ৰেষ্ঠ প্ৰভু বা ঈশ্বৰ। এই প্ৰমাণ অধ্যায় ১৫ শ্লোক-১৮ তো আছে, গীতা জ্ঞান দাতাই কৈছে যে তেওঁ লোকবেদ (মুখে-মুখে বাগৰি অহা কথা) মতে নিজৰ ২১ ব্ৰহ্মাণ্ডৰ লোকত পুৰুযোত্তম ৰূপে প্ৰসিদ্ধ কাৰণ তেওঁ (গীতা জ্ঞান দাতা ব্ৰহ্ম) ২১ ব্ৰহ্মাণ্ডত থকা শৰীৰধাৰী প্ৰাণী আৰু অবিনাশী জীৱাত্মাতকৈ শ্ৰেষ্ঠ হয়। প্ৰকৃততে পুৰোষত্তম অন্য কোনোবাহে যাৰ বৰ্ণনা অধ্যায় ১৫ ৰ শ্লোক ১৭ত আছে।

গীতাৰ ৪ৰ্থ অধ্যায় শ্লোক-৬ ত কৈছে যে মই (অজঃ) অজন্মা অৰ্থাৎ মই তোমাৰ দৰে জন্ম নলওঁ, মই লীলা কৰি প্ৰকট হওঁ। যেনে গীতাৰ ১০ম অধ্যায়ত বিৰাট ৰূপ দেখুৱাইছিল, আকৌ কৈছে যে (অব্যয়াত্মা)মোৰ আত্মা অমৰ হয়। ইয়াৰোপৰি (আত্মমায়য়া) নিজৰ লীলাৰে (সম্ভৱামি) উৎপন্ন হওঁ বুলিও কৈছে। ইয়াত উৎপন্ন হোৱাৰ কথা কৈছে কাৰণ এই কাল ব্ৰহ্ম অক্ষৰ পুৰুষৰ এক যুগ অতিবাহিত হোৱাৰ পাছত মৰে। তেতিয়া এটা ব্ৰহ্মাণ্ড ধ্বংস হয়। (প্ৰশ্ন ৯ৰ উত্তৰ চাওক) আকৌ আন এটা ব্ৰহ্মাণ্ডত সকলো জীৱাত্মা গুচি যায়, কাল ব্ৰহ্মৰ আত্মাও লগতে যায়। তাত কাল ব্ৰহ্মই পুনৰ ডেকা শৰীৰ লাভ কৰে। এইদৰেই দুৰ্গাদেৱীৰো মৃত্যু হয় আৰু কাল ব্ৰহ্মৰ দৰেই দুৰ্গাই গাভৰু অৱস্থা লাভ কৰে। এইটো পৰম অক্ষৰ ব্ৰহ্ম (সত্য পুৰুষ)ৰ বিধান। তেতিয়া দুয়ো মিলি সেই নতুন

ব্ৰহ্মাণ্ডত পতি-পত্নী ব্যৱহাৰৰ দ্বাৰা নতুন ৰজগুণযুক্ত ব্ৰহ্মা, সতগুণযুক্ত বিষ্ণু আৰু তমগুণযুক্ত শিৱক উৎপন্ন কৰে। আকৌ সেই ব্ৰহ্মাণ্ডত সৃষ্টিৰ প্ৰক্ৰিয়া আৰম্ভ হয়। এইদৰে এই কাল ব্ৰহ্মৰ মৃত্যু আৰু লীলাৰে জন্ম হয়। গীতাৰ ৪ৰ্থ অধ্যায়ৰ শ্লোক ৯ তো গীতা জ্ঞান দাতাই স্পষ্টকৈ কৈছে -"মোৰ জন্ম তথা কৰ্ম অলৌকিক"। প্ৰকৃততে এই কাল ব্ৰহ্ম বিনাশী, আত্মা কিন্তু সকলো প্ৰাণীৰে অবিনাশী, অমৰ। আপোনাৰ মহামণ্ডলেশ্বৰ, আচাৰ্য আৰু শংকাৰাচাৰ্য সকলৰ আধ্যাত্মিক জ্ঞান মুঠেই নাই। সেই বাবে অমূল্য গ্ৰন্থসমূহ বুজি নোপোৱাত লোকবেদ (দন্ত কথা) শুনাই ফুৰে। গীতা অধ্যায় ৪ শ্লোক ৫ত আপুনি নিজে চাওক, গীতা জ্ঞান দাতা ব্ৰহ্মই কৈছে-"হে অৰ্জুন তোমাৰ আৰু মোৰ বহুতো জন্ম হৈ গৈছে, সেই সকলোকে মই জানো, তুমি নাজানা"। ইয়াৰ অভিপ্ৰায় ওপৰত স্পষ্ট কৰা হৈছে। "সম্ভৱাত" ৰ অৰ্থ হ'ল উৎপন্ন হোৱা।

প্ৰমাণ - যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১০ তো কৈছে যে কিছুমানে পৰমাত্মাক (সম্ভৱাত) জন্ম গ্ৰহণ কৰা ৰাম বা কৃষ্ণৰ দৰে বুলি মানে কিছুমানে (অসম্ভৱাত) উৎপন্ন নোহোৱা নিৰাকাৰ বুলি মানে অৰ্থাৎ ইয়াৰ নিৰ্ণায়ক জ্ঞান-সত্যজ্ঞান তত্বদৰ্শী সন্তইহে ক'ব, তেওঁৰ পৰা শুনিব। পৰমাত্মা উৎপন্ন হয় নে নহয় তেওঁহে ক'ব। প্ৰকৃততে পৰমাত্মা স্বয়ম্ভু। তেওঁ কেতিয়াও জন্ম লোৱা নাই আৰু নল'বও, মৃত্যুৰ প্ৰশ্নই নাই। আনফালে গীতা জ্ঞান দাতাই নিজে কৈছে যে মই জন্ম লওঁ আৰু মৰোঁ, অবিনাশী নহওঁ। "পৰম অক্ষৰ ব্ৰহ্ম"হে অবিনাশী ।

প্ৰশ্ন ৫০ (জিন্দা বাবা পৰমেশ্বৰৰ) ঃ-আপুনি কৈছে যে আপোনালোকে শূদ্ৰক ওচৰত বহিবলৈও নিদিয়ে,পবিত্ৰ হৈ থাকে। ইয়াৰ পৰা ভক্তিত কি হানি হয়?

উত্তৰ (ধৰ্মদাসদেৱৰ) ঃ- শূদ্ৰক স্পৰ্শ কৰিলে ভকত অপবিত্ৰ হয়, পৰমাত্মা ৰুষ্ট হৈ পৰে, আত্মগ্লানি হয়। মই উচ্চ জাতিৰ বৈশ্য।

## "কথা আৰু কামৰ মাজত পাৰ্থক্য"

প্ৰশ্ন (ধৰ্মদাসৰ) ঃ- হে জিন্দা, এইটো সত্য যে শূদ্ৰৰ পৰা আঁতৰি থাকিলে ভকতৰ পবিত্ৰতা অক্ষুন্ন থাকে। আপুনি কথাটো নামানে নেকি?

উত্তৰ (জিন্দা মহাত্মাৰ) ঃ- এনে শিক্ষা দিলে কোনে? ধৰ্মদাসে ক'লে যে তেওঁলোকৰ ধৰ্মগুৰু, আচাৰ্য্য, শংকাৰাচাৰ্য্য আৰু বামুণে কয়। পৰমেশ্বৰ কবীৰদেৱে ধৰ্মদাসক (তেতিয়ালৈকে ধৰ্মদাসে জনা নাছিল যে তেওঁৰ লগত কথা পাতি থকা জন কবীৰ তাঁতী হয়) ক'লে যে কবীৰ তাঁতী এবাৰ স্বামী ৰামানন্দ পণ্ডিতৰ লগত তোতাদ্ৰিক নামৰ ঠাইত অনুষ্ঠিত সৎসঙ্গ ভোজনত গ'ল। কবীৰ তাঁতী স্বামী ৰামানন্দ দেৱৰ শিষ্য। সৎসঙ্গত মুখ্য পণ্ডিত আচাৰ্যই ক'লে যে ভগৱান ৰামে শূদ্ৰ ভিলনীৰ জুঠা বগৰী খাইছিল। ভগৱান সমদৰ্শী আছিল। ভগৱান প্ৰেম আৰু ভক্তি ভাবত প্ৰসন্ন হয়। ভকতে উচ্চ-নীচৰ ভেদ-ভাৱ ৰাখিব নাপায়, অকল শ্ৰদ্ধাহে গণ্য হয়। লক্ষ্মণে চবৰীক শূদ্ৰ বুলি হেয় জ্ঞান কৰি বগৰী নাখালে,পেলাই দিলে, পিছত সেই বগৰীয়ে সঞ্জীৱন ঔষধ হ'ল। ৰাৱণৰ লগত যুঁজ কৰি লক্ষ্মণ মূৰ্ছা গ'ল। তেতিয়া হনুমানে দ্ৰোণ-গিৰি পৰ্বত

উঠাই আনিলে য'ত সঞ্জীৱন ঔষধৰ পুলি গজিছিল। সেই ঔষধি খাই লক্ষ্মণে চেতনা ঘূৰাই পালে, জীৱন ৰক্ষা পৰিল। ভগৱানৰ প্ৰতি চবৰীৰ ইমান শ্ৰদ্ধা আছিল। কাৰোবাৰ শ্ৰদ্ধাত আঘাত হানিব নালাগে। সৎসঙ্গৰ ঠিক পাছতে লঙ্গৰ (ভোজন ব্যৱস্থা) আৰম্ভ হ'ল। স্বামী ৰামানন্দ ব্ৰাহ্মণৰ লগত শূদ্ৰ তাঁতী কবীৰ অহা দেখি পণ্ডিত সকলে আগতেই আঁচনি যুগুতাই থৈছিল। কবীৰ ৰামানন্দৰ শিষ্য, গতিকে ৰামানন্দৰ লগতে খাব আৰু আমাাৰ (তাত থকা পণ্ডিতৰ) মান-সন্মান নাথাকিব। গতিকে দুঠাইত ভোজন ব্যৱস্থা হ'ল। পণ্ডিতসকলৰ লগত বহি ভোজন কৰিবলৈ হ'লে বেদৰ চাৰিটা মন্ত্ৰ গাই শুনোৱাৰ চৰ্ত ৰখা হ'ল। মন্ত্ৰ শুনাব নোৱাৰা সকলে সাধাৰণ শ্ৰেণীৰ ভোজন ব্যৱস্থাত ভোজন কৰিব। পণ্ডিতসকলে জানিছিল যে কাশীৰ কবীৰ তাঁতী অশিক্ষিত, সি বেদ মন্ত্ৰ মনত ৰাখিব কেনেকৈ? সকলো পণ্ডিতে চাৰিটাকৈ মন্ত্ৰ শুনাই পণ্ডিতৰ ভোজন ব্যৱস্থাত সোমাব ধৰিলে। সকলো শাৰী পাতি আগবাঢ়ি আছিল। কবীৰ তাঁতীও সেই শাৰীতে থিয় হ'ল। কবীৰৰ বেদ মন্ত্ৰ শুনোৱাৰ পাল পৰিল। অলপ দূৰত এটা ম'হ চৰি আছিল। কবীৰ দেৱে ম'হক মাতিলে আৰু কলে-"হে ম'হ পণ্ডিত, অনুগ্ৰহ কৰি এইফালে আহক।" ম'হটো দৌৰি দৌৰি আহিল আৰু কবীৰদেৱৰ ওচৰত থিয় হল। কবীৰদেৱে ম'হটোৰ ককাঁলত হাত থৈ ক'লে- "হে বিদ্বান ম'হ বেদৰ চাৰিটা মন্ত্ৰ শুনোৱা। ম'হটোৱে ১) যৰ্জুবেদ অধ্যায় ৫ ৰ মন্ত্ৰ ৩২ শুনালে আৰু ব্যাখ্যাও কৰিলে যে যি জন পৰম শান্তিদায়ক (উসিগ অসি), যি জনে পাপ নাশ কৰিব পাৰে (অংঘাৰি), যি জন বন্ধনৰ শত্ৰু অৰ্থাৎ মুক্তিদাতা (বম্ভাৰী) সেইজন "কবিৰসি"= কবীৰ হয়। স্বৰ্জ্যোতি = স্বয়ং প্ৰকাশিত অৰ্থাৎ তেজোময় শৰীৰযুক্ত "ঋতধামা"= সত্যলোকত থকা অৰ্থাৎ সত্যলোকৰ নিবাসী হয়। "সম্ৰাটসি"= সকলো ভগৱানৰো ভগৱান অৰ্থাৎ সৰ্বশক্তিমান সম্ৰাট বা মহাৰজা হয়।

২) ঋগবেদ মণ্ডল ৯, সূক্ত-৮৬, মন্ত্ৰ-২৬ শুনালে যাৰ ভাবাৰ্থ হ'ল-পৰমেশ্বৰ ওপৰৰ লোকৰ পৰা গতি (প্ৰস্থান) কৰি আহে, পবিত্ৰ আত্মাক লগ কৰে । ভক্তি কৰা সকলৰ বিপদ সমাপ্ত কৰে। সেইজন কবিদেৱ (কবীৰ পৰমেশ্বৰ) হয়।

৩) ঋগবেদ মণ্ডল ৯, সূক্ত ৯৬ মন্ত্ৰ ১৭ শুনালে যাৰ ভাবাৰ্থ হ'ল- (কবিঃ = কবিৰ) কবীৰ পৰমাত্মা স্বয়ং পৃথিৱীত প্ৰকট হৈ তত্ত্বজ্ঞান প্ৰচাৰ কৰে। তাক কবিৰ বাণী (কবিৰ বাণী) বোলা হয়। সত্য আধ্যাত্মিক জ্ঞান (তত্ত্বজ্ঞান) ক কবীৰ পৰমাত্মাই লোকাক্তি, শব্দাৱলী, চতুষ্পদী বা কবিতা, দুলৰীৰ ৰূপত কবীৰ বাণীৰ দ্বাৰা গাই শুনায়।

৪) ঋগবেদ মণ্ডল ৯ সূক্ত ৯৪ মন্ত্ৰ ১ শুনালে যাৰ ভাবাৰ্থ হ'ল- পৰমাত্মাই কবিৰ দৰে আচৰণ কৰি পৃথিৱীৰ এঠাইৰ পৰা আনঠাইলৈ যায়। ম'হটোৱে আকৌ ক'লে যে তাৰ ওচৰতে শাৰীত থিয় হৈ তাৰ পিঠিত যি জনে হাত থৈছে এওঁৱেই সেই পৰমাত্মা কবীৰ হয় যাক মানুহে "কবি" বুলি কয়। এওঁৰ অনুগ্ৰহতে আজি মই মানুহৰ দৰে বেদ মন্ত্ৰ শুনাই আছো?

কবীৰ পৰমেশ্বৰে ক'লে, " হে ম'হ পণ্ডিত আপুনি পণ্ডিতৰ লগত বহি ভোজন কৰক । মই হ'লোঁ শূদ্ৰ, অশিক্ষিত। গতিকে সাধাৰণ মানুহৰ বাবে কৰা ভোজন-ব্যৱস্থাত বহি ভোজন কৰিবলৈ যাওঁ।

ম'হে বেদমন্ত্ৰ কোৱা দেখি (শুনি) গোট খোৱা সকলো পণ্ডিত তৎক্ষণাত কবীৰদেৱৰ শৰণত পৰিল আৰু নিজৰ ভুলৰ বাবে ক্ষমা খুজিলে। পৰমেশ্বৰ কবীৰদেৱে ক'লেঃ-

*কৰণী তজ কথনী কথৈ, অজ্ঞানী দিন ৰাত।*
*কুকৰ জ্যোঁ ভৌকত ফিৰে, সুনী সুনাই বাত।।*

সৎসঙ্গত আপোনালোকে কৈছিল যে ভগৱান ৰামচন্দ্ৰই শূদ্ৰ জাতিৰ চবৰী(ভিলনী) ৰ জুঠা বগৰী ৰুচিৰে খালে, কোনো অস্পৃশ্যতা নাৰাখিলে আৰু আপোনালোকে নিজকে পৰমাত্মাতকৈও উত্তম বুলি গণ্য কৰে। মুখেৰে কয় কিন্তু তাক নকৰে। লোকৰ মুখে শুনা কথাকে কুকুৰৰ দৰে ভুঁকি শুনাই থাকে। এই ঘটনাৰ পাছত উপস্থিত পণ্ডিতসকলৰ লগতে হাজাৰ-হাজাৰ মানুহে কবীৰ তাঁতীৰ শিষ্যত্ব গ্ৰহণ কৰিলে, দীক্ষা ললে। শাস্ত্ৰবিৰুদ্ধ ভক্তি ত্যাগ কৰি শাস্ত্ৰবিধি অনুসৰি ভক্তি আৰম্ভ কৰিলে আৰু আত্ম কল্যাণ কৰালে।

হে ধৰ্মদাস একেটা কথাকে আপুনিও কৈ আছে যে শূদ্ৰক ওচৰতো বহিবলৈ নিদিয়ে। কথা শুনি ধৰ্মদাস লাজতে কোঁচ খালে। কিন্তু পৰমাত্মাৰ শিক্ষাক নিজৰ ওপৰত কৰা ব্যংগ ভাবি খং কৰিলে আৰু ক'লে-" হে জিন্দা আপোনাৰ জুই লগা কথা ভাল নালাগে। আপোনাৰ কথা মাৰ্জিত নহয়। আপুনি কেনেকৈ কব পাৰিছে আমি কুকুৰৰ দৰে ভুঁকি ফুঁৰো"।এনেদৰে কৈ ধৰ্মদাসে মুখ বেকেটা কৰিলে। আক্ৰোশ ব্যক্ত কৰিলে। জিন্দা পৰমাত্মা লগে লগে অন্তৰ্দ্ধান হ'ল। চতুৰ্থবাৰ অন্তৰ্দ্ধান হোৱাত ধৰ্মদাসৰ অৱস্থা বেয়া হ'ল। বাগৰি বাগৰি কান্দিব ধৰিলে। সেইদিনা আকৌ বৃন্দাবনত ধৰ্মদাসৰ লগত পৰমাত্মাৰ কথা-বতৰা হৈছিল। (এইদৰে পৰমেশ্বৰ কবীৰদেৱ মুঠতে ছয়বাৰ অন্তৰ্দ্ধান হ'ল, তেতিয়াহে ধৰ্মদাসৰ বুদ্ধিয়ে কাম কৰিলে) বৃন্দাবন মথুৰাৰ পৰা খোজ কাঢ়ি কান্দি-কান্দি ধৰ্মদাস নিজৰ গাওঁ বান্ধৱগঢ়ৰ ফালে ঘূৰি গ'ল। ধৰ্মদাসে তীৰ্থ ভ্ৰমণৰ বাবে ছয়মাহৰ কাৰ্যক্ৰম ঠিক কৰিছিল, কিন্তু পোন্ধৰ দিনতে ঘৰলৈ উভতিল। গৰীব দাসদেৱে নিজৰ অমৃত বাণীত কৈছে -

*তহাঁ ৰহাঁ ৰোৱত হৈ ধৰ্মনী নাগৰ ,কঁহা গয়ে মেৰে সুখ কে সাগৰ।*
*অতি বিয়োগ হুৱা হম সেতী ,জৈসে নিৰ্ধন কী লুট জায়ে খেতি।*
*হম তো জানে তুম দেহ স্বৰূপা,হমৰী বুদ্ধি অন্ধ গহৰ কূপা।*
*কল্প কৰে ঔৰ মন মে ৰোৱৈ,দশো দিশা কুঁ ৱো মগ জোহৈ।*
*বেগ মিলো কৰহুঁ অপঘাতা,মই না জীবুঁ সুনো বিধাতা ।*

যেতিয়া ধৰ্মদাসদেৱ বাঁন্ধৱগঢ় পালে, তেতিয়াও কান্দিয়ে আছিল। ঘৰত সোমাই তলমূৰকৈ পৰি হিয়া ধাকুৰি উচুপিলে। তেওঁৰ পত্নী আমিনী দেৱীয়ে

কন্দা দেখি আৰু নিৰ্দিষ্ট সময়ৰ পূৰ্বে উভতা দেখি মনতে ভাৱিলে যে ভকতক নিশ্চয় কোনোবাই লুটিলে, ধনৰ অভাৱত উভতি আহিল। ধৰ্মদাসৰ ওচৰত বহি হাতেৰে চকুলো মচি দি ক'লে-" কিয় মন মাৰিছে, একো হোৱা নাই , কোনোবাই যাত্ৰাৰ খৰছ লুটি নিছে যদিও আপোনাৰ ধনৰ অভাৱ নাই, আকৌ খৰছ পাতি লৈ যাব। নিজৰ তীৰ্থযাত্ৰা সম্পূৰ্ণ কৰিহে আহিব। মইতো বাধা দিয়া নাই নহয়।" কিছু সময়ৰ পাছত ধৰ্মদাসে মন বান্ধি ক'লে "আমিনী, যদি টকা পইচা ধন চুৰি হোৱা হ'লে মই আৰু লৈ গ'লোহেঁতেন। মোৰ এনেকুৱা ধন চুৰি হ'ল হয়তো আৰু ঘূৰাই নাপাম। সেই ধন মই নিজ হাতে নিজৰ মূৰ্খতাৰে হেৰালো ।" এই বুলি কৈ জিন্দা মহাত্মাৰ লগত হোৱা সকলো জ্ঞান চৰ্চা আৰু তেওঁৰ পৰা শুনা সৃষ্টি ৰচনা আমিনী দেৱীক শুনালে। সকলো কথাৰ প্ৰমাণ থকা দেখি আমিনীয়ে ক'লে যে ধৰ্মদাসৰ দৰে নিপুণ সাউদে পূৰ্বে কেতিয়াও বেপাৰত হানি কৰা নাছিল। ইমান প্ৰমাণিত জ্ঞান স্বীকাৰ নকৰাত সাধুজন ৰুষ্ট হোৱা স্বাভাৱিক, তেওঁ কিমান বাৰ আপোনাক লগ কৰি বুজালে, আপুনিনো সেইজন দাতাক কিয় অস্বীকাৰ কৰিলে? ধৰ্মদাসে ক'লে-" আমিনী, জীৱনত এই প্ৰথমবাৰ হানি হোৱা কাম কৰিলো। এই হানি আৰু কেতিয়াও পূৰণ নহ'ব। এই ধন নাপালে মই জীয়াই থাকিব নোৱাৰোঁ"।

<u>ধৰ্মদাসদেৱক সত্য লোকলৈ লৈ যোৱা প্ৰকৰণ</u>

ছমাহলৈকে জিন্দা পৰমেশ্বৰ নাহিল। ধৰ্মদাস কান্দি কান্দি বৰ আকুল হ'ল, খোৱা -বোৱাও প্ৰায় এৰিলে। দিনত কেইবা ঘন্টা ধৰি কান্দিয়ে থাকে, শৰীৰ শুকাই খীনাই কাঁইটৰ দৰে হ'ল। আমিনী দেবীয়ে ধৰ্মদাসক ক'লে যে তেওঁৰ এই অৱস্থা তাই আৰু চাব নোৱাৰে। আপুনি বিশ্বাস কৰক যে সাধুজন প্ৰথম অৱস্থাত ইমান বাৰ আহিল, এতিয়া আকৌ নিশ্চয় আহিব। ধৰ্মদাসে ক'লে যে আগতে ইমান দেৰি কৰা নাছিল, বোধহয় মই পাপীয়ে বহুত দুখ দিলো, দুখ পোৱাও স্বাভাৱিক। মই মহামূৰ্খ,এতিয়া মই তেওঁৰ মূল্য বুজিলোঁ।দেখাত তেওঁ সহজ-সৰল,কিন্তু পৰমাত্মাৰ বিশেষ কৃপা পাত্ৰ হয়। ইমান জ্ঞান দেখাও নাই, শুনাও নাছিলো। আমিনীয়ে সুধিলে সাধুজনে কৈছিল নেকি যে তেওঁক কেনেকৈ লগ ধৰিব পাৰি? তেওঁ ক'ত ক'ত যায়? ধৰ্মদাসে জনালে যে তেওঁ সকলো সৎসঙ্গৰ ভোজনলৈ যায় আৰু মানুহক জ্ঞান -উপদেশ দিয়ে। তেতিয়া আমিনী দেবীয়ে সৎসঙ্গ আৰু ভোজনৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিয়ে। কাৰণ তালৈ জিন্দা বাবা নিশ্চয় আহিব। ধৰ্মদাসে তিনিদিনৰ কাৰ্যক্ৰমৰ কথা কোৱাত আমিনীদেৱীয়ে তুৰন্তে মানি ললে, ইয়াৰ আগতে কিন্তু দীঘলীয়া ধৰ্মসভাৰ কাৰ্যক্ৰমত আমিনীয়ে বাধা দিছিল। ধৰ্মদাসে এই তিনিদিনীয়া সৎসঙ্গ আৰু ভোজনৰ বাৰ্ত্তা দূৰ-দূৰণিলৈকে পঠিয়ালে, সাধুসকলক নিমন্ত্ৰণ কৰা হ'ল। নিৰ্দিষ্ট সময়ত ভোজন আৰম্ভ হ'ল। দুদিন পাৰ হ'ল, সকলো সাধু মহাত্মা আহিল, জ্ঞান-চৰ্চা চলিয়ে থকিল, কিন্তু জিন্দা বাবাই দিয়া জ্ঞান কাৰো লগত নাছিল। ধৰ্মদাসে জানি বুজি সুধিছিল যে ব্ৰহ্মা, বিষ্ণু , শিৱৰ জন্ম হয় নে নহয়।

সকলোৰে উত্তৰ দিছিল তেওলোকৰ কোনো মা-দেউতা নাছিল। ইয়াৰ পৰা ধৰ্মদাসে বুজিছিল যে জিন্দা মহাত্মা আহিবলৈ বাকী আছে, ভেশ সলনি কৰি আহিলেও জ্ঞান হ'লে সঠিক ক'লে হয়। তৃতীয় দিনাও দুপৰীয়ালৈকে জিন্দা বাবা নাহিল। ধৰ্মদাসেও দৃঢ় নিশ্চয় কৰিলে যে সিদিনা যদি জিন্দা বাবা নাহে তেতিয়া তেওঁ আত্মহত্যা কৰিব, কাৰণ জিন্দা বাবাৰ অবিহনে মৰাই শ্ৰেয়। পৰমাত্মা অন্তৰ্যামী, বুজি পালে যে আজি ভকজতজন নিশ্চয় মৰিব। লগে লগে ধৰ্মদাসে দেখিলে যে অলপ দূৰত কদম গছৰ তলত সেই আগৰ বেশভূষাত জিন্দা বাবা বহি আছে। ধৰ্মদাস দৌৰি গৈ ভালদৰে নিৰীক্ষণ কৰিলে আৰু জিন্দা মহাত্মাক আলিঙ্গন কৰিলে। ভুলৰ ক্ষমা বিচাৰি আগলৈ আৰু ভুল নকৰাৰ প্ৰতিশ্ৰুতি দিলে। তেতিয়াহে পৰমাত্মা ধৰ্মদাসৰ ঘৰলৈ গ'ল। আমিনী আৰু ধৰ্মদাস দুয়ো মিলি বহুত সেৱা কৰিলে আৰু দুয়ো নাম-দীক্ষা ললে।পৰমাত্মাই জিন্দা ৰূপত তেওঁলোকক প্ৰথম মন্ত্ৰৰ দীক্ষা দিলে। কিছুদিন পৰমেশ্বৰ তেওঁলোকৰ বাগিচাত থাকিল, কিন্তু এদিনাখন ধৰ্মদাসে আগৰ দৰে ভুল কৰাত পৰমাত্মা হঠাতে অদৃশ্য হ'ল। ধৰ্মদাসে নিজৰ ভুলৰ বাবে অনুতাপ কৰিলে, খোৱা বোৱা এৰি প্ৰতিজ্ঞা কৰিলে যে দৰ্শন নাপালে খোৱা বোৱা নকৰে। ধৰ্মদাস দুৰ্বল হ'ল, বহা উঠাও কৰিব নোৱাৰা হ'ল। ছয়দিনৰ দিনা পৰমাত্মা আহিল, ধৰ্মদাসক নিজ হাতৰে উঠাই সাবটি ধৰিলে, নিজ হাতেৰে ভোজন খুৱালে। ধৰ্মদাসে প্ৰথমতে চৰণ ধুই চৰণামৃত ল'লে, আকৌ জ্ঞান চৰ্চা আৰম্ভ হ'ল।

পৰমেশ্বৰে জনালে যে তেওঁ সদগুৰু পাইছে, গুৰুজন কাশী চহৰত থাকে, তেওঁৰ নাম কবীৰ হয়। তেখেত স্বয়ং পৰমেশ্বৰ হয়, সদ্ গুৰু ৰূপ ধাৰণ কৰি লীলা কৰি আছে, জীৱিকাৰ বাবে তেওঁ তাঁতীৰ কাম কৰে। তেখেতে তেওঁক (জিন্দা বাবাক) সত্যলোক দেখুৱালে, সেইলোক সকলোতকৈ বেলেগ তাত থকা সুখ-স্বৰ্গতো নাই। চিৰসেউজীয়া ফলেৰে ভৰা গছ, সুন্দৰ বাগিচা, গাখীৰৰ নৈ বয় তাত। নৰ-নাৰীও অতি সুন্দৰ, কেতিয়াও বুঢ়া-বুঢ়ী নহয়, মৃত্যুও তাত নাই। যি সদ গুৰুৰ পৰা তত্বজ্ঞান শুনি সত্যনাম লাভ কৰি ভক্তি কৰে, তেওঁ সেই পৰমধাম লাভ কৰে, ইয়াৰ বৰ্ণনা গীতা অধ্যায় ১৫ শ্লোক ৪ ত আছে। ধৰ্মদাসে জিদ কৰিলে যে তেওঁক সেই অমৰলোক দেখুৱাব লাগে যাতে তেওঁৰ বিশ্বাস দৃঢ় হয়। পৰমেশ্বৰে ক'লে যে ভক্তি কৰি যাব লাগে-শৰীৰ ত্যাগ কৰাৰ পাচত সেইলোক প্ৰাপ্ত কৰিব। ধৰ্মদাসে অতি অনুনয়-বিনয় কৰাত জিন্দা পৰমেশ্বৰে তেওঁক সত্যলোকত লৈ যাবলৈ প্ৰস্তুত হ'ল। ধৰ্মদাসৰ আত্মা উলিয়াই ওপৰ সত্যলোকলৈ লৈ গ'ল। পৰমেশ্বৰৰ দৰবাৰৰ দুৱাৰত এজন দুৱাৰ ৰখিয়া থিয় হৈ আছিল। জিন্দা বাবাৰ ৰূপত থকা পৰমেশ্বৰে দুৱৰীক ক'লে যে ধৰ্ম দাসক পৰমেশ্বৰৰ দৰ্শন কৰাই আনিব লাগে। দুৱৰীয়ে এজন হংস (সত্যলোকত ভকতক হংস বোলে)ক ক'লে যে ধৰ্মদাসক পৰমেশ্বৰৰ সিংহাসনৰ ওচৰলৈ লৈ গৈ, সত্য পুৰুষৰ দৰ্শন কৰাই আনিব লাগে। তেতিয়া বহুতো হংস (ভকত), হংসী (ভকতনী) য়ে দলবান্ধি নাচি বাগি ধৰ্মদাসদেৱক স-সন্মানে আগবঢ়াই নিলে।

সকলো হংস আৰু নাৰীয়ে সুন্দৰ মালা গলত পিন্ধিছিল, তেওঁলোকৰ শৰীৰৰ প্ৰকাশ ষোল্লটা সূৰ্যৰ প্ৰকাশৰ সমান আছিল। ধৰ্মদাসে দেখিলে যে সিংহাসনত বহি থকা সত্যপুৰুষৰ ৰূপ আৰু পৃথিৱীত থকা জিন্দা বাবাৰ ৰূপ একেই আছিল। কিন্তু ইয়াত থকা পৰমেশ্বৰৰ এটা নোমৰ প্ৰকাশ কোটি সূৰ্য আৰু কোটি চন্দ্ৰমাৰ প্ৰকাশতকৈও অধিক আছিল। জিন্দা ৰূপত পৃথিৱীৰ পৰা যোৱা পৰমাত্মাই সিংহাসনত বিৰাজিত নিজৰেই অন্য স্বৰূপৰ ওপৰত চোঁৱৰ লৰাব ধৰিলে, এইটো দেখি ধৰ্মদাসে ভাবিলে জিন্দা বাবা পৰমেশ্বৰৰ সেৱক হয়। কিন্তু চেহেৰা দুয়োৰে একেই। খন্তেক পাচতে দেখিলে যে সিংসাহসনত বহা পৰমাত্মা থিয় হ'ল আৰু জিন্দা সিংহাসনত বহিল, লগেলগে সেই তেজোময় শৰীৰযুক্ত প্ৰভু জিন্দাৰ শৰীৰত বিলীন হ'ল। ধৰ্মদাসে লাজত নিজকে নিজে ধিক্কাৰ দিলে, ভাবিলে যে তেওঁ নিজে বৰ দুষ্ট, পৰমেশ্বৰক বৰ দুঃখী কৰিলে, বৰ অপমানিত কৰিলে। পৃথিৱীত থাকোঁতে জিন্দাক পৰমেশ্বৰ বুলি বিশ্বাস নকৰা বাবে বৰ বেজাৰ পালে। সত্যপুৰুষৰ দৰ্শন পোৱাৰ পিছত ধৰ্মদাস তিনিদিন পৰমাত্মাৰ সত্যলোকত আছিল। সিফালে ধৰ্মদাসক তিনিদিনলৈকে অচেতন হোৱা দেখি ঘৰ গাওঁ সম্পৰ্কীয় মিতিৰ কুটুম সকলো ধৰ্মদাসৰ ঘৰত (বান্ধৱগঢ়ত) গোট খালে। জৰা-ফুঁকা, বেজ-বেজালিৰে চেষ্টা কৰিও সকলো ব্যৰ্থ হ'ল। কাৰো বিশ্বাস হোৱা নাছিল যে ধৰ্মদাস জী উঠিব। তৃতীয় দিনা পৰমেশ্বৰে তেওঁৰ আত্মাক শৰীৰত প্ৰৱেশ কৰালে। লগে লগে ধৰ্মদাসে চেতনা ঘূৰাই পালে। ধৰ্মদাসৰ শৰীৰ বাগিচাৰ পৰা (য'ৰ পৰা আত্মা উলিয়াই পৰমেশ্বৰে সত্যলোকলৈ লৈ গৈছিল) ঘৰলৈ অনা হৈছিল। সচেতন হোৱাৰ লগে-লগে ধৰ্মদাস উঠি সেই বাগিচালৈ গৈ দেখে যে তাত পৰমাত্মা জিন্দা বাবা ৰূপত বহি আছে। ধৰ্মদাস চৰণত ঢলি পৰিল আৰু ক'ব ধৰিলে "হে প্ৰভু মই অজ্ঞানীক ক্ষমা কৰক , প্ৰভু"

*"অৱগুন মেৰে বাপজী, বখ্‌সো গৰীব নিৱাজ।*
*জো মই পূত কুপূত হুঁ ,বহুৰ পিতাকো লাজ"।।*

মই বিশ্বাস কৰিব পৰা নাছিলোঁ যে আপুনি পৰমাত্মা হয়, পৰম অক্ষৰ ব্ৰহ্ম হয়। মাজে সময়ে আত্মাই কৈছিল যে পূৰ্ণ ব্ৰহ্মৰ অবিহনে এনেকুৱা জ্ঞান পৃথিৱীত কোনে শুনাব পাৰে, কিন্তু মনটোৱে তৎক্ষণাত বিপৰীত চিন্তা কৰিব ধৰিছিল। হে সত্যপুৰুষ আপুনি নিজৰ শৰীৰৰ সত্যলোকত থকা শোভা ইয়াত কিয় প্ৰকট কৰা নাই ?"

পৰমেশ্বৰে ক'লে-"হে ধৰ্মদাস, যদি মই তেনে প্ৰকাশযুক্ত শৰীৰ লৈ এই কাল-লোকত আহো তেতিয়া ক্ষৰ পুৰুষ (জ্যোতি নিৰঞ্জন) ব্যাকুল হ'ব। মই নিজৰ সকলো কাম গোপনে কৰো, কালে মোক সিদ্ধিযুক্ত সন্ত মানে, কিন্তু মই ক'ৰ পৰা আহিছো, মই কোন, সেইটো নাজানে"। পৰমেশ্বৰে ধৰ্মদাসক সত্য লোক কেনে লাগিল বুলি সোধাত ধৰ্মদাসে ক'লে- হে পৰমেশ্বৰ এতিয়া এই পৃথিৱীত মন নবহা হ'ল। সেই পৱিত্ৰ স্থানৰ তুলনাত এই কালৰ সম্পূৰ্ণ লোক (২১ ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰ) নৰকৰ সমান বোধ হ'ব ধৰিছে। জন্ম-মৰণ ইয়াৰ নিশ্চিত

বিধান, চৌৰাশীলাখ প্ৰকাৰৰ প্ৰাণীৰ জীৱন ভোগ কৰাটোও ইয়াত অনিবাৰ্য্য। প্ৰত্যেক প্ৰাণী এই আশাৰে জীৱিত থাকে যে এতিয়াই নমৰোঁ কিন্তু যি কোনো মুহূৰ্ততে মৃত্যুক প্ৰাপ্ত হয়। প্ৰত্যেকে ইজনে সিজনৰ লগত কপটতাৰে কথা পাতে। কিন্তু আপোনাৰ সত্যলোকত সকলোৱে মৰমেৰে কথা পাতে, কপটতা শূণ্য ব্যৱহাৰ কৰে। তাত থকা তিনিদিন মই এই কথাই পৰীক্ষা কৰিছিলো। তেওঁ অচেতন হোৱা সময়ত উপস্থিত থকা ব্যক্তিসকলক নেদেখা হ'লে (চেতনা ঘূৰাই পোৱাৰ পিছত) ধৰ্মদাসে ভাবিলেহেঁতেন যে তেওঁ সপোন হে দেখিছিল। কিন্তু এতিয়া দৃঢ় নিশ্চয় হ'ল (ওপৰোক্ত বৰ্ণনা পবিত্ৰ "কবীৰ সাগৰ"ৰ অধ্যায় "জ্ঞান প্ৰকাশ" পৃষ্ঠা ৫৭, ৫৮ ত,"মোহম্মদ বোধ" পৃষ্ঠা ২০-২১ ত,দহ মুকামী ৰেখতা "জ্ঞান স্থিতি বোধ" পৃষ্ঠা ৮৩ ত "অমৰমূল" পৃষ্ঠা ২০২ ত আছে)

## গুৰু সলনি কৰিব পাৰিনে ?

প্ৰশ্ন ৫২ (ধৰ্মদাসৰ) ঃ- হে প্ৰভু গুৰু সলনি কৰিব পাৰি জানো ? সন্তসকলে কয় গুৰু সলনি কৰিব নাপায়। গুৰু এক, জ্ঞান অনেক।

উত্তৰ (সত্য পুৰুষৰ) ঃ- যেতিয়ালৈকে নিমিলে সদগুৰু ,তেতিয়া লৈকে সলনি কৰিবা গুৰু।

*"কবীৰ ঝুঠে গুৰুকে পক্ষকো,তজত ন লাগৈ ৱাৰ।*
*দ্বাৰ ন পাৱৈ মোক্ষ কা ,ৰহ ৱাৰ কা ৱাৰ।।*

ভাৱাৰ্থ ঃ- যেতিয়ালৈকে সদগুৰু পোৱা নাযায়, তেতিয়ালৈকে গুৰু সলনি কৰি থাকিব লাগে। নতুন গুৰুত শৰণ লৈ সদগুৰু নহয় বুলি জনাৰ লগে লগে তেওক ত্যাগ কৰিব লাগে।

*"কবীৰ, ডুবৈ থে পৰ উভৰে,গুৰু কে জ্ঞান চমক।*
*বেড়া দেখা জৰজৰা,উতৰ চলে ফড়ক।।*

ভাৱাৰ্থ ঃ- মই সদগুৰু পোৱাৰ পিছত তেওঁৰ জ্ঞানৰ প্ৰকাশত গম পালো যে আমাৰ জ্ঞান আৰু সমাধান (সাধনা) ভুল আছিল। তেতিয়া মই এনেকৈ গুৰু সলনি কৰিলো যেনেকৈ ভয়াৰ্ত পশুৱে জাঁপ মাৰি বেগাই লৰ মাৰে আৰু যেনেকৈ ৰাতি নাওত যাত্ৰা কৰি থকা যাত্ৰীয়ে ৰাতিপুৱা পোহৰত নাওৰ তলি ফুটা হৈ পানী সোমোৱা দেখি ওচৰতে থকা সুৰক্ষিত নাও পোৱাত নিচা গ্ৰস্ত নোহোৱা বুদ্ধিমান যাত্ৰীসকলে তৎক্ষণাত তলি ফুটা নাও এৰি ভাল নাওত বহে। মই কাশী চহৰত সদগুৰু কবীৰদেৱৰ পৰা সত্যজ্ঞান শুনি আপোনাক শুনালো আৰু জাতি ধৰ্মৰ কথালৈ পিঠি দিলো। তেতিয়াই সদগুৰুৰ শৰণত দীক্ষা মন্ত্ৰ লৈ ভক্তি কৰিব ধৰিলো। সদগুৰুৱে মোক আনক দীক্ষা দিবলৈ আদেশ দি থৈছে। হে ধৰ্মদাস চিন্তা কৰি চাওক, এজন বেজৰ দ্বাৰা ৰোগী ব্যক্তিয়ে স্বাস্থ্য লাভ নকৰিলে তেওঁ অন্য ডাক্তৰ ওচৰলৈ নাযায় নেকি ?

ধৰ্মদাসে ক'লে যে তেওঁ যায়, যাবও লাগিব, জীৱন ৰক্ষা কৰিব লাগিব। পৰমেশ্বৰে ক'লে যে সেইদৰে মনুষ্য জন্ম জীৱৰ কল্যাণৰ বাবে পোৱা হয়, জীৱ জন্ম-মৃত্যুৰ দীঘলীয়া ৰোগত আক্ৰান্ত, এই ৰোগ সত্যনাম আৰু সাৰনাম

অবিহনে সমাপ্ত নহয়। এই দুটা মন্ত্ৰ কাশীত থকা সদগুৰু কবীৰে দিয়ে, পৃথিৱীত আন কাৰো লগত মন্ত্ৰ দুটা নাই। আপুনি কাশীত গৈ দীক্ষা ল'ব, আপোনাৰ মঙ্গল হ'ব কাৰণ সদগুৰু অবিহনে মোৰ সেই সতলোক প্ৰাপ্ত হ'ব নোৱাৰে।

ধৰ্মদাসে ক'লে যে আপুনি নিজেই সত্যপুৰুষ হয়। এতিয়া মই ঠগন নাখাওঁ, আপুনি নিজকে লুকাই ৰাখে, হে প্ৰভু মই গুৰু ৰূপদাসদেৱৰ পৰা দীক্ষা লৈ থৈছো। গতিকে তেওঁৰ পৰা গুৰু সলনি কৰা অনুমতি লম, তেওঁ অনুমতি দিলেহে মই গুৰু সলনি কৰিম। ধৰ্মদাসৰ মূৰ্খামিয়ে সীমা পাৰ কৰা দেখি পৰমেশ্বৰ ষষ্ঠবাৰ অন্তৰ্দ্ধান হ'ল। ধৰ্মদাস আকৌ বিমোৰত পৰিল। প্ৰথমে শ্ৰীকৃষ্ণ ওৰফে শ্ৰীবিষ্ণুৰ পূজাৰী বৈষ্ণৱ পন্থী গুৰু ৰূপদাসদেৱৰ ওচৰত গ'ল।

ধৰ্মদাসে সন্ত ৰূপদাসক সকলো ঘটনা কৈ গুৰু সলনি কৰাৰ অনুমতি খুজিলে। সন্তৰূপ দাস পবিত্ৰ আত্মাৰ গৰাকী আছিল। তেওঁ ক'লে যে ধৰ্মদাসে যি জ্ঞান জিন্দা বাবাৰ পৰা শুনিছে, সেয়া অকল ভগৱানেহে ক'ব পাৰে। ৰূপদাসে আৰু ক'লে যে তেওঁ বুঢ়া হৈ আহিছে , গতিকে তেওঁ নিজৰ পন্থ এৰিব নোৱাৰে, যদি ধৰ্মদাসে ইচ্ছা কৰে, সেই মহাত্মাৰ পৰা দীক্ষা ল'ব পাৰে।

তেতিয়া ধৰ্মদাসদেৱ কাশীত গৈ ক বীৰ তাঁতীৰ জুপুৰি বিচাৰি উলিয়ালে। তাত কাপোৰ বৈ থকা কবীৰ পৰমেশ্বৰক দেখি অতিকৈ আচৰিত হ'ল, সীমাহীন আনন্দ হ'ল কাৰণ সদগুৰু আৰু পৰমেশ্বৰ এজনেই বুলি বুজিলে। তেতিয়া তেওঁৰ পৰা দীক্ষা লৈ নিজৰ মঙ্গল সাধন কৰালে। কবীৰ পৰমেশ্বৰে ধৰ্মদাসক আকৌ দুটা আখৰ (এটা ওম-"ওঁ" আনটো 'তত্' যিটো সাংকেতিক হয়) ৰ সত্য নাম দিলে। তাৰপাছত সাৰনাম দি সত্যলোকৰ নিবাসী কৰিলে।

কলিযুগত পৰমেশ্বৰে নিম্নোক্ত পবিত্ৰ আত্মা (দৃঢ় ভকত)ক লগ কৰিলে -

২) সন্ত মলুক দাস (অৰোৰা)

৩) সন্ত দাদু দাস, আজমেৰ (ৰাজস্থান)

৪) সন্ত নানকদেৱক চুলতানপুৰ চহৰৰ ওচৰত বেই নদীত লগ কৰিছিল। তাত স্মাৰক হিচাবে "সচ্চখণ্ড চাহেব" গুৰুদ্বাৰা স্থাপন কৰা হৈছে।

৫) সন্ত গৰীব দাস (গাওঁ-ছুড়ানী, জিলা-ঝজ্জৰ (হৰিয়ানা) ক লগ কৰিছিল। তাত এতিয়া স্মাৰক আছে ।

দহ বছৰীয়া সন্ত গৰীবদাস নিজৰ পথাৰত লগৰীয়া গৰখীয়াৰ লগত গৰু চৰাবলৈ গৈছিল, তাতে পৰমেশ্বৰ জিন্দা বাবাৰ বেশত সত্যলোক (সচ্চ খণ্ড)ৰ পৰা আহিল, সত্যলোক সকলো ভুৱনৰ ওপৰত থকা পৰমাত্মাৰ বাসস্থান। গৰীব দাস দেৱৰ আত্মাক ওপৰৰ নিজৰ লোকত পৰমেশ্বৰে লৈ গ'ল। ল'ৰাটো মৰি গ'ল ভাবি সন্ধিয়া চিতাত থৈ অন্তিম সংস্কাৰ কৰাৰ যো -জা চলিল। সিফালে পৰমাত্মাই গৰীবদাস দেৱৰ আত্মাক ওপৰৰ সকলো ব্ৰহ্মাণ্ড ভ্ৰমণ কৰাই তৎক্ষণাত শৰীৰত প্ৰবেশ কৰাই দিলে, ল'ৰাটো লগে লগে জী উঠিল। এই ঘটনা ঘটিছিল ১৭২৭ চনৰ (সম্বত১৭৮৪) ফাগুন মাহৰ শুক্লা দ্বাদশী তিথিত। সন্ত গৰীব দাসক পৰমেশ্বৰে তত্ত্বজ্ঞান প্ৰদান কৰিলে তেওঁৰ জ্ঞান যোগ খুলি

দিলে ,ফলস্বৰূপে সন্ত গৰীব দাসদেবে ২৪ হাজাৰ বাণী উচ্চাৰণ কৰিলে যিবোৰ সন্ত গোপাল দাসদেবে লিপিবদ্ধ কৰিলে। সেই অমৃতবাণী সমূহ ছপা কৰি গ্ৰন্থ প্ৰকাশ কৰা হৈছে। এই দাসে (সন্ত ৰামপাল দাস) সেই অমৃতবাণীক লৈয়ে সৎসঙ্গ কৰি আছে।

সন্ত গৰীব দাস মহাৰাজে অমৃত বাণীত কৈছে -

*গৰীব, হম চুলতানী নানক তাৰে, দাদু কো উপদেশ দিয়া।*
*জাতি জুলাহা ভেদ না পায়া, কাশী মাঁহে কবীৰ হুৱা।।*
*গৰীব, অনন্ত কোটি ব্ৰহ্মাণ্ড কা, এক ৰতি নহী ভাৰ।*
*সৎ গুৰু পুৰুষ কবীৰ হৈ, কুল কে সৃজনহাৰ।।*

ভাবাৰ্থ- সন্ত গৰীব দাসদেবে পৰমাত্মাৰ পৰা প্ৰাপ্ত দিব্য দৃষ্টিৰে অৱলোকন কৰি ভূত-ভৱিষ্যতৰ জ্ঞান কৈছে। তেওঁ কৈছে যে কাশী নগৰ (উত্তৰ প্ৰদেশ)ত বাস কৰা কবীৰ তাঁতী সকলো ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা হয়। সকলো ব্ৰহ্মাণ্ডৰ অস্তিত্ব তেওঁৰ শক্তিৰ ওপৰতে নিৰ্ভৰ কৰে। পৰমেশ্বৰ কবীৰদেবে সেই ব্ৰহ্মাণ্ডৰ ভাৰ নবয়। যেনেদৰে বৈজ্ঞানিকে উৰাজাহাজ, ৰকেট নিমাৰ্ণ কৰি উৰায়, নিজেও তাত বহি যাত্ৰা কৰে। সন্ত গৰীবদাসদেবে এনেদৰে নিজ চকুৰে দেখি পৰমেশ্বৰৰ মহিমা গাইছে।

৬) সন্ত ঘীসা দাসদেৰ, গাওঁ-খেখড়া, জিলা-বাগপত (উত্তৰপ্ৰদেশ) এখেতকো পৰমেশ্বৰে লগ কৰিছিল। অধিক জানিবৰ বাবে www.jagat-gururampalji.org ৰ পৰা তথ্য বিচাৰিব পাৰে।

## বেদমন্ত্ৰৰ প্ৰতিলিপি (প্ৰমাণৰ সৈতে)

(প্ৰমাণ ঋগবেদ মণ্ডল নং ৯ সুক্ত ৮৬ মন্ত্ৰ ২৬-২৭)

ইন্দুঃ পুনানো অতি গাহতে মৃযো বিশ্বানি কৃন্বন্তসুপথানি য়জ্যৱে।
গাঃ কৃন্বানো নিৰ্ন্বিজংহৰ্য়তঃ কবিৰত্যো ন ক্ৰীড়নপৰি বাৰমৰ্যতি।।২৬।।

অৰ্থ ঃ- (য়জ্যৱে ) যজ্ঞ কৰা যজমানৰ বাবে পৰমেশ্বৰে (বিশ্বানি-সুপথানি) সকলো ৰাস্তাক (কৃন্বন) সুগম কৰি (মৃষঃ) তেওঁলোকৰ বিপদক (অতিগাহতে) নাশ কৰে আৰু (পুনানঃ) তেওঁলোকক পবিত্ৰ কৰি (নিৰ্নিজং) নিজৰ ৰূপ (গাঃকৃন্বানঃ) সৰল কৰি (হৰ্য়তঃ) সেই শোভাযুক্ত পৰমাত্মা (কবিঃ) সৰ্বজ্ঞ (অত্যো,ন) বিদ্যুতৰ দৰে (ক্ৰীড়ন) খেলা কৰি-তীব্ৰগতিৰে আহি (ৱাৰম) সন্মান যোগ্য পুৰুষক (পৰ্য়্যৰ্ষতি) প্ৰাপ্ত হয়।।২৬।।

বিবেচনা ঃ- ওপৰোক্ত বেদৰ প্ৰতিলিপি আৰ্যসমাজৰ আচাৰ্যসকল আৰু মহৰ্ষি দয়ানন্দৰ শিষ্যসকলৰ দ্বাৰা অনুবাদিত হয় য'ত স্পষ্ট আছে যে যজ্ঞ কৰা অৰ্থাৎ ধাৰ্মিক অনুষ্ঠান কৰা যজমান অৰ্থাৎ ভক্তৰ বাবে পৰমাত্মাই সকলো ৰাস্তা সুগম কৰি অৰ্থাৎ জীৱনৰ পথত থকা দুখবোৰ নাইকিয়া কৰি তেওঁলোকৰ বিপদ-আপদ সমূহ নাশ কৰি ভক্তক পবিত্ৰ অৰ্থাৎ পাপৰহিত, বিকাৰ ৰহিত কৰে। আনটো মন্ত্ৰ ২৭ত কৈছে যে,“ যি জন পৰমাত্মা দ্যুলোক অৰ্থাৎ সত্যলোকৰ তৃতীয় ধামত বিৰাজিত, তাত তেওঁৰ শৰীৰৰ প্ৰকাশ অতি বেছি”। উদাহৰণস্বৰূপে পৰমাত্মাৰ

এটা নোমৰ প্ৰকাশ কোটি সূৰ্য আৰু কোটি চন্দ্ৰৰ মিলিত প্ৰকাশতকৈও বেছি। যদি সেই পৰমাত্মা তেনে প্ৰকাশযুক্ত শৰীৰ লৈ পৃথিৱীত প্ৰকট হয় তেতিয়া আমাৰ চৰ্মচক্ষুৰে তেওঁক চাব নোৱাৰে যেনেদৰে ফেঁচাই পোহৰত একো দেখা নাপায়। মানুহৰ অৱস্থাও ফেঁচাৰ দৰে হ'ব। সেইকাৰণে পৰমাত্মাই নিজৰ ৰূপ অৰ্থাৎ শৰীৰৰ প্ৰকাশক সৰল কৰি নিজ ঠাইৰ পৰা গতি কৰি বিজুলিৰ দৰে ক্ৰীড়া অৰ্থাৎ লীলা কৰি আহে আৰু শ্ৰেষ্ঠ পুৰুষক লগ কৰে। এয়াও স্পষ্ট আছে যে তেওঁ কবিঃ অৰ্থাৎ কবিৰ্দেব হয়,আমি তেওঁক কবীৰ চাহেব বোলোঁ।

অসশ্চতঃ শতধাৰা অভিশ্ৰিয়ো হৰি নৱন্তেঅৱ তা উদন্যুৱঃ।
ক্ষিপো মৃজন্তি পৰি গোভিৰা বৃতং তৃতীয়ে পৃষ্ঠে অধিৰোচনে দিবঃ।।২৭।।

অৰ্থ ঃ- (উদন্যুৱঃ) প্ৰেমৰ (তাঃ) সেই (শতধাৰা) শ-শ ধাৰা (অসশ্চতঃ) যি নানা ৰূপত (অভিশ্ৰিয়ঃ) স্থিতি লাভ কৰিছে, সেইবোৰ (হৰি) পৰমাত্মাক (অৱনৱন্তে) প্ৰাপ্ত হয়। (গোভিৰাবৃতং) প্ৰকাশপুঞ্জ পৰমাত্মাক (ক্ষিপঃ) বোধশক্তিয়ে, বুদ্ধিবৃত্তিয়ে (মৃজন্তি) বিষয়ে কৰে। যি পৰমাত্মা (দিব তৃতীয়ে পৃষ্ঠে) দ্যুলোকৰ তৃতীয় পৃষ্ঠত বিৰাজমান আছে আৰু (ৰোচনে) প্ৰকাশস্বৰূপ আছে, তেওঁক বোধশক্তিয়ে প্ৰকাশিত কৰে।।২৭।।

বিবেচনা ঃ- ঋগবেদ মণ্ডল ৯ সুক্ত ৮৬ মন্ত্ৰ ২৭ ত স্পষ্ট আছে যে "পৰমাত্মা দ্যুলোক অৰ্থাৎ অমৰ লোকৰ তৃতীয় পৃষ্ঠ অৰ্থাৎ তৃতীয় ভাগত বিৰাজমান আছে"। সত্যলোক অৰ্থাৎ শাশ্বত স্থান (গীতা অধ্যায় ১৮ শ্লোক-৬২) ত তিনিটা ভাগ আছে। এটা ভাগত অৰণ্য পাহাৰ নিজৰা , বাগিচা, উদ্যান আদি আছে - এইটো বাহিৰ ভাগ। (যেনে- ভাৰতৰ ৰাজধানী দিল্লীও তিনিভাগত বিভক্ত। দিল্লীৰ বাহিৰ ভাগত গাওঁ, পথাৰ, নৰ্দমা আদি আছে আৰু ভিতৰলৈ গ'লে বজাৰ, চহৰ আছে আৰু কেন্দ্ৰ ভাগত সংসদ ভৱন আৰু চৰকাৰী কাৰ্যলয় আছে।)

ইয়াৰ পাছত দ্যুলোকত গাওঁ আছে। ইয়াত মোক্ষপ্ৰাপ্ত হংসাত্মাসকল সপৰিয়ালে বাস কৰে (পৃথিৱীত ভক্তক ভক্তামা বোলা হয়, তেনেকৈ সত্য লোকত হংসাত্মা বোলা হয়), তৃতীয় ভাগত সৰ্বোপৰি পৰমেশ্বৰৰ সিংহাসন আছে। তাৰ আশে পাশে কেৱল নৰআত্মা সকল থাকে, তাত স্ত্ৰী-পুৰুষ যোৰা নাই। তেওলোকে পৰিয়াল বিচাৰিলে শব্দ (বচন)ৰ দ্বাৰা কেৱল পুত্ৰ উৎপন্ন কৰে। এইদৰে শাশ্বত স্থান অৰ্থাৎ সত্যলোকক পৰমাত্মাই তিনি ভাগ কৰিছে। সত্যলোকৰ প্ৰত্যেক ঠাইত থকা সকলৰ বৃদ্ধাৱস্থা নাই, তাত মৃত্যুও নাই সেই কাৰণে গীতা অধ্যায় ৭ শ্লোক-২৯ত কৈছে যে বৃদ্ধ অৱস্থাৰ পৰা ৰক্ষা পাবলৈ বিচৰাজনে তত্ ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মক জানে। সত্যলোকত সত্যপুৰুষ থাকে, তাত বৃদ্ধাৱস্থা আৰু মৃত্যু নাই, সন্তান ডেকা হোৱাৰ পাছত সদায় ডেকা হৈয়ে ৰয়।

(প্ৰমাণ ঋগবেদ মণ্ডল নং ৯ সুক্ত ৮২ মন্ত্ৰ ১-২)

অসাৰ্বি সোমো অৰুযো বৃষা হৰী ৰাজেৱ দস্মো অভি গা অচিক্ৰন্দত।
পুনানো ৱাৰং পৰ্য়েত্য ৱ্যয়ম শ্যেনো ন য়োনি ঘৃতৱন্তমাসদম।।১।।

অৰ্থ ঃ- (সোম) যিজন সকলোৰে উৎপত্তিকৰ্ত্তা প্ৰভু (অৰুষঃ) প্ৰকাশ স্বৰূপ (বৃষাঃ) সৎগুণৰ বৰ্ষণ কৰা (হৰিঃ) পাপ নাশক, পাপ হৰণ কৰ্তা, তেওঁ (ৰাজেৰ) ৰজাৰ দৰে (দস্মঃ) দৰ্শনীয়, শুৱনি আৰু তেওঁ (গাঃ) পৃথিৱী আদি লোক-লোকান্তৰৰ চাৰিওফালে (অভিঅচিক্ৰদত) শব্দায়মান অৰ্থাৎ শব্দেৰে অৰ্থাৎ ধ্বনিৰে পূৰ হৈ আছে।। তেওঁ (বাৰং) সন্মানৰ যোগ্য পুৰুষক, যি সকল (অব্যয়ম) দৃঢ়ভকত হয় তেওঁলোকক (পুনানঃ) পবিত্ৰ কৰি (পৰ্য্যেতি) সাক্ষাত কৰে। (ন) যেনেকৈ (শ্যেনঃ) বিদ্যুত (ঘৃতবন্তং) স্নেহ দ্ৰব্যযুক্ত (আসদং) স্থানক (য়োনি) আধাৰ কৰি পোৰা যায় তেনেকৈ ওপৰোক্ত গুণসম্পন্ন পৰমাত্মাই (অসাবি) এই ব্ৰহ্মাণ্ডক উৎপন্ন কৰিলে।

*কবিৰ্বেধস্যা পৰ্য়েষি মাহিনমত্যো ন মৃষ্টো অভি ৱাজমৰ্ষসি।*
*অপসেধন্দুৰিতা সোম মৃলয় ঘৃতংৱসানঃ পৰিয়া সি নিৰ্ণিজম।।২।।*

অৰ্থ ঃ- হে পৰমাত্মা (বেধস্যা) উপদেশ দিয়াৰ ইচ্ছাৰে আপুনি (মাহিনং) মহাপুৰুষ সকলক (পৰ্য়েষি) সাক্ষাত কৰে আৰু আপুনি (অত্যঃ) অত্যন্ত গতিশীল পদাৰ্থৰ (ন) দৰে (অভিৱাজং) আমাৰ আধ্যাত্মিক যজ্ঞক (অম্যৰ্ষসি) প্ৰাপ্ত হয়। আপুনি (কবিঃ) সৰ্বজ্ঞ হয়, (মৃষ্টঃ) শুদ্ধ স্বৰূপ হয়, (দুৰিতা) আমাৰ পাপসমূহ (অপসেধন) দূৰ কৰি (সোম) হে সোম! (মৃলয়) আপুনি আমাক সুখ দিয়ক আৰু (ঘৃতংবসানঃ) প্ৰেমভাৱ উৎপন্ন কৰি (নিৰ্ণিজ) পবিত্ৰতা (পৰিয়াসি) উৎপন্ন কৰক। ।।২।।

বিবেচনা ঃ- ওপৰোক্ত অনুবাদ মহৰ্ষি দয়ানন্দৰ তত্ত্বাৱধানত তেওঁৰ শিষ্য সকলে কৰিছে আৰু "সাৰ্বদেশিক আৰ্য্য প্ৰতিনিধি সভা" দিল্লীৰ পৰা প্ৰকাশিত। মন্ত্ৰ ১ত কৈছে "সকলোৰে উৎপত্তিকৰ্তা পৰমাত্মা তেজোময় শৰীৰযুক্ত, পাপনাশক আৰু সুখ বৰ্যনকাৰী হয়, অৰ্থাৎ তেওঁ জাউৰিয়ে জাউৰিয়ে সুখৰ বৰ্যন কৰে, তেওঁ ওপৰত সত্যলোকত সিংহাসনত বহিছে আৰু দেখাত ৰজাৰ দৰে। একেই প্ৰমাণ সূক্ষ্মবেদতো আছে -

*অৰ্শ কুৰ্শ পৰ সফেদ গুমট হৈ ,জহাঁ পৰমেশ্বৰ কা ডেৰা*
*শ্বেত ছত্ৰ শিৰ মুকুট বিৰাজে,দেখত ন উস চেহৰে নু।।*

এই প্ৰমাণ বাইবেল আৰু কোৰাণ শ্বৰীফতো আছে ঃ- পৰমাত্মাই ছয় দিনত সৃষ্টি ৰচনা কৰি সপ্তম দিনা ওপৰ আকাশত গৈ সিংহাসনত বিৰাজমান হ'ল। (বাইবেলৰ উৎপত্তি গ্ৰন্থ ২/২৬-৩০ আৰু কোৰাণ শ্বৰীফৰ সুৰ্ত ফুৰ্কানি-২৫ আয়ত ৫২ ৰ পৰা ৫৯ ত আছে)

সেই পৰমাত্মাই নিজৰ অমৰ লোকৰ পৰা আহি পৃথিৱীত শব্দবাণীৰে জ্ঞান শুনায়। তেওঁ বৰণীয় অৰ্থাৎ আদৰণীয় ব্যক্তিক লগ কৰে। (উদাহৰণ - ১) সন্ত ধৰ্মদাস (বাঁন্ধৱ গঢ়- মধ্যপ্ৰদেশ)ক লগ কৰে ২) সন্ত মলুক দাসক লগ কৰে। ৩) সন্ত দাদু দাস (আজমেৰ -ৰাজস্থান) ক লগ কৰে। ৪) সন্ত নানক দেৱক লগ কৰে। ৫) সন্ত গৰীব দাস (গাওঁ-ছুড়ানী, জিলা-ঝজ্জৰ, হৰিয়ানা) ক লগ কৰে। ৬) সন্ত ঘীসা দাস (গাওঁ খেখড়া, জিলা-বাগপত, উত্তৰপ্ৰদেশ) ক লগ কৰে। ৭) সন্ত জম্ভেশ্বৰ (বিষ্ণোই ধৰ্ম প্ৰৱৰ্ত্তক) ক লগ কৰে। সন্ত জম্ভেশ্বৰ সমৰস্থল গাওঁ- ৰাজস্থানৰ নিবাসী আছিল।

সেই পৰমাত্মাই পবিত্ৰ আত্মাক লগ কৰে, দৃঢ় ভকতৰ প্ৰতি পৰমাত্মাৰ বিশেষ আকৰ্ষণ থাকে। উদাহৰণ দি কৈছে যে বিদ্যুত অৰ্থাৎ আকাশৰ বিজুলী স্নেহযুক্ত স্থানক আধাৰ কৰি পৰে- যেনে কাঁহ ধাতুত বিজুলী পৰে। আগৰ দিনত কাঁহৰ থালী বাটি, গিলাচ ব্যৱহাৰ হৈছিল। বৰষুণ দিলে এইবোৰ কাঁহৰ পাত্ৰ ঘৰৰ ভিতৰত ৰখা হৈছিল। বয়োবৃদ্ধ সকলে কৈছিল যে প্ৰায়েই কাঁহৰ পাত্ৰত বিজুলি পৰে, এইদৰেই পৰমাত্মা নিজৰ প্ৰিয় ভকতৰ প্ৰতি আকৰ্ষিত হয় আৰু লগ কৰে। মন্ত্ৰ নং ২ত এইটোও স্পষ্ট কৰিছে যে পৰমাত্মাই পবিত্ৰ আত্মাক উপদেশ দিয়াৰ ইচ্ছাৰে নিজে আহি মহাপুৰুষ সকলক লগ কৰে। উপদেশৰ অৰ্থ হ'ল পৰমাত্মাই তত্ত্বজ্ঞান ব্যাখ্যা কৰি তেওঁলোকক দীক্ষাও দিয়ে। তেওঁলোকৰ সদগুৰু স্বয়ং পৰমাত্মা হয়। এইটোও স্পষ্ট কৰিছে যে পৰমাত্মা অত্যন্ত গতিশীল পদাৰ্থ অৰ্থাৎ বিজুলীৰ দৰে তীব্ৰগামী হৈ আমাৰ ধাৰ্মিক অনুষ্ঠানত উপস্থিত হয়। আপুনি ইতিমধ্যে পঢ়িছে যে সন্ত ধৰ্মদাসক পৰমাত্মাই কৈছিল যে তেওঁ (পৰমাত্মা) ধাৰ্মিক অনুষ্ঠানত যাবই কাৰণ তেওঁৰ অনুপস্থিতিত কালে যি কোনো উপদ্ৰৱ কৰে ফলত সাধকৰ আস্থা পৰমাত্মাৰ পৰা আঁতৰি যায়। পৰমাত্মাৰ উপস্থিতিত কালে এনে বিঘিনি ঘটাব নোৱাৰে। সেইকাৰণে গীতা অধ্যায় ৩ শ্লোক-১৫ ত কৈছে যে ব্ৰহ্মক উৎপন্ন কৰা সেই অবিনাশী পৰমাত্মা যজ্ঞত সদায় প্ৰতিষ্ঠিত হয় অৰ্থাৎ ধাৰ্মিক অনুষ্ঠানত তেওঁকে ইষ্টদেৱ ৰূপত মানি আৰতি, স্তুতি কৰিব লাগে।

এই ঋগবেদৰ মণ্ডল ৯ সুক্ত ৮২মন্ত্ৰ ২ ত এইটোও স্পষ্ট কৰিছে যে আপুনি অৰ্থাৎ পৰমেশ্বৰ (কবিৰ্বেধস্য) কবিৰ্দেব হয়, সকলোকে উপদেশ দিয়াৰ ইচ্ছাৰে আহে, আপুনিয়ে পবিত্ৰ পৰমাত্মা। হে অমৰ পৰমাত্মা আমাৰ পাপ আঁতৰাই অৰ্থাৎ নাশ কৰি আমাক সুখ দিয়ক আৰু (দ্যুতম ৰসানঃ নিৰ্নিজম পৰিয়সি) আমি আপোনাৰ সন্তান, আমাৰ প্ৰতি বাৎসল্য প্ৰেম ভাৱ উৎপন্ন কৰি সেই (নিৰ্ণিজম) সুন্দৰ ৰূপ (পৰিয়সি) উৎপন্ন কৰক অৰ্থাৎ আমাক নিজৰ সন্তান ভাৰি আগে পিছে যেনেদৰে আপুনি নিজৰ মৰমৰ আত্মাক লগ ধৰিছিল, তেনেদৰে আমাকো দৰ্শন দিয়ক।

(প্ৰমাণ ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৬ ৰ পৰা ২০লৈ)

স্বায়ুধঃ সোতৃভিঃ পূয়মান নোঅভ্যৰ্ষ গুহ্যং চাৰু নাম।
অভিৰাজং সপ্তিৰিৱ শ্ৰৱস্যাভি বায়ুমভি গা দেব সোম।।১৬।।

অৰ্থ ঃ- হে পৰমাত্মা (গুহ্যম) সৰ্বোপৰি ৰহস্য (চাৰু) শ্ৰেষ্ঠ (নাম) তোমাৰ যি সংজ্ঞা হয়(অভ্যৰ্ষ) তাৰ জ্ঞান দিয়ক। আপুনি (সোতৃভি, পূয়মান) উপাসক সকলৰ দ্বাৰা প্ৰসংশিত। (স্বায়ুধঃ) স্বাভাৱিক শক্তিযুক্ত আৰু (সপ্তিৰিৱ) বিদ্যুতৰ সমান (শ্ৰৱস্যাভি) ঐশ্বৰ্যৰ সমুখত প্ৰাপ্ত কৰাওক আৰু (বায়ুমভি) আমাক প্ৰাণ বিদ্যাৰ জ্ঞাতা কৰি তোলক। (দে ৱ) হে সৰ্বশক্তি সম্পন্ন পৰমেশ্বৰ, আমাক (গাঃ) ইন্দ্ৰিয় সমূহৰ (অভিগময়) নিয়ম অনুসৰি নিয়ন্ত্ৰণৰ জ্ঞাতা কৰি তোলক। ।।১৬।।

শিশুং জজ্ঞানং হৰ্য়তং মৃজন্তি শুম্ভন্তি ৱহ্নি মৰুতো গনেন।
কবিৰ্গীৰ্ভিঃ কাব্যেনা কবিঃ সন্ত সোমঃ পবিত্ৰমৰ্ত্যেতি ৰেভন।।১৭।।

অৰ্থ ঃ-(শিশুম) “শ্যতি সুক্ষ্মম কৰোতি প্ৰলয় কালে জগদিতি শিশুঃ পৰমাত্মা” সেই পৰমাত্মাক (জজ্ঞানম) যি জন সদায় বৰ্ত্তমান (হৰ্য়তঃ) যি জন অত্যন্ত, সুন্দৰ, সেইজনক উপাসক সকলে (মৃজন্তি) সমস্ত বুদ্ধিৰে পাবলৈ চেষ্টা কৰে আৰু (শুভন্তি) তেওঁৰ স্তুতিৰ দ্বাৰা তেওঁৰ গুণৰ বৰ্ণনা কৰে আৰু (মৰুতঃ) বিদ্বান সকলে (বহ্নিম) সেই গতিশীল পৰমাত্মাৰ (গণেন) গুণৰ বৰ্ণনা গণৰ দ্বাৰা কৰে আৰু (কবিঃ) কবি সকলে (গীৰ্ভি) বাণীৰ দ্বাৰা আৰু (কাব্যেন) কবিৰ দৰে তেওঁৰ স্তুতি কৰে। (সোম) সোমস্বৰূপ (পবিত্ৰম) সেই পবিত্ৰ পৰমাত্মাই কাৰণ অৱস্থাত অতি সুক্ষ্ম প্ৰকৃতিক (ৰেভন্ সন) উচ্চস্বৰে গৰ্জি (অত্যেতি) অতিক্ৰমণ কৰে।। ১৭।।

ঋকবেদ মণ্ডল ৯ সুক্ত ৯৬ ৰ মন্ত্ৰ ১৬ ত কৈছে যে হে পৰমাত্মা আপুনি নিজৰ শ্ৰেষ্ঠ গুপ্ত নামৰ জ্ঞান আমাক দিয়ক । সেই নাম মন্ত্ৰ ১৭ ত কৈছে, সেই নামটো হ'ল কবিঃ বা কবিৰ্দেব।

মন্ত্ৰ ১৭ কেৱল হিন্দীত ঃ- (শিশুম জজ্ঞানম হৰ্যন্তম) পৰমেশ্বৰ জানি বুজি তত্ত্বজ্ঞান দিয়াৰ উদ্দেশ্যেৰে শিশু ৰূপত প্ৰকট হয়, তেওঁৰ জ্ঞান শুনি (মৰুতো গণেন) ভক্তৰ বিশাল সমুদায় সেই পৰমাত্মাৰ অনুগামী হয় (মৃজন্তি শুম্যন্তি ৰহিন)

বুদ্ধিজীৱী সকলে সেই জ্ঞান বুজি তত্ত্বজ্ঞানৰ আধাৰত সেই পৰমেশ্বৰৰ স্তুতি-ভক্তি কৰে, এনে ভক্তি (ৰহিন) শীঘ্ৰে ফলপ্ৰসু হয়। সেই পৰমাত্মাই নিজৰ তত্ত্বজ্ঞান (কাব্যেনা) কবিত্বৰে অৰ্থাৎ কবিসকলৰ দৰে দুলৰী, শব্দাৱলী, লোকোক্তি, চতুস্পদীৰ দ্বাৰা (কবিৰ গীৰ্ভি) কবিৰ বাণীৰ দ্বাৰা অৰ্থাৎ কবীৰ বাণীৰ দ্বাৰা (পবিত্ৰম অতিৰেভন) বিশুদ্ধ জ্ঞান উচ্চস্বৰে অৰ্থাৎ চিঞৰি চিঞৰি কয়। সেই (কবিঃ) কবিৰ দৰে আচৰণ কৰা কবিৰ্দেব (সন্ত) সন্ত ৰূপত প্ৰকট হোৱা (সোম) অমৰ পৰমেশ্বৰ হয়। (ঋকবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৭) বিশেষ ঃ- এই মন্ত্ৰৰ মূল পাঠত “কবিঃ” শব্দ দুবাৰ আছে, আৰ্য সমাজৰ অনুবাদ কৰ্তা সকলে এটা (কবিঃ) ৰ অৰ্থ এৰাই চলিছে।

*ঋষিমনা য় ঋষিকৃত স্বৰ্যাঃ সহস্ৰণীথঃ পদবীঃ কবী নাম।*
*তৃতীয়ং ধাম মহিষঃ সিষাসন্তসোমো ৱিৰাজমনু ৰাজতি ষ্টুপ।।১৮।।*

অৰ্থ ঃ-(সোমঃ) সোমস্বৰূপ পৰমাত্মা (সিসাসন) পালনৰ ইচ্ছা কৰি (মহিষঃ) যি জন মহান সেই পৰমাত্মা (তৃতীয়ং ধাম) দেবয়ান আৰু পিতৃয়ান এই দুটাৰ পৰা পৃথক তৃতীয় মুক্তি ধাম হয় (বিৰাজম) বিৰাজনাম যি জ্ঞানযোগী আছে তেওঁক (অনুৰাজতি) দীপ্তিমান কৰে আৰু (স্তুপ) প্ৰসংশিত হয়। (কবীনাম পদবী) যি জন সৰ্বজ্ঞ ঈশ্বৰ পদবীত অৰ্থাৎ মুখ্য স্থানত আছে আৰু (সহস্ৰনীথঃ) অনন্তপ্ৰকাৰে প্ৰসংশনীয় হয় (ঋষিমনাঃ) সকলো জ্ঞানৰ সাধনৰূপ মনসদৃশ সেই পৰমাত্মা (য়) যি জন (ঋষিকৃত) সকলো জ্ঞান দিওঁতা (স্বৰ্যাঃ) সূৰ্য আদি সকলোৰে প্ৰকাশক, তেওঁ জিজ্ঞাসু সকলৰ দ্বাৰা উপাসনাৰ যোগ্য হয়।। ১৮।।

বিবেচনা ঃ- ওপৰৰ বেদমন্ত্ৰ অনুবাদো মহৰ্ষি দয়ানন্দৰ অনুগামীসকলে

কৰিছে। এই অনুবাদো যথেষ্ট আসোঁৱাহ পূৰ্ণ। আমি সংস্কৃতো জানো, বিবেচনা কৰি যথাৰ্থ অনুবাদ আৰু ভাৱাৰ্থ স্পষ্ট কৰিম। মন্ত্ৰ ১৭ ত কৈছে যে ঋষি বা সন্তৰূপত প্ৰকট হৈ পৰমাত্মাই নিজ মুখ পদ্মৰ পৰা অমৃতবাণী উচ্চাৰণ কৰে আৰু সেই জ্ঞান বুজি বহুতো অনুগামীসকলৰ সমুদায় অস্তিত্বত আহে। (য়) পৰমাত্মাই তত্ত্বজ্ঞানৰ যি বাণী শুনায়, সেই (ঋষিকৃত) ঋষি ৰূপত প্ৰকট পৰমাত্মাই কৰা (সহস্ৰনীথঃ) হাজাৰ-হাজাৰ বাণী অৰ্থাৎ কবীৰ বাণীবোৰ (ঋষিমনা) ঋষি স্বভাৱৰ ভক্তৰ বাবে (স্বৰ্যাঃ) আনন্দদায়ক হয়। (কবীনাম পদবীঃ) কবিৰ দৰে দুলৰী, চতুস্পদীত নিজৰ বাণী কোৱা বাবে সেই পৰমাত্মাই এজন প্ৰসিদ্ধ কবিৰ পদবী লাভ কৰে। সেই (সোম) অমৰ পৰমাত্মা (সিষাসন) সকলোকে পালন কৰাৰ ইচ্ছা কৰি প্ৰথম স্থিতিত (মহিষঃ) বিশাল পৃথিৱী অৰ্থাৎ ওপৰৰ লোকৰ (তৃতীয়ম ধাম) তৃতীয় ধাম অৰ্থাৎ সত্যলোকৰ তৃতীয় পৃষ্ঠত (অনুৰাজতি) তেজোময় শৰীৰত (স্তুপ) গম্বুজত (বিৰাজম) বিৰাজমান আছে, তাত বহিছে। এই প্ৰমাণ ঋকবেদ মণ্ডল ৯ সুক্ত ৫৪ মন্ত্ৰ ৩ ত আছে যে পৰামাত্মা সকলো লোকৰ ওপৰৰ লোকত বিৰাজমান আাছে (তিষ্ঠন্তি) বহিছে।

*চমৃষচ্ছয়েনঃশকুনো বিভৃত্বা গোবিন্দুদ্ৰপ্স আয়ুধানি বিভ্ৰত।*
*অপামুৰ্ভি সচমানঃ সমুদ্ৰং তুৰীয়ম ধাম মহিষো ৱিৰক্তি।।১৯।।*

অৰ্থ ঃ- (অপামুৰ্ভিম) প্ৰকৃতিৰ সূক্ষ্মাতিসূক্ষ্ম শক্তিৰ লগত (সচমানঃ) যি জন যুক্ত আৰু (সমুদ্ৰম) "সম্যক দ্ৰৱন্তি ভূতানি য়স্মাৎ স সমুদ্ৰঃ" যাৰ দ্বাৰা সকলো প্ৰণীৰ উৎপত্তি, স্থিতি আৰু প্ৰলয় হয় সেইজন (তুৰীয়ম) চতুৰ্থ (ধাম) পৰম্পদ পৰমাত্মা হয়। তেওঁ (মহিষঃ) "মহ্যতে ইতি মহিষঃ মহিষ ইতি মহান্নামসু পঠিতম নি.০৩-১৩। মহাপুৰুষে ওপৰোক্ত চতুৰ্থ পৰমাত্মাৰ (ৱিৰক্তি) বৰ্ণনা কৰে। সেই পৰমাত্মা (চমুসত) যি জন প্ৰতিটো শক্তিত আছে (শ্যেনঃ) সৰ্বোপৰি প্ৰসংশনীয় হয় আৰু (শকুনঃ) সৰ্বশক্তিমান হয়। (গোবিন্দু) যজমানক সন্তুষ্ট কৰি (দ্ৰপ্সঃ) যি জন শীঘ্ৰগতি সম্পন্ন (আয়ুধানি, বিভ্ৰত) অনন্ত শক্তি ধাৰণ কৰা সেইজন সম্পূৰ্ণ সংসাৰৰ উৎপত্তিকৰ্তা হয়।।১৯।।

বিবেচনা ঃ— ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ-১৯ ৰ অনুবাদো আৰ্য সমাজৰ বিদ্বান সকলে কৰিছে। ইয়াতো বহুত ভুল আছে। আমি ইয়াত মাত্ৰ নিজৰ প্ৰয়োজনীয় খিনিহে আলোচনা কৰিম যাতে এই পুথি বেছি ডাঙৰ নহয়।

এই মন্ত্ৰত চতুৰ্থ ধামৰ বৰ্ণনা আছে যাৰ বিষয়ে আপোনালোকে এই পুথিৰ সৃষ্টি ৰছনা খণ্ডত বহলকৈ জানিব পাৰিব।

পৰমাত্মাই ওপৰৰ চাৰিটা লোক অজৰ অমৰ কৰি ৰচনা কৰিছে ঃ-১) অনামী লোক, যি সকলোতকৈ ওপৰত অৱস্থিত আছে। ২) অগমলোক, ৩) অলখলোক, ৪) সত্যলোক।

আমি পৃথিৱী লোকত আছো, ইয়াৰ পৰা ওপৰৰ লোক বিলাক গণনা কৰিলে ক্ৰমে ১) সত্যলোক ২) অলখলোক ৩) অগমলোক আৰু ৪) অনামী লোক

হিচাবে গণনা কৰা হয়। সেই চতুৰ্থ ধামত বহি পৰমাত্মাই সকলো ব্ৰহ্মাণ্ডৰ আৰু লোক সমূহৰ ৰচনা কৰিলে। বাকী ৰচনা সত্যলোকত বহি কৰিছিল। আৰ্যসমাজৰ অনুবাদক সকলে তুৰীয় পৰমাত্মা অৰ্থাৎ চতুৰ্থ পৰমাত্মাৰ বৰ্ণনা কৰিছে। এইটো চতুৰ্থ ধাম। মূল পাঠৰ মন্ত্ৰ ১৯ ৰ ভাৱাৰ্থ হ'ল তত্ত্বদৰ্শী সন্তই চতুৰ্থ ধাম আৰু চতুৰ্থ পৰমাত্মাৰ (ৱিৰক্তি) বেলেগ-বেলেগ বৰ্ণনা কৰে। পাঠক সকলে অনুগ্ৰহ কৰি এই পুথিত সন্নিবিষ্ট "সৃষ্টি" ৰচনা পঢ়িলে গম পাব যে লেখক (সন্ত ৰামপাল দাস) সেইজন তত্ত্বদৰ্শী সন্ত হয় যি জন তত্বজ্ঞানৰ লগত পৰিচিত।

*মৰ্য়ো ন শুভ্ৰস্তন্ব মৃজানোঅত্যো ন সৃত্বা সনয়ে ধনানাম।*
*বৃৰ্ষেৱ য়ুথা পৰি কোশমৰ্ষনকনিক্ৰদচ্চম্বোঅৰা ৱিৰেশ।।২০।।*

অৰ্থ ঃ- সেই পৰমাত্মা (য়ুথা, বৃষেৱ) এটা সংঘৰ সেনাপতিৰ দৰে (কোশম) এই ব্ৰহ্মাণ্ডৰূপী কোশত (অৰ্ষন) আহি (কনিক্ৰদত) উচ্চস্বৰে গৰ্জি (চম্বো) এই ব্ৰহ্মাণ্ডৰূপী বিশাল প্ৰকৃতি খণ্ডত (পৰ্য়াৱিৰেশ) ভালদৰে প্ৰবেশ কৰে আৰু (ন) যি দৰে (মৰ্য়ঃ) মানুহে (শুভ্ৰস্তন্ব, মৃজানঃ) শুভ্ৰ শৰীৰ ধাৰণ কৰি (অত্যোন) অত্যন্ত গতিশীল পদাৰ্থৰ দৰে (সনয়ে) প্ৰাপ্তিৰ বাবে (সৃত্বা) গতিশীল হৈ (ধনানাম) ধনপ্ৰাপ্তিৰ বাবে প্ৰাণপনে চেষ্টা কৰে, সেইদৰে প্ৰকৃতিৰূপী ঐশ্চৰ্যক ধাৰণ কৰিবলৈ পৰমাত্মা সদায় উদ্যত থাকে।।২০।।

বিবেচনা ঃ- ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ২০ ৰ যথাৰ্থ জ্ঞান বিবেচনা কৰা হব- এই মন্ত্ৰৰ ওপৰোক্ত অনুবাদ মহৰ্ষি দয়ানন্দৰ শিষ্যসকলৰ দ্বাৰা কৰা হৈছে। তেওঁলোকৰ মতে পৰমাত্মা নিৰাকাৰ কাৰণ মহৰ্ষি দয়ানন্দই দৃঢ়তাৰে কৈছিল যে পৰমাত্মা নিৰাকাৰ হয়। সেই কাৰণে অনুবাদকে সৰল মন্ত্ৰৰ অনুবাদ আওপকীয়াকৈ কৰিছে। মূল পাঠত লিখা আছে-

*মৰ্য় ন শুভ্ৰঃ তন্বা মৃজানঃ অত্যঃ ন সৃত্বা সনয়ে ধনানাম।*
*বৃৰ্ষেব য়ুথা পৰি কোশম অৰ্ষন কনিক্ৰদত চম্বোঃ আবিবেশ।।*

অনুবাদ ঃ- (ন) যেনেদৰে (মৰ্য়ঃ) মানুহে সুন্দৰ কাপোৰ পিন্ধে, সেইদৰে পৰমাত্মা (শুভ্ৰঃতন্ব) সুন্দৰ শৰীৰ (মৃজানঃ) ধাৰণ কৰি (অত্যঃ) অতিবেগেৰে গতি কৰি (সনয়ে ধনানাম) ভক্তিধনৰ গৰাকী অৰ্থাৎ পুন্যআত্মা সকলক (সনয়ে) লগ কৰিবলৈ আহে। (য়ুথা বৃষেব) দল এটাই দলপতি বাছি লোৱাৰ দৰে সেই পৰমাত্মা সন্ত বা ঋষি ৰূপত প্ৰকট হ'লে তেওঁৰ বহু সংখ্যক অনুগামী হয় আৰু পৰমাত্মা গুৰু ৰূপত তেওঁলোকৰ মুখিয়াল হয়। সেই পৰমাত্মা (কোশম) অৰ্থাৎ (পৰিকোশম) প্ৰথম ব্ৰহ্মাণ্ডত (অৰ্ষন) আহি (কনিক্ৰদত) উচ্চস্বৰত সত্যজ্ঞান উচ্চাৰণ কৰি (চম্বোঃ) পৃথিৱীখণ্ডত (অবিবেশ) প্ৰবেশ কৰে।

ভাবাৰ্থ ঃ- ওপৰৰ বেদ মন্ত্ৰবোৰত কোৱাৰ দৰে পৰমাত্মা ওপৰৰ লোকত থাকে, তাৰ পৰা প্ৰস্থান কৰি পৃথিৱীত আহে, নিজৰ ৰূপ অৰ্থাৎ শৰীৰৰ আভা সৰল কৰি আহে। ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ২০ তো তাৰ সমৰ্থন কৰা হৈছে। ইয়াত কোৱা হৈছে যে পৰমাত্মা এনেদৰে অন্য শৰীৰ ধাৰণ কৰি পৃথিৱীত

আহে যেনেকৈ মানুহে কাপোৰ পিন্ধে আৰু (ধনানম) দৃঢ় ভক্তসকলক ভাল পুন্যাত্মাসকলক প্ৰাপ্ত হয়, তেওঁলোকক বাণী উচ্চাৰন কৰি তত্ত্বজ্ঞান শুনায়।

বিবেচনা ঃ- ওপৰত ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ ৰ মন্ত্ৰ ১৬ ৰ পৰা ২০ ৰ প্ৰতিলিপি দিয়া হৈছে যাৰ হিন্দী অনুবাদ আৰ্য সমাজৰ প্ৰবৰ্ত্তক মহৰ্ষি দয়ানন্দ সৰস্বতীৰ তত্ত্বাৱধানত তেওঁৰ আৰ্য সমাজৰ অনুগামীসকলে কৰিছে। এই অনুবাদ শুদ্ধ কম, ভুল বেছি হৈছে। প্ৰথমতে যি খিনি বেছিভাগ শুদ্ধ বা অলপ ভুল আছিল সেয়া মোৰ দ্বাৰা শুদ্ধ কৰি বিবেচনাত লিখা আছে। এতিয়া বেছি ভুল হোৱা খিনি শুদ্ধকৈ লিখিম।

ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৬ ত কৈছে -

"হে পৰমাত্মা আপোনাৰ যি গুপ্ত বাস্তৱিক (চাৰু) শ্ৰেষ্ঠ (নাম) নাম আছে, তাৰ জ্ঞান কৰাওক" প্ৰিয় পাঠক বৃন্দ, উদাহৰণস্বৰূপে ভাৰতৰ ৰজাক প্ৰধানমন্ত্ৰী কয়, প্ৰধানমন্ত্ৰী হ'ল পদবীৰ প্ৰতীক, নাম। তেওঁৰ প্ৰকৃত নাম বেলেগ। যেনে পণ্ডিত জৱাহৰলাল নেহৰু প্ৰথম প্ৰধান মন্ত্ৰী আছিল। "জৱাহৰলাল" তেওঁৰ প্ৰকৃত নাম। এই মন্ত্ৰত কৈছে - হে পৰমাত্মা, আপোনাৰ যি প্ৰকৃত নাম সেয়া (সোতৃভি) উপাসনা কৰিবৰ বাবে হয়, (স্ব আয়ুধঃ) স্বয়ং চালিত অস্ত্ৰৰ দৰে (পূয়মানঃ) অজ্ঞান ৰূপী লেতেৰাক নাশ কৰা বাবে ই পাপ নাশক হয়। আপুনি নিজৰ সেই সত্য মন্ত্ৰৰ জ্ঞান আমাক কৰাওক। (দেৱসোম) হে অমৰ পৰমেশ্বৰ, আপোনাৰ সেই মন্ত্ৰ শ্বাসৰ দ্বাৰা নাক আদি (গাঃ) ইন্দ্ৰিয় সমূহেৰে (বাসুম অভি) উশাহ নিশাহ লৈ জপ কৰিলে (সপ্তিৰিৰ-সপ্তিঃ ইৰ) বিদ্যুত গতিৰে অৰ্থাৎ শীঘ্ৰে (অভিৱাজং)ভক্তিধনেৰে পৰিপূৰ্ণ কৰি (শ্ৰৱস্যামী) ঐশ্চৰ্য আৰু মোক্ষপ্ৰাপ্ত কৰাওক"।

প্ৰিয় পাঠকৰ প্ৰতি নিবেদন এই যে ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৬ ৰ অনুবাদত বহুত ভুল আছিল। যাক শুদ্ধ কৰা হ'ল।প্ৰমাণৰ বাবে মূল পাঠত "অভিৱাজং" শব্দ আছে যাৰ অনুবাদ কৰা নাই। তাৰ ঠাইত "অভিগময়" শব্দৰ অৰ্থ দিয়া আছে যিটো মূল পাঠত নাই।

বিবেচনা ঃ- আৰ্যসমাজৰ লোকে কৰা ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৭ৰ অনুবাদতো বহুত ভুল আছে। এতিয়া শুদ্ধকৈ লিখিম।

ইতিমধ্যে কোৱাৰ দৰে ঋগবেদ মণ্ডল ৯ সুক্ত ৮৬ মন্ত্ৰ ৮২ৰ মন্ত্ৰত প্ৰমাণ আছে যে পৰমাত্মা দ্যুলোকৰ তৃতীয় স্থানত অৱস্থিত নিজৰ শাশ্বত স্থানত বিৰাজ মান আছে, তাৰ পৰা স্ব-ইচ্ছাই বিশেষ উদ্দেশ্য লৈ পৃথিৱীত আহি প্ৰকট হয়। পৰমাত্মাই সকলো ব্ৰহ্মাণ্ডৰ প্ৰাণীসকলৰ প্ৰতিপালন তিনি প্ৰকাৰে কৰে।

১) পৰমাত্মা ওপৰৰ সত্যলোক অৰ্থাৎ অবিনাশী ধামত সিংহাসনত বহি সকলো ব্ৰহ্মাণ্ড পৰিচালনা কৰে।

২) যেতিয়াই ইচ্ছা কৰে সাধু-সন্তৰ ৰূপত নিজৰ শৰীৰৰ তেজ সৰল কৰি পবিত্ৰ আত্মাক লগ কৰে।

৩) প্ৰত্যেক যুগত কোনো জলাশয়ত ফুলি থকা পদুমফুলৰ ওপৰত পানী কেঁচুৱাৰ ৰূপত প্ৰকট হয়, তাৰ পৰা সন্তানহীন দম্পতিয়ে নিজৰ ঘৰলৈ লৈ যায়। ল'ৰা কালৰ পৰাই সেই পৰমাত্মাই নিজৰ প্ৰকৃত ভক্তি জ্ঞান অৰ্থাৎ তত্ত্বজ্ঞান দুলৰী, চতুস্পদী, কবিতা আদিৰ ৰূপত শুনায়। উদাহৰণস্বৰূপে ১৩৯৮ চনত (বিক্ৰম সম্বত ১৪৫৫ ) পৰমাত্মা নিজৰ স্থানৰ পৰা আহি ভাৰতৰ কাশী চহৰৰ পাৰ্শ্ববৰ্তী লহৰতাৰা জলাশয়ত পদুম ফুলৰ ওপৰত শিশুৰূপ ধাৰণ কৰি প্ৰকট হৈছিল। তাৰ পৰা নীৰু-নীমা নামৰ তাঁতী দম্পতিয়ে নিজৰ ঘৰত লৈ গৈছিল, লাহে লাহে পৰমাত্মা ডাঙৰ হ'ল, কবীৰ বাণী উচ্চাৰণ কৰি জ্ঞান শুনোৱা আৰম্ভ কৰিলে। প্ৰমাণ ঋগবেদ মণ্ডল ৯ সুক্ত ১ মন্ত্ৰ ৯ ত আছে যিটো আৰ্য সমাজৰ আচাৰ্যসকলৰ দ্বাৰা অনুবাদিত। তাতো কিছু ভুল আছে, বেছি ভুল নাই। অনুগ্ৰহ কৰি ঋগবেদ মণ্ডল ৯ সুক্ত ১ মন্ত্ৰ ৯ ৰ প্ৰতিলিপি পঢ়ক।

অভীইমমধন্যা উত শ্ৰীণন্তি ধেনবঃ শিশুম।
সোমমিন্দ্ৰায় পাতৱে।।৯।।

অৰ্থ ঃ- (ইমম) সেই (সোম) শান্ত স্বভাৱৰ শ্ৰদ্ধাৱান পুৰুষক (শিশুং) বাল্যকালতে (অভি) সকলোপ্ৰকাৰে (অধন্যাঃ) অহিংসক (ধেনৱেঃ) গাই গৰুৱে (শ্ৰীণন্তি) তৃপ্ত কৰে (ইন্দ্ৰায়) ঐশ্চৰ্যৰ (পাতৱে) বৃদ্ধি কৰিবলৈ। (উত) অথবা উক্ত শ্ৰদ্ধাৱান পুৰুষক অহিংসক বাণীয়ে ঐশ্বৰ্য প্ৰাপ্তিৰ বাবে পবিত্ৰ কৰে।।৯।।

বিবেচনা ঃ- এই প্ৰতিলিপি ঋগবেদ মণ্ডল ৯ সুক্ত ১ মন্ত্ৰ ৯ ৰ হয়। ইয়াত স্পষ্ট আছে যে (সোম) অমৰ পৰমাত্মা শিশুৰূপত প্ৰকট হওঁতে তাৰ প্ৰতিপালনৰ লীলা চেউৰী গাই গৰু (অভিঅধন্যাঃ ধেনুৱঃ) ৰ দ্বাৰা হয়। এই প্ৰমাণ "কবীৰ সাগৰ" ৰ "জ্ঞান প্ৰকাশ" অধ্যায়ত আছে যে যি জন পৰমেশ্বৰ কবীৰদেৱক নীৰু-নীমাই ঘৰত লৈ গৈছিল সেই শিশুৰূপধাৰী পৰমাত্মাই অন্ন নাখালে আৰু গাখীৰো নাখালে। তেতিয়া স্বামী ৰামানন্দদেৱৰ কথামতে নীৰুয়ে এজনী চেউৰী গাই গৰু আনিলে, চেউৰীজনীয়ে লগে লগে গাখীৰ দিলে। সেই চেউৰীজনীৰ গাখীৰেৰে পৰমেশ্বৰৰ প্ৰতিপালনৰ লীলা হৈছিল। "কবীৰ সাগৰ" প্ৰায় ৬০০ বছৰ আগতে লিখা হৈছিল।

ঋগবেদ মণ্ডল ৯ সুক্ত ১ মন্ত্ৰ ৯ ৰ অনুবাদত কিছু ভুল কৰিছে। যেনে- (অভিঅধন্যা)ৰ অৰ্থ অহিংসক কৰাটো ভুল হৈছে। লেখকৰ জন্ম হয় ধনানা গাঁৱত, জিলা-ৰোহতক (বৰ্তমান সোনীপত) হৰিয়ানাত। তাত গৰ্ভ ধাৰণ নকৰা গাই গৰু থাকিলে কোৱা হয় যে গাইজনী "ধনাই নহয়"- এয়া সেই ক্ষেত্ৰত প্ৰচলিত অপভ্ৰংশ শব্দ। এজনী গাইৰ বাবে "অধি" শব্দ ব্যৱহাৰ হয়, বহুবচনত "অধন্যা" হয়। "অধন্যা"ৰ অৰ্থ "ধনাই নোহোৱা" অৰ্থাৎ পাল নোখোৱা গাই-গৰু আৰু "অভিধন্যা" ৰ অৰ্থ হ'ল একেবাৰে ষাড় গৰুৱে স্পৰ্শ নকৰা অৰ্থাৎ কুমাৰী গাই অৰ্থাৎ চেউৰী পোৱালি।

এতিয়া ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৭ৰ শুদ্ধ অনুবাদ কৰিম ঃ- (শিশুম

জজ্ঞানম হৰ্য়ন্তম) পৰমেশ্বৰ জানি শুনি তত্বজ্ঞান কোৱাৰ উদ্দেশ্যৰে শিশুৰূপত প্ৰকট হয়, তেওঁৰ জ্ঞান শুনি (মৰুতো গনেন) ভকতৰ বহুত ডাঙৰ সমুদায় সেই পৰমাত্মাৰ অনুগামী হয় (মৃজন্তি শুম্যন্তি ৰহিন)।

এই জ্ঞান বুদ্ধিজীৱি সকলে বুজি পায়, তেওঁলোকে তত্ত্বজ্ঞানৰ আধাৰত সেই পৰমেশ্বৰৰ স্তুতি-ভক্তি কৰে, এই ভক্তি (ৰহিন) শীঘ্ৰে লাভজনক। সেই পৰমাত্মাই নিজৰ তত্ত্বজ্ঞান (কাব্যেনা) কবিৰ সৃজনী শক্তিৰে অৰ্থাৎ কবিৰ দৰে দোহা, দুলৰী, চতুস্পদী আদিৰ দ্বাৰা (কবিৰগীৰ্ভিঃ) কবিৰ বাণীৰ দ্বাৰা অৰ্থাৎ কবিৰ বাণীৰ দ্বাৰা (পবিত্ৰম অতিৰেভন) উচ্চস্বৰে চিঞৰি-চিঞৰি শুদ্ধ জ্ঞান কয়। সেই (কবিঃ) কবিৰ দৰে আচৰণ কৰা কবিৰদেৱ (সন্ত) সন্ত ৰূপত অহা (সোম) অমৰ পৰমাত্মা হয় (ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৭)।

বিশেষ ঃ- এই মন্ত্ৰৰ মূল পাঠত"কবিঃ" শব্দ দুঠাইত আছে, আৰ্য সমাজৰ অনুবাদ কৰ্তাসকলে এটা (কবিঃ) ৰ অৰ্থ কৰাই নাই।

বিবেচনা ঃ- ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৮ৰ বিবেচনা আগবঢ়াইছো। ইয়াৰ অনুবাদতো বহুত ভুল আছে, আমি সংস্কৃত বুজি পাওঁ। এতিয়া বিবেচনা কৰি যথাৰ্থ অনুবাদ আৰু ভাৱাৰ্থ স্পষ্ট কৰিম। মন্ত্ৰ ১৭ত কৈছে যে ঋষি বা সন্ত ৰূপত প্ৰকট হৈ পৰমাত্মাই নিজমুখ কমলৰ পৰা অমৃতবাণী কয় আৰু সেই জ্ঞান বুজি বহুতো অনুগামীৰ সমূহ অস্তিত্বত আহে। (য়) যি বাণী পৰমাত্মাই তত্ত্বজ্ঞানত শুনায়, সেই (ঋষিকৃত) ঋষি-ৰূপত প্ৰকট হোৱা পৰমাত্মা কৃত (সহস্ৰণীথঃ) হাজাৰ-হাজাৰ বাণী অৰ্থাৎ কবীৰ বাণীবোৰ (ঋষিমনা) ঋষি স্বভাৱৰ ভকতৰ বাবে (স্বৰ্ষাঃ) আনন্দদায়ক হয়। (কবিনাম পদবীঃ) কবিৰ সৃজনী শক্তিৰে দুলৰী, চতুস্পদীত বাণী কোৱা বাবে সেই পৰমাত্মাই এজন প্ৰসিদ্ধ কবিৰ স্থান প্ৰাপ্ত কৰে। সেই (সোম) অমৰ পৰমাত্মা (সিষাসন) সকলোৰে প্ৰতিপালনৰ ইচ্ছাৰে প্ৰথম অৰস্থাত (মহিষঃ) বিশাল পৃথিৱী অৰ্থাৎ ওপৰৰ লোকত (তৃতীয়ধাম) তৃতীয়ধাম অৰ্থাৎ সত্যলোকৰ তৃতীয় ভাগত (অনুৰাজিত) তেজোময় শৰীৰত (স্তুপ) গম্বুজত (বিৰাজম) বিৰাজমান আছে, তাত বহিছে। এই প্ৰমাণ ঋগবেদ মণ্ডল ৯ সুক্ত ৫৪ মন্ত্ৰ ৩ ত আছে যে পৰমাত্মা সকলো লোকৰ ওপৰৰ লোকত বিৰাজমান আছে (তিষ্ঠন্তি) বহিছে।

বিবেচনা ঃ-আৰ্য সমাজৰ বিদ্বান সকলে কৰা ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৯ ৰ অনুবাদতো যথেষ্ট ভুল আছে। এই পুথিখন ডাঙৰ নকৰিবৰ বাবে মাত্ৰ নিজৰ প্ৰয়োজনীয় খিনিহে বিচাৰ কৰিম। এই মন্ত্ৰত চতুৰ্থ ধামৰ বৰ্ণনা আছে। সৃষ্টি ৰচনাত তাৰ বিষয়ে পঢ়ি সম্পূৰ্ণ কথা জানিব পাৰিব।

পৰমাত্মাই ওপৰৰ চাৰিটা লোক অজৰ-অমৰ কৰি ৰচনা কৰিছে -

১) অনামীলোক - সকলোতকৈ ওপৰত আছে, ২) অগমলোক, ৩)অলখলোক, ৪) সত্যলোক।

আমি পৃথিৱী লোকত আছোঁ, ইয়াৰ পৰা ওপৰৰ লোক বিলাক গণনা

কৰিলে ক্ৰমে ১) সত্যলোক ২) অলখলোক ৩) অগমলোক ৪) অনামীলোক হিচাবে গণনা কৰা হয়। সেই চতুৰ্থ ধামত বহি পৰমাত্মাই সকলো ব্ৰহ্মাণ্ডৰ আৰু লোকসমূহৰ ৰচনা কৰিলে। বাকী ৰচনা সত্যলোকত বহি কৰিছিল। আৰ্যসমাজৰ অনুবাদক সকলে তুৰীয় পৰমাত্মা অৰ্থাৎ চতুৰ্থ পৰমাত্মাৰ বৰ্ণনা কৰিছে। এইটো চতুৰ্থ ধাম। মূল পাঠৰ মন্ত্ৰ ১৯ ৰ ভাবাৰ্থ হ'ল তত্ত্বদৰ্শী সন্তই চতুৰ্থ ধাম আৰু চতুৰ্থ পৰমাত্মাৰ (ৰিৰক্তি) বেলেগ বেলেগ বৰ্ণনা কৰে। পাঠক সকলে অনুগ্ৰহ কৰি এই পুথিত সন্নিবিষ্ট "সৃষ্টি ৰচনা" পঢ়িলে গম পাব যে লেখক (সন্ত ৰামপাল দাস) সেইজন তত্ত্বদৰ্শী সন্ত হয় যি জন তত্ত্বজ্ঞানৰ লগত পৰিচিত।

বিবেচনা ঃ- ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ-২০ ৰ যথাৰ্থতা জানি লওঁ - এই মন্ত্ৰৰ অনুবাদ মহৰ্ষি দয়ানন্দৰ শিষ্যসকলে কৰিছে। এওঁলোকৰ দৃষ্টিকোণ হ'ল পৰমাত্মা নিৰাকাৰ কাৰণ মহৰ্ষি দয়ানন্দই দৃঢ়তাৰে কৈছিল যে পৰমাত্মা নিৰাকাৰ। সেইকাৰণে অনুবাদকে সৰল মন্ত্ৰৰ অনুবাদ আওপকীয়াকৈ কৰিছে। মূল পাঠত লিখা আছে -

মৰ্য় ন শুভ্ৰঃ তন্বা মৃজানঃ অত্যঃ ন সৃত্বা সনয়ে ধনানাম।
বৃযেব য়ুথা পৰি কোশম অৰ্যন কনিক্ৰদত চম্বোঃ আৱিৰেশ।।

অনুবাদ ঃ- (মৰ্য়ঃ) মানুহে (ন) যেনেকৈ সুন্দৰ কাপোৰ পিন্ধে, তেনেকৈ পৰমাত্মাই (শুভ্ৰঃ তন্ব) সুন্দৰ শৰীৰ (মৃজান) ধাৰণ কৰি (অত্যঃ) অত্যন্ত বেগেৰে (সৃত্বা) আহি (ধনানাম) ভক্তিধনৰ ধনী অৰ্থাৎ পুণ্যআত্মা সকলক (সনয়ে)লগ পাবলৈ আহে (য়ুথা বৃযেব) দল এটাই দলপতি বাছি লোৱাৰ দৰে সেই পৰমাত্মা ঋষি বা সন্ত ৰূপত প্ৰকট হ'লে তেওঁৰ অনুগামী বহু সংখ্যাত হয় আৰু পৰমাত্মা গুৰু ৰূপত তেওঁলোকৰ মুখিয়াল হয়। সেই পৰমাত্মা (পৰিকোশম) প্ৰথম ব্ৰহ্মাণ্ডত (অৰ্যন) আহি (কনিক্ৰদত) উচ্চস্বৰত সত্যজ্ঞান উচ্চাৰণ কৰি (চম্বোঃ) পৃথিৱীখণ্ডত (অবিবেশ) প্ৰবেশ কৰে।

ভাৱাৰ্থ ঃ- ওপৰৰ বেদ মন্ত্ৰবোৰত কোৱাৰ দৰে পৰমাত্মা ওপৰ লোকত থাকে, তাৰ পৰা গতি কৰি পৃথিৱীত আহে , নিজৰ ৰূপ অৰ্থাৎ শৰীৰৰ তেজ সৰল কৰি আহে। ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ২০ তো তাৰ সমৰ্থন কৰা হৈছে। ইয়াত কোৱা হৈছে যে পৰমাত্মা এনেদৰে অন্য শৰীৰ ধাৰণ কৰি পৃথিৱীত আহে যেনেকৈ মানুহে কাপোৰ পিন্ধে আৰু (ধনানাম) দৃঢ় ভক্তসকলক, ভাল পুণ্যাত্মাসকলক প্ৰাপ্ত হয়, তেওঁলোকক বাণী উচ্চাৰণ কৰি তত্ত্বজ্ঞান শুনায়।

(প্ৰমাণ ঋগবেদ মণ্ডল ৯ সুক্ত ৯৫ মন্ত্ৰ ২)

*হৰিঃ সৃজানঃ পথ্যামৃতস্বেয়ৰ্তি ৱাচম্ৰিতেৰ নাৱম।*
*দেৱো দেৱানাং গুহ্যানি নামাৱিস্কৃণোতি বৰ্হিৰ্ষি প্ৰৱাচে।।২।।*

অৰ্থ ঃ- (হৰিঃ) সেই পূৰ্বোক্ত পৰমাত্মা (সৃজানঃ) সাক্ষাতকাৰৰ বাবে আহি (ঋতস্য পথ্যাং) বাক্যৰ দ্বাৰা মুক্তি পথৰ (ইয়তি) প্ৰেৰণা দিয়ে (অৰিতেৰ নাৱম) যেনেদৰে নাও চপাবৰ সময়ত নাৱৰীয়াই প্ৰেৰণা দিয়ে আৰু (দেবান দেবাঃ) সকলো দেৱতাৰো দেৱতাই (গুহ্যানি) গুপ্ত (নামাৱিস্কৃণোতি) সংজ্ঞাৰ আৱিষ্কাৰ

কৰে (বহৰ্ষি প্ৰৱাচে) বাণীৰূপ যজ্ঞৰ বাবে।।২।। ঋগবেদ মণ্ডল ৯ সুক্ত ৯৫ মন্ত্ৰ ২ ৰ অনুবাদ মহৰ্ষি দয়ানন্দৰ শিষ্যসকলে বৰ ভালকৈ কৰিছে।

ইয়াৰ ভাবাৰ্থ হ'ল পূৰ্বোক্ত পৰমাত্মা অৰ্থাৎ যি পৰমাত্মাৰ বিষয়ে ওপৰত আগৰ মন্ত্ৰ কেইটাত কোৱা হৈছে, তেওঁ (সৃজানঃ) নিজৰ শৰীৰ ধাৰণ কৰি (ঋতস্য পথ্যাং) সত্যভক্তিৰ মাৰ্গ অৰ্থাৎ যথাৰ্থ আধ্যাত্মিক জ্ঞান নিজৰ অমৃতময়ী বাক অৰ্থাৎ বাণীৰ দ্বাৰা দি মুক্তি পথৰ প্ৰেৰণা কৰে।

এই মন্ত্ৰ এনেকুৱা, যেনেকৈ (অৰিতেব নাৱম) নাৱিকে নাওত বহুৱাই পাৰ কৰি দিয়ে তেনেদৰে পৰমাত্মাই সত্যভক্তি পথৰূপী নাওৰ দ্বাৰা সাধকক সংসাৰ ৰূপী নদী পাৰ কৰি দিয়ে। সেই (দেবানাম দেবঃ) সকলো দেৱতাৰো দেৱতা অৰ্থাৎ সকলো প্ৰভুৰো প্ৰভু পৰমেশ্বৰে (বৰ্হিষি প্ৰৱাচে) বাণী ৰূপী জ্ঞান যজ্ঞৰ বাবে(গুহ্যানি) গুপ্ত (নামা আৱিস্কৃণোতি) নামবোৰ আবিষ্কাৰ কৰে অৰ্থাৎ উদাহৰণস্বৰূপে গীতা অধ্যায় ১৭ শ্লোক-২৩ ৰ "ওঁ তত্ সত্" তিনিটা মন্ত্ৰৰ পৰা তত্ আৰু সত্ গুপ্ত মন্ত্ৰ হয় আৰু এই গুপ্ত মন্ত্ৰ দুটা সেই পৰমেশ্বৰে মোক (সন্ত ৰামপাল দাস) কৈছে, তাৰ দ্বাৰাহে পূৰ্ণ মোক্ষ সম্ভৱ হয়। সুক্ষ্ম বেদত পৰমেশ্বৰে কৈছে -

*"সোহং সব্দ হম জগ মে লায়ে,সাৰশব্দ হব গুপ্ত ছিপাএ।*

ভাৱাৰ্থ ঃ- পৰমেশ্বৰে নিজেই "সোহং" শব্দ ভক্তিৰ বাবে কৈছে। এই সোহং মন্ত্ৰ কোনো প্ৰাচীন গন্থ (বেদ, গীতা, কোৰান, পুৰাণ আৰু বাইবেল) ত নাই । আকৌ সূক্ষ্ম বেদত কৈছে -

*সোহং উপৰ ঔৰ হৈ ,সত্য সুকৃত এক নাম।*
*সব হংসো কা জহাঁ বাস হৈ, বস্তী হৈ বিন ঠাম।।*

ভাবাৰ্থ ঃ- 'সোহং' নাম পৰমাত্মাই প্ৰকট কৰি দিলে, আবিষ্কাৰ কৰি দিলে কিন্তু সাৰ শব্দ গুপ্ত ৰাখিছিল। এতিয়া মোক (লেখক সন্তৰাম পাল দাসক) কৈছে যিটো সাধকক দীক্ষাৰ সময়ত কোৱা হয়। এই গোপন নাম -"সাৰ শব্দ" ৰ সম্বন্ধ গীতা অধ্যায় ১৭ শ্লোক ২৩ ত বৰ্ণিত "ঔ তত্ সত্" মন্ত্ৰৰ লগত আছে।

(প্ৰমাণ ঋগবেদ মণ্ডল ৯ সুক্ত ৯৪ মন্ত্ৰ ১)

*অধিয়দস্মিন্বাজিনীৱ শুভঃ স্পৰ্ধন্তে ধিয়ঃ সূৰ্য়ে ন ৱিশঃ।*
*অপো বৃণানঃ পৱতে কবীয়ন ব্ৰজং ন পশুৱৰ্ধনায় মন্ম।।১।।*

অৰ্থ ঃ-(সূৰ্য়ে) সূৰ্য্যৰ হৈ (ন) যি দৰে (ৱিশঃ) ৰশ্মিয়ে পোহৰ দিয়ে, সেইদৰে (ধিয়ঃ) মানুহৰ বুদ্ধিয়ে (স্পৰ্ধন্তে ) নিজৰ-নিজৰ প্ৰচণ্ড শক্তিৰে বিষয়াসক্ত হয়। (অস্মিন অধি) যি জন পৰমাত্মাত (ৱাজিনীৱ) সৰ্বোপৰি বলৰ সমান (শুভ) শুভ বল আছে, সেই পৰমাত্মাই (অপোবৃণানঃ) কৰ্মৰ অধ্যক্ষ হৈ (পৱতে) সকলোকে পবিত্ৰ কৰে। (কবীয়ন) কবিৰ দৰে আচৰণ কৰি (পশুবৰ্ধনায়) সৰ্বদৰ্শী পদৰ বাবে (ব্ৰজং ন) ইন্দ্ৰিয় বিলাকৰ আধাৰ মনৰ সমান "ব্ৰজন্তি ইন্দ্ৰিয়ানি য়স্মিন তদ্বজম" (মন্ম) যি আধাৰ হয় সেয়া শ্ৰেষ্ঠৰ স্থান হয়।।১।।

বিবেচনা ঃ- ঋগবেদ মণ্ডল ৯ সুক্ত ৯৪ মন্ত্ৰ ১ ৰ অনুবাদ আৰ্য সমাজৰ বিদ্বান সকলে কৰিছে। তেওঁলোকে কৰা অনুবাদৰ জৰিয়তে নিজৰ মত উচিত প্ৰমাণ কৰিম। পূৰ্বতে লিখা বেদ মন্ত্ৰত কোৱা হৈছে যে পৰমাত্মাই নিজৰ মুখ কমলৰ

পৰা বাণী উচ্চাৰণ কৰি তত্ত্বজ্ঞান কয়, কবিৰ সৃজনী শক্তিৰে দুলৰী, দোহা, সাখী, চতুস্পদীৰ দ্বাৰা বাণী কোৱা বাবে প্ৰসিদ্ধ কবি সকলৰ ভিতৰত এজন লেখত লবলগীয়া কবিৰ উপাধি প্ৰাপ্ত কৰে। তেওঁৰ নাম কবিৰ্দেৰ অৰ্থাৎ কবীৰ চাহেব হয়।

এই ঋগবেদ মণ্ডল ৯ সুক্ত ৯৪ মন্ত্ৰ ১ তো এইটো কৈছে যে যিজন সৰ্বশক্তিমান পৰমেশ্বৰ, তেওঁ (কবিয়ন্ ব্ৰজম ন) কবিৰ দৰে আচৰণ কৰি পৃথিৱীত ঘূৰি ফুৰে।

(প্ৰমাণ ঋগবেদ মণ্ডল নং ৯ সুক্ত ২০ মন্ত্ৰ ১)

প্ৰ কবিৰ্দেববীতয়েঅৱো ৱাৰেভিৰৰ্ষতি।
সাহ্বান্বিশ্বা অভি স্পৃধঃ।।১।।

অৰ্থ ঃ- সেই পৰমাত্মা (কবিঃ) মেধাবী আৰু (অব্যঃ) সকলোৰে ৰক্ষক হয় (দেববীতয়ে) বিদ্বান সকলৰ তৃপ্তিৰ বাবে (অৰ্ষতি) জ্ঞান দিয়ে, (সাহ্বান) সহনশীলো হয় ( বিশ্বাঃ, স্পাৰ্ধা) সকলো দুষ্টক সংগ্ৰামত (অভি) তিৰস্কৃত কৰে।

বিবেচনাঃ-ঋগবেদ মণ্ডল ৯ সুক্ত ২০ মন্ত্ৰ ১ৰ অনুবাদো আৰ্য সমাজৰ বিদ্বান সকলে কৰিছে।এই অনুবাদ শুদ্ধ কম, ভুল বেছি। ইয়াৰ মূল পাঠত লিখা আছেঃ-

“প্ৰ কবিৰ্দেব বীতয়ে অব্যঃ ৱাৰেভিঃ অৰ্ষতি সাহ্বান বিশ্বাঃ অভি স্পৃধঃ”

সৰলাৰ্থ ঃ-(প্ৰ) বেদ জ্ঞান দাতাৰ পৰা বেলেগ যিজন (কবিৰ্দেব) কবিৰ্দেব কবীৰ পৰমেশ্বৰ আছে, তেওঁ বিদ্বান অৰ্থাৎ জিজ্ঞাসু সকলক, (বীতয়ে) জ্ঞান ধনৰ তৃপ্তিৰ বাবে (ৱাৰেভিঃ) শ্ৰেষ্ঠ আত্মা সকলক (অৰ্ষতি) জ্ঞান দিয়ে। তেওঁ (অব্যঃ) অবিনাশী হয়, ৰক্ষক হয়, (সাহ্বান) সহনশীল, (বিশ্বাঃ) তত্ত্বজ্ঞান হীন সকলো দুষ্টক (স্পৃধঃ) আধাত্ম্য জ্ঞানৰ কৃপা স্পৃধা অৰ্থাৎ জ্ঞান গোষ্ঠি ৰূপী বাক্যুদ্ধত (অভি) সম্পূৰ্ণকৈ তিৰস্কৃত কৰে, তেওঁলোকৰ মুখ মাৰি দিয়ে।

বিশেষ ঃ- (ক) এই মন্ত্ৰৰ অনুবাদৰ প্ৰতিলিপি চালে দেখিব যে আৰ্য বিদ্বানসকলে বহুতো শব্দৰ অৰ্থ এৰিছে, যেনে- “প্ৰ”, “ৱাৰেভিঃ”, গতিকে বেদৰ যথাৰ্থ ভাৱ প্ৰকাশ পোৱা নাই। (খ)মোৰ অনুবাদৰ পৰা স্পষ্ট হয় যে সেই পৰমাত্মাই ভাল আত্মাক (দৃঢ় ভক্তক) জ্ঞান দিয়ে, তেওঁৰ নামো লিখা আছে - “কবিৰ্দেব”। আমি কবীৰ পৰমেশ্বৰ বোলো।

(প্ৰমাণ ঋগবেদ মণ্ডল ৯ সুক্ত ৫৪ মন্ত্ৰ ৩)

অয়ং বিশ্বানি তিৰ্ষ্ঠিতি পুনানো ভুৱনোপৰি।
সোমো দেবো ন সূৰ্য়ঃ।।৩।।

অৰ্থঃ-(সূৰ্য়, ন) সূৰ্যৰ দৰে জগতক প্ৰেৰণা দিওঁতা (অয়ম) এই পৰমাত্মা (সোমঃ, দেবঃ) শান্ত স্বভাৱৰ আৰু জগত প্ৰকাশক হয় আৰু (বিশ্বানি, পুনানঃ) সকলো লোকক পবিত্ৰ কৰি (ভুৱনোপৰি, তিষ্ঠতি) সম্পূৰ্ণ ব্ৰহ্মাণ্ডৰ ওপৰতো বৰ্ত্তমান আছে।

বিবেচনা ঃ- ওপৰোক্ত অনুবাদো আৰ্যসমাজৰ বিদ্বান সকলে কৰিছে। তেওঁলোকৰ অনুবাদতো স্পষ্ট আছে যে সেই পৰমেশ্বৰ (ভুৱনোপৰি) সম্পূৰ্ণ ব্ৰহ্মাণ্ডৰ উৰ্দ্ধত অৰ্থাৎ ওপৰত (তিষ্ঠতি) বিৰাজমান আছে, ওপৰত বহি আছে।

ইয়াৰ যৰ্থাথ অনুবাদ এনেকুৱা হ’ব - (অয়ং) এই (সোমঃ দেব) অমৰ পৰমেশ্বৰ (সূৰ্য়) সূৰ্যৰ (ন) দৰে (বিশ্বানি) সকলোকে (পুনানঃ) পবিত্ৰ কৰি (ভুবনোপৰি) সকলো ব্ৰহ্মাণ্ডৰ উৰ্দ্ধ অৰ্থাৎ ওপৰত (তিষ্ঠতি) বহি আছে।

ভাৱাৰ্থ ঃ- যেনেদৰে সূৰ্যই ওপৰৰ পৰা নিজৰ পোহৰ আৰু তাপেৰে সকলোকে লাভ দি আছে সেইদৰে ওপৰৰ মন্ত্ৰত বৰ্ণিত এই অমৰ পৰমেশ্বৰে সকলো ব্ৰহ্মাণ্ডৰ ওপৰত বহি নিজৰ নিৰাকাৰ শক্তিৰে সকলো প্ৰাণীক লাভ দি আছে আৰু সকলো ব্ৰহ্মাণ্ডৰ পৰিচালনা কৰি আছে।

তৰ্ক ঃ- মহৰ্ষি দয়ানন্দৰ অৰ্থাৎ আৰ্য সমাজৰ মত হ'ল পৰমেশ্বৰ কোনো এখন ঠাইত কোনো বিশেষ লোকত নাথাকে।

প্ৰমাণ ঃ-আৰ্য সাহিত্য প্ৰচাৰ ট্ৰাষ্ট-৪২৭, গলী মন্দিৰ, নয়া বাঁচ দিল্লীৰ পৰা প্ৰকাশিত "সত্যাৰ্থ প্ৰকাশৰ" ৭৮ নং সংস্কৰণৰ সমুল্লাচ (chapter) নং-৭, পৃষ্ঠা -১৪৮ ত চাব -

কোনোবাই প্ৰশ্ন কৰিছে ঃ-ঈশ্বৰ ব্যাপক নে কোনো বিশেষ ঠাইত থাকে ?

মহৰ্ষি দয়ানন্দৰ উত্তৰ ঃ-ঈশ্বৰ ব্যাপক। কোনো বিশেষ ঠাইত অৱস্থান কৰি সৰ্ব অন্তৰ্যামী, সৰ্বজ্ঞ, সৰ্বনিয়ন্তা, সকলোৰে সৃষ্টি কৰ্তা, সকলোৰে ধাৰণ কৰোঁতা আৰু প্ৰলয়কৰ্তা হ'ব নোৱাৰে। কোনো এখন ঠাইত উপস্থিত নোহোৱাকৈ কৰ্তাই কাৰ্য কৰাটো অসম্ভৱ (সত্যাৰ্থ প্ৰকাশৰ পৰা লিখনি সমাপ্ত হ'ল)।

মহৰ্ষি দয়ানন্দই পৰমেশ্বৰ কোনো দেশ অৰ্থাৎ বিশেষ ঠাইত থকা কথাটো সমৰ্থন কৰা নাছিল। মহৰ্ষি দয়ানন্দই বেদৰ জ্ঞান সত্য বুলি স্বীকাৰ কৰিছিল।

আপুনি বহুতো বেদমন্ত্ৰত পঢ়িলে যে পৰমেশ্বৰ ওপৰৰ এখন বিশেষ ঠাইত থাকে। তাৰ পৰা গতি কৰি (আহি) ইয়াতো প্ৰকট (উপস্থিত) হয়। মহৰ্ষি দয়ানন্দ আৰু আৰ্য সমাজে পৰমাত্মা নিৰাকাৰ বুলি মানে।

প্ৰমাণ ঃ-"সত্যাৰ্থ প্ৰকাশ"ৰ সমুল্লাচ নম্বৰ ৯ পৃষ্ঠা ১৭৬, সমুল্লাচ নং ৭ পৃষ্ঠা -১৪৯, সমুল্লাচ নং ১১ পৃষ্ঠা-২৫১ ত উল্লেখ আছে যে পৰমাত্মা নিৰাকাৰ হয়।

প্ৰিয় পাঠক সকলে বহুতো বেদমন্ত্ৰত পঢ়িলে যে পৰমাত্মা সাকাৰ, তেওঁ মানুহৰ দৰে, ওপৰৰ লোকত বাস কৰে, তাৰ পৰা গতি কৰি আহে, প্ৰকট হয় আৰু ভাল আত্মাৰ দৃঢ় ভকতক লগ কৰে, তেওঁলোকক নিজ মুখকমলৰ পৰা তত্ত্বজ্ঞান কৈ শুনায়, কবি সকলৰ দৰে আচৰণ কৰে, পৃথিবীত ঘূৰি ফুৰি পৰমাত্মাই নিজৰ আধাত্ম্য জ্ঞান উচ্চস্বৰে উচ্চাৰণ কৰি শুনায়। গীতা অধ্যায় ৪ শ্লোক ৩২ তো এই প্ৰমাণ আছে।

প্ৰিয় পাঠক সকল, আপোনালোকে নিজেই নিৰ্ণয় কৰক কাৰ কিমান আধ্যাত্ম জ্ঞান আছিল। অতি আচৰিত কথা এই যে বেদমন্ত্ৰৰ অনুবাদো মহৰ্ষি দয়ানন্দ আৰু তেওঁৰ শিষ্য আৰ্য সমাজৰ লোকে কৰিছে য'ত তেওঁলোকৰ মতৰ বিৰূদ্ধে লিখা আছে।

নিবেদন ঃ- বেদমন্ত্ৰৰ প্ৰতিলিপি দিয়াৰ উদ্দেশ্য হ'ল যদি মই (লেখক) অনুবাদ কৰি পুথিত লিখো তেতিয়া মানুহে ক'ব যে সন্ত ৰামপাল দাসৰ সংস্কৃত ভাষাৰ জ্ঞান নাই, গতিকে এওঁ কৰা অনুবাদ বিশ্বাস যোগ্য নহয়। কিন্তু এতিয়া এই সন্দেহ মনলৈ নাহিব। এতিয়া আপুনি দৃঢ়ভাবে বিশ্বাস কৰিব যে সন্ত ৰামপাল দাসে বেদমন্ত্ৰৰ যি অনুবাদ কৰিছে সেয়া যথাৰ্থ হয়।

এতিয়া বিশ্বৰ উৎপত্তিৰ বিষয়ে জ্ঞান কম, যি জ্ঞান স্বয়ং পৰমেশ্বৰে কৈছে তেওঁ কি দৰে এই বিশ্বৰ ৰচনা কৰিলে।

## "সংক্ষিপ্ত সৃষ্টি ৰচনা"

সৃষ্টিৰ আৰম্ভণিত সত্যপুৰুষ অকলে আছিল, কোনো ৰচনা নাছিল। সৰ্বপ্ৰথমে পৰমেশ্বৰে চাৰিটা অবিনাশী লোকৰ ৰচনা শব্দেৰে কৰিলে।

১) অনামীলোক বা অকহলোক, ২) অগমলোক, ৩) অলখলোক, ৪) সত্যলোক

তেতিয়া পৰমেশ্বৰে চাৰিওটা লোকত চাৰিটা ৰূপ ধাৰণ কৰিলে। চাৰিটা তুলনাত্মক নামেৰে প্ৰত্যক লোকত প্ৰসিদ্ধ হ'ল।

১) অনামীলোকত অনামী পুৰুষ বা অকহ পুৰুষ।

২) অগমলোকত অগম পুৰুষ

৩) অলখলোকত অলখ পুৰুষ আৰু

৪) সত্যলোকত সত্যপুৰুষ তুলনাত্মক নাম থলে।

আকৌ চাৰিওটা লোকত পৰমাত্মাই বচন শক্তিৰে এটাকৈ সিংহাসন নিৰ্মাণ কৰিলে আৰু প্ৰতিটো সিংহাসনত সম্ৰাটৰ দৰে মুকুট পিন্ধি বিৰাজমান হ'ল। আকৌ সত্যলোকত পৰমেশ্বৰে অন্য ৰচনা কৰিলে, এটা শব্দেৰে ১৬ টা দ্বীপ আৰু এটা মানসৰোবৰ ৰচনা কৰিলে। পুনৰ ১৬ টা শব্দেৰে ১৬ জন পুত্ৰৰ উৎপত্তি কৰিলে। এওঁলোকৰ ভিতৰত মুখ্য ভুমিকা পালন কৰিলে অচিন্ত, তেজ, সহজদাস, জোগজীত, কুৰ্ম, ইচ্ছা, ধৈৰ্য্য আৰু জ্ঞানীয়ে।

পৰমেশ্বৰে পুত্ৰ সকলক এই শিক্ষা দিব বিচাৰিলে যে শক্তিমন্তৰ অবিহনে কোনো কাম সফল নহয় আৰু লোকৰ কামত হস্তক্ষেপ কৰাৰ মুৰ্খামি নকৰি নিজে কৰিব পৰা কামত হে হাত দিব লাগে।

সত্যপুৰুষে পুত্ৰ অচিন্তক সত্যলোকত অন্য ৰচনা কৰিবলৈ ক'লে। সত্য পুৰুষে অচিন্তক কিছু শক্তিও দিলে। অচিন্তই নিজৰ বচনেৰে অক্ষৰ পুৰুষৰ উৎপত্তি কৰিলে, অক্ষৰ পুৰুষ ডেকা হৈ উৎপন্ন হ'ল। মানসৰোবৰত স্নান কৰিবলৈ গৈ সাঁতুৰিব ধৰিলে আৰু তাতে টোপনি অহাত সৰোবৰৰ তলিত গ'ল (সত্যলোকৰ শৰীৰ অমৰ, শ্বাসৰ ওপৰত নিৰ্ভৰশীল নহয় )। বহু সময়লৈকে অক্ষৰ পুৰুষ পানীৰ পৰা ওলাই নাহিল আৰু অচিন্তইও একো সৃষ্টি কৰিব নোৱাৰিলে। তেতিয়া সত্যপুৰুষে (পৰম অক্ষৰ পুৰুষ) মানস সৰোবৰত গৈ কিছু পানী আঁজলিত লৈ তাৰ পৰা এটা প্ৰকাণ্ড কণী বচনেৰে তৈয়াৰ কৰিলে আৰু এটা আত্মা বচনেৰে উৎপন্ন কৰি কণীত প্ৰৱেশ কৰালে আৰু কণীটো পানীত এৰি দিলে। কণীটো পানীৰ তললৈ যাওঁতে হোৱা কণীৰ গুমগুমণিত অক্ষৰ পুৰুষৰ টোপনি ভাঙিল। কোনে টোপনিৰ পৰা জগালে বুলি অক্ষৰ পুৰুষে খঙেৰে চোৱাত খং গৈ কণীত পৰিল আৰু কণীটো ফুটিল। তাৰ পৰা এজন তেজোময় যুৱক ওলাল। তাৰ নাম ক্ষৰ পুৰুষ হ'ল আৰু আগলৈ 'কাল'

বুলি জনাজাত হ'ল। সত্যপুৰুষে দুজনকে পানীৰ পৰা ওলাই আহিবলৈ ক'লে আৰু জনালে যে অক্ষৰ পুৰুষক টোপনিৰ পৰা জগাবলৈ এই সকলোবোৰ কৰা হৈছে। ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ দুয়োজনক অচিন্তৰ লোকত থাকিবলৈ সত্যপুৰুষে ক'লে।

কিছুসময়ৰ পাচত ক্ষৰ পুৰুষ/ জ্যোতি নিৰঞ্জন কালে ভাবিলে যে তেওঁলোক তিনিও এটা লোকত বাস কৰি আছে আৰু তেওঁৰ অন্য ভাই -ককাই সকলে এটা এটা লোকত বাস কৰি আছে। এনেদৰে চিন্তা কৰি তেওঁ সুকীয়াকৈ এটা দ্বীপ পাবলৈ তপস্যা কৰিবলৈ ধৰিলে। ইতিপূৰ্বে সত্যপুৰুষে পুত্ৰ অচিন্তক ক'লে যে অচিন্তই সৃষ্টি ৰচনা কৰিব নোৱাৰে। এই শিক্ষা দিবলৈকে তেওঁক সৃষ্টি ৰচনা কৰিবলৈ কোৱা হৈছিল বুলিও ক'লে। কিন্তু অচিন্তই অক্ষৰ পুৰুষকে টোপনিৰ পৰা জগাব নোৱাৰিলে, সৃষ্টি ৰচনা কৰাটো দূৰৰ কথা। আগলৈ সকলোকে এনে চেষ্টা কৰিবলৈ বাধা দি সত্যপুৰুষে নিজে শব্দ শক্তিৰে সকলো ৰচনা কৰিম বুলি ক'লে।

সত্যপুৰুষে সত্যলোকৰ ভিতৰতে অসংখ্য লোক সৃষ্টি কৰি প্ৰত্যকতে নিজৰ বচনেৰে অন্য আত্মাসকলৰ উৎপত্তি কৰিলে। এই সকলোলোক সত্যপুৰুষৰ সিংহাসনৰ চাৰিওফালে আছিল। ইয়াত মাত্ৰ নৰ হংস (সত্যলোকত মানুহক হংস কয়) হে থাকে আৰু পৰমেশ্বৰে শক্তি দি থৈছে যে তেওঁলোকে নিজৰ পৰিয়াল (নৰহংস) বচনেৰে উৎপন্ন কৰিব পাৰে। তেওঁলোকে মাত্ৰ দুজন পুত্ৰ হে উৎপন্ন কৰিব পাৰে।

ক্ষৰ পুৰুষে (জ্যোতি নিৰঞ্জন) তপস্যা কৰিবলৈ ধৰিলে, একেৰাহে ৭০ যুগ তপস্যা কৰিলে। সত্যপুৰুষে তপস্যা কৰাৰ কাৰণ সোধাত ক্ষৰ পুৰুষে ক'লৈ যে তেওঁক ঠাইখনে জোৰা নাই, বেলেগ ঠাই এখন লাগে। পৰমেশ্বৰে ৭০ যুগ তপস্যাৰ প্ৰতিফল ৰূপে সত্যলোকৰ বাহিৰত থকা ২১ ব্ৰহ্মাণ্ড দিলে, যেন ২১ টা পথাৰ হে দিলে। জ্যোতি নিৰঞ্জনে (ক্ষৰ পুৰুষ) চিন্তা কৰিলে যে এই ব্ৰহ্মাণ্ডবোৰত কিছু ৰচনাও হ'ব লাগে, তাৰ বাবে আকৌ ৭০ যুগ পৰ্যন্ত তপস্যা কৰিলে। সত্যপুৰুষে আকৌ কি লাগে বুলি সোধাত ক্ষৰ পুৰুষে অনুৰোধ কৰিলে যে তেওঁক সৃষ্টি ৰচনাৰ কেচাঁমাল দিব লাগে। সতপুৰুষে তেওঁক পাঁচতত্ত্ব (জল, পৃথিৱী, অগ্নি, বায়ু আৰু আকাশ) আৰু তিনিগুণ (ৰজ গুণ, সতগুণ,আৰু তম গুণ) দি তাৰ দ্বাৰাই নিজৰ ৰচনা কৰিবলৈ ক'লে।

ক্ষৰ পুৰুষে তৃতীয় বাৰ ৬৪ যুগলৈকে তপস্যা কৰাত সত্যপুৰুষে কি লাগে বুলি সুধিলে। ক্ষৰ পুৰুষে (জ্যোতি নিৰঞ্জন) ক'লে যে তেওঁক কিছুমান আত্মা দিব লাগে, অকলে তেওঁৰ মন বহা নাই। ক্ষৰ পুৰুষে আত্মা কেনেকৈ পালে তাৰ বিৱৰণ আগলৈ পঢ়ক -

## "আমি কালৰ লোকত কেনেকৈ আহিলোঁ?

যেতিয়া ক্ষৰ পুৰুষে (জ্যোতি নিৰঞ্জন) এটা ভৰিত থিয় হৈ তপস্যা কৰি আছিল আমি সকলো আত্মা ক্ষৰ পুৰুষৰ প্ৰতি আকৰ্ষিত হ'লো। ডেকো-গাভৰু, অভিনেতাৰ-অভিনেত্ৰীৰ প্ৰতি অযথা আসক্ত হয়। বিনা কাৰণতে তেওঁলোকক বিচাৰে। তেওঁলোকে নিজৰ জীৱিকাৰ বাবে নাচি বাগি দৌৰি ফুৰে। কিশোৰ-কিশোৰীসকলে তাকে দেখি নিজৰ ধন অবাবত নষ্ট কৰে । ঠিক এইদৰে আমিও নিজৰ পৰমপিতা সত্যপুৰুষক এৰি কাল পুৰুষ (ক্ষৰ-পুৰুষ) ক হৃদয়েৰে বিচাৰিবলৈ ধৰিলো। যি জন পৰমেশ্বৰে আমাক সকলো সুখ-সুবিধা দি আছিল তেওঁক আওকাণ কৰি এই নকলী নাটক কৰা কাল ব্ৰহ্মক বিচাৰিলো। সত্যপুৰুষে মাজে সময়ে বহুবাৰ আকাশবাণী কৰিলে "সোণাইহঁত তোমালোকে এই কালৰ কাৰচাজি নাচাবা, আনন্দত থাকা"। আমি বাহিৰে-বাহিৰে সাৱধান হ'লেও অন্তৰেৰে কালক ভাল পাবলৈ ধৰিলো। পৰমেশ্বৰ অন্তৰ্যামী, তেও বুজিলে যে এইসকল আত্মা সত্যলোকত ৰখাৰ যোগ্য হৈ থকা নাই। কাল পুৰুষে (ক্ষৰ পুৰুষ = জ্যোতি নিৰঞ্জন) যেতিয়া দুবাৰ তপস্যা কৰি ফল প্ৰাপ্ত কৰিলে তেতিয়া ভাবিলে যে কিছু জীৱাত্মাও তাৰ লগত থকা উচিত, অকলে মন নবহে । সেই কাৰণে জীৱাত্মা প্ৰাপ্তিৰ বাবে তপস্যা কৰা আৰম্ভ কৰিলে। ৬৪ যুগ পৰ্যন্ত তপস্যা কৰাৰ পাচত পৰমেশ্বৰে কি লাগে বুলি সোধাত ক্ষৰ পুৰুষে ক'লে যে কিছুমান আত্মা দিব লাগে, অকলে মন বহা নাই। সত্যপুৰুষে ক'লে যে তাৰ তপস্যাৰ বিনিময়ত আৰু ব্ৰহ্মাণ্ড তেওঁ দিব পাৰে কিন্তু নিজৰ আত্মাক নিদিয়ে কাৰণ এই আত্মা পৰমেশ্বৰৰ শৰীৰৰ পৰা উৎপন্ন হৈছে। যদিহে আত্মাসকলে স্বইচ্ছাই যাব বিচাৰে, যাব পাৰে। ডেকা কবীৰ (সমৰ্থ কবীৰ) ৰ কথা শুনি জ্যোতি নিৰঞ্জন আমাৰ ওচৰলৈ আহিল। আমি সকলো হংস আত্মা প্ৰথমৰ পৰাই তেওঁৰ প্ৰতি আসক্ত আছিলো আমি তেওঁক বেৰি থিয় হ'লো। জ্যোতি নিৰঞ্জনে ক'লে যে তেওঁ সুকীয়াকৈ ২১ খন ব্ৰহ্মাণ্ড পিতাদেউৰ পৰা প্ৰাপ্ত কৰিছে। তাত নানা ধৰণৰ মনোমোহা স্থান আছে, তোমালোক তালৈ যাবানে? আমি আজি কালৰ ২১ খন ব্ৰহ্মাণ্ডত প্ৰতাৰিত হৈ থকা সকলোৱে কলো যে যদিহে পিতাদেউয়ে অনুমতি দিয়ে আমি যাবলৈ প্ৰস্তুত। তেতিয়া ক্ষৰ পুৰুষ (কাল) পূৰ্ণ ব্ৰহ্ম মহান কবিৰ (সমৰ্থ কবীৰ প্ৰভু) ৰ ওচৰলৈ গ'ল আৰু সকলো কথা ক'লে। তেতিয়া কবিৰগ্নি (কবীৰ পৰমেশ্বৰ) য়ে ক'লে যে "মোৰ সন্মুখত স্বীকৃতি দিয়া সকলক যাবলৈ আদেশ দিম।" ক্ষৰ পুৰুষ আৰু পৰম অক্ষৰ পুৰুষ (কবিৰমিতৌজা) দুয়ো আমি সকলো হংসাত্মাৰ ওচৰলৈ আহিল। সৎ কবীৰৰদেৱে ক'লে যে যি সকল হংসাত্মাই ব্ৰহ্মৰ লগত যাব বিচাৰে, হাত দাঙি স্বীকৃতি দিব লাগে। নিজৰ পিতাদেউৰ ওচৰত কাৰো সাহস নহ'ল। কোনেও স্বীকৃতি নিদিলে। বহুত সময়

নিস্তব্ধতাই ছানি ধৰিলে, তাৰ পাছত এটা হংসাত্মাই সাহস কৰি ক'লে যে তেওঁ যাব বিচাৰে। তাকে দেখি (যি সকল আজি কাল ব্ৰহ্মৰ ২১ ব্ৰহ্মণ্ডত বন্দী হৈ আছো) আমি সকলো হংসাত্মাই স্বীকৃতি দিলো। পৰমেশ্বৰ কবীৰদেবে জ্যোতি নিৰঞ্জনক তেওঁৰ নিজৰ ঠাইলৈ যাবলৈ ক'লে আৰু জনালে যে যি সকলে তেওঁৰ লগত যাবলৈ স্বীকৃতি দিছে সেই সকলো হংসাত্মাক কবীৰদেবে ব্ৰহ্মৰ ওচৰত পঠিয়াই দিব। জ্যোতি নিৰঞ্জন নিজৰ ২১ ব্ৰহ্মাণ্ড লৈ গুচি গ'ল। সেই সময়লৈকে এই একৈশ ব্ৰহ্মাণ্ড সত্যলোকতে আছিল।

তাৰ পাছত পূৰ্ণব্ৰহ্মই প্ৰথমে স্বীকৃতি দিয়া হংসাত্মাক ছোৱালীৰ ৰূপ দিলে, কিন্তু স্ত্ৰী যোনি ৰচনা নকৰিলে আৰু সকলো আত্মাক (যি বিলাকে জ্যোতি নিৰঞ্জন (ব্ৰহ্ম) ৰ লগত যাবলৈ সন্মতি দিছিল) সেই ছোৱালীৰ শৰীৰত প্ৰবেশ কৰাই দিলে আৰু তাইৰ নাম অষ্টাঙ্গী (আদি মায়া/ প্ৰকৃতি দেবী / দুৰ্গা) ৰাখিলে। সত্যপুৰুষে তাইক পুত্ৰী বুলি সম্বোধন কৰি ক'লে তোমাক শব্দ শক্তি প্ৰদান কৰিছো, ব্ৰহ্মই যিমান জীৱ বিচাৰে, উৎপন্ন কৰি দিবা।পূৰ্ণব্ৰহ্ম কবিৰ্দেৱে (কবীৰ চাহেব) নিজৰ পুত্ৰ সহজ দাসৰ দ্বাৰা প্ৰকৃতি দেবী দুৰ্গাক জ্যোতি নিৰঞ্জনৰ ওচৰলৈ পঠালে। সহজ দাসেও ক'লে যে পিতাদেউয়ে এই জনী ভনীৰ শৰীৰত সেই সকলো আত্মাক প্ৰবেশ কৰাই দিছে যি সকলে ব্ৰহ্মৰ লগত যাবলৈ সন্মতি দিছিল লগতে তাইক বচন শক্তিও প্ৰদান কৰিছে। ব্ৰহ্মই যিমান বিচাৰে প্ৰকৃতি দেবীয়ে সিমান জীৱ নিজৰ শব্দেৰে উৎপন্ন কৰি দিব। এই বুলি কৈ সহজদাস উভতি নিজৰ দ্বীপলৈ আহিল।

গাভৰু হোৱাৰ বাবে ছোৱালীজনীৰ চেহেৰা জিলিকি আছিল।ব্ৰহ্মৰ অন্তৰত কাম ভাৱ জাগ্ৰত হ'ল আৰু প্ৰকৃতি দেৱীৰ লগত অভদ্ৰ আচৰণ কৰিবলৈ ধৰিলে। তেতিয়া দুৰ্গাই ক'লে যে তাইৰ লগত পিতাদেউয়ে প্ৰদান কৰা শব্দ শক্তি আছে। ব্ৰহ্মই যিমান জীৱ বিচাৰে তাই বচন শক্তিৰে উৎপন্ন কৰি দিব। দুৰ্গাই ব্ৰহ্মক মৈথুন পৰম্পৰা আৰম্ভ নকৰিবলৈ ক'লে। প্ৰকৃতি দেবীয়ে ব্ৰহ্মক ক'লে যে ব্ৰহ্ম নিজে পৰম পিতাৰ শব্দৰ দ্বাৰা উৎপন্ন হৈছে আৰু পিছত তাই উৎপন্ন হৈছে, সম্বন্ধত দুয়ো ককাই-ভনী, তেওঁলোকৰ মাজত মিলন মহাপাপৰ কাৰণ হ'ব। কিন্তু জ্যোতি নিৰঞ্জনে প্ৰকৃতি দেৱীৰ কোনো কাকুতি-মিনতি নুশুনিলে আৰু নখেৰে নিজ শব্দ শক্তিৰ দ্বাৰা প্ৰকৃতি দেবীৰ শৰীৰত স্ত্ৰী যোনি সংযোগ কৰি দিলে আৰু বলাৎকাৰ কৰিবলৈ মন মেলিলে। সেই সময়তে দুৰ্গাদেবীয়ে নিজৰ মান সন্মান ৰক্ষাৰ আন একো উপায় নেদেখি সুক্ষ্ম ৰূপ ধৰণ কৰি জ্যোতি নিৰঞ্জনৰ মেল খাই থকা মুখেদি পেটলৈ প্ৰবেশ কৰি পূৰ্ণ ব্ৰহ্ম কবীৰদেবক নিজৰ ৰক্ষাৰ্থে প্ৰাৰ্থনা কৰিলে। সেই সময়তে কবিৰ্দেৱ (কবীৰদেব) নিজৰ পুত্ৰ যোগ সন্তায়ণ অৰ্থাৎ যোগ জীতৰ ৰূপ ধাৰণ কৰি তাত উপস্থিত হ'ল আৰু কণ্যাক (দুৰ্গা)

ব্ৰহ্মৰ পেটৰ পৰা উলিয়ালে আৰু জ্যোতি নিৰঞ্জনক ক'লে যে সিদিনাৰ পৰা তাৰ নাম কাল হ'ল, তাৰ জন্ম মৃত্যু হৈ থাকিব, তাৰ বাবেই তাৰ নাম ক্ষৰ পুৰুষ হ'ব আৰু এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীক প্ৰতিদিনে খাব আৰু ১ লাখ ২৫ হাজাৰ উৎপন্ন কৰিব। এই বুলি কৈ কবীৰ দেৱে দুয়োকে ২১ ব্ৰহ্মাণ্ডৰ সৈতে বহিস্কাৰ কৰিলে। লগে লগে ২১ ব্ৰহ্মাণ্ড বিমানৰ দৰে গতি কৰি সহজ দাসৰ দ্বীপৰ কাষেৰে গৈ সৎলোকৰ পৰা ১৬ শংখ কোস (এক কোস = ৩.২কিঃমিঃ) দূৰত গৈ ৰল।

বিশেষ বিৱৰণ ঃ এতিয়া তিনিশক্তিৰ বিৱৰণ দিওঁ।

১) পূৰ্ণ ব্ৰহ্ম, যি জনক অন্য তুলনাত্মক নামেৰেও জনা যায়, যেনে - সত্য পুৰুষ, অকাল পুৰুষ, শব্দ স্বৰূপী ৰাম, পৰম অক্ষৰ ব্ৰহ্ম/পুৰুষ আদি। এই পূৰ্ণ ব্ৰহ্ম অসংখ্য ব্ৰহ্মাণ্ডৰ গৰাকী আৰু অবিনাশী।

২) পৰব্ৰহ্ম, যি জনক অক্ষৰ পুৰুষ বুলিও কোৱা হয়। এইজন প্ৰকৃততে অবিনাশী নহয়। এইজন সাত শঙ্খ ব্ৰহ্মাণ্ডৰ গৰাকী হয়।

৩) ব্ৰহ্ম, যি জনক জ্যোতি নিৰঞ্জন, কাল, কৈল, ক্ষৰ পুৰুষ আৰু ধৰ্মৰায় আদি নামেৰেও জনা যায়। এওঁ মাত্ৰ ২১ ব্ৰহ্মাণ্ডৰ স্বামী। এতিয়া আগলৈ এই ব্ৰহ্ম (কাল) ৰ সৃষ্টিৰ এটা ব্ৰহ্মাণ্ডৰ পৰিচয় দিয়া হ'ব য'ত আৰু তিনিটা নাম পঢ়িবলৈ পাব-ব্ৰহ্মা, বিষ্ণু আৰু শিৱ।


## ব্ৰহ্ম আৰু ব্ৰহ্মাৰ মাজত পাৰ্থক্য ঃ-

এটা ব্ৰহ্মাণ্ডত থকা সকলোতকৈ উচ্চ স্থানত ব্ৰহ্মই (ক্ষৰ পুৰুষ) নিজে তিনিটা গোপন স্থান ৰচনা কৰি ব্ৰহ্মা, বিষ্ণু আৰু শিৱ ৰূপত থাকে আৰু নিজৰ পত্নী প্ৰকৃতি (দুৰ্গা) ৰ সহযোগত তিনিজন পুত্ৰৰ উৎপত্তি কৰে। তেওঁলোকৰ নামো ব্ৰহ্মা, বিষ্ণু আৰু শিৱ ৰাখে। ব্ৰহ্মা, যি জন ব্ৰহ্মৰ পুত্ৰ, এটা ব্ৰহ্মাণ্ডত কেৱল তিনিলোকৰ (পৃথিৱী, স্বৰ্গ আৰু পাতাল) ৰজগুণ বিভাগৰ মন্ত্ৰী, এওঁক ত্ৰিলোকীয় ব্ৰহ্মা বোলা হয় আৰু যি জন ব্ৰহ্ম, ব্ৰহ্ম লোকত ব্ৰহ্মা ৰূপে থাকে তেওঁক মহাব্ৰহ্মা বা ব্ৰহ্মলোকীয় ব্ৰহ্মা বোলা হয়। এইজন ব্ৰহ্ম (কাল) ক সদাশিৱ, মহাশিৱ আৰু মহাবিষ্ণুও কোৱা হয়।

শ্ৰীবিষ্ণু পুৰাণত প্ৰমাণ ঃ- শ্ৰীবিষ্ণু পুৰাণৰ চতুৰ্থ অংশৰ প্ৰথম অধ্যায়ৰ ২৩০-২৩১ পৃষ্ঠাত শ্ৰীব্ৰহ্মাদেৱে কৈছে - যি অজন্মা সৰ্বময় বিধাতা পৰমেশ্বৰৰ আদি, মধ্য, অন্ত, স্বৰূপ, স্বভাৱ আৰু সাৰ আমি জানিব নোৱাৰো। (শ্লোক ৮৩)

যি মোৰ ৰূপ ধাৰণ কৰি সংসাৰ ৰছনা কৰে, স্থিতিৰ সময়ত যি পুৰুষ ৰূপ হয় আৰু ৰুদ্ৰ ৰূপেৰে যি বিশ্বক গ্ৰাস কৰে, অনন্ত ৰূপেৰে সম্পূৰ্ণ জগতক ধাৰণ কৰে (শ্লোক ৮৬)।

# এখন ব্ৰহ্মাণ্ডৰ লঘু চিত্ৰ



## "শ্ৰী ব্ৰহ্মাদেৱ, শ্ৰীবিষ্ণুদেৱ আৰু শ্ৰীশিৱদেৱৰ উৎপত্তি"

কালে (ব্ৰহ্মই) প্ৰকৃতি (দুৰ্গা)ক ক'লে যে এতিয়া কোনেও তাৰ একো হানি কৰিব নোৱাৰে, যি মন যায় কৰি যাব। প্ৰকৃতিয়ে আকৌ প্ৰাৰ্থনা কৰিলে যে কালে মান-মৰ্যদাৰ প্ৰতিও ধ্যান দিব লাগে । প্ৰথম কথা হ'ল কাল প্ৰকৃতিৰ ককাই, কাৰণ সেই পূৰ্ণ পৰমাত্মাৰ (কবিৰ্দেবৰ) বচন শক্তিৰে কণীৰ পৰা ব্ৰহ্মৰ উৎপত্তি হৈছে। দ্বিতীয়তে প্ৰকৃতি কালৰ পেটৰ পৰা ওলাইছে, কালৰ পুত্ৰী প্ৰকৃতি আৰু সেই সূত্ৰে কাল প্ৰকৃতিৰ পিতা। এনে পবিত্ৰ সম্বন্ধত কালিমা সানিলে মহাপাপ হ'ব।প্ৰকৃতিয়ে আকৌ ক'লে যে তাইৰ লগত পিতাদেউয়ে দিয়া শব্দ শক্তি আছে, কালে যিমান প্ৰণী বিচাৰে তাই উৎপন্ন কৰি দিব। জ্যোতি নিৰঞ্জনে দুৰ্গাৰ এটাও কথা নুশুনি ক'লে যে যি শাস্তি পাব লগা আছিল, পাই থৈছো, সত্য লোকৰ পৰা বহিস্কৃত হ'লো, এতিয়া নিজ ইচ্ছামতে চলিম। এইদৰে কৈ কাল পুৰুষে (ক্ষৰ পুৰুষ) প্ৰকৃতিৰ লগত শক্তি প্ৰয়োগ কৰি বিয়া পাতিলে আৰু তিনিজন পুত্ৰ (ৰজগুণযুক্ত ব্ৰহ্মা, সতগুণযুক্ত বিষ্ণু আৰু তমগুণযুক্ত শিৱ) ৰ উৎপত্তি কৰিলে। ডেকা হোৱালৈকে তিনিও পুত্ৰক দুৰ্গাৰ হতুৱাই অচেতন কৰি থলে। ডেকা হোৱাৰ পাছত শ্ৰী ব্ৰহ্মাক পদুমফুলৰ ওপৰত, শ্ৰীবিষ্ণুক শেষনাগৰ শয্যাৰ ওপৰত আৰু শিৱক কৈলাশ পৰ্বতত ৰাখি তিনিওকে চেতন কৰি প্ৰকৃতি (দুৰ্গা) ৰ দ্বাৰা এওঁলোক তিনিওৰে বিবাহ পাতি দিয়া হ'ল আৰু এটা ব্ৰহ্মাণ্ডৰ তিনিটালোকত (স্বৰ্গ, পৃথিৱী, পাতাল) এটা এটা বিভাগৰ মন্ত্ৰী (প্ৰভু) নিযুক্ত কৰা হ'ল। এটা ব্ৰহ্মাণ্ডত এটা ব্ৰহ্মলোক ৰচনা কৰিছে, তাত তিনিটা গোপন ঠাই নিৰ্মাণ কৰিলে। ইয়াৰে এটা স্থান ৰজগুণ প্ৰধান য'ত এই ব্ৰহ্ম (কাল) স্বয়ং মহাব্ৰহ্মা (মুখ্য মন্ত্ৰী) ৰূপত থাকে আৰু নিজৰ পত্নী দুৰ্গাক মহাসাবিত্ৰী ৰূপত ৰাখে। এওঁলোক দুজনৰ মিলনৰ ফলত যি পুত্ৰ এই স্থানত উৎপত্তি হয়, সেইজন আপোনা-আপুনি ৰজগুণী হৈ যায়। দ্বিতীয়টো ঠাই সতগুণ প্ৰধান কৰি নিৰ্মাণ কৰিলে। তাত এই ক্ষৰ পুৰুষ স্বয়ং মহা বিষ্ণু ৰূপত থাকে আৰু নিজৰ পত্নী দুৰ্গাক মহালক্ষ্মী ৰূপত ৰাখি যি পুত্ৰ উৎপন্ন কৰে তাৰ নাম বিষ্ণু ৰাখে, সেইজন সন্তান সতগুণ যুক্ত হয়। এই কালে তৃতীয়খন স্থান তম গুণ প্ৰধান কৰি নিৰ্মাণ কৰিলে, তাত তেওঁ নিজে সদাশিৱ ৰূপত থাকে আৰু পত্নী দুৰ্গাক মহাপাৰ্বতী ৰূপত ৰাখে। দুয়োৰে পতি-পত্নী ব্যৱহাৰৰ ফলত


যি পুত্ৰ উৎপন্ন হয় সেই জনৰ নাম শিৱ ৰাখে আৰু তাক তমগুণ যুক্ত কৰি দিয়ে (প্ৰমাণৰ বাবে চাওঁক পবিত্ৰ শ্ৰীশিৱ মহাপুৰাণ, বিদ্যবেশ্বৰ সংহিতাৰ ২৪-২৬ পৃষ্ঠাত য'ত ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ তথা মহেশ্বৰৰ বাহিৰেও অন্য এজন সদাশিৱ আছে আৰু ৰুদ্ৰ সংহিতা ৬, ৭ আৰু ৯ অধ্যায়, পৃষ্ঠা ১০০ ৰ পৰা ১০৫ আৰু ১১০ ত যাৰ অনুবাদ কৰ্তা শ্ৰীহনুমান প্ৰসাদ পোদ্দাৰ, গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত আৰু পবিত্ৰ শ্ৰীমদদেবী মহাপুৰাণ, তৃতীয় স্কন্ধ, ১১৪ ৰ পৰা ১২৩ পৃষ্ঠালৈকে , গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত যাৰ অনুবাদ কৰ্তা শ্ৰীহনুমান প্ৰসাদ পোদ্দাৰ, চিমন লাল গোস্বামী)। আকৌ এওঁলোকক ছলনা কৰি নিজৰ আহাৰৰ বাবে শ্ৰীব্ৰহ্মাৰ দ্বাৰা জীৱৰ উৎপত্তি, শ্ৰীবিষ্ণুৰ দ্বাৰা স্থিতি (পৰস্পৰৰ মাজত মৰম স্নেহ উৎপন্ন কৰি কালৰ জালত বন্দী কৰা) আৰু শিৱৰ দ্বাৰা সংহাৰ কৰাৰ ব্যৱস্থা কৰে। কাৰণ কাল পুৰুষ অভিশপ্ত হোৱাত এক লাখ মানৱ শৰীৰধাৰী প্ৰাণীৰ সূক্ষ্ম শৰীৰৰ পৰা মলি উলিয়াই খায়। তাৰ বাবে একবিংশতিতম ব্ৰহ্মাণ্ডত এটা অত্যন্ত তপত শিলাখণ্ড আছে যি নিজে নিজেই সদায় গৰম হৈ থাকে। তাৰ ওপৰত জীৱবোৰক থৈ গৰম কৰিলে মলি ওলাই আহে, কাল ব্ৰহ্মই সেই মলি খায়। জীৱৰ মৃত্যু নহয়, কিন্তু অসহ্য কষ্ট ভোগ কৰে। আকৌ প্ৰাণীবোৰক কৰ্ম অনুসৰি ভিন-ভিন শৰীৰ প্ৰদান কৰে।

ওপৰত বৰ্ণনা কৰা তিনিটা গোপন ঠাইৰ প্ৰসংগ তলৰ উদাহৰণৰ পৰা স্পষ্ট হ'ব।


ধৰা হ'ল এটা ঘৰত তিনিটা কোঠা আছে। এটা কোঠা অশ্লীল ছবিৰে সজাই থোৱা আছে, তাত সোমাওঁতেই মনলৈ তেনেকুৱাই মলিন, অভদ্ৰ ভাৱ উৎপন্ন হ'ব। দ্বিতীয়টো কোঠা সাধু, সন্ত, ভকত আদিৰ ছবিৰে সজোৱা আছে, তালৈ গ'লে মনলৈ ভাল চিন্তা, ঈশ্বৰ ভক্তিৰ প্ৰেৰণা জাগে, তৃতীয়টো কোঠা দেশভক্ত আৰু শ্বহীদ সকলৰ ছবিৰে সজাই থোৱা আছে, এনে ছবিয়ে স্বাভাৱিকতে তেনেকুৱাই বীৰতাপূৰ্ণ দেশভক্তিৰ ভাৱ মনত উৎপন্ন কৰে। ঠিক এইদৰেই ব্ৰহ্মই (কালে) নিজৰ বিচাৰ বুদ্ধিৰে ওপৰোক্ত তিনিগুণ প্ৰধান স্থানৰ ৰচনা কৰি থৈছে।

এতিয়া ব্ৰহ্মলোকৰ লঘু চিত্ৰ আৰু জ্যোতি নিৰঞ্জন (কাল) ব্ৰহ্মৰ ২১ ব্ৰহ্মাণ্ডৰ লঘু চিত্ৰ চাওক।

# এখন ব্ৰহ্মাণ্ডৰ লঘু চিত্ৰ



# জ্যোতি নিৰঞ্জন (কাল) ব্ৰহ্মৰ লোক (২১ ব্ৰহ্মাণ্ড)ৰ লঘু চিত্ৰ



## (“সম্পূৰ্ণ সৃষ্টি ৰচনা”)

### (সুক্ষ্মবেদৰ সাৰভাগ সৃষ্টি ৰচনাৰ বৰ্ণনা)

প্ৰভূ প্ৰেমী আত্মাই প্ৰথম বাৰ তলৰ সৃষ্টি ৰচনা পঢ়িলে ইয়াক মনে সজা কাহিনী বুলিহে কব। কিন্তু যেতিয়া সকলো পবিত্ৰ সৎগ্ৰন্থত উল্লেখ কৰা প্ৰমাণ পঢ়ি যাব তেতিয়া স্তম্ভিত হৈ ভাবিব এনে বাস্তৱিক অমৃত জ্ঞান কত লুকাই আছিল। অনুগ্ৰহ কৰি ধৈৰ্য ধৰি পঢ়ি যাওক আৰু এই অমৃত জ্ঞানক হৃদয়ঙ্গম কৰক। আপোনাৰ এশ এক পুৰুষলৈ কামত আহিব। হে পুণ্যাত্মা সকল, অনুগ্ৰহ কৰি সত্যনাৰায়ণ অবিনাশী প্ৰভূ/সত্যপুৰুষ) ৰ দ্বাৰা ৰছিত সৃষ্টি ৰচনাৰ বাস্তৱিক জ্ঞান পঢ়ক।

১। পূৰ্ণ ব্ৰহ্ম ঃ এই সৃষ্টি ৰচনাত সৎপুৰুষ - সৎলোকৰ স্বামী (প্ৰভূ), অলখ পুৰুষ -অলখ লোকৰ স্বামী (প্ৰভূ), অগম পুৰুষ-অগম লোকৰ স্বামী (প্ৰভূ) আৰু অনামী পুৰুষ -অনামী অকহ লোকৰ স্বামী (প্ৰভূ) এই সকলো মূলত ঃ এজনেই পূৰ্ণব্ৰহ্ম, যিজন প্ৰকৃত অবিনাশী প্ৰভূ আৰু যিজনে বিভিন্ন ৰূপ লৈ নিজৰ চাৰিটা লোকত থাকে, যাৰ ভিতৰত অসংখ্য ব্ৰহ্মাণ্ড অৱস্থিত।

২। পৰব্ৰহ্ম ঃ এওঁ মাথোন সাত শংখ ব্ৰহ্মাণ্ডৰ স্বামী (প্ৰভূ) এওঁক অক্ষৰ পুৰুষ বোলে। এওঁ আৰু এওঁৰ ব্ৰহ্মাণ্ড দুয়ো বাস্তৱত বিনাশী হয়।

৩। ব্ৰহ্ম ঃ এওঁ কেৱল একৈশ ব্ৰহ্মাণ্ডৰ স্বামী (প্ৰভূ)। এওঁক ক্ষৰ পুৰুষ, জ্যোতি নিৰঞ্জন, কাল আদি উপমাৰে ৰিজোৱা হয়। এওঁ আৰু এওঁৰ সকলো ব্ৰহ্মাণ্ড নাশৱান।


(উপৰোক্ত তিনি পুৰুষৰ (প্ৰভূৰ) প্ৰমাণ পবিত্ৰ শ্ৰীমদভাগৱত গীতা অধ্যায় ১৫ শ্লোক নং ১৬-১৭ ত আছে)।

# পৰমেশ্বৰ কবীৰ পৰমাত্মাৰ অসংখ্য ব্ৰহ্মাণ্ডৰ লঘু চিত্ৰ

অনামী লোক ঃ- এই লোকত কবীৰ চাহেব অনামী পুৰুষ ৰূপে থাকে। ইয়াত অকলে থাকে।

অগম লোক ঃ- এই লোকতো কবীৰ পৰমাত্মা অগম পুৰুষৰ ৰূপত থাকে।

অলখ লোক ঃ- এই লোকতো কবীৰ পৰমাত্মা অলখ পুৰুষ ৰূপত থাকে।



৪।ব্ৰহ্মা ঃ ব্ৰহ্মৰ জেষ্ঠ পুত্ৰ ব্ৰহ্মা। বিষ্ণু দ্বিতীয় পুত্ৰ। শিৱ তৃতীয় অন্তিম পুত্ৰ। এই তিনিওজন ব্ৰহ্মৰ পুত্ৰ মাথোন একোটাকৈ বিভাগ (গুণ) ৰ স্বামী (প্ৰভূ) আৰু নাশৱান। বিস্তৃত বিৱৰণৰ বাবে অনুগ্ৰহ কৰি নিম্ন লিখিত সৃষ্টি ৰচনা পঢ়ক।

কবীৰদেৱে (কবীৰ পৰমাত্মা) সুক্ষ্মবেদ অৰ্থাৎ কবিৰ বাণীত নিজৰ দ্বাৰা ৰছিত সৃষ্টিৰ জ্ঞান নিজে বৰ্ণনা কৰিছল- যি জ্ঞান নিম্নলিখিত ধৰণৰ।

সৰ্বপ্ৰথমে মাথোন এটা স্থান অনামী (অনাময়) লোক আছিল। যাক অকহ লোক বুলিও কোৱা হয়, পূৰ্ণ পৰমাত্মা সেই অনামী লোকত অকলশৰে আছিল। সেই পৰমাত্মাৰ বাস্তৱিক নাম কবীৰদেৱ অৰ্থাৎ কবীৰ পৰমেশ্বৰ। সকলো আত্মা সেই পূৰ্ণ পৰমাত্মাৰ শৰীৰত নিহিত হৈ আছিল। এই কবীৰদেৱৰ তুলনাত্মক (পদবী) নাম অনামী পুৰুষ। (পুৰুষৰ অৰ্থ প্ৰভূ হয়। প্ৰভূৱে মানুহক নিজৰ লেখিয়াকৈ গঢ় দিছে, এই বাবে মানুহৰ নাম পুৰুষ হৈছে।) অনামী পুৰুষৰ এটা ৰোম কুপৰ প্ৰকাশ (উজ্বলতা) সংখ্য সূৰ্যৰ পোহৰতকৈও অধিক হয়।

বিশেষ ঃ কোনো দেশৰ আদৰণীয় প্ৰধান মন্ত্ৰী মহাশয়ৰ শৰীৰৰ নাম বেলেগ থাকে আৰু পদবীৰ নামত প্ৰধানমন্ত্ৰী লিখা হয়। কেতিয়াবা প্ৰধানমন্ত্ৰীয়ে নিজৰ লগত একাধিক বিভাগ ৰাখে। যেতিয়া যি বিভাগৰ নথি পত্ৰত চহী দিবৰ প্ৰয়োজন হয় তেতিয়া সেই বিভাগৰ পদবীৰ নামত চহী দিয়ে। যেনে ঃ গৃহ মন্ত্ৰালয়ৰ নথিপত্ৰত গৃহমন্ত্ৰী বুলি চহী দিব আৰু গৃহমন্ত্ৰীৰ ক্ষমতাৰ আধাৰত কাম হব। মানুহ এজনেই, কিন্তু পদবী অনুসৰি একেজন মানুহৰ ক্ষমতা বেলেগ বেলেগ হব। এইদৰেই কবীৰ পৰমেশ্বৰৰ (কবিদেৱৰ) পোহৰৰ তীক্ষ্ণতা বেলেগ বেলেগ লোকত বেলেগ বেলেগ হয়।

ঠিক তেনেদৰে পূৰ্ণ পৰমাত্মা কবিৰ্দেৱে (কবীৰ পৰমেশ্বৰে) তলৰ অন্য তিনিটা লোক (অগম লোক, অলখ লোক, সত্যলোক) ৰ ৰচনা শব্দে (বচন) ৰে কৰিলে। এই পূৰ্ণব্ৰহ্ম পৰমাত্মা কবিৰ্দেৱ (কবীৰ পৰমেশ্বৰ) নিজেই অগম লোকত বিদ্যমান হল আৰু কবিৰ্দেৱ (কবীৰ পৰমেশ্বৰ) অগম লোকৰো স্বামী আৰু তাত এওঁৰ তুলনাত্মক (পদবী) নাম অগম পুৰুষ অৰ্থাৎ অগম প্ৰভূ। এই অগম পুৰুষৰ মানৱ সদৃশ শৰীৰ বহুত তেজোময় যাৰ এটা ৰোম কুপৰ পোহৰ দহ হাজাৰ কোটি সূৰ্যৰ পোহৰতকৈ অধিক।

এই পূৰ্ণ পৰমাত্মা কবিৰ্দেৱ (কবিৰদেৱ= কবীৰ পৰমেশ্বৰ) অলখ লোকত বিদ্যমান হল আৰু তেওঁ নিজেই অলখ লোকৰো স্বামী আৰু তেওঁৰ পদবীৰ নাম অলখ পুৰুষ এই পৰমেশ্বৰৰেই নাম হয়। এই পূৰ্ণ প্ৰভূৰ মানৱ সদৃশ শৰীৰ তেজোময়, স্বয়ং প্ৰকাশিত হয়। এক ৰোম কুপৰ পোহৰ এশ কোটি সূৰ্যৰ পোহৰতকৈও বেছি হয়।

এই পূৰ্ণ প্ৰভূ সত্যলোকত বিদ্যমান হল আৰু সত্যলোকৰো অধিপতি এওঁৱেই। গতিকে এওঁৰ তুলনাত্মক (পদবীৰ) নাম সতপুৰুষ (অবিনাশী প্ৰভূ) হয়।

এওঁৰেই নাম অকালমূৰ্ত্তি, শব্দ স্বৰূপী ৰাম-পূৰ্ণ, ব্ৰহ্ম, পৰম অক্ষৰ ব্ৰহ্ম ইত্যাদি হয়। এই সতপুৰুষ কবিৰ্দেৱ (কবীৰ প্ৰভূ) ৰ মানৱ সদৃশ শৰীৰ তেজোময় হয়। এওঁৰ এক ৰোম কুপৰ প্ৰকাশ কোটি সূৰ্য আৰু কোটি চন্দ্ৰমাৰ পোহৰতকৈ বেছি।

এই কবিৰ্দেৱ (কবীৰ প্ৰভূ) পূৰ্ণ ব্ৰহ্মই সতপুৰুষ ৰূপত সত্যলোকত বিৰাজ মান হৈ প্ৰথমতে সত্যলোকত অন্য ৰচনা কৰিলে।

এটা শব্দেৰে যোল্লটা দ্বীপ ৰচনা কৰিলে। আকৌ যোল্লটা শব্দেৰে যোলজন পুত্ৰৰ উৎপত্তি কৰিলে। এক মানসৰোবৰ ৰছনা কৰি তাত অমৃত ভৰাই দিলে। যোলজন পুত্ৰৰ নাম হল - ১) কুৰ্ম ২) জ্ঞানী ৩) বিবেক ৪) তেজ ৫) সহজ ৬) সন্তোষ ৭) সুৰতি ৮) আনন্দ ৯) ক্ষমা ১০) নিষ্কাম ১১) জল ৰঙ্গী ১২) অচিন্ত ১৩) প্ৰেম ১৪) দয়াল ১৫) ধৈৰ্য ১৬) যোগ সন্তায়ণ অৰ্থাৎ যোগজীত।


সতপুৰুষ কবিৰ্দেৱে নিজৰ পুত্ৰ অচিন্তক শক্তি প্ৰদান কৰি সত্যলোকত অন্য ৰছনাৰ দায়িত্ব অৰ্পণ কৰিলে। অচিন্তই অক্ষৰ পুৰুষ (পৰব্ৰহ্ম)ৰ শব্দৰ দ্বাৰা উৎপত্তি কৰি তেখেতক সহায় কৰিবলৈ কলে। অক্ষৰ পুৰুষ মান সৰোবৰ লৈ গা-ধুবলৈ গৈ আনন্দত বিভোৰ হৈ নিদ্ৰামগ্ন হৈ বহুসময়লৈকে বাহিৰলৈ নাহিল।

যেতিয়া অচিন্তই অক্ষৰ পুৰুষক টোপনিৰ পৰা জগাবলৈ কবীৰ পৰমেশ্বৰক প্ৰাৰ্থনা কৰিলে কবিৰ্দেৱে (কবীৰ পৰমেশ্বৰে) সেই মান সৰোবৰৰ পৰা অলপ অমৃত জল লৈ এটা কণী তৈয়াৰ কৰিলে। সেই কণীটোত এটা আত্মা প্ৰৱেশ কৰাই তাক মানসৰোবৰৰ অমৃত জলত এৰি দিলে। কণীৰ গুম-গুমনিত অক্ষৰ পুৰুষৰ টোপনি ভাঙিল। তেওঁ কণীটোক খঙেৰে চালে, ফলত কণীটো দুভাগ হৈ গল। তাৰ পৰা জ্যোতি নিৰঞ্জন (ক্ষৰ পুৰুষ) ওলাল যি পাছলৈ কাল বুলি খ্যাত হল। ইয়াৰে বাস্তৱিক নাম “কৈল” হয়। তেতিয়া সৎপুৰুষে (কবিৰ্দেৱ) দৈৱ বাণী কৰিলে যে তেওঁলোক দুয়ো বাহিৰলৈ ওলাই আহি অচিন্তৰ দ্বীপত থাকিব। (শিশুৰ নিৰ্বোধিতা তেওঁলোকক আঙুলিয়াই দিলে যাতে আকৌ নিজকে প্ৰভূ বুলি নাভাৰিব, কাৰণ সমৰ্থবানৰ অবিহনে কোনো কাৰ্য সফল নহয়)। আকৌ সৰ্বশক্তিমান কৰ্বিদেৱে সকলো ৰছনা নিজেই কৰিলে। নিজৰ শব্দ শক্তিৰে এক ৰাজেশ্বৰী (ৰাষ্ট্ৰীয়) শক্তিৰ উৎপন্ন কৰিলে যাৰ দ্বাৰা সকলো ব্ৰহ্মাণ্ড স্থাপন কৰিলে। ইয়াক পৰাশক্তি, পৰানন্দনীও বোলে। পূৰ্ণ ব্ৰহ্মই সকলো আত্মাক নিজৰ ভিতৰতে নিজৰ বচন শক্তিৰ দ্বাৰা নিজৰ দৰে মানৱ সদৃশ কৰি উৎপন্ন কৰিলে। প্ৰত্যেক হংস আত্মাৰ শৰীৰ পৰমাত্মাৰ শৰীৰৰ দৰে ৰচনা কৰিলে যাৰ তেজ (দীপ্তি, জ্যোতি) ১৬ সূৰ্যৰ সমান মানৱ সদৃশ হল। কিন্তু পৰমেশ্বৰৰ শৰীৰৰ এটা ৰোম কুপৰ প্ৰকাশ (দীপ্তি) কোটি কোটি সূৰ্যতকৈও বেছি আছে। বহুত সময়ৰ পাছত ক্ষৰ পুৰুষে (জ্যোতি নিৰঞ্জন) ভাবিলে যে আমি তিনিও (অচিন্ত, অক্ষৰ পুৰুষ, ক্ষৰ পুৰুষ) এটা দ্বীপত বাস কৰি আছোঁ আৰু অন্যলোক এটা এটা দ্বীপত বাস কৰি আছে। ক্ষৰ পুৰুষে নিজে সাধনা কৰি নিজৰ বাবে এটা বেলেগ দ্বীপ প্ৰাপ্তি কৰাৰ কথা ভাবিলে। তেওঁ এটা ভৰিত থিয় হৈ সত্তৰ (৭০) যুগলৈকে তপস্যা কৰিলে।

## “জীৱাত্মা কালৰ জালত কেনেকৈ বন্দী হ’ল”

বিশেষ ঃ ব্ৰহ্মই (জ্যোতি নিৰঞ্জনে) তপস্যা কৰি থকা দেখি আমি সকলো আত্মা, যিসকল আজি জ্যোতি নিৰঞ্জনৰ একৈশ ব্ৰহ্মাণ্ডত আছোঁ, তেওঁৰ সাধনাৰ প্ৰতি আসক্ত হলোঁ আৰু হৃদয়ৰে সৈতে তেওঁক বিচাৰিবলৈ ধৰিলোঁ। নিজৰ সুখদাতা প্ৰভূ সত্য পুৰুষৰ পৰা বিমুখ হৈ গলোঁ। পূৰ্ণ প্ৰভূৰে বাৰে বাৰে সাৱধান কৰি দিয়াৰ পিছতো ক্ষৰ পুৰুষৰ পৰা আমাৰ আসক্তি আঁতৰ নহল। (এই প্ৰভাৱ আজিও কাল সৃষ্টিত দেখা পোৱা যায়, যেনে ঃ কিশোৰ কিশোৰী সকলে কথা ছবিৰ অভিনেতা অভিনেত্ৰীৰ কৃত্ৰিম অভিনয়, ভাৱ-ভঙ্গী (জীৱন নিৰ্বাহৰ বাবে কৰা) ত বেয়া ধৰণে আসক্ত হৈ পৰে, বাধা দিলেও নামানে। যদি কোনো অভিনেতা অভিনেত্ৰী ওচৰৰ চহৰলৈ আহে, তেওঁলোকক চাবলৈ সেই নিৰ্বোধ যুৱক-যুৱতী সকলে বহু সংখ্যাত আহি ভিৰ কৰে। নিজৰ মা-দেউতাৰ কষ্টো পাৰ্জিত ধন খৰছ কৰে, লাভ হলে একো নাই, সময়ো অবাবত খৰছ হয়। অভিনেতা অভিনেত্ৰী সকলে জীৱিকা উৰ্পাজন কৰি আছে, লৰা-ছোৱালীবোৰৰ ধন কব নোৱৰাকৈ লুটি নি আছে। মা দেউতাই কিমান বুজনি দিয়ে, কিন্তু নুশুনে। কৰবাত কেনেবাকৈ লুকাই-চুৰকৈ হলেও যাবই।)পূৰ্ণ ব্ৰহ্ম কবিৰ্দেৱে (কবীৰ প্ৰভূ) ক্ষৰ পুৰুষৰ তপস্যা দেখি তেওঁক সুধিলে যে তেওঁ কি বিচাৰিছে। তেওঁ কলে, “ পিতাদেউ, এই স্থান মোৰ বাবে কম হৈছে, অনুগ্ৰহ কৰি মোক সুকীয়াকৈ দ্বীপ প্ৰদান কৰক।” সতপুৰুষ কবীৰ পৰমাত্মাই তেওঁক ২১ (একৈশ) টা ব্ৰহ্মাণ্ড প্ৰদান কৰিলে। কালান্তৰত (কিছু সময়ৰ অন্তৰালত) জ্যোতি নিৰঞ্জনে ভাবিলে যে তাত কিবা নহয় কিবা ৰছনা কৰা উচিত হব। উদং ব্ৰহ্মাণ্ডৰ কাম কি ? এই ভাবি আকৌ ৭০ যুগলৈকে তপস্যা কৰি পূৰ্ণ পৰমাত্মা কবিৰ্দেৱৰ (কবীৰ প্ৰভূ) পৰা ৰছনাৰ বাবে সামগ্ৰী দিবলৈ প্ৰাৰ্থনা কৰিলে। সতপুৰুযে তেওঁক তিনি গুণ আৰু পাঁচ তত্ব দিলে যাৰ সহায়ত ব্ৰহ্মই (জ্যোতি নিৰঞ্জন) নিজৰ ব্ৰহ্মাণ্ডত কিছু ৰচনা কৰিলে। আকৌ ভাবিলে যে এই ব্ৰহ্মাণ্ডত কিছু জীৱও থাকিব লাগে, অকলে ভাল নালাগিব। এই চিন্তা কৰি ৬৪ (চৌষষ্ঠি) যুগলৈকে আকৌ তপস্যা কৰিলে। পূৰ্ণ পৰমাত্মা কবিৰ দেৱে সোধাত ক’লে যে তেওঁক কিছুমান আত্মা দিব লাগে, অকলে ভাল লগা নাই। তেতিয়া সতপুৰুষ কবিৰগ্নিয়ে (কবীৰ পৰমেশ্বৰ) কলে যে ব্ৰহ্মক, তেওঁৰ তপস্যাৰ প্ৰতিফল স্বৰূপে আৰু ব্ৰহ্মাণ্ড দিব পাৰিব, কিন্তু তেখেতৰ আত্মাক কোনো জপ-তপ-সাধনাৰ প্ৰতিফল ৰূপে দিব নোৱাৰে। যদিহে কোনো আত্মা নিজ ইচ্ছাৰে যাব বিচাৰে যাব পাৰে। সমৰ্থ কবীৰৰ কথা শুনি জ্যোতি নিৰঞ্জন আমাৰ (আমি আত্মা যি বৰ্ত্তমান এই কালৰ লোকত আছো) ওচৰলৈ আহিল। আমি সকলো হংসাত্মা আগৰে পৰাই তেওঁৰ প্ৰতি আসক্ত হৈ পৰিছিলোঁ। আমি তেওঁৰ চাৰিওফালে তেওঁক বেৰি থিয় হলোঁ। জ্যোতি নিৰঞ্জনে কলে যে তেওঁ আছুতীয়াকৈ ২১ ব্ৰহ্মাণ্ড পিতাদেউৰ পৰা প্ৰাপ্তি কৰিছে। তাত নানা ধৰণৰ মনোমোহা স্থান আছে, তোমালোক মোৰ লগত যাবা নে ? সকলো হংসই যি আজি একৈশ ব্ৰহ্মাণ্ডত প্ৰতাৰিত হৈ আছোঁ, কলোঁ যে যদিহে পিতাদেউয়ে অনুমতি দিয়ে আমি যাবলৈ প্ৰস্তুত। তেতিয়া ক্ষৰ পুৰুষ পূৰ্ণ ব্ৰহ্ম মহান কবিৰৰ (সমৰ্থ কবীৰ প্ৰভূৰ) ওচৰলৈ গল আৰু সকলো কথা কলে। তেতিয়া কবিৰগ্নিয়ে কলে যে তেওঁৰ সন্মুখত স্বীকৃতি দিয়া সকলক যাবলৈ আজ্ঞা দিব। ক্ষৰ পুৰুষ আৰু পৰম অক্ষৰ পুৰুষ দুয়ো সকলো হংসাত্মাৰ ওচৰলৈ গল।

# এখন ব্ৰহ্মাণ্ডৰ লঘু চিত্ৰ



সৎ কবীৰদেৱে ক'লে যে যি সকল হংসাত্মাই ব্ৰহ্মৰ লগত যাব বিচাৰে তেওঁলোকে হাত দাঙি স্বীকৃতি দিব লাগে। নিজৰ পিতাদেউৰ সন্মুখত কাৰো সাহস নহল। কোনেও স্বীকৃতি নিদিলে। বহুত সময় নিস্তব্ধতাই ছানি ধৰিলে। তাৰ পিছত এটা হংসাত্মাই সাহস কৰি কলে যে তেওঁ যাব বিচাৰে। তাকে দেখি (যি সকল আজি কালৰ (ব্ৰহ্মৰ) একৈশ ব্ৰহ্মাণ্ডত বন্দী হৈ আছো) আমি সকলো হংসাত্মাই স্বীকৃতি দিলোঁ। পৰমেশ্বৰ কবীৰদেৱে জ্যোতি নিৰঞ্জনক তেওঁৰ নিজৰ স্থানলৈ যাব কলে আৰু জনালে যে যি সকলে তেওঁৰ লগত যাবলৈ স্বীকৃতি দিছে কবীৰদেৱে সেই সকলো হংসাত্মাক ব্ৰহ্মৰ ওচৰলৈ পঠিয়াই দিব। তেতিয়ালৈকে জ্যোতি নিৰঞ্জনৰ নিজৰ একৈশ ব্ৰহ্মাণ্ড সত্যলোকত অৱস্থিত আছিল।

তাৰ পিছত পূৰ্ণ ব্ৰহ্মই প্ৰথমে স্বীকৃতি দিয়া হংসাত্মক ছোৱালীৰ ৰূপ দিলে কিন্তু স্ত্ৰী যোনি ৰছনা নকৰিলে আৰু সকলো আত্মাক (যিবিলাকে জ্যোতি নিৰঞ্জন (ব্ৰহ্ম) ৰ লগত যাবলৈ সন্মতি দিছিল) সেই ছোৱালীৰ শৰীৰত প্ৰৱেশ কৰাই দিলে, আৰু তাইৰ নাম অষ্টাঙ্গী (আদি মায়া/প্ৰকৃতি দেৱী/দুৰ্গা) ৰাখিলে। সত্যপুৰুষে তাইক পুত্ৰী বুলি সম্বোধন কৰি ক'লে, "তোমাক শব্দ শক্তি প্ৰদান কৰিছোঁ" আৰু ব্ৰহ্মই যিমান জীৱ বিচাৰে, সিমানেই জীৱ উৎপন্ন কৰি দিবলৈ অনুমতি দিলে। পূৰ্ণ ব্ৰহ্ম কবিৰ্দেৱে (কবীৰ চাহেব) নিজৰ পুত্ৰ সহজ দাসৰ দ্বাৰা দুৰ্গাক জ্যোতি নিৰঞ্জনৰ ওচৰলৈ পঠালে। সহজ দাসেও কলে যে পিতাদেউয়ে এইজনী ভনীৰ শৰীৰত সেই সকলো আত্মাক প্ৰৱেশ কৰাই দিছে যি সকলে ব্ৰহ্মৰ লগত যাবলৈ সন্মতি দিছিল, লগতে তাইক বচন শক্তিও প্ৰদান কৰিছে। ব্ৰহ্মই যিমান জীৱ বিচাৰে প্ৰকৃতি দেৱীয়ে নিজৰ শব্দ শক্তিৰে উৎপন্ন কৰি দিব। এই বুলি কৈ সহজ দাস উভতি নিজৰ দ্বীপলৈ আহিল।

যুৱতী হোৱা কাৰণে ছোৱালীজনীৰ (প্ৰকৃতি দেৱীৰ) ৰং, ৰূপ চেহেৰা জিলিকি আছিল। ব্ৰহ্মৰ অন্তৰত বিষয় বাসনা (কাম ভাৱ) জাগ্ৰত হল আৰু প্ৰকৃতি দেবীৰ লগত অভদ্ৰ আচৰণ কৰিবলৈ ধৰিলে। তেতিয়া দুৰ্গাই কলে যে তাইৰ লগত পিতাদেউয়ে (কবীৰ পৰমেশ্বৰে) প্ৰদান কৰা শব্দ শক্তি আছে। ব্ৰহ্মই যিমান জীৱ বিচাৰে তাই বচন শক্তিৰে উৎপন্ন কৰি দিব। দুৰ্গাই ব্ৰহ্মক মৈথুন পৰম্পৰা আৰম্ভ নকৰিবলৈ কলে। প্ৰকৃতি দেৱীয়ে ব্ৰহ্মক কলে যে ব্ৰহ্ম নিজে পৰম পিতাৰ শব্দৰ দ্বাৰা উৎপত্তি হৈছে আৰু পিছত তাই উৎপন্ন হৈছে, সম্বন্ধত দুয়ো ককাই-ভণী, তেওঁলোকৰ মাজত মিলন মহাপাপৰ কাৰণ হব। কিন্তু জ্যোতি নিৰঞ্জনে প্ৰকৃতি দেৱীৰ কোনো কাকুতি মিনতি নুশুনিলে আৰু নখেৰে নিজ শব্দ শক্তিৰ দ্বাৰা প্ৰকৃতি দেৱীৰ শৰীৰত স্ত্ৰী যোনি সংযোগ কৰি দিলে আৰু বলাৎকাৰ কৰিবলৈ মন মেলিলে। সেই সময়ত দুৰ্গাদেৱীয়ে নিজৰ মান সন্মান ৰক্ষা কৰাৰ আন একো উপায় নেদেখি সুক্ষ্ম ৰূপ ধাৰণ কৰি জ্যোতি নিৰঞ্জনৰ মেল খাই থকা মুখেদি পেটলৈ প্ৰৱেশ কৰি পূৰ্ণ ব্ৰহ্ম কবিৰ্দেৱক নিজৰ ৰক্ষাৰ্থে প্ৰাৰ্থনা কৰিলে। সেই সময়তে কবিৰ্দেৱ (কবীৰ দেৱ) নিজৰ পুত্ৰ যোগ সন্তায়ন অৰ্থাৎ যোগজীতৰ ৰূপ ধাৰণ কৰি তাত উপস্থিত হল আৰু কণ্যাক

(দুর্গা) ব্রহ্মৰ পেটৰ পৰা বাহিৰলৈ উলিয়ালে আৰু জ্যোতি নিৰঞ্জনক কলে যে সিদিনাৰ পৰা তাৰ নাম কাল হব। তাৰ জন্ম মৃত্যু হৈ থাকিব। তাৰ বাবেই তাৰ নাম ক্ষৰ পুৰুষ হব আৰু এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীক প্ৰতিদিনে খাব আৰু ১ লাখ ২৫ হেজাৰ উৎপন্ন কৰিব। এইবুলি কৈ কবীৰদেৱে দুয়োকে ২১ ব্ৰহ্মাণ্ডৰ সৈতে বহিষ্কাৰ কৰিলে। এনেকৈ কোৱা মাত্ৰকে একৈশ ব্ৰহ্মাণ্ড বিমানৰ দৰে গতি কৰিলে। সহজ দাসৰ দ্বীপৰ কাযেৰে গৈ সতলোকৰ পৰা যোল শংখ কোস (এক কোস - ৩.২ কিঃ মিঃৰ হয়) দূৰত গৈ ৰ'ল।

## বিশেষ বিৱৰণ ঃ এতিয়া তিনি শক্তিৰ বিৱৰণ দিওঁ।

১। পূর্ণব্রহ্ম, যি জনক অন্য তুলনাত্মক নামেৰেও জনা যায়, যেনে সত্যপুৰুষ, অকাল পুৰুষ, শব্দ স্বৰূপী ৰাম, পৰম অক্ষৰ ব্ৰহ্ম / পুৰুষ আদি। এই পূর্ণব্রহ্ম অসংখ্য ব্ৰহ্মাণ্ডৰ গৰাকী আৰু অবিনাশী।

২। পৰব্ৰহ্ম, যি জনক অক্ষৰ পুৰুষ বুলিও কোৱা হয়। এইজন প্ৰকৃততে অবিনাশী নহয়। এইজন সাত শংখ ব্ৰহ্মাণ্ডৰ গৰাকী হয়।

৩। ব্ৰহ্ম, যিজনক জ্যোতি নিৰঞ্জন কাল, কৈল, ক্ষৰ পুৰুষ আৰু ধৰ্মৰায় আদি নামেৰে জনা যায়। এওঁ মাত্ৰ একৈশ ব্ৰহ্মাণ্ডৰ অধিকাৰী। ২১ ব্ৰহ্মাণ্ডৰ পৰিচয় দিয়া হব যত আৰু তিনিটা নাম পঢ়িবলৈ পাব, ব্ৰহ্মা, বিষ্ণু আৰু শিৱ।

ব্ৰহ্ম আৰু ব্ৰহ্মাৰ মাজত পাৰ্থক্য ঃ এটা ব্ৰহ্মাণ্ডত থকা সকলোতকৈ উচ্চতম স্থানত ব্ৰহ্মই (ক্ষৰ পুৰুষ) নিজে তিনিটা গোপন স্থান ৰছনা কৰি ব্ৰহ্মা, বিষ্ণু তথা শিৱৰ ৰূপত থাকে আৰু নিজৰ পত্নী প্ৰকৃতি (দুৰ্গা) ৰ সহযোগত তিনিজন পুত্ৰৰ উৎপত্তি কৰে।

তেওঁলোকৰ নামো ব্ৰহ্মা, বিষ্ণু আৰু শিৱ থলে। ব্ৰহ্মা, যি জন ব্ৰহ্মৰ পুত্ৰ, এটা ব্ৰহ্মাণ্ডত কেৱল তিনিলোকৰ (পৃথিৱী, স্বৰ্গ আৰু পাতাল) ৰজগুণ বিভাগৰ মন্ত্ৰী (গৰাকী) এইজন ব্ৰহ্মাক ত্ৰিলোকীয় ব্ৰহ্মা আৰু যি জন ব্ৰহ্ম ব্ৰহ্মলোকত ব্ৰহ্মাৰূপে থাকে তেওঁক মহাব্ৰহ্মা বা ব্ৰহ্মলোকীয় ব্ৰহ্মা বুলি কোৱা হয়। এইজন ব্ৰহ্মক (কাল) সদাশিৱ, মহাশিৱ, মহাবিষ্ণুও কোৱা হয়।

শ্ৰী বিষ্ণু পুৰাণত প্ৰমাণ ঃ শ্ৰীবিষ্ণু পুৰাণৰ চতুৰ্থ অংশৰ প্ৰথম অধ্যায়ৰ ২৩০-২৩১ পৃষ্ঠাত শ্ৰীব্ৰহ্মাদেৱে কৈছেঃ যি অজন্মা, সৰ্বময় বিধাতা পৰমেশ্বৰৰ আদি,মধ্য, অন্ত, স্বৰূপ, স্বভাৱ আৰু সাৰ আমি জানিব নোৱাৰোঁ (শ্লোক ৮৩)

যি জনে মোৰ ৰূপ ধাৰণ কৰি সংসাৰ ৰচনা কৰে, স্থিতিৰ সময়ত যিজনে পুৰুষ ৰূপত থাকে আৰু যিজনে ৰুদ্ৰ ৰূপ লৈ বিশ্বক গ্ৰাস কৰে, অনন্ত ৰূপেৰে সম্পূৰ্ণ জগতক ধাৰণ কৰে (শ্লোক ৮৬)

## "শ্ৰী ব্ৰহ্মাদেৱ, শ্ৰীবিষ্ণু দেৱ আৰু শ্ৰী শিৱদেৱৰ উৎপত্তি"

কালে (ব্ৰহ্ম) প্ৰকৃতি (দুৰ্গা) ক কলে যে এতিয়া কোনেও তাৰ একো হানি কৰিব নোৱাৰে। যি মন যায় কৰি যাব। প্ৰকৃতিয়ে আকৌ প্ৰাৰ্থনা কৰিলে যে কালে মান-মৰ্যদাৰ প্ৰতি ধ্যান দিব লাগে কাৰণ লোক লাজ বোলা কথা এটাও আছে। প্ৰথম কথা হ'ল কাল প্ৰকৃতিৰ ককায়েক, কাৰণ সেই পূৰ্ণ পৰমাত্মা

(কৰ্বিদেৱ) ৰ বচন শক্তিৰে কণীৰ পৰা ব্ৰহ্মৰ উৎপত্তি হৈছে। দ্বিতীয়তে প্ৰকৃতি কালৰ পেটৰ পৰা ওলাইছে, কালৰ পুত্ৰী প্ৰকৃতি আৰু সেই সূত্ৰে কাল প্ৰকৃতিৰ পিতা। এনে পবিত্ৰ সম্বন্ধত কালিমা সানিলে মহাপাপ হব। প্ৰকৃতিয়ে আকৌ কলে যে তাইৰ লগত পিতাদেউয়ে দিয়া শব্দ শক্তি আছে, কালে যিমান প্ৰাণী লাগে বুলি কব তাই উৎপন্ন কৰি দিব। জ্যোতি নিৰঞ্জনে দুৰ্গাৰ এটাও কথা নুশুনিলে আৰু কলে যে যি শাস্তি পাব লগা আছিল, পাই থৈছে। সত্যলোকৰ পৰা বহিস্কৃত হলোঁ। এতিয়া মই -মতালিৰে চলিম। এই দৰে কৈ কাল পুৰুষে (ক্ষৰ পুৰুষ) প্ৰকৃতিৰ লগত শক্তি প্ৰয়োগ কৰি বিয়া পাতিলে আৰু তিনিওজন পুত্ৰ (ৰজগুণযুক্ত ব্ৰহ্মা, সতগুণ যুক্ত বিষ্ণু আৰু তমগুণ যুক্ত শিৱ) ৰ উৎপত্তি কৰিলে। ডেকা হোৱালৈকে তিনিও পুত্ৰক দুৰ্গাৰ হতুৱাই অচেতন কৰি থলে। জোৱান হোৱাৰ পিছত শ্ৰী ব্ৰহ্মাক পদুম ফুলৰ ওপৰত, শ্ৰীবিষ্ণুক শেষনাগৰ শয্যাৰ ওপৰত, শিৱক কৈলাশ পৰ্বতত ৰাখি তিনিওকে চেতন কৰিলে। তাৰ পিছত প্ৰকৃতি (দুৰ্গা) ৰ দ্বাৰা এওঁলোক তিনিওৰে বিবাহ পাতি দিয়া হল আৰু এটা ব্ৰহ্মাণ্ডৰ তিনিটা লোকত (স্বৰ্গ, পৃথিৱী, পাতাল) এটা এটা বিভাগৰ মন্ত্ৰী (প্ৰভূ) নিযুক্ত কৰি দিয়ে। যেনে ঃ শ্ৰী ব্ৰহ্মা দেৱক ৰজগুণ বিভাগৰ আৰু বিষ্ণু দেৱক সৎগুণ বিভাগৰ আকৌ শিৱক তমগুণ বিভাগৰ মন্ত্ৰী নিযুক্ত কৰে। ব্ৰহ্ম নিজে গুপ্ত (মহাব্ৰহ্মা- মহাবিষ্ণু-মহাশিৱ) ৰূপত মুখ্যমন্ত্ৰীৰ পদবীত থাকে। এটা ব্ৰহ্মণ্ডত এটা ব্ৰহ্ম লোকৰ ৰছনা কৰা হৈছে। তাত তিনিটা গোপন ঠাই নিৰ্মাণ কৰিলে। ইয়াৰে এটা স্থান ৰজগুণ প্ৰধান যত এই ব্ৰহ্ম (কাল) স্বয়ং মহাব্ৰহ্মা (মুখ্য মন্ত্ৰী) ৰূপত থাকে আৰু নিজৰ পত্নী দুৰ্গাক মহাসাবিত্ৰী ৰূপত ৰাখে। এই দুইৰ মিলনৰ ফলত যি পুত্ৰ এই স্থানত উৎপত্তি হয় সেইজনা আপোনা আপুনি ৰজগুণী হৈ যায়। দ্বিতীয়তে মহাবিষ্ণু ৰূপত থাকে আৰু নিজৰ পত্নী দুৰ্গাক মহালক্ষ্মী ৰূপত ৰাখি যি পুত্ৰ উৎপন্ন কৰে তাৰ নাম বিষ্ণু থয়, সেইজন পুত্ৰ সতগুণ যুক্ত হয়। এই কালে তৃতীয় স্থান এটা তমগুণ প্ৰধান ক্ষেত্ৰ বনায় তাত তেওঁ নিজে সদাশিৱ ৰূপত থাকে আৰু পত্নী দুৰ্গাক মহাপাৰ্বতী ৰূপত থয়। এই দুইৰ পতিপত্নী ব্যৱহাৰৰ ফলত যি পুত্ৰ উৎপন্ন হয় সেইজনৰ নাম শিৱ থয় আৰু তাক তমগুণ যুক্ত কৰি দিলে। (প্ৰমাণৰ বাবে চাওক) পবিত্ৰ শ্ৰী শিৱ মহাপুৰাণ , বিদ্যেশ্বৰ সংহিতা, ২৪-২৬ পৃষ্ঠা, য'ত ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ তথা মহেশ্বৰৰ বাহিৰেও অন্য এজন সদা শিৱ আছে। ২) ৰুদ্ৰ সংহিতা ৬, ৭ আৰু ৯ অধ্যায়ত ১০০ পৰা ১০৫ আৰু ১১০ পৃষ্ঠাত যাৰ অনুবাদ কৰ্ত্তা শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰ, গীতা প্ৰেছ গোৰখ পুৰৰ পৰা প্ৰকাশিতত) পবিত্ৰ শ্ৰীমদ দেৱী মহাপুৰাণ, তৃতীয় স্কন্ধ, ১১৪ ৰ পৰা ১২৩ পৃষ্ঠা লৈকে,গীতা প্ৰেস গোৰখ পুৰৰ পৰা প্ৰকাশিত যাৰ অনুবাদ কৰ্ত্তা শ্ৰীহনুমান প্ৰসাদ পোদ্দাৰ, চিমন লাল গোস্বামী)। আকৌ এওঁলোকক ছলনা কৰি নিজৰ আহাৰৰ বাবে শ্ৰীব্ৰহ্মাৰ দ্বাৰা জীৱৰ উৎপত্তি, শ্ৰীবিষ্ণুৰ দ্বাৰা স্থিতি (পৰস্পৰৰ মাজত মৰম স্নেহ উৎপন্ন কৰি কালৰ জালত বন্দীকৰা) আৰু শিৱৰ দ্বাৰা সংহাৰ কৰাৰ ব্যৱস্থা কৰে। কাৰণ

কাল পুৰুষ অভিশপ্ত হোৱাত এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰৰ পৰা মলি উলিয়াই খাব লাগে। তাৰ বাবে একবিংশতিতম ব্ৰহ্মাণ্ডত এটা অত্যন্ত তপত শিলাখণ্ড আছে যিটো নিজে নিজেই সদায় গৰম হৈ থাকে। তাৰ ওপৰত জীৱ বোৰক থৈ গৰম কৰিলে মলি ওলাই আহে, কাল ব্ৰহ্মই সেই মলি খায়। জীৱৰ মৃত্যু নহয় কিন্তু অসহ্য কষ্ট ভোগ কৰে। আকৌ প্ৰাণীবোৰক কৰ্ম অনুসৰি ভিন ভিন শৰীৰ প্ৰদান কৰে। ওপৰত বৰ্ণনা কৰা তিনিটা গোপন ঠাইৰ প্ৰসংগ তলৰ উদাহৰণৰ দ্বাৰা স্পষ্ট হৈ পৰিব।

ধৰা হ'ল এটা ঘৰত তিনিটা কোঠা আছে। এটা কোঠা অশীল ছবিৰে সজাই থোৱা আছে। তাত সোমাওঁতেই মনলৈ তেনেকুৱাই মলিন, অভদ্ৰ ভাৱ উৎপন্ন হব। দ্বিতীয়টো কোঠা সাধু সন্ত ভকত আদিৰ ছবিৰে সজোৱা আছে। তালৈ গলে মনলৈ ভাল চিন্তা, ঈশ্বৰৰ প্ৰতি ভক্তি আহে। তৃতীয়টো কোঠা দেশভক্ত আৰু শ্বহীদ সকলৰ ছবিৰে সজাই থোৱা আছে, এনে ছবিয়ে স্বাভাৱিকতে তেনেকুৱাই বীৰতা পূৰ্ণ দেশভক্তিৰ ভাব মনত উৎপন্ন কৰে। ঠিক এইদৰেই ব্ৰহ্মই (কাল) নিজৰ বিচাৰ বুদ্ধিৰে ওপৰোক্ত তিনি গুণ প্ৰধান স্থানৰ ৰচনা কৰি থৈছে।

## "প্ৰমাণৰ সৈতে তিনিগুণৰ ব্যাখ্যা"

তিনিগুণ ৰজগুণ ব্ৰহ্মাদেৱ, সতগুণ বিষ্ণুদেৱ, তমগুণ শিৱদেৱ হয়। এওঁলোক ব্ৰহ্ম (কাল) আৰু প্ৰকৃতি (দুৰ্গা) ৰ পৰা উৎপন্ন হৈছে আৰু তিনিও নাশৱান হয়।

১। প্ৰমাণ ঃ গীতা প্ৰেছ গোৰখ পুৰৰ পৰা প্ৰকাশিত শ্ৰী শিৱ মহাপুৰাণ, সম্পাদক শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰ, ২৪-২৬ পৃষ্ঠাত থকা 'বিদ্যেশ্বৰ সংহিতা' আৰু অধ্যায় ৯ পৃষ্ঠা ১১০ ৰুদ্ৰ সংহিতা ৰ পৰা উদ্ধৃত "এইদৰে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ তিনিও দেৱতাত গুণ আছে, কিন্তু শিৱ (ব্ৰহ্মকাল) ক গুনাতীত কোৱা হৈছে।"

২। প্ৰমাণ ঃ গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত শ্ৰীমদদেৱী ভাগৱত পুৰাণ, সম্পাদক শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰ, চিমন লাল গোস্বামী, তৃতীয় স্কন্ধ, পঞ্চম অধ্যায় ১২৩ পৃষ্ঠাৰ পৰা উদ্ধৃতঃ ভগৱান বিষ্ণুৱে দুৰ্গাক স্তুতি কৰি ক'লে, মই (বিষ্ণু) ব্ৰহ্মা আৰু শঙ্কৰ আপোনাৰ কৃপাতে বিদ্যমান। আমাৰ আবিৰ্ভাৱ (জন্ম) আৰু তিৰোভাৱ (মৃতু) হয়। আমি নিত্য (অবিনাশী) নহওঁ। আপুনিহে নিত্য, জগত জননী, প্ৰকৃতি আৰু সনাতনী দেৱী হয়।" ভগৱান শঙ্কৰে কলে , "যদি ভগৱান ব্ৰহ্মা আৰু ভগৱান বিষ্ণু দুয়ো আপোনাৰ পৰা উৎপন্ন হৈছে তেতিয়া হলে তেওঁলোকৰ পিছত উৎপন্ন হোৱা মই তমগুণী লীলা কৰা শঙ্কৰ আপোনাৰ সন্তান নহওঁ জানো ? অৰ্থাৎ মোক আপুনিয়েই উৎপন্ন কৰিছে। এই সংসাৰৰ সৃষ্টি, স্থিতি, সংহাৰ কাৰ্য আপোনাৰ গুণৰ প্ৰভাৱত হয়। এই তিনি গুণেৰে উৎপন্ন আমি ব্ৰহ্মা, বিষ্ণু আৰু শঙ্কৰ নিয়মিতভাৱে কাৰ্য কৰি যাবলৈ সদায় তৎপৰ হৈ থাকোঁ।"

ওপৰত দিয়া বিৱৰণ মাত্ৰ হিন্দীত অনুবাদিত শ্ৰী দেৱী মহাপুৰাণৰ পৰা লোৱা

হৈছে, ইয়াত কিছুমান তথ্য গোপন কৰা হৈছে। গতিকে ইয়াৰ প্ৰমাণ চাওক এই গ্ৰন্থত ঃ- শ্ৰীমদদেৱী ভাগৱত মহাপুৰাণ, সভাষটিকম সমহাত্যম, খেমৰাজ শ্ৰীকৃষ্ণ দাস প্ৰকাশন, মুম্বাই। ইয়াত সংস্কৃতৰ সৈতে হিন্দী অনুবাদ কৰা আছে। তৃতীয় স্কন্ধ, চতুৰ্থ অধ্যায় পৃষ্ঠা দহত শ্লোক সংখ্যা ৪২।

ব্ৰহ্মা - অহম্ ইশ্বৰ , ফিলতে প্ৰভাৱাত সৰ্বে বয়ম জনি যুতা ন যদা তু নিত্যা কে অন্যে সুৰা ঃ শতমুখ প্ৰমুখা ঃ চ নিত্যা নিত্যা ত্বমেৱ জননী প্ৰকৃতি ঃ পুৰানা। (৪২ ঃ)

হিন্দী অনুবাদ ঃ হে আই, ব্ৰহ্মা মই আৰু শিৱ আপোনাৰ প্ৰভাৱৰ বাবেহে জন্ম লওঁ, নিত্য নহওঁ অৰ্থাৎ আমি অবিনাশী নহওঁ, আকৌ ইন্দ্ৰৰ লগতে অন্য দেৱতা সকল কেনেকৈ নিত্য হব পাৰে। আপুনি হে অবিনাশী, প্ৰকৃতি আৰু সনাতনী দেৱী হয়।

পৃষ্ঠা ১১-১২ পঞ্চম অধ্যায় শ্লোক ৮ ঃ য়দি দয়াদ্ৰমনা ন সদা অম্বিকে কথমহম বিহিত ঃ তমোগুণ কমলজ ৰজোগুণ সম্ভৱ ঃ সুবিহিত কিমু সত্ব গুনো হৰি ঃ (৮)

অনুবাদ ঃ ভগৱান শংকৰে কলে, “ হে আই, যদি আপুনি আমাক মৰম কৰে তেনেহলে মোক কিয় তমোগুণী কৰিলে পদুম ফুলৰ পৰা উৎপন্ন হোৱা ব্ৰহ্মাক কিয় ৰজোগুণী কৰিলে আৰু বিষ্ণুক কিয় সতগুণী কৰিলে ? অৰ্থাৎ জীৱৰ জন্ম-মৃত্যু ৰূপী বেয়া কামত আমাক কিয় নিয়োজিত কৰিলে।

শ্লোক ১২ ঃ ৰময়সে স্বপতিম পুৰুষম সদা তৱ গতিম নহি বিহ বিদম শিৱে (১২)

হিন্দী ঃ নিজৰ পতি পুৰুষ অৰ্থাৎ কাল ভগৱানৰ লগত সদায় ভোগ বিলাস কৰি থাকা। আপোনাৰ গতি কোনেও নাজানে।

সাৰ কথা ঃ উপৰোক্ত প্ৰমাণৰ দ্বাৰা স্পষ্ট হল যে ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তমগুণ শিৱ হয় আৰু এই তিনিওজন নাশৱান। দুৰ্গাৰ পতি ব্ৰহ্ম (কাল) হয়। ব্ৰহ্মই দুৰ্গাৰ লগত ভোগ বিলাস কৰে।

## “ব্ৰহ্ম (কাল) ৰ অব্যক্ত হৈ থকাৰ প্ৰতিজ্ঞা”

### সুক্ষ্মবেদৰ বাকী থকা সৃষ্টি ৰচনা--

তিনিজন পুত্ৰৰ উৎপত্তিৰ পিছত ব্ৰহ্মই নিজৰ পত্নী দুৰ্গা (প্ৰকৃতি)ক কলে “মই প্ৰতিজ্ঞা কৰোঁ যে ভৱিষ্যতে মই কাকো নিজৰ বাস্তৱিক ৰূপত দেখা নিদিওঁ সেই বাবে মোক অব্যক্ত বুলি জনা যাব”। ব্ৰহ্মই দুৰ্গাক আকৌ কলে যে তেওঁৰ এই ৰহস্য কাকো কব নালাগে আৰু এতিয়াৰ পৰা তেওঁ (ব্ৰহ্ম) গোপনে থাকিব। দুৰ্গাই কলে “তেন্তে আপুনি নিজৰ পুত্ৰ সকলকো দৰ্শন নিদিব নেকি ?”ব্ৰহ্মই কলে,“মই নিজৰ পুত্ৰক লগতে অন্য যি কোনো লোকে সাধনা কৰিলেও দৰ্শন নিদিওঁ, মোৰ এই নিয়ম অটল থাকিব।” দুৰ্গাই কলে যে ব্ৰহ্মৰ এই নিয়ম উত্তম নহয়,কিয়নো তেওঁ নিজৰ পুত্ৰৰ পৰা লুকাই থাকিম বুলি কৈছে। তেতিয়া (ব্ৰহ্ম) কালে কলে যে তেওঁ বিবশ। তেওঁ এক লাখ মানব শৰীৰ ধাৰী প্ৰাণীক ভক্ষণ কৰাৰ অভিশাপ পাইছে। কালে আকৌ কলে “যদি মোৰ পুত্ৰই (ব্ৰহ্মাই, বিষ্ণু, মহেশ) মোৰ এই ৰহস্য গম পায় তেতিয়া উৎপত্তি, স্থিতি আৰু সংহাৰ কাৰ্য্য

নকৰিব । গতিকে মোৰ এই নিয়ম অনুত্তম হ'লেও সদায় একে থাকিব। যেতিয়া এই তিনিজন পুত্ৰ অলপ ডাঙৰ হব সিহঁতক অচেতন কৰি দিবা। মোৰ কথা নকবা, নহলে তোমাকো শাস্তি দিম"। দুৰ্গাই ভয়তে আচল কথা কাকো নকয়, এই কাৰণে গীতাৰ অধ্যায় ৭ শ্লোক ২৪ ত কৈছে যে "এই বুদ্ধিহীন মানুহ বিলাকে মোৰ এই অনুত্তম নিয়মৰ বিষয়ে একো নাজানে, মই কেতিয়াও কাৰো সন্মুখত দেখা নিদিওঁ আৰু নিজৰ যোগমায়াৰে লুকাই থাকো। এই কাৰণে মই অব্যক্ত হোৱা স্বত্বেও মানুহ বিলাকে মোক মনুষ্য ৰূপত অৰ্থাৎ কৃষ্ণ বুলি ভাবে"। (অবুদ্ধয়ঃ) বুদ্ধিহীন মানুহে (মম) মোৰ (অনুত্তমম) একেবাৰে বেয়া (অব্যয়ম) অবিনাশী (পৰম ভাৱম) বিশেষ ভাৱক (অজানন্ত) নেজানি (মাম অব্যক্তম) মই অব্যক্তক (ব্যক্তিম) মনুষ্য ৰূপত (আপন্নম) অহা (মন্যন্তে) বুলি মানি লয় অৰ্থাৎ মই কৃষ্ণ নহওঁ। (গীতা অধ্যায় ৭ শ্লোক ২৪)

গীতা অধ্যায় ১১ শ্লোক ৪৭-৪৮ ত কৈছে যে -এইটো মোৰ বাস্তৱিক কাল ৰূপ, এই ৰূপৰ দৰ্শন অৰ্থাৎ ব্ৰহ্ম প্ৰাপ্তি বেদ বৰ্ণিত বিধিৰ দ্বাৰা,জপৰ দ্বাৰা, তপস্যাৰ দ্বাৰা, বা অন্য যিকোনো ক্ৰিয়াৰ দ্বাৰা হব নোৱাৰে।

যেতিয়া তিনিওজন পুত্ৰ ডেকা হল তেতিয়া আই ভবানী (প্ৰকৃতি, অষ্টাঙ্গী) য়ে তেওঁলোকক সাগৰ মন্থন কৰিবলৈ কলে। প্ৰথম বাৰ সাগৰ মন্থন কৰোতে (জ্যোতি নিৰঞ্জনে নিজৰ শ্বাসৰ দ্বাৰা চাৰিবেদ উৎপন্ন কৰিলে, বেদক গোপন বাণীৰ দ্বাৰা সাগৰত থাকিবলৈ আদেশ দিলে) চাৰিবেদ ওলাল, ব্ৰহ্মাই এই চাৰিবেদ ললে। সাগৰ মন্থনত ওলোৱা বস্তুটো (বেদ) লৈ তিনিও সন্তান মাকৰ ওচৰলৈ আহিল। মাকে কলে যে চাৰিও বেদক ব্ৰহ্মাই ৰাখক আৰু পঢ়ক।

টোকা ঃ প্ৰকৃততে পূৰ্ণব্ৰহ্মই ব্ৰহ্মক অৰ্থাৎ কালক পাঁচখন বেদ দিছিল। কিন্তু ব্ৰহ্মই চাৰিখন বেদ হে উলিয়ালে। পঞ্চমখন বেদ লুকোৱাই ৰাখিলে। এই পঞ্চমখন বেদ পূৰ্ণ পৰমাত্মাই স্বয়ং আহি কবিৰ্গিৰ্ভী অৰ্থাৎ কবিৰ্বাণী (কবীৰ বাণী) ৰ দ্বাৰা লোকোক্তি আৰু পদাৱলীৰ মাধ্যমত প্ৰকাশ কৰিছিল।

দ্বিতীয় বাৰ সাগৰ মন্থন কৰোতে তিনিজনী যুৱতীক পালে। মাকে (দুৰ্গাই) তিনিও পুতেকক ভগাই দিলে। প্ৰকৃতি (দুৰ্গাই) য়ে নিজৰেই অন্য তিনিটা ৰূপ (সাবিত্ৰী/লক্ষ্মী আৰু পাৰ্বতী) ধাৰণ কৰিলে আৰু এই তিনিওকে সাগৰত লুকাই দিলে। সাগৰ মন্থনৰ সময়ত বাহিৰলৈ ওলাই আহিল। সেই প্ৰকৃতিয়ে তিনিটা ৰূপ ললে আৰু ভগৱান ব্ৰহ্মাক সাবিত্ৰী, ভগৱান বিষ্ণুক লক্ষ্মী, ভগৱান শিৱক পাৰ্বতী পত্নী ৰূপত দিলে। তিনিওজনে ভোগ বিলাস কৰিলে আৰু তাৰ দ্বাৰা দেৱতা আৰু অসুৰ দুয়োৰে উৎপন্ন হল।

যেতিয়া তৃতীয় বাৰ সাগৰ মন্থন কৰিলে তেতিয়া ব্ৰহ্মাৰ ভাগত চৈধ্যৰত্ন, বিষ্ণু আৰু দেৱতা সকলৰ ভাগত অমৃত, অসুৰ সকলৰ ভাগত মদ (সুৰা) পৰিল আৰু পৰমাৰ্থ শিৱই নিজৰ কণ্ঠত বিষ ধাৰণ কৰিলে । এইটো বহুত পিছৰ কথা, যেতিয়া ব্ৰহ্মাই বেদ পঢ়িবলৈ ধৰিলে তেতিয়া গম পালে যে সৰ্ব ব্ৰহ্মাণ্ডৰ ৰছনা কৰা কুলৰ মালিক, পুৰুষ (প্ৰভূ) অন্য বেলেগ কোনোবা আছে। তেতিয়া ব্ৰহ্মাই

বিষ্ণু আৰু শিৱক কলে যে বেদত লিখা মতে সৃষ্টি কৰ্ত্তা অন্য কোনোবা পুৰুষ (প্ৰভু) আছে, কিন্তু বেদে এইটোও কয় যে সেই সৃষ্টি কৰ্ত্তা পুৰুষ (প্ৰভূ) কোন হয় তাৰ বিষয়ে বেদ অজ্ঞ, সেই পুৰুষ (প্ৰভূ) ৰ বিষয়ে জ্ঞান লাভৰ বাবে বেদে কোনো তত্বদৰ্শী সন্তক শুধি চাবলৈ কৈছে। তেতিয়া ব্ৰহ্মা আহি দুৰ্গাৰ ওচৰ পালে আৰু সকলো কথা কলে। দুৰ্গাই আগতে কৈছিল যে তেওঁৰ বাহিৰে আন কোনো নাই তেওঁৱেঁই কৰ্ত্তা , তেঁও সৰ্বশক্তি মান, কিন্তু ব্ৰহ্মাই কলে যে বেদ ঈশ্বৰ প্ৰদত্ত, গতিকে মিছা হব নোৱাৰে। দুৰ্গাই কলে যে ব্ৰহ্মাৰ পিতাদেউয়ে তেওঁক দৰ্শন নিদিয়াৰ প্ৰতিজ্ঞা কৰা আছে। তেতিয়া ব্ৰহ্মাই কলে যে “হে আই এতিয়া আৰু আপোনাৰ প্ৰতি মোৰ বিশ্বাস হেৰাই গল। মই সেই পুৰুষ (প্ৰভূ) ৰ ঠিকনা উলিয়াইহে এৰিম । দুৰ্গাই সুধিলে যদি তেঁও তোমাক দৰ্শন নিদিয়ে তেন্তে কি কৰিবা,ব্ৰহ্মাই কলে দুৰ্গাক আৰু মুখ নেদেখুৱায়। আনফালে জ্যোতি নিৰঞ্জনে শপত খাই থৈছে যে তেওঁ অব্যক্ত হৈ থাকিব, কাকো দৰ্শন নিদিব। অৰ্থাৎ ২১ ব্ৰহ্মাণ্ডত কেতিয়াও নিজৰ প্ৰকৃত ৰূপত আকাৰত দেখা নিদিব।

গীতা অধ্যায় নং ৭ ৰ শ্লোক নং ২৪

অব্যক্তম্, ব্যক্তিম, আপন্নম্, মন্যন্তে, মাম্ অবুদ্ধয়।
পৰম্, ভাৱম, অজানন্ত মম, অব্যয়ম্ অনুত্তমম।। ২৪।।

অনুবাদ ঃ (অবুদ্ধয়ঃ) বুদ্ধিহীন লোকে (মম) মোৰ (অনুত্তমম) বেয়া (অব্যয়ম) অটল (পৰম) পৰম (ভাৱম) ভাবক (অজানন্ত) নেজানি (অব্যক্তম) অদৃশ্যমান (মাম) মই কালক (ব্যক্তিম) নৰ ৰূপত কৃষ্ণৰ আকাৰ (আপন্নম) প্ৰাপ্ত হোৱা (মন্যন্তে) মানি লৈছে।

গীতা অধ্যায় ৭ শ্লোক নং ২৫ ঃ

ন, অহম্ প্ৰকাশ ঃ সৰ্বস্য যোগমায়া সমাবৃত্ত ঃ।
মূঢ়ঃ অয়ম ন, অভিজানাতি লোক ঃ মাম্ অজম্ অব্যয়ম।। ২৫

অনুবাদ ঃ (অহম) মই (যোগমায়া সমাবৃত) যোগমায়াৰে আবৃত হৈ (সৰ্বস্য) সকলোৰে (প্ৰকাশ ঃ) আগত প্ৰত্যক্ষ (ন) নহওঁ অৰ্থাৎ অদৃশ্য অৰ্থাৎ অব্যক্ত থাকোঁ। এই বাবে (অজম) জন্ম নোলোৱা (অব্যয়ম) অবিনাশী অটল ভাৱৰ, (অয়ম) এই (মূঢ়) অজ্ঞানী মুৰ্খ (লোক ঃ) সংসাৰৰ লোকে, (মাম) মোক (ন অভিজানতি) নাজানে অৰ্থাৎ মোক কৃষ্ণ বুলি ভাৱে।” কাৰণ ব্ৰহ্মই নিজৰ শব্দ শক্তিৰে নিজে নানা ৰূপ লয় ।ব্ৰহ্ম দুৰ্গাৰ পতি, সেই কাৰণে এই মন্ত্ৰত কৈছে যে তেওঁ শ্ৰীকৃষ্ণ আদিৰ দৰে দুৰ্গাৰ পৰা জন্ম নলয়।

### “ব্ৰহ্মাৰ নিজ পিতা ব্ৰহ্ম (কাল)ক বিচাৰি পোৱাৰ বাবে চেষ্টা ঃ

তেতিয়া দুৰ্গাই ব্ৰহ্মাক কলে যে অলখ নিৰঞ্জন তেওঁৰ পিতা, কিন্তু ব্ৰহ্মই তেওঁক দেখা নিদিয়ে। এই কথা শুনি ব্ৰহ্মা ব্যাকুল হৈ উত্তৰ দিশে গল যত অন্ধকাৰৰ বাহিৰে একো নাছিল। তাত ব্ৰহ্মাই চাৰিযুগলৈকে ধ্যান কৰিলে কিন্তু একোকে নাপালে। কালে (ব্ৰহ্মই) আকাশবাণীৰে দুৰ্গাক সুধিলে যে সৃষ্টি ৰছনা কিয় কৰা নাই। ভৱানীয়ে কলে যে তেওঁৰ ডাঙৰ পুত্ৰ ব্ৰহ্মা জিদ কৰি

তেওঁৰ অনুসন্ধানত ওলাই গৈছে। ব্ৰহ্মাৰ অবিহনে জীৱ উৎপত্তিৰ সকলো কাৰ্য অসম্ভৱ হ'ব। ব্ৰহ্মই (কাল) ব্ৰহ্মাক মাতি পঠিয়াবলৈ ক'লে কাৰণ তেওঁ ব্ৰহ্মাক দৰ্শন নিদিয়ে। তেতিয়া দুৰ্গাই (প্ৰকৃতি) নিজৰ শব্দ শক্তিৰে গায়ত্ৰী নামৰ এজনী ছোৱালী উৎপন্ন কৰিলে। সেই ছোৱালী জনীক ব্ৰহ্মাক উভতাই আনিবলৈ কলে। গায়ত্ৰী ব্ৰহ্মাৰ ওচৰলৈ গল, কিন্তু ব্ৰহ্মা সমাধিস্থ হৈ আছিল, তেওঁ গমেই নাপালে যে কোনোবা ওচৰলৈ আহিছে। তেতিয়া আদি কুমাৰী (প্ৰকৃতি) য়ে ধ্যান যোগে গায়ত্ৰীক কলে যে তাই ব্ৰহ্মাৰ ভৰি স্পৰ্শ কৰিব লাগে। গায়ত্ৰীয়ে সেইটোকে কৰিলে। ব্ৰহ্মাৰ ধ্যান ভঙ্গ হোৱাত কোন পাপিনীয়ে তেওঁৰ ধ্যান ভঙ্গ কৰিলে বুলি খং কৰিলে। গায়ত্ৰীক অভিশাপ দিবলৈ উদ্যত হল। গায়ত্ৰীয়ে ব্ৰহ্মাক প্ৰথমতে তাইৰ কথা শুনিবলৈ কৈ জনালে যে তাইৰ একো দোষ নাই। নিজৰ কথা শুনাৰ পিছত হে শাও দিলেও দিব বুলিও গায়ত্ৰীয়ে কলে। গায়ত্ৰীয়ে জনালে যে তাইক মা দুৰ্গাই ব্ৰহ্মাক ঘূৰাই আনিবলৈ পঠাইছে। কাৰণ ব্ৰহ্মাৰ অনুপস্থিতিত জীৱ সৃষ্টি হব নোৱাৰে। ব্ৰহ্মাই যাবলৈ ইচ্ছা নকৰিলে। কাৰণ পিতাদেউৰ দৰ্শন নহল, এনেই গলে তেওঁ হাঁহিৰ পাত্ৰ হৈ পৰিব। যদি গায়ত্ৰীয়ে মা দুৰ্গাক কৈ দিয়ে যে তাই নিজ চকুৰে ব্ৰহ্মাই নিজৰ পিতা (জ্যোতি নিৰঞ্জন) ক লগ পোৱা দেখিছে তেতিয়াহে ব্ৰহ্মা গায়ত্ৰীৰ লগত যাব বুলি কলে। তেতিয়া গায়ত্ৰীয়ে কলে যদিহে ব্ৰহ্মাই তাইৰ লগত সম্ভোগ কৰে তাই মিছা সাক্ষী দিবলৈ প্ৰস্তুত। তেতিয়া ব্ৰহ্মাই ভাবিলে যে পিতাদেউৰ দৰ্শন নকৰাকৈ মা দুৰ্গাৰ ওচৰলৈ গলে লাজ পাব, অন্য উপায় নেদেখি গায়ত্ৰীৰ লগত ৰতি ক্ৰিয়া (সংগম) কৰিলে।

তেতিয়া গায়ত্ৰীয়ে পৰামৰ্শ দিলে যে দুজন সাক্ষী হলে বেছি ভাল হয়। ব্ৰহ্মায়ো কথাটো ভাল পালে। তেতিয়া গায়ত্ৰীয়ে নিজৰ শব্দ শক্তিৰে এজনী ছোৱালী (পুহপৱতী নামৰ) উৎপন্ন কৰি, পিতাৰ দৰ্শন পাইছে বুলি মিছা সাক্ষী দিবলৈ কলে। পুহপৱতীয়েও গায়ত্ৰীৰ নিচিনাকৈ ব্ৰহ্মাই তাইৰ লগত ৰতি ক্ৰিয়া কৰিলেহে মিছা সাক্ষী দিব বুলি কলে। গায়ত্ৰীয়ে ব্ৰহ্মাক অন্য উপায় নাই বুলি উচটনি দিয়াত ব্ৰহ্মাই পুহপৱতীৰ লগত সংগম কৰিলে আৰু তিনিও মায়া (প্ৰকৃতি/দুৰ্গা)ৰ ওচৰলৈ গল। দুয়ো দেৱীয়ে ব্ৰহ্মাকো দোষী সাব্যস্ত কৰিবলৈ ওপৰোক্ত চৰ্ত থৈছিল যাতে ব্ৰহ্মাই মা দুৰ্গাৰ সন্মুখত তেওঁলোকে মিছা সাক্ষী দিছে বুলি কব নোৱাৰে। এই কথাৰ বাবেই সন্ত গৰীবদাস মহাৰাজে কৈছে যে

*"দাস গৰীব য়হ চুক ধুৰোঁ ধুৰ"*

## "মা দুৰ্গাৰ দ্বাৰা ব্ৰহ্মাক অভিশাপ দিয়া প্ৰসংগ"

মা দুৰ্গাই পিতাৰ দৰ্শন হলনে বুলি ব্ৰহ্মাক সুধিলে। ব্ৰহ্মাই পিতাৰ দৰ্শন হৈছে বুলি কোৱাত দুৰ্গাই সাক্ষী বিচাৰিলে, ব্ৰহ্মাই কলে যে এই দেৱী দুজনীৰ সন্মুখত পিতাৰ লগত সাক্ষাৎকাৰ হৈছে। দুয়ো জনীয়ে ব্ৰহ্মাৰ কথাত হয়ভৰ দিলে। ভৱানী (প্ৰকৃতি) ৰ সন্দেহ হল কিয়নো ব্ৰহ্মই কাকো দৰ্শন নিদিওঁ বুলি কৈছিল। অষ্টাঙ্গীয়ে ধ্যানযোগে কাল / জ্যোতি নিৰঞ্জনৰ পৰা গোটেই ঘটনাটো জানিব বিচৰাত তেওঁ কলে যে তিনিওজনে মিছা মাতিছে। তেতিয়া মা দুৰ্গাইকলে

যে আকাশ বাণীৰ দ্বাৰা তেওঁলোকে মিছা কৈছে বুলি গম পালে। ব্ৰহ্মই কাকো দৰ্শন দিয়া নাই। ব্ৰহ্মাই কলে যে তেওঁ শপত খাই পিতাক বিচাৰি গৈছিল, কিন্তু পিতা (ব্ৰহ্মৰ) ৰ দৰ্শন নহল আৰু দুৰ্গাৰ ওচৰলৈ আহিবলৈকো লাজ লাগিছিল, গতিকে তিনিওৰে মিছা কৈছিল, তেতিয়া মা দুৰ্গাই শাও দিবলৈ উদ্যত হ'ল।

দুৰ্গাই কলে যে ব্ৰহ্মাৰ পূজা সংসাৰত নহব। আগলৈ ব্ৰহ্মাৰ বংশধৰ সকলে বহুতো ভণ্ডামি কৰিব, মিছা কথাৰে গোটেই জগতক প্ৰৱঞ্চনা কৰিব। বাহিৰে বাহিৰে কৰ্মকাণ্ড কৰা যেন বোধ কৰাব কিন্তু ভিতৰি ভিতৰি নানা অপকৰ্ম কৰিব। নিজৰ সৎগ্ৰন্থৰ জ্ঞান নথকা স্বতেও পুৰাণৰ পৰা কথা পাঠ কৰি শুনাব আৰু মান সন্মানৰ বশৱৰ্ত্তী হৈ ধন লাভৰ বাবে নিজকে গুৰু সজাই অনুগামী সকলক লোকবেদ (শাস্ত্ৰ বিৰুদ্ধ লোক উপাখ্যান) শুনাব। দেৱ দেৱীক পূজা নিজেও কৰিব আৰু আনৰ দ্বাৰাও কৰাব, পৰনিন্দা কৰি বহুত কষ্ট ভূগিব। তেওঁলোকে নিজৰ অনুগামীক পৰমাৰ্থ (পৰমেশ্বৰ বিষয়ৰ জ্ঞান) নকব। অকল দক্ষিণাৰ বাবে জগতক বিপথে লৈ যাব। নিজকে বৰ বোলাব আৰু আনক তুচ্ছ ভাবিব। মাতৃৰ মুখৰ পৰা এনে শাওবাক্য শুনি ব্ৰহ্মা মাটিত বাগৰি পৰিল। বহুত সময়ৰ পিছতহে চেতন পালে।

গায়ত্ৰীকো শাপ দিলে যে বহুতো ষাঁড (দমৰা গৰু) তাইৰ পতি হব কাৰণ মৃত্যুলোকত তাই গাইৰ জন্ম পাব।

পুহপবতী আবৰ্জনাৰে ভৰা লেতেৰা ঠাইত ফুল হৈ গজিব। এই ফুল পূজাত ব্যৱহাৰ নহব। মিছা সাক্ষী দিয়াৰ বাবে এই নৰক ভুগিব লাগিব। তাইৰ নাম কেতেকী হব। (হাৰিয়াণাত কুসোঁধী বুলি কয়। এই ফুল লেতেৰা ঠাইতহে হয়।

এইদৰে তিনিওকে শাও দিয়াৰ পিছত ভৱানীয়ে অনুশোচনা কৰিলে। এইদৰে প্ৰথমে জীৱই নভৰা-নিচিন্তাকৈ মন (কাল নিৰঞ্জন) ৰ প্ৰভাৱত (উচটনিত) বেয়া কাম কৰে কিন্তু যেতিয়া আত্মা (সৎপুৰুষ অংশ) ৰ প্ৰভাৱত জ্ঞান হয় তেতিয়া অনুশোচনা কৰিব ধৰে। মা-দেউতাই নিজৰ সন্তানক সৰু-সৰু ভুলৰ বাবেও গালি পাৰে কিন্তু পিছত অনুশোচনা কৰে। এই প্ৰক্ৰিয়া মন (কাল নিৰঞ্জন) ৰ প্ৰভাৱত সকলো জীৱতে ঘটি আছে। ইয়াত মন কৰিবলগীয়া কথা এই যে নিৰঞ্জনে (কালব্ৰহ্ম) আইন প্ৰণয়ন কৰি থৈছে যে নিজতকৈ কম শক্তিশালী জীৱক কষ্ট দিলে তাৰ ফল ভূগিব লাগিব। দুৰ্গাই ব্ৰহ্মা, গায়ত্ৰী আৰু পুহপবতীক শাও দিয়া কথাটো জ্যোতি নিৰঞ্জনে ভাল নেপালে। তেওঁ দুৰ্গাক অভিশাপ দিলে যে দ্বাপৰ যুগত তাইৰ পাঁচজন পতি হব। (দ্ৰোপদী আদি মায়াৰ অৱতাৰ আছিল) যেতিয়া এই কথাৰ আকাশবাণী হল তেতিয়া আদি মায়াই কলে যে তাই জ্যোতি নিৰঞ্জনৰ (কালৰ) অধীনত আছে গতিকে তেওঁ যি কলেও তাই সেই কথা মতে চলিবলৈ বাধ্য।

(সৃষ্টি ৰচনাত দুৰ্গা দেৱীৰ অন্য নামবোৰ বাৰে বাৰে লিখাৰ উদ্দেশ্য হ'ল পুৰাণ, গীতা আৰু বেদ সমূহত প্ৰমাণ চাওঁতে যাতে কোনো ভ্ৰম নহয়। উদাহৰণ স্বৰূপে গীতা অধ্যায় ১৪, শ্লোক ৩,৪ ত কাল ব্ৰহ্মই কৈছে যে, প্ৰকৃতি হৈছে গৰ্ভধাৰণ কাৰিণী সকলো জীৱৰ মাতৃ। মই (কাল ব্ৰহ্ম) প্ৰকৃতিৰ গৰ্ভত বীজ

স্থাপিত কৰা পিতৃ। শ্লোক ৫ ত কৈছে যে, প্ৰকৃতিৰ পৰা উৎপন্ন হোৱা তিনিগুণে জীৱাত্মাক কৰ্ম বন্ধন ৰূপী ৰছীৰে শৰীৰত বান্ধি ৰাখে।

এই প্ৰকৰণত প্ৰকৃতি হ'ল দুৰ্গা দেৱী আৰু তিনি গুণ অৰ্থাৎ ৰজ গুণ, সত গুণ আৰু তম গুণ হ'ল ক্ৰমান্বয়ে ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ সাংকেতিক নাম।)

## "বিষ্ণুদেৱৰ নিজৰ পিতা (কাল/ব্ৰহ্ম) ৰ প্ৰাপ্তিৰ বাবে প্ৰস্থান আৰু মা দুৰ্গাৰ দ্বাৰা আশীৰ্বাদ প্ৰাপ্তি।"

ইয়াৰ পিছত প্ৰকৃতিয়ে বিষ্ণুকো পিতাৰ অনুসন্ধান কৰিবলৈ কলে। তেতিয়া বিষ্ণুৱে পিতাদেউক (কাল/ব্ৰহ্ম) বিচাৰি বিচাৰি শেষ নাগৰ পাতাল লোকত প্ৰৱেশ কৰিলে। নিজৰ ক্ষেত্ৰৰ ভিতৰত অহা দেখি শেষ নাগে খঙতে বিষেৰে সৈতে ফোঁপাউৰি মৰাত বিষৰ প্ৰভাৱত বিষ্ণুৰ শৰীৰ শ্যাম বৰণৰ হ'ল, যেন ৰংহে সানিছে। তেতিয়া বিষ্ণুয়ে শেষনাগক শিক্ষা দিবলৈ মনস্থ্ কৰিলে। জ্যোতি নিৰঞ্জনে কথাটো গম পাই বিষ্ণুক শান্ত কৰিবলৈ আকাশবাণী কৰিলে যে বিষ্ণুৱে এতিয়া মা দুৰ্গাৰ ওচৰলৈ গৈ সত্য কথা কৈ গোটেই ঘটনাটো কব আৰু শেষ নাগে যি কষ্ট দিলে তাৰ প্ৰতিশোধ দ্বাপৰ যুগত লব। তেতিয়া বিষ্ণুৱে কৃষ্ণ অৱতাৰ লব আৰু শেষ নাগ কালিন্দ্ৰি নাগৰ অৱতাৰ লৈ কালীদহ হ্ৰদত বাস কৰিব।

*ঊঁচ হোই কে নীচ সতাৱৈ তাকৰ ওএল (বদলা) মোহী সো পালৈ।*
*জো জীৱ দেই পীৰ পুনি কাঁহু, হম পুনি ওএল দিবাৱে তাহুঁ।।*

তাৰ পিছত বিষ্ণু মা দুৰ্গাৰ ওচৰলৈ আহি সকলো সত্য বৰ্ণনা কৰি কলে যে তেওঁক পিতাদেউৰ দৰ্শন নহল। সত্য কথা শুনি মা (প্ৰকৃতি) প্ৰসন্ন হল আৰু নিজৰ শক্তিৰে বিষ্ণুক তেওঁৰ পিতাদেউৰ দৰ্শন কৰাই বিষ্ণুৰ সংশয় আঁতৰ কৰিলে।

*কবীৰ দেখ পুত্ৰ তোই পিতা ভিটাও তৌৰে মনকা ধোখা মিটা ঊঁ।।*
*মন স্বৰূপ কৰ্ত্তা কহ জানো। মন তে দুজা ঔৰ ন মানো।*
*স্বৰ্গ পাতাল দৌৰ মন কেৰা। মন অস্থিৰ মন অহৈ অনেৰা।।*
*নিৰকাৰ মন হী কো কহিএ। মন কী আশ নিশ দিন ৰহিএ।।*
*দেখ হুঁ পলটি শূন্য মহ জ্যোতি, জঁহা পৰ ঝিলমিল ঝালৰ হোতী।।*

এনেদৰে মা (অষ্টাঙ্গী, প্ৰকৃতি) য়ে বিষ্ণুক কলে যে মনেই জগতৰ কৰ্ত্তা, ইয়েই জ্যোতি নিৰঞ্জন। ধ্যানমগ্ন অৱস্থাত যি এক হাজাৰ জ্যোতিৰ দৰ্শন হয় সেয়াই জ্যোতি নিৰঞ্জন (কাল) ৰ ৰূপ। শঙ্খ, ঘন্টাৰ যি শব্দ শুনা যায় সেয়া মহাস্বৰ্গত বাজি থকা কালৰ স্তুতিৰ শব্দ। তেতিয়া মা (অষ্টাঙ্গী) য়ে বিষ্ণুক প্ৰশংসা কৰি কলে যে তেওঁৰ সকলো মনোবাঞ্চা পূৰ্ণ কৰা হ'ব, সমগ্ৰ জগতত তেওঁৰ পূজা হব কাৰণ তেওঁ সত্যবাদী । কালৰ একৈশ ব্ৰহ্মাণ্ডত থকা প্ৰাণীয়ে নিজৰ গুণানুকীৰ্ত্তন নিজে কৰে। দুৰ্গাই কালৰ দৰ্শন কৰোৱা বুলি কলেও প্ৰকৃততে সেয়া দৰ্শন নাছিল, দুৰ্গাই মাত্ৰ প্ৰকাশ (জ্যোতি/ পোহৰ) দেখুৱাই বিষ্ণুক ভ্ৰমিত

কৰিলে। শ্ৰী বিষ্ণুৰেও নিজৰ অনুগামী সকলক কলে যে পৰমাত্মাৰ মাত্ৰ প্ৰকাশ (পোহৰ) ৰূপ হে দেখা যায়। পৰমাত্মা নিৰাকাৰ। ইয়াৰ পিছত আদি ভৱানী ৰুদ্ৰ (মহেশ) ৰ ওচৰলৈ গৈ কলে যে পিতাদেউক যদি বিচাৰিব খোজে যাব পাৰে, লগতে এইটোও কলে যে ব্ৰহ্মা আৰু বিষ্ণুৰে বিচাৰি পোৱা নাই। দুৰ্গাই জনালে যে ব্ৰহ্মা আৰু বিষ্ণুক দিবলগীয়া খিনি দিয়া হল, যদি ৰুদ্ৰই কিবা বিচাৰে খুজিব পাৰে। তেতিয়া ৰুদ্ৰই কলে যে দুয়ো ককায়েকে যেতিয়া বিচাৰি পোৱা নাই আকৌ মিছাই চেষ্টা নকৰাই ভাল। ৰুদ্ৰই অমৰত্ব প্ৰাপ্তিৰ বাবে বৰদান বিচৰাত মা দুৰ্গাই কলে যে তেওঁ সেইটো দিব নোৱাৰে, লগতে কলে যে দীৰ্ঘায়ু হোৱাৰ উপায় কব পাৰে, তাৰ বাবে যোগ সমাধিমগ্ন হব লাগে। (সেইবাবে মহাদেৱ প্ৰায় সমাধিস্থ হৈ থাকে)।

ইয়াৰ পিছত মা (অষ্টাঙ্গী/প্ৰকৃতি) য়ে তিনিও পুত্ৰক নিজৰ নিজৰ বিভাগ (কৰ্ম) ভগাই দিলে।


ভগৱান ব্ৰহ্মাদেৱক কাল লোকত চৌৰাখী লাখ শৰীৰ সৃষ্টি কৰিবলৈ অৰ্থাৎ ৰজোগুণ প্ৰভাৱিত কৰি সন্তান উৎপত্তিৰ কাৰণে বিৱশ কৰি জীৱ উৎপাদন কৰোৱা বিভাগ দিলে। ভগৱান বিষ্ণুদেৱক কৰ্ম অনুসাৰে জীৱৰ পালন পোষণ আৰু মোহ মায়া (মৰমস্নেহ) ৰে আৱদ্ধ কৰি ৰখা বিভাগ (স্থিতি) দিলে। ভগৱান শিৱক (মহাদেৱক) সংহাৰ কৰাৰ বিভাগ প্ৰদান কৰিলে। কাৰণ এওঁলোকৰ পিতা নিৰঞ্জনে প্ৰতিদিন একলাখ মানৱ শৰীৰধাৰী প্ৰাণী খাব লাগে।

এইখিনিতে মনত এটা প্ৰশ্ন উদয় হয় যে ব্ৰহ্মা, বিষ্ণু আৰু শংকৰৰ দ্বাৰা সৃষ্টি, স্থিতি আৰু সংহাৰ কেনেকৈ সম্পন্ন হয়। এওঁলোক তিনিও নিজ নিজ লোকত বাস কৰে। যিদৰে আজি কালি আকাশত থকা কৃত্ৰিম উপগ্ৰহৰ দ্বাৰা পৃথিৱীৰ সঞ্চাৰ প্ৰণালী (যোগাযোগ ব্যৱস্থা) পৰিচালিত হয়, ঠিক তেনেদৰে এই তিনিও দেৱতা (ব্ৰহ্মা, বিষ্ণু, মহেশ)ৰ শৰীৰৰ পৰা নিগৰা তিনিগুণৰ তৰংগ সকলো প্ৰাণীৰ ওপৰত আপোনা আপুনি প্ৰভাৱশীল হয়।


ওপৰৰ বৰ্ণনা ব্ৰহ্মৰ (কাল) এটা ব্ৰহ্মাণ্ডৰ সৃষ্টি ৰচনা। ক্ষৰ পুৰুষ (কাল ব্ৰহ্ম) ৰ এনেকুৱা একৈশ টা ব্ৰহ্মাণ্ড আছে।

কিন্তু ক্ষৰ পুৰুষ (কাল) স্বয়ং অব্যক্ত অৰ্থাৎ বাস্তৱিক শৰীৰ ৰূপত সকলোৰে সন্মুখত নাহে। ব্ৰহ্মা, বিষ্ণু, শিৱই বেদ বৰ্ণিত বিধি অনুসৰি যথাসাধ্য সাধনা কৰাৰ পিছতো ব্ৰহ্ম (কাল) ৰ দৰ্শন নাপালে। পৰৱৰ্ত্তী সময়ত ঋষি-মুনি সকলে বেদ অধ্যয়ন কৰিলে। বেদত লিখা আছে যে "অগ্নে ঃ তনুৰ অসি" (পবিত্ৰ যজুৰ্বেদ অধ্যায় ১ মন্ত্ৰ ১৫) পৰমেশ্বৰ সশৰীৰে আছে। আকৌ পবিত্ৰ যজুৰ্বেদ অধ্যায় ৫ মন্ত্ৰ ১ ত লিখা আছে

# এখন ব্ৰহ্মাণ্ডৰ লঘু চিত্ৰ



# জ্যোতি নিৰঞ্জন (কাল) ব্ৰহ্মৰ লোক (২১ ব্ৰহ্মাণ্ড)ৰ লঘু চিত্ৰ



যে “অগ্নে তনুৰ অসি বিষ্ণুৰে ত্বা সোমস্য তনুৰ অসি” এই মন্ত্ৰত বেদে দুবাৰ সাক্ষী দিছে যে সৰ্বব্যাপক, সকলোৰে পালন কৰ্ত্তা সৎপুৰুষ স শৰীৰে আছে। পবিত্ৰ যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ৮ ত কোৱা আছে যে (কবীৰ মনিষী) যিজন পৰমেশ্বৰক সকলো প্ৰাণীয়ে বিচাৰে সেইজন কবিৰ বা কবীৰ হয়। তেওঁৰ শৰীৰ বিনা নাড়ীৰ (অস্নাবিৰম), (শুক্ৰম) শুক্ৰ বা বীৰ্য আৰু পঞ্চতত্বৰে নিৰ্মিত ভৌতিক (অকায়ম) কায় ৰহিত অৰ্থাৎ হাড়, ছাল নাড়ীৰে নিৰ্মিত নহয়। তেওঁ সকলোৰে গৰাকী সত্যলোকত উচ্চ আসনত অধিষ্ঠিত। তেওঁৰ শৰীৰ স্বয়ং প্ৰকাশিত (দিপ্তিমান) তেজপুঞ্জৰ, শব্দ ৰূপ অৰ্থাৎ অবিনাশী হয়। সেই কবিৰ্দেৱ (কবীৰ পৰমেশ্বৰ) সৰ্ব ব্ৰহ্মাণ্ডৰ ৰচনা কৰ্ত্তা (ব্যদ ধাতা) সৰ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰ্ত্তা (স্বয়ম্ভুঃ) স্বয়ং বিদ্যমান (যথা তথ্য অৰ্থান) প্ৰকৃততে (শাশ্বত) অবিনাশী হয়। (গীতা অধ্যায় ১৫ শ্লোক ১৭ ত এই প্ৰমাণ আছে)। সাৰাংশ এই যে পূৰ্ণ ব্ৰহ্মৰ শৰীৰৰ নাম কবীৰ (কবিৰ্দেৱ) হয়। সেই পৰমাত্মাৰ শৰীৰ আভা (পোহৰ) ৰে নিৰ্মিত। দিব্য দৃষ্টি সম্পন্ন সাধকেহে পৰমাত্মাৰ শৰীৰ দেখা পায়, কাৰণ ই অতি সুক্ষ্ম। এইদৰে জীৱৰো সুক্ষ্ম শৰীৰ আছে যাৰ ওপৰত পঞ্চতত্ত্বৰ আৱৰণ অৰ্থাৎ পঞ্চতত্ত্বৰ কায়া আছে। এনে শৰীৰ পিতৃমাতৃৰ সংগমৰ পৰা বীৰ্যৰ দ্বাৰা তৈয়াৰী । শৰীৰ ত্যাগ কৰাৰ পিছতো জীৱৰ সুক্ষ্ম শৰীৰ লগতে থাকে। সেই শৰীৰ দিব্য দৃষ্টি সম্পন্ন সাধকেহে দেখা পাব। পৰমাত্মা আৰু জীৱৰ স্থিতি বা অৱস্থা এনেকুৱা বুলি জানিব লাগে। বেদত থকা ওঁ নামৰ জপ ব্ৰহ্ম প্ৰাপ্তিৰ বাবেহে হয়। ঋষি-মুনি সকলে ওঁ নামৰ জপ পূৰ্ণ ব্ৰহ্ম প্ৰাপ্তিৰ বাবে হয় বুলি ভাবি হাজাৰ হাজাৰ বছৰ ধৰি হঠযোগ (সমাধিত বহি) কৰি প্ৰভূ প্ৰাপ্তিৰ চেষ্টা কৰিলে, কিন্তু প্ৰভূৰ দৰ্শন নহল, মাত্ৰ সিদ্ধি লাভ কৰিলে। সেই সিদ্ধি ৰূপী খেলাৰ সামগ্ৰীৰ সৈতে খেলি অৰ্থাৎ সিদ্ধিৰ প্ৰয়োগ কৰি ঋষি সকল জন্ম মৃত্যুৰ জালত আৱদ্ধ হৈ থাকিল আৰু নিজৰ অভিজ্ঞতাৰ পৰা পৰমাত্মা নিৰাকাৰ বুলি শাস্ত্ৰত উল্লেখ কৰিলে। ব্ৰহ্মই (কাল) প্ৰতিজ্ঞা কৰিছে যে নিজৰ প্ৰকৃত ৰূপত কাকো দেখা নিদিয়ে। জগতে ব্ৰহ্মক অব্যক্ত বুলি জানিব। (অব্যক্তৰ অৰ্থ হল আকাৰ আছে কিন্তু ব্যক্তিগত ভাৱে স্থূল ৰূপত দেখা নিদিয়ে। আকাশত মেঘ থাকিলে দিনতো সূৰ্য অদৃশ্য হৈ যায়, তেতিয়া সূৰ্য দৃশ্যমান হৈ নাথাকে, কিন্তু মেঘৰ সিপাৰে বিদ্যমান আছে। এনে অৱস্থাক অব্যক্ত বুলি কোৱা হয়। (প্ৰমাণৰ বাবে চাব পাৰে গীতা অধ্যায় ৭ শ্লোক ২৪-২৫, অধ্যায় ১১ শ্লোক ৩২ আৰু ৪৮)।

পবিত্ৰ গীতা জ্ঞান দাতা ব্ৰহ্ম (কাল) শ্ৰী কৃষ্ণৰ শৰীৰত প্ৰৱেশ কৰি কয় যে অৰ্জুন মই বৃদ্ধি প্ৰাপ্ত কাল হওঁ আৰু সকলোকে খাবলৈ আহিছোঁ (গীতা অধ্যায় ১১ শ্লোক নং ৩২) এইটো মোৰ প্ৰকৃত ৰূপ তোমাৰ বাহিৰে আগতে কোনেও দেখা নাই আৰু আগলৈ ও কোনেও নেদেখিব অৰ্থাৎ বেদত বৰ্ণিত যজ্ঞ জপ-তপ ওঁ নাম আদি বিধি বিধানৰ দ্বাৰা এই প্ৰকৃত স্বৰূপৰ দৰ্শন সম্ভৱ নহয় (গীতা অধ্যায় ১১ শ্লোক ৪৮)। মই কৃষ্ণ নহওঁ, মুৰ্খ লোক সকলে মই অব্যক্তক কৃষ্ণ ৰূপত ব্যক্ত (মনুষ্য ৰূপ) হোৱা বুলি ভাৱে। কাৰণ এওঁলোক মোৰ নিকৃষ্ট

নিয়মৰ লগত পৰিচিত নহয় । এই অতি বেয়া নিয়মানুযায়ী মই এই বাস্তৱিক কাল ৰূপত সকলোৰে আগত কেতিয়াও দেখা নিদিও। নিজৰ যোগ মায়াৰ দ্বাৰা লুকাই থাকোঁ। (গীতা অধ্যায় ৭ শ্লোক নং ২৪-২৫) এই খিনিতে মন কৰিব লগীয়া কথা এই যে ব্ৰহ্মই (কাল) তেওঁৰ লুকাই থকা বিধানক কিয় অনুত্তম (বেয়া) বুলি কলে।

যদি দেউতাই নিজৰ সন্তানকো মুখ নেদেখুৱায় তেতিয়াহলে দেউতাই নিশ্চয় কিবা লজ্জাজনক কাম কৰিছে। সন্তানক দেখা নিদিয়ে কিন্তু সকলো সুবিধাৰ ব্যৱস্থা কৰি দিয়ে। কালে (ব্ৰহ্মই) অভিশপ্ত হোৱাৰ বাবে প্ৰতিদিন এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীৰ আহাৰ কৰে আৰু তাৰ ২৫ শতাংশ প্ৰতিদিনে বেছিকৈ উৎপন্ন কৰে। এই ২৫ শতাংশ বেছিকৈ উৎপন্ন হোৱা জীৱৰ বাবে, কৰ্মফলৰ দণ্ড দিবলৈ চৌৰাশী লাখ যোনি ৰচনা কৰি থৈছে। যদি সকলোৰে সন্মুখত বহি কাৰোবাৰ কন্যা, পত্নী, পুত্ৰ, মা-দেউতা ইত্যাদিক কালে খায় তেতিয়া সকলোৱে তেওঁক ঘৃণা কৰিব আৰু কেতিয়াবা পূৰ্ণ পৰমাত্মা কবিৰগ্নি (কবীৰ পৰমেশ্বৰ) স্বয়ং আহিলে বা তেওঁৰ দূত পঠালে সকলো প্ৰাণী সত্য ভক্তি কৰি কালৰ জালৰ পৰা ওলাই যাব ।

সেইবাবে সকলোকে ভ্ৰমিত কৰি ৰাখে আৰু গীতা অধ্যায় ৭ শ্লোক ১৮, ২৪, ২৫ ত নিজৰ (কালৰ/ব্ৰহ্মৰ) সাধনাৰ পৰা হোৱা মুক্তি (গতি) ক (অনুত্তম) অতি বেয়া বুলি কৈছে।

প্ৰত্যেক ব্ৰহ্মাণ্ডত থকা ব্ৰহ্মলোকত এখন মহাস্বৰ্গ নিৰ্মাণ কৰা আছে। প্ৰাণীক ভ্ৰমিত কৰি ৰাখিবলৈ মহাৰ্স্বগৰ এঠাইত প্ৰকৃতি (দুৰ্গা আদি মায়া) ৰ দ্বাৰা কৃত্ৰিম অলখ লোক, কৃত্ৰিম অগম লোক আৰু কৃত্ৰিম অনামী লোক ৰচনা কৰি থোৱা আছে। এই সৰ্ম্পকে কবীৰ চাহেবৰ এটা শব্দ আছে “কৰ নৈনো দীদাৰ মহল মে প্যাৰা হৈ” ত বাণী আছে যে ঃ-

*কায়া ভেদ কিয়া নিৰ বাৰা, য়হ সব ৰচনা পিণ্ড মঝাৰা হৈ।*
*মায়া অবিগত জাল পসাৰা, সো কাৰীগৰ ভাৰা হৈ।।*
*আদি মায়া কিন্হী চতুৰাই, ঝুঠি বাজি পিণ্ড দিখাই।*
*অবিগত ৰচনা ৰচি অণ্ড মাহি ৱাকা প্ৰতিবিম্ব ডাৰা হৈ।*

এটা ব্ৰহ্মাণ্ডত অন্য লোকৰো সৃষ্টি আছে যেনে ঃ ব্ৰহ্মালোক, বিষ্ণুলোক, শিৱলোক। এই তিনি প্ৰভূৱে নিজৰ নিজৰ লোকত বহিয়েই তিনিওলোকৰ (স্বৰ্গলোক বা ইন্দ্ৰৰ লোক, পৃথিৱীলোক আৰু পাতাল লোক) এটা এটা বিভাগৰ গৰাকী হৈ আধিপত্য বিস্তাৰ কৰে আৰু নিজৰ পিতা “কাল” ৰ ভোজনৰ বাবে প্ৰাণীৰ উৎপত্তি, স্থিতি আৰু সংহাৰৰ কাৰ্য সম্পন্ন কৰে। এই তিনিওজন প্ৰভূৰো জন্ম-মৃত্যু হয়। তেতিয়া কালে এওঁলোককো খায়। এই ব্ৰহ্মাণ্ডত এটা মানসৰোবৰ আৰু ধৰ্মৰায় (ন্যায়ধীশ) ৰ লোকো আছে, লগতে এটা গুপ্তস্থানত পূৰ্ণ পৰমাত্মা অন্য ৰূপ ধাৰণ কৰি থাকে। এখন দেশত অন্য সকলো দেশৰ ৰাজদূত ভৱন থকাৰ লেখীয়াকৈ ইয়াৰ ব্যৱস্থা আছে। তালৈ কোনো যাব নোৱাৰে। যি সকল

আত্মাৰ সত্যলোকৰ ভক্তি সাধনা আধৰুৱা হৈ ৰৈ গৈছে কেৱল সেই আত্মাহে তাত থাকে। যেতিয়া ভক্তি যুগৰ আৰম্ভ হয় পৰমেশ্বৰ কবীৰদেৱে নিজৰ প্ৰতিনিধি ৰূপে পূৰ্ণ সন্ত সৎগুৰুক পঠিয়াই দিয়ে। এই পুণ্যআত্মা সকলে তেতিয়া পৃথিৱীত মানৱ শৰীৰ প্ৰাপ্তি কৰে আৰু এওঁলোকে অতি শীঘ্ৰে সৎভক্তি গ্ৰহণ কৰে আৰু সৎগুৰুৰ পৰা দীক্ষা লৈ পূৰ্ণ মোক্ষ প্ৰাপ্তি কৰে। সেই ঠাইত থকা হংস আত্মাৰ নিজৰ ভক্তিধন খৰছ নহয়। পৰমাত্মাৰ ভঁৰালৰ পৰা সকলো সুবিধা পাই থাকে। ব্ৰহ্ম (কাল) ৰ উপাসকৰ ভক্তি ধন স্বৰ্গ মহাস্বৰ্গত সমাপ্ত হয় কাৰণ এই কাললোক (ব্ৰহ্মলোক) আৰু পৰব্ৰহ্মলোকত প্ৰাণী সকলে নিজৰ আৰ্জিত কৰ্মফল হে ভোগ কৰে।

ক্ষৰ পুৰুষে (ব্ৰহ্মই) নিজৰ একুৰি ব্ৰহ্মাণ্ডক চাৰিটা মহাব্ৰহ্মাণ্ডত বিভক্ত কৰিছে। এটা মহাব্ৰহ্মাণ্ড পাঁচটা ব্ৰহ্মাণ্ডৰ সমষ্টি যাক এটা গোলাকাৰ পৰিধিৰ মাজত ৰখা হৈছে। ঠিক এইদৰেই চাৰিওটা মহাব্ৰহ্মাণ্ডক বেৰি ধৰি এটা গোলাকাৰ পৰিধিৰ নিৰ্মাণ কৰা হৈছে। একবিংশতম ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰফল এটা মহাব্ৰহ্মাণ্ডৰ ক্ষেত্ৰফলৰ সমান। এই একবিংশতম ব্ৰহ্মাণ্ডত প্ৰৱেশ কৰিলেই তিনিটা পথ দেখা পোৱা যাব। একবিংশতিতম ব্ৰহ্মাণ্ডতো বাঁওফালে কৃত্ৰিম সৎলোক, কৃত্ৰিম অলখ লোক, কৃত্ৰিম অগম লোক আৰু কৃত্ৰিম অনামী লোকৰ সৃষ্টি কৰি দুৰ্গাই (আদি মায়া) জীৱক ভ্ৰমিত কৰি ৰখাৰ ব্যৱস্থা কৰিছে। আকৌ সোঁফালে বাৰজন সৰ্বশ্ৰেষ্ঠ ব্ৰহ্ম-সাধকৰ (ভকতৰ) বাবে থকাৰ ব্যৱস্থা কৰা আছে। এই বাৰজনক প্ৰত্যেক যুগত নিজৰ বাৰ্ত্তাবাহক (সন্ত সৎগুৰু) ৰ ৰূপত পৃথিবীলৈ পঠিয়াই দিয়ে। এওঁলোকে শাস্ত্ৰবিধি ৰহিত সাধনা আৰু জ্ঞান প্ৰচাৰ কৰে যাৰ ফলত নিজেও ভক্তিহীন হৈ যায় আৰু অনুগামী সকলকো কালৰ জালত বন্দী কৰে। এনেদৰে সেই গুৰু সকল আৰু অনুগামী সকলকো কালৰ জালত বন্দী কৰে। এনেদৰে সেই গুৰু সকল আৰু অনুগামী সকল নৰক গামী হয়। নৰক ক্ষেত্ৰৰ সন্মুখৰ ৰাস্তাত এটা তলা মাৰি থোৱা আছে। সেই ৰাস্তা কাল (ব্ৰহ্ম) ৰ নিজৰ লোকলৈ যায়। কাল লোকত ব্ৰহ্ম (কাল) নিজৰ বাস্তৱিক মানৱ সদৃশ কাল ৰূপত বিদ্যমান আছে। এই স্থানত প্ৰকাণ্ড চেপেটা শিলৰ গোলাকাৰ টুকুৰা আপোনা-আপুনি গৰম হৈ থাকে। এই শিলাখণ্ডৰ ওপৰত প্ৰতিদিন এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম দেহক তপত কৰি তাৰ পৰা মলি বিকাৰ উলিয়াই কালে ভক্ষণ কৰে। সেই সময়ত এই সকল প্ৰাণীয়ে অত্যন্ত কষ্ট অনুভৱ কৰি হাহাকাৰ কৰে। ক্ষন্তেকৰ পিছত সকলো অচেতন হৈ পৰে, জীৱৰ মৃত্যু নহয়। ইয়াৰ পিছত ধৰ্মৰাজৰ দৰবাৰত উপস্থিত হয় আৰু নিজৰ কৰ্মৰ ভিত্তিত অন্য জন্ম প্ৰাপ্তি কৰে। এনেদৰে জন্ম-মৃত্যুৰ চক্ৰ অবিৰাম গতিত চলি থাকে। ওপৰত উল্লেখ কৰা তলা ব্ৰহ্মই (কাল) কেৱল নিজৰ আহাৰৰ যোগ্য প্ৰাণীৰ প্ৰৱেশৰ বাবে ক্ষন্তেকৰ বাবে খুলি দিয়ে। পূৰ্ণ পৰমাত্মাৰ সত্যনাম আৰু সাৰনাম জপৰ দ্বাৰা সেই তলা আপোনা-আপুনি খুলি যায়। কবীৰ চাহেবে কালৰ জালৰ বিষয় তেওঁৰ ভক্ত ধৰ্মদাসক তন্ন-তন্নকৈ বুজাই দিছিল।

## "পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ডৰ স্থাপনা"

কবীৰ পৰমেশ্বৰে আকৌ বৰ্ণনা কৰিছে যে পৰব্ৰহ্মই (অক্ষৰ পুৰুষ) যেতিয়া নিজৰ কৰ্ত্তব্যক অৱহেলা কৰি মান সৰোবৰত শুই পৰিল তেতিয়া পৰমেশ্বৰে (কবীৰ দেৱে) তাত এটা অণ্ড (কণী) এৰি দিলে আৰু অক্ষৰ পুৰুষে (পৰব্ৰহ্ম) সেই অণ্ডলৈ ক্ৰোধ দৃষ্টি নিক্ষেপ কৰিলে। এই দুটা অপৰাধৰ বাবে পৰব্ৰহ্মকো সাত সংখ্য ব্ৰহ্মাণ্ডৰ সৈতে সতলোকৰ পৰা নিষ্কাষিত কৰিলে। অক্ষৰ পুৰুষ (পৰব্ৰহ্ম) ক সৎলোকৰ পৰা বহিষ্কাৰ কৰাৰ তৃতীয়টো অন্যতম কাৰণ এনেধৰণৰ ঃ ক্ষৰপুৰুষ (ব্ৰহ্ম)ৰ বিদায় ক্ষণত পৰম পিতা কবিৰ্দেৱ (কবীৰ পৰমেশ্বৰক) ক পাহৰি অক্ষৰ পুৰুষ (পৰব্ৰহ্ম) ক্ষৰ পুৰুষ (ব্ৰহ্ম) ৰ মোহত পৰিল। তেওঁৰ কথা ভাৱি ব্যাকুল হল। অক্ষৰ পুৰুষে ভাবিলে যে ক্ষৰ পুৰুষে অকলে থাকি ৰাজ্য ভোগ কৰি মহা আনন্দত থাকিব, তেওঁহে পিছ পৰিল। ইয়াৰোপৰি পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ডত জন্ম-মৃত্যুৰ কৰ্মদণ্ড ভোগ কৰি থকা কিছুমান আত্মাৰ বিদায় ক্ষণৰ কথা স্মৰণ কৰি পৰম সুখদাতা কবীৰ দেৱক পাহৰি গল। পৰমেশ্বৰ কবীৰদেৱে বাৰে বাৰে বুজনি দিয়াতো ক্ষৰ পুৰুষৰ (ব্ৰহ্মৰ) প্ৰতি থকা অক্ষৰ পুৰুষৰ আস্থা নকমিল। পৰব্ৰহ্মই (অক্ষৰ পুৰুষে) ভাবিলে যে তেওঁ ব্ৰহ্মৰ নিচিনাকৈ আছুতীয়া স্থান লাভ কৰিব পাৰিলে ভাল হব। এনে চিন্তা কৰি ৰাজ্য লাভৰ ইচ্ছা কৰি "সাৰনাম" ৰ জপ আৰম্ভ কৰিলে। ঠিক তেনেদৰে অন্য আত্মা সমূহে (যি সকল পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ডত বন্দী হৈ আছে) ভাবিলে যে ব্ৰহ্মৰ লগত যোৱা আত্মা সকলে তাত আনন্দ উপভোগ কৰি আছে, তেওঁলোকহে পিছ পৰিল। পৰব্ৰহ্মই (অক্ষৰ পুৰুষে) হঠযোগ নকৰিলে, কিন্তু ৰাজ্য প্ৰাপ্তিৰ বাবে বিশেষ মনোযোগেৰে সহজ ধ্যান যোগ কৰি পাগলৰ দৰে ঘূৰি ফুৰিব ধৰিলে, খোৱা-বোৱাও ত্যাগ কৰিলে। কিছুমান আত্মা কালব্ৰহ্মৰ লগত যোৱা আত্মাৰ প্ৰেমত ব্যাকুল হৈ পৰিছিল যদিও এতিয়া পৰব্ৰহ্মৰ বৈৰাগ্য দেখি তেওঁৰ প্ৰতি আসক্ত হৈ পৰিল আৰু লগত যাব বিচাৰিলে। পূৰ্ণ প্ৰভূ কবীৰদেৱে সোধাত পৰব্ৰহ্মই বেলেগে এটা স্থান খুজিলে আৰু কিছুমান হংসাত্মকো লগত লৈ যোৱাৰ বাবে প্ৰাৰ্থনা কৰিলে। তেতিয়া কবিৰ দেৱে ক'লে যে স্ব-ইচ্ছাই যাব বিচৰা হংস আত্মা সমূহক লগত পঠিয়াই দিব। পূৰ্ণ প্ৰভূ কবিৰ্দেৱে হংস আত্মা সমূহক সুধিলে যে কোন কোন পৰব্ৰহ্মৰ লগত যাব বিচাৰে তেওঁলোকে নিজৰ সন্মতি ব্যক্ত কৰিব লাগে। বহু সময়ৰ পিছত এটা হংসাত্মাই স্বীকৃতি দিয়াৰ লগে লগে সকলো আত্মাই নিজৰ সন্মতি ব্যক্ত কৰিলে। প্ৰথমে স্বীকৃতি দিয়া হংসক স্ত্ৰীৰূপ কৰিলে, আৰু নাম থলে ঈশ্বৰী মায়া (প্ৰকৃতি সুৰতি) আৰু অন্য আত্মাক ঈশ্বৰী মায়াৰ ভিতৰত প্ৰৱেশ কৰোৱাই অচিন্তৰ হতুৱাই অক্ষৰ পুৰুষৰ (পৰব্ৰহ্মৰ) ওচৰলৈ পঠিয়াই দিলে। (পতিব্ৰতা স্থিতিৰ পৰা অৱনতি হোৱাৰ ফল ভোগ কৰিলে) বহু যুগলৈকে দুয়ো একে লগে কাম কৰিলে, কিন্তু পৰব্ৰহ্মই দুৰ্ব্যৱহাৰ নকৰিলে। ঈশ্বৰী মায়াৰ ইচ্ছা অনুসৰি অঙ্গীকাৰ কৰিলে অৰ্থাৎ ঈশ্বৰী মায়াক নিজৰ কৰি ললে আৰু নিজৰ শব্দ শক্তিৰ দ্বাৰা নখেৰে স্ত্ৰী ইন্দ্ৰিয় (যোনি) সৃষ্টি কৰিলে।

ঈশ্বৰী দেবীৰ সন্মতিক্ৰমে সন্তান উৎপন্ন কৰিলে। সেই কাৰণেই পৰব্ৰহ্মৰ লোকৰ (সাত শংখ ব্ৰহ্মাণ্ডৰ) প্ৰাণীয়ে তপত শিলাৰ কষ্ট ভোগ কৰিব নেলাগে আৰু তাৰ পশু-পক্ষীও ব্ৰহ্মলোকৰ দেৱতাতকৈও ভাল চৰিত্ৰবান হয়। তেওঁলোকৰ আয়ু ও দীঘলীয়া। কিন্তু জন্ম-মৃত্যুৰ ভিত্তিত কৰ্মদণ্ড ভোগ কৰে আৰু নিজৰ ভৰণ-পোষণৰ বাবে পৰিশ্ৰম কৰে। স্বৰ্গ আৰু নৰকও এই বিধিৰেই নিৰ্মাণ কৰা হৈছে। পৰব্ৰহ্ম (অক্ষৰ পুৰু)ক তেওঁ কৰা সহজ সমাধি বিধিৰ প্ৰতিফল ৰূপে সাত শংখ ব্ৰহ্মাণ্ড প্ৰদান কৰিলে আৰু এই সাত শংখ ব্ৰহ্মাণ্ডক নিলগে গোলাকাৰ পৰিধিৰে বেৰি ৰাখিলে। অক্ষৰ ব্ৰহ্ম আৰু ঈশ্বৰী মায়াক সাত শংখ ব্ৰহ্মাণ্ডৰ লগতে বহিস্কাৰ কৰি দিলে।

পূৰ্ণ ব্ৰহ্ম সৎপুৰুষ অৰ্থাৎ পৰমেশ্বৰ কবিৰ দেৱ সকলো ব্ৰহ্মাণ্ডৰ মালিক অৰ্থাৎ কুলৰ মালিক হয়। তেওঁৰ অধীনত, সত্যলোক আদিত থকা অসংখ্য ব্ৰহ্মাণ্ড, ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ড আৰু পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ড, সকলো আছে।

ব্ৰহ্মা,বিষ্ণু আৰু শিৱৰ চাৰি খন কৈ হাত আছে আৰু এওঁলোক প্ৰতেকজন যোল কলা যুক্ত। প্ৰকৃতি দেৱী (দূৰ্গা) ৰ আঠ খন হাত আছে আৰু চৌষষ্ঠি কলা যুক্ত, ব্ৰহ্ম(ক্ষৰপুৰুষ)ৰ একহাজাৰ খন হাত আছে, তেওঁ এক হাজাৰ কলা যুক্ত। আৰু একৈশ ব্ৰহ্মাণ্ডৰ স্বামী। পৰব্ৰহ্ম (অক্ষৰ পুৰুষ) ৰ দহ হাজাৰখন হাত আছে, তেওঁ দহ হাজাৰ কলাযুক্ত আৰু সাত শংখ ব্ৰহ্মাণ্ডৰ প্ৰভূ। পূৰ্ণ ব্ৰহ্ম (পৰম অক্ষৰ পুৰুষ অৰ্থাৎ সৎপুৰুষ) ৰ অসংখ্য হাত আছে আৰু অসংখ্য কলা যুক্ত। তেওঁ ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ড, পৰব্ৰহ্মৰ সাত সংখ্য ব্ৰহ্মাণ্ড লগতে অসংখ্য ব্ৰহ্মাণ্ডৰ প্ৰভূ হয়। এই সকলো প্ৰভূৱে নিজৰ সকলো হাত সীমিত কৰিব পাৰে, অকল দুখন হাতো ৰাখিব পাৰে। আকৌ ইচ্ছা কৰিলে সকলো হাত বাহিৰ কৰি লব পাৰে। পৰব্ৰহ্মৰ প্ৰত্যেক ব্ৰহ্মাণ্ডত পূৰ্ণ ব্ৰহ্মই আছুতীয়া স্থান নিৰ্মাণ কৰি বেলেগ ৰূপত গোপনে থাকে। গোটেই ব্যৱস্থাটো এনেধৰণৰ। এটা ঘূৰ্ণীয়মান কেমেৰা বাহিৰত ৰখা হৈছে আৰু ভিতৰত দূৰদৰ্শন ৰখা আছে। টিভিত বাহিৰৰ সকলো দৃশ্য দেখা যাব আৰু আন এটা দূৰদৰ্শন বাহিৰত ৰাখি ভিতৰত ৰখা কেমেৰা টোক স্থিৰ কৰি দিলে, তাত কেৱল ভিতৰত বহি থকা প্ৰৱন্ধকৰ চিত্ৰ হে দেখা পোৱা যাব। ইয়াৰ দ্বাৰা সকলো কৰ্মচাৰী সাৱধান হৈ থাকিব।

এইদৰেই পূৰ্ণ পৰমাত্মাই নিজৰ সত্যলোকত বিৰাজ কৰি সকলোকে নিয়ন্ত্ৰণ কৰি থাকে আৰু প্ৰত্যেক ব্ৰহ্মাণ্ডতো সতগুৰু কবীৰদেৱ বিদ্যমান থাকে, তেওঁ সূৰ্যৰ দৰে দূৰত থাকিও নিজৰ প্ৰভাৱ সকলো লোকতে প্ৰকাশিত কৰি থাকে।

## "প্ৰবিত্ৰ অথৰ্ব বেদত সৃষ্টি ৰচনাৰ প্ৰমাণ"

অথৰ্ব বেদ কাণ্ড ৪ নং অনুবাক ১ নং মন্ত্ৰ ১ ঃ

ব্ৰহ্ম জজ্ঞানম প্ৰথমম পুৰস্তাদ ৱি সীমিতঃ সুৰুচো ৱেন আৱঃ
সঃ বুধন্যা উপমা অস্য ৱিষ্ঠাঃ সতশ্চ য়োনিমসতশ্চ ৱি ৱঃ ।।১।।

ব্ৰহ্ম জ-জ্ঞানম-প্ৰথমম-পুৰস্তাত-বিসিমতঃ- সুৰুচঃ ৱেনঃ আৱঃ -সঃ বুধন্যা ঃ - উপমা-অস্য-ৱিষ্ঠাঃ সতঃ-চ-যোনিম-অসত ঃ চ-ৱি ৱঃ

অনুবাদ ঃ (প্ৰথমম) প্ৰাচীন অৰ্থাৎ সনাতন (ব্ৰহ্ম) পৰমাত্মাই (জ) প্ৰকট হৈ (জ্ঞানম) নিজৰ বিচাৰ বিবেকেৰে (পুৰস্তাত) শিখৰত অৰ্থাৎ সত্যলোক আদি স্থানক (সুৰুচঃ) স্বইচ্ছাই বৰ আগ্ৰহেৰে স্বয়ং প্ৰকাশিত (বিসিমত) সীমাহীন অৰ্থাৎ বিশাল সীমাযুক্ত ভিন্ন লোক সমূহক সেই (ৱেনাঃ) তাঁতীয়ে তাঁত অৰ্থাৎ কাপোৰ বোৱাৰ দৰে বৈ অৰ্থাৎ নিৰ্মাণ কৰি (আৱঃ) সুৰক্ষিত কৰিলে (চ) আৰু (সঃ) সেই পূৰ্ণ ব্ৰহ্মায়েই সকলোৰে ৰচনা কৰে (অস্য) গতিকে সেই (বুধন্যাঃ) মূল মালিকে (যোনিম) মূলস্থান সত্যলোকৰ ৰচনা কৰিছে। (অস্য) ইয়াৰ (উপমা) সদৃশ অৰ্থাৎ একেধৰণৰ (সতঃ) অক্ষৰ পুৰুষ অৰ্থাৎ পৰব্ৰহ্মৰ লোক কিছু মাত্ৰাত স্থায়ী হয় (চ) আৰু (অসতঃ) ক্ষৰ পুৰুষৰ অস্থায়ী লোক ইত্যাদি (ৱি ৱঃ) আৱাসিক স্থান সমূহ বেলেগ (ৱিষ্ঠাঃ) স্থাপন কৰিছে অৰ্থাৎ নিৰ্মাণ কৰিছে।

সাৰাংশ ঃ পবিত্ৰ বেদ জ্ঞান দিওঁতা ব্ৰহ্মই (কাল) কৈছে যে সনাতন পৰমেশ্বৰে স্বয়ং অনাময় (অনামী) লোকৰ পৰা সত্যলোকলৈ আহি নিজৰ বিচাৰ বিবেচনাৰে শিপিনীয়ে কাপোৰ বোৱাৰ লেখীয়াকৈ ওপৰৰ সত্যলোক আদি স্থানক সীমাহীন, স্ব-প্ৰকাশিত, অজৰ-অমৰ অৰ্থাৎ অবিনাশী কৰি তুলিলে আৰু তলৰ পৰব্ৰহ্মৰ সাত সংখ্য ব্ৰহ্মাণ্ড লগতে ব্ৰহ্মৰ ২১ ব্ৰহ্মাণ্ড আৰু তাৰ অন্তৰ্গত অন্যান্য সৰু-সৰু গোটৰ সৃষ্টি সমূহক সেই পৰমাত্মাই অস্থায়ী ৰূপত সাজি উলিয়ালে।

অৰ্থববেদ কাণ্ড ৪, অনুবাক নং ১, মন্ত্ৰ নং ২ ঃ-

ইয়ম পিত্ৰ্যা ৰাষ্ট্ৰয়েত্বগ্ৰে প্ৰথমায় জনুযে ভুৱনেষ্ঠাঃ
তস্মা এতম সুৰুচম হ্ৱাৰমহ্যম ধৰ্ম শ্ৰীণন্তুপ্ৰথমায়-ধাস্যৱে।।।২।।

ইয়ম-পিত্ৰ্যা-ৰাষ্ট্ৰি-এতু-অগ্ৰে-প্ৰথমায়-জনুযে-ভুৱনেষ্ঠা ঃ
তস্মা-এতম-সুৰুচম-হ্ৱাৰমহ্যম-ধৰ্মম-শ্ৰীণান্ত-প্ৰথমায়-ধাস্যৱে।

অনুবাদ ঃ (ইয়ম) এই, (পিত্ৰ্যা) জগত পিতা পৰমেশ্বৰে (এতু) এই (অগ্ৰে) সৰ্বোত্তম (প্ৰথমায়) সকলোতকৈ আগৰ মায়া পৰানন্দনী (ৰাষ্ট্ৰি) ৰাজেশ্বৰী শক্তি অৰ্থাৎ পৰাশক্তিক (যাৰ অন্য নাম আকৰ্ষণ শক্তি) (জনুযে) উৎপন্ন কৰি (ভুৱনেষ্ঠাঃ) লোক (স্থান) সমূহৰ স্থাপন কৰিলে, (তস্মা) সেই পৰমেশ্বৰেই (সুৰুচম) বৰ আগ্ৰহেৰে, স্ব-ইচ্ছাই (এতম) এই (প্ৰথমায়) প্ৰথমতে উৎপত্তি কৰা শক্তি অৰ্থাৎ পৰা শক্তিৰ দ্বাৰা (হ্ৱাৰ মহ্যম) পৰস্পৰৰ মাজৰ বিচ্যুতিক ধৰি ৰাখিবলৈ অৰ্থাৎ আকৰ্ষণ শক্তিৰ (শ্ৰীণান্ত) গুৰুত্ব আকৰ্ষণক পৰমাত্মাই সদায় বিদ্যমান হবলৈ আদেশ দিলে সেই কেতিয়াও সমাপ্ত নোহোৱা (ধৰ্মম) স্বভাৱেৰে (ধ্যাস্যৱে) ধাৰণ কৰি তাঁত অৰ্থাৎ কাপোৰ বোৱাৰ দৰে ধৰি ৰখা হৈছে।

সাৰাংশ ঃ জগত পিতা পৰমেশ্বৰে নিজৰ শব্দ শক্তিৰ দ্বাৰা সৰ্বপ্ৰথমে ৰাষ্ট্ৰী অৰ্থাৎ ৰাজেশ্বৰী মায়াৰ উৎপন্ন কৰিলে, আৰু সেই পৰা শক্তিৰ দ্বাৰাই কেতিয়াও সমাপ্ত নোহোৱা, সদায় বিদ্যমান হৈ থকা আকৰ্ষণ শক্তিৰ গুণৰ দ্বাৰা ওপৰৰ সকলো ব্ৰহ্মাণ্ডক স্থাপন কৰিলে।

অৰ্থবেদ কাণ্ড নং 8, অনুবাক নং ১, মন্ত্ৰ নং ৩ ঃ

প্র য়ো জজ্ঞে বিদ্বানস্য বন্ধুৰ্বিশ্বা দেৱানাম জনিমা ৱিৱক্তি।
ব্রহ্ম ব্রহ্মণ উজ্জভাৰ মধ্যান্নী চৈৰুচৈচ ঃ স্বধা অভি প্র তস্থৌ ।। ৩।।
প্র-য় ঃ - জজ্ঞে-বিদ্বানস্য-বন্ধুঃ-বিশ্বা-দেৱানাম-জনিমা-ৱিৱক্তি-ব্রহ্ম ঃ
ব্রহ্মণ ঃ- উজ্জভাৰ-মধ্যাত-নিচৈঃ উচ্চৈঃ -স্বধা-অভিঃ প্রতস্থৌ

অনুবাদ ঃ (প্র) সৰ্বপ্ৰথমে (দেৱানাম) দেৱতা সকলৰ আৰু ব্ৰহ্মাণ্ডৰ (জজ্ঞে) উতপত্তিৰ জ্ঞানক (বিদ্বানস্য) জিজ্ঞাসু ভক্তৰ (য়ঃ) যিজন (বন্ধু) বাস্তৱিক সখা অৰ্থাৎ পূৰ্ণ পৰমাত্মাই নিজৰ সেৱকক (জনিমা) নিজৰ দ্বাৰা কৰা সৃষ্টি সৰ্ম্পকে (বিৱক্তি) নিজেই সম্পূৰ্ণ বিস্তাৰিত ভাৱে কয় যে (ব্ৰহ্মণঃ) পূৰ্ণ পৰমাত্মাই (মধ্যাত) নিজৰ মাজৰ পৰা অৰ্থাৎ শব্দ শক্তিৰে (ব্ৰহ্মঃ) ব্ৰহ্ম-ক্ষৰ পুৰুষ অৰ্থাৎ কালক (উজ্জভাৰ) উৎপন্ন কৰি (বিশ্বা) সম্পূৰ্ণ সংসাৰক অৰ্থাৎ সকলো লোকক (উচৈচঃ) ওপৰফালে সত্যলোক আদি (নিচৈঃ) তলৰফালে ক্ৰমে পৰব্ৰহ্ম আৰু ব্ৰহ্মৰ সকলো ব্ৰহ্মাণ্ড (স্বধা) নিজৰ ধাৰণ কৰিব পৰা (অভিঃ) আকৰ্ষণ শক্তিৰ দ্বাৰা (প্ৰত স্থৌ) দুয়োকে উপযুক্ত ভাৱে অৱস্থিত কৰিলে।

সাৰাংশ ঃ পূৰ্ণ পৰমাত্মাই নিজৰ দ্বাৰা কৰা সৃষ্টি ৰচনাৰ জ্ঞান আৰু সকলো আত্মাৰ উৎপত্তিৰ জ্ঞান নিজৰ দাসক নিজেই সঠিক ভাৱে কয়। পূৰ্ণ পৰমাত্মাই নিজৰ শব্দ শক্তিৰ দ্বাৰা ব্ৰহ্ম (ক্ষৰ পুৰুষ/কাল) ৰ উৎপত্তি কৰিলে আৰু সকলো ব্ৰহ্মাণ্ডকো ওপৰফালে সত্যলোক, অলখ লোক, আগম লোক, অনামী লোক ইত্যাদি আৰু তলৰ ফালে ক্ৰমে পৰব্ৰহ্মৰ সাত সংখ্য ব্ৰহ্মাণ্ড লগতে ব্ৰহ্মৰ ২১ ব্ৰহ্মাণ্ড সকলোকে নিজে নিজক ধাৰণ কৰিব পৰা আকৰ্ষণ শক্তি প্ৰদান কৰি অৱস্থিত কৰি থৈছে।

উদাহৰণ স্বৰূপে পৰমাত্মা কবীৰ পৰমেশ্বৰে (কবিৰ্দেবে) তেওঁৰ সেৱক অৰ্থাৎ সখা শ্ৰী ধৰ্মদাসদেৱ, আদৰণীয় গৰীবদাস দেৱ আদিক নিজৰ দ্বাৰা ৰচনা কৰা সৃষ্টিৰ জ্ঞান নিজেই কৈ শুনাইছিল। ওপৰোক্ত বেদমন্ত্ৰবোৰে এই কথাৰ সমৰ্থন কৰিছে।

অথৰ্ববেদ কাণ্ড নং ৪, অনুবাক নং ১, মন্ত্ৰ নং ৪ ঃ
সঃ হি দিৱ ঃ সঃ পৃথিব্যা ঋতস্থা মহী ক্ষেমম ৰোদসী অস্কভায়ত্।
মহান্ মহী অস্কভায়দ ৱি জাতো দ্যাম সদ্ম পাৰ্থিব চ ৰজ ঃ ।। ৪।।
সঃ-হি-দিৱঃ স-পৃথিব্যা-ঋতস্থা-মহী-ক্ষেমম-ৰোদসী-অস্কভায়ত
মহান-মহী-অস্কভায়দ্-বিজাত ঃ ধাম-সদম্ পাৰ্থিবম্-চ-ৰজঃ

অনুবাদ (সঃ) সেই সৰ্বশক্তিমান পৰমাত্মাই (হি) নিঃসন্দেহে (দিৱঃ) ওপৰৰ চাৰিটা দিব্য লোক যেনে - সত্যলোক, অলখলোক, অগম লোক আৰু অনামী অৰ্থাৎ অকহ লোক অৰ্থাৎ দিব্য গুণযুক্ত লোক সমূহক (ঋতস্থা) সত্য স্থিৰ অৰ্থাৎ অজৰ-অমৰ কৰি স্থিৰ কৰিলে, (স) সেই লোক সমূহৰ সমানেই (পৃথিব্যা) তলৰ পৃথিৱীৰ সকলো লোক যেনে ঃ পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ড, লগতে ব্ৰহ্ম/কালৰ একৈশ ব্ৰহ্মাণ্ড (মহী) পৃথিৱী তত্ত্বৰ দ্বাৰা (ক্ষেমম) সুৰক্ষিত কৰি

(অস্কভায়ত) স্থিৰ কৰিলে। (ৰোদসী) আকাশ আৰু পৃথিৱী তত্ত্ব দুয়োৰে ওপৰ আৰু তলফালে থকা ব্ৰহ্মাণ্ড সমূহক {যেনে আকাশ এটা সূক্ষ্ম তত্ত্ব, আকাশৰ গুণ শব্দ হয়, পূৰ্ণ পৰাত্মাই ওপৰৰ লোক শব্দৰ ৰূপত ৰচনা কৰিলে যিবোৰ প্ৰকাশপুঞ্জেৰে নিৰ্মিত আৰু তলৰ পৰব্ৰহ্ম (অক্ষৰ পুৰুষ)ৰ সাত শংখ ব্ৰহ্মাণ্ড আৰু ব্ৰহ্ম/ক্ষৰ পুৰুষৰ ২১ ব্ৰহ্মাণ্ডক পৃথিৱী তত্ত্বেৰে অস্থায়ী ৰচনা কৰিলে} (মহান) পূৰ্ণ পৰমাত্মাই (পাৰ্থিবম) পৃথিবীৰ দৰে (ৱি) বিভিন্ন (ধাম) লোক (চ) আৰু (সদম) আবাসিক স্থান (মহী) পৃথিৱী তত্বৰ দ্বাৰা (ৰজঃ) প্ৰত্যেক ব্ৰহ্মাণ্ডত সৰু সৰু লোকৰ (জাতঃ) ৰচনা কৰি (অস্কভায়ত) স্থিৰ কৰিলে।

সাৰাংশ ঃ সেই পৰমাত্মাই ওপৰৰ চাৰিটা লোক সত্য লোক, অলখ লোক, অগম লোক, আৰু অনামী লোক সমূহক স্থায়ী ৰূপে অজৰ-অমৰ কৰি অৰ্থাৎ অবিনাশী কৰি তুলিলে আৰু তলৰ পৰব্ৰহ্ম তথা ব্ৰহ্মৰ লোক সমূহক অস্থায়ী ৰূপে সৃষ্টি কৰিলে। অন্যান্য সৰু সৰু অস্থায়ী প্ৰকৃতিৰ লোক সমূহো সেই পৰমেশ্বৰে ৰচনা কৰিলে।

অৰ্থবেদ কাণ্ড নং ৪, অনুবাক নং ১, মন্ত্ৰ নং ৫ ঃ

সঃ বুধন্যাদাষ্ট্ৰ জনুষো অভ্যগ্ৰম বৃহস্পতিৰ্দেৱতা তস্য সম্ৰাট্।
অহৰ্য়চ্ছুক্ৰ জ্যোতিষো জনিষ্টাথ দ্যুমন্তো ৱি ৱসন্ত বিপ্ৰাঃ ।।৫।।

সঃ - বুধন্যাত - আষ্ট্ৰ - জনুষে ঃ অভি - অগ্ৰম্ - বৃহস্পতি ঃ দেৱতা
তস্য-সম্ৰাট-অহঃ-য়ত-শুক্ৰম-জ্যোতিষঃ-জনিষ্ট-অথ-দ্যুমন্তঃ-ৱি-ৱসন্ত-ৱিপ্ৰাঃ।

অনুবাদ ঃ (সঃ) সেই (বুধন্যাত) মূল গৰাকীৰ পৰা (অভি অগ্ৰম) সৰ্ব প্ৰথম স্থানত (আষ্ট্ৰ) অষ্টাঙ্গী মায়া দুৰ্গা অৰ্থাৎ প্ৰকৃতি দেবী (জনেযুঃ) উৎপন্ন হ'ল। কাৰণ তলৰ পৰব্ৰহ্ম আৰু ব্ৰহ্মলোকৰ প্ৰথম স্থান হল সত্যলোক যাক তৃতীয় ধাম বুলিও জনা যায়। (তস্য) এইজনী দুৰ্গাৰো মালিক হল সেই (সম্ৰাট) ৰাজাধিৰাজ (বৃহস্পতিঃ) সকলোতকৈ ডাঙৰ পতি আৰু জগতগুৰু (দেৱতা) পৰমেশ্বৰ। (য়ত) যিজনৰ পৰা (অহঃ) সকলো আত্মাৰ বিচ্ছেদ হল। (অথ) ইয়াৰ পিছত (জ্যোতিষ) জ্যোতিৰূপ নিৰঞ্জন অৰ্থাৎ কালৰ (শুক্ৰম) বীৰ্য অৰ্থাৎ বীজ শক্তিৰ পৰা (জনিষ্ট) দুৰ্গাৰ পেটৰ পৰা উৎপন্ন হৈ (বিপ্ৰাঃ) ভক্ত আত্মা বিলাকৰ (ৱি) বেলেগে (দ্যুমন্তঃ) মনুষ্য লোক আৰু স্বৰ্গ লোকত জ্যোতি নিৰঞ্জনৰ আদেশ অনুসৰি দুৰ্গাই কলে (বসন্ত) বসবাস কৰিবলৈ কলে অৰ্থাৎ তেওঁলোকে বসবাস কৰিবলৈ ললে।

সাৰাংশ ঃ উৰ্দ্ধতম স্থানৰ চাৰিটা লোকৰ ভিতৰৰ নিম্নতম লোকত অৰ্থাৎ সত্যলোকত পূৰ্ণ পৰমাত্মাই আষ্ট্ৰা অৰ্থাৎ অষ্টাঙ্গী (প্ৰকৃতিদেবী/দুৰ্গা) ৰ উৎপত্তি কৰিলে। এইজন পূৰ্ণ পৰমাত্মা হল ৰাজাধিৰাজ, জগতগুৰু, পূৰ্ণ পৰমেশ্বৰ (সত্য পুৰুষ) যিজনৰ পৰা সকলোৰে বিয়োগ অৰ্থাৎ বিচ্ছেদ ঘটিল। পূৰ্ণ পৰমাত্মাৰ পৰা বিচ্ছেদ হোৱাৰ অৰ্থাৎ আঁতৰি অহাৰ পিছত সকলো প্ৰাণী জ্যোতি নিৰঞ্জন (কাল) ৰ (বীৰ্য) বীজৰ পৰা দুৰ্গা (আষ্ট্ৰা) ৰ গৰ্ভৰ দ্বাৰা উৎপন্ন হৈ স্বৰ্গ আৰু পৃথিৱী লোকত বসবাস কৰিবলৈ ললে।

অথৰ্ৱবেদ কাণ্ড নং ৪, অনুবাক নং ১, মন্ত্ৰ নং ৬

নুনম তদস্য কাব্যো হিনোতি মহো দেবস্য পূৰ্ব্যস্য ধাম।
এষ জগ্যে বহুভি ঃ সাকমিত্থা পূৰ্বে অৰ্ধে বিষিতে সসন নু ।। ৬।।


নুনম্- তত্-অস্য-কাব্যঃ -মহঃ -দেবস্য-পূৰ্ৱাস্য-ধাম-হিনোতি-পূৰ্ৱে-ৱিষিতে এষ-জগ্যে-বহুভিঃ-সাকম-ইত্থা-অৰ্ধে-সসন-নু।

অনুবাদ ঃ (নুনম) নিসন্দেহে (তত্) সেইপূৰ্ণ পৰমেশ্বৰ অৰ্থাৎ তত ব্ৰহ্মই (অস্য) এই (কাব্যঃ) ভক্ত আত্মাক যি পূৰ্ণ পৰমেশ্বৰৰ ভক্তি বিধি অনুসৰি কৰে তেওঁলোকক উভতাই (মহঃ) সৰ্বশক্তিমান (দেবস্য) পৰমেশ্বৰৰ (পূৰ্ব্যস্য) আগৰ (ধাম) লোকত অৰ্থাৎ সত্যলোকত (হিনোতি) পঠায়।

(পূৰ্বে) আগৰে পৰাই (ৱিষিতে) বিশেষ ভাবে মনে বিচৰা (এষ) এই পৰমেশ্বৰক আৰু (জজ্ঞে) সৃষ্টি উৎপত্তিৰ জ্ঞানক জানি লৈ (বহুভিঃ) অতি আনন্দেৰে (সাকম) সৈতে (অৰ্ধে) অৰ্দ্ধ (সসন) শয়ন অৱস্থাৰে (ইৎথা) বিধিৰত এইদৰে (নু) সত্য আত্মাৰে আন্তৰিকতাৰে স্তুতি কৰে।

সাৰাংশ ঃ সত্য সাধনা কৰা সাধক সকলক সেই পূৰ্ণ পৰমেশ্বৰে আগৰ সেই স্থানলৈ (সত্যলোক) লৈ যায় যৰ পৰা সেই সাধক আত্মা সকল আঁতৰি আহিছিল। তাত সেই সুখৰ খনি স্বৰূপ পৰমাত্মাক লগ পোৱাত আনন্দত আত্ম বিভোৰ হৈ পৰমাত্মাৰ স্তুতিত মগ্ন হয় আৰু অসংখ্য জন্মলৈকে বিচ্ছেদ হৈ থকাৰ পিছত পুনৰ মিলন হোৱাত অতিশয় আনন্দিত হয়। নিজৰ আচল ঘৰ আহি পোৱাত স্বস্তিৰ নিশ্বাস পেলায়। এই কথাৰ প্ৰমাণ ঋগবেদ মণ্ডল ১০ সুক্ত ৯০ মন্ত্ৰ ১৬ ত আছে। আদৰণীয় গৰীবদাস দেৱক এই দৰেই পূৰ্ণ পৰমাত্মা কবীৰ পৰমেশ্বৰে সত্য ভক্তি প্ৰদান কৰি সত্যলোকলৈ লৈ গৈছিল। তাত গৈ গৰীবদাস মহাৰাজে নিজ চকুৰে দেখা দৃশ্য তেঁওৰ অমৃত বাণীত এইদৰেই বৰ্ণনা কৰিছে ঃ

“গৰীব অজব নগৰ মে লে গয়ে হমকুঁ সতগুৰু আন।
ঝিলকে বিম্ব অগাধ গতি, সুতে চাদৰ তান।।




ওপৰত মূল শিপা তলত শাখা ডালৰ সৈতে ওলোটাকৈ ওলোমা সংসাৰ ৰূপী বৃক্ষৰ চিত্ৰ

অথৰ্ববেদ কাণ্ড নং ৪, অনুবাক নং ১, মন্ত্ৰ নং ৭

য়ো অথৰ্বাণম পিত্তৰম দেৱবন্ধুম বৃহস্পতিম নমসাব চ গচ্ছাত।
ত্ব বিশ্বেষা জনিতা য়থাসঃ - কবিৰ্দেবো ন দভায়ত স্বধাৱন।। ৭।।

য়ঃ অথৰ্ৱাণম-পিত্তৰম-দেববন্ধুম-বৃহস্পতিম-নমসা-অৱ-চ-গচ্ছাত-ত্বম-বিশ্বেষাম - জনিতা-যথা-সঃ- কবিৰ্দেব-ন-দভায়ত স্বধাৱান।

অনুবাদ ঃ- (য়ঃ) যি জন (অথৰ্বাণম) অচল অৰ্থাৎ অবিনাশী (পিত্তৰম) জগত পিতা (দেৱবন্ধুম) ভক্তৰ বাস্তবিক সখা অৰ্থাৎ আত্মাৰ আধাৰ ((বৃহস্পতিম) জগত গুৰুৱে (চ) তথা (নমসা) বিনম্ৰ পূজাৰী অৰ্থাৎ বিধিৰত সাধক সকলক (অৱ) সুৰক্ষা দি (গচ্ছাত) সত্যলোকলৈ যোৱা সকলক অৰ্থাৎ যাৰ পূৰ্ণ মোক্ষ হৈ গল তেওঁলোক সত্যলোকত গুচি গৈছে। তেওঁ লোকক সত্যলোকলৈ লৈ যোৱা (বিশ্বেষাম) সৰ্বব্ৰহ্মাণ্ডৰ (জনিতা) সৃষ্টি কৰ্ত্তা জগদম্বা অৰ্থাৎ মাতৃ গুণ-যুক্ত , (ন দভায়ত) কালৰ দৰে প্ৰৱঞ্চনা নকৰা (স্বধাৱন) স্বভাৱৰ, অৰ্থাৎ গুণ থকা (য়থা) যথাৰ্থতে (স) সেইজন (ত্বম) আপুনি (কবিৰ্দেবঃ কবিৰদেৱঃ) কবিৰ্দেৱ হয় অৰ্থাৎ অন্য ভাষা শৈলীত তেওঁক কবীৰ পৰমেশ্বৰ বোলা হয়।

সাৰাংশ ঃ এই মন্ত্ৰত স্পষ্ট কৰি দিয়া হৈছে যে পূৰ্ণ পৰমাত্মাৰ নাম কবিৰ্দেৱ অৰ্থাৎ কবীৰ পৰমেশ্বৰ হয়। তেওঁ সকলো সৃষ্টি কৰিছে।

সেইজন পৰমেশ্বৰৰ গুণানুকীৰ্ত্তণ কৰি কোৱা হৈছে যে তেওঁ প্ৰকৃত অবিনাশী। (গীতা অধ্যায় ১৫ শ্লোক ১৬-১৭ ত ইয়াৰ প্ৰমাণ আছে) তেওঁ জগতগুৰু আত্মাৰ আধাৰ, পূৰ্ণ মুক্ত হোৱা সকলক তেওঁ সত্যলোকলৈ লৈ যায়। তেওঁ সকলো ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্ত্তা, কাল (ব্ৰহ্ম) ৰ দৰে তেওঁ প্ৰৱঞ্চনা নকৰে। তেওঁ যথাৰ্থতে স্বয়ং কবিৰ্দেৱ অৰ্থাৎ কবীৰ প্ৰভূ হয়। এইজন পৰমেশ্বৰে সৰ্ব ব্ৰহ্মাণ্ড আৰু প্ৰাণীক নিজৰ শব্দ শক্তিৰ দ্বাৰা উৎপন্ন কৰা কাৰণে এওঁক (জনিতা) মাতা (মা) বুলিও কোৱা হয়, আকৌ (পিত্তৰম)পিতা আৰু (বন্ধু) ভাই লগতে (দেৱ) পৰমেশ্বৰ ও এওঁৱেই / সেই কাৰণে এইজন কবিৰ্দেৱ (কবীৰ পৰমেশ্বৰ) ৰ স্তুতি কৰিব লাগে। তেওঁৱেই মা আৰু দেউতা, বন্ধু আৰু সখা, বিদ্যাও তেওঁ, বস্তু-পদাৰ্থও তেওঁৱেই সকলো । এইজন পৰমেশ্বৰৰ মহিমাৰ বিস্তৃত বিৱৰণ ঋগবেদ মণ্ডল নং ১, সুক্ত নং ২৪ ত দিয়া আছে।

## "পবিত্ৰ ঋগবেদত সৃষ্টি ৰচনাৰ প্ৰমাণ"

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ১-

সহস্ৰ শীৰ্ষা পুৰুষ সহস্ৰাক্ষ সহস্ৰপাত।
স-ভূমি বিশ্বতো বৃত্বাত্যতিষ্ঠদ্দশাঙগুলম।। ১।।
সহস্ত্ৰশীৰ্ষা - পুৰুষ - সহস্ৰাক্ষ ঃ সহস্ৰপাত
স ভূমিম - বিশ্বতঃ - বৃত্বা -অত্যাতিষ্ঠত - দশংগুলম।

অনুবাদ ঃ (পুৰুষ) বিৰাট কাল ভগৱানৰ অৰ্থাৎ ক্ষৰ পুৰুষৰ (সহস্ৰশীৰ্ষা) এক হাজাৰটা শিৰ (সহস্ৰাক্ষঃ) এক হাজাৰ চকু (সহস্ৰপাত) এক হাজাৰ ভৰি আছে। (স) সেই কাল (ভূমি) পৃথিৱীৰ দৰে একৈশ ব্ৰহ্মাণ্ডক (বিশ্বতঃ)

চাৰিওফালেদি (দশঙগুলম) দহটা আঙুলিৰে অৰ্থাৎ সম্পূৰ্ণ ৰূপে আধীন কৰি (বৃত্বা) গোলাকাৰ পৰিধিৰ ভিতৰত বেৰি ধৰি (অত্যাতিষ্ঠত) কুৰিটা ব্ৰহ্মাণ্ডৰ ওপৰৰ একবিংশতিতম ব্ৰহ্মাণ্ডত বহে।

সাৰাংশ ঃ এই মন্ত্ৰত বিৰাট (কাল/ব্ৰহ্ম) ৰ বৰ্ণনা আছে। (গীতা অধ্যায় ১০-১১ ত এই কাল/ব্ৰহ্মৰ এনে বৰ্ণনা আছে। অধ্যায় ১১ মন্ত্ৰ নং ৪৬ ত অৰ্জুনে কৈছে - হে , সহস্ৰবাহু অৰ্থাৎ এক হাজাৰ হাত থকা প্ৰভু আপুনি নিজৰ চতুৰ্ভুজ ৰূপত দৰ্শন দিয়ক)

এই হাজাৰ হাজাৰ হাত, ভৰি, চকু কাণ আদি থকা বিৰাট ৰূপ কাল প্ৰভুৰে নিজৰ অধীনস্থ সকলো প্ৰাণীক সম্পূৰ্ণ ৰূপে নিজৰ অধীন কৰি অৰ্থাৎ কুৰিটা (২০) ব্ৰহ্মাণ্ডক গোলাকাৰ পৰিধিৰে আবৃত কৰি ৰাখিছে আৰু নিজে ইয়াৰ ওপৰৰ একবিংশতিতম ব্ৰহ্মাণ্ডত বহিছে।

ঋগবেদ মণ্ডল ১০ সুক্ত ৯০ মন্ত্ৰ ২

পুৰুষ এবেদ সৰ্ব যদভূত যচ্চ ভাব্যম।
উতামৃতত্বস্যেশানো য়দন্নেনাতিৰোহতি।। ২।।

পুৰুষ - এব - ইদম - সৰ্বম্ - যত্ - ভূতম্ - য়ত্ - চ - ভাব্যম্
উত - অমৃতত্বস্য - ইশানঃ - য়ত্ - অন্নেন - অতিৰোহতি

অনুবাদ ঃ (এব) এইদৰেই কিছু পৰিমানে (পুৰুষ) ভগৱান হয় সেই অক্ষৰ পুৰুষ অৰ্থাৎ পৰব্ৰহ্মও (চ) আৰু (ইদম) এই (য়ত) যি (ভূতম) উৎপন্ন হৈছে (য়ত) যি (ভাৱ্যম) ভৱিষ্যতে হব (সৰ্বম) সকলোবোৰ (য়ত) চেষ্টা কৰি অৰ্থাৎ পৰিশ্ৰম কৰি (অন্নেন) অন্নৰ দ্বাৰা (অতিৰোহতি) বিকশিত হয়। এই জন অক্ষৰ পুৰুষো (উত) সন্দেহ যুক্ত (অমৃতত্বস্য) মোক্ষৰ (ইশানঃ) স্বামী হয় অৰ্থাৎ অক্ষৰ পুৰুষো কিছু পৰিমাণে ঠিকেই, কিন্তু পূৰ্ণ মোক্ষ দায়ক নহয়।

সাৰাংশ ঃ এই মন্ত্ৰত পৰব্ৰহ্ম (অক্ষৰ পুৰুষ) ৰ বৰ্ণণা কৰি কোৱা হৈছে যে তেওঁৰ গাত থকা কিছুমান লক্ষণ ভগৱানৰ দৰে , কিন্তু তেওঁৰ ভক্তিৰ দ্বাৰা পূৰ্ণ মোক্ষ সম্ভৱ নহয়। গতিকে এওঁক সন্দেহযুক্ত মুক্তিদাতা বুলি কোৱা হৈছে । এওঁৰ গাত প্ৰভুৰ গুণ আছে বুলি কোৱাৰ কাৰণ হ'ল তেওঁ কালৰ দৰে প্ৰাণীক তপত শিলা খণ্ডত গৰম কৰি নাখায় ।কিন্তু এই পৰব্ৰহ্মৰ লোকতো প্ৰাণীয়ে পৰিশ্ৰম কৰি কৰ্মৰ আধাৰত ফল প্ৰাপ্তি কৰে আৰু অন্নৰ দ্বাৰাই সকলো প্ৰাণীৰ শৰীৰ বিকশিত হয়। জন্ম আৰু মৃত্যুৰ সময় কাল (ক্ষৰ পুৰুষ) ৰ লোকতকৈ যদিও অধিক, তথাপি উৎপত্তি, প্ৰলয় লগতে চৌৰাশী লাখ যোনিত প্ৰাণী সকলৰ যাতনা কাল ব্ৰহ্মৰ লোকৰ দৰে একেই হয়।

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ৩

এতাবানস্য মহিমাতো জ্যায়াঁশ্চ পুৰুষ ঃ।
পাদোঅস্য বিশ্বা ভূতানি ত্ৰিপাদস্যামৃত দিৱি।।৩।।

তাবান - অস্য - মহিমা - অতঃ - জ্যাযান - চ - পুৰুষ ঃ
পাদ ঃ - অস্য - বিশ্বা - ভূতানি - ত্ৰি - পাদ - অস্য - অমৃতম - দিৱি

অনুবাদ ঃ (অস্য) এই অক্ষৰ পুৰুষৰ অৰ্থাৎ পৰব্ৰহ্মৰ (এতাৱান) ইমানেই অৰ্থাৎ সীমিত (মহিমা) প্ৰভুত্ব আছে। (চ) আৰু (পুৰুষঃ) সেইজন পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ পূৰ্ণ ব্ৰহ্ম পৰমেশ্বৰ (অতঃ) এওঁ অৰ্থাৎ অক্ষৰ ব্ৰহ্মতকৈও (জ্যায়ান) ডাঙৰ হয়। (বিশ্বা) সমস্ত (ভূতানি) ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ আৰু এওঁলোকৰ লোক লগতে সত্যলোকত যিমান প্ৰাণী আছে (অস্য) এইজন পূৰ্ণ পৰমাত্মা পৰম অক্ষৰ পুৰুষৰ (পাদঃ) এটা ভৰিৰ সমান অৰ্থাৎ এটা অংশ মাথোন। (অস্য) এইজন পৰমেশ্বৰৰ (ত্ৰি) তিনিটা (দিৱি) দিব্য লোক যেনে ঃ সত্যলোক, অলখলোক, অগম লোক (অমৃতম) অবিনাশী (পাদঃ) দ্বিতীয়খন ভৰি হয় অৰ্থাৎ সকলো ব্ৰহ্মাণ্ডত যি উৎপন্ন হৈছে সেয়া সকলো সত্য পুৰুষ পূৰ্ণ পৰমাত্মাৰ মাথোন এটা অংশ বা অঙ্গ ।

সাৰংশ ঃ ওপৰত দিয়া মন্ত্ৰত অক্ষৰ পুৰুষ (পৰব্ৰহ্ম) ৰ মহিমা সীমিত বুলি কোৱা হৈছে।পূৰ্ণ পুৰুষ কবিৰ্দেব অক্ষৰ পুৰুষতকৈ অতি মহান অৰ্থাৎ সৰ্বশক্তিমান, সকলো ব্ৰহ্মাণ্ড পূৰ্ণ পুৰুষৰ অংশ মাত্ৰ ।এই মন্ত্ৰত তিনিটা লোকৰ (স্থানৰ) হে বৰ্ণনা দিয়া হৈছে কাৰণ চতুৰ্থ-অনামীলোক (অনাময় লোক) অন্যান্য সৃষ্টিত কৈ পূৰ্বৰ সৃষ্টি। এই তিনি জন প্ৰভু (ক্ষৰ পুৰুষ, অক্ষৰ পুৰুষ আৰু এই দুয়োতকৈ অন্য পৰম অক্ষৰ পুৰুষ)ৰ বিৱৰণ শ্ৰীমদ ভাগৱত গীতা অধ্যায় ১৫ শ্লোক সংখ্যা ১৬-১৭ ত দিয়া আছে। ইয়াৰ প্ৰমাণ দি আদৰণীয় গৰীব দাসে কৈছে যে ঃ-

গৰীব, জাকে অৰ্দ্ব ৰোম পৰ সকল পসাৰা ।
ঐসা পূৰ্ণ ব্ৰহ্ম হমাৰা।।
গৰীব, অনন্ত কোটি ব্ৰহ্মাণ্ড কা, এক ৰতি নহী ভাৰ।
সত গুৰু পুৰুষ কবীৰ হৈ, কুল কে সৃজন হাৰ ।।

আকৌ আদৰণীয় দাদু সাহেবেও ইয়াৰ প্ৰমাণ দি কৈছে যে-

জিন মোকু নিজ নাম দিয়া , সোই সৎগুৰু হমাৰ ।
দাদু দুসৰা কোএ নহী, কবীৰ সৃজনহাৰ ।।

ইয়াৰ প্ৰমাণ আদৰণীয় নানক সাহেবে দি কৈছে যে-

য়ক অৰ্জ গুফতম পেশ তো দৰ কুন কৰতাৰ।
হক্কা কবীৰ কৰীম তু বেএব পৰবৰদিগাৰ।।

(শ্ৰী গুৰু গ্ৰন্থ চাহেব পৃষ্ঠা ৭২১ মহলা ১ ৰাগ তিলঙ্গ) (কুন কৰতাৰ" ৰ অৰ্থ হল সকলোৰে সৃষ্টি কৰ্ত্তা অৰ্থাৎ শব্দ শক্তিৰ দ্বাৰা সৃষ্টি ৰচনা কৰা শব্দ স্বৰূপ প্ৰভু । হক্কা কবীৰৰ অৰ্থ হল সত্য কবীৰ, কৰীমৰ অৰ্থ হল দয়ালু, পৰবৰ দিগাৰৰ অৰ্থ হল পৰমাত্মা।

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ৪

ত্ৰিপাদুৰ্দ্ধ উদৈত্ পুৰুষ ঃ পাদোঅস্যে হাভৱত্ পুন ঃ।
ততো বিশ্ব ঙ্ব্যক্ৰামত্সাশণানশনে অভি।। ৪।।

ত্ৰি - পাদ - উৰ্দ্ধ ঃ - উদৈত্ - পুৰুষ - পাদ ঃ - অস্য ঃ ইহ - অভৱত - পুন ঃ - তত্ - বিশ্বঙ - ব্যক্ৰামত - সঃ - অশণানশনে - অভি

অনুবাদ ঃ (পুৰুষঃ) এইজন পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ অবিনাশী পৰমাত্মা (উৰ্দ্ধ) ওপৰৰ (ত্ৰি) তিনিলোক যেনে ঃ সত্যলোক, অলখ লোক- অগমলোক ৰূপ (পাদ) ভৰি অৰ্থাৎ ওপৰভাগত (উদৈত) প্ৰকট হয় অৰ্থাৎ বিৰাজমাণ আছে। (অস্য) এই পৰমেশ্বৰ পূৰ্ণ ব্ৰহ্মৰ (পাদঃ) এটা ভৰি অৰ্থাৎ এটা ভাগ জগত ৰূপ (পুনৰ) আকৌ (ইহ) ইয়াত (অভৱত) প্ৰকট হয়। (ততঃ) এই কাৰণে (সঃ) সেইজন অবিনাশী পূৰ্ণ পৰমাত্মা (অশনানশনে) ভক্ষক কাল অৰ্থাৎ ক্ষৰপুৰুষ আৰু নোখোৱা পৰব্ৰহ্ম অৰ্থাৎ অক্ষৰ পুৰুষতকৈও (অভি) ওপৰত (বিশ্বঙ) সৰ্বত্ৰ (ব্যক্ৰামত) ব্যাপ্ত আছে অৰ্থাৎ সেইজন পূৰ্ণ পৰমাত্মাৰ প্ৰভুত্ব সৰ্ব ব্ৰহ্মাণ্ডত আৰু সকলো প্ৰভুৰ ওপৰত ব্যাপ্ত, তেওঁ কুলৰ মালিক। তেওঁ নিজৰ শক্তি সকলোৰে ওপৰত বিয়পাই দিছে।

ভাবাৰ্থ ঃ সকলো সৃষ্টিৰ ৰচনা কৰ্ত্তা এইজন প্ৰভু নিজে কৰা সৃষ্টিৰ উৰ্দ্ধতম স্তৰৰ তিনিও স্থানত (সতলোক, অলখ লোক, অগম লোক) তিনি ধৰণৰ ৰূপ ধাৰণ কৰি প্ৰকট হয় অৰ্থাৎ স্বয়ং বিৰাজমান হয়। ইয়াত অনামীলোকৰ বৰ্ণনা নাই কাৰণ তাত কোনো ৰচনা (সৃষ্টি) কৰা হোৱা নাই আৰু অকহলোক (অনাময় লোক) সকলো সৃষ্টিৰ আগতে বিদ্যমান আছিল। সেই পৰমাত্মাৰ সত্যলোকৰ পৰা আতঁৰি আহি তলৰ ব্ৰহ্ম আৰু পৰব্ৰহ্মৰ লোক উৎপন্ন হয়। সেইজন পূৰ্ণ পৰমাত্মা আত্মা ভক্ষণ কাৰী ব্ৰহ্ম অৰ্থাৎ কাল (কাৰণ কাল ব্ৰহ্মক এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীক খোৱাৰ অভিশাপ দিয়া আছে) আৰু তেনেকৈ অভিশপ্ত নোহোৱা পৰব্ৰহ্ম অৰ্থাৎ অক্ষৰ পুৰুষৰো ওপৰত সকলোফালে ব্যাপ্ত আছে অৰ্থাৎ এনেদৰে সকলোৰে ওপৰত প্ৰভুত্ব বিস্তাৰ কৰি বিৰাজমান হোৱা পূৰ্ণ পৰমাত্মা কবীৰ পৰমেশ্বৰ কুলৰ মালিক হয়। সূৰ্যই নিজৰ পোহৰ সৰ্বত্ৰ বিস্তাৰ কৰাৰ দৰে কবীৰ পৰমেশ্বৰে নিজৰ শক্তি সকলোৰে ওপৰত ব্যাপ্ত কৰি দিছে। সকলো ব্ৰহ্মাণ্ডক নিয়ন্ত্ৰিত কৰি ৰাখিবলৈ পৰমাত্মাই নিজৰ শক্তি ৰূপী প্ৰভাৱ চাৰিওফালে বিয়পাই দিছে। মোবাইল ফোনৰ টাৱাৰ কোনোবা এঠাইত অৱস্থিত যদিও তাৰ ক্ষমতা মোবাইল ফোনৰ জৰিয়তে যতে ততে দৃষ্টি গোচৰ হয়। এইদৰেই পূৰ্ণ পৰমাত্মাই নিজৰ অদৃশ্য শক্তি সৰ্বব্যাপী কৰি তুলিছে আৰু তাৰ দ্বাৰাই পূৰ্ণ পৰমাত্মাই এঠাইত বহিয়েই সকলো ব্ৰহ্মাণ্ডক নিয়ন্ত্ৰিত কৰি ৰাখিছে। ইয়াৰ প্ৰমাণ আদৰণীয় গৰীবদাস মহাৰাজে দিছে (অমৃতবাণী ৰাগ কল্যাণ)

তীন চৰণ চিন্তামণি চাহেব, শেষ বদন পৰ ছাএ।
মাতা, পিতা, কুল ন বন্ধু, না কিহ্নে জননী জায়ে।।

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ৫

তস্মাদ্বিৰাট জায়ত বিৰাজো অধি পুৰুষঃ।
স জাতো অত্যৰিচ্যত পশ্চাদভূমিমথো পুৰ ঃ।। ৫।।

তস্মাত - বিৰাট - অজায়ত - বিৰাজ ঃ - অধি - পুৰুষঃ।
স - জাত ঃ - অত্যৰিচ্যত - পশ্চাত - ভূমিম - অথ ঃ - পুৰ ঃ।

অনুবাদ ঃ (তস্মাত) তাৰ পাছত সেই পৰমেশ্বৰ সত্যপুৰুষৰ শব্দ শক্তিৰ

পৰা (বিৰাট) বিৰাট অৰ্থাৎ ব্ৰহ্ম (ক্ষৰ পুৰুষ /কাল) (অজায়ত) উৎপন্ন হল। (পশ্চাত) ইয়াৰ পিছত (বিৰাজঃ) বিৰাট পুৰুষ অৰ্থাৎ কাল ভগৱানতকৈও (অধি) মহান (পুৰুষ) পৰমেশ্বৰে (ভূমিম) পৃথিৱী লোক, কাল ব্ৰহ্ম আৰু পৰব্ৰহ্মৰ লোক সমূহক (অত্যৰিচ্যত) ভালদৰে সৃষ্টি কৰিলে। (অথঃ) আকৌ (পুৰঃ) অন্য সৰু সৰু লোক বোৰো (স) সেই পূৰ্ণ পৰমেশ্বৰেই (জাতঃ) উৎপন্ন কৰিলে অৰ্থাৎ স্থাপন কৰিলে।

ভাৱাৰ্থ ঃ ওপৰৰ মন্ত্ৰ ৪ ত বৰ্ণনা কৰা তিনিটা লোক (অগম লোক, অলখ লোক, আৰু সত্যলোক) ৰ সৃষ্টি কৰাৰ পাছত পূৰ্ণ পৰমাত্মাই জ্যোতি নিৰঞ্জনৰ (ব্ৰহ্মৰ) উৎপত্তি কৰিলে অৰ্থাৎ সেই সৰ্বশক্তিমান পৰমাত্মা পূৰ্ণ ব্ৰহ্ম কবিৰ্দেব (কবীৰ প্ৰভু) ৰ পৰা বিৰাট অৰ্থাৎ ব্ৰহ্ম (কাল) ৰ উৎপত্তি হল। এই প্ৰমাণ গীতা অধ্যায় ৩ মন্ত্ৰ ১৫ ত উল্লেখ আছে যে পৰম অক্ষৰ পুৰুষ অৰ্থাৎ অবিনাশী প্ৰভুৰ পৰা ব্ৰহ্ম উৎপন্ন হৈছে। অথৰ্ববেদ কাণ্ড ৪, অনুবাক ১, সুক্ত ৩ ত উল্লেখ আছে যে পূৰ্ণ ব্ৰহ্মৰ পৰা ব্ৰহ্মৰ উৎপত্তি হৈছে। সেই পূৰ্ণ ব্ৰহ্মই (ভূমিম) ভূমি আদি সৰু ডাঙৰ সকলো লোকৰ সৃষ্টি কৰিলে। সেই পূৰ্ণ ব্ৰহ্ম এই বিৰাট ভগৱান অৰ্থাৎ ব্ৰহ্মতকৈও ডাঙৰ অৰ্থাৎ ব্ৰহ্মৰো স্বামী বা মালিক হয়।

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ১৫

সপ্তাস্যাসন পৰিধয়স্ত্ৰি ঃ সপ্ত সমিধ ঃ কৃতা ঃ
দেবা য়দ্যজ্ঞ তন্বানা অবধনণ পুৰুষ পশুম।। ১৫।।

সপ্ত - অস্য - আসন - পৰিধয়ঃ ত্ৰিসপ্ত - সমিধঃ কৃতাঃ
দেৱা - য়ত - য়জ্ঞম তন্বানাঃ - অবধনণ - পুৰুষম - পশুম।

অনুবাদ ঃ (সপ্ত) সাত শংখ ব্ৰহ্মাণ্ড হৈছে পৰব্ৰহ্মৰ আৰু (ত্ৰিসপ্ত) একৈশ ব্ৰহ্মাণ্ড কালব্ৰহ্মৰ (সমিধঃ) কৰ্মদণ্ড দুখ ৰূপী অগ্নিৰ দ্বাৰা দুখী (কৃতা ঃ) কৰা অৰ্থাৎ কষ্ট দিয়া (পৰিধয়ঃ) গোলাকাৰ সীমাৰ ভিতৰত (আসন) আছে (য়ত) যি (পুৰুষম) পূৰ্ণ পৰমাত্মাৰ (য়জ্ঞম) বিধিবত ধাৰ্মিক কৰ্ম অৰ্থাৎ পূজা কৰে, সেই সকল (পশুম) বলিৰ পশু হৈ পৰা, কালৰ কৰ্মবন্ধন ৰূপী জালত আৱদ্ধ হোৱা (দেৱা) ভক্তাত্মাক (তন্বানা) কালৰ দ্বাৰা বিস্তাৰ কৰা পাপ কৰ্মবন্ধনৰ জালৰ পৰা (অবধনণ) মুক্তি দিয়া জনেই হল মুক্তি দাতা পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰ।

ভাবাৰ্থ ঃ পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ড আৰু ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ডৰ গোলাকাৰ সীমাৰ ভিতৰত আৱদ্ধ হৈ পাপ কৰ্মৰ অগ্নিত জলি থকা, বলিৰ পশুৰ দৰে কালৰ ভোজনৰ বাবে জন্ম-মৃত্যুৰ চক্ৰত পৰি তপত শিলাখণ্ডত কষ্ট ভুগি থকা ভক্তাত্মা সকলক কালৰ জালৰ পৰা মুক্ত কৰিবলৈ মুক্তি দাতা পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰে বাস্তৱিক পূজা বিধিৰ জ্ঞান দি সঠিক ভক্তিৰ পথ প্ৰদৰ্শন কৰে। ইয়াৰ প্ৰমাণ পবিত্ৰ যজুৰ্বেদ অধ্যায় ৫ মন্ত্ৰ ৩২ ত উল্লেখ আছে যে "কবিৰ অংঘাৰিসি" (কবিৰ) কবিৰ পৰমেশ্বৰ (অংঘ) পাপৰ (অৰি) শত্ৰু (অসি) হয়। অৰ্থাৎ কবীৰদেৱ পাপৰ হৰণ কৰ্ত্তা হয়। "বম্ভাৰিসি" (বম্ভাৰি) বন্ধন ৰ শত্ৰু অৰ্থাৎ মুক্তি দাতা কবিৰ পৰমেশ্বৰ (অসি) হয়।

ঋগবেদ মণ্ডল ১০, সুক্ত ৯০, মন্ত্র ১৬
য়জ্ঞেন য়জ্ঞময়জন্ত দেবার্তানি ধর্মানি প্রথমান্যাসন।
তে হ নাক মহিমানঃ সচন্ত য়ত্র পূৰ্বে সাধ্যা ঃ সন্তি দেবা ঃ ।। ৬।।
য়জ্ঞেন -অয়জ্ঞম -অ - য়জন্ত - দেবাঃ - তানি -ধৰ্মানি -প্ৰথমানি
-আসন - তে -হ -নাকম - মহিমান ঃ - সচন্ত - য়ত্র -পূৰ্বে -সাধ্যা -সন্তি দেবাঃ।

অনুবাদ ঃ যি সকল (দেৱাঃ) নিৰ্বিকাৰ দেবস্বৰূপ ভক্তাত্মাই (অয়জ্ঞম) আধৰুৱা, ভুল ধাৰ্মিক পূজাৰ বিধি সলনি (য়জ্ঞেন) সত্য ভক্তি ধাৰ্মিক কৰ্মৰ ভিত্তিত (অয়জন্ত) পূজা কৰে (তানি) তেওঁলোক (ধৰ্মাণি) ধাৰ্মিক শক্তি সম্পন্ন (প্ৰথমাণি) মুখ্য অৰ্থাৎ উত্তম (আসন) হয়। (তে হ) তেওঁলোক প্ৰকৃততে (মহিমানঃ) মহান ভক্তি শক্তি যুক্ত (সাধ্যাঃ) সফল ভক্ত, যি সকল (নাকম) পূৰ্ণ সুখদায়ক পৰমেশ্বৰক (সচন্ত) ভক্তি নিমিত্ত কাৰণ অৰ্থাৎ সত্যভক্তি ধনৰ বলত প্ৰাপ্ত হয়, তেওঁলোক পৰমেশ্বৰৰ ওচৰলৈ গুচি যায় (যত্ৰ) য'ত (পূৰ্বে) প্ৰথম সৃষ্টিৰ (দেবাঃ) পাপ মুক্ত দেব স্বৰূপ ভক্ত আত্মা সকল (সন্তি) থাকে।

ভাৱাৰ্থ ঃ যি সকল নিৰ্বিকাৰ দেৱ স্বৰূপ ভক্ত আত্মাই মাছ, মাংস, চাদা আৰু অন্য বেয়া কামৰ পৰা আঁতৰি থাকি,শাস্ত্ৰ বিধি হীন পূজা-অৰ্চনা বাদ দি শাস্ত্ৰবিধি সন্মত ভক্তি কৰে, তেওঁলোকে ভক্তি ধনেৰে ধনবান হৈ কালৰ ঋণৰ পৰা মুক্ত হৈ, নিজৰ সত্য ভক্তিৰ পূণ্যৰ বলত সেই সম্পূৰ্ণ সুখদায়ক পৰমাত্মাক লাভ কৰে অৰ্থাৎ সত্যলোক লৈ যায়, য'ত প্ৰথম সৃষ্টিৰ দেব স্বৰূপ অৰ্থাৎ পাপহীন হংস আত্মা বাস কৰে।

কিছুমান আত্মা কাল (ব্ৰহ্ম) ৰ জালত বন্দী হৈ ইয়ালৈ আহিল, কিছুমান পৰব্ৰহ্মৰ লগত সাত শংখ ব্ৰহ্মাণ্ডত থাকিল, আকৌ অগণন আত্মা যি সকলে পূৰ্ণ পৰমাত্মাক অটলভাৱে বিশ্বাস কৰি পতিব্ৰতা পদৰ পৰা পতিত নহল, তেওঁলোক সত্যলোকতে থাকিল। গতিকে ইয়াত বৰ্ণিত কৰা কথা পবিত্ৰ বেদ সমূহে ও সমৰ্থন কৰে। গীতা অধ্যায় ৮ শ্লোক ৮-১০ ত উল্লেখ আছে যে যি সাধকে পূৰ্ণ পৰমাত্মাৰ সত্য সাধনা শাস্ত্ৰবিধি অনুসৰি কৰে, তেওঁ ভক্তি ধনৰ বলত সেই পূৰ্ণ পৰমাত্মাক লাভ কৰে, অৰ্থাৎ পূৰ্ণ পৰমাত্মাৰ ওচৰলৈ গুচি যায়। ইয়াৰ পৰা প্ৰমাণিত হয় যে প্ৰভূ তিনিজন -ব্ৰহ্ম-পৰব্ৰহ্ম - পূৰ্ণ ব্ৰহ্ম। এওঁ লোকক ১। ব্ৰহ্ম - ঈশ - ক্ষৰ পুৰুষ ২। পৰ ব্ৰহ্ম। অক্ষৰ পুৰুষ/অক্ষৰ ব্ৰহ্ম, ঈশ্বৰ ৩। পূৰ্ণ ব্ৰহ্ম-পৰম অক্ষৰ ব্ৰহ্ম-পৰমেশ্বৰ-সত্যপুৰুষ আদি সমাৰ্থক শব্দৰ দ্বাৰাও জনা যায়।

এই প্ৰমাণ ঋগবেদ মণ্ডল ৯, সুক্ত ৯৬, মন্ত্ৰ ১৭-২০ লৈ দিয়া আছে। স্পষ্ট কৰা আছে যে পূৰ্ণ পৰমাত্মা কবিৰ্দেৱ (কবিৰ পৰমেশ্বৰ) শিশু ৰূপত প্ৰকট হয় (আহে) আৰু নিজৰ নিৰ্মল জ্ঞান অৰ্থাৎ তত্বজ্ঞান (কবি গীৰ্ভী) কবীৰ বাণীৰ দ্বাৰা অনুগামী সকলক গাই শুনায়। সেই কবিৰ্দেৱ (কবীৰ পৰমেশ্বৰ) ব্ৰহ্ম (ক্ষৰ পুৰুষ) ৰ লোক আৰু পৰব্ৰহ্ম (অক্ষৰ পুৰুষ) ৰ লোকতকৈ বেলেগ তৃতীয় ঋতধাম (সতলোক)ত আছে, তাত সাকাৰ ৰূপত বিৰাজমান আছে। সত্যলোকৰ পৰা ওপৰত থকা চতুৰ্থ অনামীলোকতো এই কবিৰ্দেৱ (কবিৰ পৰমেশ্বৰ) অনামী পুৰুষৰ ৰূপত মনুষ্য সদৃশ আকাৰত বিৰাজমান আছে।

## “পবিত্ৰ শ্ৰী মদ দেৱী মহা পুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ”

“ব্ৰহ্মা , বিষ্ণু আৰু শিৱৰ মা-দেউতা”

(দুৰ্গা আৰু ব্ৰহ্মৰ মিলনৰ পৰা ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ জন্ম)

পবিত্ৰ শ্ৰী মদদেৱী মহাপুৰাণ তৃতীয় স্কন্ধ, অধ্যায় ১-৩ (গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত, অনুবাদ কৰ্ত্তা- শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰ আৰু চিমন লাল গোস্বামী, পৃষ্ঠা নং১১৪ ৰ পৰা) পৃষ্ঠা ১১৪ ৰ পৰা ১১৮ লৈকে ভবানীক সম্পূৰ্ণ মনোকামনা পূৰ্ণ কৰিব পৰা শক্তি বুলি বহুতো আচাৰ্য্য সকলে উল্লেখ কৰিছে । তেওঁক প্ৰকৃতি বুলিও জনা যায়। ব্ৰহ্মৰ লগত তেওঁৰ সম্বন্ধ অভিন্ন, অৰ্থাৎ পতি পত্নীৰ সম্বন্ধ আছে, তেওঁ ব্ৰহ্মৰ অৰ্দ্ধাঙ্গিনী অৰ্থাৎ দুৰ্গা ব্ৰহ্মৰ পত্নী । এখন ব্ৰহ্মাণ্ডৰ সৃষ্টি ৰচনা কেনেকৈ হ'ল বুলি ৰজা পৰীক্ষিতে শ্ৰী ব্যাস দেৱক সোধাত তেওঁ এই প্ৰশ্নৰ উত্তৰ জানিবৰ বাবে শ্ৰী নাৰদক প্ৰশ্ন কৰিলে যে এই ব্ৰহ্মাণ্ডৰ উৎপত্তি কেনেকৈ হৈছিল। শ্ৰী ব্যাস দেৱৰ প্ৰশ্নৰ উত্তৰত শ্ৰী নাৰদে কলে যে এই প্ৰশ্ন তেওঁ তেওঁৰ পিতা শ্ৰী ব্ৰহ্মাক সুধিছিল । তেওঁ শ্ৰী ব্ৰহ্মাক কৈছিল “হে পিতা এই ব্ৰহ্মাণ্ডৰ ৰচনা আপুনি কৰিলে নে, শ্ৰী বিষ্ণু অথবা শ্ৰী শিৱই কৰিলে ? মোক সচাঁ উত্তৰ দিব”। তেতিয়া নাৰদৰ পূজ্য পিতা শ্ৰী ব্ৰহ্মাই কলে,“পুত্ৰ নাৰদ, মই নিজকে পদুম ফুলৰ ওপৰতবহি থকা অৱস্থাত পাইছিলোঁ। মই জনা নাছিলো এই বিস্তীৰ্ণ জলৰ মাজত মই কৰ পৰা উৎপন্ন হলোঁ। এক হাজাৰ বছৰ ধৰি পৃথিৱীৰ অনুসন্ধান কৰিলোঁ, কিন্তু এই ,জল ৰাশিৰ কোনো সীমা নাপালোঁ। আকৌ আকাশবাণীৰ যোগেদি মই তপস্যা কৰিবলৈ নিৰ্দেশ পালো। এক হাজাৰ বছৰ ধৰি তপস্যা কৰিলোঁ। আকৌ সৃষ্টি কৰিবলৈ আকাশবাণীৰ যোগেদি আদেশ পালোঁ। ইমানতে মধু আৰু কৈটভ নামেৰে দুজন ৰাক্ষস আহিল। তেওঁ লোকক দেখি ভয়তে মই পদুম ফুলৰ ঠাৰিত ধৰি তললৈ নামিলোঁ । তললৈ আহি দেখিলোঁ যে ভগৱাণ বিষ্ণু শেষনাগৰ শয্যাত অচেতন হৈ পৰি আছিল। তেওঁৰ শৰীৰৰ পৰা এজনী স্ত্ৰী ( প্ৰেত হিচাপে সোমাই থকা দুৰ্গা) ওলাল, লগে লগে তাইক আকাশত আভূযনেৰে অলঙ্কৃত হৈ থকা দেখা গ'ল। তেতিয়া বিষ্ণু ভগৱানে চেতনা ঘুৰাই পালে , এতিয়া মই আৰু বিষ্ণু দুজন তাত আছিলোঁ । ইমানতে আকৌ ভগৱান শঙ্কৰ তাত উপস্থিত হ'ল। দেৱীয়ে আমাক বিমানত বহুৱাই ব্ৰহ্ম লোকলৈ লৈ গ'ল। তাত এজন ব্ৰহ্মা, এজন বিষ্ণু, আৰু এজন শিৱক দেখা পালোঁ - আৰৌ এজনী দেৱীক দেখিলোঁ। দেৱীক দেখি বিষ্ণুৱে বিবেচনা কৰি তলত দিয়া ধৰনে বৰ্ণনা কৰিলে” (কাল ব্ৰহ্মই ভগৱান বিষ্ণুৰ চেতনা জাগ্ৰত কৰি দিলে, তেওঁৰ নিজৰ বাল্য কালৰ কথা মনত পৰিল, তেতিয়া বাল্য কালৰ কথা কৈ শুনালে)

পৃষ্ঠা ১১৯-১২০ ত উল্লেখ আছে যে ভগৱান বিষ্ণুৱে শ্ৰী ব্ৰহ্মা আৰু শ্ৰী শিৱক এইদৰে কলে, “এই জনী দেৱী আমাৰ তিনিওঁৰে মাতৃ, এওঁৱেই জগতজননী, প্ৰকৃতি দেৱী হয়। মই এই গৰাকী দেৱীক মোৰ শিশু অৱস্থাত দেখা পাইছিলোঁ, এওঁ মোক দোলা বিছনাত ওমলাইছিল।

তৃতীয় স্কন্ধৰ ১২৩ পৃষ্ঠাত শ্ৰী বিষ্ণুৱে শ্ৰী দুৰ্গা দেৱীৰ স্তুতি কৰি কৈছে "আপোনাৰ স্বৰূপ পৱিত্ৰ, এই সকলো সংসাৰ আপোনাৰ দ্বাৰাই উজ্জ্বলিত হৈ আছে, মই (বিষ্ণু) ব্ৰহ্মা আৰু শঙ্কৰ আমি সকলো আপোনাৰ কৃপাতহে বিদ্যমান হৈ আছোঁ । আমাৰ আবিৰ্ভাৱ (জন্ম) আৰু তিৰোভাব (মৃত্যু) হয় অৰ্থাৎ আমি তিনিও দেৱতা নাশৱান। কেৱল আপুনিহে নিত্য(অবিনাশী), জগত জননী, প্ৰকৃতি দেৱী হয়"।

ভগবান শঙ্কৰে কলে "দেৱী, যদি মহাভাগ বিষ্ণু আপোনাৰ পৰাই উৎপন্ন হৈছে, তেন্তে তেওঁৰ পিছত উৎপন্ন হোৱা ব্ৰহ্মাও আপোনাৰ সন্তান হয়। তেতিয়াহলে মই তমোগুণী লীলা কৰোঁতা শঙ্কৰ কেনেকৈ আপোনাৰ সন্তান নহও অৰ্থাৎ মোৰ উৎপত্তি কৰ্ত্তাও আপুনি হয়।"

বিবেচনা কৰকঃ-ওপৰৰ বিৱৰণৰ পৰা সিদ্ধ হ'ল যে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ তিনিও বিনাশী। এওঁলোক মৃতুঞ্জঁয় (অজৰ -অমৰ) বা সৰ্বেশ্বৰ নহয় আৰু দুৰ্গা(প্ৰকৃতি)ৰ পুত্ৰ হয় আৰু ব্ৰহ্ম(কাল-সদাশিৱ)এওঁলোকৰ পিতা হয়।

তৃতীয় স্কন্ধৰ ১২৫ পৃষ্ঠাত উল্লেখ আছে যে ব্ৰহ্মাই দুৰ্গাক সুধিলে, "হে মাতা, বেদত উল্লেখিত ব্ৰহ্ম আপুনি নিজেই অথবা অন্য কোনো প্ৰভু হয়?" ইয়াৰ উত্তৰত দুৰ্গাই কৈছে যে দুৰ্গা আৰু ব্ৰহ্ম একেই প্ৰভু। আকৌ এই স্কন্ধৰ ৬ অধ্যায়ৰ ১২৯ পৃষ্ঠাত দুৰ্গাই কৈছে -"এতিয়া মোৰ কাৰ্য সম্পন্ন কৰিবলৈ বিমানত বহি তোমালোক শীঘ্ৰে প্ৰস্থান কৰা। কোনো কঠিন কাৰ্য কৰিব লগা হলে মোক স্মৰণ কৰিবা, মই সন্মুখত উপস্থিত হম। হে দেৱতাসকল, মোৰ (দুৰ্গা) আৰু ব্ৰহ্মৰ ধ্যান তোমালোকে সদায় কৰি থাকিবা। আমি দুজনক স্মৰণ কৰি থকিলে তোমালোকৰ কাৰ্য সিদ্ধহোৱাত তিলমানো সন্দেহ নাথাকিব।" ওপৰৰ ব্যাখাৰ পৰা স্বতঃসিদ্ধ হল যে দুৰ্গা (প্ৰকৃতি) আৰু ব্ৰহ্ম (কাল) তিনিও দেৱতাৰ মাতা পিতা হয় আৰু ব্ৰহ্মা বিষ্ণু আৰু শিৱ বিনাশী হয়, পূৰ্ণ শক্তিযুক্ত নহয়।

তিনিও দেৱতাৰ (ব্ৰহ্মা, বিষ্ণু, শিৱ) বিবাহ দুৰ্গাই (প্ৰকৃতি দেৱী) কৰালে (তৃতীয় স্কন্ধৰ ১২৮-১২৯ পৃষ্ঠাত) গীতা অধ্যায় নং ৭ ৰ শ্লোক নং ১২

য়ে, চ এব, সাত্বিকা , ভাবাঃ ৰাজসা ঃ, তামসা, চ, য়ে
মত ঃ এব, ইতি তান বিদ্ধি ন তু অহম, তেষু, তে, ময়ি

অনুবাদ ঃ (সাত্বিকা) সতগুণী বিষ্ণুৰ পৰা (য়ে) যি স্থিতি (ভাবা) ভাৱ হয় (চ) আৰু (ৰাজসা) ৰজোগুণী ব্ৰহ্মাৰ পৰা (য়ে) যি উৎপত্তি হয় (চ) আৰু (তমসা) তম গুণ শিৱৰ পৰা (এব) সংহাৰ হয় (তান) সেই সকলোবোৰ তুমি (মত এব) মোৰ দ্বাৰা সুনিয়োজিত নিয়ম অনুযায়ী হোৱা (ইতি) বুলি (বিদ্ধি) জানিবা (তু) কিন্তু প্ৰকৃততে (তেষু) সেই বিলাকত (অহম) মই আৰু (তে) সেইবিলাক (ময়ি) মোত (ন) নাই।

## “পবিত্ৰ শিৱ মহাপুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ”

(কাল ব্ৰহ্ম আৰু দুৰ্গা ৰ পৰা বিষ্ণু, ব্ৰহ্মা আৰু শিৱৰ উৎপত্তি)

ইয়াৰ প্ৰমাণ গীতা প্ৰেছ, গোৰখপুৰৰ পৰা প্ৰকাশিত, শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰৰ দ্বাৰা অনুবাদিত পবিত্ৰ শ্ৰী শিৱপুৰাণৰ ষষ্ঠ অধ্যায়ৰ ৰুদ্ৰ সংহিতা ১০০ নং পৃষ্ঠাত আছে। উল্লেখ আছে যে যিজন মুৰ্ত্তি ৰহিত পৰব্ৰহ্ম তেওঁৰ মুৰ্ত্তি হল ভগৱান সদা শিৱ। এওঁৰ শৰীৰৰ পৰা এটা শক্তি ওলাল, সেই শক্তি অম্বিকা, প্ৰকৃতি (দুৰ্গা), ত্ৰিদেৱ জননী (ব্ৰহ্মা, বিষ্ণু আৰু শিৱক জন্ম দিয়া মাতৃ) বুলি বিখ্যাত হল। এওঁৰ আঠখন হাত আছে। যি জন সদাশিৱ, তেওঁক শিৱ, শম্ভু আৰু মহেশ্বৰ বুলি কোৱা হয়। (পৃষ্ঠা নং ১০১) তেওঁ নিজৰ সকলো অঙ্গত ছাই সানি থাকে। সেই কালৰূপী ব্ৰহ্মই শিৱলোক নামৰ এটা ক্ষেত্ৰৰ নিৰ্মাণ কৰিলে। তাৰ পিছত দুয়োমিলি পতি-পত্নী ব্যৱহাৰ কৰাত এজন পুত্ৰ উৎপন্ন হল। তাৰ নাম বিষ্ণু থলে। (শিৱ পুৰাণ ১০২ পৃষ্ঠাত)

আকৌ ‘ৰুদ্ৰ সংহিতা’ ৰ সপ্তম অধ্যায়ৰ ১০৩ পৃষ্ঠাত ব্ৰহ্মাই এই বুলি কোৱাৰ উল্লেখ আছে যে তেওঁৰ উৎপত্তি ও ভগৱান সদাশিৱ (ব্ৰহ্মকাল) আৰু প্ৰকৃতি (দুৰ্গা) ৰ সংযোগৰ পৰা অৰ্থাৎ পতি-পত্নী ব্যৱহাৰৰ পৰা হৈছে। জন্মৰ পিছতে তেওঁক অচেতন কৰা হৈছিল বুলি ব্ৰহ্মাই উল্লেখ কৰিছে।

আকৌ ৰুদ্ৰ সংহিতাৰ নৱম অধ্যায়ত ১১০ পৃষ্ঠাত উল্লেখ কৰা মতে ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰ এই তিনিও দেৱতাৰ গুণ আছে, কিন্তু শিৱ (কাল-ব্ৰহ্ম) ক গুণাতীত বুলি কোৱা হৈছে।

ওপৰৰ বিৱৰণৰ পৰা চাৰিটা কথা প্ৰমাণিত হল। সদাশিৱ (কাল ব্ৰহ্ম) আৰু প্ৰকৃতি (দুৰ্গা) ৰ পৰা ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ উৎপন্ন হল। তিনিও ভগৱানৰ (ব্ৰহ্মা বিষ্ণু, শিৱ) মা শ্ৰী দুৰ্গা আৰু পিতা শ্ৰী জ্যোতি নিৰঞ্জন (ব্ৰহ্ম ) হয়। এই তিনিজন প্ৰভূৱেই ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু, তমগুণ শিৱ হয়।

## “পবিত্ৰ শ্ৰী মদভাগৱত গীতাত সৃষ্টি ৰচনাৰ প্ৰমাণ”

ইয়াৰ প্ৰমাণ পবিত্ৰ গীতা শাস্ত্ৰৰ চতুদৰ্শ অধ্যায়ৰ শ্লোক নং ৩ ৰ পৰা ৫ লৈকে আছে। ব্ৰহ্মই কৈছে যে প্ৰকৃতি (দুৰ্গা) তেওঁৰ পত্নী হয়, তেওঁ (ব্ৰহ্ম/কাল) দুৰ্গাৰ পতি হয়। ব্ৰহ্মই কৈছে যে তেওঁলোক দুয়োৰে সংযোগৰ পৰা সকলো প্ৰাণীৰ লগতে তিনি গুণৰ (ৰজগুণ, ব্ৰহ্মা, সতগুণ বিষ্ণু, তমগুণ শিৱ) উৎপত্তি হৈছে। ব্ৰহ্মই আকৌ কৈছে - “মই সকলো প্ৰাণীৰ পিতা আৰু দুৰ্গা মাতা । দুৰ্গাৰ গৰ্ভত মই বীজ স্থাপন কৰো, যৰ পৰা সকলো প্ৰাণী উৎপত্তি হয়। প্ৰকৃতি দুৰ্গাৰ পৰা উৎপন্ন হোৱা তিনিগুনে (ৰজগুণ-ব্ৰহ্মা, সতগুণ-বিষ্ণু আৰু তমগুণ-শিৱ) জীৱক কৰ্মৰ ভিত্তিত শৰীৰত বান্ধি ৰাখে।

এই প্ৰমাণ পঞ্চদশ অধ্যায়ৰ শ্লোক ১-৪ আৰু ১৬-১৭ ত দিয়া আছে।

গীতাৰ পঞ্চদশ অধ্যায়ৰ ১ নং শ্লোক ঃ

উৰ্দ্ধমূলম, অধঃশাখম, অশ্বত্থম, প্ৰাহু ঃ, অব্যয়ম

ছন্দাসি, য়স্য, পৰ্ণানি, য় ঃ তম্ বেদ, সঃ বেদবিত।।

অনুবাদ ঃ (উৰ্দ্ধমূলম) ওপৰত পূৰ্ণ পৰমাত্মা আদি পুৰুষ ৰূপী শিপা থকা (অধঃশাখম) তলত তিনি গুণ অৰ্থাৎ ৰজগুণ ব্ৰহ্ম, সতগুণ বিষ্ণু আৰু তমগুণ শিৱ ৰূপী শাখা থকা (অব্যয়ম) অবিনাশী (অশ্বত্থম) বিস্তাৰিত আঁহতৰ গছ আছে, (য়স্য) যাৰ (ছন্দাসি) বেদত ছন্দ থকাৰ দৰে এই সংসাৰ ৰূপী বৃক্ষৰো সৰু-সৰু বিভাগ -ডাল আৰু (পৰ্ণানি) পাত (প্ৰাহু) আছে বুলি কোৱা হৈছে, (তম) সেই সংসাৰ ৰূপী বৃক্ষক (যঃ) যিজনে (বেদ) বিস্তাৰিত ভাৱে জানে (সঃ) সেইজন (বেদবিত) পূৰ্ণজ্ঞানী অৰ্থাৎ তত্বদৰ্শী সন্ত।

গীতাৰ পঞ্চদশ অধ্যায়ৰ ২ নং শ্লোক -

অধঃ, চ, ঊৰ্দ্ধম, প্ৰসৃতাঃ, তস্য, শাখা ঃ গুণ প্ৰবৃদ্ধা ঃ
বিষয় প্ৰৱালা ঃ, অধঃ, চ, মূলানি, অনুসন্ততানি, কৰ্মানুবন্ধীনি, মনুষ্যলোকে।।

অনুবাদ ঃ (তস্য) সেই বৃক্ষৰ (অধঃ) তলৰফালে (চ) আৰু (ঊৰ্দ্ধম) ওপৰফালে (গুণ প্ৰবৃদ্ধা) তিনিগুণ ব্ৰহ্মা-ৰজগুণ, বিষ্ণু সতগুণ, শিৱ-তমগুণ ৰূপী (প্ৰসৃতা) বিস্তাৰিত হোৱা (বিষয় প্ৰৱালা) বিকাৰ কাম, ক্ৰোধ, মোহ, লোভ, অহঙ্কাৰ ৰূপী কলি (শাখা) ডাল সদৃশ ব্ৰহ্মা, বিষ্ণু, শিৱ (ক্ৰমানুবন্ধীনি) জীৱক কৰ্ম বন্ধনত বান্ধি ৰখা (মূলানি) শিপা অৰ্থাৎ মুখ্য কাৰণ হয়, (চ) আৰু (মনুষ্য লোকে) মনুষ্যলোক অৰ্থাৎ পৃথিৱী লোকত (অধঃ) তলত নৰক, চৌৰাখী লাখ, যোনিত (ঊৰ্দ্ধম) উপৰত স্বৰ্গলোক আদিত (অনুসন্ত তানি) এই কৰ্ম বন্ধনৰ জাল ব্যৱস্থিত কৰি থোৱা আছে।

গীতা পঞ্চদশ অধ্যায়ৰ শ্লোক নং ৩

ন, ৰূপম্ অস্য, ইহ, তথা, উপলভ্যতে, ন, অন্তঃ ন, চ, আদিঃ ন, চ,
সম্প্ৰতিষ্ঠা, অস্বত্থম, এনম্ সুবিৰুঢ় মূলম, অসঙ্গ শস্ত্ৰেণ, দৃঢেন, ছিত্বা।।

অনুবাদ ঃ (অস্য) এই ৰচনাৰ (আদিঃ) আৰম্ভণিও (ন) নাই (চ) আৰু (অন্তঃ) অন্তও (ন) নাই, (তথা) তেনেকুৱা (ৰূপম) স্বৰূপ (ন, উপলভ্যতে) পোৱা নাযায়, (চ) আৰু (ইহ) ইয়াত বিবেচনা কৰোঁতে অৰ্থাৎ মোৰ দ্বাৰা প্ৰদান কৰি থকা গীতাৰ জ্ঞানত সম্পূৰ্ণ তথ্য মই (ন) দিব পৰা নাই, (সম্প্ৰতিষ্ঠা) কাৰণ সৰ্ব ব্ৰহ্মাণ্ডৰ ৰচনাৰ যথাযথ স্থিতিৰ জ্ঞান মোৰ নাই, (এনম) এই (সুবিৰুঢমূলম) স্থায়ী, স্থিৰ ৰূপত থকা, (অশ্বত্থম) দৃঢ়, শকত স্বৰূপ থকা সংসাৰ ৰূপী বৃক্ষৰ জ্ঞানক (অসংগ শস্ত্ৰেণ) পূৰ্ণ জ্ঞান ৰূপী (দৃঢ়েন) দৃঢ় সুক্ষ্ম বেদ অৰ্থাৎ তত্বজ্ঞানৰ দ্বাৰা জানি লৈ , (ছিত্বা) কাটি লৈ অৰ্থাৎ নিৰঞ্জনৰ ভক্তিক ক্ষণস্থায়ী অৰ্থাৎ ক্ষণভঙ্গুৰ বুলি জানি, ব্ৰহ্মা, বিষ্ণু, শিৱ , ব্ৰহ্ম আৰু পৰব্ৰহ্মৰো ওপৰত থকা পূৰ্ণ ব্ৰহ্মৰ অনুসন্ধান কৰিব লাগিব।

গীতাৰ পঞ্চদশ অধ্যায়ৰ 4 নং শ্লোক -

ততঃ পদম্, তত্, পৰিমাৰ্গিতব্যম, য়স্মিন্, গতাঃ ন, নিবৰ্তান্তি ভূয়ঃ,
তম্, এৱ্, চ্ আদ্যম, পুৰুষম্, প্ৰপদ্যে,যতঃ, প্ৰবৃতি ঃ প্ৰসৃতা, পুৰাণী।।

অনুবাদ ঃ যেতিয়া তত্বদৰ্শী সন্ত পোৱা যায়, (ততঃ) তাৰ পিছত (তত্)

সেই পৰমাত্মাৰ (পদম) পদ-স্থান অর্থাৎ সত্যলোক (পৰিমার্গিতব্যম) ভালদৰে বিচাৰিব লাগিব (যস্মিন) যত (গতাঃ) যোৱা সাধক (ভূয়) আকৌ (ন, নিবর্তান্তি) উভতি সংসাৰলৈ নাহে (চ) আৰু (যতঃ) যিজনপৰমাত্মা পৰম অক্ষৰ ব্ৰহ্মৰ পৰা (পুৰাণী) আদি (প্ৰবৃতি) ৰচনা সৃষ্টি (প্ৰসৃতা) উৎপন্ন হল, (তম) অজ্ঞাত (আদ্যম) আদি যম অর্থাৎ মই কাল নিৰঞ্জন (পুৰুষম) পূর্ণ পৰমাত্মাৰ (এব) হে (প্ৰপদ্যে) শৰণত আছোঁ আৰু তেওঁৰেই পূজা কৰোঁ।

গীতা পঞ্চদশ অধ্যায়ৰ শ্লোক নং ১৬

দ্বৌ, ইমৌ, পুৰুষৌ, লোকে, ক্ষৰঃ;অক্ষৰ ঃ, এব, চ,
ক্ষৰঃ, সর্বাণি, ভূতানি, কুটস্থঃ, অক্ষৰঃ, উচ্যতে।।

অনুবাদ ঃ (লোকে) এই সংসাৰত (দ্বৌ) দুই ধৰণৰ (ক্ষৰঃ) নাশৱান (চ) আৰু (অক্ষৰ) অবিনাশী (পুৰুষৌ) ভগৱান আছে (এব) এনেদৰেই (ইমৌ) এই দুজন প্ৰভূৰ লোকত (সর্বাণি) সম্পূর্ণ (ভূতানি) প্ৰাণীৰ শৰীৰ (ক্ষৰঃ) নাশৱান (চ) আৰু (কূটস্থঃ) জীৱাত্মা (অক্ষৰ) অবিনাশী (উচ্যতে) বুলি কোৱা হয়।

গীতা পঞ্চদশ অধ্যায়ৰ ১৭ নং শ্লোক

উত্তমঃ, পুৰুষঃ, তু, অন্যঃ, পৰমাত্মা, ইতি, উদাহৃতঃ,
যঃ লোকত্ৰয়ম, আবিশ্য, বিভর্তি অব্যয়ঃ, ইশ্বৰঃ।।

অনুবাদ ঃ (উত্তমঃ) উত্তম (পুৰুষঃ) প্ৰভূ (তু, অন্যঃ) ওপৰোক্ত দুয়ো প্ৰভূ “ক্ষৰ পুৰুষ তথা অক্ষৰ পুৰুষ” ৰ পৰা বেলেগ আছে, (ইতি) এইজনক প্ৰকৃত (পৰমাত্মা) পৰমাত্মা (উদাহৃতঃ) বুলি কোৱা হয় (যঃ) যি জনে (লোকত্ৰয়ম) তিনিও লোকত (আবিশ্য) প্ৰৱেশ কৰি (বিভর্তি) সকলোৰে পালন পোষণ কৰে আৰু এওঁৰেই (অব্যয়ঃ) অবিনাশী (ঈশ্বৰ) ঈশ্বৰ (প্ৰভূসকলৰ ভিতৰত শ্ৰেষ্ঠ অর্থাৎ সমর্থবাণ প্ৰভু) হয়।

সাৰাংশ ঃ গীতা জ্ঞান দাতা প্ৰভুৱে মাত্ৰ এইটোহে কৈছে যে এই সংসাৰ ওলোটাকৈ ওলমি থকা বৃক্ষৰ দৰে জানিবা। ওপৰৰ শিপা (মূল) পূর্ণ পৰমাত্মা হয়। তলৰ ডাল, শাখাডাল আদি অন্য বিভাগ বুলি জানিবা। এই সংসাৰ ৰূপী বৃক্ষৰ বিভিন্ন ভাগৰ বিৱৰণ যিজন সন্তই জানে সেইজন তত্বদর্শী সন্ত হয়, যাৰ বিষয়ে গীতাৰ চতুর্থ অধ্যায়ৰ ৩৪ নং শ্লোকত উল্লেখ কৰা হৈছে। পঞ্চদশ অধায়ৰ ২ আৰু ৩ নং শ্লোকত মাত্ৰ ইমানেই কৈছে যে সেই বৃক্ষৰ তিনিগুণ ৰূপী শাখা (ডাল) আছে। মোৰ বিবেচনাৰে অর্থাৎ গীতাত মই (গীতা জ্ঞান দাতা) আপোনাক সম্পূর্ণ তথ্য দিব নোৱাৰোঁ কাৰণ এই সংসাৰ ৰচনাৰ আদ্যোপান্ত জ্ঞান মোৰ নাই। তাৰ বাবে চতুর্থ অধ্যায়ৰ ৩৪ নং শ্লোকত কৈছে যে কোনো তত্বদর্শী সন্তৰ পৰা সেই পূর্ণ পৰমাত্মা সর্ম্পকীয় জ্ঞান জানি লবা। পঞ্চদশ অধ্যায়ৰ ১ নং শ্লোকত সেই তত্বদর্শী সন্ত সর্ম্পকে কৈছে যে তেওঁ সংসাৰ ৰূপী বৃক্ষৰ প্ৰতিটো বিভাগৰ জ্ঞান দিব, সন্তজনক সুধি লবা। গীতাৰ পঞ্চদশ অধ্যায়ৰ ৪ নং শ্লোকত কৈছে যে সেই তত্বদর্শী সন্তক লগ পোৱাৰ পিছত সেই পৰমপদ

পৰমেশ্বৰক বিচাৰিব লাগিব অৰ্থাৎ সেই তত্বদৰ্শী সন্তই দিয়া জ্ঞান অনুসৰি সাধনা কৰিব লাগিব যাৰ দ্বাৰা পূৰ্ণ মোক্ষ (অনাদি মোক্ষ) লাভ হব। পঞ্চদশ অধ্যায়ৰ ১৬ আৰু ১৭ নং শ্লোকত স্পষ্ট কৰা হৈছে যে তিনিজন প্ৰভূ আছে, ক্ষৰপুৰুষ অক্ষৰ পুৰুষ, পৰম অক্ষৰ ব্ৰহ্ম । ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষ প্ৰকৃততে অবিনাশী নহয়। অবিনাশী পৰমাত্মা পৰম অক্ষৰ ব্ৰহ্ম, পৰম অক্ষৰ পুৰুষ তিনিও লোকত প্ৰৱেশ কৰি সকলোৰে পালন-পোষণ কৰে।

ওপৰত উল্লেখ কৰা হৈছে যে গীতাৰ পঞ্চদশ অধ্যায়ৰ ১-৪ আৰু ১৬-১৭ নং শ্লোকত প্ৰমাণিত হৈছে যে ওলোটাকৈ ওলমি থকা সংসাৰ ৰূপী বৃক্ষৰ মূল অৰ্থাৎ শিপা হ'ল পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ পূৰ্ণ ব্ৰহ্ম যাৰ দ্বাৰা সম্পূৰ্ণ বৃক্ষৰ পালন পোষণ হয় আৰু বৃক্ষৰ যি অংশ পৃথিৱীৰ পৰা বাহিৰত মাটিৰ ওপৰত দেখা পোৱা যায় সেইটো গা-গছ হয়। এই গা-গছ অংশ অক্ষৰ পুৰুষ অৰ্থাৎ পৰব্ৰহ্মবুলি জানিব। গা-গছৰ আৰু ওপৰলৈ গৈ শকত ডাল ওলায় এই শকত ডাল এটাক ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষ বুলি জানিব আৰু সেই ডালৰ পৰা অন্য তিনিটা শাখা ডালি ওলাইছে সেই বোৰক ক্ৰমে ব্ৰহ্মা,বিষ্ণু আৰু শিৱ বুলি জানিব তথা শাখাৰ পৰা ঠাল ঠেঙুলি আৰু পাত ৰূপত সাংসাৰিক প্ৰাণী বুলি জানিব। উপৰোক্ত পঞ্চদশ অধ্যায়ৰ ১৬-১৭ নং শ্লোকত স্পষ্ট হৈছে যে ক্ষৰ পুৰুষ (ব্ৰহ্ম) আৰু অক্ষৰ পুৰুষ (পৰ ব্ৰহ্ম) লগতে এই দুয়োৰো লোকত যিমান প্ৰাণী আছে তেওঁলোকৰ স্থূল শৰীৰ নাশৱান হয় আৰু জীৱাত্মা অবিনাশী হয় অৰ্থাৎ ওপৰোক্ত দুয়ো প্ৰভূ আৰু এওঁলোকৰ অন্তৰ্গত সকলো প্ৰাণী বিনাশী হয়। অক্ষৰ পুৰুষ (পৰ ব্ৰহ্ম) ক অবিনাশী বুলি কোৱা হৈছে, কিন্তু প্ৰকৃততে অবিনাশী পৰমাত্মা ক্ষৰ আৰু অক্ষৰ পুৰুষত কৈ সম্পূৰ্ণ বেলেগ হয়। সেই পৰম অক্ষৰ ব্ৰহ্মই অৰ্থাৎ পূৰ্ণ ব্ৰহ্মই তিনিওলোকত প্ৰৱেশ কৰি সকলোৰে পালন পোষণ কৰে। ওপৰোক্ত বিৱৰণত তিনিওজন প্ৰভূৰ বেলেগে-বেলেগে সম্পূৰ্ণ বিৱৰণ দিয়া হ'ল।

## "পবিত্ৰ বাইবেল তথা পবিত্ৰ কোৰাণ শ্বৰীফত সৃষ্টি ৰচনাৰ প্ৰমাণ"

সৃষ্টি ৰচনাৰ প্ৰমাণ পবিত্ৰ বাইবেল আৰু পবিত্ৰ কোৰাণ শ্বৰীফত লিপিবদ্ধ কৰা আছে।

কোৰাণ শ্বৰীফত পবিত্ৰ বাইবেলৰো জ্ঞান আছে, এই কাৰণে এই দুয়োখন সদগ্ৰন্থই সৃষ্টি কৰ্ত্তা কোন, কেনেকুৱা আৰু তেওঁৰ প্ৰকৃত নাম কি এই সৰ্ম্পকে একে ধৰণৰ প্ৰমাণ দাঙি ধৰিছে।

পবিত্ৰ বাইবেল (উৎপত্তি গ্ৰন্থৰ পৃষ্ঠা ২ , অধ্যায় ১ ঃ ২০ - ২ ঃ ৫ )

<u>ষষ্ঠদিনা</u> ঃ- প্ৰাণী আৰু মনুষ্য ঃ-

অন্য প্ৰাণী বিলাকৰ সৃষ্টি কৰি ২৬. আকৌ পৰমেশ্বৰে কলে যে তেওঁ মানুহক তেওঁৰ নিজৰ স্বৰূপৰ লগত সাদৃশ্য ৰাখি উৎপত্তি কৰিব, যি মানুহে সকলো প্ৰাণীক নিজৰ অধীনত ৰাখিব। ২৭ তেতিয়া পৰমেশ্বৰে মানুহক নিজৰ স্বৰূপত উৎপন্ন কৰিলে, নৰ আৰু নাৰী হিচাপে মানুহৰ সৃষ্টি কৰিলে।

২৯. প্ৰভূৱে মানুহৰ আহাৰৰ বাবে বীজ থকা (গুটি থকা) সৰু গছ আৰু গুটি থকা ফলৰ গছ প্ৰদান কৰিলে (মাংস খাবলৈ কোৱা নাই)

সপ্তম দিন ঃ বিশ্ৰামৰ দিন। পৰমেশ্বৰে ছয় দিনত সকলো সৃষ্টিৰ উৎপত্তি কৰিলে আৰু সপ্তম দিনত বিশ্ৰাম কৰিলে।

পবিত্ৰ বাইবেলে সিদ্ধ কৰি দিলে যে পৰমাত্মাৰ শৰীৰ মানুহৰ শৰীৰ নিচিনা, যি জনে ছয় দিনত সকলো সৃষ্টিৰ ৰছনা কৰিলে আৰু বিশ্ৰাম কৰিলে।

“পবিত্ৰ কোৰাণ শ্বৰীফ (সুৰত ফুৰ্কানি ২৫, আয়ত নং ৫২,৫৮,৫৯)

আয়ত ৫২ ঃ- ফলা তুতিয়ল - কাফিৰণৱ্ জহিদহুম বিহী জিহাদন কবীৰা (কবীৰন) ।।৫২।।

ইয়াৰ ভাৱাৰ্থ এইটো ঃ- হজৰত মহম্মদৰ খোদাই (প্ৰভু) কৈ আছে যে - হে পয়গম্বৰ আপুনি কাফিৰ সকলৰ (এক প্ৰভূৰ ভক্তি এৰি অন্য দেৱ দেৱীৰ মুৰ্ত্তিৰ পূজা কৰা সকল) কথা নামানিব, কাৰণ তেওঁলোকে কবীৰক পূৰ্ণ পৰমাত্মা বুলি মানি লোৱা নাই। আপুনি মোৰ দ্বাৰা এই কোৰাণ শ্বৰীফত দিয়া জ্ঞানৰ আধাৰত সম্পূৰ্ণ ভাৱে বিশ্বাস কৰিব যে কবীৰ পূৰ্ণ ভগৱান হয়, আৰু কবীৰ আল্লাহৰ বাবে সংঘৰ্ষ কৰিব (কাজিয়া নকৰিব) অৰ্থাৎ কবীৰ পূৰ্ণ প্ৰভু হয় বুলি বিশ্বাস কৰিব, অন্য কাৰো, কোনো কথা নুশুনিব।

আয়ত ৫৮ ঃ- ৱ তৱক্কল তলল — হৃৰি ল্লজী লা যমূতু ৱ সব্বিহ বিহমদিহী ৱ কফা বিহী বিজুনুবি অিবাদিহী খবীৰা (কবীৰা)।। ৫৮।।

ভাৱাৰ্থঃ- হজৰত মহম্মদে যি জনক নিজৰ প্ৰভু মানি লৈছে সেইজন আল্লাই (প্ৰভুৱে) অন্য বেলেগ পূৰ্ণ প্ৰভুৰ ফালে ইঙ্গিত দি কৈছে - হে পয়গম্বৰ সেই কবীৰ পৰমাত্মাৰ ওপৰত বিশ্বাস কৰা যি জনে জিন্দা মহত্মাৰ ৰূপত আহি তোমাক লগ ধৰিছিল। তেওঁৰ কেতিয়াও মৃত্যু নহয় অৰ্থাৎ তেওঁহে প্ৰকৃততে অবিনাশী। তেওঁক প্ৰসংশা কৰি তেওঁৰ পবিত্ৰ মহিমাৰ গুনাণু কীৰ্ত্তন কৰি যোৱা, সেইজন কবীৰ আল্লা (প্ৰভূ) কবিৰ্দেৰ পূজনীয় হয় আৰু নিজৰ উপাসক সকলৰ সকলো পাপ বিনাশ কৰি দিব।

আয়ত ৫৯ ঃ- অল্লজী খলক চচমাৱতি ৱলঅৰ্জ ৱ মা বৈনহুমা ফী সিত্ততি অয়্যামিন সুম্মস্তবা অললঅৰ্শি অৰ্ৰহমানু ফসঅল বিহী খবীৰণ (কবীৰণ)।।৫৯।।

ভাবাৰ্থ ঃ- কোৰাণ শ্বৰীফৰ জ্ঞান দাতা প্ৰভু (আল্লাহ) য়ে হজৰত মহম্মদক কৈ আছে যে এইজন কবীৰ প্ৰভু সেইজনেই হয় যি জনে পৃথিৱী আৰু আকাশৰ মাজৰ সকলো সৃষ্টি ছয় দিনত কৰি সপ্তম দিনত ওপৰৰ নিজৰ সত্যলোকৰ সিংহাসনত বিৰাজমান হ’ল (বহিল) তেওঁৰ বিষয়ৰ তথ্য কোনোবা তত্বদৰ্শী সন্ত (বাখবৰ) ৰ পৰা জানি লোৱা।

সেই পূৰ্ণ পৰমাত্মাৰ প্ৰাপ্তি কেনেকৈ হব তাৰ প্ৰকৃত জ্ঞান কোনোবা তত্বদৰ্শী সন্ত (বাখবৰ) ক সুধি লোৱা, মই (কোৰান শ্বৰীফৰ জ্ঞান দাতা) নাজানোঁ।

এতিয়া স্পষ্ট হ’ল যে দুয়ো পবিত্ৰ ধৰ্ম (খৃষ্টান আৰু মুছলমান,ইচলাম) ৰ পবিত্ৰ শাস্ত্ৰইও মিলিজুলি প্ৰমাণিত কৰি দিলে যে সকলো সৃষ্টিৰ ৰচনা কৰ্তা,

সকলো পাপ বিনাশক, সৰ্ব শক্তিমান, অবিনাশী পৰমাত্মা মানৱ সদৃশ আকাৰত আছে আৰু সত্যলোকত থাকে। তেওঁৰ নাম কবীৰ হয়, তেওঁক আল্লাহু অকবিৰু বুলিও কোৱা হয়।

আদৰণীয় ধৰ্মদাসে পূজ্য কবীৰ প্ৰভুক কলে "হে সৰ্বশক্তিমান আজিলৈকে এই তত্বজ্ঞান কোনেও নকলে, বেদৰ মৰ্ম গ্ৰাহী জ্ঞানী সকলেও নকলে। গতিকে এইটো নিশ্চিত যে চাৰিও পবিত্ৰ বেদ আৰু চাৰিও পবিত্ৰ কতেব (কোৰান শ্বৰীফআদি) মিছা হয়। তেতিয়া পূৰ্ণ পৰমাত্মাই কলে ঃ-

"কবীৰ, বেদ কতেব ঝুঠে নহী ভাই, ঝুঠে হৈ জো সমঝে নাহি"।

ভাবাৰ্থ ঃ- চাৰিওখন পবিত্ৰ বেদ (ঋগ বেদ, অথৰ্ব বেদ, যজু বেদ, সাম বেদ) আৰু চাৰিওখন পবিত্ৰ কতেব (কোৰাণ শ্বৰীফ, জবুৰ, তৌৰাত, ইঞ্জিল) ৰ জ্ঞান মিছা (ভুল) নহয়। কিন্তু এই জ্ঞানক বুজি নোপোৱা সকলহে মুৰ্খ।

## "পূজ্য কবীৰ পৰমেশ্বৰ (কবিৰ দেৱ) ৰ অমৃত বাণীত সৃষ্টি ৰচনা"

বিশেষ ঃ নিম্ন অমৃত বাণী ১৪০৩ চনৰ পৰা (যেতিয়া পূজ্য কবীৰদেৱৰ (কবিৰ পৰমেশ্বৰ) লীলাময় শৰীৰত পাঁচ বছৰ বয়স হৈছিল) ১৫১৮ (যেতিয়া কবীৰদেৱ (কবিৰ পৰমেশ্বৰ) মগহৰ নামৰ ঠাইত সশৰীৰে সত্যলোক গৈছিল) চনৰ মাজত প্ৰায় ছয়শ বছৰ পূৰ্বে পৰম পূজ্য কবিৰ পৰমেশ্বৰ (কবিৰ্দেৱ) ৰ দ্বাৰা নিজৰ সেৱক (দাস/ভক্ত) আদৰণীয় ধৰ্মদাসক শুনোৱা হৈছিল আৰু ভক্তিৰ ধনী ধৰ্মদাসে লিপিবদ্ধ কৰিছিল। কিন্তু সেই সময়ৰ পবিত্ৰ হিন্দু আৰু পবিত্ৰ মুছলমান ধৰ্মৰ বেঙা (মুৰ্খ) গুৰু সকলে কলে যে এই তাঁতী (কাপোৰ বোৱা জাতি) কবিৰে মিছা মাতিছে। কোনো সৎগ্ৰন্থত ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মা-দেউতাৰ নাম নাই। এই তিনিও প্ৰভু অবিনাশী, এওঁলোকৰ জন্ম মৃত্যু নহয়। পবিত্ৰ বেদ আৰু পবিত্ৰ কোৰাণ শ্বৰীফতো কবিৰ পৰমেশ্বৰ বুলি কোনো প্ৰমাণ নাই। পৰমাত্মাক নিৰাকাৰ বুলিহে লিখা আছে, তেওঁলোকে আৰু কলে যে এই সৎগ্ৰন্থ বিলাক তেওঁলোকে সদায় অধ্যয়ন কৰে। সহজ সৰল আত্মা (মানুহ) সকলে সেই বিচক্ষণ (চতুৰ গুৰু) গুৰুৰ ওপৰত বিশ্বাস কৰি ভাবিলে যে এই কবিৰ তাঁতী সঁচাকৈয়ে অশিক্ষিত আৰু গুৰুসকল শিক্ষিত হয়, এওঁলোকে নিশ্চয় সত্য কথাই কৈছে। আজি সেই সত্য পোহৰলৈ আহিব ধৰিছে আৰু আমাৰ সকলো পবিত্ৰ ধৰ্মৰ পবিত্ৰ সদগ্ৰন্থ তাৰ সাক্ষী ৰূপত আজিও বিদ্যমান, গতিকে এইটো সিদ্ধ হল যে পূৰ্ণ পৰমেশ্বৰ, সকলো সৃষ্টিৰ ৰচনা কৰ্তা, কুলৰ মালিক আৰু সৰ্বজ্ঞ হল কবিৰ্দেৱ (কবিৰ পৰমেশ্বৰ) যিজন কাশী (বেনাৰস)ত পদুম ফুলৰ ওপৰত অৱতীৰ্ণ হৈছিল আৰু ১২০ বছৰলৈকে বাস্তৱিক তেজোময় শৰীৰৰ ওপৰত কম আভাযুক্ত মানৱ সদৃশ শৰীৰত আছিল আৰু নিজৰ দ্বাৰা ৰচনা কৰা সৃষ্টিৰ যথাযথ (বাস্তৱিক তত্ব) জ্ঞান দিয়াৰ পিছত সশৰীৰে সত্য লোকলৈ গৈছিল।

**পৰমেশ্বৰ কবিৰ চাহেবৰ দ্বাৰা উচ্চাৰিত নিম্ন অমৃত বাণী কৃপা কৰি প্ৰভূ প্ৰেমী পাঠক সকলে পঢ়ে যেন।**

*"ধৰ্মদাস য়হ জগ বৌৰাণা। কোই ন জানে পদ নিৰবানা।।*
*য়হি কাৰণ মৈ কথা পসাৰা। জগসে কহিয়ো ৰাম নিয়াৰা।।*
*য়হী জ্ঞান জগ জীৱ সুনাও । সব জীবোঁকা ভৰম নশাও।।*
*অব মৈ তুমসে কহোঁ চিতাই। ত্ৰয়দেবন কী উৎপত্তি ভাই।।*
*কুছ সংক্ষেপ কহোঁ গুহৰাই। সব সংশয় তুম্হৰে মিট জাই।।*
*ভৰম গয়ে জগ বেদ পুৰাণা। আদি ৰামকো ভেদ ন জানা।।*
*ৰাম ৰাম সব জগত বখানে। আদি ৰাম কোই বিৰলা জানে।।*
*জ্ঞানী সুনে সো হৃদয় লগাই। মুৰ্খ সুনে সো গম্য না পাই।।*
*মা অষ্টাঙ্গী পিতা নিৰঞ্জন। ৱে যম দাৰুণ বশন অঞ্জন।।*
*পহিলে কীহ্ন নিৰঞ্জন ৰাই। পিছে সে মায়া উপজাই।।*
*মায়া ৰূপ দেখি অতি শোভা। দেৱ নিৰঞ্জন তন-মন লোভা।।*
*কাম দেৱ ধৰ্মৰায় সতায়ে। দেবী কো তুৰন্তহী ধৰ খায়ে।।*
*পেট সে দেবী কৰী পুকাৰা। চাহব মেৰা কৰো উবাৰা*
*টেৰ সুনী তব হম তহাঁ আয়ে। অষ্টাঙ্গী কো বন্দ ছুড়ায়ে।।*
*সত্যলোক মে কীহ্না দুৰাচাৰি। কাল নিৰঞ্জন দিহ্না নিকাৰি।।*
*মায়া সমেত দিয়া ভগাই। ষোল্ল সংখ কোস দুৰী পৰ আই।।*
*অষ্টঙ্গী ঔৰ কাল অব দোই। মন্দ কৰ্ম সে গয়ে বিগোই।।*
*ধৰ্মৰায় কো হিকমত কীহ্না। নখ ৰেখা সে ভগকৰ লীহ্না।।*
*ধৰ্মৰায় কিহ্নাঁ ভোগ বিলাসা। মায়াকো ৰহী তব আসা।।*
*তীন পুত্ৰ অষ্টঙ্গী জায়ে। ব্ৰহ্মা বিষ্ণু শিৱ নাম ধৰায়ে।।*
*তীন দেৱ বিস্তাৰ চলায়ে। ইনমে য়হ জগ ধোখা খায়ে।।*
*পুৰুষ গম্য কৈসে কো পাৱৈ। কাল নিৰঞ্জন জগ ভৰমাৱৈ।।*
*তীনলোক অপনে সুত দীহ্না। সুন্ন নিৰঞ্জন বাসা লীহ্না।।*
*অলখ নিৰঞ্জন সুন্ন ঠিকানা। ব্ৰহ্মা বিষ্ণু শিৱ ভেদ ন জানা।।*
*তীন দেৱ সো উনকো ধাৱে। নিৰঞ্জন কা ৱে পাৰ না পাৱে।।*
*অলখ নিৰঞ্জন বড়া বটপাৰা। তীন লোক জীৱ কীহ্ন অহাৰা।।*
*ব্ৰহ্মা বিষ্ণুশিৱ নহী বচায়ে। সকল খায় পুনধুৰ উড়ায়ে।।*
*তিনকে সুত হৈ তিনো দেৱা। আন্ধৰ জীৱ কৰত হৈ সেৱা।।*
*অকাল পুৰুষ কাহু নহি চীহ্না। কাল পায় সবহী গহ লীহ্না।।*
*ব্ৰহ্ম কাল সকল জগ জানে। আদি ব্ৰহ্মকো না পহিচানে।।*
*তীনো দেৱা ঔৰ ঔতাৰা। তাকো ভজে সকল সংসাৰা।।*
*তীনো গুণকা য়হ বিস্তাৰা। ধৰ্মদাস মৈ কহো পুকাৰা।।*
*গুণ তীনো কী ভক্তি মে,ভূল পৰো সংসাৰ।।*
*কহৈ কবিৰ নিজ নাম বিন কৈসে উতৰৈ পাৰ।।*

ওপৰোক্ত অমৃতবাণীত পৰমেশ্বৰ কবীৰ চাহেবে তেওঁৰ নিজৰ সেৱক শ্ৰী ধৰ্মদাসক কৈছে যে এই সকলো সংসাৰ তত্ত্বজ্ঞানৰ অভাৱত বিচলিত হৈছে। পূৰ্ণ মোক্ষৰ আৰু সম্পূৰ্ণ সৃষ্টি ৰচনাৰ জ্ঞান কাৰো নাই। এই কাৰণে মই আপোনাক মোৰ দ্বাৰা কৰা সৃষ্টি ৰচনাৰ কথা শুনাম, বুদ্ধিমান ব্যক্তিয়ে তুৰন্তে বুজি পাব, কিন্তু সকলো প্ৰমাণ দেখাৰ পাছতো যদিহে নামানে তেতিয়া সেই নিৰ্বোধ প্ৰাণী নিশ্চয় কালৰ দ্বাৰা প্ৰভাৱিত হৈছে, তেওঁ ভক্তিৰ যোগ্য নহয়। এতিয়া মই (কবিৰ চাহেব) তিনিও জন ভগৱানৰ (ব্ৰহ্মা, বিষ্ণু, শিৱ) উৎপত্তি কেনেকৈ হল বৰ্ণনা কৰিম। এওঁলোকৰ মাতা অষ্টাঙ্গী (দুৰ্গা) আৰু পিতা জ্যোতি নিৰঞ্জন (ব্ৰহ্ম/কাল) হয়।প্ৰথমতে ব্ৰহ্মৰ উৎপত্তি কণীৰ পৰা হল। আকৌ দূৰ্গাৰ উৎপত্তি হল, দুৰ্গাৰ ৰূপ দেখি আসক্ত হৈ কাল ব্ৰহ্মই অশ্লীল ইঙ্গিত দিয়াত দুৰ্গাই (প্ৰকৃতি) কালৰ পেটত আশ্ৰয় লৈ উদ্ধাৰৰ কাৰণে প্ৰাৰ্থনা কৰিলে, তেতিয়া মই (কবিৰ প্ৰভূ) নিৰঞ্জন থকা ঠাইলৈ গলো। ভবানী (দুৰ্গা)ক ব্ৰহ্মৰ পেটৰ পৰা উলিয়াই একৈশ ব্ৰহ্মাণ্ডৰ সৈতে যোল্ল সংখ কোস দুৰলৈ দুয়োকে (ব্ৰহ্ম আৰু দুৰ্গা) পঠাই দিলো। জ্যোতি নিৰঞ্জনৰ (ধৰ্মৰায়) প্ৰকৃতি দেবী (দুৰ্গা) ৰ লগত ভোগ সংযোগৰ পৰা তিনি গুণ (ব্ৰহ্মা, বিষ্ণু, শিৱ)ৰ উৎপত্তি হল। এই তিনিগুণৰ (ৰজ গুণ-ব্ৰহ্মা, সত গুণ-বিষ্ণু, তমগুণ-শিৱ) সাধনা কৰি সকলো প্ৰাণী কালৰ জালত বন্দী হৈ পৰিল। যেতিয়ালৈকে প্ৰকৃত মন্ত্ৰ পোৱা নাযায়, পূৰ্ণ মোক্ষ কেনেকৈ সম্ভৱ হব ?

বিশেষ ঃ প্ৰিয় পাঠক সকল, চিন্তাৰ বিষয় এই যে বৰ্তমানলৈকে ব্ৰহ্মা, বিষ্ণু আৰু শিৱক অবিনাশী বুলি কোৱা হৈছে। সকলো হিন্দু সমাজে এতিয়ালৈকে তিনিও প্ৰভুক অজৰ অমৰ আৰু জন্ম-মৃত্যু ৰহিত বুলি গণ্য কৰিছে, কিন্তু এই তিনিও নাশৱান হয়। আপোনালোকে ওপৰত পঢ়াৰ দৰে এই তিনি প্ৰভূৰ পিতা কালৰূপী ব্ৰহ্ম আৰু মাতা দুৰ্গা (প্ৰকৃতি/অষ্টাঙ্গী) হয়। এই কথা (জ্ঞান) আমাৰ পবিত্ৰ শাস্ত্ৰ সমূহত বিদ্যমান আছে। কিন্তু হিন্দু সমাজৰ কলিযুগৰ গুৰু, ঋষি, সন্ত, সকলৰ এই জ্ঞান নাই। যিজন শিক্ষকে পাঠ্যক্ৰম মতে পাঠদান নকৰে সেইজন অধ্যাপক ভাল নহয় (বিদ্বান নহয়)। তেওঁ বিদ্যাৰ্থী সকলৰ ভৱিষ্যতৰ শত্ৰু হয়। এইদৰে যি সকল গুৰুৱে এতিয়ালৈকে ব্ৰহ্মা, বিষ্ণু, শিৱৰ মাতা পিতা কোন হয়, কব নোৱাৰে, তেওঁলোক জ্ঞানহীন গুৰু ঋষি আৰু সন্ত হয়। জ্ঞানৰ অভাৱত সকলো ভক্ত সমাজক শাস্ত্ৰ বিৰুদ্ধ জ্ঞান (লোক বেদ বা কিংবদন্তি) শুনাই অজ্ঞানী কৰি তুলিলে। শাস্ত্ৰ বিৰুদ্ধ ভক্তি সাধনা কৰিবলৈ দি পৰমাত্মাৰ পৰা হব লগা প্ৰকৃত লাভ (পূৰ্ণ মোক্ষ) ৰ পৰা বঞ্চিত কৰিলে, সকলোৰে মানৱ জনম নষ্ট কৰি পেলালে কাৰণ শ্ৰীমদভাগৱত গীতাৰ অধ্যায় ১৬ ৰ ২৩-২৪ নং শ্লোকত প্ৰমাণ আছে যে শাস্ত্ৰ বিধি ত্যাগ কৰি মইমতালি পূৰ্ণ আচৰণ, পূজা কৰিলে তাৰ পৰা সাধকৰ কোনো লাভ নহয়। পূৰ্ণ পৰমাত্মা কবীৰ চাহেবে ১৪০৩ চনৰ পৰা সকলো শাস্ত্ৰ সন্মত জ্ঞান নিজৰ অমৃত বাণী (কবীৰ বাণী) ৰ যোগেদি কবলৈ আৰম্ভ কৰিছিল। কিন্তু সেই অজ্ঞানী গুৰু সকলে এই জ্ঞান ভক্ত, সমাজৰ মাজত প্ৰচাৰ প্ৰসাৰ হবলৈ নিদিলে। এই কথা বৰ্তমান সময়ত

স্পষ্টকৈ পোহৰলৈ আহিব ধৰিছে আৰু ইয়াৰ দ্বাৰা এইটো সিদ্ধ হল যে স্বয়ং পূৰ্ণ পৰমাত্মা কবিৰদেৱ (কবিৰ পৰমাত্মা)ৰ বেশত তত্বদৰ্শী সন্ত হিচাবে আহিছিল।

"আদৰণীয় গৰীবদাস চাহেবৰ অমৃত বাণীত সৃষ্টি ৰচনাৰ প্ৰমাণ"

-আদি ৰমৈণী (সদ গ্ৰন্থ ৬৯০ ৰ পৰা ৬৯২ পৃষ্ঠালৈকে)

*আদি ৰমৈণী অদলী সাৰা। জা দিন হোতে ধুন্ধকাৰা।। ১।।*
*সতপুৰুষ কীহ্না প্ৰকাশা। হম হোতে তখত কবীৰ খৱাচা।। ২।।*
*মন মোহিনী সিৰজি মায়া। সতপুৰুষ এক খ্যাল বনায়া।। ৩।।*
*ধৰ্মৰায় সিৰজে দৰবাণী। চৌষঠ যুগতপ সেৱা ঠানী।। ৪।।*
*পুৰুষ পৃথিৱী জাকু দীহ্নী। ৰাজ কৰো দেৱা আধীনী।। ৫।।*
*ব্ৰহ্মাণ্ড ইকীস ৰাজ তুম্হ দীহ্না। মন কী ইচ্ছা সব যুগ লীহ্না।। ৬।।*
*মায়া মূল ৰূপ এক ছাজা। মোহি লিয়ে জিনহুঁ ধৰ্মৰাজা।। ৭।।*
*ধৰ্ম কা মন চঞ্চল চিত্ত ধাৰ্য্যা। মন মায়া কা ৰূপ বিচাৰা।। ৮।।*
*চঞ্চল চেৰী চপল চিৰাগা। য়া কে পৰসে সৰবস জাগা।। ৯।।*
*ধৰ্মৰায়া কিয়া মন কা ভাগী। বিষয় বাসনা সঙ্গ সে জাগী ।। ১০।।*
*আদি পুৰুষ অদলী অনৰাগী। ধৰ্মৰায় দিয়া দিল সে ত্যাগী ।। ১১।।*
*পুৰুষ লোক সে দিয়া ঢহাহী। অগম দ্বীপ চলি আয়ে ভাই।। ১২।।*
*সহজ দাস জিস দ্বীপ ৰহতা। কাৰণ কৌন কৌন কুল পন্থা। ১৩।।*
*ধৰ্মৰায় বোলে দৰবাণী। সুনো সহজ দাস ব্ৰহ্মজ্ঞানী।। ১৪।।*
*চৌষষ্ঠ যুগ হম সেৱা কীহ্নী। পুৰুষ পৃথিৱী হম কু দীহ্নী। ১৫।।*
*চঞ্চল ৰূপ ভয়া মন বৌৰা। মন মোহিনী ঠগিয়া ভৌৰা। ১৬।।*
*সত পুৰুষ কে না মন ভায়ে। পুৰুষ লোক সে হম চলি আয়ে। ১৭।।*
*অগৰ দ্বীপ সুনত বড়ভাগী। সহজ দাস মেটো মন পাগী।। ১৮।।*
*বোলে সহজ দাস দিল দানী। হমতো চাকৰ সত সহদানী।। ১৯।।*
*সতপুৰুষ সে অৰজ গুজাৰুঁ। জব তুম্হাৰা বিৱাণ উতাৰু।। ২০।।*
*সহজ দাস কো কিয়া পিয়ানা। সত্যলোক লিয়া প্ৰৱাণা।। ২১।।*
*সতপুৰুষ সাহিব সৰবঙ্গী। অৱিগত অদলী অচল অভঙ্গী।। ২২।।*
*ধৰ্মৰায় তুম্হাৰা দৰবাণী। অগৰ দ্বীপ চলি গয়ে প্ৰাণী।।২৩।।*
*কৌন হুকম কৰী অৰজ অৱাজা। কহাঁ পঠাবৌ উস ধৰ্মৰাজা।। ২৪।।*
*ভই অৱাজ অদলী এক সাচা। বিষয় লোক যা তীন্যু বাচা।। ২৫।।*
*সহজ বিমান চলে অধিকাই। ছিন মে অগৰ দ্বীপ চলি আই।।২৬।।*
*হমতো অৰজ কৰী অনৰাগী। তুম্হ বিষয় লোক জাৱো বড়ভাগী।।২৭।।*
*ধৰ্মৰায় কে চলে বিমানা। মান সৰোবৰ আয়ে প্ৰাণা।। ২৮।।*
*মান সৰোবৰ ৰহন ন পায়ে। দৰৈ কবীৰা থানা লায়ে।। ২৯।।*
*বঙ্কনাল কী বিষমী বাটী। তহাঁ কবীৰা ৰোকী ঘাটী।। ৩০।।*
*ইন পাচোঁ মিলি জগত বন্ধনা। লখ চৌৰাশী জীৱ সতানা।। ৩১।।*
*ব্ৰহ্মা বিষ্ণু মহেশ্বৰ মায়া। ধৰ্মৰায় কা ৰাজ পঠায়া।। ৩২।।*

*য়ৌহ খোখা পুৰ ঝুঠী বাজী। ভিসতি বৈকুণ্ঠ দগাসী সাজি।। ৩৩।।*
*কৃত্ৰিম জীৱ ভূলানে ভাই। নিজ ঘৰকী তো খবৰি ন পাই।।৩৪।।*
*সৱা লাখ উপজে নিত হংসা। এক লাখ বিনশে নিত অংশা।।৩৫।।*
*উপতি খপতি প্ৰলয় ফেৰী। হৰ্ষ শোক জৌৰা জম জেৰী।। ৩৬।।*
*পাচোঁ তত্ব হৈ প্ৰলয় মাহীঁ। সত্বগুণ, ৰজগুণ, তমগুণ, ঝাঁই।। ৩৭।।*
*আঠো অঙ্গ মিলি হৈ মায়া। পিণ্ড ব্ৰহ্মাণ্ড সকল ভৰমায়া।। ৩৮।।*
*য়া মে সুৰতি শব্দ কী ডোৰী। পিণ্ড ব্ৰহ্মাণ্ড লগী হৈ খোৰী।। ৩৯।।*
*শ্বাসা পাৰস মন গহ ৰাখো। খোলহি কপাট অমীৰস চাখো।।৪০।।*
*সুনাউ হংস শব্দ সুন দাসা। অগম দ্বীপ হৈ অগ হৈ বাসা।। ৪১।।*
*ভৱ সাগৰ জম দণ্ড জমানা। ধৰ্মৰায় কা হৈ তলবানা।। ৪২।।*
*পাচোঁ উপৰ পদ কী নগৰী। বাট বিহঙ্গম বংকী ডগৰী।। ৪৩।।*
*হমৰা ধৰ্মৰায় সো দাৱা। ভৱ সাগৰ মে জীৱ ভৰমাৱা।। ৪৪।।*
*হমতো কহৈ অগম কী বাণী। জহাঁ অবিগত অদলী আপ বিনানী।।৪৫।।*
*বন্দী ছোড় হমাৰানাম। অজৰ অমৰ হৈ অস্থিৰ ঠাম।। ৪৬।।*
*জুগন জুগন হম কহতে আয়ে। জম জৌৰা সে হংস ছুটায়ে।। ৪৭।।*
*জো কোই মানে শব্দ হামাৰা। ভৱসাগৰ নাহী ভৰমে ধাৰা।। ৪৮।।*
*য়া মে সুৰতি শব্দ কা লেখা। তন অন্দৰ মন কহো কীহ্নী দেখা।। ৪৯।।*
*দাস গৰীব অগম কী বাণী। খোজা হংসা শব্দ সহদানী।। ৫০।।*

<u>ওপৰোক্ত অমৃতবাণীৰ ভাৱাৰ্থ ঃ</u> আদৰণীয় গৰীবদাস চাহেবে কৈছে যে ইয়াত প্ৰথমতে কেৱল অন্ধকাৰ আছিল আৰু পূৰ্ণ পৰমাত্মা কবীৰ চাহেব সত্যলোকত তখ্‌ত (সিংহাসনত) বিৰাজমান আছিল। আমি সত্যলোকত পৰমাত্মাৰ চাকৰ হৈ আছিলোঁ। পৰমাত্মাই জ্যোতি নিৰঞ্জনক উৎপত্তি কৰিলে। পিছত জ্যোতি নিৰঞ্জনৰ তপৰ প্ৰতিফল হিচাপে একৈশ ব্ৰহ্মাণ্ড প্ৰদান কৰিলে। আকৌ মায়া (প্ৰকৃতি) ৰ উৎপত্তি কৰিলে। যুৱতী দুৰ্গাৰ ৰূপত মোহিত হৈ জ্যোতি নিৰঞ্জনে (ব্ৰহ্মই) দুৰ্গা (প্ৰকৃতি) ৰ সৈতে বলৎকাৰ কৰাৰ চেষ্টা কৰিলে। ব্ৰহ্মই তাৰ বাবে শাস্তি পালে। তেওঁক সত্যলোকৰ পৰা বহিষ্কাৰ কৰি দিলে আৰু এক লাখ মানব শৰীৰ ধাৰী প্ৰাণীক প্ৰতিদিনে খোৱাৰ অভিশাপ দিলে আৰু ছোৱা লাখ (১.২৫ লাখ) প্ৰাণী প্ৰতিদিনে উৎপন্ন কৰিব লাগিব। ইয়াত সকলো প্ৰাণীয়ে জন্ম-মৃত্যুৰ কষ্ট ভূগি আছে। যদি কোনোবাই পূৰ্ণ পৰমাত্মাৰ বাস্তৱিক শব্দ (সত্যনাম জাপ মন্ত্ৰ) মোৰ পৰা গ্ৰহণ কৰে, তেওঁক কালৰ বন্ধনৰ পৰা মুক্ত কৰি দিম। মোৰ নাম বন্দীছোড় (মুক্তিদাতা) হয়। আদৰণীয় গৰীব দাসে নিজৰ গুৰু প্ৰভু কবীৰ পৰমাত্মাৰ আধাৰত কৈছে যে সত্য মন্ত্ৰ অৰ্থাৎ সত্যনাম আৰু সাৰশব্দৰ প্ৰাপ্তি কৰি পূৰ্ণ মোক্ষ লাভ কৰিব পাৰি। অন্যথাই নকলী নাম দাতা সন্ত, মহন্তৰ মিঠা কথাত ভোল গৈ শাস্ত্ৰবিধি ৰহিত সাধনা কৰি কালৰ জালত বন্দী হব লাগিব। আকৌ কষ্টৰ ওপৰত কষ্ট ভূগিব লাগিব।

।। গৰীবদাস মহাৰাজৰ বাণী ।।

(সৎগ্ৰন্থ্ সাহিব পৃষ্ঠা নং ৬৯০ ৰ পৰা)

*মায়া আদি নিৰঞ্জন ভাই, অপনে জায়ে আপৈ খাই।*
*ব্ৰহ্মা বিষ্ণু মহেশ্বৰ চেলা, ওঁ সৌহম কা হৈ খেলা।।*
*সিখৰ সুন্ন মে ধৰ্ম অন্যায়ী, জিন শক্তি ডায়ন মহল পঠাই।।*
*লাখ গ্ৰাসৈ নিত উঠ দুতী, মায়া আদি তখ্ত কে কুতী।।*
*সৱা লাখ ঘড়িয়ে নিত ভাড়ে, হংসা উৎপত্তি পৰলয় ডাডে।*
*য়ে তীনো চেলা বটপাৰী, সিৰজে পুৰুষা সিৰজী নাৰী।।*
*খোখাপুৰ মে জীৱ ভূলায়ে, স্বপনা বহিস্ত বৈকুণ্ঠ বনায়ে।।*
*য়ো হৰহট কা কুঁৱা লোই য়া গল বন্ধ্যা হে সব কোই।।*
*কীড়ী কুঞ্জৰ ঔৰ অৱতাৰা, হৰহট ডোৰী বন্ধে কঈ বাৰা।।*
*অৰব অলীল ইন্দ্ৰ হৈ ভাই, হৰহট ডোৰী বন্ধে সব আই।।*
*শেষ মহেশ গনেশ্বৰ তাহি, হৰহট ডোৰী বন্ধে সব আহি।।*
*শূক্ৰাদিক ব্ৰহ্মাদিক দেবা, হৰহট ডোৰী বন্ধে সব খেৱা।।*
*কোটিক কৰ্ত্তা ফিৰতা দেখ্যা, হৰহট ডোৰী কহুঁ সুন লেখা।।*
*চতুৰ্ভুজী ভগৱান কহাবৈ, হৰহট ডোৰী বন্ধে সব আবৈ।।*
*য়ো হৈ খোখাপুৰ কা কুঁৱা, য়া মে পড়া সো নিশ্চয় মুৱা।।*

জ্যোতি নিৰঞ্জন (কালবলী ) ৰ বশৱৰ্ত্তী হৈ এই তিনিও দেৱতাই (ৰজগুণ ব্ৰহ্মা, সতগুণ-বিষ্ণু, তমগুণ-শিৱ) নিজৰ মহিমা দেখুৱাই জীৱক স্বৰ্গ নৰক আৰু ভৱসাগৰত (চৌৰাশী লাখ যোনিত) পথভ্ৰষ্ট কৰি ৰাখে। জ্যোতি নিৰঞ্জনে নিজৰ মায়াৰ দ্বাৰা নাগিনীৰ দৰে জীৱৰ উৎপন্ন কৰে আৰু নাগিনীয়ে নিজৰ পোৱালিক খোৱাৰ দৰে খায়। নাগিনীয়ে নিজৰ নেজেৰে কণীক চাৰিওফালে মেৰাই ধৰি কুণ্ডলীৰ মাজত ৰাখে আৰু কণীত খোঁট মাৰে, ফলত কণী ভাঙি পোৱালি ওলায়। পোৱালি যদি কুণ্ডলীৰ বাহিৰ হয় সি জীৱিত থাকে অন্যথাই কুণ্ডলীৰ ভিতৰত থকা সকলো পোৱালিক নাগিনীয়ে খাই শেষ কৰে। (যি সকল সাধক ব্ৰহ্ম (কাল ব্ৰহ্ম) অথবা জ্যোতি নিৰঞ্জন, দেৱী দূৰ্গা তথা ব্ৰহ্মা, বিষ্ণু, শিৱ আৰু অন্য দেৱ-দেৱী ভক্তি কৰে তেওঁলোক কালব্ৰহ্ম ৰূপী নাগিনীৰ কুণ্ডলী অৰ্থাৎ জন্ম মৃত্যুৰ চক্ৰত কাললোকত থাকি যায়, যাক জ্যোতি নিৰঞ্জনে খায়)।

*"মায়া কালী নাগিনী অপনে জায়ে খাত।*
*কুণ্ডলী মে ছোড়ৈ নহী সৌ বাতোঁ কী বাত।।"*


এই কালবলী (ব্ৰহ্ম) ৰ জাল নাগিনীৰ কুণ্ডলীৰ দৰে। উপযুক্ত সন্ত বা গুৰুৰ পৰা দীক্ষা লৈ অন্য দেৱ দেৱীৰ পৰা আৰম্ভ কৰি নিৰঞ্জন (ব্ৰহ্ম) পৰ্যন্তৰ ভক্তি সাধনা কৰিলেও এই নিৰঞ্জনৰ কুণ্ডলী (একৈশ ব্ৰহ্মাণ্ড) ৰ পৰা ওলাই যাব

নোৱাৰি। স্বয়ং ব্ৰহ্মা, বিষ্ণু, মহেশ আৰু আদিমায়া দুৰ্গাও নিৰঞ্জনৰ কুণ্ডলীৰ ভিতৰত আছে। এওঁলোক বৰ অসহায়, অৱতাৰ ধাৰণ কৰি আহে আৰু জন্ম মৃত্যুৰ চক্ৰত বন্দী হয়। সেই কাৰণে ধ্ৰুৱ, প্ৰহ্লাদ আৰু শুকদেৱ ঋষি সকলে 'সোহম' মন্ত্ৰ জপ কৰিও পূৰ্ণ মোক্ষ লাভ কৰিব নোৱাৰিলে। কাৰণ শ্ৰী বিষ্ণু পুৰাণৰ প্ৰথম অংশৰ, অধ্যায় ১২ ৰ শ্লোক নং ৯৩ ত (পৃষ্ঠা ৫১ ) লিখা আছে যে ধ্ৰুৱও কেৱল এক কল্প অৰ্থাৎ এক হাজাৰ চতুৰ্যুগ লৈকেহে মুক্ত হৈ থাকিব। এই কাৰণে ধ্ৰুৱও কাল লোকত আছে। "ওঁ নমঃ ভগৱতে বাসুদেৱায়" মন্ত্ৰ জপ কৰা ভক্ত সকলে কৃষ্ণ ভগৱানৰ ভক্তি কৰিছে। তেওঁলোকো চৌৰাশী লাখ যোনিৰ কাল চক্ৰৰ পৰা মুক্ত নহয়। ইয়াৰ প্ৰত্যক্ষ প্ৰমাণ পূজ্য কবীৰ চাহেব আৰু আদৰণীয় গৰীবদাস মহাৰাজৰ বাণীত উল্লেখ আছে।

*অনন্ত কোটি অৱতাৰ হে, মায়া কে গোবিন্দ।*
*কৰ্ত্তা হো হো অৱতাৰে বহুৰ পড়ে জগ ফন্দ।।*

সত্যপুৰুষ কবীৰ চাহেবৰ ভক্তিৰ দ্বাৰাহে জীৱ সম্পূৰ্ণ মুক্ত হব পাৰিব। যেতিয়ালৈকে জীৱ সত্যলোকলৈ উভতি নাযায় তেতিয়ালৈকে কাল লোকত এইদৰে কৰ্ম কৰি থাকিব আৰু নিজে কৰা ভক্তি আৰু দান ধৰ্মৰ উপাৰ্জন (পূণ্যফল) স্বৰ্গৰূপী হোটেলত সমাপ্ত কৰি উভতি আহিব আৰু কৰ্মৰ আধাৰত চৌৰাশী লাখ প্ৰকাৰৰ প্ৰাণীৰ শৰীৰত কষ্ট ভুগিবলৈ কাল লোকত ঘূৰি ফুৰিব অৰ্থাৎ জন্ম আৰু মৃত্যু হৈ থাকিব। মায়া (দুৰ্গা)ৰ পৰা উৎপন্ন হৈ কোটি কোটি গোবিন্দ (ব্ৰহ্মা, বিষ্ণু, শিৱ) মৰি গল। ভগৱানৰ অৱতাৰ হৈ আহিছিল। আকৌ কৰ্মবন্ধনত বান্ধ খাই কৰ্মফল ভোগ কৰি চৌৰাশি লাখ যোনিলৈ গুচি গল। উদাহৰণ স্বৰূপে ভগৱান বিষ্ণুক দেৱৰ্ষি নাৰদে অভিশাপ দিলে। তেওঁ শ্ৰী ৰামচন্দ্ৰৰ ৰূপত অযোধ্যালৈ আহিল। পিছত আকৌ বালীক বধ কৰিলে। ইয়াৰ দণ্ড ভূগিবলৈ শ্ৰী কৃষ্ণ ৰূপত আকৌ জন্ম গ্ৰহণ কৰিলে। আকৌ বালীৰ আত্মাও চিকাৰী ৰূপত জন্ম ললে আৰু নিজৰ প্ৰতিশোধ ললে। শ্ৰী কৃষ্ণৰ ভৰিত বিষাক্ত শৰ মাৰি বধ কৰিলে। মহাৰাজ গৰীবদাস দেৱে নিজৰ বাণীত কৈছে।

*ব্ৰহ্মা বিষ্ণু মহেশ্বৰ মায়া, ঔৰ ধৰ্মৰায় কহিয়ে।*
*ইন পাচোঁ মিল পৰপঞ্চ বনায়া, বাণী হমৰী লহিয়ে।।*
*ইন পাচোঁ মিল জীৱ অটকায়ে, জুগন-জুগন হম আন ছুটায়ে।*
*বন্দী ছোড় হমাৰা নাম অজৰ অমৰ হৈ অস্থিৰ ঠাম।।*
*পীৰ পয়গম্বৰ কুতুব ঔলিয়া, সুৰ নৰ মুনিজন জ্ঞানী।*
*য়েতা কো তো ৰাহ ন পায়া, জম কে বন্ধে প্ৰাণী।।*
*ধৰ্মৰায় কী ধুমা-ধামী, জম পৰ জঙ্গ চলাঁউ।*
*জোৰা কো তো জান ন দুঁগা, বান্ধ অদল ঘৰ ল্যাউঁ।।*




ইয়হ হৰহট কা কুৱা লোই, ইয়া গল বন্ধা হ্যা সব কোই।
কীড়ী কুঞ্জৰ আওৰ অৱতাৰা, হৰহট ডোৰী বন্ধে কোই বাৰা।।

কাল লোকত জন্ম-মৃত্যু ৰূপী চক্ৰ।

*কাল অকাল দোহুঁ কো মোচু, মহাকাল সিৰ মুঁড়ু।।*
*মৈ তো তখ্‌ত হজুৰী হুকুমী, চোৰ খোজ কুঁ ঢুঁঢু।।*
*মুলা মায়া মগ মে বৈঠী, হংসা চুন-চুন খাই।*
*জ্যোতি স্বৰূপী ভয়া নিৰঞ্জন মৈ হী কৰ্তা ভাই।।*
*সংহস অঠাসী দীপ মুনীশ্বৰ, বন্ধে মূলা ডোৰী।।*
*ঐত্যা মে জম কা তলবানা, চলিএ পুৰুষ কিশোৰী।।*
*মুলা কা তো মাথা দাগুঁ, সতকী মোহৰ কৰুগাঁ।*
*পুৰুষ দ্বীপ কুঁ হংস চলাঊ, দৰা  ন ৰোকন দুৰ্গা।।*
*হম তো বন্দী ছোড় কহাঁৱা, ধৰ্মৰায় হৈ চকৱৈ।*
*সত্যলোক কী সকল সুনাৱা, বাণী হমৰী অখৱৈ।।*
*নৌ লখ পটট্‌ন ঊপৰ খেলু, সাহদৰে কু ৰোকুঁ।*
*দ্বাদশ কোটি কটক সব কাটু, হংস পঠাঊঁ মোখু।।*
*চৌদহ ভূৱন গমন হৈ মেৰা, জল থল মে সৰবঙ্গী।*
*খালিক খলক খলক মে খালিক, অৱিগত অচল অভঙ্গী।।*
*অগৰ অলীল চক্ৰ হৈ মেৰা, জিত সে হম চল আয়ে।*
*পাচোঁ পৰ প্ৰৱাণা মেৰা, বন্ধি ছুটাৱন ধায়ে।।*
*জহাঁ ঔঁকাৰ নিৰঞ্জন নাহী, ব্ৰহ্মা বিষ্ণু বেদ নহী জাহী।*
*জহাঁ কৰতা নহী জান ভগৱানা, কায়া মায়া পিণ্ড ন প্ৰাণা।।*
*পাঁচ তত্ব তীনো গুন নাহী, জোৰা কাল দ্বীপ নহী জাহী।*
*অমৰ কৰু সতলোক পঠাঊ, তাতে বন্দী ছোড় কহাঊ।।*

কবীৰ পৰমেশ্বৰৰ (কবিৰ্দেৱৰ) গুণানু কীৰ্ত্তন কৰি আদৰণীয় গৰীবদাসে কৈছে যে আমাৰ প্ৰভু কবীৰ (কৰ্বিদেৱ) মুক্তি দাতা হয়। বন্দীছোড় (বন্ধনৰ পৰা মুক্ত) ৰ ভাৱাৰ্থ হল কালৰ কাৰাগাৰৰ পৰা মুক্ত কৰি দিওঁতা। কাল ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ডত সকলো প্ৰাণী পাপৰ কাৰণে বন্দী হৈ আছে। পূৰ্ণ পৰমাত্মা (কবিৰ্দেৱ) কবীৰ চাহেবে পাপ নাশ কৰি দিয়ে। পাপৰ নাশ ব্ৰহ্ম পৰব্ৰহ্ম, ব্ৰহ্মা, বিষ্ণু, শিৱ আদি কোনেও কৰিব নোৱাৰে। এওঁলোকে জীৱই যেনে কৰ্ম কৰে মাত্ৰ তাৰ ফলহে দিয়ে। এই কাৰণে যজুৰ্বেদৰ পঞ্চম অধ্যায়ৰ মন্ত্ৰ ৩২ ত লিখা আছে - "কবিৰ অংঘাৰি ৰসি" কবিৰ্দেৱ (কবীৰ পৰমেশ্বৰ) পাপৰ শত্ৰু হয়, "বম্ভাৰিৰসি" বন্ধনৰ শত্ৰু অৰ্থাৎ বন্দীছোড় (মুক্তিদাতা) হয়।

এই পাঁচ (ব্ৰহ্মা, বিষ্ণু, শিৱ, মায়া আৰু ধৰ্মৰায়) জনৰ ওপৰত সত্যপুৰুষ পৰমাত্মা (কৰ্বিদেৱ) আছে। তেওঁ সত্যলোকৰ গৰাকী। বাকী সকলো ব্ৰহ্ম, পৰব্ৰহ্ম আৰু ব্ৰহ্মা, বিষ্ণু, শিৱ, আদি মায়া নাশৱান পৰমাত্মা হয়। মহাপ্ৰলয়ৰ সময়ত এওঁলোক সকলো লগতে এওঁলোকৰ সকলো লোক (ব্ৰহ্মাণ্ড) সমাপ্ত হৈ যাব। সাধাৰণ জীৱৰ তুলনাত এওঁলোকৰ আয়ু হাজাৰ গুণ অধিক। কিন্তু সেই

দীৰ্ঘায়ু সময় নিৰ্দিষ্ট, গতিকে এদিন নিশ্চয় শেষ হব। আদৰণীয় গৰীবদাসদেৰ মহাৰাজে কৈছে।

*শিৱ ব্ৰহ্মা কা ৰাজ, ইন্দ্ৰ গিনতী কহাঁ। চাৰ মুক্তি বৈকুণ্ঠ সমঝ, এতা লহ্যা।*
*সংখ জুগন কী জুনী, উম্ৰ বড় ধাৰিয়া। জা জননী কুৰ্বান সু কাগজ পাৰিয়া।।*
*য়েতী উম্ৰ বুলন্দ মৰৈগা অন্তৰে। সতগুৰু লগে ন কান, ন ভৈটে সন্তৰে।।*

অসংখ্য যুগ পৰ্যন্তৰ দীঘলীয়া আয়ুস থাকিলেও, সেইটো এদিন নিশ্চয় সমাপ্ত হব। সত্যপুৰুষ পৰমাত্মা (কবিৰ্দেৱ) কবীৰ চাহেবৰ প্ৰতিনিধি পূৰ্ণ সন্ত (গুৰু) যি জনে তিনিটা নামৰ (যাৰ এটা ওঁ + তত + সত সাংকেতিক হয়) মন্ত্ৰ দিয়ে আৰু যিজনে পূৰ্ণ সন্তৰ পৰা নাম দান কৰাৰ আদেশ পাইছে, তেওঁৰ পৰা উপদেশ (নাম/মন্ত্ৰ) লৈ ভক্তি ধনৰ উপাৰ্জন কৰিলে আমি সত্যলোকৰ অধিকাৰী (যোগ্য) হংস হব পাৰিম। সত্য সাধনা অবিহনে অতি দীঘলীয়া আয়ুস পালেও কোনো লাভ নহব কাৰণ নিৰঞ্জন (কাল ব্ৰহ্ম) ৰ লোক দুখৰ পাহাৰ সদৃশ -

*কবীৰ জীৱনা তো থোড়ী হী ভলা, জৈ সত্য সুমৰণ হোয়।*
*লাখ বৰ্ষ কা জীৱনা, লেখৈ ধৰৈ না কোয়।।*

যদি সত্য সাধনা কৰা হয় তেতিয়াহলে মানুহৰ কম আয়ুয়েই ভাল। যদি সত্য সাধনা সৎ পুৰুষৰ পৰা নলয় তথা কাল ব্ৰহ্মদেৱ-দেৱীক পূজা কৰি বা প্ৰাণায়ম আদি কৰি দীঘলীয়া আয়ুৰ জীৱন জীয়াই থাকিলেও মোক্ষ মাৰ্গত এইবিলাক হিচাবত নাহে। ইমান দীঘল আয়ু (যেনেকৈ শ্ৰীশিৱদেৱৰ) পালেও এদিন নহয় এদিন মৃত্যু অৱশ্যেই হব। ভক্তি সাধনা শাস্ত্ৰ বিৰুদ্ধ হোৱাৰ বাবে জন্ম আৰু মৃত্যুৰ চক্ৰত থাকিব। এনে দীঘলীয়া আয়ুৰ জীৱনৰ কোনো মূল্য নাই।

কবীৰ চাহেবে নিজৰ (পূৰ্ণব্ৰহ্মৰ) বাতৰি / তথ্য নিজেই দিছে.। তেওঁ কৈছে যে এই সকলো পৰমাত্মাৰ ওপৰত অসংখ্য ভূজা (বাহু) ৰ পৰমাত্মা সতপুৰুষ আছে যি জন সত্যলোক (সত্য খণ্ড, সত্যধাম) ত থাকে আৰু সকলো লোক ব্ৰহ্ম (কাল) ৰ ২১ ব্ৰহ্মাণ্ড আৰু ব্ৰহ্মা, বিষ্ণু, শিৱ শক্তিৰ লোক লগতে পৰব্ৰহ্মৰ সাত সংখ ব্ৰহ্মাণ্ড আৰু অন্য সকলো ব্ৰহ্মাণ্ড তেওঁৰ নিয়ন্ত্ৰনৰ অন্তৰ্গত হয়। পূৰ্ণ গুৰুৰ পৰা সত্যনাম ও সাৰনাম প্ৰাপ্ত কৰি তাৰ জপৰ দ্বাৰা সত্যলোকলৈ যাব পাৰি। সত্যলোকলৈ যি আত্মা যায় তাৰ পুনৰ্জন্ম নহয়। সত্যপুৰুষ (পূৰ্ণ ব্ৰহ্ম) কবীৰ চাহেব (কবিৰ্দেৱ) অন্য লোকতো বেলেগ বেলেগ নামেৰে বিৰাজমান হৈ আছে। উদাহৰণস্বৰূপে অলখ লোকত অলখ পুৰুষ অগম লোকত অগম পুৰুষ আৰু অকহ লোকত অনামী পুৰুষ ৰূপত বিৰাজমান হৈ আছে এই সকলো নাম উপমাত্মক (তুলনাত্মক) হয়, কিন্তু সেই পূৰ্ণ পুৰুষৰ প্ৰকৃত নাম কবিৰ্দেৱ (বেলেগ ভাষাত কবীৰ চাহেব) হয়।

## "আদৰণীয় নানক চাহেবৰ বাণীত সৃষ্টি ৰচনাৰ সংকেত"

শ্ৰী নানক চাহেবৰ অমৃতবাণী, মহলা ১, ৰাগ বিলাৱলু, অংশ ১ (গুৰু গ্ৰন্থ, পৃষ্ঠা ৮৩৯)

*আপে সচু কিয়া কৰ জোড়ি। অণ্ডজ ফোড়ি জোড়ি বিছোড়।।*
*ধৰতী আকাশ কিএ বৈসণ কউ থাউ। ৰাতি দিনতু কিএ ভউ-ভাউ।।*
জিন কিএ কৰি ৱেখন হাৰা (৩)
*ত্ৰিতীয়া ব্ৰহ্মা-বিসনু-মহেশা। দেবী দেৱ উপাএ ৱেসা।। ৪।।*
*পউন পানী অগনী বিসৰাউ। তাহী নিৰঞ্জন সাচো নাউ।।*
*তিসু মহি মনুআ ৰহিআ লিব লাই। প্ৰণ বতি নানকু কালুন খাই।। ১০*

ওপৰোক্ত অমৃতবাণীৰ ভাৱাৰ্থ ঃ সত্য পৰমাত্মাই (সত্যপুৰুষে) স্বয়ং নিজ হাতেৰে সকলো সৃষ্টি কৰিলে। তেওঁ অণ্ড (কণী) তৈয়াৰ কৰি ভাঙিলে আৰু তাৰ পৰা জ্যোতি নিৰঞ্জন ওলাল। সেই পূৰ্ণ পৰমাত্মাই সকলো প্ৰাণীৰ বসবাস আৰু জীৱনৰ বাবে মাটি, আকাশ, বতাহ পানী আদি পঞ্চতত্বৰ ৰচনা কৰিলে। নিজৰ দ্বাৰা কৰা সৃষ্টিৰ তেওঁ নিজেই সাক্ষী। অন্য কোনেও যথাযথ তথ্য দিব নোৱাৰে। কণী ভাঙি ওলোৱা নিৰঞ্জনৰ পিছত ব্ৰহ্মা, বিষ্ণু আৰু শিৱ তিনিজনৰ উৎপত্তি হল আৰু অন্য দেবী দেৱতা সকলো উৎপন্ন হল। তাৰ পিছত অগণন জীৱৰ উৎপত্তি হল। তাৰ পাছত বিভিন্ন দেৱতাৰ জীৱন চৰিত্ৰ আৰু বিভিন্ন ঋষিৰ অনুভৱ, অভিজ্ঞতাৰ পৰা ছয় শাস্ত্ৰ লগতে ওঠৰ পুৰাণ তৈয়াৰ হল। শ্ৰী নানক দেৱে কৈছে যে গুৰুৱে বান্ধি দিয়া নীতি নিয়ম পালন কৰি পূৰ্ণ পৰমাত্মাৰ সত্য নামৰ সাধনা এক মনেৰে কৰিলে কালে নাখায়।

"ৰাগ মাৰু (অংশ) অমতৃবাণী মহলা ১ (গুৰু গ্ৰন্থ, পৃষ্ঠা নং ১০৩৭)"

*সুনহু ব্ৰহ্মা বিসনু, মহেসু উপায়ে। সুনে ৱৰতে জুগ সবায়ে।।*
*ইসু পদ বিচাৰে সো জুন পুৰা। তিস মিলিএ ভৰমু চুকাইদা।। (৩)*
*সাম বেদু, ৰুগু, জুজৰু অথৰবনু। ব্ৰহ্মে মুখ মাইআ হৈ ত্ৰৈগুণ।।*
*তা কী কীমত কহি ন সকৈ। কো তিউ বোলে জিউ বুলাইদা।। (৯)*

ওপৰোক্ত অমৃতবাণীৰ সাৰাংশ ঃ পূৰ্ণ সন্তই সৃষ্টি ৰচনা শুনাব পাৰে। পূৰ্ণ সন্তই কব পাৰে অণ্ড (কণী) দুভাগ হৈ তাৰ পৰা কোন ওলাল যিজনে ব্ৰহ্মলোকৰ গুপ্ত স্থানত ব্ৰহ্মা, বিষ্ণু শিৱৰ উৎপত্তি কৰিলে। তেওঁ এইটোও কব পাৰে সেই পূৰ্ণ পৰমাত্মা কোন যি জনে ব্ৰহ্ম (কাল) ৰ মুখৰ পৰা চাৰিবেদ (ঋগবেদ, যজুৰ্বেদ, সামবেদ, অথৰ্ববেদ) ক উচ্ছাৰিত কৰালে আৰু যি জন পূৰ্ণ পৰমাত্মাৰ ইচ্ছামতে প্ৰত্যেক প্ৰাণীয়ে কথা কয়। এই সকলো জ্ঞানক সম্পূৰ্ণ ৰূপে কব পৰা সন্তক লগ পালে তেওঁৰ ওচৰলৈ গৈ সকলো সন্দেহ দূৰ কৰিবলৈ কোৱা হৈছে। এনে সন্ত পূৰ্ণ সন্ত বা তত্বদৰ্শী সন্ত হয়।

শ্ৰী গুৰুগ্ৰন্থ চাহেবৰ ৯২৯ পৃষ্ঠাৰ অমৃতবাণী - শ্ৰীনানক চাহেবৰ ৰাগ ৰামকলী মহলা ১ দখণী ও অংকাৰ।

"ও অংকাৰি ব্ৰহ্মা উৎপত্তি। ও অংকাৰি কিআ জিনি চিত। ও অংকাৰি সৈল জুগ ভএ। ও অংকাৰি বেদ নিৰমএ। ও অংকাৰি সবদি উধৰে। ও অংকাৰি গুৰুমুখি তৰে। ওনম অখৰ সুনহু বিচাৰু। ওনম অখৰু ত্ৰিভৱন সাৰু।

ওপৰোক্ত অমৃতবাণীত শ্ৰী নানক চাহেবে কৈছে যে ওঁকাৰ অৰ্থাৎ জ্যোতি নিৰঞ্জন (কাল) ৰ পৰা ব্ৰহ্মাৰ উৎপত্তি হল। বহু যুগলৈকে আনন্দ উপভোগ কৰি ওঁকাৰে (ব্ৰহ্মাই) বেদৰ উৎপত্তি কৰিলে আৰু বেদ সমূহ ব্ৰহ্মাই প্ৰাপ্ত কৰিলে। তিনিলোকৰ বাবে জপ কৰিব লগা ভক্তিৰ একমাত্ৰ মন্ত্ৰ হল ওঁ। পূৰ্ণ সন্তৰ পৰা উপদেশ লৈ অৰ্থাৎ গুৰু বৰণ কৰি এই ওঁ শব্দৰ জপ কৰিলে উদ্ধাৰ হয়।

বিশেষ ঃ শ্ৰী নানক চাহেবে তিনিটা মন্ত্ৰৰ (ওঁ + তত্ + সত) ঠায়ে ঠায়ে ৰহস্যপূৰ্ণ বিৰৰণ দিছে। তাক একমাত্ৰ পূৰ্ণ সন্ত (তত্বদৰ্শী সন্ত) ইহে বুজিব পাৰে আৰু উপদেশী ভক্তক তিনিওটা মন্ত্ৰৰ তাৎপৰ্য্য বুজাব পাৰে।

(পৃষ্ঠা - ১০৩৮) -

*উত্তম সতিগুৰু পুৰুষ নিৰালে, সবগি ৰতে হৰি ৰস মতৱালে।*
*ৰিধি, বুধি, সিধি, গিআন গুৰু তে পাইএ, পুৰে ভাগ মিলাইদা।। ১৫।।*
*সতিগুৰুতে পাএ, বিচাৰা, সুন সমাধি, সচে ঘৰবাৰা।*
*নানক নিৰমল নাদু সবদ ধুনি, সচু ৰামৈ নামি সমাইদা। (১৭)*

ওপৰোক্ত অমৃতবাণীৰ ভাৱাৰ্থ ঃ বাস্তৱিক জ্ঞান দিয়া সতগুৰু অতি বিৰল। যদি আপুনি ধন-সম্পত্তি, পদবী, বুদ্ধি বা ভক্তি শক্তিও বিচাৰে, তাৰ বাবে ভক্তি মাৰ্গৰ জ্ঞান পূৰ্ণ সন্তইহে সম্পূৰ্ণকৈ দিব পাৰে। এনে পূৰ্ণ সন্তক ভাগ্যৰ বলতহে লগ পোৱা যায়। ওপৰৰ শূন্য (আকাশ) ত নিজৰ বাস্তৱিক ঘৰ (সত্যলোক) পৰমেশ্বৰে সৃষ্টি কৰি থোৱাৰ বাতৰিও সেই পূৰ্ণ সন্তই কব।

তাত এটা বাস্তৱিক সাৰনামৰ ধ্বনি (শব্দ) হৈ আছে। সেই আনন্দত অবিনাশী পৰমেশ্বৰৰ সাৰ শব্দৰ দ্বাৰা লীন হোৱা যায় অৰ্থাৎ সেই বাস্তৱিক সুখদায়ক স্থানত বাস কৰিব পাৰি, অন্য নামৰ দ্বাৰা বা অযোগ্য/অসম্পূৰ্ণ গুৰুৰ দ্বাৰা এই লাভ নহয়।

আংশিক অমৃতবাণী মহলা পহলা (শ্ৰী গুৰু গ্ৰন্থ, ৩৫৯-৩৬০ পৃষ্ঠা)

*" সিব নগৰী মহি আসনি বৈসউ কলপ ত্যাগী বাদ। (১)*
*সিঙী সবদ সদা ধুনি সোহৈ অহিনিশি পুৰৈ নাদ। (২)*
*হৰি কীৰতি ৰহ ৰাসি হমাৰী গুৰু মুখ পন্থ অতীত। (৩)*
*সগলী জ্যোতি হমাৰী সমিআ নানা বৰণ অনেক।*
*কহ নানক সুনি ভৰথৰী জোগী পাৰব্ৰহ্ম লিব এক। (৪)*

ভাৱাৰ্থ ঃ শ্ৰী নানক চাহেবে ভৰথৰী জোগীক কৈছে যে ভৰথৰী যোগীৰ সাধনা ভগৱান শিৱ পৰ্যন্তৰ হে। সেই সাধনাৰ দ্বাৰা তেওঁ শিৱৰ নগৰ (লোক) ত ঠাই পাব আৰু তেওঁৰ শৰীৰত 'সিংগী' আদি যি ধ্বনি হৈ আছে সেয়া আমাৰ শৰীৰৰ কমল (চক্ৰ) ৰ পৰা ওলায়, দুৰদৰ্শনৰ দৰে প্ৰত্যেক দেৱতাৰ স্থানত হোৱা শব্দ আমাৰ শৰীৰৰ বিভিন্ন কমলৰ যোগেদি শুনি থাকিব পাৰি।

শ্ৰী নানকে কৈছে যে তেওঁ এজন পৰমাত্মা অৰ্থাৎ সৰ্বোপৰি পূৰ্ণ পৰমাত্মাৰ এক মনেৰে ভক্তি কৰে।

শ্ৰী নানক চাহেবে কৈছে যে তেওঁলোকক দেখুৱাই (ভস্ম/ছাই সানি, হাতত দণ্ড লৈ) ভক্তি নকৰে। তেওঁ সকলো প্ৰাণীক এজন পূৰ্ণ পৰমাত্মাৰ সন্তান বুলি ভাৱে। সৰ্বব্ৰহ্মাণ্ড সেই একমাত্ৰ শক্তিৰ দ্বাৰা চালিত হৈ আছে। গুৰুৰ পৰা সত্যনাম প্ৰাপ্ত কৰি জপ কৰাটোৱে হল আমাৰ সাধনাৰ মুদ্ৰা। ক্ষমাগুণ আমাৰ বেশভূষা। শ্ৰী নানক চাহেবে কৈছে যে তেওঁ পূৰ্ণ পৰমাত্মাৰ উপাসক আৰু পূৰ্ণ সৎগুৰুৰ ভক্তি মাৰ্গ সকলোতকৈ ভিন্ন।

অমৃতবাণী ৰাগ আসা মহলা ১ (শ্ৰী গুৰু গ্ৰন্থ ৪২০ পৃষ্ঠা)

"আসা মহলা ১" জিনী নামু বিসাৰিআ দুজৈ ভৰমি ভূলাই। মূলু ছোড়ি ডালী লগে কিআ পাৱহি ছাই।। ১।। সাহিবু মেৰা একু হৈ অবৰু নহী ভাই। কিৰপা তে সুখু পাইআ সাচে পৰথাই।। ৩।। গুৰু কী সেৱা সো কৰে জিসু আপি কৰাএ। নানক সিৰু দে ছুটিয়ৈ দৰগহ পতি পায়।। ৮।। ।। ১৮।।

ভাৱাৰ্থ ঃ শ্ৰী নানক চাহেবে কৈছে যে যিজনে পূৰ্ণ পৰমাত্মাৰ বাস্তৱিক নাম পাহৰি অন্য ভগৱানৰ নাম জপ কৰি ভ্ৰমিত হৈ আছে তেওঁলোকে যেন মূল (শিপা) অৰ্থাৎ পূৰ্ণ পৰমাত্মাক এৰি ডাল (তিনিগুণ ৰূপ, ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু, তমগুণ শিৱ)ত পানী দি (পূজা কৰি) আছে। সেই সাধনাৰ পৰা কোনো সুখ নহয় অৰ্থাৎ গছ শুকাই যাব আৰু ছাঁতো বহিব নোৱাৰি । সাৰাংশ এই যে শাস্ত্ৰ বিধি এৰি সাধনা কৰিলে সেইটো নিস্ফল হয়। কোনো ধৰণৰ লাভ নহয়। ইয়াৰ প্ৰমাণ পবিত্ৰ গীতাৰ অধ্যায় ১৬ ৰ ২৩-২৪ নং শ্লোকত আছে। সেই পূৰ্ণ পৰমাত্মাক পাবৰ কাৰণে মনোময় যুক্ত সাধনা ত্যাগ কৰি পূৰ্ণ গুৰুদেৱৰ ওচৰত নিজকে সমৰ্পিত কৰি সত্যনামৰ জপ কৰিলেহে মোক্ষ সম্ভৱ হয় আৰু পূৰ্ণ পৰমাত্মাক পাব পাৰি নহলে মৃত্যুৰ পিছত নৰকলৈ যাব লাগিব।

(শ্ৰী গুৰু গ্ৰন্থ সাহেব ৮৪৩-৮৪৪ পৃষ্ঠা)

।। বিলাৱলু মহলা ১।। মে মন চাহু ঘনা সাচি বিগাসী ৰাম।
মোহী প্ৰেম পিৰে প্ৰভূ অবিনাশী ৰাম।। অবিগতো হৰি নাথু নাথহ
তিসৈ ভাবৈ সো থিয়ৈ। কিৰপালু সদা দইআলু দাতা জীআ
অন্দৰি তু জীয়ৈ। মৈ আধাৰু তেৰা তু খসমু মেৰা মৈ তানু
তকীআ তেৰও। সাচি সুচা সদা নানক গুৰসবদি ঝগৰু নিবৰেও।।৪।। ২।।

ওপৰোক্ত অমৃতবাণীত শ্ৰী নানক চাহেবে কৈছে যে অবিনাশী পূৰ্ণ পৰমাত্মা নাথৰো নাথ অৰ্থাৎ দেৱতাৰো দেৱতা হয় (সকলো প্ৰভূ-ব্ৰহ্মা, বিষ্ণু, শিৱ লগতে ব্ৰহ্ম আৰু পৰব্ৰহ্মৰো নাথ অৰ্থাৎ স্বামী হয়)। শ্ৰী নানক দেৱে কৈছে - "হে পৰমাত্মা আপুনিয়ে সকলো প্ৰাণীৰ জীৱনৰ আধাৰ। মই আপোনাৰ চৰণত আশ্ৰয় লৈছো আৰু আপুনি মোৰ স্বামী। আপুনি গুৰু ৰূপত আহি সত্য ভক্তিৰ নিৰ্ণায়ক জ্ঞান দি সকলো দন্দ সমাপ্ত কৰিলে অৰ্থাৎ সকলো সন্দেহ সমাধান কৰি দিলে।"

(শ্ৰী গুৰু গ্ৰন্থ চাহেব ৭২১ পৃষ্ঠা, ৰাগ তিলঙ্গ মহলা।। ১)

*য়ক অৰ্জ গুফতম পেশ তো দৰ কুন কৰতাৰ।*
*হক্কা কবীৰ কৰীম তু বেঅব পৰবৰ দিগাৰ ।*
*নানক বুগোয়দ জন তুৰা তেৰে চাকৰা পাখাক।*

ওপৰোক্ত অমৃত বাণীত স্পষ্টকৈ কোৱা হৈছে, "হে হক্কা কবীৰ অৰ্থাৎ সত্যকবীৰ, শব্দ শক্তিৰে সৃষ্টি ৰছনা কৰা শব্দ স্বৰূপী প্ৰভূ অৰ্থাৎ সকলো সৃষ্টিৰ ৰছনা কৰ্ত্তা আপুনি নিৰ্বিকাৰ, সকলোৰে পালন কৰ্তা দয়ালু প্ৰভূ, মই আপোনাৰ দাসৰো দাস।"

(শ্ৰী গুৰু গ্ৰন্থ চাহেব ২৪ পৃষ্ঠা, ৰাগ সীৰী মহলা ১)

*তেৰা এক নাম তাৰে সংসাৰ, মৈ ঐহা আস ঐহো আধাৰ।*
*নানক নীচ কহৈ বিচাৰ, ধানক ৰূপ ৰহা কৰতাৰ ।।*

ওপৰোক্ত অমৃতবাণীয়ে প্ৰমাণিত কৰিছে যে কাশীত যি জন ধানক (তাঁতী) আছে সেইজনেই (কৰতাৰ) কুলৰ সৃষ্টি কৰ্তা, অতি অধীন হৈ শ্ৰী নানক চাহেবে কৈছে যে তেখেতে সত্য কৈছে এইজন ধানক অৰ্থাৎ কবীৰ তাঁতী পূৰ্ণ ব্ৰহ্ম (সত্যপুৰুষ) হয়।

বিশেষ ঃ ওপৰোক্ত প্ৰমাণ সমূহৰ সাংকেতিক জ্ঞানৰ দ্বাৰা সৃষ্টি ৰচনা কেনেকৈ হল প্ৰমাণিত হৈ গল। আমি পূৰ্ণ পৰমাত্মাক প্ৰাপ্তি কৰিব লাগিব আৰু এইটো সম্ভৱ হব পূৰ্ণ সন্তৰ পৰা নাম দীক্ষা লোৱাৰ পাছত।

## " অন্য সন্তৰ দ্বাৰা সৃষ্টি ৰচনাৰ কিংবদন্তি (আখ্যান)"

অন্য সন্ত সকলে সৃষ্টি ৰচনাৰ বিষয়ে কেনে বৰ্ণনা দিছে তলত দিয়া হ'ল।

সৃষ্টি ৰচনাৰ বিষয়ত ৰাধাস্বামী পন্থ্ৰ আৰু ধন-ধন সত গুৰু পন্থ্ৰ সন্তসকলৰ বিচাৰ ঃ-

সাৱন কৃপাল পাব্লিকেশন, দিল্লীৰ পৰা প্ৰকাশিত "পৰম সন্ত বাবা জয়মল সিংহ মহাৰাজ" নামৰ পবিত্ৰ পুস্তকৰ ১০২-১০৩ পৃষ্ঠাৰ পৰা উদ্ধৃত "সৃষ্টি ৰচনা"।

"প্ৰথমতে সত্য পুৰুষ নিৰাকাৰ আছিল, আকৌ আকাৰত দেখা দিলে, তেতিয়া ওপৰৰ তিনিটা নিৰ্মল মণ্ডল(সতলোক,অলখ লোক, অগম লোক) ৰ সৃষ্টি হ'ল আৰু পোহৰ মণ্ডলত নাদৰ (ধ্বনিৰ) সৃষ্টি হ'ল।"

ৰাধাস্বামী সৎসঙ্গ সভা, দয়াল বাগ, আগ্ৰাৰ পৰা প্ৰকাশিত পবিত্ৰ পুস্তক "সাৰ বচন" (নসৰ) ৰ ৮ নং পৃষ্ঠাৰ পৰা উদ্ধৃত "সৃষ্টি ৰচনা"।

"প্ৰথমতে অন্ধকাৰ আছিল । তাত পুৰুষ (প্ৰভূ) শূণ্য সমাধি অৱস্থাত আছিল। সেই সময়ত কোনো ৰছনা হোৱা নাছিল। আকৌ যেতিয়া ইচ্ছা কৰিলে তেতিয়া শব্দ প্ৰকট হ'ল আৰু তাৰ পৰা সকলো ৰছনা হ'ল। প্ৰথমতে সত্য লোকৰ ৰছনা হ'ল আকৌ সতপুৰুষৰ ইচ্ছাত তিনি লোকৰ সৃষ্টি হ'ল আৰু সকলোৰে বিস্তাৰ হ'ল।"

ওপৰত লিখা জ্ঞান তলত বৰ্ণণা কৰা কাহিনীৰ দৰে। এবাৰ এজন লৰা চাকৰিৰ বাবে সাক্ষাতকাৰ দিবলৈ গ'ল। বিষয়াই মহাভাৰত পঢ়িছেনে নাই পঢ়া বুলি প্ৰশ্ন কৰাত ল'ৰা জনে উত্তৰ দিলে যে মহাভাৰত তাৰ আঙুলিৰ মূৰত লিখা আছে। বিষয়াই পঞ্চ পাণ্ডবৰ নাম সুধিলে। ল'ৰা জনৰ উত্তৰ আছিল ঃ "এজন ভীম আছিল, তেওঁৰ এজন ককায়েক আছিল, এজন সৰু ভাই আছিল, আৰু এজন আছিল, আৰু শেষৰ জনৰ নাম মই পাহৰিছোঁ।" ওপৰৰ সৃষ্টি ৰছনাৰ জ্ঞান লৰাজনৰ মহাভাৰতৰ জ্ঞানৰ নিচিনা হয়।

সত্য পুৰুষ আৰু সত্যলোকৰ গুণাণুকীৰ্ত্তন কৰা আৰু পাঁচটা নাম (মন্ত্ৰ) -ওঁকাৰ, জ্যোতি নিৰঞ্জন, ৰৰঁকাৰ, সোহম, সত্যনাম- বা তিনিটা নাম (মন্ত্ৰ)- অকাল মুৰ্ত্তি, সতপুৰুষ, শব্দ স্বৰূপী ৰাম- দিওঁতা সন্ত সকলৰ দ্বাৰা ৰচিত পুস্তকৰ পৰা কিছু সাৰ অংশ ঃ-

"সন্ত মত প্ৰকাশ" ভাগ ৩, পৃষ্ঠা ৭৬ ত লিখা আছে যে "সচচ খণ্ড বা সতনাম চতুৰ্থ লোক হয়" -ইয়াত 'সতনাম' ক স্থান (ঠাই) বুলি কোৱা হৈছে। আকৌ এই পবিত্ৰ কিতাপৰ ৭৯ পৃষ্ঠাত লিখা আছে যে "এজন ৰাম দশৰথৰ পুত্ৰ, দ্বিতীয় জন ৰাম 'মন', তৃতীয় ৰাম 'ব্ৰহ্ম' চতুৰ্থ ৰাম 'সতনাম' এইজন প্ৰকৃত ৰাম হয়।

আকৌ “সন্তমত প্ৰকাশ” প্ৰথম ভাগ, ১৭ পৃষ্ঠাত লিখা আছে যে “যিখন সত্য লোক তাকেই সতনাম কোৱা হয়। পবিত্ৰ গ্ৰন্থ “সাৰবচন নসৰ অৰ্থাৎ ৱাৰ্তিক” ৩ পৃষ্ঠাত লিখা আছে যে “এতিয়া বুজিব লাগিব যে ৰাধাস্বামী পদ সকলোতকৈ উচ্চ (মুকাম) স্থান হয় যাক সন্তসকলে সতলোক, সচ্চখণ্ড, সাৰশব্দ, সতনাম আৰু সতপুৰুষ আদি নামেৰে ব্যাখ্যা কৰিছে।” আগ্ৰাৰ পৰা প্ৰকাশিত পবিত্ৰ গ্ৰন্থ “সাৰবচন (নসৰ) ৰ ৪ নং পৃষ্ঠাতো ওপৰোক্ত বৰ্ণনা যথাযথ আছে। পবিত্ৰ গ্ৰন্থ “সচ্চখণ্ডৰ পথ” ৰ ২২৬ নং পৃষ্ঠাত লিখা আছে “সন্ত সকলৰ দেশ সচ্চখণ্ড বা সত্যলোক হয়, তাক সতনাম, সতশব্দ সাৰশব্দ কোৱা হয়।

বিশেষ ঃ ওপৰোক্ত ব্যাখ্যা এনেধৰণৰ হল, যেনে - জীৱনত নগৰ, চহৰ, কাৰ গাড়ী, পেট্ৰ'ল একোৱেই নেদেখা আৰু ড্ৰাইভাৰ কাক কয় তাৰো জ্ঞান নথকা ব্যক্তি এজনে অন্য বন্ধু বৰ্গক কৈছে যে তেওঁ চহৰলৈ যায়, কাৰগাড়ীত বহি আনন্দ উপভোগ কৰে। আকৌ বন্ধু সকলে কাৰগাড়ী কেনেকুৱা, পেট্ৰ'ল কেনেকুৱা আৰু ড্ৰাইভাৰ, চহৰ কেনেকুৱা বুলি সোধাত সেই গুৰুজনে (জীৱনত চহৰ নেদেখা জন) উত্তৰ দিলে যে চহৰ বুলি কোৱা, কাৰ বুলি কোৱা একেই কথা। চহৰো কাৰ(গাড়ী )হয়, পেট্ৰ'লো কাৰ (গাড়ীক) কয়, ড্ৰাইভাৰো কাৰ (গাড়ীক) কয়, ৰাস্তাও কাৰগাড়ীয়ে হয়।

বিবেচনাৰ বিষয় ঃ সতপুৰুষ হল পূৰ্ণ পৰমাত্মা, সতনাম সেই দুটা মন্ত্ৰৰ নাম হয় যাৰ এটা হল ওঁ আৰু আনটো “তত্” সাংকেতিক হয়। ইয়াৰ পিছত পূৰ্ণ গুৰুৰ দ্বাৰা সাধকক সাৰনাম প্ৰদান কৰা হয়। এই সতনাম আৰু সাৰনাম দুয়োটা স্মৰণ কৰিব লগা নাম হয়। সত্যলোক সেইটো স্থান যত সতপুৰুষ বাস কৰে। এই সত্য আৰু অসত্য বিষয়ৰ নিৰ্ণয় পুন্যাত্মা সকলে নিজেই কৰিব।

## "শাস্ত্ৰত পৰমাত্মা"

প্ৰশ্ন ঃ সংসাৰৰ সকলো শাস্ত্ৰ আৰু সাধু-সন্তই পৰমাত্মাৰ বিষয়ে কি কয়?

উত্তৰ ঃ বিশ্বৰ মুখ্য শাস্ত্ৰ, সদগ্ৰন্থ সমূহত পৰমাত্মাৰ পৰিভাষা অতি স্পষ্টকৈ দিয়া আছে। প্ৰথমতে বিশ্বৰ মুখ্য শাস্ত্ৰ আৰু সদগ্ৰন্থ কি কি এই সম্পৰ্কে আলোচনা কৰিম।

১) বেদ ঃ- বেদ দুবিধ - (ক) সূক্ষ্ম বেদ (খ) সামান্যবেদ

(ক) সূক্ষ্মবেদ ঃ- সূক্ষ্মবেদৰ জ্ঞান পৰমাত্মা স্বয়ং পৃথিবীত প্ৰকট হৈ নিজ মুখ পদ্মৰ পৰা উচ্চাৰণ কৰি প্ৰদান কৰে, এই বেদ জ্ঞানৰ ভঁৰাল ।

প্ৰমাণ ঃ- ঋগবেদ মণ্ডল ৯ সুক্ত ৮৬ মন্ত্ৰ ২৬ -২৭
ঋগবেদ মণ্ডল ৯ সুক্ত ৮২ মন্ত্ৰ ১, ২, ৩
ঋগবেদ মণ্ডল ৯ সুক্ত ৯৪ মন্ত্ৰ ১
ঋগবেদ মণ্ডল ৯ সুক্ত ৯৫ মন্ত্ৰ ২
ঋগবেদ মণ্ডল ৯ সুক্ত ২০ মন্ত্ৰ ১
ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৬ ৰ পৰা ২০ লৈকে
ঋগবেদ মণ্ডল ৯ সুক্ত ৫৪ মন্ত্ৰ ৩
যজুৰ্বেদ অধ্যায় ৯ মন্ত্ৰ ১ আৰু ৩২
যজুৰ্বেদ অধ্যায় ২৯ মন্ত্ৰ ২৫
অথৰ্ববেদ কাণ্ড ৪ অনুবাদক ১ মন্ত্ৰ ৭
(সামবেদ মন্ত্ৰ সংখ্যা -৮২২)

অন্য প্ৰমাণ ঃ- শ্ৰীমদ্‌ভগৱত গীতা অধ্যায় ৪ মন্ত্ৰ ৩২ ত প্ৰমাণ আছে, উল্লেখ আছে যে সচিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ সত্যপুৰুষে নিজ মুখ পদ্মৰ দ্বাৰা বাণী উচ্চাৰণ কৰি তত্বজ্ঞান বিস্তৃতভাৱে বৰ্ণনা কৰে। কাৰণঃ- পৰমাত্মাই সৃষ্টিৰ আৰম্ভনিত সম্পূৰ্ণ জ্ঞান ব্ৰহ্ম (জ্যোতি নিৰঞ্জন অৰ্থাৎ কাল পুৰুষ) ৰ অন্তকৰণত সুমুৱাই দিছিল ( Fax কৰি দিছিল)। পৰমাত্মাই নিৰ্দ্ধাৰিত কৰি দিয়া সময়ত এই জ্ঞান আপোনা-আপুনি কাল পুৰুষৰ শ্বাসৰ দ্বাৰা সমুদ্ৰত প্ৰকট হ'ল। কালপুৰুষে তাৰ পৰা জানিবলগীয়া গুৰুত্বপূৰ্ণ কথা উলিয়াই দিলে । বাকী থকা অসম্পূৰ্ণ জ্ঞান সংসাৰত এৰি দিলে - এই জ্ঞান চাৰিভাগ হৈ চাৰিবেদ ৰূপে খ্যাত হ'ল।

২) সামান্য বেদ ঃ এয়া হ'ল ব্ৰহ্মই (জ্যোতি নিৰঞ্জন অৰ্থাৎ কালে) নিজৰ ডাঙৰ পুত্ৰ ব্ৰহ্মাক দিয়া আংশিক জ্ঞান। এই জ্ঞান সম্পূৰ্ণ নহয়। ইয়াৰ পৰা গুৰুত্বপূৰ্ণ মুখ্য জ্ঞান খিনি কালে জানি শুনি উলিয়াই লৈছিল। কাৰণ কালে সদায় ভয় কৰি থাকে যাতে কোনেও পূৰ্ণ পৰমাত্মাৰ জ্ঞান লাভ নকৰে। যদি প্ৰাণীৰ পূৰ্ণ পৰমাত্মাৰ জ্ঞান হয় তেতিয়া সকলোৱে এই কালৰ লোক ত্যাগ কৰি পূৰ্ণ পৰমাত্মাৰ লোক (সত্যলোক = শাশ্বত স্থান ) লৈ গুচি যাব যত যোৱাৰ পাছত

জন্ম- মৃত্যু নহ'ব । সেই কাৰণে ব্ৰহ্মই (কাল পুৰুষে) পূৰ্ণ পৰমাত্মাৰ পৰম্পদৰ জ্ঞান নকলে, নষ্ট কৰি দিলে। সেই নষ্ট হোৱা জ্ঞান পূৰণ কৰিবলৈ পূৰ্ণ পৰমাত্মা স্বয়ং সশৰীৰে প্ৰকট হৈ সম্পূৰ্ণ জ্ঞান কয়, নিজৰ প্ৰাপ্তিৰ প্ৰকৃত মন্ত্ৰও কৈ দিয়ে যিটো কাল ভগৱানে সমাপ্ত কৰি দিছিল, অকল বাকী জ্ঞান হে দিছিল। সেই জ্ঞানকে ঋষি সকলে বেদ বোলে। ঋষি বেদ ব্যাসে এই বেদ চাৰিভাগত লিপিবদ্ধ কৰিলে ।

১) ঋগবেদ ২) যজুৰ্বেদ ৩) সামবেদ ৪) অথৰ্ববেদ, এই বোৰ বৰ্ত্তমান প্ৰচলিত আছে। কাল পুৰুষে চাৰিওবেদৰ সাৰাংশ শ্ৰীমদভগাবদ গীতা ৰূপে শ্ৰীকৃষ্ণৰ শৰীৰত প্ৰবেশ কৰি মহাভাৰতৰ যুদ্ধৰ আগ মূহুৰ্তত কৈছিল। সেইখিনিও মহৰ্ষি ব্যাসে লিপিবদ্ধ কৰিলে আৰু এতিয়া আমাৰ হাতত আছে।

সদগ্ৰন্থৰ ভিতৰত বাইবেলৰ নামো আছে । বাইবেল তিনিটা কিতাপৰ সংকলন ঃ- ১) তৌৰেত ২) জবুৰ ৩) ইঞ্জিল। বাইবেলত সৰ্বপ্ৰথমে সৃষ্টিৰ উৎপত্তিৰ জ্ঞান আছে- লিখা আছে যে পৰমাত্মাই সৰ্বপ্ৰথমে সৃষ্টিৰ ৰচনা কৰিলে। পৃথিৱী, সূৰ্য, দিন-ৰাতি, পশু-পক্ষী, মনুষ্য (নৰ-নাৰী) ৰ ৰচনা পৰমেশ্বৰে ছয়দিনত কৰিলে আৰু সপ্তম দিনা সিংহাসনত গৈ বহিল। সৃষ্টি ৰচনা অধ্যায় -১ ৰ শ্লোক ২৬, ২৭, ২৮ ত স্পষ্ট কৰা আছে যে পৰমেশ্বৰে মানুহক নিজৰ স্বৰূপত উৎপন্ন কৰিলে। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে পৰমেশ্বৰো দেখাত মানুহৰ নিচিনা (নৰাকাৰ) ।

## বাইবেলৰ মতে মাংস খোৱা নিষেধ ঃ

বাইবেলৰ উৎপত্তি গ্ৰন্থত লিখা আছে যে (শ্লোক ২৭-২৮ ) মানুহে খাবৰ বাবে বীজ থকা উদ্ভিদ (ঘেঁহু, বুটমাহ, যৱ আদি) আৰু ফলধৰা গছ দিছোঁ, এয়া তোমালোকৰ খাদ্য। পশু-পক্ষীৰ বাবে ঘাঁহ, পাত থকা গছ-জোপোহা দিছো। ইয়াৰ পাছত পৰমেশ্বৰ নিজৰ ধাম (সত্যলোক) ত সিংহাসনত বহিল। বাইবেলত থকা বাকী জ্ঞান কাল ভগৱানে আৰু তেওঁৰ পুতেক সকলে দিছে। যদি বাইবেল গ্ৰন্থত মাংস খাবলৈ লিখা আছে সেয়া পূৰ্ণ পৰমেশ্বৰৰ আদেশ নহয়। সেই আদেশ কোনোবা অসম্পূৰ্ণ প্ৰভুৰ হয়। পূৰ্ণ পৰমাত্মা (Complete God) ৰ আদেশ অৱহেলা কৰিলে পাপৰ ভাগী হ'ব লাগিব।

কোৰাণ শ্বৰীফ (মজীদ) ঃ- বাইবেলৰ পাছতেই সদগ্ৰন্থ বুলি কওঁতে কোৰাণ শ্বৰীফৰ নাম শ্ৰদ্ধাৰে লোৱা হয়, কোৰাণৰ জ্ঞান দাতা জনেই বাইবেল, চাৰিবেদ আৰু শ্ৰীমদ্ভগৱদ গীতাৰো জ্ঞানদাতা হয়। সেই কাৰণে চাৰিবেদ আৰু গীতাত থকা কথাবোৰ বাইবেল আৰু কোৰাণত তেওঁ দুনাই অন্তৰ্ভূক্ত নকৰিলে।

উপনিষদ ঃ- এইবোৰ সংখ্যাত ১১ টা বুলি মানি লোৱা হৈছে। উপনিষদৰ জ্ঞান ঋষি বিশেষৰ নিজৰ অনুভৱ হয়। এই অনুভৱ যদি বেদ আৰু গীতাৰ লগত নিমিলে তেতিয়া সেয়া ব্যৰ্থ। সেয়া গ্ৰহণ কৰিব নালাগে। সেইকাৰণে উপনিষদবোৰক এৰি বেদ আৰু গীতাৰ জ্ঞান গ্ৰহণ কৰিব লাগিব কাৰণ উপনিষদবোৰৰ বেছিভাগ জ্ঞানেই বেদ আৰু গীতাৰ জ্ঞানৰ বিপৰীত। এই কথা

বাইবেল আৰু কোৰাণৰ ক্ষেত্ৰতো খাটে, যি জ্ঞান বেদ আৰু গীতাৰ লগত নিমিলে তাক গ্ৰহণ কৰিব নালাগে।

পুৰাণ ঃ- পুৰাণ মুঠতে ১৮ খন আছে। হওঁতে ১৮ খন পুৰাণ লগ লগালে এটা বোধ বা এটা জ্ঞান হয়। এই জ্ঞান সৰ্বপ্ৰথমে ব্ৰহ্মাদেৱে নিজৰ পুত্ৰসকলক (দক্ষ আদি ঋষিসকলক) দিছিল। ৰজা দক্ষ, মনু আৰু পৰাশৰ আদি ঋষিসকলে এই জ্ঞান প্ৰচাৰ কৰি যাওঁতে নিজৰ অনুভৱো তাত অন্তৰ্ভুক্ত কৰিলে। এইদৰে পুৰাণৰ জ্ঞান ১৮ ভাগ হ'ল। ১৮ খন পুৰাণত থকা যি জ্ঞান বেদ আৰু গীতা জ্ঞানৰ লগত নিমিলে সেইটো পৰিত্যাগ কৰিব লাগে। এনেধৰণেই অন্য যি কোনো পুথিৰ জ্ঞান গীতা আৰু বেদজ্ঞানৰ বিপৰীত হ'লে তাকো ত্যাগ কৰিব লাগে।

গীতা অধ্যায় ১৮ শ্লোক ৬২ ত গীতা জ্ঞান দাতাই অৰ্জুনক কৈছে "তুমি সৰ্বতো প্ৰকাৰে সেই পৰমেশ্বৰ (গীতা জ্ঞান দাতাতকৈ অন্য) ৰ শৰণত যোৱা, তেওঁৰ কৃপাত হে তুমি পৰম শান্তি আৰু সনাতন পৰমধামক প্ৰাপ্ত হ'বা" । অধ্যায় ৪ শ্লোক ৩২ ত কৈছে যে যি জ্ঞান (সুক্ষ্ম বেদ) স্বয়ং পৰমাত্মাই নিজৰ মুখ পদ্মৰ দ্বাৰা উচ্চাৰণ কৰে, তাক সচিদানন্দ ঘন ব্ৰহ্মৰ বাণী বোলা হয়, তাক তত্ত্বজ্ঞান বুলিও কয় য'ত পৰমেশ্বৰে পূৰ্ণ মোক্ষ পথৰ জ্ঞান দিছে। গীতা অধ্যায় ৪ শ্লোক ৩৪ ত কৈছে যে সেই তত্ত্বজ্ঞানক তুমি তত্ত্বদৰ্শী সন্তৰ ওচৰত গৈ বুজিবা। তেওঁক সাষ্টাঙ্গ প্ৰণিপাত কৰিলে, প্ৰশ্ন কৰিলে সেই সন্তই তোমাক তত্ত্বজ্ঞানৰ উপদেশ দিব। গীতা অধ্যায় ১৫ শ্লোক ১ ত তত্ত্বদৰ্শী সন্তৰ পৰিচয় দি কৈছে যে যি সন্তই সংসাৰৰূপী বৃক্ষৰ সকলো ভাগৰ বিষয়ে জানে তেওঁ "বেদবিত" অৰ্থাৎ বেদৰ তাৎপৰ্য জানে, তেওঁ তত্ত্বদৰ্শী সন্ত হয়। সুক্ষ্মবেদ অৰ্থাৎ সচিদানন্দঘন ব্ৰহ্মৰ বাণীত কৈছে -

কবীৰ, অক্ষৰ পুৰুষ এক পেড় হৈ, ক্ষৰ পুৰুষ বাকী ডাৰ ।
তীনো দেবা শাখা হৈ, পাত ৰূপ সংসাৰ ।।

সচিদানন্দঘন ব্ৰহ্মৰ এই বাণীক তত্ত্বজ্ঞানো বোলে। গীতা অধ্যায় ১৫ শ্লোক ৪ ত কৈছে যে তত্ত্বজ্ঞান পোৱাৰ পাছত পৰমেশ্বৰৰ সেই পৰমপদ বিচাৰিব লাগে যত যোৱাৰ পাছত সাধক কেতিয়াও উভতি সংসাৰত নাহে অৰ্থাৎ তাৰ পূৰ্ণ মোক্ষ হয়। সেই পৰমেশ্বৰে সংসাৰৰূপী গছৰ ৰচনা কৰিলে, মাত্ৰ তেওঁৰ ভক্তি কৰিবা। গীতা জ্ঞান দাতাই নিজৰ সাধনাতকৈ সেই পূৰ্ণ পৰমাত্মাৰ ভক্তি শ্ৰেষ্ঠ বুলি স্বীকাৰ কৰিছে, সেই ভক্তিৰ দ্বাৰাহে পৰমেশ্বৰৰ সেই পৰমপদ লাভ হ'ব যাক পোৱাৰ পাছত জীৱৰ জন্ম-মৃত্যুৰ চক্ৰ চিৰদিনৰ বাবে সমাপ্ত হয় ।

শ্ৰীগুৰুগ্ৰন্থ চাহেব ঃ- এইখন শিখ ধৰ্মৰ স্বীকৃতি প্ৰাপ্ত গ্ৰন্থ, প্ৰকৃততে এইখন কেইবাজনো মহাত্মাৰ অমৃত বাণীৰ সংকলন হয়। তাৰ ভিতৰত শ্ৰীনানকদেৱৰ বাণী অৰ্থাৎ মহলা পহলাৰ বাণী তত্ত্বজ্ঞান অৰ্থাৎ সুক্ষ্মবেদৰ লগত মিলে। কাৰণ শ্ৰীনানকদেৱক পৰমাত্মাই লগ কৰিছিল, শ্ৰীনানকদেৱে তেতিয়া চুলতানপুৰ চহৰত নবাবৰ অধীনত চাকৰি কৰিছিল। চুলতানপুৰ চহৰৰপৰা আধা কিঃমিঃ

দূৰৰ বেঁই নদীত শ্ৰীনানকদেৱ সদায় প্ৰাতঃস্নানৰ বাবে গৈছিল। এদিন পৰমাত্মাই জিন্দা বাবাৰ বেশত বেঁই নদীত প্ৰকট হৈ শ্ৰীনানকদেৱৰ লগত জ্ঞান চৰ্চা কৰিলে। তাৰ পাছত শ্ৰীনানকদেৱে নদীত বুৰ মাৰিলে কিন্তু ওলাই নাহিল। তাত উপস্থিত থকা ব্যক্তি সকলে ভাবিলে যে নানক দেব নদীত ডুবিল। চহৰৰ মানুহে নদীত জাল মাৰি চালে কিন্তু নিৰাশ হ'ল কাৰণ শ্ৰীনানকদেৱ জিন্দা বাবাৰ ৰূপত অহা পৰমাত্মাৰ লগত সচচখণ্ড (সত্যলোক) লৈ গৈছিল । তিনিদিনৰ পাছত শ্ৰীনানকদেৱ পৃথিৱীলৈ ঘূৰি আহি বেঁইনদীৰ পাৰত থিয় হল য'ৰ পৰা অন্তৰ্দ্ধান হৈছিল। শ্ৰীনানকদেৱক জীৱিত দেখি চুলতানপুৰবাসী আনন্দত আত্মহাৰা হ'ল। শ্ৰীনানকদেৱৰ ভনী নানকীক চুলতানপুৰ চহৰত বিয়া দিছিল, তেওঁ ভনীৰ লগতে আছিল। নিজৰ দাদাৰ মৃত্যুত শোকাতুৰ হোৱা নানকী বৰ আচৰিত হ'ল, তেওঁৰ শোক আনন্দলৈ সলনি হ'ল। শ্ৰীনানকদেৱক পৰমাত্মাই লগ কৰিলে, সত্যজ্ঞান পালে, সচাঁনাম (সত্যনাম) পালে, সন্ত সম্পূৰ্ণ সিংহৰ দ্বাৰা সম্পাদিত "ভাই বালেৱালী জন্ম সাখী গুৰু নানকজী" আৰু "প্ৰাণ সঙ্গলী" (হিন্দী সংস্কৰণ) এই দুখন পুথিত শ্ৰীগুৰু নানকদেৱে নিজে মৰ্দনাক কোৱাৰ প্ৰমাণ আছে যে বেঁই নদীত গা-ধুবলৈ যাওঁতে জিন্দা বাবৰ ৰূপত পৰমাত্মাই তেওঁক লগ কৰিছিল। তেওঁ তিনি দিনলৈকে পৰমাত্মাৰ লগত আছিল, সেই জিন্দা বাবা তেওঁৰ সদ্গুৰু হয় আৰু সকলো সৃষ্টিৰ ৰচনা কৰ্তাও সেই জিন্দা বাবা হয়। গতিকে তেওঁকে "বাবা" ক'ব লাগিব , অন্যক "বাবা" ক'ব নালাগে, সেই "বাবা"ৰ নাম কবীৰ হয়।

"কায়ম দায়কা কুদৰতী সব পীৰণ সিৰ পীৰ আলম বড়া কবীৰ" সেইকাৰণে শ্ৰীনানকদেৱৰ বাণী (মহলা-১) সূক্ষ্ম বেদৰ লগত মিলে, এইখন শুদ্ধ হয়। অন্য সন্ত সকলৰ বাণী সিমান শুদ্ধ নহয়,কাৰণ এইযে শ্ৰীনানক দেৱক পৰমাত্মা কবীৰদেৱে লগ কৰিছিল ।

প্ৰমাণ ঃ শ্ৰীগুৰু গ্ৰন্থ সাহিবৰ ২৪ পৃষ্ঠাত লিখা বাণী -

*এক সুআন দুই সুআনী নাল ভলকে ভৌঁকহী সদা বিয়াল,*
*কুড় ছুৰা মুঠা মুৰদাৰ ধানক ৰূপ ৰহা কৰতাৰ ।*
*তেৰা এক নাম তাৰে সংসাৰ মই ঐহো আশ ঐহো আধাৰ ,*
*ধানক ৰূপ ৰহা কৰতাৰ ।*
*ফাহী সুৰত মলূকী বেশ, এহ ঠগৱাড়া ঠগী দেশ ।*
*খৰা সিআনাং বহুতা ভাৰ ধানক ৰূপ ৰহা কৰতাৰ ।।*

শ্ৰীগুৰু গ্ৰন্থ চাহিবৰ ৭৩১ পৃষ্ঠাত নিম্নোক্ত বাণী আছে -

*নীচ জাতি পৰদেশী মেৰা, ক্ষণ আৱৈ ক্ষণ জাৱৈ ।*
*জাকি সঙ্গত নানক ৰহদা, ক্যকৰ মুণ্ডা পাৱৈ ।।*

৭২১ পৃষ্ঠাত নিম্ন বাণী লিখা আছে -

*য়ক অৰ্জ গুফতম পেশ তোদৰ, কূন কৰতাৰ ।*
*হক্কা কবীৰ কৰীম তু, বেএব পৰৱৰদি গাৰ ।।*

শ্ৰীগুৰু গ্ৰন্থ চাহিবৰ ওপৰোক্ত অমৃত বাণীৰ পৰা প্ৰমাণ হ'ল যে শ্ৰীনানকদেৱক পৰমাত্মাই লগ কৰিছিল। কাশীত ধানক (তাঁতী) ৰূপত লীলা কৰিবলৈ অহা জনেই "কবীৰ কৰতাৰ" (সৃষ্টিকৰ্তা কবীৰ) হয় ।

সন্ত গৰীব দাস, হৰিয়ানা ৰাজ্যৰ, জিলা ঝজ্জৰ, ছুড়ানী গাওঁ নিবাসীকো এনেদৰে জিন্দা বাবা ৰূপত কবীৰ পৰমাত্মাই লগ কৰি সত্যলোকত নি আকৌ ওভতাই এৰিছিল। সন্ত গৰীব দাসদেৱে কৈছে -

*"গৰীব, হম সুলতানী নানক তাৰে , দাদু কূ উপদেশ দিয়া ।*
*জাতি জুলাহা ভেদ নহী পায়া , কাশী মাহে কবীৰ হুৱা ।।*
*অনন্ত কোটি ব্ৰহ্মাণ্ড কা, এক ৰতি নহী ভাৰ ।*
*সতগুৰু পুৰুষ কবীৰ হৈ কুলকে সিৰজন হাৰ ।।*

সন্ত দাদু দাস মহাৰাজকো পৰমাত্মাই জিন্দা বাবৰ ৰূপত লগ কৰিছিল। শ্ৰী দাদু তেতিয়া সাত বছৰীয়া ল'ৰা, গাঁৱৰ বাহিৰত লগৰীয়াৰ লগত খেলি আছিল। পৰমাত্মাই তেওঁক লগ কৰি সত্যলোকত লৈ গ'ল। তিনিদিন লৈকে অচেতন হৈ পৰি থাকিল আকৌ চেতনা ঘূৰি অহাত কবীৰদেৱৰ মহিমা বখানিব ধৰিলে -

*"জিন মোকু নিজ নাম (প্ৰকৃত নাম) দিয়া, সোই সতগুৰু হমাৰ ।*
*দাদু দূসৰা কোই নহী,কবীৰ সিৰজন হাৰ ।।*
*দাদুনাম কবীৰ কী, জৈ কোঈ লেবে ওট।*
*উনকো কবহু লাগে নহী , কাল বজ্ৰ কী চোট ।।*

সন্ত গৰীবদাস দেৱে কৈছে -

*দাদু কু সতগুৰু মিলে, দেই পান কী পীখ।*
*বুঢ়া বাবা জিসে কহৈ, য়হ দাদু কী নহী সীখ ।।*
*পহলী চোট দাদুকো, মিলে পুৰুষ কবীৰ ।*
*টক্কৰ মাৰী জদ মিলে, ফিৰ সাম্ভৰ কে তীৰ ।।*

বান্ধঁৱ গড়ৰ সন্ত ধৰ্মদাসক পৰমাত্মাই লগ কৰিলে ঃ- তীৰ্থযাত্ৰা কৰি মথুৰা গৈ পাওঁতে ধৰ্মদাসক পৰমাত্মাই জিন্দা বাবাৰ বেশত লগ কৰিলে আৰু সত্য লোকলৈ লৈ গ'ল। শ্ৰীধৰ্মদাসদেৱো শ্ৰীনানকদেৱৰ দৰেই তিনিদিন লৈকে পৰমাত্মাৰ লগত আকাশ মণ্ডলত (সত্যলোকত) আছিল। ইফালে ধৰ্মদাসৰ শৰীৰ অচেতন হ'ল। তৃতীয় দিনা চেতনা ঘূৰাই পোৱাৰ পিছত ক'লে যে তেওঁ পৰমাত্মাৰ লগত সত্যলোকলৈ গৈছিল। সেই পৰমাত্মা কাশী চহৰত লীলা কৰিবলৈ আহিছে, তেওঁ গৈ লগ কৰিব। ধৰ্মদাস বাণাৰাসী (কাশী) ত গ'ল। তাত গৈ তাঁতীৰ বেশত পৰমাত্মাক কাম কৰি থকা দেখি আচৰিত হ'ল, চৰণত পৰি যথাৰ্থ ভক্তি পথ প্ৰাপ্তি কৰি নিজৰ মঙ্গল সাধিলে। অধিক জানিবলৈ এই পুথিৰ "পৰমাত্মাই কাক-কাক লগ কৰিলে" প্ৰকৰণ পঢ়ক।

হজৰত মহম্মদক পৰমাত্মাই জিন্দা মহাত্মাৰ ৰূপত মক্কা (কাবা) ত লগ কৰি এটা ব্ৰহ্মাণ্ডত থকা ৰাজদূত ভৱনৰ লেখিয়া নিজৰ লোকত লৈ গৈছিল।

পৰমাত্মাই হজৰত মহম্মদক বুজালে আৰু নিজৰ জ্ঞান শুনালে কিন্তু হজৰত মহম্মদে পৰমাত্মাৰ জ্ঞান স্বীকাৰ নকৰিলে আৰু সত্যলোকত থকা ইচ্ছাও প্ৰকাশ নকৰিলে। তেতিয়া পৰমাত্মাই হজৰত মহম্মদক ওভতাই শৰীৰত সুমুৱাই দিলে। ইতিপূৰ্বে হজৰত মহম্মদৰ কেইবাহাজাৰো মুছলমান অনুগামী আছিল। তেওঁৰ মহিমা সংসাৰত চাৰিওদিশে বিয়পিছিল আৰু কোৰাণৰ জ্ঞানক সৰ্বোত্তম গণ্য কৰা হৈছিল।

সন্ত গৰীবদাসে কৈছে যে কবীৰ পৰমেশ্বৰে মহম্মদ চাহেবক ওপৰৰ লোকত লৈ গ'ল কিন্তু তেওঁ তাত নাথাকিল। গৰীব দাস মহাৰাজে কবীৰ পৰমেশ্বৰৰ উদ্ধৃতি দি কৈছে ঃ-

*"হম মহম্মদ কো ৱহা লে গয়া, ইচ্ছাৰূপী ৱহাঁ নহী ৰহয়ো ।*
*উল্ট মহম্মদ মহল পঠায়া,গুঝ বিৰজ এক কলমা ল্যায়া ।*
*ৰোজা, বংগ, নিমাজ দয়ীৰে, বিস্মল কী নহী বাত কহী ৰে ।*
*মাৰী গঊ শব্দ কে তীৰ , ঐসে হোতে মহম্মদ পীৰ ।*
*শব্দে ফেৰ জিৱাই, জীৱ ৰাখ্যা মাংস নহী ভখ্যা, ঐসে পীৰ মহম্মহ ভাই।*
*মাৰী গঊ লে শব্দ তলৱাৰ, জীৱত হুঈ নহী অল্লাহ সে কৰী পুকাৰ ।*
*তব হমো (মোক) মহম্মদ নে য়াদ কিয়া ৰে।শব্দ স্বৰূপ হম বেগ গয়া ৰে।*
*মুই গঊ হমনে তুৰন্ত জীৱাই । তব মহম্মদ কৈ নিশ্চয় আই ।।*
*তুম কবীৰ অল্লাহ দৰ্বেশা । মোমিন মহম্মদ কা গয়া অন্দেশা ।।*
*কহা মহম্মদ সুন জিন্দা চাহেব । তুম অল্লাহ কবীৰ ঔৰ সব নায়ব।।*

ইয়াৰ প্ৰমাণ "কোৰাণ শ্বৰীফ" ৰ সুৰত ফুৰ্কানি-২৫, আয়ত ৫২ ৰ পৰা ৫৯ তো আছে। কোৰাণ শ্বৰীফৰ জ্ঞান দাতাক হজৰত মহম্মদ আৰু মুছলমান ধৰ্মৰ সকলো শ্ৰদ্ধাৱান সকলে নিজৰ "খোদা" (প্ৰভু) মানে, পূৰ্ণ পৰমাত্মাও তেওঁকে মানে। এই আয়ত বিলাকত (৫২ ৰ পৰা ৫৯ লৈ ) কোৰাণৰ জ্ঞান দাতাই কৈছে- "হে পয়গম্বৰ, হজৰত মহম্মদ, কোৰাণৰ আয়তত মই তোমাক যি জ্ঞান দিছোঁ, তাৰ প্ৰতি তুমি দৃঢ় থাকিবা, আল্লা কবীৰ হয় আৰু এই কাফিৰ সকলে সেই আল্লাৰ ওপৰত বিশ্বাস নকৰে, তুমি সিহঁতৰ কথাত ভোল নাযাবা, সিহঁতৰ লগত সংঘৰ্ষ কৰিবা, কাজিয়া নকৰিবা। হে পয়গম্বৰ, এই কবীৰ নামৰ পৰমাত্মাই সকলোকে পুত্ৰ, বোৱাৰী, শাহু, শহুৰ আৰু নাতি কৰিলে, তুমি সেই জিন্দাৰ ওপৰত ভৰসা কৰিবা। তোমাক কাবাত লগ কৰা জনেই প্ৰকৃততে অবিনাশী পৰমাত্মা হয়, তেওঁ নিজৰ সন্তানৰ (ভকতৰ) দোষসমূহ (পাপ) ক্ষমা কৰি দিয়ে, সেইজন কবীৰ আল্লা হয়"। এই কবীৰ আল্লাৰ বৰ্ণনা বাইবেলৰ উৎপত্তি গ্ৰন্থত আছে যে পৰমাত্মাই ছদিনত আকাশ আৰু পৃথিৱী আৰু তাৰ মাজৰ সকলো নক্ষত্ৰ নিৰ্মাণ কৰিলে অৰ্থাৎ সকলো সৃষ্টি ৰচনা কৰিলে আৰু সপ্তম দিনা সিংহাসনত গৈ বহিল। তাৰ খবৰ কোনো "বাখবৰ" অৰ্থাৎ তত্ত্বদৰ্শী সন্তক সুধিবা।

## হজৰত মহম্মদে মাংস খোৱা নাছিল ঃ-

সন্ত গৰীব দাস মহাৰাজে (গাওঁ- ছুড়ানী, জিলা- ঝজ্জৰ) নিজৰ অমৃতবাণীত স্পষ্ট কৰিছে যে হজৰত মহম্মদ আৰু তেওঁৰ এক লাখ আশী হাজাৰ মুছলমান অনুগামীয়ে মাংস খোৱা নাছিল আৰু গৰুক বিস্মল (হত্যা) কৰা নাছিল ।

*"গৰীব, নবী মহম্মদ নমস্কাৰ হৈ, ৰাম ৰচুল কহায়া ।*
*এক লাখ অসী কু সৌগন্ধ, জিন নহী কৰদ চলায়া।।*
*অৰ্স-কুৰ্স পৰ অল্লহ তখ্ত  হৈ, খালিক বিন নহী খালী ।*
*ৱে পৈগম্বৰ পাক পুৰুষ থে,সাহেব কে অবদালী ।।*

ভাৱাৰ্থঃ- গৰীব দাস মহাৰাজে কৈছে যে নবী মহম্মদক তেওঁ প্ৰণাম কৰে। তেওঁ পৰমাত্মাৰ ৰচুল (বাৰ্ত্তাবাহক) আছিল। তেওঁৰ এক লাখ আশী হাজাৰ মুছলমান অনুগামী আছিল। মই (গৰীব দাস মহাৰাজ) শপত খাই কৈছো যে তেওঁলোকে (এক লাখ আশী হাজাৰ অনুগামীয়ে) আৰু হজৰত মহম্মদে কেতিয়াও কোনো জীৱক কৰতেৰে (ছুৰীৰে) প্ৰহাৰ নকৰিলে অৰ্থাৎ কেতিয়াও জীৱ হিংসা নকৰিলে আৰু মাংসও নাখালে।

পৰমাত্মা আকাশৰ শেষ সীমাত (সকলো ব্ৰহ্মাণ্ডৰ ওপৰৰ স্থানত) বিৰাজমান আছে, কিন্তু কোনো জীৱই তেওঁৰ দৃষ্টিৰ পৰা আঁৰ হ'ব নোৱাৰে, তেওঁ সকলোকে চাই থাকে। সেই পয়গম্বৰ সকল (হজৰত মহম্মদ আৰু অন্য) পবিত্ৰ আত্মা আছিল, পৰমাত্মাৰ কৃপা পাত্ৰ আছিল ।

<u>সন্ত জম্ভেশ্বৰ মহাৰাজৰ বিচাৰ-</u> ওপৰোক্ত সাক্ষ্য সন্ত জম্ভেশ্বৰ মহাৰাজে (বিশ্নোই ধৰ্মৰ প্ৰৱৰ্ত্তক) দিছে শব্দ সংখ্যা ১২ ত ঃ-

*"মহমদ-মহমদন কৰ কাজী, মহমদ কা তো বিষম ৱিচাৰু ।*
*মহমদ সাত পয়ম্বৰ সীধা, এক লাখ অসী হজাৰু।*
*মহমদ মৰদ হলালী হোতা, তুম হী ভএ মুৰদাৰু।*

ভাৱাৰ্থ ঃ- সন্ত জম্ভেশ্বৰে কৈছে - " হে কাজী, আপুনি পবিত্ৰ আত্মা মহম্মদৰ নামত গৰু বা অন্য জীৱক হত্যা কৰি সেই মহাপুৰুষক বদনাম কৰিছা, হজৰত মহম্মদৰ চিন্তাধাৰা কঠিন আছিল- বুজিবলৈ টান আছিল। আপুনি তেওঁ কোৱা কথাৰ পৰা আঁতৰি গৈছে, মহম্মদৰ হাতত কমাৰে গঢ়া (জীৱ কটা ছুৰী) নাছিল। হজৰত মহম্মদৰ লগত এক লাখ আশী হাজাৰ পবিত্ৰ আত্মা মুছলমান অনুগামী আছিল। তেওঁ সহজ-সৰল অৰ্থাৎ ভাল পয়গম্বৰ আছিল। হজৰত মহম্মদ অত্যন্ত সাহসী আছিল আৰু সৎ উপায়েৰে জীৱিকা উৰ্পাজন কৰিছিল, তুমিহে কচাই, জীৱ হিংসা কৰা। তুমি সেই মহাপুৰুষৰ দৰে নিজৰ জীৱন নিস্পাপ কৰি তোলা। জীৱ হিংসা নকৰিবা।"

সন্ত জম্ভেশ্বৰক পৰমাত্মাই জিন্দা মহাত্মাৰ ৰূপত সমৰাথলত লগ কৰিছিল ঃ-

বেদত প্ৰমাণ আছে যে পৰমাত্মা সত্যলোকত আছে, তাৰ পৰা আহি পৃথিৱীত প্ৰকট হয়, ভাল আত্মাক লগ কৰে, তেওঁলোকক যথাৰ্থ আধ্যাত্মিক জ্ঞান দিয়ে, কবিৰ দৰে আচৰণ কৰি পৃথিৱীত ঘূৰি ফুৰে আৰু প্ৰসিদ্ধ কবিৰ উপাধি লাভ কৰে। পৰমাত্মাই ভক্তিৰ গুপ্ত মন্ত্ৰ আৱিস্কাৰ কৰে- এনে মন্ত্ৰ বেদ আৰু সদগ্ৰন্থত নাথাকে। অনুগ্ৰহ কৰি এই পুথিত সন্নিবিষ্ট নিম্নোক্ত মন্ত্ৰৰ প্ৰতিলিপি ৯৪ পৃষ্ঠাত চাব । প্ৰমাণ-

ঋগবেদ মণ্ডল ৯ সুক্ত ২০ মন্ত্ৰ ১
ঋগবেদ মণ্ডল ৯ সুক্ত ৮৬ মন্ত্ৰ ২৬-২৭
ঋগবেদ মণ্ডল ৯ সুক্ত ৮২ মন্ত্ৰ ১,২
ঋগবেদ মণ্ডল ৯ সুক্ত ৫৪ মন্ত্ৰ ৩
ঋগবেদ মণ্ডল ৯ সুক্ত ৯৪ মন্ত্ৰ ১
ঋগবেদ মণ্ডল ৯ সুক্ত ৯৫ মন্ত্ৰ ২
ঋগবেদ মণ্ডল ৯ সুক্ত ৯৬ মন্ত্ৰ ১৬, ১৭, ১৮, ১৯, ২০

হজৰত মহম্মদ আৰু অন্য বহুতো মহাত্মাক পৰমেশ্বৰে জিন্দা মহাত্মাৰ ৰূপত লগ কৰাৰ কথা ইতিপূৰ্বে উল্লেখ কৰা হৈছে। মহাত্মা জম্ভেশ্বৰকো সমৰাথলত পৰমেশ্বৰে সেইদৰেই লগ কৰিছিল ।

প্ৰমাণ - শ্ৰীজম্ভেশ্বৰ মহাৰাজৰ বাণী, শব্দ সংখ্যা ৫০ ৰ কিছু অংশ ঃ-

*দিল-দিল আপ খুদায় বন্দ জাগ্যো, সব দিল জাগ্যো সোই ।*
*জো জিন্দো হজ কাবৈ জাগ্যো, থলসিৰ জাগ্যো সোই ।।*
*নাম বিষ্ণু কৈ মুচকল ঘাতৈ, তে কাফৰ সৈতানী ।*
*হিন্দু হোয় কা তীৰ্থ নহাবৈ, পিণ্ড ভৰাবৈ তেপন ৰহা ইৰানী ।*
*তুৰক হোয় হজ কাম্বো ধোকে, ভূলা মুচলমানী*
*কে কে পুৰুষ অৱৰ জাগৈলা , থল জাগ্যো নিজ বাণী।*

ভাৱাৰ্থ ঃ- শ্ৰী জম্ভেশ্বৰ মহাৰাজে কৈছে যে হজৰত মহম্মদ হজৰ বাবে মক্কা যোৱা সময়ত পৰমাত্মাই জিন্দা মহাত্মাৰ ৰূপত তেওঁক কাবা (মক্কা) ত লগ কৰি সতৰ্ক কৰি দিছিল যে মন্দিৰ-মক্কা আদি তীৰ্থস্থানত পৰিক্ৰমা কৰিলে পৰমেশ্বৰক পোৱা নাযায়, পৰমেশ্বৰ পাবলৈ হ'লে মন্ত্ৰ জপ কৰিব লাগে। শ্ৰীজম্ভেশ্বৰ মহাৰাজে আকৌ কৈছে যে সেই পৰমাত্মা থলসিৰ (সমৰাথল) স্থান (ৰাজস্থান) ত আহি মোক সতৰ্ক কৰিলে। নাজানোঁ আৰু কিমান ব্যক্তি মোৰ দৰে সতৰ্ক হ'ব আৰু মোৰ সমৰাথল প্ৰসিদ্ধ হ'ব। এয়া মোৰ নিজৰ বাণী অৰ্থাৎ বিশেষ বচন। মই নিজৰ অনুভৱ নিজৰ যথাৰ্থ বাণীৰে কৈ সমৰাথলৰ মানুহৰ মাজত পৰমাত্মা ভক্তিৰ জাগৰণ আনিলোঁ কিন্তু সত্যৰ পৰা আঁতৰি মুচলমানসকল এতিয়াও কাবাত হজ কৰিবলৈ যায়, প্ৰণিপাত কৰে, শিলক নমস্কাৰ কৰে, এইবোৰ সকলো ব্যৰ্থ ক্ৰিয়া। এইদৰে হিন্দু সকলো তীৰ্থলৈ যায়, ভূত পূজা কৰে, পিণ্ড দিয়ে, এয়া সকলো ব্যৰ্থ সাধনা।

সন্ত শ্ৰীজম্ভেশ্বৰ মহাৰাজে ২৯ টা নিয়ম নিৰ্দ্ধাৰণ কৰি স্বচ্ছ সাধক সমাজ গঠন কৰিলে। যি সকলে এই ২৯ টা নিয়ম পালন কৰিছিল আৰু শ্ৰীজম্ভেশ্বৰে কোৱা নামৰ জপ কৰিছিল তেওঁলোকক বিশ্নোই (বিশ-ন=২৯ নিয়মৰ পালন কৰোঁতা) বোলা হৈছিল।

বৰ্ত্তমান হয়তো বিশ্নোই বুলিবলৈ কোনো নাই, কাৰণ সময় আৰু পৰিস্থিতি সলনি হৈ থাকে আৰু সেইমতে মানুহৰ আচাৰ-ব্যৱহাৰ, চিন্তাধাৰাও সলনি হয়। এনে হোৱাৰ মূলতে হ'ল সন্তৰ অভাৱ। শ্ৰীজম্ভেশ্বৰ মহাৰাজ স্বৰ্গ ধাম যোৱাৰ পাছত তেওঁৰ নিচিনা সিদ্ধ আৰু ভক্তিযুক্ত মহাপুৰুষ নোহোৱা হ'ল, ফলস্বৰূপে নীতি-নিয়ম পালন কৰা নহ'ল। বৰ্ত্তমান "বিশ্নোই" ধৰ্মৰ অনুগামী সকলে কেৱল তীৰ্থ ভ্ৰমণক হে গুৰুত্ব দিয়ে আৰু সেই তীৰ্থস্থলবোৰত হোম আদি কৰি নিজকে ধন্য মানে। তীৰ্থ হ'ল এনে এখন ঠাই য'ত কোনো সন্তই গোটেই জীৱন সাধনা কৰি কোনো অলৌকিক ঘটনা দেখুৱায়, আকৌ জন্মস্থান আৰু নিৰ্বাণ স্থানো তীৰ্থস্থান বা স্মৰণীয় ঠাই হিচাবে চিহ্নিত হয়। তীৰ্থস্থান, ধাম এইবোৰ স্মৰণীয় ঠাই হয়, এইবোৰ থকা ভাল কাৰণ এইবোৰৰ দ্বাৰা কোনো বিশেষ ব্যক্তিৰ স্মৰণ সতেজ হৈ থাকে আৰু এইবোৰে সত্যতাৰ সাক্ষ্য দিয়ে। কিন্তু সাধনা ভক্তি অবিহনে জীৱনৰ সাৰ্থকতা নাই , পূৰ্ণ গুৰু বিচাৰি তেও কোৱা পথেৰে আগবাঢ়ি জীৱন সফল কৰক কাৰণ সকলো মহাপুৰুষে গুৰু ধাৰণ কৰিছে। গুৰুজন সমসাময়িক হ'ব লাগিব যি জনে নিজ মুখপদ্মৰ পৰা ভক্তি বিধি কব। সময় বাগৰাৰ লগে লগে প্ৰত্যেক ধৰ্মত ভক্তিবিধি সলনি কৰি দিয়া হয় - যিটো হানিকাৰক হয়। উদাহৰণ স্বৰূপে-

সন্ত শ্ৰীজম্ভেশ্বৰ মহাৰাজে নিজ মুখ পদ্মৰ পৰা উচ্চাৰণ কৰা বাণীত ১২০ টা শব্দ আছে। বৰ্ত্তমান প্ৰত্যেক শব্দৰ আৰম্ভণিত "ওম" অক্ষৰ উচ্চাৰণ কৰা হয় - এনে কৰাটো ভুলেই নহয় সন্তজনকো অপমান কৰা হৈছে। যদি "ওম" শব্দ অবিহনে তেওঁৰ শব্দবাণী সাৰ্থক নোহোৱা হ'লে শ্ৰীজম্ভেশ্বৰ মহাৰাজে নিজে "ওম" শব্দ আৰম্ভনিত ব্যৱহাৰ কৰিলেহেতেঁন। কোম্পানীয়ে নিৰ্মাণ কৰা মটৰ চাইকেলৰ পিষ্টন সম্পূৰ্ণ ৰূপে ভাল হয়। যদি কোনোৱে বেছি জনা দেখুৱাই সেই পিষ্টনত কোনো নট (Nut) জ্বালাই কৰে তেতিয়া কি লাভ হ'ব ? সকলো ব্যৰ্থ। এইদৰেই সন্ত জম্ভেশ্বৰৰ বাণীৰ লগত "ওম" যোগ কৰি পঢ়িলে লাভৰ ঠাইত হানিহে হ'ব।

এইদৰে এটা গায়ত্ৰী মন্ত্ৰ সাজি উলিওৱা হৈছে, হিন্দু ধৰ্মৰ লোকে ইয়াৰ জপ শ্ৰদ্ধাৰে কৰে। মন্ত্ৰ এই ধৰণে বিকৃত কৰা হৈছে "ওঁ ভূৰ্ভৱ স্বঃ তৎসবিতুৰ ৱৰেণিয়ম ভৰ্গোদেৰস্য ধীমহি ধীয়ো য়ো ন প্ৰচোদয়াত"। প্ৰকৃততে এইটো যজুৰ্বেদ অধ্যায় ৩৬ ৰ ৩ নং মন্ত্ৰ হয়, ইয়াৰ আৰম্ভণিত "ওম" আখৰ নাই । বেদৰ বাণী ভগৱান প্ৰদত্ত হয়, ইয়াৰ আৰম্ভণিত "ওম" যোগ কৰাটো ভগৱানৰ অপমান কৰা হয়। পিষ্টনত নট (Nut) জ্বালাই কৰাটো অৰ্থহীন হ'ব।

সন্ত শ্ৰীজম্ভেশ্বৰ মহাৰাজে শব্দ সংখ্যা ৬৯ ত কৈছে যে বেদ আৰু পুৰাণত যথাৰ্থ ভক্তি মাৰ্গ নাই, এই শাস্ত্ৰবোৰ নুবুজি ভূতৰ পূজা আৰম্ভ কৰিলে। সংসাৰ ৰূপী বৃক্ষৰ মূল সেই পাৰাপাৰ নথকা পৰমাত্মাক কিয় নজপে? মূল (শিপা) ৰ পূজা নকৰি ডাল-পাতৰ পূজা কৰা ব্যৰ্থ - ইয়াৰ দ্বাৰা জম বা কালৰ পৰা ৰক্ষা পোৱা নাযায় (জম=জন্ম, কাল = মৃত্যু) অৰ্থাৎ জন্ম-মৃত্যু সমাপ্ত হ'ব নোৱাৰে।

কোনো ভদ্ৰ পুৰুষেহে তত অৰ্থাৎ তত্ত্বজ্ঞানৰ খবৰ লয়, তেওঁহে জীৱনৰ বিধি (পথ) চিনি পায়, ফলত জীয়াই থাকোঁতে (লাহো) = লাভ হয় আৰু মৃত্যুৰ পাছতো হানি নহয়, তেওঁ মোক্ষ লাভ কৰে ।

শব্দ নম্বৰ ৭২ ৰ কিছু বাণী ঃ-

*বেদ কুৰাণ কুমায়া জালূভূলা জীৱ কূজীৱ কুজাণী ।*
*কেৱল জ্ঞানী থল সিৰ আয়ো পৰগট খেল পসাৰী ।*
*কোড় তেতীসা পোহ ৰচাৱণ হাৰী,জ্যুঁ চক আঈসাৰী ।*

শব্দ নং ৭২ ত শ্ৰীজম্ভেশ্বৰদেৱে কৈছে যে তত্ত্বজ্ঞান কওঁতা সমৰাথলত আহিছিল। কেৱল তেওঁহে জ্ঞানী অৰ্থাৎ পূৰ্ণ জ্ঞানৰ জ্ঞাতা আৰু সকলো সৃষ্টিৰ ৰচনা কৰ্তা। তেওঁৰ তত্ত্বজ্ঞানৰ দ্বাৰাহে পূৰ্ণ তৃপ্ত হলোঁ, এইজন পূৰ্ণ গুৰু হয় ।

শব্দ সংখ্যা ৬৯ ৰ কিছু বাণী ঃ-

*সো অপৰম্পাৰ কাম্য ন জপো, ততখিণ লহো ইমানো ।*
*ভল মূল সীচোঁ ৰে প্ৰাণী,জ্যুঁ তৰবৰ মেলত ডালু ।*
*জইয়া মূল ন সীচ্চো তো জামন-মৰণ বিগোৱো ।*
*অহঁনিশ কৰণী থীৰ ন ৰহিবা ন বচ্যো জম কালু ।*
*কোঈ কোঈ ভল মূল সিঁচিলো , ভলতত বুঝীলো জা জীৱন ।*
*কী বিধি জানী,*
*জীৱতড়া কছু লাহো হোসী মূৱা ন আৱত হানি ।*

শ্ৰীজম্ভেশ্বৰ দেৱৰ গুৰু কোন আছিল ?

শ্ৰীজম্ভেশ্বৰ দেৱক সকলোৰে সৃষ্টি কৰ্তা পূৰ্ণ পৰমাত্মাই জিন্দা মহাত্মাৰ ৰূপত লগ কৰিছিল। তেওঁকে নিজৰ গুৰু মানিছিল, সন্ত শ্ৰী জম্মেশ্বৰদেৱৰ গুৰু আছিল ঃ-

প্ৰমাণ ঃ- শব্দ নম্বৰ ৯০ ৰ অন্তিম বাণী ঃ-

*জাঁ জাঁ পৱন আসন, পানী আসন, চন্দ আসন।*
*সূৰ (সূৰ্য) আসন, গুৰু আসন সমৰা থলে ।*
*ক হৈ সতগুৰু ভূল মত জাইয়ো পড়োলা অভৈ দোজখে ।*
*শব্দ নম্বৰ ৯১ ৰ কেইটামান বাণী ঃ-*
*ছন্দে-মন্দে বালক বুদ্ধে, কূড়ে কপটে ঋধ ন সিদ্ধে ।*
*মেৰে গুৰু জো দীহ্নী শিক্ষা সৰ্ব আলিঙ্গন ফোৰী দীক্ষা ।*

*সত-সত ভাখত গুৰু ৰায়ো জৰা মৰণ ভো ভাগূ ।*

*শব্দ নং ৯২ ৰ কেইটামান বাণী ঃ-*

*পঢ় বেদ কুৰাণ কুমায়া জালো দন্ত কথা জুগ ছায়ো ।*

*সিদ্ধ সাধক কো এক মতো, জিনজীৱিত মুক্ত দৃঢ়ায়ো ।*

*জুগান-জুগান কা জোগী আয়ো, সতগুৰু সিদ্ধ বতাও।*

*সহজ স্নানী কেৱল জ্ঞানী ব্ৰহ্ম জ্ঞানী সুকৃত অহল্যো ন জাই ।*

ওপৰোক্ত অমৃত বাণী সমূহৰ ভাৱাৰ্থ -

শব্দ নং ৯০ ৰ বাণীত শ্ৰী সন্ত জম্ভেশ্বৰ মহাৰাজে কৈছে যে বায়ুৰ আসন অৰ্থাৎ ঠাই বা আশ্ৰম আছে, বায়ু কিছু কিঃমিঃ ওপৰলৈকে আছে, বায়ুৰো নিৰ্দিষ্ট স্থান আছে, হ'লেও ই নিজৰ স্থানৰ পৰা ইফালে-সিফালে গতি কৰি থাকে। এইদৰে পানীৰো স্থান আছে, চন্দ্ৰ সূৰ্যৰো স্থান আছে। সেইদৰে সদগুৰুক লগ পোৱা পিছত ময়ো সমৰাথলত নিজৰ আসন (আশ্ৰম) স্থাপন কৰিলো। মোৰ গুৰদেৱে কৈছে যে পৰমাত্মাক পাহৰি নাযাবা অন্যথা নৰকত পৰিবা। গতিকে সন্ত জম্ভেশ্বৰে সকলো মানৱক সতৰ্ক কৰে যে গুৰু ধাৰণ কৰি পৰমাত্মাৰ ভক্তি কৰিব লাগে ।

প্ৰমাণ ঃ- সন্ত জম্ভেশ্বৰক লগ কৰাৰ দৰে সন্ত গৰীব দাস দেৱকো হৰিয়ানাৰ ঝজ্জৰ জিলাৰ ছুঢ়ানী গাঁৱত পৰমাত্মাই জিন্দা মহাত্মাৰ ৰূপত লগ কৰিছিল। তেওঁ নিজৰ অমৃত বাণীত কৈছেঃ-

*গৰীব, ঐসা সতগুৰু হম মিল্যা হৈ জন্দা জগদীশ ।*

*সুন্ন বিদেশী মিল গয়া, ছত্ৰ মুকুট হৈ শীশ ।।*

*গৰীব, জিন্দা জোগী জগত গুৰু, মালিক মুৰসিদ পীৰ ।*

*দোঁহু দীন ঝগড়া মণ্ড্যা, পায়া নহী শৰীৰ ।।*

*গুৰু জ্ঞান অমান অডোল অবোল হৈ, সতগুৰু শব্দ ছেৰী পিছানী ।*

*দাস গৰীব কবীৰ সতগুৰু মিল্যা, আন অস্থান ৰোপ্যা ছুড়ানী ।।*

আকৌ সন্ত জম্ভেশ্বৰ দেৱে শব্দ সংখ্যা ৯১ ৰ অমৃত বাণীত কৈছে যে মোৰ গুৰুৰ জ্ঞান মিথ্যা, কপট যুক্ত আৰু বালক বুদ্ধিৰ লেখিয়া অৰ্থাৎ অসম্পূৰ্ণ জ্ঞান বা মন্দ জ্ঞান বা ঋদ্ধি-সিদ্ধিৰ জ্ঞান নহয় । এইটো হ'ল পূৰ্ণ মোক্ষৰ পথ, মোৰ গুৰুদেৱে সম্পূৰ্ণ সত্য জ্ঞানৰ পাঠ পঢ়াইছে। পিছত মই দীক্ষা ৰূপত সেই টোকে কৈছো যাৰ দ্বাৰা "জৰা" অৰ্থাৎ বৃদ্ধাৱস্থাত হোৱা কষ্ট , মৃত্যুৰ ভয় সমাপ্ত হ'ল ।

প্ৰমাণ ঃ- শ্ৰীমদ্ভগৱদ গীতা অধ্যায় ৭, শ্লোক ২৯ তো এই প্ৰমাণ আছে। উল্লেখ আছে যে যি সাধকে তত্ত্বদৰ্শী সন্তৰ অনুসন্ধান কৰে, তেওঁলোকে জন্ম-মৃত্যুৰ পৰা মুক্ত হ'বলৈ চেষ্টা কৰে কাৰণ তেওঁলোক তত্ ব্ৰহ্মৰ লগত পৰিচিত হৈ যায়, সকলো কৰ্মৰ লগতো পৰিচিত হয় ।

শব্দ নং ৯২ ৰ অমৃত বাণীৰ ভাৱাৰ্থ ঃ- সন্ত জম্ভেশ্বৰদেৱে কৈছে যে বেদ আৰু

কোৰাণৰ গূঢ়াৰ্থ নুবুজি মানৱ সমাজক দন্ত কথা শুনায়। সিদ্ধ আৰু সাধকৰ মত একেই, তেওঁলোক জীৱিত হৈও মৃতকৰ দৰে সংসাৰত আছে কাৰণ তেওঁলোকে সংসাৰক অসাৰ জ্ঞান কৰে। পৰমাত্মাই প্ৰত্যেক যুগত প্ৰকট হৈ যৰ্থাথ ভক্তি জ্ঞান প্ৰদান কৰে, তেওঁ নিজে সদগুৰু। তেওঁ পূৰ্ণসিদ্ধ অৰ্থাৎ সমৰ্থ হয়। কেৱল সদগুৰু আৰু সন্ত ৰূপত প্ৰকট হোৱা পৰমাত্মাহে জ্ঞানী অৰ্থাৎ অকল তেওঁহে সত্যজ্ঞানৰ জ্ঞাতা। যি সেই সদগুৰুৰ পৰা দীক্ষা লয়, তেওঁ ব্ৰহ্ম জ্ঞানী অৰ্থাৎ সত্য সাধকৰ সাধনা কৰে, সেই ভক্তি সাধনা ব্যৰ্থ নহয়, ইয়াৰ দ্বাৰা পূৰ্ণ মোক্ষ প্ৰাপ্ত হয় ।

বিশ্লেষণ ঃ- বিশ্নোই ধৰ্মৰ অনুবাদকৰ্তাই শব্দ নং ৫০ ৰ এই শাৰী অমৃত বাণীৰ ভাবাৰ্থ এনেদৰে কৰিছে ঃ-

*দিল-দিল আপ খুদাবন্দ জাগ্যো, সব দিল জাগ্যো সোঈ ।*
*জো জিন্দো হজ কাবে জাগ্যো, থলসিৰ জাগ্যো সোঈ ।।*

ভুল ভাৱাৰ্থ কৰিছে যে যিজন পৰমাত্মাই মহম্মদক কাবাত লগ কৰিছিল। সেই শ্ৰীসন্ত জম্ভেশ্বৰদেৱ সমৰাথলত আহিছিল। এনে অৰ্থ কৰা অনুচিত কাৰণ সন্ত জম্ভেশ্বৰদেৱৰ জন্ম পবিত্ৰ গাওঁ পীপাসৰত হৈছিল,তেওঁ তাত আগতে আহিছিল, সমৰাথলত পিছত হে গৈছিল, তাৰ পাছত লালাসৰত নিৰ্বাণ হৈছিল। প্ৰকৃত অৰ্থ ইতিপূৰ্বে লিখা হৈছে - সেইটোৱেই শুদ্ধ অৰ্থ। তথাপিও পৰমাত্মাই লগ কৰা সকলো আত্মা পূৰ্ণ সন্ত হয়, কিন্তু সত্য ভক্তি অধিকাৰী নহ'লে বা উচিত সময় নহালৈকে জ্ঞান নকয়। সন্ত জম্ভেশ্বৰদেৱে নিজে যি নাম জপ কৰিছিল, সেইটো বিশ্নোই ধৰ্মৰ আৰতি সংখ্যা ৮ ৰ প্ৰথম শাৰীত লিখা আছে- আৰতি - ৮ ঃ

"ওম শব্দ সোহংগ ধ্যাৱে ।প্ৰভু শব্দ সোহংগ ধ্যাৱৈ " কিন্তু এই মন্ত্ৰৰ জপ কেনেকৈ কৰা হয়, এই জ্ঞান গুৰু অবিহনে পোৱা নাযায়। সন্ত জম্ভেশ্বৰদেৱে নিজে ওপৰোক্ত মন্ত্ৰ জপ কৰিছিল, অন্যক কৈছিল -" বিষ্ণু-বিষ্ণু ভণ ৰে প্ৰাণী" অৰ্থাৎ বিষ্ণু বিষ্ণু জপ কৰা। কাৰণ যোগ্য শিষ্য নহ'লে এই মন্ত্ৰ দিয়া নহয়। আনটো কাৰণ হ'ল পৰমাত্মাই লগ কৰা সকলো সন্তকে এই মন্ত্ৰ গুপ্ত ৰাখিবলৈ কৈছিল যেতিয়ালৈকে কলিযুগ ৫৫০৫ বছৰ অতিবাহিত নহয়। ১৯৯৭ চনত কলিযুগ ৫৫০৫ বছৰ পাৰ হ'ল, এতিয়া এই মন্ত্ৰ দিব লাগে। এই মন্ত্ৰ দিবলৈকো পূৰ্ণ সন্তৰ প্ৰয়োজন আছে। এইদৰে শ্ৰীনানকদেৱে নিজে সেই নাম জপ কৰিছিল যি নাম বিশ্নোই ধৰ্মৰ আৰতি সংখ্যা ৮ ৰ প্ৰথম শাৰীত আছে। কিন্তু অন্য শিখসকলক "ৱাহে গুৰু-ৱাহে গুৰু" জপ কৰিবলৈ কৈছিল কাৰণ সেইটোৱেই আছিল যে এই মন্ত্ৰ কলিযুগ ৫৫০৫ বছৰ পাৰ নোহোৱালৈ গুপ্ত ৰাখিব লগা আছিল। এতিয়া এই মন্ত্ৰৰ জপ ঘৰে-ঘৰে হ'ব। এই দুটা আখৰৰ মন্ত্ৰক সতনাম বোলা হয়।

সন্ত ঘীচা দাসকো (গাওঁ- খেখড়া, জিলা-বাগপত, উত্তৰ প্ৰদেশ) পৰমাত্মাই জিন্দা ৰূপত প্ৰকট হৈ এই দুটা আখৰৰ নাম মন্ত্ৰ কৈছিল। তেওঁ নিজৰ বাণীত কৈছে ঃ-

*"ওহংগ সোহংগ জপলে ভাই । ৰাম নাম কী য়হী কমাই "।।*

সন্ত গৰীব দাস মহাৰাজকো (গাওঁ- ছুড়ানী, জিলা -ঝজ্জৰ, হৰিয়ানা) পৰমাত্মাই জিন্দা মহাত্মাৰ বেশত হাবিত লগ কৰিছিল। সন্ত গৰীব দাসৰ অমৃতবাণীত লিখা আছে যে তেওঁকো এই মন্ত্ৰ জপ কৰিবলৈ দিছিল। "ৰাম নাম জপ কৰ স্থিৰ হোই, ওঁ সোহং মন্ত্ৰ দোঈ "। কিন্তু গৰীবদাস দেবে বেলেগক এই মন্ত্ৰ জপ কৰিবলৈ নিদিলে। কেৱল এজন সন্তক দিলে, তেওঁকো সকীয়নি দিলে যে মাত্ৰ এজন বিশ্বাস যোগ্য শিষ্যক দিব- এইদৰে সেইজনেও মাত্ৰ এজন শিষ্যকহে দিব। এই পৰম্পৰাৰ পৰা এই মন্ত্ৰ কেৱল মোৰ পূজ্য গুৰুদেব সন্ত ৰামদেৱানন্দ মহাৰাজে পালে। তেওঁ আকৌ মোক দিলে আৰু ১৯৯৪ চনত মোক নামদীক্ষা দিবলৈ অধিকাৰ দিলে। ১৯৯৭ চনত পৰমাত্মাইয়ো মোক (সন্ত ৰামপাল দাসক)লগ কৰিলে, এই নাম (সতনাম) আৰু সাৰনাম দিয়াৰ আদেশ দিলে। বৰ্ত্তমান সময় মোক্ষ প্ৰাপ্তিৰ সৰ্বোত্তম সময়।

প্ৰশ্ন আছিল যে সদগ্ৰন্থত পৰমাত্মা কেনেকুৱা বুলি কৈছে।

উত্তৰঃ- এতিয়ালৈকে সদগ্ৰন্থ আৰু পৰমাত্মা প্ৰাপ্ত কেইজনমান মহাপুৰুষে দিয়া সংক্ষিপ্ত বিৱৰণ লিখা হ'ল ।

"সকলো সদগ্ৰন্থ আৰু পৰমাত্মা প্ৰাপ্ত সন্তৰ সাৰকথা "পৰমাত্মা সাকাৰ, নৰাকাৰ"।

পৰমাত্মাই লগ পোৱা সকলো সন্ত মহাত্মাই কোনো বিশেষ ধৰ্ম প্ৰৱৰ্ত্তন নকৰিলে। অৱেশ্য তেওঁলোকে আধ্যত্মিকতাৰ পুনৰুদ্ধাৰ কৰিলে আৰু যথাৰ্থ ভক্তিক পুনৰুজ্জীৱিত কৰাৰ চেষ্টা কৰিলে। কিন্তু সময়ৰ সোঁতত সেইটোৱে এটা ধৰ্ম অৰ্থাৎ সম্প্ৰদায়ৰ ৰূপ লয় তেনেকৈয়ে শিখ ধৰ্ম, বিশ্নোই ধৰ্ম অস্তিত্বলৈ আহিল। প্ৰথমতে এওঁলোক হিন্দু আছিল, কিন্তু হিন্দু ধৰ্মত সত্য সাধনা নথকাত পৰমাত্মাৰ পৰা প্ৰাপ্ত যথাৰ্থ জ্ঞানৰ আধাৰত এই মহাত্মা সকলে ভক্তি তথা ধাৰ্মিকতাক জনতাৰ মাজত প্ৰচাৰ কৰিলে যাৰ পৰা অনুগামী সকলৰ লাভ হ'ব ধৰিলে, মানুহে যাৰ পৰা অনুগামী সকলৰ লাভ হ'ব ধৰিলে, সেই মাৰ্গত যোগ দিলে। এনেদৰে শ-শ বছৰ পাৰ হ'ল। শিখ ধৰ্মৰ প্ৰবৰ্ত্তক গুৰু নানক দেব আৰু বিশ্নোই ধৰ্মৰ সংস্থাপক শ্ৰী সন্ত জম্ভেশ্বৰ সমসাময়িক আছিল। বৰ্তমান দুয়োটা ধৰ্মত সেই ভক্তি আৰু মৰ্যদা নোহোৱা হ'ল। ইয়াৰ পুনৰুত্থান মোৰ (সন্ত ৰামপালৰ) দ্বাৰা কৰি থকা হৈছে, সেই যথাৰ্থ ভক্তি আৰু মৰ্যদা পালন কৰোৱা হৈ আছে যিটো ওপৰোক্ত মহাপুৰুষে কৰিছিল আৰু আনকো কৰোৱাইছিল। ওপৰোক্ত মহাত্মাক সেই সময়ত বহুত মানুহে বিৰোধ কৰিলে, কথাও শুনালে।

কিন্তু সন্ত নিজৰ কথাত অচল থাকে কাৰণ তেওঁলোকে মানৱ জাতিৰ কল্যাণৰ বাবে জন্ম লয়। বৰ্ত্তমান মোৰ (সন্ত ৰামপালৰ) লগত কিমান অত্যাচাৰ আৰু অন্যায় হৈ আছে, কেনেদৰে বদনাম হৈ আছোঁ, কিন্তু সত্যক নাশ কৰিব নোৱাৰি । এই অধ্যাত্ম জ্ঞানৰ ধুমুহাক কোনেও বাধা দিব নোৱাৰে। ইতিমধ্যে সত্য আধ্যাত্ম জ্ঞানৰ বিস্ফোৰণ হৈ গৈছে ।

বিশ্নোই ধৰ্মৰ ভক্তি ঃ

প্ৰশ্ন ঃ- বিশ্নোই ধৰ্মত ভক্তি কেনেকুৱা ? ইয়াৰ প্ৰবৰ্ত্তক কোন ?

উত্তৰ ঃ শ্ৰীজম্বেশ্বৰ মহাৰাজ বিশ্নোই ধৰ্মৰ প্ৰৱৰ্ত্তক আছিল। তেওঁৰ জন্ম হৈছিল পীপাসৰ গাঁৱত, ৰাজস্থান, ভাৰতত। তেওঁৰ ভক্তি স্থল হ'ল সমৰাথল (ৰাজস্থান) আৰু নিৰ্বাণ স্থল - গাওঁ লালাসৰ (ৰাজস্থান)। তেওঁৰ নিৰ্বাণ স্থলক “মুকাম” বুলি কয়। (মুকামৰ অৰ্থ স্থান)

বিশ্নোই ধৰ্মত ভক্তি ঃ শ্ৰীজম্ভেশ্বৰদেৱক শ্ৰীবিষ্ণুৰ (সতগুণৰ) অৱতাৰ বুলি গণ্য কৰা হয়। এই কথা শ্ৰীজম্ভেশ্বৰদেৱে নিজৰ অমৃত বাণীত কৈছে ।

প্ৰমাণ ঃ শ্ৰীজম্ভেশ্বৰ দেৱৰ শব্দ বাণীৰ শব্দ সংখ্যা ৯৪, ৫৪, ৬৭, ১১৬ ।

শ্ৰীজম্ভেশ্বৰদেৱে আদেশ কৰিছে যে বিশ্নোই ধৰ্মত শ্ৰীবিষ্ণু আৰু শ্ৰীকৃষ্ণ দেৱৰ (যি শ্ৰীবিষ্ণু সতগুণৰ অৱতাৰ আছিল ) ভক্তি কৰিব লাগে। স্বৰ্গপ্ৰাপ্তি (বৈকুণ্ঠ বাস) বিশ্নোই ধৰ্মৰ ভক্তিৰ অন্তিম লাভ বুলি অমৃত বাণীত প্ৰমাণ আছে।

প্ৰমাণ ঃ-শব্দ বাণী সংখ্যা- ১৩, ১৪, ১৫, ২৩, ২৫,৩১, ৩৩, ৩৪, ৬৪, ৬৭, ৭৮, ৯৭, ৯৮, ১০২, ১১৯, ১২০ । ইয়াত শ্ৰীবিষ্ণুক সংসাৰৰ মূল শিপা অৰ্থাৎ পালন কৰোঁতা বোলা হৈছে ।

## “সদগুৰুৰ পৰা নাম দীক্ষা লৈ ভক্তি কৰক”

বাণী শব্দ সংখ্যা - ৩১

শ্ৰীজম্ভেশ্বৰ মহাৰাজৰ আদেশ আছে যে গুৰুৰ পৰা নাম লৈ ভক্তি কৰিলে লাভ হ'ব, প্ৰথমে গুৰুজনক পৰীক্ষা কৰি চাব লাগে, গুৰুৰ বাহিৰে অন্যত দান দিব নালাগে, দানৰ বাবে গুৰুৱেই সুপাত্ৰ, কুপাত্ৰত দান দিব নাপায়।

প্ৰমাণ ঃ-শব্দ বাণী সংখ্যা- ১, ২৩, ২৬, ২৯, ৩০, ৩৫, ৩৬, ৩৭, ৪০, ৪১, ৪৫, ৭৭, ৮৫, ৮৬, ৯০, ১০১, ১০৭, ১০৮, ১২০, ৫৬ ।

কুপাত্ৰত দান দিয়া ব্যৰ্থ ঃ- বিশেষ বিৱৰণ শব্দ বাণী সংখ্যা ৫৬ ত আছে। উল্লেখ আছে যে কুপাত্ৰত দান দিয়া আৰু আন্ধাৰ ৰাতি চোৰে চুৰি কৰিলৈ যোৱা একেই কথা আৰু সুপাত্ৰত দান দিয়া মানে সাৰুৱা মাটিত বীজ সিঁচাৰ সমান হয়। বিশ্নোই ধৰ্মত তীৰ্থযাত্ৰা, তীৰ্থস্নান, পিণ্ডদান আদি ক্ৰিয়াও নিষেধ আছে ।

প্ৰমাণ ঃ-শব্দ বাণী সংখ্যা ৫০

শ্ৰীজম্ভেশ্বৰ মহাৰাজক পৰমাত্মাই জিন্দাৰূপত সমৰাথল গাওঁত লগ কৰিছিল ।

প্ৰমাণ ঃ- শব্দ বাণী সংখ্যা -৫০, ৭২, ৯০ ।

বেদ শাস্ত্ৰত পূৰ্ণমোক্ষৰ পথ নাই ঃ- প্ৰমাণ শব্দ বাণী সংখ্যা ৫৯ ।

ভক্তি অবিহনে সকলো ৰাজ-পাট আৰু মহিমা ব্যৰ্থ ঃ-প্ৰমাণ বাণী সংখ্যা ৬০ ।

শ্ৰীৰামচন্দ্ৰই কিছুমান ভুল কৰিছিল । প্ৰমাণ ঃ- শব্দ বাণী সংখ্যা ৬২

গুৰুক বাদ দি শিষ্যক সন্মান কৰা (মহিমা) ভুল। প্ৰমাণ ঃ-শব্দ বাণী সংখ্যা ৭১

পৰমেশ্বৰ কবীৰ দেবেও কৈছে ঃ-

"গুৰু কো তজৈ ভজৈ জো আনা (অন্য)। তা পশুৰা কো ফোকট জ্ঞানা" ।।

বিশ্নোই ধৰ্মত স্বৰ্গ (বৈকুণ্ঠ) কে উত্তম (শ্ৰেষ্ঠ) লোক গণ্য কৰা হৈছে । প্ৰমাণ ঃ- শব্দ বাণী সংখ্যা- ৭৩, ১১৯, ৯৪।

## "হৰিয়াণাত হৰি আহিব"

শ্ৰীজম্ভেশ্বৰ দেৱৰ শব্দ বাণী সংখ্যা ১০২ ত লিখা আছেঃ-

"বিষ্ণু বিষ্ণু ভণ অজৰ জৰী জৈ, ধৰ্ম হুৱৈ পাপা ছুটিজৈ ।

হৰি পৰ হৰি কো নাম জপীজৈ, হিৰয়ালো, হৰি আন হৰ্ব, হৰি নাৰায়ণদেৱ নাৰু ।

আশা সাস নিৰাস ভইলো, পাইলো মোক্ষ দৱাৰ খিনু ।।

ভাৱাৰ্থ ঃ-ইয়াত উল্লেখ আছে "হৰিয়ালো হৰি আন হৰ্ব" ইয়াত "হৰিয়ালো" শব্দৰ অৰ্থ হৰিয়ানা হয়। সেই সময়ত হৰিয়ানা ৰাজ্য নাছিল, সেইবাবে "হৰিয়ালো" লিখা হৈছে। এই শাৰীৰ অৰ্থ হ'ল- "হৰি অৰ্থাৎ পৰমাত্মা হৰিয়ালো অৰ্থাৎ হৰিয়ানা প্ৰান্তত আহিব"। পৰমাত্মা, যাক নাৰায়ণ বোলা হয়, নৰ অৰ্থাৎ সাধাৰণ মানুহৰ ৰূপলৈ আহিব। সাধাৰণতে নাৰায়ণৰ অৰ্থ হৈছে জলৰ ওপৰত প্ৰকট হোৱাজন, তেওঁ মাত্ৰ পৰমেশ্বৰেই হয়। গতিকে পৰমাত্মাক নাৰায়ণ বোলা হয়। তেওঁৰ দ্বাৰা কোৱা জ্ঞানৰ দ্বাৰা নিৰাশাত ভোগা ভকতৰ মনত আশাৰ সঞ্চাৰ হ'ব আৰু মোক্ষৰ দুৱাৰ লাভ কৰিব। ভাবাৰ্থ হ'ল শাস্ত্ৰ বিৰুদ্ধ সাধনা কৰি সাধকে ভক্তি কৰিও একো লাভ পোৱা নাছিল, পৰমাত্মা হৰিয়ানাত আহিব, তেওঁ কোৱা শাস্ত্ৰানুকূল ভক্তিৰ সাধনা কৰিলে মোক্ষৰ দুৱাৰ লাভ হ'ব আৰু নিৰাশাগ্ৰস্ত সকলে আশা কৰিব পাৰিব যে ইয়াতো সুখ পাম আৰু পৰলোকতো সুখ পাম লগতে মোক্ষ লাভো নিশ্চয় হ'ব ।

বাণী ঃ- হৰি পৰ হীৰে কো নাম উপীজে । এই বাণীটো এনেদৰে পঢ়িব ঃ- হৰ পাল হৰি কো নাম জপীজৈ।

"শ্ৰী জম্ভেশ্বৰ দেৱৰো গুৰু আছিল " ( আগতে লিখা হৈছে )

প্ৰমাণ ঃ-শব্দ বাণী সংখ্যা ৯০.৯১, ৯২ ।

শব্দ সংখ্যা ৯০ ৰ গুৰু সম্বন্ধীয় বাণী-

গুৰু আসন সমৰাথলে । কহৈ সতগুৰু ভুল মত জাইয়ো পড়োলা অমৈ দোজখে ।

**শব্দ সংখ্যা ৯১ৰ কিছু অংশ ঃ-**

**মেৰে গুৰু জো দীহ্নী শিক্ষা, সৰ্ব আলিডগণ ফেৰী দীক্ষা ।**
**সতসত ভাখত গুৰু ৰায়ো জৰা মৰণ ভয় ভাগু ।।**

**প্ৰমাণৰ বাবে "গীতা তোমাৰ জ্ঞান অমৃত" ৰ সম্বন্ধী শ্ৰীমদ্ভাগৱত গীতাৰ কেইটামান অধ্যায় আৰু শ্লোক উদ্ধৃত কৰা হৈছে। এইখন শ্ৰী মদ্ভাগৱত গীতাৰ হিন্দী অনুবাদক হ'ল শ্ৰী জয়দয়াল গোয়ন্দকা, পুথি খন গীতা প্ৰেছ, গোৰখপুৰ, উত্তৰ প্ৰদেশৰ পৰা প্ৰকাশিত ।**

**(শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ১ ত গীতা জ্ঞান দাতাই কোৱা এটাও শ্লোক নাই। গতিকে এইটো বাদ দিয়া হৈছে ) শ্ৰীমদ্ভা গৱত গীতা অধ্যায়-২ ৰ কিছুমান শ্লোকৰ** অসমীয়া অনুবাদ ঃ-

অধ্যায় ঃ-২

**কথং,ভীষ্মম্, অহম্, সঙ্খ্যে, দ্ৰোণম, চ মধুসূদন,**
**ইষুভিঃ প্ৰতি য়্যোৎস্যামি, পূজাৰ্হৌ, অৰিসূদন ।।৪।।**
**তেতিয়া অৰ্জুনে ক'লে যে -**

| | |
|---|---|
| মদুসূধন = হে মধুসূদন | দ্ৰোণম = দ্ৰোণচাৰ্য্যৰ |
| অহম = মই | প্ৰতিয়োৎস্যামি = বিৰুদ্ধে যুঁজিম |
| সঙ্খ্যে = যুদ্ধত | (য়তঃ) = কাৰণ |
| কথম = কেনেকৈ | অৰিসূদন = হে অৰিসূদন |
| ইষুভি = শৰৰ দ্বাৰা | (তৌ) = তেওঁলোক দুয়ো |
| ভীষ্মম = ভীষ্ম পিতামহ | পূজাৰ্হৌ = পূজনীয় হয় । |
| চ = আৰু | |

**গুৰূন অহত্বা হি মহানুভাৱান শ্ৰেয়ঃ ভোক্তুম,**
**ভৈক্ষ্যম অপি ইহ লোকে হত্বা অৰ্থকামান তু**
**গুৰূন ইহ এৱ ভুঞ্জীয় ভোগান্ ৰুধিৰ প্ৰদিগ্ধান ।।৫।।**
**গতিকে এইসকল-**

| | |
|---|---|
| মহানুভাবান = মহানুভৱ | হি = কাৰণ |
| গুৰূণ = গুৰুসকলক | গুৰূন = গুৰুসকলক |
| অহত্বা = হত্যা নকৰাকৈ (মই) | হত্বা = হত্যা কৰি |
| ইহ = এই | অপি = ও |
| লোকে = সংসাৰত | ইহ = এই সংসাৰত |
| ভৈক্ষ্যম অপি=ভিক্ষা কৰা অন্ন হে | ৰুধিৰ প্ৰদিগ্ধান = তেজৰে ৰঞ্জিত |
| ভোক্তুম = খাবলৈ | অৰ্থকামান = সম্পতি আৰু ইচ্ছাৰূপী |
| শ্ৰেয় = শ্ৰেয় বুলি ভাবোঁ | ভোগান, এব = ভোগৰ সামগ্ৰীক |
| | তু = হে |
| | ভুঞ্জীয় = ভোগ কৰিম। |

**ন, চ, এতত বিদ্মঃ কতৰত, নঃ গৰীয়ঃ য়ত,**
**বা, জয়েম, যদি বা নঃ জয়েযুঃ য়ান এব হত্বা ন,**
**জিজীবিষামঃ তে অৱস্থিতাঃ প্ৰমুখে ধাৰ্তৰাষ্ট্ৰা ঃ ।।৬।।**

এতত = এইটো
চ = ও
ন = না
বিদ্মঃ = জানোঁ (যে)
নঃ=আমাৰ বাবে যুদ্ধ কৰা আৰু নকৰা এই
কতৰত্ = দুটাৰ ভিতৰত কোনটো
গৰীয় ঃ = শ্ৰেষ্ঠ হয়
য়ত, বা= অথবা (এইটো নাজানোঁ যে)
জয়েম = আমি তেওঁলোকক জিকিম
যদি বা = অথবা

নঃ = আমাক (তেওঁলোকে)
জয়েযুঃ = জিকিব (আৰু)
য়ান = যাক
হত্বা = মাৰি (আমি)
ন, জিজীবিষাম= জীয়াই থাকিবলৈও নিবিছাৰোঁ
তে = তেওঁলোক
এব = ও (আমাৰ আত্মীয়)
ধাৰ্তৰাষ্ট্ৰা = ধৃতৰাষ্ট্ৰৰ পুত্ৰ
প্ৰমুখে=আমাৰ সন্মুখত (সমৰত)
অৱিস্থতাঃ = থিয় দিছে ।

**কাৰ্পন্যদোষোপহতস্ব ভাৱ ঃ পৃচ্ছামি, ত্বাম, ধৰ্মসম্মূঢ়চেতাঃ,**
**য়ত শ্ৰেয়ঃ স্যাত নিশ্চিতম ব্ৰূহি তত মে শিষ্য ঃ,**
**তে অহম শাধি মাম ত্বাম প্ৰপন্নম ।। ৭।।**

কাৰ্পণ্য = কাৰ্পণ্য
দোষাপহত = দোষেৰে দূষিত হোৱা
স্বভাব = স্বভাৱৰ (আৰু)
ধৰ্মসম্মূঢ়চেতা = ধৰ্মৰ বিষয়ত মোহ গ্ৰস্ত চিত্তৰ (মই)
ত্বাম = আপোনাক
পৃচ্ছামি = সোধোঁ (যে)
য়ত = যি (সাধন)
নিশ্চিতম = নিশ্চিত
শ্ৰেয় = কল্যাণকাৰী
স্যাত = হয়

তত = সেইটো
মে = মোৰ বাবে
ব্ৰূহি = কোৱা (কাৰণ)
অহম = মই
তে = আপোনাৰ
শিষ্য = শিষ্য হওঁ (সেই কাৰণে)
ত্বাম = আপোনাৰ
প্ৰপন্নম= শৰণাগত হোৱা
মাম = মোক
শাধি = উপদেশ দিয়া ।

**ন, তু, এব, অহম জাতু ন, আসম, ন ত্বম, ন ইমে, জনাধিপাঃ,**
**ন, চ, এব, ন, ভবিষ্যামঃ সৰ্বে বয়ম অতঃ পৰম ।। ১২।।**

ন = নহয়
তু = কিন্তু
(এবম) = এনেকুৱা
এব = যে
অহম = মই
জাতু = কোনো কালত
ন আসম = নাছিলোঁ (অথবা)
ত্বম = তুমি
ন (আসীঃ)= নাছিলা (অথবা)

ইমে জনাধিপা ঃ= এই ৰজাসকল
ন, (আসন) = নাছিল
চ = আৰু
ন, এবম, এব= এনেকুৱাও নহয় যে
অতঃ = ইয়াৰ
পৰম = আগত
বয়ম = আমি
সৰ্বে = সকলো
ন ভবিষ্যাম = নাথাকিম।

**অবিনাশি তু তত্ বিদ্ধি য়েন সৰ্বম ইদম ততম,**
**বিনাশম অব্যয়স্য অস্য ন কশ্চিত কৰ্তুম অৰ্হতি ।।১৭।।**
**এই ন্যায়ৰ অনুসাৰে -**

অবিনাশী = অবিনাশী
তু, তত, বিদ্ধি= বুলি (তুমি) তেওঁক জানিবা
য়েন= যাৰ দ্বাৰা
ইদম, সৰ্বম= এই সম্পূৰ্ণ জগত (দৃশ্য বৰ্গ)
ততম = ব্যাপ্ত হৈছে,
অস্য অব্যয়স্য = এই অবিনাশীৰ
বিনাশ কৰ্তুম = বিনাশ কৰিবলৈ
কশ্চিত = কোনেও
ন, অৰ্হতি = সমৰ্থ নহয় ।

**ৱাসাংসি, জীৰ্ণানি, য়থা বিহায় নবানি, গৃহ্নাতি,**
**নৰঃ অপৰাণি তথা শৰীৰাণি বিহায় জীৰ্ণানি,**
**অন্যানি সংয়াতি নবানি দেহী ।।২২।।**

য়থা = যি দৰে
নৰঃ = মনুষ্যই
জীৰ্ণানি = পুৰণা
ৱাসাংসি = বস্ত্ৰ
বিহায় = ত্যাগ কৰি
অপৰাণি = অন্য
নবানি = নতুন (বস্ত্ৰ)
গৃহ্নাতি = ধাৰণ কৰে
তথা= সেইদৰেই
দেহী = জীৱাত্মাই
জীৰ্ণানি = পুৰণা তথা ব্যৰ্থ
শৰীৰাণি = শৰীৰক
বিহায় = ত্যাগ কৰি
অন্যানি = অন্য
নবানি = নতুন (শৰীৰ)
সংয়াতি = ধাৰণ কৰে ।

**জাতস্য, হি, ধ্ৰুৱঃ মৃত্যু, ধ্ৰুৱম, জন্ম, মৃতস্য, চ, তস্মাত,**
**অপৰিহাৰ্য়ে, অৰ্থে, ন, ত্বম, শোচিতুম, অৰ্হসি ।।২৭।।**

হি = কাৰণ (ইয়াৰ নিয়ম অনুসৰি)
জাতস্য = যি জন্ম লৈছে তাৰ
মৃত্যু = মৃত্যু
ধ্ৰুৱ = নিশ্চিত
চ = আৰু
মৃতস্য = মৃতকৰ
জন্ম = জন্মও
ধ্ৰুৱম = নিশ্চিত হয়
তস্মাত= তেনেক্ষেত্ৰত
অপৰিহাৰ্য়ে = উপায়বিহীন
অৰ্থে = বিষয়ত
ত্বম = তুমি
শোচিতুম = শোক কৰাটো
ন, অৰ্হসি = শোভা নাপায়।

**হতঃ, ৱা, প্ৰাপ্স্যসি, স্বৰ্গম্, জিত্বা, ৱা ভোক্ষ্যসে, মহীম্**
**তস্মাত,উত্তিষ্ঠ, কৌন্তেয়, য়ুদ্ধায়, কৃতনিশ্চয়ঃ ।।৩৭।।**

ৱা = হয় (তুমি যুদ্ধত)
হত = মৃত্যু বৰণ কৰি
স্বৰ্গম্ = স্বৰ্গলোক
প্ৰাপ্স্যসি = লাভ কৰিবা
ব = নহয় (সংগ্ৰামত)
জিত্বা = বিজয়ী হৈ
মহীম = পৃথিবীৰ ৰাজ্য
ভোক্ষ্যসে = ভোগ কৰিবা।
তস্মাত = সেই কাৰণে
কৌন্তেয় = হে কুন্তী পুত্ৰ (তুমি)
য়ুদ্ধায় = যুদ্ধ কৰিবলৈ
কৃতনিশ্চয়ঃ = নিশ্চয় কৰি
উত্তিষ্ঠ = উঠা,থিয় হোৱা।

**সুখ দুঃখে , সমে , কৃত্বা, লাভালাভৌ, জয়াজয়ৌ,**
**ততঃ, য়ুদ্ধায়, য়ুজ্যস্ব, ন, এৱম, পাপম, অবাপ্স্যসি ।। ৩৮।।**
**যদি তোমাৰ স্বৰ্গসুখ আৰু ৰাজ্যভোগৰ ইচ্ছা নাই, তেতিয়াও**

জয়াজয়ৌ = জয়-পৰাজয়
লাভালাভৌ = লাভ-হানি (আৰু)
সুখ দুঃখে = সুখ-দুঃখত
সমে = সমানভাৱে
কৃত্বা = ব্যৱহাৰ কৰি
ততঃ = তাৰ পাচত
য়ুদ্ধায় = যুদ্ধৰ বাবে
য়ুজ্যস্ব = সাজু হোৱা,
এৱম= এইদৰে (যুদ্ধ কৰিলে তুমি)
পাপম = পাপৰ
ন,অবাপ্স্যসি = ভাগী নহ'বা।

**য়াবান,অৰ্থঃ, উদপানে, সৰ্বতঃ সমপুতোদকে,**
**তাৱান, সৰ্বে,বেদেষু, ব্ৰাহ্মণস্য, বিজানতঃ ।।৪৬।।**

সৰ্বতঃ = সকলো ফালৰ পৰা
সমপুতোদকে = পৰিপূৰ্ণ জলাশয়
(প্ৰাপ্তে সতি) = প্ৰাপ্তি হোৱা পাছত
উদপানে = সৰু জলাশয়ত(মানুহৰ)
য়াবান= যিমান
অৰ্থঃ = প্ৰয়োজন
(অস্তি) = থাকে
বিজানতঃ = ব্ৰহ্মাক তত্বেৰে জনা
ব্ৰাহ্মণস্য = ব্ৰাহ্মণৰ
সৰ্বেষু = সমস্ত
বেদেষু = বেদত
তাৱান = সিমানেই প্ৰয়োজন থাকে।

**কৰ্মজম, বুদ্ধিয়ুক্তাঃ, হি , ফলম, ত্যক্ত্বা মনীষিণঃ**
**জন্মবন্ধৱিনি ৰ্মুক্তাঃ, পদম, গচ্ছন্তি অনাময়ম ।।৫১।।**

হি = কাৰণ
বুদ্ধিয়ুক্তাঃ = সমবুদ্ধিযুক্ত
মনীষিণঃ = জ্ঞানীজন
কৰ্মজম্ = কৰ্মৰ পৰা উৎপন্ন হোৱা
ফলম = ফল
ত্যক্ত্বা = ত্যাগ কৰি
জন্মবন্ধ = জন্মৰূপ বন্ধনৰ পৰা
বিনিৰ্মুক্তা= মুক্ত হৈ
অনাময়ম = নিৰ্বিকাৰ
পদম = পৰমপদক
গচ্ছন্তি = প্ৰাপ্ত হয়।

**শ্ৰুতিৱিপ্ৰতিপন্না, তে, য়দা, স্থাস্যতি, নিশ্চলা,**
**সমাধৌ, অচলা, বুদ্ধিঃ, তদা, য়োগম, অবাপ্স্যসি ।।৫৩।।**
**আৰু -**

শ্ৰুতিৱিপ্ৰতিপন্না = বিভিন্ন ধৰণৰ কথা শুনি বিচলিত হোৱা
তে = তোমাৰ
বুদ্ধি = বুদ্ধি
য়দা = যেতিয়া
সমাধৌ = পৰমাত্মাত
নিশ্চলা = অচল (আৰু)
অচলা = স্থিৰ
স্থাস্যতি = হৈ পৰিব
তদা = তেতিয়া (তুমি)
য়োগম = যোগ
অবাপ্স্যসি=প্ৰাপ্ত কৰিবা অৰ্থাৎ পৰমাত্মাৰ লগত তোমাৰ নিত্য সংযোগ হব।

**বিষয়াঃ, বিনিৰ্ৱৰ্তন্তে, নিৰাহাৰস্য, দেহিনঃ,**
**ৰসৰৰ্জম, ৰসঃ, অপি, অস্য, পৰম, দৃষ্টৰা, নিবৰ্ততে ।।৫৯।।**

নিৰাহাৰস্য=ইন্দ্ৰিয়ৰ দ্বাৰা বিষয় গ্ৰহণ নকৰা
দেহিন = পুৰুষৰ (মাত্ৰ)
বিষয়াঃ = বিষয় (হে)
বিনিৰ্ৱৰ্তন্তে = নিবৃত্তি হৈ যায়
(কিন্তু বিষয়ৰ প্ৰতি থকা)
ৰসৰৰ্জম = আসক্তি নিবৃত্তি নহয় ।

অস্য = এই স্থিতপ্ৰজ্ঞ পুৰুষৰ (কিন্তু)
ৰসঃ = আসক্তি
অপি = ও
পৰম = পৰমাত্মাৰ
দৃষ্টৰা = সাক্ষাতকাৰ কৰি
নিবৰ্ততে = নিবৃত্তি হয় ।

**শ্ৰীমদ্ভাগৱত গীতা অধ্যয় ৩ ৰ কিছুমান শ্লোকৰ ফটো কপি**
**অথ তৃতীয় অধ্যায় ঃ অৰ্জুন উৱাচ-**
**জ্যায়সী, চেত, কৰ্মণঃ তে মতা, বুদ্ধিঃ, জনাৰ্দন,**
**তত, কিম, কৰ্মনি, ঘোৰে, মাম, নিয়োজয়সি, কেশৱ ।। ১।।**
**এই কথাত অৰ্জুনে প্ৰশ্ন কৰিলে যে -**

জনাৰ্দন = হে জনাৰ্দন
চেত = যদি
তে = আপুনি
কৰ্মণ= কৰ্মৰ তুলনাত
বুদ্ধি = জ্ঞান
জ্যায়সী = শ্ৰেষ্ঠ
মতা = মানে

তত্ = তেতিয়াহ'লে
কেশৱ = হে কেশৱ
মাম = মোক
ঘোৰে = ঘোৰ (ভয়ংকৰ)
কৰ্মণি = কৰ্মত
কিম = কিয়
নিয়োজয়সি = নিয়োজিত কৰিছা ?

**ব্যমিশ্ৰেণ, ইৱ, বাক্যেন, বুদ্ধিম, মোহয়সি, ইৰ, মে**
**তত, একম, ৱদ, নিশ্চিত্য, যেন, শ্ৰেয়, অহম, আপ্নুয়াম ।।২।।**

ব্যমিশ্ৰেণ, ইৱ = অনেকাৰ্থক
বাক্যেন= বাক্যেৰে
মে, বুদ্ধিম = মোৰ বুদ্ধিক
মোহয়সি, ইব = যেন মোহিত কৰিছা
(সেইবাবে)
তত্, একম = সেই এটাই (কথা)

নিশ্চিত্য = নিশ্চয় কৰি
ৱদ = কোৱা
য়েন = যাৰ পৰা
অহম = মই
শ্ৰেয়= শ্ৰেষ্ঠ মঙ্গল
আপ্নুয়াম = লাভ কৰিম।

**লোকে, অস্মিন, দ্বিৰিধা, নিষ্ঠা, পুৰা, প্ৰোক্তা, ময়া, অনঘ,**
**জ্ঞানয়োগেন, সাঙ্খ্যানাম,কৰ্ময়োগেন,য়োগিনাম ।। ৩।।**
**এনেদৰে অৰ্জুনে সোধাত ভগৱান শ্ৰীকৃষ্ণ মহাৰাজে ক'লে-**

অনঘ = হে নিস্পাপ
অস্মিন = এই
লোকে = সংসাৰত
দ্বিৰিধা = দুই ধৰণৰ
নিষ্ঠা = নিষ্ঠা
পুৰা = আগতেই

প্ৰোক্তা = কৈছোঁ ।
সাঙ্খ্যানাম=সাঙ্খ্যযোগী সকলৰ (নিষ্ঠা)
জ্ঞানয়োগেন=জ্ঞানযোগেৰে (আৰু)
য়োগিনাম=যোগীসকলৰ (নিষ্ঠা)
কৰ্মযোগেন = কৰ্মযোগেৰে (হয়)

**ন, কৰ্মনাম, অনাৰম্ভাত, নৈষ্কৰ্ম্যম, পুৰুষঃ, অশ্নুতে,**
**ন,চ, সন্ন্যসনাত,এব, সিদ্ধিম, সমধিগচ্ছতি ।।৪।।**
**কিন্তু যি কোনো পন্থাৰ মতে কৰ্মক প্ৰকৃত পক্ষে ত্যাগ কৰা আৰশ্যকতা নাই , কাৰণ-**

ন = না
কৰ্মনাম = কৰ্ম
অনাৰম্ভাত = আৰম্ভ নকৰাকৈ
পুৰুষঃ = মানুহে
নৈষ্কৰ্ম্যম=নিষ্কৰ্মতাক (যোগ নিষ্ঠাক)
অশ্নুতে = প্ৰাপ্ত কৰিব পাৰে

চ = আৰু
ন = না
সন্ন্যসণাত = কেৱল কৰ্ম
এব = ত্যাগ কৰি
সিদ্ধিম = সিদ্ধি (সাঙ্খ্য নিষ্ঠাক )
সমধিগচ্ছতি = প্ৰাপ্ত কৰিব পাৰে

**ন, হি, কশ্চিত, ক্ষণম, অপি, জাতু, তিষ্ঠিতি, অকৰ্মকৃত,**
**কাৰ্য়তে, হি , অৱশঃ, কৰ্ম, সৰ্বঃ, প্ৰকৃতিজৈঃ, গুণৈঃ।। ৫।।**
**আৰু প্ৰকৃতপক্ষে কৰ্ম ত্যাগ কৰিবও নোৱাৰি**

হি = নিসন্দেহ
কশ্চিত = কোনেও
জাতু = কেতিয়াও
ক্ষণম = ক্ষণ-মাত্ৰ
অপি = ও
অকৰ্মকৃত = কৰ্ম নকৰাকৈ
তিষ্ঠতি = থাকিব
ন = নোৱাৰে,

হি = কাৰণ
সৰ্ব = সকলো মানুহ
প্ৰকৃতিজৈ=প্ৰকৃতিৰ পৰা উৎপন্ন হোৱা
গুণৈঃ = গুণৰ দ্বাৰা
অৱশঃ = বিবশ হৈ
কৰ্ম = কৰ্ম কৰিবলৈ
কাৰ্য়তে = বাধ্য হয়

**কৰ্মেন্দ্ৰিয়াণি, সংয়ম্য, য়ঃ, আস্তে, মনসা, স্মৰণ,**
**ইন্দ্ৰিয়াৰ্থান, বিমূঢ়াত্মা, মিথ্যাচাৰঃ, সঃ, উচ্চ্যতে ।। ৬।।**
**সেইবাবে -**

য় = যি
বিমূঢ়াত্মা = মূঢ়মতি মনুষ্যই
কৰ্মেন্দ্ৰিয়াণি =সকলো ইন্দ্ৰিয়ক ওপৰে ওপৰে
সংয়ম্য = বলেৰে দমন কৰি
মনসা = মনেৰে (সেই)

ইন্দ্ৰিয়াৰ্থান = ইন্দ্ৰিয়ৰ বিষয়ক
স্মৰন = স্মৰণ কৰি
আস্তে = থাকে
সঃ = তাক
মিথ্যাচাৰঃ = মিথ্যাচাৰী অৰ্থাৎ দম্ভী
উচ্চ্যতে = বোলা হয় ।

**য়ঃ, তু, ইন্দ্ৰিয়াণি, মনসা, নিয়ম্য, আৰভতে, অৰ্জুন,**
**কৰ্মেন্দ্ৰিয়ৈঃ, কৰ্ময়োগম, অসক্তঃ, সঃ, ৱিশিষ্যতে ।। ৭।।**

তু = কিন্তু
অৰ্জুন = হে অৰ্জুন
য় = যি (পুৰুষে)
মনসা = মনৰ দ্বাৰা
ইন্দ্ৰিয়াণি = ইন্দ্ৰিয় সমূহক
নিয়ম্য = বশ কৰি

অসক্তঃ = অনাসক্ত হৈ
কৰ্মেন্দ্ৰিয়ৈঃ=সকলো কৰ্মেন্দ্ৰিয়ৰ দ্বাৰা
কৰ্ময়োগম = কৰ্মযোগৰ
আৰভতে=আচৰণ কৰে (আৰম্ভ কৰে)
সঃ = তেওঁৰেই
বিশিষ্যতে = বিশিষ্ট (শ্ৰেষ্ঠ) হয়।

**নিয়তম, কুৰু, কৰ্ম, ত্বম, কৰ্ম, জ্যায়ঃ, হি, অকৰ্মণঃ,**
**শৰীৰয়াত্ৰা, অপি, চ, তে, ন, প্ৰসিদ্ধ্যেত, অকৰ্মণ ।। ৮।।**
**সেইকাৰণে -**

ত্বম = তুমি
নিয়তম = শাস্ত্ৰবিহিত
কৰ্ম = কৰ্তব্য কৰ্ম
কুৰু = কৰা,
হি = কাৰণ
অকৰ্মণঃ = কৰ্ম নকৰাতকৈ
কৰ্ম = কৰ্ম কৰাটো

জ্যায়ঃ = শ্ৰেষ্ঠ
চ = আৰু
অকৰ্মণঃ = কৰ্ম নকৰাকৈ
তে = তোমাৰ
শৰীৰয়াত্ৰা = শৰীৰ-নিৰ্বাহ
অপি = ও
প্ৰসিদ্ধ্যেত = সিদ্ধি (সফল)
ন = নহয় ।

**য়জ্ঞাৰ্থাৎ, কৰ্মণঃ, অন্যত্ৰ, লোকঃ, অয়ম, কৰ্মবন্ধনঃ,**
**তদৰ্থম, কৰ্মকৌন্তেয়, মুক্তসঙ্গঃ, সমাচৰ ।। ৯ ।।**

য়জ্ঞাৰ্থাত = যজ্ঞৰ নিমিত্তে কৰা
কৰ্মণঃ = কৰ্মৰ বাহিৰে
অন্যত্ৰ = অন্য কৰ্মত লিপ্ত
অয়ম = এই
লোকঃ = সকলো লোক
কৰ্মবন্ধনঃ = কৰ্মৰ দ্বাৰা বান্ধ খায়,সেইকাৰণে

কৌন্তেয় = হে অৰ্জুন (তুমি)
মুক্ত সঙ্গঃ = আসক্তি মুক্ত হৈ
তদৰ্থম = সেই যজ্ঞৰ নিমিত্তেই
কৰ্ম = (ভালদৰে) কৰ্তব্য কৰ্ম
সমাচৰ = কৰা ।

**সহয়জ্ঞাঃ, প্ৰজাঃ, সৃষ্টৱা, পুৰা, উৱাচ, প্ৰজাপতিঃ,**
**অনেন, প্ৰসৱিষ্যধ্বম, এষঃ, ৱঃ, অস্তু, ইষ্টকামধুক ।। ১০।।**

প্ৰজাপতিঃ = প্ৰজাপতি ব্ৰহ্মাই
পুৰা = কল্পৰ আদিতে (পূৰ্বতেই)
সহয়জ্ঞাঃ = যজ্ঞেৰে সৈতে
প্ৰজাঃ = প্ৰজাসকলক
সৃষ্টৱা = সৃষ্টি কৰি (তেওঁলোকক)
উৱাচ = ক'লে (যে)

(য়ুয়ম) = তোমালোক
অনেন = এই যজ্ঞৰ দ্বাৰা
প্ৰসৱিষ্যধ্বম = সমৃদ্ধ হোৱা (আৰু)
এষঃ বঃ = এই যজ্ঞই তোমালোকক
ইষ্টকামধুক = ইচ্ছা কৰা ফল প্ৰদান
অস্তু = কৰিব

**দেৱান, ভাৱয়ত, অনেন, তে, দেৱাঃ, ভাৱয়ন্তু ৱঃ,**
**পৰস্পৰম, ভাৱয়ন্তঃ, য়ে,ঃ, পৰম, অৱাপ্স্যথ ।। ১১।।**

অনেন = এই যজ্ঞৰ দ্বাৰা
দেৱান = দেৱতাসকলক
ভাৱয়ত = উন্নত কৰা (আৰু)
তে = সেই
দেৱাঃ = দেৱতাসকলে
বঃ = তোমালোকক
ভাৱয়ন্তু = উন্নত কৰিব,

(এৱম)=এইদৰে (নিস্বাৰ্থভাৱে)
পৰস্পৰম = এটাই আনটোক
ভাৱয়ন্ত ঃ = উন্নত কৰি
(য়ুয়ম) = তোমালোকে
পৰম = পৰম
শ্ৰেয়ঃ = মঙ্গল
অবাপ্স্যথ = লাভ কৰিবা

**ইষ্টান, ভোগান, হি, ৰঃ, দেৱাঃ, দাস্যন্তে, য়জ্ঞভাৱিতাঃ,**
**তৈঃ, দত্তান, অপ্ৰদায়, এভ্যঃ, য়ঃ, ভুঙ্ক্তে, স্তেনঃ, এৱ, সঃ ।। ১২।।**

য়জ্ঞভাৱিতাঃ = যজ্ঞেৰে উন্নত হোৱা
দেৱাঃ = দেৱতাসকলে
বঃ = তোমালোকক
ইষ্টান = ইচ্ছা কৰামতে
ভোগান = ভোগ সমূহ
হি = নিশ্চয়েই
দাস্যন্তে = দি থাকিব (এইদৰে)
তৈঃ = সেই দেৱতাসকলৰ দ্বাৰা

দত্তান=দিয়া ভোগৰ বস্তু সমূহ
য়ঃ=যি সকলে
এভ্যঃ=এওঁলোকক (দেৱতাসকলক)
অপ্ৰদায়= আগনবঢ়োৱাকৈ
ভুঙক্তে = ভোগ কৰে
সঃ = তেওঁলোক
স্তেনঃ = চোৰ
এব = নিশ্চয় হয় ।

**য়জ্ঞশিষ্টাশিনঃ,সন্তঃ, মুচ্যন্তে, সৰ্বকিল্বিষৈঃ ,**
**ভুঞ্জতে, তে, তু, অঘম, পাপাঃ, য়ে, পচন্তি, আত্মাকাৰণাত ।। ১৩।।**

য়জ্ঞশিষ্টাশিনঃ=যজ্ঞৰ ৰাহি অন্ন খোৱা
সন্তঃ = শ্ৰেষ্ঠ পুৰুষ
সৰ্বকিলি্বিষৈঃ=সকলো পাপৰ পৰা
মুচ্যন্তে = মুক্ত হয় (আৰু)
য়ে = যি
পাপাঃ = পাপীসকলে

আত্মাকাৰণাত=নিজৰ শৰীৰৰ ধাৰণ পোষণৰ বাবেহে
পচন্তি = (ভোজন) তৈয়াৰ কৰে
তে = তেওঁলোকে
তু = কিন্তু
অঘম = পাপ (হে)
ভুঞ্জতে = খায় ।

**অন্নাত, ভৱন্তি, ভূতানি, পৰ্জন্যাত্ অন্ন সম্ভৱঃ,**
**য়জ্ঞাত, ভৱতি, পৰ্জন্যঃ, য়জ্ঞঃ কৰ্ম সমুদ্ভৱঃ ।। ১৪।।**
**কৰ্ম, ব্ৰহ্মোদ্ভৱম, বিদ্ধি, ব্ৰহ্ম, অক্ষৰ সমুদ্ধৱম,**
**তস্মাত, সৰ্বগতম, ব্ৰহ্ম, নিত্যম, য়জ্ঞে, প্ৰতিষ্ঠিতম ।। ১৫।। কাৰণ -**

ভূতানি = সম্পূৰ্ণ প্ৰাণী
অন্নাত = অন্নৰ পৰা
ভৱন্তি = উৎপন্ন হয়,
অন্ন সম্ভৱঃ = অন্নৰ উৎপত্তি
পৰ্জৰ্নগত = বৰ্ষাৰ পৰা হয়,
পৰ্জন্যঃ = বৰ্ষা
য়জ্ঞাত = যজ্ঞ সম্পন্ন কৰিলে
ভৱতি = হয় (আৰু)
য়জ্ঞঃ = যজ্ঞ
কৰ্মসমুদ্ভৱঃ = বিহিত কৰ্মৰ পৰা উৎপন্ন হয়
কৰ্ম = সকলো কৰ্ম (তুমি)

ব্ৰহ্মোদ্ভৱম=বেদৰ পৰা উৎপন্ন (আৰু)
ব্ৰহ্ম = বেদ
অক্ষৰ সমুদ্ভৱম=অবিনাশী পৰমাত্মাৰ পৰা উৎপন্ন হোৱা বুলি
বিদ্ধি = জানিবা ।
তস্মাৎ = এতেকে (প্ৰমাণ হয় যে)
সৰ্বগতম = সৰ্বব্যাপী
ব্ৰহ্ম = পৰম অক্ষৰ পৰমাত্মা
নিত্যম = নিত্য
য়জ্ঞে = যজ্ঞত
প্ৰতিষ্ঠিতম = স্থিত আছে ।

**এৱম, প্রৱর্তিতম, চক্রম, ন, অনুৱর্তয়তি, ইহ, য়ঃ,**
**অঘায়ু, ইন্দ্রিয়াৰামঃ, মোঘম, পার্থ, সঃ, জীৱতি ।। ১৬।।**

পার্থ = হে পার্থ
য় = যি সকলে
ইহ = এই সংসাৰত
এৱম=এইদৰে (পৰম্পৰাগতভাৱে)
প্রৱর্তিতম = প্রচলিত
চক্রম = সৃষ্টি চক্রৰ
ন, অনুবর্তয়তি=অনুকূল ব্যৱহাৰ নকৰে
অর্থাৎ কর্তব্য পালন নকৰে
সঃ = সেই
ইন্দ্রিয়াৰামঃ=ইন্দ্রিয়াসক্ত হৈ
ভোগত লিপ্ত
অঘায়ু = পাপী সকল
মোঘম = বৃথাই
জীৱতি = জীয়াই থাকে।

**তস্মাৎ, অসক্তঃ, সততম, কার্য়ম, কর্ম, সমাচৰ,**
**অসক্তঃ, হি, আচৰণ, কর্ম , পৰম, আপ্নোতি, পুৰুষঃ।। ১৯।।**

তস্মাৎ = সেইকাৰণে (তুমি)
সততম = নিৰন্তৰ
অসক্তঃ = অনাসক্ত হৈ (সদায়)
কার্য়ম, কর্ম = কর্তব্যকর্ম
সমাচৰ = ভালদৰে কৰি যোৱা।
হি = কাৰণ
অসক্তঃ = অনাসক্ত হৈ
কর্ম = কর্ম
আচৰণ = আচৰণ কৰি
পুৰুষঃ = মানুহে
পৰম = পৰমেশ্বৰ
আপ্নোতি = প্রাপ্ত কৰে ।

**য়দি, হি, অহম, ন, বর্তেয়ম, জাতু, কর্মণি, অতন্দ্রিতঃ,**
**মম, ৱৰ্ত্ম, অনুৱর্তন্তে, মনুষ্যাঃ, পার্থ, সর্বশঃ।। ২৩।।**

হি = কাৰণ
পার্থ = হে পার্থ
য়দি = যদি
জাতু = কেতিয়াবা
অহম = মই
অতন্দ্রিত = সাৱধানেৰে
কর্মণি = কর্ম
ন = না
বর্তেয়ম=কৰোঁ (তেতিয়া ডাঙৰ
হানি হয় কাৰণ)
মনুষ্যাঃ = মানুহে
সর্বশঃ = সকলো প্রকাৰে
মম = মোৰেই
বর্ত্ম = পথ
অনুবর্তন্তে = অনুসৰণ কৰিব

**ন , বুদ্ধিভেদম, জনয়েত, অজ্ঞানাম, কর্মসঙ্গিনাম,**
**জোষয়েত সর্বকর্মাণি, বিদ্বান, য়ুক্তঃ সমাচৰণ ।। ২৬।।**
**আৰু**

য়ুক্তঃ = পৰমাত্মাৰ স্বৰূপত স্থিৰভাৱে
স্থিত হোৱা
বিদ্বান= জ্ঞানী পুৰুষৰ
(কৰ্ত্তব্য এই যে তেওঁলোকে)
কর্মসঙ্গিনাম = শাস্ত্র বিহিত কর্মত আসক্ত
অজ্ঞানাম = অজ্ঞানীসকলৰ
বুদ্ধিভেদম=বুদ্ধিত ভ্রম অর্থাৎ কর্মত অশ্রদ্ধা
ন জনয়েত=উৎপন্ন কৰিব নালাগে।
(কিন্তু স্বয়ং)
সর্বকর্মাণি = শাস্ত্র বিহিত সকলো কর্ম
সমাচৰণ = ভালদৰে কৰি
(তেওঁলোকৰ দ্বাৰাও সেইটো)
জোষয়েত = কৰাব লাগে।

**য়ে, মে, মতম, ইদম,নিত্যম, অনুতিষ্ঠন্তি,মানৱাঃ,**

**শ্ৰদ্ধাৱন্তঃ, অনুসুয়ন্তঃ, মুচ্যন্তে, তে অপি, কৰ্মভিঃ ।। ৩১।।**

**আৰু হে অৰ্জুন -**

য়ে = যি সকল
মানৱাঃ = মানুহে
অনুসুয়ন্তঃ = দৃষ্টিদোষ ৰহিত (আৰু)
শ্ৰদ্ধাৱন্তঃ = শ্ৰদ্ধাযুক্ত হৈ
মে = মোৰ
ইদম = এই

মতম = মত
নিত্যম = সদায়
অনুতিষ্ঠন্তি = অনুসৰণ কৰে
তে = তেওঁলোক
অপি = ও
কৰ্মভিঃ = সম্পূৰ্ণ কৰ্মবন্ধনৰ পৰা
মুচ্যন্তে = মুক্ত হয় ।

**শ্ৰেয়াণ, স্বৰ্ধমঃ, বিগুণঃ, পৰধৰ্মাত, স্বনুষ্ঠিতাত,**

**স্বধৰ্মে, নিধনম, শ্ৰেয়ঃ, পৰধৰ্মঃ, ভয়াবহঃ।। ৩৫।।**

**সেইকাৰণে সেই দুটাক জয় কৰি সাৱধানেৰে স্বধৰ্মৰ আচৰণ কৰিব**

**কাৰণ -**

স্বনুষ্ঠিতাত = সুঅনুষ্ঠিত
পৰধৰ্মাত = আনৰ ধৰ্মতকৈ
বিগুণঃ = দোষযুক্ত হ'লেও
স্বধৰ্মঃ = নিজৰ ধৰ্মই
শ্ৰেয়াণ = অতি উত্তম হয়।

স্বধৰ্মে = নিজৰ ধৰ্মত থাকি
নিধনম = মৰা (ও)
শ্ৰেয়ঃ = কল্যাণকাৰী হয় (আৰু)
পৰধৰ্মঃ = আনৰ ধৰ্ম
ভয়াবহঃ = ভয়াবহ হয়।

**ইন্দ্ৰিয়াণি, পৰাণি, আহুঃ, ইন্দ্ৰিয়েভ্যঃ,পৰম মনঃ,**

**মনসঃ,তু , পৰা, বুদ্ধিঃ, য়ঃ, বুদ্ধেঃ, পৰতঃ, তু, সঃ ।। ৪২।।**

**আৰু যদি তুমি ভাবা যে ইন্দ্ৰিয় সমূহক দমন কৰি কামৰূপী শত্ৰুক মাৰিবলৈ মোৰ শক্তি নাই, সেয়া তোমাৰ ভুল হ'ব**

**কাৰণ-**

ইন্দ্ৰিয়াণি = ইন্দ্ৰিয়বিলাক স্থূল শৰীৰতকৈ
পৰাণি = শ্ৰেষ্ঠ বলবান আৰু সুক্ষ্ম (বুলি)
আহুঃ = কোৱা হয় ,
ইন্দ্ৰিয়েভ্যঃ = এই ইন্দ্ৰিয় বোৰতকৈ
পৰম = শ্ৰেষ্ঠ
মনঃ = মন হয়,
মনসঃ = মনতকৈ
তু = ও

পৰা = শ্ৰেষ্ঠ
বুদ্ধিঃ = বুদ্ধি হয়
তু = আৰু
য়ঃ = যি
বুদ্ধেঃ = বুদ্ধিতকৈ (ও)
পৰতঃ = অত্যন্ত শ্ৰেষ্ঠ
সঃ = সেয়া আত্মা হয়।

**এৱম, বুদ্ধেঃ, পৰম, বুদ্ধৱা, সংস্তভ্য, আত্মানম, আত্মানা,**
**জহি, শত্ৰুম, মহাবাহো, কামৰূপম, দুৰাসদম।। ৪৩।।**

এৱম = এই প্ৰকাৰে
বুদ্ধেঃ = বুদ্ধিতকৈ
পৰম = পৰ অৰ্থাৎ সুক্ষ্ম, বলবান আৰু অত্যন্ত শ্ৰেষ্ঠ আত্মাক
বুদধ্বা = বোধ কৰি (জানিলৈ) (আৰু)
আত্মানা = বুদ্ধিৰ দ্বাৰা
আত্মানম = মনটো
সংস্তভ্য = বশ কৰি
মহাবাহো = হে মহাবাহু (তুমি এই)
কামৰূপম = কামৰূপী
দুৰাসদম = দুৰ্জয়
শত্ৰুম = শত্ৰুক
জহি = মাৰি পেলোৱা।

**শ্ৰীমদভাগৱত গীতা অধ্যায় ৪ শ্লোকৰ ফটো কপিঃ- অথ চৰ্তুথ অধ্যায়ঃ**

**ইমম, ৱিৱস্বতে, য়োগম, প্ৰোক্তৱান, অহম, অব্যয়ম,**
**ৱিৱস্বান, মনৱে, প্ৰাহ, মনুঃ, ইক্ষৱাকৱে, অব্ৰ ৱীত।। ১।।**
**ইয়াৰ পাছত শ্ৰীভগৱানে ক'লে, হে অৰ্জুন -**

অহম = মই
ইমম = এই
অব্যয়ম = অবিনাশী
য়োগম = যোগ
ৱিৱস্বতে = সূৰ্যক
প্ৰোক্তৱান = কৈছিলো,
ৱিৱস্বান = সূৰ্যই (নিজৰ পুত্ৰ)
মনৱে = মনুক
প্ৰাহ = কলে (আৰু)
মনুঃ = মনুৱে (নিজৰ পুত্ৰ)
ইক্ষ্বাকৱে = ৰজা ইক্ষাকুক
অব্ৰ ৱীত = কলে ।

**এৱম, পৰম্পৰাপ্ৰাপ্তম, ইমম, ৰাজৰ্ষয়ঃ, ৱিদুঃ,**
**সঃ,কালেন, ইহ, মহতা, য়োগঃ নষ্টঃ পৰন্তপ।। ২।।**

পৰন্তপ = হে পৰন্তপ অৰ্জুন
এৱম= এইদৰে
পৰম্পৰাপ্ৰাপ্তম = পৰম্পৰাৰে প্ৰাপ্ত
ইমম = এই যোগক
ৰাজৰ্ষয়ঃ = ৰাজৰ্ষি সকলে
বিদুঃ = জানিলে
সঃ= সেই
যোগঃ = যোগ
মহতা = বহু
কালেন = কালৰে পৰা (অতীততে)
ইহ = এই পৃথিৱী লোকত
নষ্টঃ = নষ্ট হ'ল ।

**সঃ, এৱ, অয়ম, ময়া, তে, অদ্য, য়োগঃ, প্ৰোক্তঃ, পুৰাতমঃ,**
**ভক্তঃ, অসি, মে, সখা, চ, ইতি, ৰহস্যম, হি, এতত, উত্তমম ।।৩।।**

(ত্বম) = তুমি
মে = মোৰ
ভক্তঃ = ভক্ত
চ = আৰু
সখা= প্ৰিয় সখা
অসি = হয় ,
ইতি = সেইবাবে
সঃ এৱ = সেইটোৱেই
অয়ম = এই
পুৰাতনঃ = অত্যন্ত প্ৰাচীন
য়োগঃ = যোগ
অদ্য = আজি
ময়া = মই
তে= তোমাক
প্ৰোক্তঃ = কৈছোঁ,
হি = কাৰণ
এতত = এইটো
উত্তমম = অতি উত্তম
ৰহস্যম্=ৰহস্য অৰ্থাৎ গোপনে ৰাখিব লগীয়া বিষয় হয়।

**অপৰম, ভৱতঃ, জন্ম, পৰম, জন্ম, ৱিৱস্বতঃ,**

**কথম, এতত, ৱিজানীয়াম, ত্বম, আদৌ, প্ৰোক্তৱান, ইতি।।৪।।**

**ভগৱানৰ এই কথা শুনি অৰ্জুনে কলে- হে ভগৱান**

ভৱতঃ= আপোনাৰ

জন্ম = জন্ম

অপৰম = অৰ্বাচীন- এতিয়া হৈছে

ৱিৱস্বতঃ = সূৰ্যৰ

জন্ম = জন্ম

পৰম = বহুত আগৰ (তেন্তে মই)

ইতি = এই কথা

কথম = কেনেকৈ

বিজানীয়াম = বুজিম (যে)

ত্বম = আপুনিয়েই

আদৌ = আদিতে (সূৰ্যক)

এতত = এই যোগ

প্ৰোক্তৱান = কৈছিল ?

**বহুনি, মে, ব্যতীতানি, জন্মানি, তব,চ, অৰ্জুন,**

**তানি,অহম, বেদ, সৰ্বাণি, ন, ত্বম, বেত্থ, পৰন্তপ ।।৫।।**

**এই কথা শুনি শ্ৰীভগৱানে ক'লে -**

পৰন্তপ = হে পৰন্তপ

অৰ্জুন = অৰ্জুন

মে = মোৰ

চ = আৰু

তৱ = তোমাৰ

বহুনি= বহুতো

জন্মানি = জন্ম

ব্যতীতানি = ব্যতিত হৈ গল

তানি = সেই

সৰ্বাণি = সকলোবোৰ

ত্বম = তুমি

ন= না

বেত্থ = জানা (কিন্তু)

অহম = মই

বেদ = জানোঁ।

**অজঃ, অপি, সন, অব্যয়াত্মা, ভূতানাম, ঈশ্বৰঃ, অপি,সন,**

**প্ৰকৃতিম, স্বাম, অধিষ্ঠায়, সম্ভৱামি, আত্মমায়য়া ।। ৬।।**

**আৰু মোৰ জন্ম সৰ্বসাধাৰণ মানুহৰ দৰে নহয় -**

(অহম) = মই

অজঃ = অজন্মা (আৰু)

অব্যয়াত্মা = অবিনাশীস্বৰূপ

সন, অপি = হ'লেও (আৰু)

ভূতানাম = সমস্ত প্ৰাণীবোৰৰ

ঈশ্বৰঃ = ঈশ্বৰ

সন, অপি = হ'লেও

স্বাম = নিজৰ

প্ৰকৃতিম = প্ৰকৃতিক

অধিষ্ঠায় = অধীন কৰি

আত্মমায়য়া = নিজৰ যোগমায়াৰে

সম্ভৱামি = প্ৰকট হৈছোঁ।

**য়দা, য়দা, হি ধৰ্ম্যস্য, গনিঃ, ভৱতি, ভাৰত,**

**অভ্যুত্থানম, অধৰ্মস্য, তদা, আত্মানম, সৃজামি, অহম ।।৭।।**

ভাৰত = হে ভাৰত
য়দা,য়দা = য'তে, যেতিয়াই
ধৰ্মস্য = ধৰ্মৰ
গনিঃ = হানি, পতন (আৰু)
অধৰ্মস্য = অধৰ্মৰ
অভ্যুত্থানম = বৃদ্ধি
ভৱতি = হয়

তদা, হি = সেই সময়তে
অহম = মই
আত্মানম = নিজৰ ৰূপক
সৃজামি=সৃজন কৰোঁ, অৰ্থাৎ সাকাৰ ৰূপেৰে মানুহৰ আগত প্ৰকট হওঁ।

**পৰিত্ৰাণায়, সাধুনাম, বিনাশায়, চ, দুষ্কৃতাম,**
**ধৰ্মসংস্থাপনাৰ্থায়, সম্ভৱামি, যুগে, যুগে ।। ৮।।**

**কাৰণ -**

সাধুনাম = সাধু পুৰুষক
পৰিত্ৰাণায় = উদ্ধাৰ কৰিবলৈ
দুষ্কৃতাম = দুষ্টক (পাপকৰ্ম কৰা)
বিনাশায় = বিনাশ কৰিবলৈ

চ = আৰু
ধৰ্মসংস্থাপনাৰ্থায় = ধৰ্মক সংস্থাপন কৰিবলৈ (মই)
যুগে-যুগে = যুগে-যুগে
সম্ভৱামি = প্ৰকট হওঁ।

**জন্ম, কৰ্ম, চ, মে, দিব্যম, এৱম, য়ঃ, ৱেত্তি, তত্ত্বতঃ,**
**ত্যক্তৱা, দেহম, পুনঃ, জন্ম, ন, এতি ,মাম, এতি, সঃ, অৰ্জুন ।। ৯।।**

**সেইবাবে-**

অৰ্জুন = হে অৰ্জুন
মে = মোৰ
জন্ম = জন্ম
চ = আৰু
কৰ্ম = কৰ্ম
দিব্যম=দিব্য অৰ্থাৎ অলৌকিক হয়
এৱম = এইদৰে
য়ঃ = যি মনুষ্যই
তত্ত্বতঃ = তত্ত্বেৰে

বেত্তি = জানে
সঃ = তেওঁ
দেহম = শৰীৰ
ত্যক্তৱা = ত্যাগ কৰি
পুনঃ = পুনৰ
জন্ম = জন্ম
ন, এতি = প্ৰাপ্ত নকৰে (কিন্তু)
মাম = মোকেই
এতি = প্ৰাপ্ত কৰে

**ৱীতৰাগ ভয় ক্ৰোধাঃ, মন্ময়াঃ, মাম, উপাশ্ৰিতাঃ,**
**বহৱঃ, জ্ঞানতপসা, পূতাঃ, মদ্ভাৱম, আগতাঃ।। ১০।।**

**আৰু হে অৰ্জুন আগতেও -**

ৱীতৰাগ-ভয়ক্ৰোধাঃ=যাৰ ৰাগ, ভয় আৰু ক্ৰোধ সম্পূৰ্ণ ভাবে নষ্ট হৈ গৈছিল (আৰু)
মন্ময়াঃ=যি মোতেই অনন্য প্ৰেমেৰে স্থিত হৈছিল (তেনেকুৱা)
মাম = মোৰ

উপাশ্ৰিতাঃ = আশ্ৰয় গ্ৰহণ কৰা
বহৱঃ=বহুতো ভক্তই (উল্লিখিত)
জ্ঞান তপসা=জ্ঞানৰূপী তপস্যাৰে
পূতাঃ=পবিত্ৰ হৈ
মদ্ভাৱম=মোৰ স্বৰূপ
আগতাঃ = লাভ কৰিছিল।

**য়ে, য়থা, মাম, প্ৰপদ্যন্তে, তান, তথা, এৱ, ভজামি, অহম,**
**মম, বৰ্ত্ম, অনুবৰ্তন্তে, মনুষ্যাঃ পাৰ্থ, সৰ্ৱশঃ ।। ১১।।**

**কাৰণ -**

পাৰ্থ = হে অৰ্জুন
য়ে = যি ভক্তই
মাম = মোক
য়থা= যিভাৱেৰে
প্ৰপদ্যন্তে = ভজে
অহম = ময়ো
তান = তেওঁক
তথা, এব = সেইভাবেই
ভজামি = ভজোঁ , (কাৰণ)
মনুষ্যাঃ = সকলো মনুষ্যই
সৰ্ৱশঃ = সকলো প্ৰকাৰে
মম = মোৰেই
ৱৰ্ত্ম = মাৰ্গক
অনুবৰ্তন্তে = অনুসৰণ কৰে ।

**কাঙ্ক্ষন্তঃ, কৰ্মনাম, সিদ্ধিম, য়জন্তে, ইহ, দেৱতাঃ,**
**ক্ষিপ্ৰম, হি, মানুষে, লোকে, সিদ্ধিঃ, ভৱতি, কৰ্মজা ।। ১২।।**

**যি সকলে মোক তত্ত্বেৰে নাজানে, তেওঁলোক -**

ইহ = এই
মানুষে = মনুষ্য
লোকে = লোকত
কৰ্মনাম = কৰ্ম
সিদ্ধিম = ফল
কাংক্ষন্তঃ = খোজাসকলে
দেৱতাঃ = দেৱতাসকলৰ
য়জন্তে = পূজা কৰে
হি = কাৰণ (তেওলোকৰ)
কৰ্মজা=কৰ্মসমূহৰ পৰা উৎপন্ন হোৱা
সিদ্ধিঃ = সিদ্ধি (লাভ)
ক্ষিপ্ৰম = সোনকালে
ভবতি = হয়।

**চাতুৰ্ৱৰ্ণ্যম, ময়া , সৃষ্টম, গুণ কৰ্ম ৱিভাগশঃ,**
**তস্য, কৰ্তাৰম, অপি, মাম, বিদ্ধি, অকৰ্তাৰম, অব্যয়ম ।। ১৩।।**

**আৰু হে অৰ্জুন**

চাতুৰ্ৱৰ্ণ্যম = ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰি বৰ্ণসমূহ
গুণকৰ্ম = গুণ কৰ্মৰ
ৱিভাগশঃ = বিভাগ অনুসাৰে
ময়া = মোৰ দ্বাৰা
সৃষ্টম = সৃষ্টি হৈছে (এইদৰে)
তস্য = সেই সৃষ্টি ৰচনা কৰ্মৰ
কৰ্তাৰম, অপি = কৰ্তা হ'লেও
মাম = মোক (অৰ্থাৎ)
অব্যয়ম=অবিনাশী পৰমেশ্বৰক (তুমি প্ৰকৃততে)
অকৰ্তাৰম,বিদ্ধি=অৰ্কতা জানিবা।

**ন, মাম, কৰ্মাণি, লিম্পন্তি, ন, মে, কৰ্মফলে, স্পৃহা,**
**ইতি, মাম, য়ঃ, অভিজানাতি, কৰ্মভিঃ, ন, সঃ, বধ্যতে ।। ১৪।।**

**কাৰণ -**

কৰ্মফলে = কৰ্মফলত
মে = মোৰ
স্পৃহা = স্পৃহা
ন = নাই (সেইবাবে)
মাম = মোক
কৰ্মাণি = কৰ্মবোৰে
ন, লিম্পন্তি = লিপ্ত নকৰে
ইতি = এইদৰে
য়ঃ = যি
মাম = মোক
অভিজানাতি = তত্ত্বেৰে জানে
সঃ = তেওঁ
কৰ্মভিঃ = কৰ্মৰ দ্বাৰা
ন,বধ্যতে = বান্ধ নাখায় ।

**এৱম, জ্ঞাত্বা, কৃতম, কৰ্ম, পূৰ্বৈঃ অপি, মুমু ক্ষুভিঃ**
**কুৰু, কৰ্ম, এৱ, তস্মাত, ত্বম, পূৰ্বৈঃ, পূৰ্বতৰম, কৃতম ।। ১৫।।**
**আৰু**

| | |
|---|---|
| পূৰ্বৈঃ = পূৰ্ব কালৰ | তস্মাত = সেইবাবে |
| মুমুক্ষুভি অপি = মুমুক্ষু সকলেও | ত্বম = তুমিও |
| এৱম = এইদৰে | পূৰ্বৈঃ = পূৰ্বপুৰুষৰ দ্বাৰা |
| জ্ঞাত্বা = জানি | পূৰ্বতৰম, কৃতম = সদায় কৰি অহা |
| কৰ্ম = কৰ্ম | কৰ্ম, এৱ = কৰ্মকে |
| কৃতম = কৰিলে | কুৰু = কৰা। |

**কিম, কৰ্ম, কিম, অকৰ্ম, ইতি, কৱয়ঃ, অপি, অত্ৰ, মোহিতাঃ,**
**তত, তে, কৰ্ম, প্ৰৱক্ষ্যামি, য়ত, জ্ঞাত্বা, মোক্ষ্যসে, অশুভাত।। ১৬।।**
**কিন্তু-**

| | |
|---|---|
| কৰ্ম = কৰ্ম | ত্‌ত = সেই |
| কিম = কি? (আৰু) | কৰ্ম = কৰ্মতত্ত্ব (মই) |
| অকৰ্ম = অকৰ্ম | তে = তোমাক |
| কিম = কি? | প্ৰৱক্ষ্যামি =ভালদৰে বুজাই কম |
| ইতি = এইদৰে (ইয়াৰ) | য়ত = যাক |
| অত্ৰ = নিৰ্ণয় কৰাত | জ্ঞাত্বা = জানি (তুমি) |
| কৱয়ঃ অপি=বুদ্ধিমান পুৰুষ সকলো | অশুভাত=অশুভৰ পৰা/কৰ্মবন্ধনৰ পৰা |
| মোহিতাঃ=মোহিত হয় (সেইকাৰণে) | মোক্ষ্যসে = মুক্ত হ'বা। |

**কৰ্মণঃ হি, অপি, বোদ্ধব্যম, বোদ্ধব্যম, চ, বিকৰ্মণঃ**
**অকৰ্মণঃ, চ, বোদ্ধব্যম, গহনা, কৰ্মণঃ, গতিঃ ।। ১৭।।**

| | |
|---|---|
| কৰ্মণঃ,অপি = কৰ্মৰ স্বৰূপো | বিকৰ্মণঃ = বিকৰ্মৰ স্বৰূপো |
| বোদ্ধব্যম = জানিব লাগে | বোাদ্দব্যম = জানিব লাগে , |
| চ = আৰু | হি = কাৰণ |
| অকৰ্মণঃ = অকৰ্মৰ স্বৰূপো | কৰ্মণঃ = কৰ্মৰ |
| বোদ্ধব্যম = জানিব লাগে | গতিঃ = গতি |
| চ = আৰু | গহনা=অতি দুৰূহ (ব্যাখ্যা কৰিবলৈ টান)। |

**কৰ্মণি, অকৰ্ম, য়ঃ, পশ্যেত, অকৰ্মণি, চ, কৰ্ম, য়ঃ,**
**সঃ, বুদ্ধিমান, মনুষ্যেষু, সঃ, য়ুক্তঃ, কৃৎস্ন কৰ্মকৃত ।। ১৮।।**

| | |
|---|---|
| য়ঃ = যি মানুহে | কৰ্ম = কৰ্ম (দেখা পায়) |
| কৰ্মণি = কৰ্মতো | সঃ = তেওঁ |
| অকৰ্ম = অকৰ্ম | মনুষ্যেষু = মানুহৰ মাজত |
| পশ্যেত = দেখা পায় | বুদ্ধিমান=বুদ্ধিমান হয় (আৰু) |
| চ = আৰু | সঃ = সেই |
| য় = যি | য়ুক্ত = যোগী |
| অকৰ্মণি = অকৰ্মতো | কৃৎস্নকৰ্মকৃত = সৰ্বকৰ্মকাৰী হয়। |

**য়স্য, সৰ্বে, সমাৰম্ভাঃ, কমসংকল্পৰৰ্জিতাঃ,**
**জ্ঞানাগ্নিদগ্ধকৰ্মাণম, তম, আহুঃ, পণ্ডিতম, বুধাঃ।। ১৯।।**

**আৰু হে অৰ্জুন**

য়স্য = যাৰ
সৰ্বে = সকলো (শাস্ত্ৰসন্মত)
সম্াৰম্ভাঃ = কৰ্ম, (প্ৰচেষ্টা)
কামসংকল্প ৱৰ্জিতা=কামনা হীন আৰু
সংকল্প ৱৰ্জিত হয়

জ্ঞানাগ্নিদগ্ধ কৰ্মাণম=যাৰ সকলো
কৰ্ম জ্ঞানৰ অগ্নিৰ দ্বাৰা দগ্ধ হৈছে
তম = সেই মহাপুৰুষক
বুধাঃ = জ্ঞানীসকলেও
পণ্ডিতম, আহু = পণ্ডিত কয়।

**ত্যক্তৱা, কৰ্মফলাসঙ্গম, নিত্যতৃপ্ত, নিৰাশ্ৰয়ঃ**
**কৰ্মণি, অভিপ্ৰবৃত্তঃ, অপি, ন, এৱ, কিঞ্চিৎ, কৰোতি, সঃ ।। ২০।।**

কৰ্মফলাসঙ্গম = সমস্ত কৰ্মত আৰু তাৰ
ফলত(সদায়) আসক্তি
ত্যক্তৱা = ত্যাগ কৰি
নিৰাশ্ৰয়ঃ = সংসাৰৰ আশ্ৰয়ৰ পৰা
ৰহিত হৈছে (আৰু)
নিত্যতৃপ্ত = পৰমাত্মাত নিত্য তৃপ্ত হৈ থাকে

সঃ = তেওঁ
কৰ্মণি = কৰ্মত
অভিপ্ৰবৃত্তঃ অপি=বেছিকৈ
প্ৰবৃত্ত হৈও (প্ৰকৃততে)
কিঞ্চিৎ, এৱ=একোৱেই
ন, কৰোতি = নকৰে।

**নিৰাশীঃ, য়তচিত্তাত্মা, ত্যক্ত সৰ্ব পৰিগ্ৰহঃ,**
**শাৰীৰম,কেৱলম, কৰ্ম, কুৰ্বন, আপ্নোতি, কিল্বিষম।। ২১।।**

**আৰু -**

য়তচিত্তাত্মা=যিয়ে অন্তঃকৰণ আৰু সকলো
ইন্দ্ৰিয়ৰ সৈতে শৰীৰক জিনিছে
(আৰু)
ত্যক্তসৰ্ৱপৰিগ্ৰহঃ=যিয়ে সমস্ত ভোগৰ সামগ্ৰী
ত্যাগ কৰিছে (এনে)
নিৰাশীঃ = আশাৰহিত পুৰুযে

কেৱলম = কেৱল
শাৰীৰম = শৰীৰ সম্বন্ধি
কৰ্ম = কৰ্ম
কুৰ্বণ = কৰি যাওঁতে
কিল্বিষম = পাপ
আপ্নোতি = প্ৰাপ্তি নকৰে।

**য়দৃচ্ছালাভসন্তুষ্টঃ, দ্বন্দ্বাতীতঃ, বিমৎসৰঃ,**
**সমঃ, সিদ্ধৌ, অসিদ্ধৌ, চ, কৃত্বা, অপি, ন, নিবধ্যতে ।। ২২।।**

**আৰু**

য়দৃচ্ছালাভ সন্তুষ্টঃ = যি অপ্ৰয়াসে লাভ কৰা
দ্ৰব্যত সন্তুষ্ট থাকে,
বিমৎসৰঃ = যি সদায় ঈৰ্ষাবৰ্জিত
দ্বন্দ্বাতীতঃ=যি হৰ্ষ-শোক আদি দ্বন্দ্বৰ পৰা
অতীত হৈ থাকে (এনকুৰা)

সিদ্ধৌ = সিদ্ধি
চ = আৰু
অসিদ্ধৌ = অসিদ্ধিত
সমঃ = সমভাৱাপন্ন কৰ্মযোগী
কৃত্বা, অপি =(কৰ্ম )কৰি থাকিও
ন, নিবধ্যতে = বন্ধন প্ৰাপ্ত নহয়।

**গতসঙ্গস্য, মুক্তস্য, জ্ঞানাৱস্থিত চেতসঃ,**
**য়জ্ঞায়, আচৰতঃ, কৰ্ম, সমগ্ৰম, প্ৰৱিলীয়তে ।। ২৩।। কাৰণ -**

গতসঙ্গস্য=যাৰ আসক্তি সৰ্বথা নষ্ট হৈছে
মুক্তস্য = যি দেহাভিমান আৰু মমতা ৰহিত হৈছে,
জ্ঞানাৱস্থিত = যাৰ চিত্ত নিৰন্তৰ
চেতসঃ = পৰমাত্মাৰ জ্ঞানত স্থিত হয়
(এনেকৈ কেৱল)
য়জ্ঞায় = যজ্ঞ সম্পাদনৰ বাবে (কৰ্ম)
আচৰত = কৰা মানুহৰ
সমগ্ৰম = সম্পূৰ্ণ
কৰ্ম = কৰ্ম
প্ৰৱিলীয়তে = সৰ্ম্পূৰূপে লয় পায়।

**ব্ৰহ্ম, অৰ্পণন, ব্ৰহ্ম, হবিঃ, ব্ৰহ্মাগ্নৌ, ব্ৰহ্মণা, হুতম,**
**ব্ৰহ্ম, এৱ, তেন, গন্তব্যম, ব্ৰহ্মকৰ্মসমাধিনা।। ২৪।।**
**সেই যজ্ঞৰ বাবে আচৰণ কৰা পুৰুষসকলৰ কিছুমানে**
**এই ভাৱেৰে যজ্ঞ কৰে যে -**

অৰ্পণম = (যি যজ্ঞত) অৰ্পণ অৰ্থাৎ শ্ৰুৱ আদিও
ব্ৰহ্ম = ব্ৰহ্ম হয় (আৰু)
হবিঃ = হোমৰ যোগ্য দ্ৰব্যও
ব্ৰহ্ম = ব্ৰহ্ম (আৰু)
ব্ৰহ্মণা = ব্ৰহ্মৰূপী কৰ্তাৰ দ্বাৰা
ব্ৰহ্মাগ্নৌ = ব্ৰহ্মৰূপী অগ্নিত
হুতম=আহুতি দিয়াৰ দৰে ক্ৰিয়াও ব্ৰহ্ম হয়
তেন = সেই
ব্ৰহ্মকৰ্ম সমাধিনা=ব্ৰহ্মকৰ্মত স্থিত থকা যোগীৰ দ্বাৰা
গন্তব্যম=প্ৰাপ্ত কৰিবৰ যোগ্য ফলো
ব্ৰহ্ম, এব = ব্ৰহ্মই হয়।

**দৈৱম, এৱ, অপৰে,য়জ্ঞম, য়োগিনঃ, পৰ্যুপাসতে,**
**ব্ৰহ্মাগ্নৌ, অপৰে, য়জ্ঞম, য়জ্ঞেন, এৱ উপজুহ্বতি।। ২৫।।**

অপৰে = আন
য়োগিনঃ = যোগীসকলে
দৈৱম = দেৱতাসকলৰো পূজা স্বৰূপ
য়জ্ঞম, এব = যজ্ঞৰেই
পৰ্যুপাসতে = যথাবিহিত অনুষ্ঠান কৰে
অপৰে = অন্যই (যোগীসকলে)
ব্ৰহ্মাগ্নৌ = পৰব্ৰহ্ম পৰমাত্মাৰূপ অগ্নিত (অভেদ দৰ্শনৰূপী)
য়জ্ঞেন, এব = যজ্ঞৰ দ্বাৰাই
য়জ্ঞম = আত্মৰূপ যজ্ঞৰ
উপজুহহ্বতি = হৱন কৰে।

**শ্ৰোত্ৰাদীনি, ইন্দ্ৰিয়াণি, অন্যে, সংয়মাগ্নিষু, জুহ্বতি,**
**শব্দাদীন, ৱিষয়ান, অন্যে, ইন্দ্ৰিয়াগ্নিষু, জুহ্বতি ।। ২৬।।**

অন্যে = অন্যই (যোগীসকলে)
শ্ৰোতাদীনি = শ্ৰৱণ আদি
ইন্দ্ৰিয়াণি = সকলো ইন্দ্ৰিয়ক
সংয়মাগ্নিষু = সংযম ৰূপ অগ্নিত
জুহ্বতি = হৱন কৰে (আৰু)
অন্যে = আন (যোগীসকলে)
শব্দাদীন = শব্দাদি
বিষয়ান = বিষয় সমূহক
ইন্দ্ৰিয়াগ্নিষু = ইন্দ্ৰিয়ৰূপ অগ্নিত
জুহ্বতি = হৱন কৰে ।

**সৰ্বাণি,ইন্দ্ৰিয়কৰ্মাণি, প্ৰাণকৰ্মাণি, চ, অপৰে,**
**আত্মসংয়ময়োগাগ্নৌ, জুহ্বতি, জ্ঞান দীপিতে ।।২৭।।**

| | |
|---|---|
| অপৰে = আন (যোগীজনে) | জ্ঞানদীপিতে = জ্ঞানেৰে প্ৰকাশিত |
| সৰ্বাণি = ইন্দ্ৰিয়ৰ সম্পূৰ্ণ | আত্মসংয়ময়োগাগ্নৌ=আত্মসংযম যোগ স্বৰূপ অগ্নিত |
| ইন্দ্ৰিয়কৰ্মাণি = ক্ৰিয়াবোৰ | জুহ্বতি = হোম কৰে । |
| চ = আৰু | |
| প্ৰাণ কৰ্মাণি = প্ৰাণৰো সকলো ক্ৰিয়া | |

**দ্ৰব্যয়জ্ঞাঃ, তপোয়জ্ঞাঃ, য়োগয়জ্ঞাঃ, তথা, অপৰে,**
**স্বাধ্যায়জ্ঞানয়জ্ঞাঃ, চ, য়তয়, সংশিত ব্ৰতাঃ ।।২৮।।**

| | |
|---|---|
| অপৰে = কোনোবা | চ = আৰু (কোনোবা) |
| দ্ৰৱয়জ্ঞাঃ = দ্ৰব্যযজ্ঞ পৰায়ণ (কোনোবা) | সংশিত ব্ৰতাঃ = অহিংসাদি কঠোৰ ব্ৰতধাৰী |
| তপোয়জ্ঞাঃ = তপোযজ্ঞ পৰায়ণ | য়তয় = যত্নশীল পুৰুষ |
| তথা = আৰু (আন কোনোবা) | স্বাধ্যায়জ্ঞানয়জ্ঞাঃ=স্বাধ্যায়ৰূপ জ্ঞান যজ্ঞ পৰায়ণ হয়। |
| য়োগয়জ্ঞাঃ = যোগযজ্ঞ পৰায়ণ | |

**অপানে, জুহ্বতি,প্ৰাণম, প্ৰাণে, অপনাম, তথা, অপৰে,**
**প্ৰাণাপানগতি, ৰুদ্ধা, প্ৰাণায়মপৰায়ণাঃ।। ২৯ ।।**
**অপৰে,নিয়তাহাৰাঃ, প্ৰাণান, প্ৰাণে-ষু, জুহ্বতি,**
**সৰ্বে, অপি, এতে, য়জ্ঞবিদঃ, য়জ্ঞক্ষপিতকল্মষাঃ ।। ৩০ ।।**

| | |
|---|---|
| অপৰে = আনে (যোগীসকলে) | প্ৰাণাপানগতী=প্ৰাণ আৰু অপানৰ গতিক |
| অপানে = অপান বায়ুত | ৰুদ্ধা = ৰুদ্ধ কৰি |
| প্ৰাণম = প্ৰাণবায়ুক | প্ৰাণাণ = প্ৰাণক |
| জুহ্বতি = হৰন কৰে | প্ৰাণেষু = প্ৰাণতেই |
| তথা = এইদৰে (আন যোগী সকলে) | জুহ্বতি = হোম কৰে । |
| প্ৰাণে = প্ৰাণ বায়ুত | এতে = এই |
| অপানম=অপান বায়ুক হৰন কৰে (আৰু) | সৰ্বে, অপি = সকলো (সাধক) |
| অপৰে = অন্য (কোনোবা) | যজ্ঞক্ষপিত কল্মযাঃ=যজ্ঞৰ দ্বাৰা পাপৰ নাশ কৰিব পৰা (আৰু) |
| নিয়তাহাৰাঃ= নিয়মিত আহাৰ কৰা | য়জ্ঞবিদঃ = যজ্ঞৰ বিষয়ে জ্ঞাত হয় |
| প্ৰাণায়াম পৰায়ণাঃ= প্ৰাণায়াম পৰায়ণ পুৰুষে | |

**য়জ্ঞশিষ্টামৃতভুজঃ, য়ান্তি, ব্ৰহ্ম, সনাতনম,**
**ন, অয়ম, লোকঃ, অস্তি, অয়জ্ঞস্য, কুতঃ, অন্যঃ, কুৰুসত্তম।। ৩১।।**

| | |
|---|---|
| কুৰুসত্তম = হে কুৰুশ্ৰেষ্ঠ অৰ্জুন | অয়জ্ঞস্য = যজ্ঞ নকৰা পুৰুষৰ বাবে |
| য়জ্ঞশিষ্টামৃতভুজঃ=যজ্ঞৰ অৱশিষ্ট অমৃত ভোজনকাৰী (যোগীজন) | অয়ম = এই |
| সনাতনম= সনাতন | লোকঃ=মনুষ্যলোকো (সুখদায়ক) |
| ব্ৰহ্ম = পৰব্ৰহ্ম পৰমাত্মাক | ন, অস্তি = নহয় (আকৌ) |
| য়ান্তি= প্ৰাপ্তি হয় (আৰু) | অন্যঃ= পৰলোক |
| | কুতঃ= কেনেকৈ (সুখদায়ক হ’ব পাৰে)? |

**এৱম, বহুৱিধাঃ, য়জ্ঞাঃ, বিততাঃ, ব্ৰহ্মণঃ, মুখে,**
**কৰ্মজান, বিদ্ধি, তান, সৰ্বান, এৱম, জ্ঞাত্বা, বিমোক্ষ্যসে ।। ৩২।।**

এৱম = এইদৰে (আৰু)
বহুৱিধাঃ= বহুবিধ
য়জ্ঞাঃ= যজ্ঞ
ব্ৰহ্মণঃ= বেদৰ
মুখে= বাণীত
বিততা= বিস্তৃতভাৱে আছে
তান = সেই
সৰ্বান= সমস্ত কৰ্মক (তুমি)
কৰ্মজান= মন, ইন্দ্ৰিয় আৰু শৰীৰৰ ক্ৰিয়াৰ দ্বাৰা সম্পন্ন হোৱা বুলি
বিদ্ধি = জানিবা,
এৱম = এইদৰে (তত্ত্বেৰে)
জ্ঞাত্বা = জানি (এইবোৰৰ অনুষ্ঠানৰ দ্বাৰা তুমি কৰ্মবন্ধনৰ পৰা সৰ্বথা)
বিমোক্ষ্যসে= মুক্ত হৈ যাবা।

**শ্ৰেয়ান, দ্ৰব্যময়াত, য়জ্ঞাত, জ্ঞানয়জ্ঞঃ,পৰন্তপ,**
**সৰ্বম, কৰ্ম, অখিলম, পাৰ্থ, জ্ঞানে, পৰিসমাপ্যতে ।।৩৩ ।।**

পৰন্তপ, পাৰ্থ= হে পৰন্তপ অৰ্জুন
দ্ৰব্যময়াত = দ্ৰব্যময়
য়জ্ঞাত = যজ্ঞতকৈ
জ্ঞানয়জ্ঞঃ = জ্ঞানযজ্ঞ
শ্ৰেয়াণ= অত্যন্ত শ্ৰেষ্ঠ হয় (আৰু)
অখিলম = সম্পূৰ্ণৰূপে
সৰ্বম = সকলো
কৰ্ম = কৰ্ম
জ্ঞানে = জ্ঞানত
পৰিসমাপ্যতে = সমাপ্ত হয় ।

**তত, বিদ্ধি, প্ৰণিপাতেন, পৰিপ্ৰশ্নেন, সেৱয়া,**
**উপদেক্ষ্যন্তি ,তে, জ্ঞানম, জ্ঞানিনঃ, তত্ত্বদৰ্শিনঃ ।।৩৪।।**

তত্= সেই জ্ঞানক (তুমি তত্ত্বদৰ্শী জ্ঞানীৰ ওচৰত গৈ)
বিদ্ধি = বুজি পোৱা, (তেওঁক)
প্ৰণিপাতেন=যথাবিহিত সাষ্টাঙ্গ প্ৰণাম কৰিলে, (তেওঁৰ)
সেৱয়া=সেৱা কৰিলে আৰু কপট এৰি
পৰিপ্ৰশ্নেন=সৰলতাপূৰ্বক প্ৰশ্ন কৰিলে
তে = সেই
তত্ত্বদৰ্শিনঃ=পৰমাত্মা তত্ত্বৰ যথাবিহিত জ্ঞান থকা
জ্ঞাণিনঃ= জ্ঞানী মহাত্মাই( তোমাক সেই)
জ্ঞানম = তত্ত্বজ্ঞানৰ
উপদেক্ষ্যন্তি = উপদেশ দিব ।

**য়ত, জ্ঞাত্বা, ন, পুনঃ, মোহম, এৱম, য়াস্যসি, পাণ্ডৱ,**
**য়েন, ভূতানি, অশেষেণ, দ্ৰক্ষ্যসি, আত্মনি, অথো, ময়ি ।। ৩৫।।**

য়ত = যাক
জ্ঞাত্বা = জানি
পুনঃ = পুনৰ (তুমি)
এৱম = এই প্ৰকাৰৰ
মোহম = মোহক
ন, য়াস্যসি = প্ৰাপ্ত নহ'বা আৰু
পাণ্ডৱ = হে অৰ্জুন
য়েন = যি জ্ঞানৰ দ্বাৰা (তুমি)
ভূতানি = সম্পূৰ্ণ প্ৰাণীক
অশেষেণ = নিঃশেষ ভাৱেৰে (প্ৰথমে)
আত্মনি = নিজতেই (আৰু)
অথো = তাৰ পাচত
ময়ি=মোত(মইসচিদানন্দ ঘন পৰমাত্মাত)
দ্ৰক্ষ্যসি = দেখিবা।

**অপি, চেত, অসি, পাপেভ্যঃ, সৰ্বেভ্যঃ, পাপকৃত্তমঃ,**
**সৰ্বম, জ্ঞানপ্লৱেণ, এৱ, বৃজিনম, সন্তৰিষ্যসি ।। ৩৬।।**

চেত = যদিও (তুমি অন্য)
সৰ্বেভ্যঃ = সকলো
পাপেভ্যঃ,অপি = পাপীতকৈও
পাপকৃত্তমঃ = অধিক পাপ কৰা
অসি = হয় (তথাপিও তুমি)
জ্ঞান প্লৱেণ = জ্ঞান ৰূপ নৌকাৰ দ্বাৰা
এৱ = নিঃসন্দেহ
সৰ্বম = সম্পূৰ্ণ
বৃজিনম = পাপ সমুদ্ৰৰ পৰা
সন্তৰিষ্যসি = সহজে পাৰ হৈ যাবা ।

**য়থা, এধাংসি, সমিদ্ধঃ, অগ্নিঃ, ভস্মসাত, কুৰুতে, অৰ্জুন,**
**জ্ঞানাগ্নিঃ, সৰ্বকৰ্মাৰ্ণি, ভস্মসাত, কুৰুতে, তথা ।। ৩৭।।**
**কাৰণ -**

অৰ্জুন = হে অৰ্জুন
য়থা = যি দৰে
সমিদ্ধঃ = প্ৰজ্বলিত
অগ্নিঃ = অগ্নিয়ে
এধাংসি = ইন্ধনক
ভস্মসাত = ভস্মময়
কুৰুতে = কৰে
তথা = সেইদৰেই
জ্ঞানাগ্নিঃ = জ্ঞানৰূপ অগ্নিয়ে
সৰ্বকৰ্মাণি = সকলো কৰ্মক
ভস্মসাত = ভস্মসাত
কুৰুতে = কৰে ।

**ন, হি, জ্ঞানেন, সদৃশম, পবিত্ৰম, ইহ, বিদ্যতে,**
**তত, স্বয়ম, য়োগসংসিদ্ধঃ, কালেন, আত্মনি, বিন্দতি ।। ৩৮।।**
**সেইবাবেই -**

ইহ= এই সংসাৰত
জ্ঞানেন, সদৃশম = জ্ঞানৰ সদৃশ
পৱিত্ৰম = পৱিত্ৰকাৰী
হি = নিঃসন্দেহ (একোৱেই)
ন, বিদ্যতে = নাই
তত = সেই জ্ঞানক
কালেন = কালক্ৰমত
যোগসংসিদ্ধঃ = কৰ্মযোগৰ দ্বাৰা হোৱা শুদ্ধ অন্তঃকৰণৰ মানুহে
স্বয়ম = নিজেই
আত্মনি = আত্মাত
বিন্দতি = উপলব্ধি কৰে

**শ্ৰদ্ধাৱান, লভতে, জ্ঞানম, তৎপৰঃ, সংয়তেন্দ্ৰিয়ঃ,**
**জ্ঞানম, লব্ধৱা, পৰম, শান্তিম, অচিৰেণ, অধিগচ্ছতি ।।৩৯।।**
**আৰু হে অৰ্জুন -**

সংয়তেন্দ্ৰিয়ঃ = জিতেন্দ্ৰিয়
তৎপৰঃ = সাধন পৰায়ণ (আৰু)
শ্ৰদ্ধাৱান = শ্ৰদ্ধাৱান মনুষ্যই
জ্ঞানম = জ্ঞান
লভতে = প্ৰাপ্ত কৰে (আৰু)
জ্ঞানম = জ্ঞান
লব্ধৱা = প্ৰাপ্ত কৰি (তেওঁ)
অচিৰেণ = বিলম্ব নকৰাকৈ, অতি সোনকালেই (ভগৱৎ প্ৰাপ্তিৰূপ)
পৰাম = পৰম
শান্তিম = শান্তিক
অধিগচ্ছতি = প্ৰাপ্ত হয় ।

**অজ্ঞঃ, চঃ, অশ্ৰদ্দধানঃ, চ, সংশয়াত্মা, ৱিনশ্যতি,**
**ন, অয়ম, লোকঃ, অস্তি, ন, পৰঃ, ন, সুখম, সংশয়াত্মনঃ।।৪০।।**
**আৰু হে অৰ্জুন-**

অজ্ঞঃ= বিবেকহীন
চ = আৰু
অশ্ৰদ্দধানঃ = শ্ৰদ্ধাহীন
সংশয়াত্মা = সংশয়যুক্ত মনুষ্য
ৱিনশ্যতি = পৰমাৰ্থৰ পৰা অৱশ্যে ভ্ৰষ্ট হৈ যায় (এনে)
সংশয়াত্মনঃ = সংশয়যুক্ত মানুহৰ বাবে
ন = না
অয়ম = এই
লোকঃ = লোক
অস্তি = আছে
ন, পৰঃ = না পৰলোক (আছে)
চ = আৰু
ন, সুখম = না সুখ (আছে)

**য়োগসন্ন্যস্তকৰ্মাণম, জ্ঞানসচ্ছিন্নসংশয়ম,**
**আত্মৱন্তম, ন, কৰ্মাণি, নিবধ্নন্তি, ধনঞ্জয় ।। ৪১।।**

ধনঞ্জয় = হে ধনঞ্জয়
যোগ-সন্ন্যস্ত কৰ্মাণম=যি কৰ্মযোগৰ বিধিৰে সকলো কৰ্মক পৰমাত্মাত অৰ্পণ কৰি দিছে (আৰু)
জ্ঞানসচ্ছিন্ন সংশয়ম=যি জনে বিবেকৰ দ্বাৰা সমস্ত সংশয়ক নাশ কৰি দিছে (এনেকুৱা)
আত্মৱন্তম=বশীকৃত অন্তঃকৰণযুক্ত পুৰুষক
কৰ্মাণি=কৰ্মই
ন = না
নিবধ্নন্তি = বান্ধে ।

**তস্মাত, অজ্ঞানসম্ভূতম, হৃৎস্থম, জ্ঞানাসিনা, আত্মনঃ,**
**ছিত্ত্বা, এনম সংশয়ম, য়োগম, আতিষ্ঠ, উতিষ্ঠ, ভাৰত ।।৪২।।**

তস্মাত = এইবাবে
ভাৰত = হে ভাৰতবংশী অৰ্জুন
হৃৎস্থম = হৃদয়স্থিত
এনম = এই
অজ্ঞানসম্ভূতম = অজ্ঞানজনিত
আত্মণঃ = নিজৰ
সংশয়ম = সংশয়ক
জ্ঞানাসিনা = বিবেক জ্ঞান ৰূপ তৰোৱালৰ দ্বাৰা
ছিত্ত্বা = ছেদ কৰি
য়োগম = সমত্বৰূপ কৰ্ম যোগত
আতিষ্ঠ = স্থিত হৈ যোৱা (আৰু যুদ্ধৰ বাবে)
উতিষ্ঠ = থিয় হৈ যোৱা ।

**শ্ৰীমদভগৱত গীতা অধ্যায় ৫ ৰ শ্লোক বোৰৰ ফটো প্ৰতিলিপি**

## পঞ্চম অধ্যায়

**অৰ্জুন উৱাচ**

**সন্ন্যাসম, কৰ্মণাম, কৃষ্ণ, পুনঃ, য়োগম, চ, শংসসি,**
**য়ত, শ্ৰেয়ঃ, এতয়োঃ, একম, তত, মে, ব্ৰূহি, সুনিশ্চিতম ।।১।।**
**তাৰ পিছত অৰ্জুনে ক'লে -**

কৃষ্ণ = হে কৃষ্ণ, (আপুনি)
কৰ্মণাম = কৰ্মৰ
সন্ন্যাসম = সন্যাসক
চ = আৰু
পুনঃ = আকৌ
য়োগম = কৰ্মযোগৰো
শংসসি = প্ৰশংসা কৰিছে (গতিকে)
এতয়োঃ = এই দুটাৰ মাজত
য়ত, একম = যিটো
মে = মোৰ বাবে
শ্ৰেয় = কল্যাণ-কাৰী সাধন (হয়)
সুনিশ্চিতম = ভালদৰে থিৰাং কৰি
তত = তাকেই
ব্ৰূহি = কওক ।

**শ্ৰীভগৱানুৱাচ**

**সন্ন্যাসঃ, কৰ্মযোগঃ, চ, নিঃশ্ৰেয়সকৰৌ, উভৌ,**
**তয়োঃ, তু, কৰ্মসন্ন্যাসাত, কৰ্ময়োগঃ, ৱিশিষ্যতে ।।২।।**

**এইদৰে অৰ্জুনে সোধাত শ্ৰীভগৱানে কলে, হে অৰ্জুন**

সন্ন্যাসঃ = কৰ্মসন্যাস
চ = আৰু
কৰ্ময়োগঃ = কৰ্মযোগ
উভৌ = দুয়োটিয়েই
নিঃশ্ৰেয়সকৰৌ=পৰম কল্যাণকাৰী,
তু = কিন্তু
তয়োঃ = এই দুটাৰ মাজতো
কৰ্মসন্ন্যাসাত = কৰ্মসন্যাসতকৈ
কৰ্ময়োগঃ= কৰ্মযোগ (সাধন কৰিবলৈ সুগম হোৱাত)
বিশিষ্যতে = শ্ৰেষ্ঠ হয় ।

**জ্ঞেয়ঃ, সঃ, নিত্যসন্ন্যাসী, য়ঃ, ন, দ্বেষ্টি, ন, কাঙক্ষতি,**
**নিৰ্দ্বন্দ্বঃ, হি, মহাবাহো, সুখম, বন্ধাত, প্ৰমুচ্যতে ।।৩।।**

**সেইবাবে -**

মহাবাহো = হে অৰ্জুন
য়ঃ = যি পুৰুষে
ন = না (কাৰোৰে)
দ্বেষ্টি = দ্বেষ কৰে (আৰু)
ন = না (কাৰো)
কাঙক্ষতি = আকাঙ্খা কৰে
সঃ = সেই কৰ্মযোগী
নিত্যসন্ন্যাসী=সদা সন্যাসীয়েই হয়
জ্ঞেয়ঃ = জানিবা
হি = কাৰণ
নিৰ্দ্বন্দ্বঃ=ৰাগ-দ্বেষাদিদ্বন্দ্বৰহিত(পুৰুষ)
সুখম = সুখেৰে
বন্ধাত = সংসাৰৰ বন্ধনৰ পৰা
প্ৰমুচ্যতে = মুক্ত হৈ যায় ।

**সাঙ্খ্যয়োগৌ, পৃথক, বালাঃ, প্ৰৱদন্তি, ন, পণ্ডিতাঃ,**
**একম, অপি, আস্থিতঃ, সম্যক, উভয়োঃ, বিন্দতে, ফলম ।।৪।।**

**আৰু হে অৰ্জুন উল্লিখিত-**

সাঙ্খ্যয়োগৌ = সন্ন্যাস আৰু কৰ্মযোগক
বালাঃ = মূৰ্খসকলে
পৃথক = বেলেগ-বেলেগ (ফল দিয়া)
প্ৰৱদন্তি = কয়,
ন = নকয় (সেইদৰে)
পণ্ডিতাঃ = পণ্ডিতে।
(হি) = কাৰণ (দুটাৰ মাজত)
একম, অপি = এটাতো
সম্যক = সম্যকভাৱে
আস্থিত ঃ = স্থিত (পুৰুষ)
উভয়োঃ = দুয়োটাৰে
ফলম = ফলৰূপ (পৰমাত্মাক)
বিন্দতে = প্ৰাপ্ত হয়।

**য়ত, সাংখৈঃ, প্ৰাপ্যতে, স্থানম, তত, য়োগৈঃ, অপি, গম্যতে,**
**একম, সাংখ্যম, চ, য়োগম, চ, য়ঃ, পশ্যতি, সঃ, পশ্যতি ।। ৫ ।।**

সাংখৈ = জ্ঞানযোগী সকলৰ দ্বাৰা
য়ত = যি
স্থানম = পৰমধাম
প্ৰাপ্যতে = প্ৰাপ্ত কৰা যায়,
য়োগৈঃ, অপি = কৰ্মযোগীৰ দ্বাৰাও
তত = সেয়াই
গম্যতে = প্ৰাপ্ত কৰা যায়। (সেইবাবে)
য়ঃ = যি পুৰুষে
সাংখ্যম = জ্ঞানযোগ
চ = আৰু
য়োগম = কৰ্মযোগক (ফলৰূপত)
একম, পশ্যতি = একেই দেখে
সঃ, চ = তেওঁৰেই (যথাৰ্থ)
পশ্যতি = দেখে ।

**সন্ন্যসঃ, তু, মহাবাহো, দুঃখম, আপ্তুম, অয়োগতঃ,**
**য়োগয়ুক্তঃ, মুনিঃ, ব্ৰহ্ম, নচিৰেণ, অধিগচ্ছতি ।।৬।।**

তু = কিন্তু
মহাবাহো = হে অৰ্জুন
অয়োগতঃ = কৰ্মযোগৰ বিনা
সন্ন্যাসঃ = সন্যাস অৰ্থাৎ মন, ইন্দ্ৰিয় আৰু শৰীৰৰ দ্বাৰা হোৱা সকলো কৰ্মত কৰ্তৃত্বৰ ত্যাগ
আপ্তুম = প্ৰাপ্ত হোৱাত
দুঃখম = কঠিন হয় (আৰু)
মুনিঃ = ভগৱত স্বৰূপৰ মনন কৰা
য়োগয়ুক্তঃ = কৰ্মযোগী
ব্ৰহ্ম = পৰব্ৰহ্ম পৰমাত্মাক
নচিৰেণ = শীঘ্ৰেই
অধিগচ্ছতি = প্ৰাপ্ত হয়

**য়োগয়ুক্তঃ বিশুদ্ধাত্মা, ৱিজিতাত্মা, জিতেন্দ্ৰিয়ঃ,**
**সৰ্বভূতাত্মভূতাত্মা, কুৰ্বন, অপি, ন, লিপ্যতে ।। ৭।। আৰু -**

ৱিজিতাত্মা=যাৰ মন নিজৰ অধীনত আছে
জিতেন্দ্ৰিয়ঃ = যিজন জিতেন্দ্ৰিয় (আৰু)
বিশুদ্ধাত্মা = বিশুদ্ধ অন্তঃকৰণৰ (আৰু)
সৰ্বভূতাত্ম ভূতাত্মা=সম্পূৰ্ণ প্ৰাণীৰ আত্মা ৰূপ পৰমাত্মায়েই যি জনৰ আত্মা (এনেকুৱা)
য়োগয়ুক্তঃ = কৰ্মযোগী (কৰ্ম)
কুৰ্বন ,অপি = কৰিও
ন, লিপ্যতে = লিপ্ত নাথাকে

**ন, এৱ, কিঞ্চিৎ, কৰোমি, ইতি, য়ুক্তঃ, মন্যেত, তত্ত্ববিত,**
**পশ্যন, শৃন্বন, স্পৃশন, জিঘ্ৰন, অশ্নন, গচ্ছন, স্বপন,**
**শ্বসন, প্ৰলপন, ৱিসৃজন, গৃহ্নন, উন্মিষন, নিমিষন, অপি,**
**ইন্দ্ৰিয়াণি, ইন্দ্ৰিয়াৰ্থেষু, বৰ্তন্তে , ইতি, ধাৰয়ন ।। ৮, ৯ ।।**
**আৰু হে অৰ্জুন**

তত্ত্ববিত = তত্ত্বজ্ঞাতা
য়ুক্তঃ = সাংখ্যযোগীজনে
পশ্যন = দেখিও ,
শৃন্বন = শুনিও,
স্পৃশণ = স্পৰ্শ কৰি ,
জিঘ্ৰন = ঘ্ৰান লৈ,
অশ্নন = খাই থাকি,
গচ্ছন = গৈ থাকি ,
স্বপন = স্বপ্ন অৱস্থাত ,
শ্বসন = উশাহ লৈ থাকি ,
প্ৰলপন = কথা কৈ থাকি ,
বিসৃজন = দ্ৰব্য ত্যাগ কৰি,
গৃহ্নন = গ্ৰহণ কৰি (আৰু)
উন্মিষন = চকু মেলোঁতে (আৰু)
নিমিষন = চকুৰ পচাৰ পেলাই
অপি = ও
ইন্দ্ৰিয়াণি = ইন্দ্ৰিয় সমূহ
ইন্দ্ৰিয়াৰ্থেষু = নিজৰ-নিজৰ অৰ্থত
বৰ্তন্তে = থাকে,
ইতি = এইদৰে
ধাৰয়ণ = বুজি
এৱ = নিঃসন্দেহ
ইতি = এনেকৈ
মন্যেত = মানি লয় (যে মই)
কিঞ্চিৎ = একো
ন, কৰোমি = নকৰো।

**ব্ৰহ্মাণি, আধায়, কৰ্মাণি, সঙ্গম, ত্যক্তৱা, কৰোতি , য়ঃ,**
**লিপ্যতে, ন, সঃ, পাপেন, পদ্মপত্ৰম, ইৱ, অম্ভসা।।১০।।**

য়ঃ, কৰ্মাণি = যি পুৰুষে কৰ্মসমূহক
ব্ৰহ্মণি = পৰমাত্মাত
আধায় = অৰ্পণ কৰি (আৰু)
সঙ্গম = আসক্তিক
ত্যক্তৱা = ত্যাগ কৰি (কৰ্ম)
কৰোতি = কৰে
সঃ = তেওঁ
অম্ভসা = জলত
পদ্মপত্ৰম = পদ্ম পত্ৰৰ
ইৱ = দৰে
পাপেন = পাপেৰে
ন, লিপ্যতে = লিপ্ত নহয় ।

**কায়েন, মনসা, বুদ্ধ্যা, কেৱলৈঃ, ইন্দ্ৰিয়ৈ ঃ, অপি,**
**য়োগিনঃ, কৰ্ম, কুৰ্বন্তি, সঙ্গম, ত্যক্তৱা, আত্মশুদ্ধয়ে ।।১১।।**

**সেইবাবে -**

য়োগিনঃ=কৰ্মযোগীয়ে(মমত্ববুদ্ধি ৰহিত)
কেৱলৈঃ = কেৱল
ইন্দ্ৰিয়ৈঃ = ইন্দ্ৰিয়
মনসা = মন
বুদ্ধ্যা = বুদ্ধি (আৰু)
কায়েন, অপি = শৰীৰৰ দ্বাৰাই
সঙ্গম = আসক্তিক
ত্যক্তৱা = ত্যাগ কৰি
আত্মশুদ্ধয়ে=অন্তঃকৰণ শুদ্ধিৰ বাবে
কৰ্ম = কৰ্ম
কুৰ্বন্তি = কৰে ।

**(কৰ্মফল ত্যাগ কৰিলে শান্তি আৰু কামনাৰ দ্বাৰা বন্ধন প্ৰাপ্ত হয়)**

**য়ুক্তঃ, কৰ্মফলম, ত্যক্তৱা, শান্তিম, আপ্নোতি, নৈষ্ঠিকীম্**
**অয়ুক্তঃ, কামকাৰেণ, ফলে, সক্তঃ, নিবধ্যতে ।। ১২।।**

**এইকাৰণে -**

য়ুক্তঃ = কৰ্মযোগীয়ে
কৰ্মফলম = কৰ্মৰ ফলক
ত্যক্তৱা = ত্যাগ কৰি
নৈষ্ঠিকীম = ভগৱদপ্ৰাপ্তি ৰূপে
শান্তিম = শান্তিক
আপ্নোতি = প্ৰাপ্তি কৰে (আৰু)
অয়ুক্তঃ = সকাম পুৰুষে
কামকাৰেণ = কামনাৰ প্ৰেৰণাৰে
ফলে = ফলত
সক্ত ঃ = আসক্ত হৈ
নিবধ্যতে = বদ্ধ হয় (আৱদ্ধ হয়)

**সৰ্বকৰ্মানি, মনসা, সন্ন্যস্য, আস্তে, সুখম, বশী,**
**নৱদ্বাৰে, পুৰে, দেহী, ন, এৱ , কুৰ্বন, ন, কাৰয়ন ।।১৩।।**

**আৰু হে অৰ্জুন -**

বশী = বশীভূত অন্তঃকৰণৰ জ্ঞানযোগী
দেহী = পুৰুষ
ন, কুৰ্বন = নকৰাকৈ (আৰু)
ন, কাৰয়ন, এৱ = নকৰোৱাকৈয়ে
নৱদ্বাৰে = নৱদ্বাৰ থকা শৰীৰৰূপী
পুৰে = ঘৰখনত
সৰ্বকৰ্মাণি = সকলো কৰ্মক
মনসা = মনেৰে
সন্ন্যস্য = ত্যাগ কৰি
সুখম=আনন্দ পূৰ্বক (সচিদানন্দ ঘন পৰমাত্মাৰ স্বৰূপত)
আস্তে = স্থিৰ হৈ থাকে।

**(পৰমাত্মাত কৰ্তৃত্বৰ অভাৱৰ বিষয়)**

**ন, কৰ্তৃত্বম, ন, কৰ্মাণি, লোকস্য, সৃজতি, প্ৰভুঃ,**
**ন, কৰ্মফল সংযোগম, স্বভাৱঃ, তু, প্ৰবৰ্ততে ।। ১৪।।**

প্ৰভুঃ = পৰমেশ্বৰে
লোকস্য = মনুষ্যৰ বাবে
ন = না
কৰ্তৃত্বম = কৰ্তৃত্বৰ
ন = না
কৰ্মাণি = কৰ্মৰ (আৰু)
ন = না
কৰ্মফ্লসংযোগম=কৰ্মফ্লৰ সংযোগৰ
সৃজাতি = ৰচনা কৰে
তু = কিন্তু
স্বভাৱঃ = স্বভাৱহে (প্ৰকৃতিহে)
প্ৰৱৰ্ততে = প্ৰবৃত্ত হয়।

**ন, আদত্তে, কস্যচিত, পাপম, ন, চ, এৱ, সুকৃত্ম, বিভুঃ,**
**অজ্ঞানেন, আৱৃতম, জ্ঞানম, তেন, মুহ্যন্তি, জন্তৱঃ ।।১৫।।**

বিভুঃ = সৰ্বব্যাপী পৰমেশ্বৰেও
ন = না
কস্যচিত = কাৰো
পাপম = পাপ কৰ্মক
চ = আৰু
ন = না (কাৰো)
সুকৃতম, এব = শুভকৰ্মকো
আদওে = গ্ৰহণ কৰে , (কিন্তু)
অজ্ঞানেন = অজ্ঞানৰ দ্বাৰা
জ্ঞানম = জ্ঞান
আবৃতম = ঢাক খাই আছে,
তেন = ইয়াৰ দ্বাৰাই
জন্তৱঃ = সকলো অজ্ঞানী মনুষ্য
মুহ্যন্তি = মোহিত হৈ আছে ।

**জ্ঞানেন, তু, তত, অজ্ঞানম, য়েষাম, নাশিতম, আত্মনঃ,**
**তেষাম, আদিত্যৱত,জ্ঞানম, প্ৰকাশয়তি, তৎপৰম।।১৬।।**

তু = কিন্তু
য়েষাম = যাৰ
তত = সেই
অজ্ঞানম = অজ্ঞান
আত্মনঃ = পৰমাত্মাৰ
জ্ঞানেন = তত্বজ্ঞানৰ দ্বাৰা
নাশিতম = নষ্ট কৰি দিয়া হয়,
তেষাম = তেওঁৰ (সেই)
জ্ঞানম = জ্ঞানে
আদিত্যৱত = সূৰ্য্যৰ সদৃশ
তৎপৰম = সেই সচিদানন্দ ঘন পৰমাত্মাক
প্ৰকাশয়তি = প্ৰকাশিত কৰি দিয়ে (জনাজাত কৰি দিয়ে)।

**তদবুদ্ধয়ঃ, তদাত্মানঃ, তন্নিষ্ঠা, তৎপৰায়ণাঃ,**
**গচ্ছন্তি, অপুনৰাবৃত্তিম, জ্ঞাননিৰ্ধূতকল্মষাঃ।। ১৭।।**

তদাত্মানঃ = যাৰ মন তদ্ৰূপ হৈ আছে,
তদবুদ্ধয়ঃ = যাৰ বুদ্ধি তদ্ৰূপ হৈ আছে, (আৰু)
তন্নিষ্ঠাঃ = সচিদানন্দঘন পৰমাত্মাতেই যাৰ নিৰন্তৰ একীভাৱেৰে স্থিতি আছে (এনেকুৱা)
তৎপৰায়ণাঃ = তৎপৰায়ণ পুৰুষ
জ্ঞাননিৰ্ধূত কল্মষাঃ = জ্ঞানৰ দ্বাৰা পাপ ৰহিত হৈ
অপুনৰাবৃত্তিম = অপুণৰাবৃত্তি গতি অৰ্থাৎ পৰমগতি
গচ্ছন্তি = প্ৰাপ্ত হয় ।

**ৱিদ্যাৱিনয়সম্পন্নে, ব্ৰাহ্মণে, গৱি, হস্তিনি,**
**শুণি, চ, এৱ, শ্বপাকে,চ, পণ্ডিতাঃ, সমদৰ্শিনঃ ।।১৮।।**

পণ্ডিতাঃ= জ্ঞানীজন
ৱিদ্যাৱিনয় সম্পন্নে=বিদ্যা আৰু বিনয়যুক্ত
ব্ৰাহ্মণে = ব্ৰাহ্মণত
চ = আৰু
গৱি = গৰু,
হস্তিনি = হাতী,

শুনি = কুকুৰ
চ = আৰু
শ্বপাকে = চণ্ডালতো
সমদৰ্শিনঃ = সমদৰ্শীয়েই
এৱ = হয়।

**ইহ, এৱ, তৈঃ, জিতঃ, সৰ্গঃ, য়েষাম, সাম্যে, স্থিতম, মনঃ,**
**নিৰ্দোষম, হি, সমম, ব্ৰহ্ম, তস্মাৎ, ব্ৰহ্মণি, তে, স্থিতাঃ।। ১৯।।**

য়েষাম = যাৰ
মনঃ = মন
সাম্যে = সাম্যভাৱত
স্থিতম = আছে
তৈঃ = তেওঁৰ দ্বাৰা
ইহ, এৱ = এই জীৱিত অৱস্থাতেই
সৰ্গঃ = সম্পূৰ্ণ সংসাৰ
জিতঃ = জয় কৰা হৈছে,

হি = কাৰণ
ব্ৰহ্ম = সচ্চিদানন্দ ঘন পৰমাত্মা
নিৰ্দোষম = নিৰ্দোষ (আৰু)
সমম = সম হয়,
তস্মাৎ = সেই কাৰণে
তে = তেওঁলোক
ব্ৰহ্মণি=সচিদানন্দ ঘন পৰমাত্মাতেই
স্থিতাঃ = স্থিত আছে ।

**ন, প্ৰহৃষ্যেত, প্ৰিয়ম, প্ৰাপ্য, ন উদ্বিজেত, প্ৰাপ্য, চ, অপ্ৰিয়ম,**
**স্থিৰ বুদ্ধিঃ অসম্মূঢ়ঃ, ব্ৰহ্মৱিত, ব্ৰহ্মণি, স্থিতঃ ।।২০।।**

প্ৰিয়ম = প্ৰিয় বস্তু
প্ৰাপ্য = পাই
ন, প্ৰহৃষ্যেত = আনন্দিত নহয়
চ = আৰু
অপ্ৰিয়ম = অপ্ৰিয় বস্তু
প্ৰাপ্য = পাইয়ো
ন, উদ্বিজেত = উদ্বিগ্ন নহয় (তেনে)

স্থিৰবুদ্ধিঃ = স্থিৰবুদ্ধি
অসম্মূঢ়ঃ = সংশয়ৰহিত
ব্ৰহ্মবিত = ব্ৰহ্মজ্ঞ পুৰুষ
ব্ৰহ্মণি = সচিদানন্দঘন পৰব্ৰহ্ম
পৰমাত্মাতে
(সদায় একীভাৱেৰে)
স্থিতঃ = স্থিত থাকে ।

**বাহ্যস্পৰ্শেষু, অসক্তাত্মা, বিন্দতি, আত্মনি, য়ত, সুখম,**
**সঃ, ব্ৰহ্ময়োগযুক্তাত্মা, সুখম, অক্ষয়ম, অশ্নুতে ।। ২১ ।।**

**আৰু -**

ব্যাহ্যস্পৰ্শেষু = বাহিৰৰ বিষয়ত
অসক্তাত্মা = আসক্তি ৰহিত অন্তঃকৰণৰ
(সাধক)
আত্মনি = আত্মাত (স্থিত)
য়ত = যি (ধ্যানজনিত সাত্বিক)
সুখম = আনন্দ আছে
(তত) = সেইটোক
বিন্দতি = প্ৰাপ্ত হয় (তাৰ পাচত)

সঃ = সেই
ব্ৰহ্ময়োগযুক্তামা=সচিদানন্দঘন পৰব্ৰহ্ম
পৰমাত্মাৰ ধ্যানৰূপ যোগত
অভিন্নভাৱেৰে স্থিত পুৰুযে
অক্ষয়ম = অক্ষয়
সুখম = আনন্দৰ
অশ্নুতে = অনুভৱ কৰে।

**য়ে, হি, সংস্পৰ্শজাঃ ভোগাঃ, দুঃখয়োনয়ঃ, এৱতে,**
**আদ্যন্তৱন্তঃ, কৌন্তেয়, ন, তেষু, ৰমতে, বুধঃ ।।২২।।**

য়ে = যি (এই ) ইন্দ্ৰিয় আৰু
সংস্পৰ্শজাঃ = বিষয়ৰ সংযোগৰ পৰা উৎপন্ন হোৱা
ভোগাঃ = সকলো ভোগ আছে
তে = সেইবিলাক (যদিও বিষয়ী পুৰুষে সুখ বুলি ভাৱে, তথাপিও)
হি = নিঃসন্দেহে
দুঃখয়োনয়ঃ এৱ = দুঃখৰেই কাৰণ হয় (আৰু)

আদ্যন্তৱন্তঃ=আদি অন্ত থকা অৰ্থাৎ অনিত্য হয় (সেইকাৰণে)
কৌন্তেয়=হে অৰ্জুন
বুধঃ = বুদ্ধিমান বিবেকীপুৰুষ
তেষু = সেইবোৰত
ন = না
ৰমতে = ৰমণ কৰে (লিপ্ত হয়)

**শক্নোতি, ইহ, এৱ, য়ঃ, সোঢুম, প্ৰাক, শৰীৰৱিমোক্ষণাত,**
**কামক্ৰোধোদ্ভৱম, বেগম, সঃ, য়ুক্তঃ, সঃ, সুখী, নৰঃ ।।২৩।।**

য়ঃ = যি সাধক
ইহ = এই মনুষ্য দেহত
শৰীৰবিমোক্ষণাত = শৰীৰ নাশ হোৱাৰ
প্ৰাক, এৱ = আগতেই
কামক্ৰোধোদ্ভৱম = কামক্ৰোধৰ পৰা উৎপন্ন হোৱা
বেগম = আৱেগক

সোঢুম = সহ্য কৰিবলৈ
শক্নোতি = সমৰ্থ হৈ যায়
সঃ = সেই
নৰঃ = পুৰুষ
য়ুক্তঃ = যোগী হয় (আৰু)
সঃ = তেওঁৱেই
সুখী = সুখী।

**য়ঃ,অন্তঃসুখঃ, অন্তৰাৰামঃ, তথা, অন্তৰ্জ্যোতিঃ, এৱ, য়ঃ,**
**সঃ, য়োগী, ব্ৰহ্মনিৰ্বাণম, ব্ৰহ্মভূতঃ, অধিগচ্ছতি ।।২৪।।**

য়ঃ = যি পুৰুষ
এৱ = নিশ্চিতভাৱে
অন্তঃসুখঃ = অন্তৰাত্মাতেই সুখী,
অন্তৰাৰামঃ = আত্মাতেই ৰমণ কৰি থাকে
তথা = আৰু
য়ঃ = যি
অন্তৰ্জ্যোতিঃ = আত্মাত জ্ঞান থকা হয়

সঃ = সেইজন
ব্ৰহ্মভূতঃ = সচিদানন্দঘন পৰমাত্মাৰ লগত একীভাৱ প্ৰাপ্ত
য়োগী = জ্ঞানযোগী
ব্ৰহ্মনিৰ্বাণম = শান্ত ব্ৰহ্মক
অধিগচ্ছতি = প্ৰাপ্ত হয়।

**লভন্তে, ব্ৰহ্মনিৰ্বাণম, ঋষয়ঃ, ক্ষীণকল্মষাঃ,**
**ছিন্নদ্বৈধাঃ,য়তাত্মানঃ, সৰ্বভূতহিতে, ৰতাঃ ।।২৫।।**

**আৰু**

ক্ষীণকল্মষাঃ = যাৰ সকলো পাপ নষ্ট হৈছে
ছিন্নদ্বৈধাঃ = যাৰ সকলো সংশয় জ্ঞানৰ দ্বাৰা নিবৃত হৈছে
সৰ্বভূতহিতে ৰতাঃ=যি সকলো প্ৰাণীৰ হিতৰ বাবে সদায় প্ৰস্তুত (আৰু)

য়তাত্মনঃ=যাৰ বিজিত মন স্থিৰ ভাৱে পৰমাত্মাত স্থিত আছে (সেই)
ঋষয়ঃ = ব্ৰহ্মজ্ঞ পুৰুষ
ব্ৰহ্মনিৰ্বাণম = শান্ত ব্ৰহ্মক
লভন্তে = প্ৰাপ্ত হয়।

**কামক্ৰোধৱিয়ুক্তানাম, য়তীনাম, য়তচেতসাম,**
**অভিতঃ, ব্ৰহ্মনিৰ্ৱাণম, ৱৰ্ততে, ৱিদিতাত্মনাম ।।২৬।।**

**আৰু -**

কামক্ৰোধ বিয়ুক্তানাম=কামক্ৰোধৰ পৰা ৰহিত,
য়তচেতসাম = বিজিত চিত্তৰ,
বিদিতাত্মনাম = পৰব্ৰহ্ম পৰমাত্মাৰ সাক্ষাতকাৰ কৰা

য়তীনাম=জ্ঞানী পুৰুষৰ বাবে
অভিতঃ = সকলো ফালৰ পৰা
ব্ৰহ্মনিৰ্বাণম = শান্ত পৰব্ৰহ্ম পৰমাত্মায়েই
ৰ্বততে = পৰিপূৰ্ণ হয়।

**স্পৰ্শান, কৃত্বা, বহিঃ, বাহ্যান, চক্ষুঃ, চ, এৱ, অন্তৰে,ভ্ৰুৱোঃ,**
**প্ৰাণাপানৌ, সমৌ, কৃত্বা, নাসাভ্যন্তৰচাৰিণৌ।।২৭।।**
**য়তেন্দ্ৰিয়মনোবুদ্ধিঃ,মুনিঃ, মোক্ষপৰায়ণঃ,**
**ৱিগতেচ্ছাভয়ক্ৰোধঃ, য়ঃ, সদা, মুক্তঃ, এৱ, সঃ ।।২৮।।**

বাহ্যান = বাহিৰৰ
স্পৰ্শান = বিষয়ভোগক (চিন্তা নকৰাকৈ)
বহিঃএৱ = বাহিৰলৈ
কৃত্বা = উলিয়াই
চ = আৰু
চক্ষুঃ = চকুৰ দৃষ্টি
ভ্ৰূৱোঃ = ভ্ৰূৰ
অন্তৰে=মাজত (স্থিত কৰি আৰু)
নাসাভ্যন্তৰচাৰিণৌ=নাসিকাত বিচৰণ কৰা
প্ৰাণাপানৌ = প্ৰাণ আৰু অপাণ বায়ুক
সমৌ= সমান

কৃত্বা = কৰি
য়তেন্দ্ৰিয় মনোবুদ্ধিঃ=যাৰ ইন্দ্ৰিয়সমূহ, মন আৰু বুদ্ধি বিজিত হৈছে (এনেকুৱা)
য়ঃ = যি
মোক্ষপৰায়ণঃ = মোক্ষপৰায়ণ
মুনিঃ = মুনি
বিগতেচ্ছা ভয়ক্ৰোধঃ=ইচ্ছা, ভয় আৰু ক্ৰোধ ৰহিত হৈ গৈছে
সঃ,সদা = তেওঁ সদায়
মুক্তঃ, এৱ = মুক্তয়েই হয় ।

**ভোক্তাৰম, য়জ্ঞতপসাম, সৰ্বলোক মহেশ্বৰম,**
**সুহৃদম, সৰ্বভূতানাম, জ্ঞাত্বা, মাম, শান্তিম, ঋচ্ছতি ।।২৯।।**

মাম = মোক ,
য়জ্ঞতপসাম=সকলো যজ্ঞ আৰু তপৰ
ভোক্তাৰম = ভোগ কৰোঁতা
সৰ্বলোকমহেশ্বৰম = সৰ্বলোকৰ ইশ্বৰৰো ইশ্বৰ (আৰু)
সৰ্বভূতানাম = সম্পূৰ্ণ প্ৰাণীৰ

সুহৃদম=সুহৃদ অৰ্থাৎ স্বাৰ্থৰহিত দয়ালু আৰু প্ৰেমী (এনেকুৱা)
জ্ঞাত্বা = তত্বেৰে জানি
শান্তিম = শান্তি
ঋচ্ছতি = লাভ কৰে।

**শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ৬ ৰ কিছুমান শ্লোকৰ ফটো কপি**

**ষষ্ঠম অধ্যায়**

**শ্ৰীভগৱানুৱাচ**

**অনাশ্ৰিতঃ. কৰ্মফলম, কাৰ্য়ম, কৰ্ম, কৰোতি, য়ঃ,**
**সঃ, সন্ন্যাসী, চ, যোগী, চ, ন, নিৰগ্নিঃন, চ, অক্ৰিয়ঃ ।। ১।।**

**তাৰ পাচত শ্ৰীভগৱানে কলে, হে অৰ্জুন -**

য়ঃ = যি পুৰুষে
কৰ্মফলম = কৰ্মফলৰ
অনাশ্ৰিতঃ = আশ্ৰয় নলৈ
কাৰ্য়ম = কৰণীয়
কৰ্ম = কৰ্ম
কৰোতি = কৰে
সঃ = সেইজন
সন্ন্যাসী = সন্ন্যাসী

চ = আৰু
য়োগী = যোগী হয়
চ = আৰু (কেৱল)
নিৰগ্নি=অগ্নিকপৰিত্যাগ কৰা (সন্যাসী)
ন = নহয় ।
চ = আৰু (কেৱল)
অক্ৰিয়ঃ=ক্ৰিয়া সমূহ ত্যাগ কৰা যোগী
ন= নহয়

**য়ম, সন্ন্যাসম, ইতি, প্ৰাহুঃ, য়োগম, তম, বিদ্ধি, পাণ্ডৱ,**
**ন, হি, অসন্ন্যস্তসংকল্পঃ, যোগী, ভৱতি, কশ্চন ।।২।।**

**সেইকাৰণে -**

পাণ্ডৱ = হে অৰ্জুন
য়ম = যাক
সন্ন্যাসম = সন্যাস
ইতি = বুলি
প্ৰাহুঃ = কয়
তম = তাক (তুমি)
য়োগম = যোগ

বিদ্ধি = জানিবা
হি = কাৰণ
অসন্ন্যস্ত সংকল্পঃ=সংকল্পৰ ত্যাগ নকৰা
কশ্চন = কোনো পুৰুষ
য়োগী = যোগী
ন,ভৱতি = নহয়।

**আৰু ৰুক্ষোঃ, মুনেঃ,য়োগম, কৰ্ম, কাৰণম, উচ্যতে,**
**য়োগাৰুঢ়স্য, তস্য, এৱ, শমঃ, কাৰণম উচ্যতে ।।৩।।**

য়োগম = যোগত
আৰুৰুক্ষোঃ = আৰুঢ় হোৱাৰ ইচ্ছা কৰা
মুনেঃ = মননশীল পুৰুষৰ বাবে
(যোগৰ প্ৰাপ্তিত)
কৰ্ম = নিস্কাম ভাৱেৰে কৰ্ম কৰাটোৱেই
কাৰণম = হেতু
উচ্চ্যতে = বুলি কোৱা যায়
(আৰু যোগাৰুঢ় হোৱাৰ পাচত)

তস্য = সেই
য়োগাৰুঢ়স্য=যোগাৰুঢ় পুৰুষৰ
শমঃ = যি সৰ্বসংকল্পৰ অভাৱ হয়
সঃ,এৱ = সেয়াই (কল্যাণত)
কাৰণম = হেতু
উচ্চ্যতে = বুলি কোৱা যায়।

**য়দা, হি, ন, ইন্দ্ৰিয়াৰ্থেষু, ন, কৰ্মসু, অনুষজ্জতে,**
**সৰ্বসংকল্পসন্ন্যাসী, য়োগাৰূঢ়ঃতদা, উচতে।।৪।।**

য়দা = যেতিয়া
ন = না
ইন্দ্ৰিয়াৰ্থেষু = ইন্দ্ৰিয়ৰ ভোগত (আৰু)
ন = না
কৰ্মসু, হি = কৰ্মতো
অনুষজ্জতে,তদা=আসক্ত হয়, তেতিয়া
সৰ্বসংকল্পসন্ন্যাসী= সকলো সংকল্পৰ ত্যাগী পুৰুষক
য়োগাৰূঢ়ঃ = যোগাৰূঢ়
উচ্চ্যতে = বুলি কোৱা হয় ।

**উদ্ধৰেত, আত্মনা,আত্মানম, ন, আত্মানম, অৱসাদয়েত,**
**আত্মা, এৱ, হি, আত্মনঃ, বন্ধুঃ, আত্মা, এৱ, ৰিপুঃ, আত্মনঃ ।।৫।।**

আত্মনা = নিজহে
আত্মানম=নিজৰ (সংসাৰ সমুদ্ৰৰ পৰা)
উদ্ধৰেত= উদ্ধাৰ কৰক (আৰু)
আত্মানম = নিজকে
ন, অৱসাদয়েত = অধঃপতিত নকৰিব,
হি = কাৰণ (এই মনুষ্য)
আত্মা, এৱ = নিজেই
আত্মনঃ = নিজৰ
বন্ধুঃ = মিত্ৰ হয় (আৰু)
আত্মা, এৱ = নিজেই
আত্মনঃ = নিজৰ
ৰিপুঃ = শত্ৰু হয়।

**বন্ধুঃ, আত্মা, আত্মনঃ, তস্য, য়েন, আত্মা, এৱ, আত্মনা, জিতঃ,**
**অনাত্মনঃ, তু, শত্ৰুত্বে, ৱৰ্তেত, আত্মা, এৱ, শত্ৰুৱত ।।৬।।**

য়েন = যি
আত্মনা = জীৱাত্মাৰ দ্বাৰা
আত্ম = মন আৰু ইন্দ্ৰিয়ৰ সৈতে শৰীৰ
জিতঃ = জয় কৰা হৈছে
তস্য = সেই
আত্মনঃ = জীৱাত্মাৰ (হ'লে তেওঁ)
আত্মা, এৱ = নিজেই
বন্ধুঃ = মিত্ৰ হয়
তু = আৰু
অনাত্মনঃ=যাৰ দ্বাৰা মন আৰু ইন্দ্ৰিয় সহিতে শৰীৰ জয় কৰা হোৱা নাই তেওঁৰ বাবে (তেওঁ)
আত্মা, এৱ = নিজেই
শত্ৰুৱত = শত্ৰুৰ দৰে
শত্ৰুত্বে = শত্ৰুতাৰ
ৱৰ্তেত = বৰহ্যাৰ কৰিব

**জিতাত্মনঃ, প্ৰশান্তস্য, পৰমাত্মা, সমাহিতঃ,**
**শীতোষ্ণসুখদুঃখেষু, তথা, মানাপমানয়োঃ।।৭।।**
**আৰু হে অৰ্জুন -**

শীতোষ্ণ = শীত-তাপ আৰু
সুখদুঃখেষু = সুখ-দুঃখত
তথা = আৰু
মানাপমানয়োঃ = মান-অপমানত
প্ৰশান্তস্য = যাৰ অন্তঃকৰণৰ বৃত্তি সমূহ ভালকৈ শান্ত হৈছে (এনেকুৱা)
জিতাত্মনঃ=স্বাধীন আত্মাৰ পুৰুষৰ জ্ঞানত
পৰমাত্মা=সচিদানন্দঘন পৰমাত্মা
সমাহিতঃ= সম্পূৰ্ণৰূপে অৱস্থিত অৰ্থাৎ তেওঁৰ জ্ঞানত পৰমাত্মাৰ বাহিৰে অন্য একোৱেই নাই

**জ্ঞান বিজ্ঞান তৃপ্তাত্মা, কূটস্থঃ বিজিতেন্দ্রিয়ঃ,**
**যুক্তঃ, ইতি, উচ্যতে, য়োগী, সমলোষ্টাশ্মকাঞ্চনঃ।।৮।।**

জ্ঞানবিজ্ঞান তৃপ্তাত্মা=যাৰ অন্তঃকৰণ জ্ঞান, বিজ্ঞানৰ দ্বাৰা তৃপ্ত হৈছে,
কূটস্থঃ = যাৰ স্থিতি নিৰ্বিকাৰ,
বিজিতেন্দ্রিয়ঃ=যি ইন্দ্রিয়ক জয় কৰিছে (আৰু)
সমলোষ্টাশ্ম কাঞ্চন= যাৰ বাবে মাটি শিল আৰু সোণ একেই (সেইজন)
য়োগী = যোগী
যুক্ত=যুক্ত অর্থাৎ ভগৱৎপ্রাপ্ত হয়
ইতি = বুলি
উচ্যতে = কোৱা যায়।

**সুহৃন্মিত্রার্য্যুদাসীন মধ্যস্থ দ্বেষ্যবন্ধুষু,**
**সাধুষু, অপি, চ, পাপেষু, সমবুদ্ধিঃ, বিশিষ্যতে।। ৯।।**

সুহৃন্মিত্রার্য্যুদাসীন=সুহৃদ,মিত্র,শত্রু,উদাসীন,
মধ্যস্থ = মধ্যস্থতাকাৰী,
দ্বেষ্যবন্ধুষু = দ্বেষী আৰু বন্ধুবৰ্গত
সাধুষু = ধৰ্মাত্মাসকলত
চ = আৰু
পাপেষু, অপি=পাপীসকলৰ প্ৰতিও
সমবুদ্ধিঃ = সমান ভাৱ ৰখাজন
বিশিষ্যতে = অত্যন্ত শ্ৰেষ্ঠ হয়।

**য়োগী, য়ুঞ্জীত, সততম, আত্মানম, ৰহসি, স্থিতঃ,**
**একাকী, য়তচিত্তাত্মা, নিৰাশীঃ, অপৰিগ্ৰহঃ ।। ১০ ।।**
**সেইকাৰণে এইটো উচিত হ'ব যে -**

য়তচিত্তাত্মা = মন আৰু ইন্দ্রিয় সহিতে শৰীৰৰ ওপৰত নিয়ন্ত্ৰণ ৰখা
নিৰাশীঃ = আশাহীন (আৰু)
অপৰিগ্ৰহঃ = সংগ্ৰহৰ স্বভাৱ নথকা
য়োগী = যোগীয়ে
একাকী = অকলে
ৰহসি = নিৰ্জন ঠাইত
স্থিতঃ = বহি
আত্মানাম = আত্মাক
সততম = একেৰাহে (পৰমাত্মাত)
য়ুঞ্জীত = নিবিষ্ট কৰিব লাগে।

**শুচৌ, দেশে, প্ৰতিষ্ঠাপ্য, স্থিৰম, আসনম, আত্মনঃ,**
**ন,অত্যুচ্ছ্ৰিতম, ন, অতিনীচম, চৈলাজিন কুশোত্তৰম।। ১১।।**
**এনেকে বহিব যে -**

শুচৌ = পবিত্ৰ
দেশে = ঠাইত (যাৰ ওপৰত ক্ৰমশঃ)
চৈলাজিন = কুশঘাঁহ, হৰিণৰ ছাল
কুশোত্তৰম=আৰু কাপোৰ পাৰি (যি)
ন = না
অত্যুচ্ছ্ৰিতম = বেছি ওখ (আৰু)
ন = না
অতিনীচম=বেছি চাপৰ (এনে ঠাইত)
আত্মনঃ = নিজৰ
আসনম = আসনক
স্থিৰম = স্থিৰকৈ
প্ৰতিষ্ঠাপ্য = স্থাপন কৰি

**তত্ৰ, একাগ্ৰম, মনঃ, কৃত্বা, য়তচিত্তেন্দ্ৰিয়ক্ৰিয়ঃ,**
**উপবিশ্য, আসনে, য়ুঞ্জ্যাত, য়োগম, আত্মবিশুদ্ধয়ে ।।১২।।**
**আৰু -**

তত্ৰ = সেই
আসনে = আসনত
উপবিশ্য = বহি
য়তচিত্তেন্দ্ৰিয়ক্ৰিয়ঃ=চিত্ত আৰু ইন্দ্ৰিয়ৰ ক্ৰিয়াক বশ কৰি
মনঃ = মনক
একাগ্ৰম, কৃত্বা = একাগ্ৰ কৰি
আত্মবিশুদ্ধয়ে=অন্তঃকৰণৰ বিশুদ্ধতাৰ বাবে
য়োগম = যোগৰ
য়ুঞ্জ্যাত = অভ্যাস কৰিব ।

**সমম, কায়শিৰোগ্ৰীৱম, ধাৰয়ণ,অচলম, স্থিৰঃ,**
**সম্প্ৰেক্ষ্য, নাসিকাগ্ৰম, স্বম, দিশঃ, চ, অনৱলোকয়ন ।।১৩।।**
**তাৰ বিধি এনকুৱা যে -**

কায়শিৰোগ্ৰীৱম=দেহ, শিৰ আৰু ডিঙি
সমম = পোন কৰি (আৰু)
অচলম = অচল আৰু স্থিৰ কৰি
ধাৰয়ণ = ৰাখিব
চ = আৰু (এনেকৈ)
স্থিৰঃ = স্থিৰ হৈ

স্বম = নিজৰ
নাসিকাগ্ৰম = নাকৰ অগ্ৰভাগত
সম্প্ৰেক্ষ = দৃষ্টি নিক্ষেপ কৰি (আন কোনো)
দিশঃ = দিশত
অনৱলোকয়ন = নোচোৱাকৈ

**প্ৰশান্তাত্মা, ৱিগতভীঃব্ৰহ্মচাৰিব্ৰতে, স্থিতঃ,**
**মনঃ, সংয়ম্য, মচ্চিত্তঃ, য়ুক্ত, আসীত, মৎপৰঃ ।।১৪।।**

ব্ৰহ্মচাৰি ব্ৰতে = ব্ৰহ্মচাৰীৰৰ ব্ৰতত
স্থিতঃ = অৱস্থিত
ৱিগতভীঃ = ভয়হীন (আৰু)
প্ৰশান্তাত্মা = অতি শান্ত অন্তঃকৰণৰ
য়ুক্তঃ = সাৱধান যোগীয়ে

মন ঃ = মনক
সংয়ম্য = নিয়ন্ত্ৰত কৰি
মচ্চিত্তঃ=মোতেই ভাৱনা ৰাখিব (আৰু)
মৎপৰঃ =মোকেই পৰম লক্ষ হিচাবে
আসীত = সমাধিস্থ হৈ বহিব ।

**য়ুঞ্জন, এৱম, সদা, আত্মানম, য়োগী, নিয়তমানসঃ,**
**শান্তিম, নিৰ্বাণ-পৰমাম, মৎসংস্থাম, অধিগচ্ছতি ।। ১৫।।**

নিয়তমানসঃ = বশীভূত মনৰ
যোগী, এৱম = যোগীয়ে এইদৰে
আত্মানম = আত্মাক
সদা=সদায় (মই পৰমেশ্বৰৰ স্বৰূপত)
য়ুঞ্জন = একাগ্ৰ কৰি

মৎসংস্থাম = মোত থকা
নিৰ্বাণপৰমাম=পৰমানন্দৰ পৰাকাষ্ঠাৰূপ
শান্তিম = শান্তি
অধিগচ্ছতি = প্ৰাপ্ত কৰে ।

**ন, অতি, অশ্নতঃ, তু, য়োগঃ, অস্তি, ন, চ , একান্তম, অনশ্নতঃ ,**
**ন, চ, অতি, স্বপ্নশীলস্য, জাগ্ৰতঃ, ন, এৱ , চ, অৰ্জুন ।।১৬।।**

অৰ্জুন = হে অৰ্জুন
তু = কিন্তু (এই)
য়োগ = যোগ
ন = না
অতি = অতি
অশ্নতঃ = ভোজনকাৰীৰ
চ = আৰু
ন = না
একান্তম = একেবাৰেই

অনশ্নতঃ = নোখোৱাসকলৰ
চ = আৰু
ন = না
অতি = অতি
স্বপ্নশীলস্য = নিদ্ৰাপৰায়ণ জনৰ
চ = আৰু
ন = না (সদায়)
জাগ্ৰত = সাৰে থকা জনৰ
অস্তি = সিদ্ধ হয়

**যুক্তাহাৰৰিহাৰস্য, যুক্তচেষ্টস্য, কৰ্মসু,**
**যুক্তস্বপ্নাৱবোধস্য, য়োগঃ, ভৱতি, দুঃখহা ।।১৭।।**

দুঃখহা = দুখ-নিবাৰক
য়োগ = যোগ (কিন্তু)
যুক্তাহাৰ = পৰিমিত আহাৰ বিহাৰ
বিহাৰস্য = কৰাজনৰ,
কৰ্মসু = কৰ্মত

যুক্তচেষ্টস্য=পৰিমিত চেষ্টা কৰা জনৰ (আৰু)
যুক্তস্বপ্নাৱ বোধস্য = পৰিমিত ভাৱে শোৱা আৰু সাৰে থকাজনৰ
ভৱতি = (হে সিদ্ধ) হয়

**তম, বিদ্যাত, দুঃখসংয়োগবিয়োগম, য়োগসংজ্ঞিতম,**
**সঃ, নিশ্চয়েন, য়োক্তব্যঃ, য়োগঃ, অনিৰ্ৱিন্ন চেতসা ।।২৩।।**

**আকৌ -**

দুঃখসংয়োগ বিয়োগম= পাৰ্থিব জগতৰ সম্পৰ্কৰ ফলত হোৱা দুখৰ বিনাশ কৰ্তা
য়োগসংজ্ঞিতম = যাৰ নাম যোগ হয়
তম = তাক
বিদ্যাত = জানিব লাগিব ।

সঃ য়োগঃ = সেই যোগক
অনিৰ্ৱিণচেতসা = অবিচলিতভাৱে অৰ্থাৎ উৎসাহ আৰু ধৈৰ্যৰে
নিশ্চয়েন = নিশ্চয়ৰূপে
য়োক্তব্যঃ = কৰাটো কৰ্তব্য হয

**সৰ্বভূতস্থিতম, য়ঃ, মাম, ভজতি, একত্বম, আস্থিতঃ,**
**সৰ্বথা, বৰ্ত্তমানঃ, অপি, সঃ, য়োগী, ময়ি, বৰ্ততে ।।৩১।।**

**এইদৰে -**

য়ঃ = যি পুৰুষে
একত্বম = একত্বত
আস্থিতঃ = অৱস্থিত হৈ
সৰ্বভূতস্থিতম = সকলো প্ৰাণীতে আত্মা ৰূপত থকা
মাম = মই সচিদানন্দঘন বাসুদেৱক
ভজতি = ভজন কৰে

সঃ = সেই
য়োগী = যোগী
সৰ্বথা= সকলো প্ৰকাৰে
বৰ্ত্তমানঃঅপি = বৰ্ত্তমান থাকিও
ময়ি = মোতে
বৰ্ততে = থাকে

**আত্মৌপম্যেন, সৰ্বত্ৰ, সমম, পশ্যতি, য়ঃ, অৰ্জুন,**
**সুখম, ৰা, য়দি, ৰা, দুঃখম, সঃ, য়োগী, পৰমঃ, মতঃ ।।৩২।।**

অৰ্জুন = হে অৰ্জুন
য়ঃ = যি যোগীয়ে
আত্মৌপম্যেন = নিজৰ সদৃশ
সৰ্বত্ৰ = সকলো জীৱকে
সমম = সমানভাৱে
পশ্যতি = চায়
ৰা = আৰু

সুখম = সুখ
য়দি, ৰা = অথবা
দুঃখম = দুখকো সমান ভাৱে চায়
সঃ = সেইজন
য়োগীঃ = যোগীক
পৰমঃ = পৰমশ্ৰেষ্ঠ
মতঃ = মানি লোৱা হয়।

**অসংশয়ম, মহাবাহো, মনঃ, দুৰ্নিগ্ৰহম, চলম,**
**অভ্যাসেন, তু, কৌন্তেয়, বৈৰাগ্যেন, চ, গৃহ্যতে ।।৩৫।।**

মহাবাহো = হে মহাবাহু
অসংশয়ম = নিসন্দেহে
মনঃ = মন
চলম = চঞ্চল (আৰু)
দুৰ্নিগ্ৰহম=কষ্টেৰেহে বশীভূত হয়
তু = কিন্তু
কৌন্তেয=হে কুন্তীপুত্ৰ অৰ্জুন(এইমন)
অভ্যাসেন = অভ্যাস
চ, বৈৰাগ্যেন=আৰু বৈৰাগ্যৰ দ্বাৰা
গৃহ্যতে=বশ হয়

**অসংয়তাত্মনা, য়োগঃ, দুষ্প্ৰাপঃ, ইতি, মে, মতিঃ।**
**বশ্যাত্মনা, তু, য়ততা, শক্যঃ, অৱাপ্তুম, উপায়তঃ।।৩৬।।**

অসংয়তাত্মনা= অসংযত ব্যক্তিৰ দ্বাৰা
য়াগঃ = যোগ
দুষ্প্ৰাপঃ = দুষ্প্ৰাপ্য
তু = আৰু
বশ্যাত্মনা= নিয়ন্ত্ৰিত মনৰ
য়ততা= চেষ্টা কৰোঁতাজনৰ দ্বাৰা
উপায়তঃ=উচিত উপায়ৰ দ্বাৰা (তাক)
অৱাপ্তুম = প্ৰাপ্ত কৰাটো
শক্যঃ= সহজ হয়,
ইতি = এইটো
মে = মোৰ
মতিঃ = মত হয় ।

**অয়তিঃ, শ্ৰদ্ধয়া, উপেতঃ, য়োগাত, চলিতমানসঃ,**
**অপ্ৰাপ্য, য়োগ সংসিদ্ধিম, কাম, গতিম, কৃষ্ণ, গচ্ছতি ।। ৩৭।।**
**এই কথাত অৰ্জুনে ক'লে -**

কৃষ্ণ = হে কৃষ্ণ
শ্ৰদ্ধয়া, উপেতঃ=যোগত শ্ৰদ্ধাবান, কিন্তু
অয়তিঃ =অসংযমী (এইকাৰণে মৰিবৰ সময়ত)
য়োগাতচলিত মানসঃ=যাৰ মন যোগৰ পৰা বিচলিত হৈছে (এনে সাধক, যোগীয়ে)
য়োগসংসিদ্ধিম= যোগ -সিদ্ধি অৰ্থাৎ ভগৱত সাক্ষাৎকাৰ
অপ্ৰাপ্য = প্ৰাপ্ত নহৈ
কাম = কেনেকুৱা
গতিম = গতি
গচ্ছতি = লাভ কৰে ?

**কচ্চিত, ন, উভয়বিভ্ৰষ্টঃ, ছিন্নাভ্ৰম, ইৱ, নশ্যতি,**
**অপ্ৰতিষ্ঠঃ, মহাবাহো, বিমূঢ়ঃ, ব্ৰহ্মণ, পথি ।। ৩৮ ।।**
**আৰু**

মহাবাহো = হে মহাবাহু
কচ্চিত = কেনেবাকৈ (সেই)
ব্ৰহ্মণঃ = ভগৱতপ্ৰাপ্তিৰ
পথি = পথত (আগবঢ়া)
বিমূঢ়ঃ = মোহিত (আৰু)
অপ্ৰতিষ্ঠঃ = আশ্ৰয়হীন পুৰুষ
ছিন্নাভ্ৰম = ছিন্ন-ভিন্ন মেঘৰ
ইৱ = দৰে
উভয়বিভ্ৰষ্টঃ=উভয় পথৰ পৰা ভ্ৰষ্ট হৈ
ন, নশ্যতি =নষ্ট হৈ নাযায়তো ?

**এতত, মে সংশয়ম, কৃষ্ণ, ছেত্তুম, অৰ্হসি, অশেষতঃ,**
**ত্বদন্যঃ, সংশয়স্য, অস্য, ছেত্তা, ন, হি, উপপদ্যতে ।।৩৯।।**

কৃষ্ণ = হে কৃষ্ণ
মে = মোৰ
এতত = এই
সংশয়ম = সন্দেহ
অশেষতঃ = সম্পূৰ্ণৰূপে
ছেত্তুম = দূৰ কৰিবলৈ (আপুনিয়েই)
অৰ্হসি = যোগ্য হয়
হি = কাৰণ
ত্বদন্যঃ = তুমি বিনে আন
অস্য = এই
সংশয়স্য = সংশয়
ছেত্তা = দূৰ কৰিব পৰা (ব্যক্তি)
ন, উপপদ্যতে = পোৱাটো অসম্ভৱ।

**পাৰ্থ, ন, এৱ, ইহ, ন, অমুত্ৰ, ৱিনাশঃ, তস্য, বিদ্যতে,**
**ন, হি, কল্যাণকৃত, কশ্চিত, দুৰ্গতিম, তাত , গচ্ছতি ।।৪০।।**
**এইদৰে অৰ্জুনে সোধাত শ্ৰীভগৱানে ক'লে -**

পাৰ্থ = হে পাৰ্থ
তস্য = তেওঁৰ
ন = না
ইহ = এইলোকত
বিনাশঃ = বিনাশ
বিদ্যতে = হয় (আৰু)
ন = না
অমুত্ৰ, এৱ=পৰলোকতেই (বিনাশ হয়)
হি = কাৰণ
তাত = হে বোপা
কল্যাণকৃত=আত্ম উদ্ধাৰৰ বাবে অৰ্থাৎ ভগৱত প্ৰাপ্তিৰ বাবে কৰ্ম কৰা
কশ্চিত = কোনো মানুহ
দুৰ্গতিম = দুৰ্গতি
ন, গচ্ছতি = প্ৰাপ্ত নহয়

**প্ৰাপ্য, পুণ্যকৃতাম, লোকান, উষিত্বা, শাশ্বতীঃ, সমাঃ,**
**শুচীনাম, শ্ৰীমতাম, গেহে, য়োগভ্ৰষ্টঃ, অভিজায়তে ।। ৪১।।**
**কিন্তু সেই -**

য়োগভ্ৰষ্ট = যোগ ভ্ৰষ্ট পুৰুষে
পুণ্যকৃতাম = পুণ্যবানসকলৰ
লোকান = লোক সমূহ অৰ্থাৎ স্বৰ্গ আদি উত্তম লোকসমূহ
প্ৰাপ্য = লাভ কৰি (তাত)
শাশ্বতীঃ = বহুত
সমাঃ = বছৰলৈকে
উষিত্বা = বাস কৰি (আকৌ)
শুচীনাম = সদাচাৰ সম্পন্ন
শ্ৰীমতাম=শ্ৰীমান সকলৰ (ধনবানৰ)
গেহে = ঘৰত
অভিজায়তে = জন্ম লয়

**অথবা, য়োগিনাম, এব, কুলে, ভৱতি, ধীমতাম,**
**এতত, হি, দুলৰ্ভতৰম, লোকে, জন্ম, য়ত, ঈদৃশম ।।৪২।।**

অথবা = অথবা (বৈৰাগ্যবান পুৰুষ সেইবোৰ লোকলৈ নগৈ)
ধীমতাম = জ্ঞানবান
য়োগিনাম = যোগীসকলৰ
কুলে, এৱ = কুলতে
ভৱতি = জন্ম লয় ।(কিন্তু)
ঈদৃশম = এই ধৰণৰ
য়ত, এতত = যি এই
জন্ম = জন্ম (সেয়া)
লোকে = সংসাৰত
হি = নিসন্দেহে
দুলৰ্ভতৰম = অতিদুৰ্লভ

**তত্ৰ, তম বুদ্ধিসংয়োগম, লভতে, পৌৰ্বদেহিকম**
**য়ততে, চ, ততঃ, ভুয়ঃ, সংসিদ্ধৌ, কুৰুনন্দন ।। ৪৩।।**
**আৰু সেই পুৰুষ -**

তত্ৰ = তাত
তম = সেই
পৌৰ্বদেহিকম=আগৰ শৰীৰত সংগৃহীত
বুদ্ধিসংয়োগম=বুদ্ধিৰ সংযোগক অৰ্থাৎ সমবুদ্ধি ৰূপ যোগৰ সংস্কাৰক (অনায়াসে)
লভতে = লাভ কৰি

চ = আৰু
কুৰুনন্দন = হে কুৰুনন্দন
ততঃ = তাৰ প্ৰভাৱত (সেইজনে)
ভূয়ঃ = আকৌ
সংসিদ্ধৌ = পৰমাত্মাৰ প্ৰাপ্তি ৰূপ সিদ্ধিৰ বাবে (পুনৰবাৰ অধিকতৰ)
য়ততে = যত্ন কৰে

**পূৰ্বাভ্যাসেন, তেন, এৱ, হ্নিয়তে, হি, অৱশঃ, অপি, সঃ**
**জিজ্ঞাসুঃ, অপি, য়োগস্য, শব্দব্ৰহ্ম, অতিবৰ্ততে ।।৪৪।।**
**আৰু -**

সঃ = তেওঁ (ধনৱানৰ ঘৰত জন্ম লোৱা যোগভ্ৰষ্ট)
অৱশঃ অপি = পৰাধীন হৈও
তেন = সেই
পূৰ্বাভ্যাসেন এৱ=আগৰ অভ্যাসৰ দ্বাৰাই
হি = নিসন্দেহে (ভগৱানৰ ফালে)

হ্নিয়তে = আকৰ্ষিত হয় (আৰু)
য়োগস্য=সমবুদ্ধিৰূপ যোগৰ (সেই)
জিজ্ঞাসুঃ অপি = জিজ্ঞাসুৱেও
শব্দব্ৰহ্ম= বেদত বৰ্ণিত সকাম কৰ্ম বিলাকৰ ফলক
অতিবৰ্ততে=উলংঘন কৰিবলৈ সমৰ্থ হয়

**প্ৰয়ত্নাত, য়তমানঃ, তু, য়োগী, সংশুদ্ধকিল্বিষঃ**
**অনেক জন্মসংসিদ্ধঃ ততঃ, য়াতি, পৰমা, গতিম ।। ৪৫।।**

তু = কিন্তু
প্ৰয়ত্নাত= অতি যত্নৰে
য়তমানঃ = অভ্যাস কৰা
য়োগী = যোগী
অনেকজন্মসংসিদ্ধঃ=পিছৰ অনেক জন্মৰ সংস্কাৰৰ বলত এই জন্মতে পবিত্ৰ হৈ

সংশুদ্ধকিল্বষঃ=সকলো পাপৰ পৰা ৰহিত হৈ
ততঃ = আকৌ সোনকালেই
পৰমা, গতিম = পৰম গতিক
য়াতি= প্ৰাপ্ত হৈ যায়

**তপস্বিভ্যঃ, অধিকঃ, য়োগী, জ্ঞানিভ্যঃ, অপি, মতঃ, অধিকঃ**
**কৰ্মিভ্যঃ, চ, অধিকঃ য়োগী, তস্মাৎ, য়োগী, ভৱ, অৰ্জুন ।।৪৬।।**
**কাৰণ -**

য়োগী = যোগীক
তপস্বিভ্যঃ = তপস্বীসকলতকৈ
অধিকঃ = শ্ৰেষ্ঠ,
জ্ঞানিভ্যঃ, অপি=জ্ঞানী সকলতকৈও
অধিকঃ = শ্ৰেষ্ঠ
মতঃ, চ = মানি লোৱা হয়, আৰু

কৰ্মিভ্যঃ=সকাম কৰ্ম কৰা সকলোতকৈও
য়োগী = যোগী
অধিকঃ = শ্ৰেষ্ঠ হয় ,
তস্মাৎ = এতেকে
অৰ্জুন = হে অৰ্জুন (তুমি)
য়োগী, ভৱ = যোগী হোৱা।

**য়োগিনাম, অপি, সৰ্বেষাম, মদগতেন, অন্তৰাত্মনা**
**শ্ৰদ্ধাৱান, ভজতে, য়ঃ, মাম, সঃ, মে, যুক্তমঃ, মত ।।৪৭।।**

**আৰু হে বোপা -**

সৰ্বেষাম = সম্পূৰ্ণ
য়োগিনাম, অপি=যোগীসকলৰ ভিতৰতো
য়ঃ = যি জন
শ্ৰদ্ধাবান = শ্ৰদ্ধাবান যোগীয়ে
মদগতেন = মোতেই সপি দিয়া
অন্তৰাত্মনা = অন্তৰাত্মাৰে (চিত্তেৰে)

মাম = মোক
ভজতে = ভজন কৰে
সঃ = সেইজন যোগী
মে = মোৰ মতে
যুক্তমঃ = পৰম শ্ৰেষ্ঠ
মতঃ = মানি লোৱা হয়।

**শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ৭ ৰ শ্লোকবোৰৰ প্ৰতিলিপি ঃ-**

## সপ্তম অধ্যায়

**ময়ি, আসক্তমনাঃ, পাৰ্থ, য়োগম, যুঞ্জন, মদাশ্ৰয়ঃ**
**অসং শয়ম, সমগ্ৰম, মাম, য়থা, জ্ঞাস্যসি, তত, শৃণু ।।১।।**

পাৰ্থ = হে পাৰ্থ
ময়ি,আসক্তমনাঃ=অনন্য প্ৰেমেৰে মোতে আসক্তচিত্ত (আৰু অনন্য ভাৱেৰে)
মদাশ্ৰয়ঃ = মোত আশ্ৰয় লৈ
য়োগম = যোগত
যুঞ্জন = অনুশীলন কৰি (তুমি)

য়থা = যি ভাৱে
সমগ্ৰম=সম্পূৰ্ণ বিভূতি,বল,ঐশ্বৰ্য্যাদি গুণযুক্ত সকলোৰে আত্মৰূপ
মাম = মোক
অসংশয়ম = নিসন্দেহে
জ্ঞাস্যসি = জানিবা
তত = তাক
শৃণু = শুনা

**জ্ঞানম, তে, অহম, সৱিজ্ঞানম্, ইদম, বক্ষ্যামি, অশেষতঃ**
**য়ত, জ্ঞাত্বা, ন, ইহ, ভূয়ঃ অন্যত, জ্ঞাতব্যম, অৱশিষ্যতে ।।২।।**

অহম = মই
তে = তোমাৰ বাবে
ইদম = এই
সবিজ্ঞানম্ = বিজ্ঞানযুক্ত
জ্ঞানম = তত্ত্ব জ্ঞানক
অশেষতঃ = সম্পূৰ্ণ প্ৰকাৰে
বক্ষ্যামি = কম

য়ত = যাক
জ্ঞাত্বা = জানি
ইহ=এই সংসাৰত (এই বিষয়ত)
ভূয়ঃ = আকৌ
অন্যত = আৰু কিছু
জ্ঞাতব্যম= জানিবৰ যোগ্য
ন, অৱশিষ্যতে= বাকী নাথাকে।

**মনুষ্যাণাম, সহস্ৰেষু, কশ্চিত, য়ততি, সিদ্ধয়ে**
**য়ততাম, অপি, সিদ্ধানাম, কশ্চিত, মাম, বেত্তি, তত্ত্বতঃ ।। ৩।।**

সহস্ৰেষু = হাজাৰ হাজাৰ
মনুষ্যাণাম = মানুহৰ মাজত
কশ্চিত=কোনো এজনে
সিদ্ধয়ে = মোক প্ৰাপ্তিৰ বাবে
য়ততি = যত্ন কৰে (আৰু সেই)
য়ততাম = যত্ন কৰা

সিদ্ধানাম,অপি=যোগী সকলৰ ভিতৰতো
কশ্চিত=কোনোবা এজনেহে(মোৰ আশ্ৰয়লৈ)
মাম = মোক
তত্ত্বতঃ = তত্ত্বতঃ অৰ্থাৎ স্বৰূপাৰ্থত
বেত্তি = জানে।

**ভূমিঃ, আপঃ, অনলঃ, ৱায়ুঃ, খম, মনঃ, বুদ্ধিঃ এৱ, চ**
**অহংকাৰঃ, ইতি, ইয়ম, মে, ভিন্না, প্ৰকৃতি, অষ্টধা ।। ৪।।**
**অপৰা, ইয়ম, ইতঃ, তু, অন্যাম, প্ৰকৃতিম, বিদ্ধি, মে, পৰাম**
**জীৱভূতাম, মহাবাহো, য়য়া, ইদম, ধাৰ্য়তে, জগত ।। ৫।।**
**কিন্তু হে অৰ্জুন -**

ভূমি = পৃথিৱী,
আপঃ = জল,
অনলঃ = অগ্নি,
ৱায়ুঃ = বায়ু,
খম = আকাশ,
মনঃ = মন,
বুদ্ধিঃ, চ = বুদ্ধি আৰু
অহংকাৰঃ = অহংকাৰ
এৱ, ইতি = ও এইদৰে
ইয়ম = এই বিলাক
অষ্টধা = আঠ প্ৰকাৰৰ
ভিন্না = ভিন্ন- ভিন্ন
মে = মোৰ
প্ৰকৃতিঃ = প্ৰকৃতি হয়।
ইয়ম = এই (আঠ প্ৰকাৰৰ বিভাজিত)

তু = কিন্তু
অপৰা = অপৰা অৰ্থাৎ মোৰ জড় প্ৰকৃতি হয় (আৰু)
মহাবাহো = হে মহাবাহু
ইতঃ = ইয়াতকৈ ভিন্ন
অন্যাম = দ্বিতীয় বিধ
য়য়া = যাৰ দ্বাৰা
ইদম = এই (সম্পূৰ্ণ)
জগতে = জগত
ধাৰ্য়তে = ধাৰণ কৰা যায়,
মে = মোৰ
জীৱভূতাম = জীৱ ৰূপা
পৰাম = পৰা অৰ্থাৎ চেতন
প্ৰকৃতিম = প্ৰকৃতি
বিদ্ধি = জানিবা।

**এতদ্যোনীনি, ভূতানি, সৰ্বানি, ইতি, উপধাৰয়**
**অহম, কৃৎস্নস্য, জগতঃ, প্ৰভৱঃ, প্ৰলয়ঃ, তথা ।। ৬ ।।**
**আৰু হে অৰ্জুন! তুমি -**

ইতি= এই
উপধাৰয় = বুলি জানিবা (যে)
সৰ্বাণি = সম্পূৰ্ণ
ভূতানি = প্ৰাণী
এতদ্যোনীনি= এই দুই প্ৰকৃতিৰ পৰাই উৎপন্ন হোৱা (আৰু)
অহম = মই

কৃৎস্নস্য = সমগ্ৰ
জগতঃ = জগতৰ
প্ৰভৱঃ = উৎপত্তি
তথা = আৰু
প্ৰলয়ঃ = প্ৰলয় হওঁ (অৰ্থাৎ সম্পূণ জগতৰ মূল কাৰণ হওঁ)।

**মত্তঃ, পৰতৰম, ন, অন্যত, কিঞ্চিৎ, অস্তি, ধনঞ্জয়**
**ময়ি, সৰ্বম, ইদম, প্ৰোতম, সূত্ৰে, মণিগণাঃ, ইৱ ।। ৭।।**
**সেইবাবে -**

ধনঞ্জয = হে ধনঞ্জয়
মত্তঃ = মোতকৈ
অন্যত = বেলেগ আন এটা
কিঞ্চিত= কোনো
পৰতৰম =পৰম (কাৰণ)
ন, অস্তি = নাই

ইদম = এই
সৰ্বম = সম্পূৰ্ণ (জগত)
সূত্ৰে = সূতাৰে
মণিগণাঃ = মণিবোৰৰ
ইৱ = দৰে
ময়ি = মোতে
প্ৰোতম = গঁথা আছে।

**ৰসঃ, অহম, অপ্সু, কৌন্তেয়, প্ৰভা, অস্মি, শশি সূৰ্য্যয়োঃ**
**প্ৰণৱঃ সৰ্ববেদেষু, শব্দঃ, খে, পৌৰুষম, নৃষু ।। ৮।।**

**এনেদৰে -**

কৌন্তেয় = হে কুন্তী পুত্ৰ
অহম = মই
অ প্সু = জলত
ৰসঃ = ৰস (হওঁ)
শশিসূৰ্যয়োঃ = চন্দ্ৰ আৰু সূৰ্যত
প্ৰভা, অস্মি = প্ৰকাশ হঁও

সৰ্ববেদেষু = সকলো বেদত
প্ৰণৱঃ = ওঁঙ্কাৰ (হওঁ)
খে = আকাশত
শব্দঃ = শব্দ (আৰু)
নৃষু = পুৰুষৰ মাজত
পৌৰুষম = পৌৰুষত্ব (হওঁ)।

**পুণ্যঃ, গন্ধঃ, পৃথিব্যাম, চ, তেজঃ, চ, অস্মি, বিভাৱসৌ**
**জীৱনম, সৰ্বভূতেষু, তপঃ, চ, অস্মি, তপস্বিষু ।। ৯।।**

**আৰু মই -**

পৃথিব্যাম = পৃথিৱীত
পুণ্যঃ = পবিত্ৰ
গন্ধঃ = গন্ধ
চ = আৰু
বিভাৱসৌ = অগ্নিত
তেজঃ = তেজ (প্ৰখৰতা)
অস্মি = হওঁ

চ = আৰু
সৰ্বভূতেষু=সকলো প্ৰাণীৰ
জীৱনম=জীৱন (প্ৰাণ হওঁ)
চ = আৰু
তপস্বিষু=তপস্বী সকলৰ ভিতৰত
তপঃ = তপ
অস্মি = হওঁ।

**বীজম, মাম, সৰ্বভূতানাম, ৱিদ্ধি, পাৰ্থ, সনাতনম,**
**বুদ্ধিঃ, বুদ্ধিমতাম, অস্মি, তেজঃ, তেজস্বিনাম, অহম ।।১০।।**

**আৰু -**

পাৰ্থ = হে অৰ্জুন (তুমি)
সৰ্বভূতানাম = সকলো প্ৰাণীৰ
সনাতনম = চিৰন্তন
বীজম =বীজ
মাম = মোকেই
ৱিদ্ধি = জানিবা

অহম = মই
বুদ্ধিমতাম=বুদ্ধিমান সকলৰ
বুদ্ধিঃ = বুদ্ধি আৰু
তেজস্মিনাম = তেজস্বী সকলৰ
তেজঃ = তেজ
অস্মি = হওঁ।

**বলম, বলৱতাম, চ, অহম, কামৰাগৱিৱৰ্জিতম**
**ধৰ্মাৱিৰুদ্ধঃ, ভূতেষু, কামঃ, অস্মি, ভৰতৰ্ষভ ।। ১১ ।।**

**আৰু -**

ভৰতৰ্ষভ = হে ভৰত শ্ৰেষ্ঠ
অহম = মই
বলৱতাম = বলবান সকলৰ
কামৰাগ ৱিৱৰ্জিতম=কামভাৰ আৰু আসক্তি ৰহিত
বলম =বল অৰ্থাৎ সামৰ্থ্য হওঁ

চ = আৰু
ভূতেষু = সকলো প্ৰাণীত
ধৰ্মাৱিৰুদ্ধঃ = ধৰ্মৰ অনুকূল অৰ্থাৎ শাস্ত্ৰৰ অনুকূল
কামঃ = কাম
অস্মি = হওঁ।

**য়ে, চ, এৱ, সাত্ত্বিকাঃ, ভাৱাঃ, ৰাজসাঃ, তামসাঃ, চ, য়ে**
**মত্ত, এৱ, ইতি, তান, ৱিদ্ধি, ন, তু, অহম, তেষু, তে, ময়ি ।।১২।।**

**আৰু -**

চ, এৱ = আৰু নিশ্চিত ভাৱে
য়ে = যিবিলাক
সাত্ত্বিকাঃ = সত্ত্ব গুণৰ পৰা উৎপন্ন হোৱা
ভাৱাঃ = ভাৱসমূহ আছে (আৰু)
য়ে = যিবিলাক
ৰাজসাঃ = ৰজগুণৰ (কাম ভাৱৰ) পৰা
চ, তামসাঃ = আৰু তম গুণৰ (অজ্ঞানৰ) পৰা হোৱা ভাৱ আছে

তান = সেই বিলাকক
মওঃ, এৱ = মোৰ পৰাই হোৱা
ইতি , বিদ্ধি = বুলি জানিবা
তু = কিন্তু (প্ৰকৃততে)
তেষু = সেই বিলাকত
অহম = মই (আৰু)
তে= সেই বিলাক
ন, ময়ি = মোত নাই ।

**ত্ৰিভিঃ গুণময়ৈঃ, ভাৱৈঃ, এভিঃ, সৰ্বম, ইদম, জগত**
**মোহিতম, ন, অভিজানাতি, মাম, এভ্যঃ, পৰম, অব্যয়ম।।১৩।।**

**কিন্তু -**

গুণময়ৈঃ = গুণবিলাকৰ দ্বাৰা সাত্ত্বিক, ৰাজসিক আৰু তামসিক
এভি , ত্ৰিভিঃ = এই তিনি বিধ
ভাৱৈ = ভাৱেৰে
ইদম = এই
সৰ্বম = সমস্ত
জগত = সংসাৰৰ প্ৰাণী সমূহ

মোহিতম=মোহিত হৈ আছে (এইবাবে)
এভ্যঃ=এই তিনি গুণৰ পৰা
পৰম = বেলেগ
মাম = মোক
অব্যয়ম = অবিনাশীক
ন = না
অভিজানাতি = জানে।

**দৈৰী, হি, এষা, গুণময়ী, মম, মায়া, দুৰত্যয়া,**
**মাম, এৱ, য়ে, প্ৰপদ্যন্তে, মায়াম, এতাম, তৰন্তি, তে ।।১৪।।**

হি = কাৰণ
এষা = এই
দৈৰী = অলৌকিক অৰ্থাৎ অতি অদ্ভুত
গুণময়ী = ত্ৰিগুণাত্মিকা
মম = মোৰ
মায়া = মায়া শক্তিক
দুৰাত্যয়া = সহজে অতিক্ৰম কৰি যাব নোৱাৰি (কিন্তু)

য়ে=যি জনে (কেৱল)
মাম, এৱ = মোকেই মাত্ৰ (নিৰন্তৰ)
প্ৰপদ্যন্তে = ভজে
তে = তেওঁলোকে
এতাম = এই
মায়াম = মায়াক
তৰন্তি = উলংঘন কৰি যায় অৰ্থাৎ সংসাৰ পাৰ হৈ যায়।

**ন, মাম, দুস্কৃতিনঃ, মূঢ়া, প্ৰপদ্যন্তে, নৰাধমাঃ**
**মায়য়া, অপহৃতজ্ঞানাঃ, আসুৰম, ভাৱম, আশ্ৰিতাঃ ।।১৫।।**

**এনে সুগম উপায় থকা স্বত্তেও-**

মায়য়া = মায়াৰ দ্বাৰা
অপহৃতজ্ঞানাঃ=যাৰ জ্ঞান অপহৰণ কৰি নিয়া হৈছে (এনেকুৱা)
আসুৰম, ভাৱম = অসুৰ স্বভাৱ
আশ্ৰিতাঃ = ধাৰণ কৰা

নৰাধমাঃ = নৰাধম, নীচ
দুস্কৃতিনঃ = দুস্কৃতিকাৰী
মূঢ়া =মূৰ্খ বিলাকে
মাম =মোক
ন, প্ৰপদ্যন্তে = নভজে।

**চতুৰ্ৰ্বিধাঃ, ভজন্তে, মাম, জনাঃ, সুকৃতিনঃ, অৰ্জুন**
**আৰ্তঃ, জিজ্ঞাসুঃ, অৰ্থাৰ্থী, জ্ঞানী, চ, ভৰতৰ্ষভ ।। ১৬ ।।**
**আৰু -**

ভৰতৰ্ষভ, অৰ্জুন=হে ভৰতবংশী সকলৰ ভিতৰত শ্ৰেষ্ঠ অৰ্জুন
সুকৃতিনঃ = উত্তম কৰ্ম কৰোতা,
অৰ্থাৰ্থী = ঐশ্বৰ্য অভিলাষী,
আৰ্তঃ = কষ্টত পৰি বিবুদ্ধি হোৱা,
জিজ্ঞাসুঃ = জ্ঞান পিপাসু

চ = আৰু
জ্ঞানী = জ্ঞানী (এনে)
চতুৰ্ৰ্বিধাঃ = চাৰি বিধৰ
জনাঃ = ভক্তসকলে
মাম = মোক
ভজন্তে = ভজে।

**তেষাম, জ্ঞানী, নিত্যযুক্তঃ, একভক্তিঃ, বিশিষ্যতে,**
**প্ৰিয়ঃ, হি, জ্ঞানিনঃ, অত্যৰ্থম, অহম, সঃ, চ, মম, প্ৰিয়ঃ।।১৭।।**

তেষাম = তেওঁলোকৰ ভিতৰৰে
নিত্যযুক্তঃ=নিত্য মোতে একীভাৱেৰে স্থিত
একভক্তিঃ = অনন্য প্ৰেমভক্তি কৰা
জ্ঞানী = জ্ঞানী ভক্ত
বিশিষ্যতে= অতি উত্তম হয় ,
হি = কাৰণ (মোক তত্ত্বেৰে জনা)
জ্ঞানিনঃ = জ্ঞানীক

অহম = মই
অত্যৰ্থম = অতি
প্ৰিয়ঃ = প্ৰিয় হওঁ
চ = আৰু
সঃ = সেই জ্ঞানী
মম, প্ৰিয়ঃ = মোৰ (অতি) প্ৰিয় হয়।

**উদাৰাঃ, সৰ্বে, এৱ, এতে, জ্ঞানী, তু, আত্মা, এৱ, মে, মতম,**
**আস্থিতঃ, সঃ, হি, যুক্তাত্মা, মাম, এৱ, অনুত্তমাম, গতিম ।।১৮।।**

এতে = এই
সৰ্বে, এৱ = সকলোৱেই
উদাৰাঃ = উদাৰ - মহান হয়
তু = কিন্তু
জ্ঞানী = জ্ঞানীজন (সাক্ষাত)
আত্মা, এৱ = মোৰ আত্মাস্বৰূপ নিশ্চয়
মে = (এইটো) মোৰ
মতম = মত হয়

হি = কাৰণ
সঃ = সেই
যুক্তাত্মা=মোতেই মনবুদ্ধি ৰখা (জ্ঞানী ভক্ত জন)
অনুত্তমাম = অতি উত্তম
গতিম = গতি স্বৰূপ
মাম, এৱ = মোতেই
আস্থিতঃ = ভালদৰে স্থিত হয়।

**বহুনাম, জন্মনাম, অন্তে, জ্ঞানৱান, মাম, প্ৰপদ্যন্তে**
**ৱাসুদেৱঃ, সৰ্ৱম, ইতি, সঃ, মহাত্মা, সুদুৰ্লভ ।। ১৯ ।।**
**আৰু যি জনে -**

বহুনাম = বহুতো
জন্মনাম = জন্মৰ
অন্তে = শেষৰ জন্মত
জ্ঞানৱান = তত্ত্বজ্ঞান প্ৰাপ্ত পুৰুষে
সৰ্ৱম = সকলো
ৱাসুদেৱঃ =বাসুদেৱেই হয়

ইতি = বুলি
মাম = মোক
প্ৰপদ্যন্তে = ভজে
সঃ = সেইজন
মহাত্মা = মহাত্মা
সুদুৰ্লভঃ = অতি দুৰ্লভ।

**কামৈঃ, তৈঃ, তৈঃ, হৃতজ্ঞানা, প্ৰপদ্যন্তে, অন্যদেৱতাঃ**
**তম, তম, নিয়মম, আস্থায়, প্ৰকৃত্যা, নিয়তাঃ, স্বয়া ।।২০।।**
**আৰু হে অৰ্জুন -**

তৈঃ তৈ = ইটো-সিটো (ভোগৰ)
কামৈঃ = কামনাৰ দ্বাৰা
হৃতজ্ঞানাঃ = যাৰ জ্ঞান অপহৃত হৈছে (তেওঁলোকে)
স্বয়া = নিজৰ
প্ৰকৃত্যা = স্বভাৱৰ দ্বাৰা
নিয়তাঃ = প্ৰেৰিত হৈ
তম, তম = সেই-সেই
নিয়মম = নিয়মক
আস্থায় = অনুসৰণ কৰি
অন্যদেৱতাঃ= অন্যদেৱতা সকলক
প্ৰপদ্যন্তে= ভজে অৰ্থাৎ পূজা কৰে।

**য়ঃ, য়ঃ, য়াম, য়াম, তনুম, ভক্তঃ, শ্ৰদ্ধয়া, অৰ্চিতুম, ইচ্ছতি,**
**তস্য, তস্য, অচলাম, শ্ৰদ্ধাম, তাম, এৱ, ৱিদধামি, অহম ।।২১।।**

য়ঃ, য়ঃ = যি যি
ভক্তঃ = ভক্তই
য়াম, য়াম = যি যি
তনুম = দেৱমূৰ্তি
শ্ৰদ্ধায়া = শ্ৰদ্ধাৰে
অৰ্চিতুম = পূজা-অৰ্চনা কৰিবলৈ
ইচ্ছতি = ইচ্ছা কৰে
তস্য = সেই
তস্য = সেই (ভক্তৰ)
শ্ৰদ্ধাম = শ্ৰদ্ধাক
অহম = মই
তাম, এৱ = সেই দেৱতাৰ প্ৰতি
অচলাম = স্থিৰ
ৱিদধামি = কৰি দিওঁ।

**সঃ, তয়া, শ্ৰদ্ধয়া, যুক্তঃ, তস্য, আৰাধনম, ঈহতে,**
**লভতে, চ, ততঃ, কামান, ময়া, এৱ, ৱিহিতান, হি, তান ।।২২।।**
**আৰু -**

সঃ = তেওঁলোকে
তয়া = সেই
শ্ৰদ্ধয়া, যুক্তঃ = শ্ৰদ্ধাৰে যুক্ত হৈ
তস্য = সেই দেৱতাৰ
আৰাধনম = পূজা
ঈহতে = কৰে
চ = আৰু
ততঃ = সেই দেৱতাৰ পৰা
ময়া , এৱ = মোৰ দ্বাৰাই
ৱিহিতান = বিধান কৰা মতে
তান = সেই
কামান = কামনা-বাসনাৰ ভোগ
হি = নিসন্দেহে
লভতে = লাভ কৰে।

**অন্তৱত, তু, ফলম, তেষাম, তত, ভৱতি, অল্পমেধসাম,**
**দেৱান, দেৱয়জঃ, য়ান্তি, মদ্ভক্তাঃ, য়ান্তি. মাম, অপি ।। ২৩ ।।**

তু = কিন্তু
তেষাম = সেই
অল্পমেধসাম = অল্পবুদ্ধি সকলৰ
তত = সেই
ফলম = ফল
অন্তৱত = বিনাশী (নষ্ট)
ভৱতি = হয় (আৰু সেই)
দেৱয়জঃ=দেৱতা পূজা কৰা সকলে
দেৱান = দেৱতা সকলক
য়ান্তি =পায় (আৰু)
মদ্ভক্তাঃ=মোৰ ভক্ত সকলে (যিদৰেই নভজক কিয়, অন্তিমত তেওঁলোকে)
মাম, অপি = মোকেই
য়ান্তি = প্ৰাপ্ত কৰে।

**অব্যক্তম, ব্যক্তিম, আপন্নম, মন্যন্তে, মাম, অবুদ্ধয়ঃ**
**পৰম, ভাৱম, অজানন্তঃ, মম, অব্যয়ম, অনুত্তমাম ।। ২৪ ।।**
**তথাপিও সকলো মানুহে মোৰ ভজন নকৰে, তাৰ কাৰণ হ'ল -**

অবুদ্ধয়ঃ = বুদ্ধিহীন সকলে
মম = মোৰ
অনুত্তমম = অনুত্তম
অব্যয়ম, পৰম = অবিনাশী পৰম
ভাৱম = ভাৱক (স্বৰূপ)
অজানন্ত = নাজানি

অব্যক্তম = মন ইন্দ্রিয়ৰ অগোচৰ
মাম=মোক-সচিদানন্দঘন পৰমাত্মাক মানুহৰ দৰে জন্ম লৈ
ব্যক্তিম =ব্যক্তি ৰূপত
আপন্নম = প্ৰাপ্ত হোৱা (অহা)
মন্যন্তে = মানি লয়।

**ন, অহম, প্ৰকাশঃ সৰ্বস্য, যোগমায়া সমাবৃতঃ**
**মূঢ়, অয়ম, ন, অভিজানাতি, লোকঃ, মাম, অজম, অব্যয়ম ।।২৫।।**

যোগমায়া সমাবৃত = নিজৰ যোগমায়াৰে আবৃত্ত
অহম = মই
সৰ্বস্য = সকলোৰে (আগত)
প্ৰকাশঃ = প্ৰত্যক্ষ
ন = নহওঁ (সেইবাবেই)
অয়ম = এই
মূঢ় = অজ্ঞানী

লোকঃ = মানুহবিলাকে
মাম = মোক,
অজম = জন্মৰহিত
অব্যয়ম = অবিনাশী পৰমেশ্বৰক
ন-অভিজানাতি=নাজানে (অৰ্থাৎ মোক জন্ম গ্ৰহণ আৰু মৃত্যুবৰণ কৰা বুলি জানে)

**বেদ, অহম, সমতীতানি, বৰ্তমানানি, চ, অৰ্জুন,**
**ভবিষ্যাণি, চ, ভূতানি, মাম, তু, বেদ, ন, কশ্চন ।। ২৬ ।।**
**আৰু -**

অৰ্জুন = হে অৰ্জুন
সমতীতানি = সম্পূৰ্ণৰূপে অতীত হোৱা
চ = আৰু
বৰ্তমানানি = বৰ্তমান সময়ৰ
চ = লগতে
ভৱিষ্যাণি = ভৱিষ্যতে হ'বলগীয়া
ভূতানি = সকলো প্ৰাণীক

অহম = মই
বেদ = জানো
তু = কিন্তু
মাম = মোক
কশ্চন=কোনেও(শ্ৰদ্ধাভক্তিৰহিতজনে)
ন = না
বেদ = জানে।

**ইচ্ছাদ্বেষসমুত্থেন, দ্বন্দ্বমোহেন, ভাৰত,**
**সৰ্বভূতানি, সম্মোহম, সৰ্গে, য়ান্তি, পৰন্তপ ।।২৭।।**
**কাৰণ -**

ভাৰত = হে ভৰতবংশী
পৰন্তপ = অৰ্জুন
সৰ্গে = সংসাৰত
ইচ্ছাদ্বেষ = ইচ্ছা আৰু দ্বেষৰ পৰা
সমুত্থেন = উৎপন্ন

দ্বন্দ্বমোহেন=সুখ-দুঃখাদি দ্বন্দ্বৰূপ মোহৰ দ্বাৰা
সৰ্বভূতানি = সকলো প্ৰাণী
সম্মোহম = অত্যন্ত অজ্ঞানতাক
য়ান্তি = প্ৰাপ্ত হৈ আছে

**য়েষাম, তু, অন্তগতম, পাপম, জনানাম, পূণ্যকৰ্মণাম,**
**তে, দ্বন্দ্বমোহনিৰ্মুক্তাঃ ভজন্তে, মাম, দৃঢ়ব্ৰতাঃ ।।২৮।।**

তু = কিন্তু (নিস্কাম ভাৱেৰে)
পুণ্যকৰ্মণাম = শ্ৰেষ্ঠ কৰ্মৰ আচৰণ কৰা
য়েষাম = যি
জনানাম = সকল পুৰুষৰ
পাপম = পাপ
অন্তগতম = নষ্ট হৈ গৈছে

তে = সেই সকল
দ্বন্দ্বমোহনিৰ্মুক্তাঃ=ৰাগ-দ্বেষজনিত দ্বন্দ্বৰূপ মোহৰ পৰা মুক্ত
দৃঢ়ব্ৰতাঃ = দৃঢ় নিশ্চয়ৰ ভক্তই
মাম = মোক (সকলো প্ৰকাৰে)
ভজন্তে = ভজে।

**জৰামৰণমোক্ষায়, মাম, আশ্ৰিত্য, য়তন্তি, য়ে**
**তে, ব্ৰহ্ম, তত, বিদুঃ, কৃৎস্নম, অধ্যাত্মম, কৰ্ম, চ, অখিলম।।২৯।। আৰু -**

য়ে = যি
মাম = মোৰ
আশ্ৰিত্য = শৰণাগত হৈ
জৰামৰণমোক্ষায়=জৰা আৰু মৰণৰ পৰা মুক্তি পাবৰ বাবে
য়তন্তি = যত্ন কৰে
তে= সেই (পুৰুষে)
তত = সেই

ব্ৰহ্ম = ব্ৰহ্মক
কৃৎস্নম = সম্পূৰ্ণ
অধ্যাত্মম = অধ্যাত্ম বিষয়ক
চ = আৰু
অখিলম = সম্পূৰ্ণ
কৰ্ম = কৰ্মক
বিদুঃ = জানে।

**সাধিভূতাধিদৈৱম, মাম, সাধিয়জ্ঞম, চ, য়ে, বিদুঃ,**
**প্ৰয়াণ কালে, অপি, চ, মাম, তে, বিদুঃ, য়ুক্তচেতসঃ ।।৩০।। আৰু -**

য়ে = যি পুৰুষে
সাধি ভূতাধিদৈৱম = অধিভূত আৰু অধিদৈৱৰ সৈতে
চ = আৰু
সাধিয়জ্ঞম=অধিযজ্ঞৰ সৈতে (সকলোৰে আত্মস্বৰূপ)
মাম = মোক

প্ৰয়াণকালে অপি = মৃত্যুৰ সময়তো
বিদুঃ = জানে
তে = সেই
যুক্তচেতসঃ = যুক্তচিত্তৰ পুৰুষে
মাম, চ = মোকেই
বিদুঃ=জানে অৰ্থাৎ সেই পুৰুষ মোক প্ৰাপ্ত হয়।

**শ্ৰীমদ্ভাগৱত গীতা অদ্যায় ৮ ৰ কিছুমান শ্লোকৰ প্ৰতিলিপি**

**অষ্টম অধ্যায়**

**অৰ্জুন উৱাচ**

**কিম, তত, ব্ৰহ্ম, কিম, অধ্যাত্মম, কিম কৰ্ম, পুৰুষোত্তম,**
**অধিভূতম, চ, কিম, প্ৰোক্তম, অধিদৈৱম, কিম, উচ্যতে।। ১।।**
**ভগৱানৰ কথা নুবুজাত অৰ্জুনে এইদৰে সুধিলে -**

পুৰুষোত্তম = হে পুৰুষোত্তম
তত = সেই
ব্ৰহ্ম = ব্ৰহ্ম
কিম = কি?
অধ্যাত্মম = অধ্যাত্ম
কিম = কি?
কৰ্ম = কৰ্ম
কিম = কি?

অধিভূতম = অধিভূত
কিম = কাক
প্ৰোক্তম = বোলে?
চ = আৰু
অধিদৈৱম = অধিদৈৱ
কিম = কাক
উচ্যতে = বোলা হয়?

**অধিয়জ্ঞঃ কথম, কঃ অত্ৰ, দেহে, অস্মিন, মধুসূদন,**
**প্ৰয়াণ কালে, চ, কথম, জ্ঞেয়ঃ, অসি, নিয়তাত্মভিঃ ।।২।।**

মধুসূদন = হে মধুসূদন,
অত্ৰ = ইয়াত
অধিয়জ্ঞঃ = অধিযজ্ঞ
কঃ = কোন হয় ? (আৰু ই)
অস্মিন, দেহে = এই শৰীৰত
কথম = কেনেকৈ আছে ?

চ = আৰু
নিয়তাত্মভিঃ=যুক্তচিত্তৰ পুৰুষৰ দ্বাৰা
প্ৰয়াণ কালে=মৃত্যুৰ সময়ত (আপুনি)
কথম = কিদৰেনো
জ্ঞেয়ঃ = জ্ঞাত
অসি = হয় ?

**অক্ষৰম, ব্ৰহ্ম, পৰমম, স্বভাৱঃ অধ্যাত্মম, উচ্যতে,**
**ভূতভাৱোদ্ভৱকৰঃ, বিসৰ্গঃ, কৰ্মসংজ্ঞিতঃ ।।৩।।**

**অৰ্জুনে প্ৰশ্ন কৰাত ভগৱানে এইদৰে উত্তৰ দিলে - অৰ্জুন**

পৰমম = পৰম
অক্ষৰম = অক্ষৰ
ব্ৰহ্ম = ব্ৰহ্ম হয়,
স্বভাৱ = নিজৰ স্বৰূপ অৰ্থাৎ জীৱাত্মাক
অধ্যাত্মম = "অধ্যাত্ম"

উচ্যতে = বুলি কোৱা হয় (আৰু)
ভূতভাৱোদ্ভৱকৰ=প্ৰাণীৰ ভাৱ
উৎপন্ন কৰা (যি)
বিসৰ্গঃ = ত্যাগ হয় (তাক)
কৰ্মসংজ্ঞিত='কৰ্ম' বুলি কোৱা হয়

**অধিভূতম, ক্ষৰঃ ভাৱঃ পুৰুষঃ, চ, অধিদৈৱতম,**
**অধিয়জ্ঞঃ, অহম, এৱ, অত্ৰ, দেহে, দেহভৃতাম, ৱৰ।।৪।।**

**আৰু -**

ক্ষৰঃ, ভাৱঃ = উৎপত্তি আৰু বিনাশ
হোৱা সকলো পদাৰ্থ (নশ্বৰ)
অধিভূতম = অধিভূত হয়,
পুৰুষঃ = হিৰণ্যময় পুৰুষ
অধিদৈৱতম = অধিদৈৱ হয়
চ = আৰু

দেহভৃতাম, ৱৰ=হে দেহধাৰী সকলৰ
শ্ৰেষ্ঠ অৰ্জুন
অত্ৰ = এই
দেহে = শৰীৰত
অহম, এৱ= ময়েই বাসুদেৱ (ৰূপত)
অধিয়জ্ঞ = অধিযজ্ঞ হওঁ।

**অন্তকালে, চ, মাম, এৱ, স্মৰণ, মুক্তৱা, কলেৱৰম,**
**য়ঃ প্ৰয়াতি, সঃ মদ্ভাৱম, য়াতি, ন, অস্তি, অত্ৰ, সংশয়ঃ ।।৫।।**

**আৰু -**

য়ঃ = যি পুৰুষে
অন্তকালে, চ = মৃত্যুৰ সময়তো
মাম, এৱ = মোকেই
স্মৰণ = স্মৰণ কৰি থাকি
কলেৱৰম = শৰীৰ
মুক্তৱা = ত্যাগ কৰি
প্ৰয়াতি = যায়

সঃ = তেওঁ
মদ্ভাৱম = মোৰ সাক্ষাত স্বৰূপক
য়াতি = প্ৰাপ্ত হয়
অত্ৰ = ইয়াত (একো)
সংশয়ঃ = সন্দেহ
ন,অস্তি = নাই।

**য়ম, য়ম, ৱা, অপি, স্মৰণ, ভাৱম, ত্যজতি, অন্তে, কলেৱৰম,**
**তম, তম, এৱ, এতি, কৌন্তেয়, সদা, তদ্ভাৱভাৱিতঃ ।। ৬ ।।**
**কাৰণ এই যে -**

| | |
|---|---|
| কৌন্তেয়=হে কুন্তী পুত্ৰ অৰ্জুন (এই মনুষ্য) | ত্যজতি = ত্যাগ কৰে |
| অন্তে = মৃত্যুৰ সময়ত | তম,তম,এৱ=সেই সেই(ভাৱ)বোৰকেই |
| য়ম, য়ম = যি যি | এতি = প্ৰাপ্ত হয় (কাৰণ তেওঁ) |
| ৱা, অপি, ভাৱম = ভাৱবোৰকেই | সদা = সদায় |
| স্মৰণ = স্মৰণ কৰি থাকি | তদ্ভাৱভাৱিতাঃ=সেই ভাৱ পৰায়ণ হৈ থাকে। |
| কলেৱৰম = শৰীৰ | |

**(একেৰাহে ভগৱৎ চিন্তন কৰি যুদ্ধ কৰাৰ আদেশ আৰু তাৰ ফল)**

**তস্মাৎ, সৰ্বেষু, কালেষু, মাম, অনুস্মৰ, য়ুদ্ধ, চ,**
**ময়ি,অৰ্পিতমনোবুদ্ধিঃ, মাম, এৱ, এষ্যসি, অসংশয়ম ।। ৭ ।।**

| | |
|---|---|
| তস্মাত = এতেকে (হে অৰ্জুন তুমি) | ময়ি = মোতে |
| সৰ্বেষু = সকলো | অৰ্পিতমনোবুদ্ধিঃ = মন আৰু বুদ্ধি অৰ্পণ কৰি (তুমি) |
| কালেষু = সময়তে (একেৰাহে) | অসংশয়ম = নিসন্দেহে |
| মাম, অনুস্মৰ = মোক স্মৰণ কৰা | মাম, এৱ = মোকেই |
| চ = আৰু | এষ্যসি = প্ৰাপ্ত হ'বা। |
| য়ুদ্ধ = যুদ্ধও কৰা (এইদৰে) | |

**অভ্যাসয়োগয়ুক্তেন, চেতসা, নান্যগামিনা,**
**পৰমম, পুৰুষম, দিব্যম, য়াতি, পাৰ্থ, অনুচিন্তয়ন।। ৮।।**

| | |
|---|---|
| পাৰ্থ = হে পাৰ্থ (নিয়ম আছে যে) | অনুচিন্তয়ন=অনবৰতে চিন্তা কৰি থাকি (মনুষ্য) |
| অভ্যাসয়োগয়ুক্তেন = পৰমেশ্বৰৰ ধ্যানৰ অভ্যাসৰূপ যোগত মগ্ন | পৰমম = পৰম (প্ৰকাশ স্বৰূপ) |
| নান্যগামিনা=আন কোনো ফালে ঢাল নোখোৱা | দিব্যম = দিব্য |
| চেতসা = চিত্তেৰে | পুৰুষম = পুৰুষক (অৰ্থাৎ পৰমেশ্বৰকেই) |
| | য়াতি = প্ৰাপ্ত হয়। |

**কৱিম, পুৰাণম, অনুশাসিতাৰম, অণোঃ, অণীয়াংসম,**
**অনুস্মৰেত, য়, সৰ্বস্য, ধাতাৰম, অচিন্ত্যৰূপম,**
**আদিত্যবৰ্ণম, তমসঃ পৰস্তাত ।।৯।।**

| | |
|---|---|
| য় = যি পুৰুষে | অচিন্ত্যৰূপম = অচিন্ত্যৰূপ |
| কৱিম = সৰ্বজ্ঞ, | আদিত্যবৰ্ণম=সূৰ্যৰ দৰে চেতন প্ৰকাশ ৰূপ (আৰু) |
| পুৰাণম = অনাদি, | তমসঃ = অবিদ্যাৰ পৰা |
| অনুশাসিতাৰম = সৰ্বনিয়ন্তা, | পৰস্তাত = দূৰৰ শুদ্ধ সচিদানন্দঘন পৰমেশ্বৰৰ |
| অণোঃ, অণীয়াংসম = অণুতকৈও অতি সুক্ষ্ম (সুক্ষ্মাতিসুক্ষ্ম) | অনুস্মৰেত = স্মৰণ কৰে - |
| সাৰ্বস্য = সকলোৰে | |
| ধাতাৰম = ধাৰণ-পোষণ কৰোঁতা | |

**প্ৰয়াণকালে, মনসা, অচলেন, ভক্ত্যা, য়ুক্তঃ, য়োগবলেন,
চ, এৱ, ভ্ৰুৱোঃ, মধ্যে, প্ৰাণম, আৱেশ্য, সম্যক, সঃ, তম,
পৰম, পুৰুষম, উপৈতি, দিব্যম।। ১০।।**

সঃ = সেই
ভক্ত্যা, য়ুক্তঃ = ভক্তিযুক্ত পুৰুষ
প্ৰয়াণকালে = মৃত্যুৰ সময়তো
য়োগবলেন = যোগ বলেৰে
ভ্ৰুৱোঃ = ভ্ৰূযুগলৰ
মধ্যে = মাজত
প্ৰাণম = প্ৰাণক
সম্যক = ভালদৰে
আৱেশ্য = স্থিৰ কৰি

চ = আকৌ
অচলেন = অচল
মনসা = মনেৰে
(স্মৰণ) = স্মৰণ কৰি
তম = সেই
দিব্যম = দিব্যৰূপ
পৰম = পৰম
পুৰুষম, এৱ = পৰমেশ্বৰকেই
উপৈতি = প্ৰাপ্ত হ'ব

**য়ত, অক্ষৰম, ৱেদৱিদঃ, ৱদন্তি, বিশন্তি, য়ত, য়তয়, বীতৰাগাঃ, য়ত, ইচ্ছন্তঃ
ব্ৰহ্মচৰ্য়ম, চৰন্তি, তত, তে, পদম, সংগ্ৰহেণ, প্ৰৱক্ষ্যে।। ১১।।**

**আৰু হে অৰ্জুন -**

ৱেদৱিদঃ = বেদৰ জ্ঞাতা বিদ্বানসকলে
য়ত = যি সচিদানন্দঘনৰূপ পৰম পদক
অক্ষৰম = অবিনাশী
ৱদন্তি = বোলে,
ৱীতৰাগাঃ য়তয়া= আসক্তিৰহিত
যত্নশীল সন্যাসী মহাত্মাসকল
য়ত = য'ত
বিশন্তি = প্ৰবেশ কৰে (আৰু)

য়ত = যি পৰমপদক
ইচ্ছন্তঃ=পাবলৈ বিচাৰি (ব্ৰহ্মচাৰীয়ে)
ব্ৰহ্মচৰ্য়ম = ব্ৰহ্মচৰ্য্যৰ
চৰন্তি = আচৰণ কৰে
তত = সেই
পদম = পৰমপদৰ বিষয়ে (মই)
তে=তোমাৰ বাবে
সংগ্ৰহেন = সংক্ষেপে
প্ৰৱক্ষ্যে = কম

**সৰ্বদ্বাৰাণি, সংয়ম্য, মনঃ, হৃদি, নিৰুধ্য, চ
মূৰ্ধ্নি, আধায়, আত্মনঃ, প্ৰাণম, আস্থিতঃ, যোগধাৰণাম ।।১২।।
ওম, ইতি, একাক্ষৰম, ব্ৰহ্ম, ব্যাহৰণ, মাম, অনুস্মৰণ,
য়ঃ, প্ৰয়াতি, ত্যজন, দেহম, সঃ, য়াতি, পৰমাম, গতিম।।১৩।।**

সৰ্বদ্বাৰাণি = সমস্ত ইন্দ্ৰিয়দ্বাৰ
সংয়ম্য = সংযত কৰি
চ = আৰু
মনঃ = মনক
হৃদি = হৃদয়ত
নিৰুধ্য = স্থিৰ কৰি (আকৌ সেই বিজিত
মনেৰে)
প্ৰাণম = প্ৰাণক
মূৰ্ধ্নি = মূৰত
আধায় = স্থাপিত কৰি
আত্মনঃ =পৰমাত্মা সম্বন্ধি
য়োগধাৰণাম = যোগধাৰণাত
আস্থিতঃ = স্থিত হৈ
য়ঃ = যি পুৰুষে

ওম = (ওম) ওঁ
ইতি = এই
একাক্ষৰম = এক অক্ষৰৰূপ
ব্ৰহ্ম = ব্ৰহ্মক
ব্যাহৰণ = উচ্চাৰণ কৰি থাকি
(আৰু তাৰ অৰ্থৰূপ)
মাম = মই নিৰ্গুণ ব্ৰহ্মৰ
অনুস্মৰণ = চিন্তন কৰি
দেহম = শৰীৰ
ত্যজন = ত্যাগ কৰি
প্ৰয়াতি = যায়
সঃ = সেই পুৰুষ
পৰমাম, গতিম =পৰম গতিক
য়াতি = প্ৰাপ্ত হয়।

**অনন্যচেতাঃ, সততম, য়ঃ, মাম, স্মৰতি, নিত্যশঃ,**
**তস্য, অহম, সুলভঃ, পাৰ্থ, নিত্যয়ুক্তস্য, য়োগিনঃ ।।১৪।।**

**আৰু -**

পাৰ্থ = হে অৰ্জুন
য়ঃ = যি পুৰুষে
(ময়ি) = মোত
অনন্যচেতাঃ = অনন্যচিত্ত হৈ
নিত্যশঃ = সদায়
সততম = একেৰাহে
মাম = মোক-পুৰুষোত্তমক

স্মৰতি = স্মৰণ কৰে,
তস্য = সেই
নিত্যয়ুক্তস্য=নিয়মীয়াকৈ মোতে লাগি থকা
য়োগিনঃ = ভক্তজনৰ বাবে
অহম = মই
সুলভঃ = সহজলভ্য হওঁ অৰ্থাৎ তেওঁক সহজে প্ৰাপ্ত কৰিম।

**মাম, উপেত্য, পুনৰ্জন্ম, দুঃখালয়ম, অশাশ্বতম,**
**ন, আপ্নুৱন্তি, মহাত্মানঃ, সংসিদ্ধিম, পৰমাম, গতাঃ ।।১৫।।**

**আৰু সেই -**

পৰমাম = পৰম
সংসিদ্ধিম = সিদ্ধি
গতাঃ = প্ৰাপ্ত
মহাত্মানঃ = মহাপুৰুষ
মাম = মোক

উপেত্য = প্ৰাপ্ত হৈ
দুখালয়ম = দুঃখৰ ঘৰ (আৰু)
অশাশ্বতম = ক্ষণভঙ্গুৰ
পুনৰ্জন্ম = পুনৰ্জন্মক
ন, আপ্নুৱন্তি = প্ৰাপ্ত নহয়।

**আব্ৰহ্মভূৱনাত, লোকাঃ, পুনৰাৱৰ্তিনঃ, অৰ্জুন,**
**মাম, উপেত্য, তু, কৌন্তেয়, পুনৰ্জন্ম, ন বিদ্যতে ।।১৬।।**

**কাৰণ -**

অৰ্জুন = হে অৰ্জুন
আব্ৰহ্মভূৱনাত =ব্ৰহ্মলোক পৰ্যন্ত
লোকাঃ = সকলো লোকৰ পৰা
পুনৰাৱৰ্তিন = পুনৰাগমন হয়
তু = কিন্তু
কৌন্তেয় = হে কুন্তী পুত্ৰ,

মাম = মোক
উপেত্য = প্ৰাপ্ত কৰিলে
পুনৰ্জন্ম = পুনৰ্জন্ম
ন = না
বিদ্যতে = হয়।

**সহস্ৰয়ুগপৰ্যন্তম, অহঃ, য়ত, ব্ৰহ্মণঃ, ৱিদুঃ**
**ৰাত্ৰিম, য়ুগসহস্ৰান্তাম, তে, অহোৰাত্ৰৱিদঃ, জনাঃ ।।১৭।।**

**হে অৰ্জুন-**

ব্ৰহ্মণঃ = ব্ৰহ্মাৰ
য়ত = যি
অহঃ = এদিন (তাক)
সহস্ৰয়ুগপৰ্য়ন্তম = এক হাজাৰ চতুৰ্যুগৰ (আৰু)
ৰাত্ৰিম = ৰাতিও

য়ুগসহস্ৰান্তাম= এক হাজাৰ চতুৰ্যুগৰ বুলি
(য়ে) = যি জনে
ৱিদুঃ = তত্ত্বেৰে জানে
তে = সেই
জনাঃ = যোগীজন (ভক্ত)
অহোৰাত্ৰৱিদঃ=কাল তত্ত্বৰ জ্ঞাতা হয়

**অব্যক্তাত, ব্যক্তয়ঃ, সৰ্বাঃ, প্ৰভৱন্তি, অহৰাগমে,**
**ৰাত্ৰ্যাগমে, প্ৰলীয়ন্তে, তত্ৰ, এৱ, অব্যক্ত সংজ্ঞকে ।। ১৮ ।।**
**সেইকাৰণে তেওঁলোকে এইটোও জানে যে -**

সৰ্বা = সম্পূৰ্ণ
ব্যক্তয়ঃ = চৰাচৰ প্ৰাণীসমূহ
অহৰাগমে = ব্ৰহ্মাৰ দিন আৰম্ভ হোৱাৰ লগে লগে
অব্যক্তাত = অব্যক্তৰ পৰা অৰ্থাৎ ব্ৰহ্মাৰ সুক্ষ্ম শৰীৰৰ পৰা
প্ৰভৱন্তি = উৎপন্ন হয় (আৰু)
ৰাত্ৰ্যাগমে=ব্ৰহ্মাৰ ৰাতি আৰম্ভ হোৱাৰ লগে লগে
তত্ৰ = সেই
অব্যক্তসংজ্ঞকে,এৱ = অব্যক্ত নামৰ ব্ৰহ্মাৰ সুক্ষ্ম শৰীৰতেই
প্ৰলীয়ন্তে = লয় পায়।

**ভূতগ্ৰামঃ সঃ, এৱ, অয়ম, ভূত্বা, ভূত্বা, প্ৰলীয়তে,**
**ৰাত্ৰ্যাগমে, অৱশঃ, পাৰ্থ, প্ৰভৱতি, অহৰাগমে ।।১৯।।**
**আৰু -**

পাৰ্থ = হে পাৰ্থ
অয়ম = এইদৰেই
সঃ, এৱ = সেই
ভূতগ্ৰামঃ = প্ৰাণী সমূহ
ভূত্বা, ভূত্বা = বাৰে বাৰে জন্ম হৈ
অৱশঃ = প্ৰকৃতিৰ অধীন হৈ
ৰাত্ৰ্যাগমে = ৰাতিৰ আৰম্ভণিতে
প্ৰলীয়তে = লয় পায় (আৰু)
অহৰাগমে=দিনৰ আৰম্ভণিত(আকৌ)
প্ৰভৱতি = উৎপন্ন হয়।

**পৰঃ, তস্মাৎ, তু, ভাৱঃ, অন্যঃ, অব্যক্তঃ, অব্যক্তাত, সনাতনঃ,**
**য়ঃ, সঃ, সৰ্বেষু, ভূতেষু, নশ্যৎসু, ন, বিনশ্যতি ।।২০।।**

তু = কিন্তু
তস্মাৎ = সেই
অব্যক্তাত= অব্যক্ততকৈও (অতি)
পৰঃ = বেলেগ
অন্যঃ = অন্য অৰ্থাৎ বিলক্ষণ
য়ঃ = যি
সনাতনঃ = সনাতন
অব্যক্তঃ = অব্যক্ত
ভাৱঃ = ভাৱ আছে
সঃ = সেই পৰম দিব্য পুৰুষ
সৰ্বেষু = সকলো
ভূতেষ = প্ৰাণী
নশ্যৎসু = বিনাশ হ'লেও
ন, বিনশ্যতি = বিনাশ নহয়।

**অব্যক্তঃ, অক্ষৰঃ, ইতি, উক্তঃ, তম, আহুঃ, পৰমাম, গতিম,**
**য়ম, প্ৰাপ্য, ন, নিৱৰ্তন্তে, তত, ধাম, পৰমম, মম।। ২১ ।।**
**আৰু যি -**

অব্যক্তঃ = অব্যক্ত
অক্ষৰঃ = "অক্ষৰ"
ইতি = এই (নামেৰে)
উক্তঃ = কোৱা হয় (যাক)
তম = সেই অক্ষৰ নামৰ অব্যক্ত ভাৱক
পৰমাম, গতিম = পৰম গতি
আহুঃ = বোলা হয় (আৰু)
য়ম = যি সনাতন অব্যক্ত ভাৱক
প্ৰাপ্য = পাই (মনুষ্য)
ন, নিবৰ্তন্তে = ঘূৰি নাহে
তত = সেইটো
মম = মোৰ
পৰমম =পৰম
ধাম = ধাম হয়।

**পুৰুষঃ, সঃ, পৰঃ, পাৰ্থ, ভক্ত্যা, লভ্যঃ, তু, অনন্যয়া**
**য়স্য, অন্তঃস্থানি, ভূতানি, য়েন, সৰ্বম, ইদম, ততম।। ২২ ।।**

পাৰ্থ = হে পাৰ্থ
য়স্য = যি পৰমাত্মাৰ
অন্তঃস্থানি = ভিতৰত
ভূতানি = সকলো প্ৰাণী আছে
য়েন = যি সচিদানন্দঘন পৰমাত্মাৰ দ্বাৰা
ইদম = এই
সৰ্বম = সমস্ত জগত

ততম = পৰিপূৰ্ণ আছে
সঃ = সেই সনাতন অব্যক্ত
পৰ = পৰম
পুৰুষঃ =পুৰুষক
তু = কিন্তু
অনন্যয়া = অনন্য
ভক্ত্যা = ভক্তিৰেহে
লভ্যঃ = লাভ কৰিব পাৰি।

**বেদেষু, য়জ্ঞেষু, তপঃসু, চ, এৱ, দানেষু, য়ত, পূণ্যফলম,**
**প্ৰদিষ্টম, অত্যেতি, তত, সৰ্বম, ইদম, বিদিত্বা, য়োগী, পৰম,**
**স্থানম, উপৈতি, চ, আদ্যম।। ২৮ ।।**
**কাৰণ -**

য়োগী = যোগী পুৰুষে
ইদম = এই ৰহস্যক
বিদিত্বা = তত্ত্বেৰে জানি
বেদেষু = বেদসমূহ পঢ়াত
চ = আৰু
য়জ্ঞেষু = যজ্ঞত
তপঃ সু = তপস্যাত (আৰু)
দানেষু = দান আদি কৰাত
য়ত, পুণ্যফলম = যি পুণ্যফল

প্ৰদিষ্টম = হয় বুলি কৈছে
তত = সেই
সৰ্বম = সকলোকে
এৱ = নিসন্দেহে
অত্যেতি = অতিক্ৰম কৰি যায়
চ = আৰু
আদ্যম = সনাতন
পৰম, স্থানম = পৰম পদক
উপৈতি = প্ৰাপ্ত কৰে।

**শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ৯ ৰ কিছুমান শ্লোকৰ প্ৰতিলিপি**
**নৱম অধ্যায়**
**ইদম, তু, তে, গুহ্যতমম, প্ৰৱক্ষ্যামি, অনসূয়ৱে**
**জ্ঞানম, বিজ্ঞানসহিতম, য়ত, জ্ঞাত্বা, মোক্ষসে, অশুভাত।। ১ ।।**
**তাৰ পিছত শ্ৰীকৃষ্ণ ভগৱানে ক'লে, হে অৰ্জুন -**

তে= তোমাক (অৰ্থাৎ)
অনুসূয়ৱে=দোষদৃষ্টি শূণ্য ভক্তৰ বাবেহে
তু = কিন্তু
ইদম = এই
গুহ্যতমম = পৰম গোপণীয
বিজ্ঞানসহিতম = বিজ্ঞানযুক্ত

জ্ঞানম = জ্ঞানক (পুনৰ)
প্ৰৱক্ষ্যামি = ভালদৰে কম
য়ত= যাক
জ্ঞাত্বা = জানি (তুমি)
অশুভাত = দুঃখৰূপ সংসাৰৰ পৰা
মোক্ষ্যসে = মুক্ত হ'বা।

**ৰাজবিদ্যা, ৰাজগুহ্যম, পবিত্ৰম, ইদম, উত্তমম,**
**প্ৰত্যক্ষাৱগমম, ধৰ্ম্যম, সুসুখম, কৰ্তুম, অব্যয়ম ।। ২।।**

ইদম = এই বিজ্ঞানযুক্ত জ্ঞান
ৰাজবিদ্যা=সকলো বিদ্যাৰ ভিতৰত ৰজা
ৰাজগুহ্যম = সকলো গুপ্ত তত্বৰ ৰজা
পবিত্ৰম = অতি পবিত্ৰ
উত্তমম = অতি উত্তম

প্ৰতক্ষাৱগমম = প্ৰত্যক্ষ ফলপ্ৰসু
ধৰ্ম্যম = ধৰ্মযুক্ত
কৰ্তুম = সাধন কৰিবৰ বাবে
সুসুখম = অতি সুগম (আৰু)
অব্যয়ম = অবিনাশী হয়

**অশ্ৰদ্দধানাঃ, পুৰুষাঃ, ধৰ্মস্য, অস্য, পৰন্তপ,**
**অপ্ৰাপ্য, মাম, নিবৰ্তন্তে, মৃত্যুসংসাৰৱৰ্ত্মনি ।।৩।।**

**আৰু -**

পৰন্তপ = হে পৰন্তপ
অস্য = এই (ওপৰোক্ত)
ধৰ্মস্য = ধৰ্মৰ প্ৰতি
অশ্ৰদ্দধানাঃ = শ্ৰদ্ধাবিহীন
পুৰুষাঃ = পুৰুষসকল
মাম = মোক
অপ্ৰাপ্য = প্ৰাপ্ত নহৈ
মৃত্যুসংসাৰবৰ্ত্মনি = মৃত্যু ৰূপ সংসাৰ চক্ৰত
নিবৰ্তন্তে = ভ্ৰমণ কৰি থাকে।

**ময়া, ততম, ইদম, সৰ্বম, জগত, অব্যক্তমূৰ্তিনা**
**মৎস্থানি, সৰ্বভূতানি, ন, চ, অহম, তেষু, অৱস্থিতঃ।। ৪।।**

ময়া = মই
অব্যক্তমূৰ্তিণা=নিৰাকাৰ পৰমাত্মাৰ দ্বাৰা
ইদম = এই
সৰ্বম = সমস্ত
জগত=জগত (যেনেকৈ বৰফ পানীৰে)
ততম = পৰিপূৰ্ণ হৈ আছে
চ = আৰু
সৰ্বভূতানি = সকলো প্ৰাণী
মৎস্থানি = মোৰ ভিতৰত সংকল্পৰ আধাৰত অৱস্থিত আছে (কিন্তু প্ৰকৃততে)
অহম = মই
তেষু = সেই বিলাকত
ন, অৱস্থিতঃ = অৱস্থিত নহওঁ।

**ন, চ, মৎস্থানি, ভূতানি, পশ্য, মে, য়োগম, ঐশ্বৰম**
**ভূতভৃত, ন, চ, ভূতস্থঃ, মম, আত্মা, ভূতভাৱনঃ ।। ৫ ।।**

ভূতানি = সেই সকলো প্ৰাণী
মৎস্থানি = মোত স্থিত
ন = নহয় (কিন্তু)
মে = মোৰ
ঐশ্বৰম = ঐশ্বৰিক
য়োগম = যোগ শক্তিক
পশ্য = চোৱাচোন,
ভূতভৃত=প্ৰাণীৰ প্ৰতিপালন কৰোতা
চ = আৰু
ভূতভাৱনঃ = প্ৰাণীৰ উৎপন্ন কৰোঁতা
মম = মোৰ
আত্মা, চ = আত্মাও (প্ৰকৃততে)
ভূতস্থঃ = প্ৰাণীত স্থিত
ন = নহয়।

**য়থা, আকাশস্থিতঃ, নিত্যম, বায়ুঃ, সৰ্বত্ৰগঃ, মহান,**
**তথা, সৰ্বানি, ভূতানি, স্থানি, ইতি, উপাধাৰয়।। ৬ ।।**

**কাৰণ -**

য়থা = যিদৰে (আকাশত উৎপন্ন)
সৰ্বত্ৰগঃ = সকলোতে গমনশীল
মহান = মহান
বায়ুঃ = বায়ু
নিত্যম = সদায়েই
আকাশস্থিতঃ = আকাশতে থাকে,
তথা=তেনেদৰেই(মোৰ সংকল্পৰ দ্বাৰা উৎপন্ন হোৱা হেতুকে)
সৰ্বানি, ভূতানি = সম্পূৰ্ণ প্ৰাণী
মৎস্থানি = মোতে স্থিত আছে ,
ইতি = এইদৰে
উপধাৰয় = জানিবা।

**সৰ্বভূতানি, কৌন্তেয়, প্ৰকৃতিম, য়ান্তি, মামিকাম,**
**কল্পক্ষয়ে, পুনঃ, তানি, কল্পাদৌ, বিসৃজামি, অহম।। ৭ ।।**

**আৰু -**

| | |
|---|---|
| কৌন্তেয় = হে অৰ্জুন | কল্পাদৌ = কল্পৰ আৰম্ভণিত |
| কল্পক্ষযে=কল্পৰ শেষত (প্ৰলয় কালত) | তানি = তেওঁলোকক (প্ৰাণীক) |
| সৰ্বভূতানি = সকলো প্ৰাণী | অহম = মই |
| মামিকাম, প্ৰকৃতিম = মোৰ প্ৰকৃতিক | পুনঃ = আকৌ |
| য়ান্তি=প্ৰাপ্ত হয় অৰ্থাৎ প্ৰকৃতিত বিলীন হয় (আৰু) | বিসৃজামি = ৰচনা কৰো (সৃষ্টি কৰো) |

**(সকলো প্ৰাণীৰ বাৰে-বাৰে উৎপত্তিৰ প্ৰসংগ)**

**প্ৰকৃতিম, স্বাম, অৱষ্টভ্য, বিসৃজামি, পুনঃ, পুনঃ**
**ভূতগ্ৰামম, ইমম, কৃৎস্নম, অৱশম, প্ৰকৃতেঃ, ৱশাত।। ৮ ।।**

**এনেকৈ কৰো যে -**

| | |
|---|---|
| স্বাম = নিজৰ | ইমম = এই |
| প্ৰকৃতিম = প্ৰকৃতিক | কৃৎস্নম = সম্পূৰ্ণ |
| অৱষ্টভ্য=অংগীকাৰ কৰি (বশীভূত কৰি) | ভূতগ্ৰামম = প্ৰাণী সমূহক |
| প্ৰকৃতেঃ = স্বভাৱৰ | পুনঃ পুনঃ=বাৰে বাৰে (সিহঁতৰ কৰ্ম অনুসাৰে) |
| ৱশাত =বশৱৰ্তী হৈ | |
| অৱশম = পৰাধীন হোৱা | বিসৃজামি= ৰচনা কৰো (সৃষ্টি কৰো। |

**অৱজানন্তি , মাম, মূঢ়াঃ, মানুষীম, তনুম, আশ্ৰিতম,**
**পৰম, ভাৱম, অজানন্তঃ, মম, ভূতমহেশ্বৰম।। ১১ ।।**

**এনে হোৱা স্বত্বেও -**

| | |
|---|---|
| মম, পৰম = মোৰ পৰম | ভূতমহেশ্বৰম=সম্পূৰ্ণ প্ৰাণীৰ মহান ঈশ্বৰক |
| ভাৱম = ভাৱক | |
| অজানন্তঃ, মূঢ়াঃ = নজনা মুৰ্খসকলে | অৱজানন্তি=তুচ্ছ বুলি ভাৱে অৰ্থাৎ নিজৰ যোগমায়াৰে সংসাৰৰ উদ্ধাৰৰ বাবে মনুষ্য ৰূপত ভ্ৰমি ফুৰা মই পৰমেশ্বৰক সাধাৰণ মানুহ বুলি গণ্য কৰে। |
| মানুষীম = মনুষ্যৰ | |
| তনুম = শৰীৰ | |
| আশ্ৰিতম = ধাৰণ কৰা | |
| মাম = মই | |

**সততম, কীৰ্তয়ন্তঃ, মাম, য়তন্তঃ. চ, দৃঢ়ব্ৰতাঃ**
**নমস্যন্তঃ, চ, মাম, ভক্ত্যা, নিত্যয়ুক্তাঃ, উপাসতে।।১৪।।**

**আৰু তেওঁলোকে -**

| | |
|---|---|
| দৃঢ়ব্ৰতাঃ = দৃঢ় সংকল্পযুক্ত ভক্তসকলে | চ = আৰু |
| সততম = একেৰাহে | মাম = মোক (বাৰে বাৰে) |
| কীৰ্তয়ন্তঃ = মোৰ নাম আৰু গুণৰ কীৰ্তন কৰি | নমস্যন্তঃ= প্ৰণাম কৰি |
| | নিত্যয়ুক্তাঃ=সদায় মোৰ ধ্যানত নিমগ্ন হৈ |
| চ = আৰু (মোৰ প্ৰাপ্তিৰ বাবে) | ভক্ত্যা = অনন্য প্ৰেমেৰে |
| য়তন্তঃ = যত্ন কৰি থাকি | মাম = মোৰ |
| | উপাসতে = উপাসনা কৰে |

**জ্ঞানয়জ্ঞেন, চ, অপি, অন্যে, য়জন্তঃ মাম, উপাসতে,**
**একত্বেন, পৃথক্ত্বেন, বহুধা, বিশ্বতোমুখম।।১৫।।**

অন্যে = অন্য জ্ঞানযোগীয়ে
মাম = মোৰ (নির্গুণ নিৰাকাৰ ব্রহ্মৰ)
জ্ঞানয়জ্ঞেন = জ্ঞান যজ্ঞৰ দ্বাৰা
একত্বেন = অভিন্ন ভাৱে
য়জন্তঃ, অপি=পূজা কৰিও
(উপাসনা কৰে)

চ = আৰু (অন্য মানুহে)
বহুধা =বহুত প্রকাৰে
বিশ্বতোমুখম=মোৰ অর্থাৎ বিৰাট ৰূপ পৰমেশ্বৰৰ
পৃথক্ত্বেন = পৃথকভাৱে
উপাসতে= উপাসনা কৰে

**গতিঃ, ভর্তা প্রভুঃ, সাক্ষী, নিৱাসঃ, শৰণম, সুহৃত,**
**প্রভৱঃ, প্রলয়ঃ, স্থানম, নিধানম, বীজম, অব্যয়ম।। ১৮ ।।**
**আৰু হে অর্জুন -**

গতিঃ = লাভ কৰাৰ যোগ্য পৰমধাম
ভর্তা = প্রতিপালন কৰোঁতা
প্রভুঃ = সকলোৰে স্বামী,
সাক্ষী = শুভাশুভৰ দ্রষ্টা
নিবাসঃ = সকলোৰে বাসস্থান,
শৰণম = শৰণ লোৱাৰ যোগ্য,
সুহৃত=প্রত্যুপকাৰ নিবিচৰাকৈ হিত সাধন কৰা

প্রভৱঃ, প্রলয়ঃ=সকলোৰে উৎপত্তি আৰু প্রলয়ৰ হেতু,
স্থানম = স্থিতিৰ আধাৰ ভূমি,
নিধানম=নিধান অর্থাৎ ভঁৰাল (আৰু)
অব্যয়ম,বীজম=অবিনাশী কাৰণ (ও)
(অহম, এৱ) = ময়েই হওঁ।

**তপামি,অহম, অহম, ৱর্ষম, নিগৃহ্ণামি, উৎসৃজামি, চ**
**অমৃতম, চ, এৱ, মৃত্যুঃ, চ, সত, অসত, চ, অহম, অর্জুন।।১৯।। আৰু**

অহম = মই
তপামি = সূর্যৰ দৰে উত্তাপ প্রদান কৰো,
ৱর্ষম = বৰষুণক
নিগৃহ্ণামি = আকর্ষণ কৰো
চ = আৰু (তাক)
উৎসৃজামি = বৰষো।
অর্জুন = হে অর্জুন,

অহম , এৱ = ময়েই
অমৃতম = অমৃত
চ = আৰু
মৃত্যুঃ = মৃত্যু (হওঁ)
চ = আৰু
সত, অসত, চ = সত আৰু অসতো
অহম = ময়েই (হওঁ)।

**ত্রৈৱিদ্যাঃ, মাম, সোমপাঃ, পুতপাপাঃ, য়জ্ঞৈঃ, ইষ্টৱা, স্বর্গতিম,**
**প্রর্থয়ন্তে, তে, পুণ্যম, আসাদ্য, সুৰেন্দ্রলোকম, অশ্নন্তি,**
**দিব্যান, দিৱি, দেৱভোগান।।২০।।**
**কিন্তু যি -**

ত্রৈবিদ্যাঃ = তিনিও বেদৰ বিধান মতে সকাম কর্ম কৰা,
সোমপাঃ = সোমৰস পান কৰা
পুতপাপাঃ = পাপমুক্ত পুৰুষে
মাম, য়জ্ঞৈঃ = মোক যজ্ঞৰ দ্বাৰা
ইষ্টৱা = পূজা কৰি
স্বর্গতিম = স্বর্গপ্রাপ্তি
প্রর্থয়ন্তে = বিচাৰে

তে = সেই পুৰুষসকলে
পুণ্যম = নিজৰ পুণ্যৰ ফলত
সুৰেন্দ্রলোকম = স্বর্গলোক
আসাদ্য = প্রাপ্ত কৰি
দিৱি = স্বর্গত
দিব্যান = দিব্য
দেৱভোগান=দেৱতাৰ যোগ্য ভোগ সমূহ
অশ্নন্তি = ভোগ কৰে

**তে, তম, ভুক্ত্বা, স্বৰ্গলোকম, ৱিশালম, ক্ষীণে, পুণ্যে**
**মৰ্ত্যলোকম, বিশন্তি, এৱম, ত্ৰয়ীধৰ্ম্মম, অনুপ্ৰপন্নাঃ,**
**গতাগতম, কামকামাঃ, লভন্তে।। ২১ ।।**

তে = তেওঁলোক
তম = সেই
বিশালম = বিশাল
স্বৰ্গলোকম = স্বৰ্গলোক
ভূক্ত্বা = ভোগ কৰি
পুণ্যে = পুণ্য
ক্ষীণে = ক্ষয় হ'লে
মৰ্তলোক = মৰ্ত্যলোকক

বিশন্তি = প্ৰাপ্ত হয়
এৱম = এইদৰে (স্বৰ্গৰ সাধন ৰূপ)
ত্ৰয়ীধৰ্ম্ম=বেদত্ৰয় বিহীত সকাম কৰ্মৰ
অনুপ্ৰপন্নাঃ = আশ্ৰয় লোৱা (আৰু)
কামকামাঃ=ভোগৰ কামনা কৰা পুৰুষ
গতাগতম =বাৰে বাৰে পুনৰাগমনক
লভন্তে=প্ৰাপ্ত হয় অৰ্থাৎ পুণ্যৰ প্ৰভাৱত স্বৰ্গলৈ যায় আৰু পুণ্য ক্ষয় হ'লে মৃত্যুলোকত আহে।

**অনন্যাঃ, চিন্তয়ন্তঃ, মাম, য়ে, জনাঃ, পৰ্য্যুপাসতে,**
**তেষাম, নিত্যাভিয়ুক্তানাম, য়োগক্ষেমম, ৱহামি, অহম।।২২।। আৰু -**

য়ে = যি
অনন্যাঃ=অনন্য প্ৰেমী
জনাঃ = ভক্ত জনে
মাম = সেই পৰমেশ্বৰক
চিন্তয়ন্তঃ = একেৰাহে চিন্তা কৰি
পৰ্য্যুপাসতে = নিস্কামভাৱে ভজে

তেষাম = সেই
নিত্যাভিয়ুক্তানাম=নিত্য-নিৰন্তৰে মোৰ ভক্তি কৰা সকলৰ
য়োগক্ষেমম = যোগক্ষেমৰ
অহম = মই নিজেই
ৱহামি = ব্যৱস্থা কৰো।

**য়ে, অপি, অন্যদেৱতাঃ, ভক্তাঃ, য়জন্তে, শ্ৰদ্ধয়া, অন্বিতাঃ**
**তে, অপি, মাম, এৱ, কৌন্তেয়, য়জন্তি, অবিধিপূৰ্বকম ।।২৩।। আৰু -**

কৌন্তেয় = হে অৰ্জুন
অপি = যদিও
শ্ৰদ্ধয়া = শ্ৰদ্ধা
অন্বিতাঃ = যুক্ত
য়ে = যি সকল সকাম
ভক্তাঃ = ভক্তই
অন্য দেৱতাঃ = অন্য দেৱতাসকলৰ

য়জন্তে = পূজা কৰে
তে, অপি = তেওঁলোকেও
মাম, এৱ = মোকেই
য়জন্তি=পূজা কৰে(কিন্তু তেওঁলোকৰ সেই পূজা)
অবিধিপূৰ্বকম=অবিধিপূৰ্বক অৰ্থাৎ অজ্ঞানতাৰে তেওঁলোকে মোৰ পূজা কৰে।

**অহম, হি, সৰ্বয়জ্ঞানাম, ভোক্তা, চ, প্ৰভুঃ এৱ, চ,**
**ন, তু, মাম, অভিজানন্তি, তত্ত্বেণ, অতঃ, চ্যৱন্তি, তে।।২৪।।**

হি = কাৰণ
সৰ্বয়জ্ঞানাম = সম্পূৰ্ণ যজ্ঞৰ
ভোক্তা = ভোক্তা
চ = আৰু
প্ৰভু, চ = স্বামীও
অহম, এৱ = ময়েই হওঁ
তু = কিন্তু

তে = তেওঁলোকে (মানুহে)
মাম = মই পৰমেশ্বৰক
তত্ত্বেণ = তত্ত্বেৰে
ন = না
অভিজানন্তি = জানে
অতঃ = সেইবাবে
চ্যৱন্তি =পতিত হয় অৰ্থাৎ পুনৰ্জন্মক প্ৰাপ্ত কৰে।

**য়ান্তি, দেৱব্ৰতাঃ, দেৱান, পিতৃন, য়ান্তি, পিতৃব্ৰতাঃ**
**ভূতানি, য়ান্তি, ভূতেজ্যাঃ, য়ান্তি, মদ্যাজিনঃ, অপি, মাম।। ২৫।।**
**কাৰণ নিয়ম আছে যে -**

দেৱব্ৰতাঃ = দেৱতাক পূজাসকল
দেৱান = দেৱতাক
য়ান্তি = প্ৰাপ্ত হয়,
পিতৃব্ৰতাঃ = পিতৃপূজক সকল
পিতৃণ = পিতৃসকলক
য়ান্তি = প্ৰাপ্ত হয়
ভূতেজ্যাঃ = ভূত পূজক সকল
ভূতানি = ভূত সমূহক
য়ান্তি = প্ৰাপ্ত হয় (আৰু)
মদ্যাজিনঃ = মোৰ পূজা কৰা ভক্ত
মাম, অপি = মোকেই
য়ান্তি=প্ৰাপ্ত হয়( সেইবাবে মোৰ ভক্তৰ পুনৰ্জন্ম নহয়।)

**অপি, চেত, সুদুৰাচাৰঃ, ভজতে, মাম, অনন্যভাক,**
**সাধুঃ, এৱ, সঃ, মন্তব্যঃ, সম্যক, ব্যৱসিতঃ, হি, সঃ।। ৩০ ।।**
**মোৰ ভক্তিৰ প্ৰভাৱ আৰু আছে শুনা -**

চেত = যদি (কোনো)
সুদুৰাচাৰঃ, অপি = মহাপাতকীয়েও
অনন্যভাক=অনন্যভাৱে মোৰ ভক্ত হৈ
মাম = মোক
ভজতে = ভজে (তেন্তে)
সঃ = তেওঁক
সাধু, এৱ = সাধু বুলিয়েই
মন্তব্যঃ = মানি লব লাগে
হি = কাৰণ
সঃ = তেওঁ
সম্যক = যথাৰ্থৰূপে
ব্যৱসিতঃ=একাগ্ৰচিত্তৰ অৰ্থাৎ তেওঁ ভালদৰে নিশ্চয় কৰি লৈছে যে পৰমেশ্বৰৰ ভজনৰ সমান আন একোৱেই নাই।

**ক্ষিপ্ৰম, ভৱতি, ধৰ্মাত্মা, শশ্বত, শান্তিম, নিগচ্ছতি,**
**কৌন্তেয়, প্ৰতি, জানীহি, ন, মে, ভক্তঃ, প্ৰণশ্যতি।। ৩১ ।।**
**সেইবাবে তেওঁ -**

ক্ষিপ্ৰম = শীঘ্ৰে
ধৰ্মাত্মা = ধৰ্মাত্মা
ভৱতি = হয় (আৰু)
শশ্বত = স্থায়ী (নিত্য)
শান্তিম =পৰম শান্তি
নিগচ্ছতি = লাভ কৰে
কৌন্তেয়= হে অৰ্জুন (তুমি)
প্ৰতি = নিশ্চয় সত্য বুলি
জানীহি = জানিবা (যে)
মে = মোৰ
ভক্তঃ = ভক্ত
ন, প্ৰণ শ্যতি = নষ্ট নহয় (বিনাশ নহয়)

**মাম, হি, পাৰ্থ, ব্যপাশ্ৰিত্য, য়ে, অপি, স্যুঃ, পাপয়োনয়ঃ**
**স্ত্ৰিয়ঃ, বৈশ্যাঃ, তথা, শূদ্ৰাঃ, তে, অপি, য়ান্তি, পৰাম, গতিম।। ৩২ ।।**

হি = কাৰণ
পাৰ্থ = হে অৰ্জুন
স্ত্ৰিয়ঃ = স্ত্ৰী
বৈশ্যাঃ = বৈশ্য
শূদ্ৰাঃ = শূদ্ৰ
তথা = আৰু
পাপয়োনয়ঃ = পাপযোনি, চাণ্ডাল আদি
য়ে, অপি = যিয়েই
স্যুঃ = হওঁক
তে,অপি = তেওঁলোকো
মাম = মোৰ
ব্যপাশ্ৰিত্য = শৰণাগত হৈ
পৰাম = পৰম
গতিম = গতিক
য়ান্তি =প্ৰাপ্ত হয়

**কিম, পুনঃ, ব্ৰাহ্মণাঃ পুণ্যাঃ, ভক্তাঃ, ৰাজৰ্যয়ঃ, তথা,**
**অনিত্যম, অসুখম, লোকম, ইমম, প্ৰাপ্য, ভজস্ব, মাম।।৩৩।।**

পুনঃ = আকৌ (কোৱাৰ প্ৰয়োজন)
কিম = কি আছে যে
পুণ্যাঃ = পূণ্যশীল
ব্ৰাহ্মণাঃ = ব্ৰাহ্মণ
তথা = আৰু
ৰাজৰ্যয়ঃ = ৰাজৰ্ষি
ভক্তাঃ = ভক্তসকল মোৰ শৰণাগত হৈ
পৰম গতিক প্ৰাপ্ত হয়
(সেইবাবে তুমি)

অসুখম = সুখ শূণ্য
অনিত্যম = ক্ষণভঙ্গুৰ
ইমম = এই
লোকম = মনুষ্য শৰীৰ
প্ৰাপ্য = প্ৰাপ্ত কৰি (একেৰাহে)
মাম = মোৰেই
ভজস্ব = ভজন কৰিবা।

**(অৰ্জুনক নিজৰ শৰণত আহিবলৈ কৈ অঙ্গ সহিতে শৰণাগতিৰ নিৰূপণ)**
**মন্মনাঃ, ভৱ, মদ্ভক্তঃ, মদ্যাজী, মাম, নমস্কুৰু,**
**মাম, এৱ, এষ্যসি, য়ুক্ত্বা, এৱম, আত্মানম, মৎপৰায়ণঃ ।। ৩৪ ।।**

মন্মনাঃ = মদ্গত চিত্ত
ভৱ = হোৱা,
মদ্ভক্তঃ = মোৰ ভক্ত
(ভৱ) = হোৱা,
মদ্যাজী = মোৰ পূজক
(ভৱ) = হোৱা,
মাম = মোক

নমস্কুৰু = নমস্কাৰ কৰিবা,
এৱম = এইদৰে
আত্মানম = আত্মাক (মোতে)
য়ুক্ত্বা = নিযুক্ত কৰি
মৎপৰায়ণঃ=মোৰ পৰায়ণ হৈ(তুমি)
মাম, এৱ = মোকেই
এষ্যসি = প্ৰাপ্ত কৰিবা।

**শ্ৰীমদ্ভাগৱত গীতাৰ অধ্যায় ১০ ৰ কিছুমান শ্লোকৰ প্ৰতিলিপি**
**দশম অধ্যায়**
**ভূয়ঃ, এৱ, মহাবাহো, শৃণু, মে, পৰমম, ৱচঃ**
**য়ত, তে, অহম, প্ৰীয়মাণায়, বক্ষ্যামি, হিতকাম্যয়া ।। ১ ।।**
**শ্ৰীভগৱানে ক'লে -**

মহাবাহোঃ = হে মহাবাহো
ভূয়ঃ = আকৌ
এৱ = নিশ্চিত ভাৱে
মে = মোৰ
পৰমম=পৰম(ৰহস্যযুক্ত আৰু প্ৰভাৱশালী)
ৱচঃ = বচনক
শৃণু = শুনা

য়ত= যাক
অহম = মই
তে = তোমাৰ (দৰে)
প্ৰীয়মাণায় = অতিশয় প্ৰিয়জনৰ
হিতকাম্যয়া = হিতাৰ্থে
বক্ষ্যামি = কম।

**('যোগ' শব্দ বাচ্য নিজৰ প্ৰভাৱৰ বৰ্ণনা কৰি তাক জনাৰ ফল সম্পৰ্কে কথন)**

**ন, মে, ৱিদুঃ, সুৰগণাঃ, প্ৰভৱম, ন, মহৰ্ষয়ঃ**
**অহম, আদিঃ, হি, দেৱানাম, মহৰ্ষীণাম, চ, সৰ্বশঃ।। ২ ।।**

**হে অৰ্জুন -**

মে = মোৰ
প্ৰভৱম = উৎপত্তিক অৰ্থাৎ লীলাময় উপস্থিতিক
ন = না
সুৰগণাঃ = দেৱতা সকলে (জানে),
ন , মহৰ্ষয = না মহৰ্ষিসকলে
বিদুঃ = জানে
হি = কাৰণ
অহম = মই
সৰ্বশঃ = সৰ্বতোভাৱে
দেৱাণাম = দেৱতাসকলৰ
চ = আৰু
মহৰ্ষীণাম = মহৰ্ষিসকলৰো
আদিঃ = আদি কাৰণ হওঁ।

**শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ১১ ৰ কিছুমান শ্লোকৰ প্ৰতিলিপি**

**একাদশ অধ্যায়**

**দ্যাৱাপৃথিব্যোঃ, ইদম, অন্তৰম, হি, ব্যাপ্তম, ত্বয়া, একেন,**
**দিশঃ, চ, সৰ্বাঃ, দৃষ্টৱা, অদ্ভুতম, ৰূপম, উগ্ৰম, তৱ**
**ইদম, লোকত্ৰয়ম, প্ৰব্যথিতম, মহাত্মন।।২০।।**

**আৰু -**

মহাত্মন = হে মহাত্মা
ইদম = এই
দ্যাৱাপৃথিব্যোঃ অন্তৰম=স্বৰ্গ আৰু পৃথিৱীৰ মাজৰ সম্পূৰ্ণ আকাশ
চ = আৰু
সৰ্বাঃ = সকলো
দিশঃ = দিশ সমূহ
একেন = একমাত্ৰ
ত্বয়া, হি = আপোনাৰ দ্বাৰাই
ব্যাপ্তম = ব্যাপ্ত হৈ আছে (আৰু)
তৱ = আপোনাৰ
ইদম = এই
অদ্ভুতম = অলৌকিক আৰু
উগ্ৰম = ভয়ঙ্কৰ
ৰূপম = ৰূপ
দৃষ্টৱা = দেখি
লোকত্ৰয়ম = তিনিও লোক
প্ৰব্যথিতম = ভয়ত কঁপি আছে।

**অমী, হি, ত্বাম, সুৰসংঘাঃ, ৱিশন্তি, কেচিত, ভীতাঃ**
**প্ৰাঞ্জলয়ঃ, গৃণন্তি, স্বস্তি, ইতি, উক্ত্বা, মহৰ্ষিসিদ্ধসংঘাঃ,**
**স্তুৱন্তি, ত্বাম, স্তুতিভিঃ, পুষ্কলাভিঃ।।২১।।**

**আৰু হে গোবিন্দ -**

অমী = এই সকল
সুৰসংঘাঃ, হি = দেৱতা দলে দলে
ত্বাম = আপোনাত
ৱিশন্তি = প্ৰবেশ কৰিছে (আৰু)
কেচিত= কোনোৱে
ভীতাঃ = ভয়ভীত হৈ
প্ৰাঞ্জলয়ঃ = হাতযোৰ কৰি (আপোনাৰ নাম আৰু গুণ)
গৃণন্তি = উচ্চাৰণ কৰিছে (আৰু)
মহৰ্ষিসিদ্ধসংঘাঃ=মহৰ্ষি আৰু সিদ্ধ পুৰুষ সকলে
স্বস্তি = "কল্যাণ হওক"
ইতি, উক্ত্বা = এনেদৰে কৈ
পুষ্কলাভিঃ = উত্তম-উত্তম
স্তুতিভিঃ = স্তুতি বাক্য সমূহেৰে
ত্বাম = আপোনাৰ
স্তুৱন্তি = স্তুতি কৰিছে।

**লেলিহ্যসে, গ্ৰসমানঃ, সমন্তাত, লোকান, সমগ্ৰান,**
**ৱদনৈঃ, জ্বলদ্ভিঃ, তেজোভিঃ, আপূৰ্য্য, জগত, সমগ্ৰম,**
**ভাসঃ, তৱ, উগ্ৰাঃ, প্ৰতপন্তি, ৱিষ্ণো ।।৩০।।**
**আৰু আপুনি সেই -**

সমগ্ৰান = সম্পূৰ্ণ
লোকান = লোকক
জ্বলদ্ভিঃ = জ্বলি থকা
ৱদনৈঃ = মুখবিলাকেৰে
গ্ৰসমানঃ = গ্ৰাস কৰি কৰি
সমন্তাত = সকলো ফালৰ পৰা
লেলিহ্যসে = বাৰে বাৰে চেলেকি আছে,
বিষ্ণো = হে বিষ্ণু

তৱ = আপোনাৰ
উগ্ৰাঃ = উগ্ৰ
ভাসঃ = প্ৰকাশে
সমগ্ৰম = সম্পূৰ্ণ
জগত = জগতক
তেজোভিঃ = উজ্জ্বলতাৰে
আপূৰ্য্য = পৰিপূৰ্ণ কৰি
প্ৰতপন্তি = উত্তপ্ত কৰিছে।

**আখ্যাহি, মে, কঃ ভৱান, উগ্ৰৰূপঃ, নমঃ অস্তু, তে,**
**দেৱৱৰ, প্ৰসীদ, বিজ্ঞাতুম, ইচ্ছামি, ভৱন্তম, আদ্যম**
**ন, হি, প্ৰজানামি, তৱ, প্ৰবৃত্তিম।। ৩১।।**
**হে ভগৱান অনুগ্ৰহ কৰি -**

মে = মোক
আখ্যাহি = কওক,
ভৱান = আপুনি
উগ্ৰৰূপঃ = উগ্ৰৰূপধাৰী
কঃ = কোন হয়?
দেৱৱৰ = হে দেৱশ্ৰেষ্ঠ
তে = আপোনাক
নমঃ = নমস্কাৰ
অস্তু =কৰিছো (আপুনি)

প্ৰসীদ = প্ৰসন্ন হওক
আদ্যম = আদি পুৰুষ,
ভৱন্তম = আপোনাক (মই)
বিজ্ঞাতুম = বিশেষভাৱে জানিবলৈ
ইচ্ছামি = ইচ্ছা কৰো
হি = কাৰণ (মই)
তৱ = আপোনাৰ
প্ৰবৃত্তিম = প্ৰবৃত্তিক
ন, প্ৰজানামি = নাজানো।

**কালঃ, অস্মি, লোকক্ষয়কৃত, প্ৰবৃদ্ধঃ, লোকান,**
**সমাহৰ্তুম, ইহ, প্ৰবৃত্তঃ, ঋতে, অপি, ত্বাম, ন, ভৱিষ্যন্তি,**
**সৰ্বে, য়ে, অৱস্থিতাঃ, প্ৰত্যনীকেষু, য়োধা।। ৩২ ।।**
**অৰ্জুনে এইদৰে সোধাত শ্ৰীভগৱানে ক'লে, হে অৰ্জুন মই -**

লোকক্ষয়কৃত = জনসংহাৰকাৰী
প্ৰবৃদ্ধঃ = বৃদ্ধিপ্ৰাপ্ত
কালঃ = মহাকাল
অস্মি = হওঁ,
ইহ = এই সময়ত
লোকান = লোক সকলক
সমাহৰ্তুম = সংহাৰ কৰিবলৈ
প্ৰবৃত্তঃ = প্ৰবৃত্ত হৈছো (সেইবাবে)
য়ে, প্ৰত্যনীকেষু=যি বিপক্ষৰ সেনাদলত

অৱস্থিতাঃ = অৱস্থিত
য়োধাঃ = যোদ্ধা সকল আছে
(তে) = সেই
সৰ্বে = সকলো
ত্বাম = তোমাৰ
ঋতে, অপি = অবিহনেও
ন, ভৱিষ্যন্তি=নাথাকে অৰ্থাৎ তুমি যুদ্ধ নকৰিলেও এই সকলোৰে নাশ হ'ব।

**তস্মাৎ, ত্বম, উতিষ্ঠ, য়শঃ লভস্বঃ, জিত্বা, শত্রুন**
**ভুঙক্ষ্ৰ, ৰাজ্যম, সমৃদ্ধম, ময়া, এৱ, এতে, নিহতাঃ**
**পূৰ্বম, এৱ, নিমিত্তমাত্ৰম, ভৱ, সব্যসাচিন ।। ৩৩ ।।**

তস্মাৎ = গতিকে
ত্বম = তুমি
উতিষ্ঠ = উঠা
য়শঃ = যশ
লভস্ব = লাভ কৰা (আৰু)
শত্রুন = শত্ৰুক
জিত্বা = জয় কৰি
সমৃদ্বম = সমৃদ্ধিশালী
ৰাজ্যম = ৰাজ্য
ভুঙক্ষ্ৰ = ভোগ কৰা
এতে = এই সকলো (বীৰ যোদ্ধা)
পূৰ্বম, এৱ = ইতিপূৰ্বেই
ময়া = মোৰ দ্বাৰাই
নিহতাঃ = নিহত হৈছে।
সব্যসাচিন = হে সব্যসাচী
নিমিত্তমাত্ৰম,এৱ=তুমি মাত্ৰ উপলক্ষহে
ভৱ = হোৱা।

**কস্মাৎ, চ, তে, ন, নমেৰণ, মহাত্মন, গৰীয়সে, ব্ৰহ্মণঃ**
**অপি, আদিকৰ্ত্ৰে, অনন্ত, দেবেশ, জগন্নিৱাস, ত্বম,**
**অক্ষৰম, সত, অসত, তৎপৰম, য়ত।। ৩৭ ।।**

মহাত্মন= হে মহাত্মন
ব্ৰহ্মণঃ, অপি = ব্ৰহ্মাৰো
আদি কৰ্ত্ৰে = আদিকৰ্তা
চ = আৰু
গৰীয়সে = সৰ্বশ্ৰেষ্ঠ
তে = আপোনাৰ বাবে (এওঁলোকে)
কস্মাৎ = কিয়
ন, নমেৰণ = নমস্কাৰ নকৰিব (কাৰণ)
অনন্ত = হে অনন্ত
দেবেশ = হে দেৱেশ
জগন্নিৱাস=হে জগতৰ আশ্ৰয়দাতা
য়ত = যি
সত = সত,
অসত = অসত (আৰু)
তৎপৰম = তাতকৈ বেলেগ
অক্ষৰম =অক্ষৰ অৰ্থাৎ সচিদানন্দঘন ব্ৰহ্মা আছে,
(তত),ত্বম=সেইজনো আপুনিয়েই।

**কিৰীটিনম, গদিনম, চক্ৰহস্তম, ইচ্ছামি, ত্বাম,**
**দ্ৰষ্টুম, অহম, তথা, এৱ, তেন, এৱ, ৰূপেণ, চতুৰ্ভুজেন,**
**সহস্ৰবাহো, ভৱ, বিশ্বমূৰ্তে।।৪৬।।**
**আৰু হে বিষ্ণু -**

অহম = মই
তথা, এৱ = তেনেকুৱাই (আগৰদৰে)
ত্বাম = আপোনাক
কিৰীটিনম = মুকুটধাৰী
গদিনম, চক্ৰহস্তম=গদাধাৰী আৰু ছত্ৰধাৰী ৰূপে
দ্ৰষ্টুম = চাব
ইচ্ছামি = বিচাৰো,
(অতঃ) = সেইবাবে
বিশ্বমূৰ্তে = হে বিশ্বৰূপধাৰী
সহস্ৰবাহো =হে সহস্ৰ বাহু (আপুনি)
তেন, এৱ = সেই আগৰ দৰে
চতুৰ্ভুজেন ৰূপেন=চতুৰ্ভুজ ৰূপেৰে (প্ৰকট)
ভৱ = হওঁক

**ময়া, প্ৰসন্নেন, তৱ, অৰ্জুন, ইদম, ৰূপম, পৰম, দৰ্শিতম,**
**আত্মযোগাত, তেজোময়ম, বিশ্বম, অনন্তম, আদ্যম,**
**য়ত, মে, ত্বদন্যেন, ন, দৃষ্টপূৰ্বম।।৪৭।।**

**অৰ্জুনৰ প্ৰাৰ্থনা শুনি শ্ৰীভগৱানে এইদৰে ক'লে -**

অৰ্জুন = হে অৰ্জুন
প্ৰসন্নেন = অনুগ্ৰহ কৰি
ময়া = মই
আত্মযোগাত= নিজৰ যোগবলেৰে
ইদম = এইটো
মে = মোৰ
পৰম =পৰম
তেজোময়ম = তেজোময়
আদ্যম = সকলোৰে আদি (আৰু)

অনন্তম = সীমাহীন
বিশ্বম = বিৰাট
ৰূপম = ৰূপ
তৱ = তোমাক
দৰ্শিতম = দেখুৱালো
য়ত = যাক
ত্বদন্যেন=তোমাৰবাহিৰে আন কোনেও
ন, দৃষ্টপূৰ্বম = প্ৰথমতে দেখা নাই।

**ন, বেদয়জ্ঞাধ্যয়নৈঃ, ন, দানৈ, , চ, ক্ৰিয়াভিঃ, ন,**
**তপোভিঃ, উগ্ৰৈঃ, এৱংৰূপঃ, শক্যঃ, অহম, নৃলোকে, দ্ৰষ্টুম,**
**ত্বদন্যেন, কুৰুপ্ৰৱীৰ।। ৪৮।।**

কুৰুপ্ৰৱীৰ = হে অৰ্জুন
নৃলোকে = মনুষ্যলোকত
এৱংৰূপঃ = এই বিশ্বৰূপত
অহম = মই
ন = না
বেদয়জ্ঞাধ্যয়নৈঃ = বেদ আৰু যজ্ঞৰ অধ্যয়নৰ দ্বাৰা
ন = না
দানৈঃ = দানৰ দ্বাৰা,

ন = না
ক্ৰিয়াভিঃ=(ৰীতি নীতিৰ) ক্ৰিয়াৰ দ্বাৰা
চ = আৰু
ন = না
উগ্ৰৈঃ = উগ্ৰ (কঠোৰ)
তপোভিঃ = তপস্যাৰ দ্বাৰা
ত্বদন্যেন=তোমাৰ বাদে আনৰ দ্বাৰা
দ্ৰষ্টুম = দৃষ্ট
শক্যঃ = হ'ব পাৰো।

**মা, তে, ব্যথা, মা, চ, ৱিমূঢ়ভাৱঃ, দৃষ্টৱা, ৰূপম, ঘোৰম,**
**ঈদৃক, মম, ইদম, ব্যপেতভীঃ, প্ৰীতমনাঃ, পুনঃ, ত্বম, তত, এৱ**
**মে , ৰূপম, ইদম, প্ৰপশ্য ।।৪৯।।**

মম = মোৰ
ঈদৃক = এই ধৰণৰ
ইদম = এইটো
ঘোৰম = ভয়ংকৰ
ৰূপম = ৰূপ
দৃষ্টৱা = দেখি
তে = তুমি
ব্যথা =ব্যাকুল
মা = হ'ব নালাগে
চ = আৰু
বিমূঢ়ভাৱঃ = বিমোৰ

মা = হ'বও নালাগে
ত্বম = তুমি
ব্যপেতভীঃ = ভয়হীন (আৰু)
প্ৰীতমনাঃ = প্ৰফুল্লমনা হৈ
তত, এৱ = সেই
মে = মোৰ
ইদম=এই (শংখ, চক্ৰ, গদা, পদ্মযুক্ত চতুৰ্ভূজ)
ৰূপম = ৰূপ
পুনঃ = আকৌ
প্ৰপশ্য = চোৱা।

**ইতি, অৰ্জুনম, বাসুদেৱঃ , তথা, উক্ত্বা, স্বকম, ৰূপম**
**দৰ্শয়ামাস, ভূয়ঃ, আশ্বাসয়ামাস, চ, ভীতম, এনম,**
**ভূত্বা, পুনঃ, সৌম্যৱপুঃ, মহাত্মা।।৫০।।**
**তাৰ পাছত সঞ্জয়ে ক'লে, হে ৰাজন -**

বাসুদেৱঃ = বাসুদেৱ ভগৱানে
অৰ্জুনম = অৰ্জুনক
ইতি= এইদৰে
উক্ত্বা = কৈ
ভূয়ঃ = আকৌ
তথা = সেই
স্বকম = নিজৰ
ৰূপম = চতুৰ্ভুজৰূপ
দৰ্শয়ামাস = দেখুৱাইছিল
চ = আৰু
পুনঃ = আকৌ
মহাত্মা = মহাত্মা শ্ৰীকৃষ্ণই
সৌম্যৱপুঃ = সৌম্য মূৰ্তি (শান্তৰূপ)
ভূত্বা = ধাৰণ কৰি
এনম = এইজন
ভীতম = ভয়ভীত অৰ্জুনক
আশ্বাসয়ামাস = আশ্বস্ত কৰিছিল।

**দৃষ্টৱা, ইদম, মানুষম, ৰূপম, তৱ, সৌম্যম, জনাৰ্দন,**
**ইদাণীম, অস্মি, সংবৃত্তঃ, সচেতাঃ, প্ৰকৃতিম, গতঃ।।৫১।।**
**তাৰ পিছত অৰ্জুনে ক'লে -**

জনাৰ্দন = হে জনাৰ্দন
তৱ = আপোনাৰ
ইদম = এই
সৌম্যম = অতি শান্ত
মানুষম, ৰূপম = মনুষ্য ৰূপ
দৃষ্টৱা = দেখি
ইদানীম = এতিয়া (মই)
সচেতাঃ = স্থিৰ-চিত্তৰ
সংবৃত্তঃ = হৈ
অস্মি = গলোঁ (আৰু)
প্ৰকৃতিম = নিজৰ স্বাভাৱিক স্থিতি
গতঃ = ফিৰাই পালোঁ

**সুদুৰ্দৰ্শম, ইদম, ৰূপম, দৃষ্টৱান, অসি, য়ত, মম**
**দেৱাঃ, অপি, অস্য, ৰূপস্য, নিত্যম, দৰ্শণকাঙক্ষিণঃ।।৫২।।**
**অৰ্জুনৰ এই কথা শুনি শ্ৰীভগৱানে ক'লে, হে অৰ্জুন! -**

মম = মোৰ
য়ত = যি
ৰূপম = চতুৰ্ভুজৰূপ (তুমি)
দৃষ্টৱান, অসি = দেখিলা
ইদম = ইয়াৰ
সুদুৰ্দৰ্শম = দৰ্শন অতি দুৰ্লভ,
দেৱাঃ অপি = দেৱতা সকলেও
নিত্যম = সদায়
অস্য = এই
ৰূপস্য = ৰূপৰ
দৰ্শণ = দৰ্শণ কৰিবলৈ
কাঙক্ষিণঃ = ইচ্ছা কৰি থাকে

**ন, অহম, বেদৈঃ, ন, তপসা, ন, দানেন, ন, চ, ইজ্যয়া,**
**শক্যঃ, এবংৱিধঃ, দ্ৰষ্টুম, দৃষ্টৱান, অসি, মাম, য়থা ।। ৫৩ ।।**
**আৰু হে অৰ্জুন -**

য়থা = যি ধৰণে (তুমি)
মাম = মোক
দৃষ্টৱান, অসি = দেখিছা
এবংৱিধ = সেইধৰণে চতুৰ্ভুজৰূপধাৰী
অহম = মই
ন = না
বেদৈঃ = বেদ অধ্যয়নৰ দ্বাৰা
ন = না

তপসা = তপস্যাৰ দ্বাৰা
ন = না
দানেন = দানৰ দ্বাৰা
চ = আৰু
ন = না
ইজ্যয়া = যজ্ঞৰ দ্বাৰা
দ্ৰষ্টুম = দৃষ্ট
শক্যঃ = হ'ব পাৰো।

**ভক্ত্যা, তু, অনন্যয়া, শক্যঃ, অহম, এবংৱিধঃ, অৰ্জুন**
**জ্ঞাতুম, দৃষ্টুম, চ, তত্ত্বেন, প্ৰৱেষ্টুম, চ, পৰন্তপ।।৫৪।।**

তু = কিন্তু
পৰন্তপ = হে পৰন্তপ
অৰ্জুন = অৰ্জুন
অনন্যয়া, ভক্ত্যা = অনন্য ভক্তিৰ দ্বাৰা
এবংবিধঃ = এইধৰণৰ চতুৰ্ভূজৰূপী
অহম = মই

দৃষ্টম = প্ৰত্যক্ষৰূপে দেখিবলৈ
তত্ত্বেন,জ্ঞাতুম=তত্ত্বেৰে জানিবলৈ
চ = আৰু
প্ৰবেষ্টুমঃ,চ=প্ৰবেশ কৰিবলৈ অৰ্থাৎ
একীভাৱে প্ৰাপ্ত হ'বলৈও
শক্যঃ = সম্ভৱপৰ হওঁ।

**মৎকৰ্মকৃত, মৎপৰমঃ, মদ্ভক্তঃ, সঙ্গৱৰ্জিতঃ,**
**নিৰ্বৈৰঃ,সৰ্বভূতেষু, য়ঃ, সঃ, মাম, এতি, পাণ্ডৱ।।৫৫।।**

পাণ্ডৱ = হে অৰ্জুন
য়ঃ = যি পুৰুষ কেৱল
মৎকৰ্মকৃত=মোৰ বাবেই সকলো কৰ্তব্য
কৰ্মত ব্যস্ত,
মৎপৰম = মোৰ প্ৰতি সমৰ্পিত,
মদ্ভক্তঃ = মোৰ ভক্ত,

সঙ্গৱৰ্জিত = অনাসক্ত (আৰু)
সৰ্বভূতেষু = সকলো প্ৰাণীৰ প্ৰতি
নিৰ্বৈৰঃ = শত্ৰুভাৱাপন্ন নহয়
সঃ = সেই(অনন্য ভক্তিযুক্ত পুৰুষ)
মাম = মোকেই
এতি = প্ৰাপ্ত হয়

## শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ১২ ৰ শ্লোকৰ প্ৰতিলিপি

## দ্বাদশ অধ্যায়

### অৰ্জুন উৱাচ

**এৱম, সততয়ুক্তাঃ, য়ে, ভক্তাঃ, ত্বাম, পৰ্য়ুপাসতে,**
**য়ে, চ, অপি, অক্ষৰম, অব্যক্তম, তেষাম, কে, য়োগবিত্তমাঃ ।।১।।**
**ভগৱানৰ বচন শুনি অৰ্জুনে এইদৰে ক'লে, হে মনমোহন -**

য়ে = যি
ভক্তাঃ = অনন্য প্ৰেমী ভক্তজনে
এৱম = উল্লিখিত ধৰণে
সততয়ুক্তাঃ=একেৰাহে আপোনাৰ ভজন
ধ্যানত নিমগ্ন হৈ
ত্বাম = আপুনি সগুণ ৰূপ পৰমেশ্বৰক
(ভজে) -
চ = আৰু

য়ে = অন্য যি সকলে (মাত্ৰ)
অক্ষৰম = অবিনাশী সচিদানন্দঘন
অব্যক্তম, অপি = নিৰাকাৰ ব্ৰহ্মকেই
পৰ্য়ুপাসতে= অতি শ্ৰেষ্ঠ মানি ভজে-
তেষাম = এই দুই বিধৰ মাজত
য়োগবিত্তমাঃ = অতি উত্তম যোগী
কে = কোন
(সন্তি) = হয়?

**শ্ৰীভগবানুৱাচ**

**ময়ি, আবেশ্য, মনঃ, য়ে, মাম, নিত্যয়ুক্তাঃ, উপাসতে,**
**শ্ৰদ্ধয়া, পৰয়া, উপেতাঃ, তে, মে, য়ুক্ততমাঃ, মতাঃ ।।২।।**

**এইদৰে অৰ্জুনে সোধাত শ্ৰীভগৱানে ক'লে , হে অৰ্জুন -**

ময়ি = মোতে
মনঃ = মন
আবেশ্য = স্থিৰ কৰি
নিত্যয়ুক্তাঃ = একেৰাহে মোৰ ভজন, ধ্যানত নিমগ্ন হোৱা
য়ে = যি ভক্ত সকলে
পৰয়া = অতিশয় শ্ৰেষ্ঠ
শ্ৰদ্ধয়া = শ্ৰদ্ধা

উপেতাঃ = যুক্ত হৈ
মাম = মই সগুণ ৰূপ পৰমেশ্বৰক
উপাসতে = ভজে,
তে = তেওঁলোক
মে = মোৰ বাবে
য়ুক্ততমাঃ=যোগীসকলৰ ভিতৰত অতি উত্তম যোগী
মতাঃ = হিচাবে মান্য হয়

**য়ে, তু, অক্ষৰম, অনিৰ্দেশ্যম, অব্যক্তম, পৰ্য়ুপাসতে,**
**সৰ্বত্ৰগম, অচিন্ত্যম, চ, কুটস্থম, অচলম, ধ্ৰুৱম।। ৩ ।।**
**সন্নিয়ম্য, ইন্দ্ৰিয়গ্ৰামম, সৰ্বত্ৰ, সমবুদ্ধয়ঃ**
**তে, প্ৰাপ্নুৱন্তি, মাম, এৱ, সৰ্বভূতহিতে, ৰতাঃ।। ৪ ।।**

তু = কিন্তু
য়ে = যিসকলে
ইন্দ্ৰিয়গ্ৰামম = ইন্দ্ৰিয়সমূহক
সন্নিয়ম্য = যথাবিহিত নিয়ন্ত্ৰণ কৰি
অচিন্ত্যম = মন-বুদ্ধিৰে ঢুকি নোপোৱা
সৰ্বত্ৰগম = সৰ্বব্যাপী
অনিৰ্দেশ্যম=কথাৰে প্ৰকাশ কৰিব নোৱাৰা
চ = আৰু
কুটস্থম = একীভাৱেৰে থকা
ধ্ৰুৱম = নিত্য
অচলম = অচল

অব্যক্তম = নিৰাকাৰ
অক্ষৰম=অবিনাশী সচিদানন্দঘনব্ৰহ্মক
পৰ্য়ুপাসতে = একেৰাহে অভিন্নৰূপে ধ্যান কৰি ভজে
তে = সেই
সৰ্বভূতহিতে=সম্পূৰ্ণ প্ৰাণীৰ হিতাৰ্থে
ৰতাঃ = অনুৰক্ত (আৰু)
সৰ্বত্ৰ = সকলোতে
সমবুদ্ধয়ঃ = সমভাৱাপন্ন যোগী
মাম, এৱ = মোকেই
প্ৰাপ্নুৱন্তি = প্ৰাপ্ত হয়।

**ক্লেশঃ, অধিকতৰঃ, তেষাম, অব্যক্তাসক্তচেতসাম,**
**অব্যক্তা, হি, গতিঃ, দুঃখম, দেহৱদ্ভিঃ, অৱাপ্যতে ।। ৫ ।।**

**কিন্তু -**

তেষাম = সেই
অব্যক্তাসক্ত, চেতসাম = সচিদানন্দঘন নিৰাকাৰ ব্ৰহ্মত যি সকলৰ মন আসক্ত সেই পুৰুষসকলৰ (সাধনাত)
ক্লেশঃ = পৰিশ্ৰম

অধিকতৰঃ = সদায় বেছি হয়
হি = কাৰণ
দেহৱদ্ভিঃ=দেহাভিমানী সকলৰ দ্বাৰা
অব্যক্তা = অব্যক্তৰ ফালে
গতিঃ = অগ্ৰগতি
দুঃখম = কষ্টেৰে সৈতে
অৱাপ্যতে = লাভ কৰা হয়।

**য়ে, তু, সৰ্বানি, কৰ্মাণি, ময়ি, সন্ন্যস্য, মৎপৰাঃ**
**অনন্যেন, এৱ, য়োগেন, মাম, ধ্যায়ন্তঃ, উপাসতে।। ৬ ।।**

তু = কিন্তু
য়ে = যি
মৎপৰাঃ=মোতে পৰায়ণ হোৱা ভক্তসকলে
সৰ্বাণি = সম্পূৰ্ণ
কৰ্মাণি = কৰ্ম
ময়ি = মোতে
সন্ন্যস্য = অৰ্পণ কৰি
মাম, এৱ = মোকেই (সগুণ ৰূপ পৰমেশ্বৰকেই)
অনন্যেন = অনন্য
য়োগেন = ভক্তি যোগৰ সৈতে
ধ্যায়ন্তঃ = একেৰাহে ধ্যান কৰি
উপাসতে = ভজে -

**তেষাম, অহম, সমুদ্ধৰ্তা, মৃত্যুসংসাৰসাগৰত,**
**ভৱামি, নচিৰাত, পাৰ্থ, ময়ি, আৱেশিতচেতসাম।।৭।।**

পাৰ্থ = হে অৰ্জুন
তেষাম = সেই
ময়ি = মোতেই
আবেশিতচেতসাম = চিত্ত সমৰ্পণ কৰা প্ৰেমী ভক্তসকলৰ
অহম = মই
নচিৰাত = অতি সোনকালে
মৃত্যুসংসাৰসাগৰত=মৃত্যু ৰূপ সংসাৰ সাগৰৰ পৰা
সমুদ্ধৰ্তা = উদ্ধাৰকাৰী
ভৱামি = হওঁ

**ময়ি, এৱ, মনঃ, আধৎস্ব, ময়ি, বুদ্ধিম, নিবেশয়,**
**নিৱসিষ্যসি, ময়ি, এৱ, অতঃ, ঊৰ্দ্ধম ন, সংশয়ঃ।।৮।।**
**সেই কাৰণে হে অৰ্জুন, তুমি -**

ময়ি = মোতেই
মনঃ = মন
আধৎস্ব = স্থাপন কৰা (আৰু)
ময়ি, এৱ = মোতেই
বুদ্ধিম = বুদ্ধি
নিবেশয় = নিবিষ্ট কৰা
অতঃ = ইয়াৰ
ঊৰ্ধ্বম = পাছত (তুমি)
ময়ি, এৱ = মোতেই
নিৱসিষ্যসি=বাস কৰিবা(ইয়াত কোনো)
সংশয়ঃ = সংশয়
ন = নাই ।

**অথ, চিত্তম, সমাধাতুম, ন, শক্লোষি, ময়ি, স্থিৰম,**
**অভ্যাসয়োগেন, ততঃ, মাম, ইচ্ছ, আপ্তুম, ধনঞ্জয়।।৯।।**
**আৰু -**

অথ = যদি (তুমি)
চিত্তম = মনক
ময়ি = মোতে
স্থিৰম = দৃঢ়ভাৱে (অচলভাৱে)
সমাধাতুম = স্থাপন কৰিবলৈ
ন, শক্লোষি = নোৱাৰা
ততঃ = তেনেহ'লে
ধনঞ্জয় = হে অৰ্জুন
অভ্যাসয়োগেন=অভ্যাস যোগৰ দ্বাৰা
মাম = মোক
আপ্তুম = পাবলৈ
ইচ্ছ = ইচ্ছা কৰা।

**অভ্যাসে, অপি, অসমৰ্থঃ, অসি, মৎকৰ্মপৰমঃ ভৱ,**
**মদৰ্থম, অপি, কৰ্মাণি, কুৰ্বন, সিদ্ধিম, অৱাপ্স্যসি।।১০।।**
**আৰু যদি তুমি উপৰোক্ত -**

অভ্যাসে, অপি = অভ্যাসতো
অসমৰ্থঃ = অসমৰ্থ
অসি = হোৱা (তেতিয়া কেৱল)
মৎকৰ্মপৰমঃ = মোৰ কৰ্ম পৰায়ণ
ভৱ = হোৱা (এইদৰে)

মদৰ্থম = মোৰ বাবে
কৰ্মাণি = কৰ্ম বিলাক
কুৰ্বন, অপি = কৰিও
সিদ্ধিম = মোৰ প্ৰাপ্তি ৰূপ সিদ্ধিকেই
অৱাপ্স্যসি = লাভ কৰিবা।

**অথ, এতত,অপি, অশক্তঃ, অসি, কৰ্তুম, মদ্যোগম, আশ্ৰিতঃ**
**সৰ্বকৰ্মফলত্যাগম, ততঃ, কুৰু, য়তাত্মৱান।। ১১ ।।**
**আৰু -**

অথ = যদি
মদ্যোগম = মোৰ প্ৰাপ্তিৰূপ যোগৰ
আশ্ৰিতঃ = আশ্ৰিত হৈ
এতত = উপৰোক্ত সাধনা
কৰ্তুম, অপি = কৰিবলৈও (তুমি)
অশক্তঃ = অসমৰ্থ

অসি = হোৱা
ততঃ = তেনেহ'লে
য়তাত্মৱান=মন,বুদ্ধি আদিক জয় কৰি অৰ্থাৎ চিত্ত সংযত কৰি
সৰ্বকৰ্মফলত্যাগম=সকলো কৰ্মৰ ফল ত্যাগ
কুৰু = কৰা।

**শ্ৰেয়ঃ, হি, জ্ঞানম, অভ্যাসাত, জ্ঞানাত, ধ্যানম, বিশিষ্যতে,**
**ধ্যানাত, কৰ্মফলত্যাগঃ ত্যাগাত, শান্তিঃ, অনন্তৰম।। ১২ ।।**

অভ্যাসাত= মৰ্ম নাজানি কৰা অভ্যাস যোগতকৈ
জ্ঞানম = জ্ঞান
শ্ৰেয়ঃ = শ্ৰেষ্ঠ হয়,
জ্ঞানাত = জ্ঞানতকৈ
ধ্যানম=মোৰ (পৰমেশ্বৰৰ) স্বৰূপৰ ধ্যান
বিশিষ্যতে= শ্ৰেষ্ঠ হয় (আৰু)

ধ্যানাত = ধ্যানতকৈও
কৰ্মফলত্যাগঃ=সকলো কৰ্মফল ত্যাগ (শ্ৰেষ্ঠ হয়)
হি = কাৰণ
ত্যাগাত= ত্যাগৰ দ্বাৰা
অনন্তৰম = অতি সোনকালে
শান্তিঃ =পৰম শান্তি পায়।

**অদ্বেষ্টা, সৰ্বভূতানাম, মৈত্ৰঃ কৰুণঃ এৱ, চ**
**নিৰ্মমঃ নিৰহঙ্কাৰঃ, সমদুঃখসুখঃ, ক্ষমী।।১৩।।**
**সন্তুষ্টঃ, সততম, য়োগী, য়তাত্মা, দৃঢ়নিশ্চয়ঃ,**
**ময়ি, অৰ্পিতমনোবুদ্ধিঃ, য়ঃ, মদ্ভক্ত, সঃ, মে, প্ৰিয়ঃ।। ১৪ ।।**
**এইদৰে শান্তি প্ৰাপ্ত কৰি -**

য়ঃ = যি পুৰুষ
সৰ্বভূতানাম = সকলো প্ৰাণীৰ প্ৰতি
অদ্বেষ্টা = দ্বেষভাৱ হীন
মৈত্ৰ = স্বাৰ্থৰহিত বন্ধুভাৱাপন্ন
চ = আৰু
কৰুণঃ=বিনা কাৰণত দয়াশীল
এৱ = আৰু
নিৰ্মমঃ = মমতা ৰহিত
নিৰহঙ্কাৰঃ = অহঙ্কাৰ শূণ্য
সমদুঃখসুখঃ=সুখ-দুখত সমভাৱ (আৰু)
ক্ষমী = ক্ষমাশীল অৰ্থাৎ অপৰাধীকো
অভয়দান কৰা (আৰু যি)

য়োগী = যোগী (ভকত)
সততম = সদায়েই
সন্তুষ্টঃ = সন্তুষ্ট থাকে,
য়তাত্মা = মন, ইন্দ্ৰিয় সমূহৰ সৈতে
শৰীৰো বশ কৰিছে (আৰু)
দৃঢ়নিশ্চয়ঃ=মোতে দৃঢ় সংকল্পৱান,
সঃ = সেই
ময়ি = মোতে
অৰ্পিতমনোবুদ্ধিঃ=মন-বুদ্ধি অৰ্পণ
কৰা
মদ্ভক্তঃ = মোৰ ভক্ত
মে = মোৰ
প্ৰিয়ঃ = প্ৰিয় হয়।

**য়স্মাত, ন, উদ্বিজতে, লোকঃ, লোকাত, ন, উদ্বিজতে, চ, য়ঃ**
**হৰ্ষামৰ্ষভয়োদ্বেগৈঃ, মুক্তঃ, য়ঃ, সঃ, চ, মে, প্ৰিয়ঃ।।১৫।।**
আৰু -

য়স্মাত = যাৰ পৰা
লোকঃ = কোনো জীৱ
ন, উদ্বিজতে= উদ্বেগ প্ৰাপ্ত নহয়
চ = আৰু
য়ঃ = যি (নিজেও)
লোকাত = কোনো জীৱৰ পৰা
ন, উদ্বিজতে = উদ্বেগ প্ৰাপ্ত নহয়

চ = আৰু
য়ঃ = যি
হৰ্ষামৰ্ষভয়োদ্বেগৈঃ = হৰ্ষ, দুখ, ভয়
আৰু উদ্বেগৰ পৰা
মুক্তঃ = মুক্ত হৈছে-
সঃ = সেই ভক্ত
মে, প্ৰিয়ঃ = মোৰ প্ৰিয় হয়।

**অনপেক্ষঃ, শুচিঃ দক্ষঃ, উদাসীন, গতব্যথঃ,**
**সৰ্বাৰম্ভপৰিত্যাগী, য়ঃ, মদ্ভক্তঃ, সঃ, মে, প্ৰিয়ঃ।।১৬।।**
**আৰু -**

য়ঃ = যি পুৰুষ
অনপেক্ষঃ = নিষ্পৃহ
শুচিঃ = বাহিৰে ভিতৰে পবিত্ৰ
দক্ষঃ = চতুৰ
উদাসীনঃ = পক্ষপাত শূণ্য (আৰু)

গতব্যথঃ = সকলো দুখৰ পৰা মুক্ত -
সঃ = সেই
সৰ্বাৰম্ভপৰিত্যাগী=সকলো কৰ্মাৰম্ভ
ত্যাগী
মদ্ভক্তঃ = মোৰ ভক্ত
মে, প্ৰিয়ঃ = মোৰ প্ৰিয় হয়

**য়ঃ, ন, হৃষ্যতি, ন, দ্বেষ্টি, ন, শোচতি, ন, কাঙক্ষতি,**
**শুভাশুভপৰিত্যাগী, ভক্তিমান, য়ঃ, সঃ, মে, প্ৰিয়ঃ।। ১৭ ।।**

**আৰু -**

য়ঃ = যি
ন = না (কেতিয়াও)
হৃষ্যতি= আনন্দিত হয়,
ন = না
দ্বেষ্টি= দ্বেষ কৰে
ন = না
শোচতি = শোক কৰে
ন = না
কাঙক্ষতি=আকাঙ্খা কৰে (আৰু)
য়ঃ = যি
শুভাশুভপৰিত্যাগী=শুভ আৰু অশুভ সকলো কৰ্ম ত্যাগ কৰে
সঃ = সেই
ভক্তিমান =ভক্তিযুক্ত পুৰুষ
মে = মোৰ
প্ৰিয় = প্ৰিয় হয়

**সমঃ, শত্ৰৌ, চ, মিত্ৰে, চ, তথা, মানাপমানয়োঃ,**
**শীতোষ্ণসুখদুঃখেষু, সমঃ, সঙ্গৰিৰৰ্জিতঃ।।১৮।।**

**আৰু যি -**

শত্ৰৌ, মিত্ৰে = শত্ৰু আৰু মিত্ৰত
চ = আৰু
মানাপমানয়োঃ = মান অপমানত
সমঃ = সম
তথা = আৰু
শীতোষ্ণসুখদুঃখেষু=শীত-তাপ আৰু সুখ, দুখতো
সমঃ = সম
চ = আৰু
সঙ্গৰিৰৰ্জিতঃ = আসক্তিহীন।

**তুল্যনিন্দাস্তুতিঃ, মৌণী, সন্তুষ্টঃ, য়েণ, কেনচিত,**
**অনিকেতঃ, স্থিৰমতিঃ, ভক্তিমান, মে, প্ৰিয়ঃ, নৰঃ।।১৯।।**

**আৰু যি -**

তুল্যনিন্দাস্তুতি = নিন্দা আৰু স্তুতিত সমভাৱাপন্ন
মৌনী = মননশীল (আৰু)
য়েন, কেনচিত= যিকোনো প্ৰকাৰৰ শৰীৰ নিৰ্বাহত
সন্তুষ্টঃ = সদায় সন্তুষ্ট (আৰু)
অনিকেতঃ = ঘৰখনৰ প্ৰতি মায়া-আসক্তিহীন (সেই)
স্থিৰ মতিঃ = স্থিৰবুদ্ধিৰ
ভক্তিমান = ভক্তিমান
নৰঃ = পুৰুষ
মে = মোৰ
প্ৰিয়ঃ = প্ৰিয় হয়।

**য়ে, তু, ধৰ্ম্যামৃতম, ইদম, য়থা, উক্তম, পৰ্য্যুপাসতে,**
**শ্ৰদ্ধানাঃ, মৎপৰমাঃ, ভক্তাঃ, তে, অতীৱ, মে, প্ৰিয়াঃ।। ২০ ।।**

তু = কিন্তু
য়ে = যি সকল
শ্ৰদ্ধানাঃ = শ্ৰদ্ধাৱান পুৰুষে
মৎপৰমাঃ = মোৰ পৰায়ণ হৈ
ইদম = এই
য়থা, উক্তম = পূৰ্বে উদ্ধৃত
ধৰ্ম্যামৃতম = ধৰ্মময় অমৃত
পৰ্য্যুপাসতে=নিষ্কাম ভাৱে সেৱন কৰে
তে = সেই
ভক্তাঃ = ভক্তসকল
মে = মোৰ
অতীৱ = অতিশয়
প্ৰিয়াঃ = প্ৰিয় হয়।

**শ্ৰীমদ্ভাগৱত গীতাৰ ১৩ অধ্যায়ৰ শ্লোকৰ প্ৰতিলিপি**

**ত্ৰয়োদশ অধ্যায়**

**শ্ৰীভগৱানুৱাচ**

**ইদম, শৰীৰম, কৌন্তেয়, ক্ষেত্ৰম, ইতি, অভিধীয়তে,**
**এতত, য়ঃ, বেত্তি, তম, প্ৰাহুঃ, ক্ষেত্ৰজ্ঞঃ, ইতি, তদ্বিদঃ।। ১ ।।**

**তাৰ পিছত শ্ৰীকৃষ্ণ ভগৱানে ক'লে -**

কৌন্তেয় = হে অৰ্জুন
ইদম = এই
শৰীৰম = শৰীৰটো
ক্ষেত্ৰম = 'ক্ষেত্ৰ'
ইতি = এই (নামেৰে)
অভিধীয়তে= অভিহিত হয় (আৰু)
এতত = ইয়াক (শৰীৰক)

য়ঃ = যি
বেত্তি = জানে,
তম = তেওঁক
ক্ষেত্ৰজ্ঞঃ = 'ক্ষেত্ৰজ্ঞ'
ইতি = এই (নামেৰে)
তদ্বিদঃ = তত্ত্ব জনা জ্ঞানী সকলে
প্ৰাহুঃ = কয়

**ক্ষেত্ৰজ্ঞম, চ, অপি, মাম, ৰিদ্ধি, সৰ্বক্ষেত্ৰেষু, ভাৰত**
**ক্ষেত্ৰক্ষেত্ৰজ্ঞয়োঃ, জ্ঞানম, য়ত, তত, জ্ঞানম, মতম, মম।।** ২ ।।

ভাৰত = হে অৰ্জুন (তুমি)
সৰ্বক্ষেত্ৰেষু = সকলো ক্ষেত্ৰত
ক্ষেত্ৰজ্ঞম = ক্ষেত্ৰজ্ঞ অৰ্থাৎ জীৱাত্মা
অপি = বুলি
মাম = মোক
. বিদ্ধি = জানিবা
চ = আৰু

ক্ষেত্ৰক্ষেত্ৰজ্ঞয়ো=ক্ষেত্ৰ আৰু
ক্ষেত্ৰজ্ঞৰ অৰ্থাৎ বিকাৰ সহিতে
প্ৰকৃতি আৰু পুৰুষৰ (পাৰ্থক্য)
য়ত = যিদৰে
জ্ঞানম = তত্ত্বেৰে জনা হয়
তত্ = সেইটো
জ্ঞানম = জ্ঞান হয়-
(ইতি) = এইটো
মম, মতম = মোৰ মত হয়

**তত, ক্ষেত্ৰম, য়ত, চ, য়াদৃক, চ, য়দ্বিকাৰি, য়তঃ, চ, য়ত,**
**সঃ, চ, য়ঃ, য়ৎপ্ৰভাৱঃ, চ, তত, সমাসেন, মে, শৃণু।।৩।।**

**এই কাৰণে -**

তত = সেই
ক্ষেত্ৰম = ক্ষেত্ৰ
য়ত= যি
চ = আৰু
যাদৃক= যেনেকুৱা হয়
চ = আৰু
য়দ্বিকাৰি = যিধৰণে বিকাৰযুক্ত হয়
চ = আৰু
য়তঃ = যি কাৰণে

য়ত = যি (হৈছে)
চ = আৰু
সঃ = সেই (ক্ষেত্ৰজ্ঞও)
য়ঃ, চ = যি আৰু
য়ৎপ্ৰভাৱঃ=যিমান প্ৰভাৱ সম্পন্ন হয়
তত= এই সকলো
সমাসেন = সংক্ষেপকৈ
মে = মোৰ পৰা
শৃণু = শুনা।

**ঋষিভিঃ, বহুধা, গীতম, ছন্দোভিঃ, ৱিৱিধৈঃ, পৃথক**
**ব্ৰহ্মসূত্ৰপদৈঃ, চ, এৱ, হেতুমদ্ভিঃ, ৱিনিশ্চিতৈঃ।। ৪।।**

**এই ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ তত্ব -**

ঋষিভিঃ = ঋষি সকলৰ দ্বাৰা
বহুধা = বিভিন্ন ধৰণে
গীতম = কোৱা হৈছে (আৰু)
ৱিৱিধৈঃ = বিবিধ
ছন্দোভিঃ = বেদৰ মন্ত্ৰসমূহৰ দ্বাৰা (ও)
পৃথক = পৃথকে - পৃথকে
(গীতম) = কোৱা হৈছে
চ = আৰু
বিনিশ্চিতৈঃ=যথাবিহিত নিশ্চয় কৰা
হেতুমদ্ভিঃ = যুক্তিযুক্ত
ব্ৰহ্মসূত্ৰপদৈঃ, এৱ = ব্ৰহ্মসূত্ৰৰ পদ সমূহৰ দ্বাৰাও
(গীতম) = কোৱা গৈছে।

**মহাভূতানি, অহংকাৰঃ, বুদ্ধিঃ অব্যক্তম, এৱ, চ**
**ইন্দ্ৰিয়াণি, দশ, একম, চ, পঞ্চ, চ, ইন্দ্ৰিয়গোচৰাঃ ।। ৫ ।।**

মহাভূতানি =পঞ্চ মহাভূত
অহঙ্কাৰঃ = অহংকাৰ,
বুদ্ধিঃ = বুদ্ধি
চ = আৰু
অব্যক্তম, এৱ = মূল প্ৰকৃতিও
চ = আৰু
দশ = দশ
ইন্দ্ৰিয়াণি = ইন্দ্ৰিয়সমূহ ,
একম = এক মন
চ = আৰু
পঞ্চ =পঞ্চ
ইন্দ্ৰিয়গোচৰাঃ= ইন্দ্ৰিয়ৰ বিষয় অৰ্থাৎ শব্দ, ৰূপ, ৰস, স্পৰ্শ আৰু গন্ধ -

**ইচ্ছা, দ্বেষঃ, সুখম, দুঃখম, সংঘাতঃ, চেতনা, ধৃতিঃ,**
**এতত, ক্ষেত্ৰম, সমাসেন, সবিকাৰম, উদাহৃতম।। ৬ ।।**

**আৰু -**

ইচ্ছা = ইচ্ছা,
দ্বেষঃ = দ্বেষ,
সুখম = সুখ,
দুঃখম = দুঃখ,
সংঘাতঃ = স্থূল দেহৰ পিণ্ড,
চেতনা = চেতনা (আৰু)
ধৃতিঃ = ধৈৰ্য্য (এইদৰে)
সবিকাৰম = বিকাৰ সমূহেৰে সৈতে
এতত= এই
ক্ষেত্ৰম = ক্ষেত্ৰ
সমাসেন = সংক্ষেপতে
উদাহৃতম = উল্লেখ কৰা হ'ল।

**অমানিত্বম, অদম্ভিত্বম, অহিংসা, ক্ষান্তিঃ, আৰ্জৱম**
**আচাৰ্য্যোপাসনম, শৌচম, স্থৈৰ্য্যম, আত্মৱিনিগ্ৰহঃ ।। ৭ ।।**

**আৰু হে অৰ্জুন -**

অমানিত্বম = শ্ৰেষ্ঠতাৰ অভিমানহীনতা,
অদম্ভিত্বম = দম্ভাচৰণৰ অভাৱ,
অহিংসা= যি কোনো প্ৰাণীক কোনো প্ৰকাৰেই কষ্ট নিদিয়া,
ক্ষান্তিঃ = ক্ষমাভাৱ
আৰ্জৱম = মন আৰু বাণীৰ সৰলতা
আচাৰ্য্যোপাসনম=শ্ৰদ্ধা ভক্তিৰে গুৰুৰ সেৱা
শৌচম = বাহিৰ-ভিতৰৰ শুচিতা
স্থৈৰ্য্যম = অন্তঃকৰণৰ স্থিৰতা (আৰু)
আত্মবিনিগ্ৰহঃ=মন আৰু ইন্দ্ৰিয়সমূহৰ সৈতে শৰীৰৰ নিগ্ৰহ -

**ইন্দ্ৰিয়াৰ্থেষু, বৈৰাগ্যম, অনহঙ্কাৰঃ, এৱ, চ,**
**জন্মমৃত্যুজৰাব্যাধিদুখঃদোযানুদৰ্শনম।।৮।।**

**আৰু -**

ইন্দ্ৰিয়াৰ্থেষু = ইহলোক আৰু পৰলোকৰ সম্পূৰ্ণ ভোগত
বৈৰাগ্যম, চ = আসক্তিৰ অভাৱ আৰু
অনহঙ্কাৰঃ, এৱ = অহঙ্কাৰৰো অভাৱ
জন্মমৃত্যুজৰাব্যাধিদুখঃদোযানুদৰ্শনম = জন্ম, মৃত্যু, জৰা আৰু ৰোগ আদিত দুঃখ আৰু দোষৰ বাৰে-বাৰে চিন্তা কৰা

**অসক্তিঃ, অনভিস্বঙ্গঃ, পুত্ৰদাৰগৃহাদিষু,**
**নিত্যম, চ, সমচিত্তত্বম, ইষ্টানিষ্টোপপত্তিষু ।।৯।।**

**আৰু -**

পুত্ৰদাৰগৃহাদিষু = পুত্ৰ, স্ত্ৰী, ঘৰ আৰু ধন আদিত
অসক্তিঃ = আসক্তিৰ অভাৱ
অনভিস্বঙ্গঃ = মমত্বহীনতা
চ = আৰু
ইষ্টানিষ্টোপপত্তিষু=প্ৰিয় আৰু অপ্ৰিয়ৰ প্ৰাপ্তিত
নিত্যম = সদায়েই
সমচিত্তত্বম = সমচিত্ত থকা

**ময়ি, চ, অনন্যয়োগেন, ভক্তিঃ, অব্যভিচাৰিণী,**
**ৱিৱিক্তদেশসেৱিত্বম, অৰতিঃ, জনসংসদি ।। ১০ ।।**

**আৰু -**

ময়ি = মোৰ (পৰমেশ্বৰৰ ) প্ৰতি
অনন্যয়োগেন = অনন্য যোগৰ দ্বাৰা
অব্যভিচাৰিণী = অব্যভিচাৰী
ভক্তিঃ = ভক্তি
চ = আৰু
ৱিৱিক্তদেশসেৱিত্বম=নিৰ্জন আৰু পবিত্ৰ ঠাইত আশ্ৰয় লোৱা স্বভাৱ (আৰু)
জনসংসদি = বিষয়াসক্ত জনসমাজৰ প্ৰতি
অৰতিঃ = প্ৰেমৰ অভাৱ -

**অধ্যাত্মজ্ঞাননিত্যত্বম, তত্ত্বজ্ঞানাৰ্থদৰ্শনম**
**এতত, জ্ঞানম, ইতি, প্ৰোক্তম, অজ্ঞানম, য়ত, অতঃ, অন্যথা।।১১।।**

অধ্যাত্মজ্ঞাননিত্যত্বম=অধ্যাত্মজ্ঞানত নিত্য অৱস্থিতি (আৰু)
তত্ত্বজ্ঞানাৰ্থদৰ্শনম = তত্ত্বজ্ঞানৰ অৰ্থৰূপ মাত্ৰ পৰমাত্মাক দেখা
এতত= এই সকলোবোৰ
জ্ঞানম = জ্ঞান হয় (আৰু)
য়ত = যি
অতঃ = ইয়াৰ
অন্যথা = বিপৰীত
অজ্ঞানম = সেইটো অজ্ঞান হয়,
ইতি = এইভাৱে
প্ৰোক্তম = বোলা হয়।

**জ্ঞেয়ম, য়ত, তত, প্ৰৱক্ষ্যামি, য়ত, জ্ঞাত্বা, অমৃতম, অশ্নুতে,**
**অনাদিমত, পৰম, ব্ৰহ্ম, ন, সত, তত, ন, অসত, উচ্যতে ।।১২।।**

**আৰু হে অৰ্জুন -**

য়ত = যি
জ্ঞেয়ম = জানিবলগীয়া (আৰু)
য়ত = যাক
জ্ঞাত্বা = জানি (মনুষ্য)
অমৃতম = পৰমানন্দক
অশ্নুতে = প্ৰাপ্ত হয়
তত = সেইটো
প্ৰবক্ষ্যামি = ভালকৈ ক'ম।

তত = সেই
অনাদিমত = অনাদি
পৰম = পৰম
ব্ৰহ্ম = ব্ৰহ্ম
সত = সত (ও)
ন = নহয়
অসত = অসত (ও)
ন = নহয়
উচ্যতে = বুলি কোৱা হৈছে।

**সৰ্বতঃপাণিপাদম, তত, সৰ্বতোঅক্ষিশিৰোমুখম,**
**সৰ্বতঃশ্ৰুতিমত, লোকে, সৰ্বম, আবৃত্য, তিষ্ঠতি।। ১৩।।**

**কিন্তু -**

তত = তেওঁ
সৰ্বতঃপাণিপাদম = সকলোতে হাত, ভৰি থকা
সৰ্বতোঅক্ষিশিৰোমুখম=সকলোতে চকু, মস্তক আৰু মুখ থকা (আৰু)

সৰ্বতঃশ্ৰুতিমত=সকলোতে কানথকা হয়
(য়তঃ) = কাৰণ (তেওঁ)
লোকে = সংসাৰত
সৰ্বম = সকলোতে
আবৃত্য = ব্যাপ্ত হৈ
তিষ্ঠতি = অৱস্থান কৰিছে।

**সৰ্বেন্দ্ৰিয়গুণাভাসম, সৰ্বেন্দ্ৰিয়ৱিৱৰ্জিতম,**
**অসক্তম, সৰ্বভৃত, চ, এৱ, নিৰ্গুণম, গুণভোক্তৃ, চ ।।১৪।।**

**আৰু তেওঁ -**

সৰ্বেন্দ্ৰিয়গুণাভাসম=সম্পূৰ্ণ ইন্দ্ৰিয়ৰ বিষয়ৰ জ্ঞাতা হয় (কিন্তু প্ৰকৃততে)
সৰ্বেন্দ্ৰিয়ৱিৱৰ্জিতম=সকলো ইন্দ্ৰিয়ৰহিত হয়
চ = আৰু

অসক্তম,এৱ=আসক্তিৰহিত (হৈও)
সৰ্বভৃত = সকলোৰে পালন কৰ্তা
চ = আৰু
নিৰ্গুণম = নিৰ্গুণ (হৈও)
গুণভোক্তৃ=গুণ সমূহৰ ভোক্তা হয়।

**বহিঃ, অন্তঃ, চ, ভূতানাম, অচৰম, চৰম, এৱ, চ**
**সূক্ষ্মত্বাত, তত, অৱিজ্ঞেয়ম, দূৰস্থম, চ, অন্তিকে, চ, তত ।।১৫।।**

**আৰু তেওঁ -**

ভূতানাম = চৰাচৰ সকলো প্ৰাণীৰ
বহিঃ, অন্তঃ = বাহিৰত আৰু ভিতৰত (পৰিপূৰ্ণ আছে)
চ = আৰু
চৰম, অচৰম এৱ = চৰ আৰু অচৰ ৰূপো (তেওঁৱেই)
চ , তত = আৰু তেওঁ

সূক্ষ্মত্বাত = সূক্ষ্ম হোৱাৰ কাৰণে
অৱিজ্ঞেয়ম = জানিব পৰা নাযায়
চ = আৰু
অন্তিকে = অতি ওচৰতো
চ = আৰু
দূৰস্থম = দূৰতো অৱস্থান কৰা জন
তত = তেওঁ হয়

**অৱিভক্তম, চ, ভূতেষু, বিভক্তম, ইৱ, চ, স্থিতম,**
**ভূতভৰ্তৃ, চ, তত, জ্ঞেয়ম, গ্ৰসিষ্ণু, প্ৰভৱিষ্ণু, চ।।১৬।।**

**আৰু সেই পৰমাত্মা -**

অবিভক্তম, চ =অবিভক্ত আকাশৰ দৰে এক ৰূপেৰে পৰিপূৰ্ণ হৈও
ভূতেষু = চৰাচৰ সম্পূৰ্ণ ভূতত
বিভক্তম, ইৱ = বিভক্ত হৈ যেন
স্থিতম = অৱস্থিত আছে
চ = আৰু
তত = সেই

জ্ঞেয়ম = জানিবলগীয়া পৰমাত্মা
ভূতভৰ্তৃ=বিষ্ণুৰূপেৰে সকলো প্ৰাণীৰ পালনকৰ্তা
চ = আৰু
গ্ৰসিষ্ণু = ৰূদ্ৰৰূপেৰে সংহাৰকৰ্তা
চ = আৰু
প্ৰভৱিষ্ণু=ব্ৰহ্মাৰূপেৰে সকলোৰে উৎপন্ন কৰ্তা হয়

**জ্যোতিষাম, অপি, তত, জ্যোতিঃ, তমসঃ, পৰম, উচ্যতে,**
**জ্ঞানম, জ্ঞেয়ম, জ্ঞানগম্যম, হৃদি, সৰ্বস্য, বিষ্ঠিতম।।১৭।।**

**আৰু -**

তত = সেই পৰমাত্মা
জ্যোতিষাম, অপি = জ্যোতিৰো
জ্যোতিঃ = জ্যোতি (আৰু)
তমসঃ = মায়াৰ পৰা
পৰম = অতি দূৰত
উচ্চ্যতে=বুলি কোৱা হয়( সেই পৰমাত্মা)

জ্ঞানম = বোধস্বৰূপ
জ্ঞেয়ম = জানিবলগীয়া (আৰু)
জ্ঞানগম্যম=তত্বজ্ঞানৰ দ্বাৰা প্ৰাপ্ত কৰিবৰ যোগ্য হয় (আৰু)
সৰ্বস্য = সকলোৰে
হৃদি = হৃদয়ত
বিষ্ঠিতাম=বিশেষৰূপে অৱস্থিত আছে

**ইতি, ক্ষেত্ৰম , তথা, জ্ঞানম, জ্ঞেয়ম, চ, উক্তম, সমাসতঃ**
**মদ্ভক্তঃ, এতত, ৱিজ্ঞায়, মদ্ভাৱায়, উপপদ্যতে।।১৮।।**

**হে অৰ্জুন -**

ইতি = এইদৰে
ক্ষেত্ৰম = ক্ষেত্ৰ
তথা = তথা
জ্ঞানম = জ্ঞান
চ = আৰু
জ্ঞেয়ম=জানিবৰ যোগ্য পৰমাত্মাৰ স্বৰূপ

সমাসতঃ = চমুকৈ
উক্তম = কোৱা হ'ল।
মদ্ভক্তঃ = মোৰ ভক্ত
এতত = ইয়াক
ৱিজ্ঞায় = তত্ত্বেৰে জানি
মদ্ভাৱায় = মোৰ স্বৰূপক
উপপদ্যতে = প্ৰাপ্ত হয়।

**প্ৰকৃতিম পুৰুষম, চ, এৱ, ৱিদ্ধি, অনাদী, উভৌ, অপি,**
**বিকাৰান, চ, গুণান, চ, এৱ, ৱিদ্ধি, প্ৰকৃতিসম্ভৱান।। ১৯।।**

**আৰু হে অৰ্জুন -**

প্ৰকৃতিম = প্ৰকৃতি
চ = আৰু
পুৰুষম = পুৰুষ
উভৌ, এৱ = দুয়োকেই (তুমি)
অনাদী = অনাদি
ৱিদ্ধি = বুলি জানিবা
চ = আৰু

বিকাৰান=ৰাগ-দ্বেষ আদি বিকাৰক
চ = আৰু
গুণান, অপি=ত্ৰিগুণাত্মক সকলো পদাৰ্থকো
প্ৰকৃতিসম্ভৱান এৱ=প্ৰকৃতিৰ পৰাহে উৎপন্ন
ৱিদ্ধি = বুলি জানিবা।

**কাৰ্য্যকৰণকৰ্তৃত্বে, হেতুঃ, প্ৰকৃতিঃ, উচ্যতে,**
**পুৰুষঃ, সুখদুঃখানাম, ভোক্তৃত্বে, হেতুঃ, উচ্যতে।।২০।।**

**কাৰণ -**

কাৰ্য্যকৰণকৰ্তৃত্বে = কাৰ্য আৰু কাৰণৰ উৎপত্তি কৰাত
হেতুঃ = হেতু বুলি
প্ৰকৃতিঃ = প্ৰকৃতিক
উচ্যতে = কোৱা হয় (আৰু)

পুৰুষঃ = জীৱাত্মাক
সুখদুঃখানাম = সুখ-দুঃখৰ
ভোক্তৃত্বে = ভোগ বিষয়ত
হেতুঃ = হেতু
উচ্যতে = বোলা হয়

**পুৰুষঃ, প্ৰকৃতিস্থঃ, ভুঙ্‌ক্তে, প্ৰকৃতিজান, গুণান,**
**কাৰণম, গুণসঙ্গঃ, অস্য, সদসদ্যোনিজন্মসু ।।২১।।**

**কিন্তু -**

প্ৰকৃতিস্থঃ = প্ৰকৃতিত স্থিত
হি = হৈ
পুৰুষঃ = পুৰুষে
প্ৰকৃতিজান = প্ৰকৃতিৰ পৰা উৎপন্ন
গুণান = ত্ৰিগুণাত্মক পদাৰ্থ
ভুঙ্‌ক্তে = ভোগ কৰে (আৰু এই)

গুণসঙ্গঃ = গুণ সমূহৰ সংযোগহে
অস্য = এই জীৱাত্মাৰ
সদসদ্যোনিজন্মসু=ভাল-বেয়া যোনিত জন্মধাৰণ কৰা
কাৰণম = কাৰণ হয়।

**উপদ্ৰষ্টা, অনুমন্তা, চ, ভৰ্তা, ভোক্তা, মহেশ্বৰঃ,**
**পৰমাত্মা, ইতি, চ, অপি, উক্তঃ, দেহে, অস্মিন, পুৰুষঃ, পৰঃ ।।২২।।**

অস্মিন = এই
দেহে (স্থিতঃ) অপি = দেহত স্থিত
পুৰুষঃ = এই আত্মা (প্ৰকৃততে)
পৰঃ(এৱ)=পৰমাত্মায়েই হয় (তেওঁৰেই)
উপদ্ৰষ্টা = সাক্ষী হোৱাত উপদ্ৰষ্টা
চ = আৰু
অনুমন্তা = অনুমোদনকাৰী হোৱাত অনুমন্তা

ভৰ্তা=সকলোৰে ধাৰণ-পোষণ কৰাত ভৰ্তা,
ভোক্তা = জীৱৰূপেৰে ভোক্তা
মহেশ্বৰঃ=ব্ৰহ্মা আদিৰো স্বামী হোৱাত মহেশ্বৰ
চ = আৰু
পৰমাত্মা=শুদ্ধ সচিদানন্দঘন হোৱাত পৰমাত্মা
ইতি, উক্তঃ = এই বুলিও কোৱা হয়।

**য়ঃ, এৱম, বেত্তি, পুৰুষম, প্ৰকৃতিম, চ, গুণৈঃ সহ,**
**সৰ্বথা, বৰ্তমানঃ, অপি, ন, সঃ, ভূয়ঃ, অভিজায়তে।।২৩।।**

এৱম = এইদৰে
পুৰুষম = পুৰুষক
চ , গুণৈঃ = আৰু গুণ সমূহৰ
সহ= সৈতে
প্ৰকৃতিম = প্ৰকৃতিক
য়ঃ = যি মানুহে
বেত্তি= তত্ত্বেৰে জানে

সঃ = তেওঁ
সৰ্বথা = সকলো প্ৰকাৰে
বৰ্তমানঃ, অপি=কৰ্তব্য কৰ্ম কৰি থাকিও
ভূয়ঃ , ন = আকৌ না
অভিজায়তে= জন্মে।

**ধ্যানেন, আত্মনি, পশ্যন্তি, কেচিত, আত্মানম, আত্মনা,**
**অন্যে, সাঙখ্যেন, য়োগেন, কৰ্ময়োগেন, চ, অপৰে।।২৪।।**
**হে অৰ্জুন সেই পৰমপুৰুষ -**

আত্মানম = পৰমাত্মাক
কেচিত = কিছুমানে
আত্মনা = শুচি হোৱা সূক্ষ্ম বুদ্ধিৰে
ধ্যানেন = ধ্যানৰ দ্বাৰা
আত্মানি = হৃদয়ত
পশ্যন্তি= দেখে

অন্যে = আন সকলে
সাঙখ্যেণযোগেণ =জ্ঞান যোগৰ দ্বাৰা
চ = আৰু
অপৰে = আন (বহুতে)
কৰ্ময়োগেণ = কৰ্ম যোগৰ দ্বাৰা
(পশ্যন্তি) = দেখে অৰ্থাৎ প্ৰাপ্ত কৰে

**অন্যে, তু, এৱম, অজানন্তঃ, শ্ৰুত্বা, অন্যেভ্যঃ, উপাসতে,**
**তে, অপি, চ, অতিতৰন্তি, এৱ, মৃত্যুম, শ্ৰুতিপৰায়ণাঃ।।২৫।।**

তু = কিন্তু
অন্যে=এওঁলোকৰ বাদে আন কোনোৱে অৰ্থাৎ মন্দ বুদ্ধিৰ পুৰযে
এৱম = এইদৰে
অজানন্ত= নাজানি
অন্যেভ্যঃ = বেলেগৰ পৰা অৰ্থাৎ তত্বজ্ঞানী পুৰুষৰ পৰা
শ্ৰুত্বা = শুনি ( সেইমতে)

উপাসতে= উপাসনা কৰে,
চ = আৰু
তে = সেই সকল
শ্ৰুতিপৰায়ণাঃ, অপি = শ্ৰৱণৰ প্ৰতি আগ্ৰহী পুৰুযো
মৃত্যুম = মৃত্যু ৰূপ সংসাৰ সাগৰ
অতিতৰন্তি, এৱ =নিসন্দেহে পাৰ হৈ যায়

**য়াৱৎ, সঞ্জায়তে, কিঞ্চিত, সত্ত্বম, স্থাৱৰজঙ্গমম,**
**ক্ষেত্ৰক্ষেত্ৰজ্ঞসংয়োগাত, তত, বিদ্ধি, ভৰতৰ্ষভ।।২৬।।**

ভৰতৰ্ষভ = হে অৰ্জুন
য়াৱৎ = যিমান বিলাক
কিঞ্চিত = যিকোনো
স্থাৱৰজঙ্গমম = স্থাৱৰ-জঙ্গম
সত্ত্বম = প্ৰাণী

সঞ্জায়তে = উৎপন্ন হয়,
তত = সেই সকলোকে
ক্ষেত্ৰক্ষেত্ৰজ্ঞসংয়োগাত=ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ সংযোগত (উৎপন্ন বুলি)
বিদ্ধি = জানিবা।

**সমম, সৰ্বেষু, ভুতেষু, তিষ্ঠন্তম, পৰমেশ্বৰম,**
**ৱিনশ্যৎসু, অবিনশ্যন্তম, য়ঃ পশ্যতি, সঃ, পশ্যতি।।২৭।।**

**এইদৰে জানি -**

য়ঃ = যি পুৰুষে
বিনশ্যৎসু = বিনাশশীল
সৰ্বেষু = সকলো
ভূতেষু = চৰাচৰ জীৱতে
পৰমেশ্বৰম = পৰমেশ্বৰক
অবিনশ্যন্তম = অবিনাশী (আৰু)
সমম = সমভাৱে
তিষ্ঠন্তম, পশ্যতি = স্থিত দেখে
সঃ = তেওঁৱেই (প্ৰকৃতপক্ষে)
পশ্যতি = দেখে

**সমম, পশ্যন, হি, সৰ্বত্ৰ, সমৱস্থিতম, ঈশ্বৰম,**
**ন, হিনস্তি, আত্মনা, আত্মানম, ততঃ, য়াতি, পৰাম, গতিম।।২৮।।**

হি = কাৰণ (যি পুৰুষে)
সৰ্বত্ৰ = সকলোতে
সমৱস্থিতম = সমভাৱে অৱস্থিত
ঈশ্বৰম = পৰমেশ্বৰক
সমম = সমান
পশ্যন = দেখা পাই
আত্মনা = নিজে
আত্মানম = নিজক
ন, হিনস্তি = নষ্ট নকৰে,
ততঃ = ইয়াৰ দ্বাৰা (তেওঁ)
পৰাম = পৰম
গতিম = গতিক
য়াতি = প্ৰাপ্ত হয়।

**প্ৰকৃত্যা, এৱ, চ, কৰ্মানি, ক্ৰিয়মাণানি, সৰ্বশঃ**
**য়ঃ, পশ্যতি, তথা, আত্মানম, অকৰ্তাৰম, সঃ, পশ্যতি।।২৯।।**

চ = আৰু
য়ঃ = যি পুৰুষে
কৰ্মাণি = সকলো কৰ্ম
সৰ্বশঃ = সকলো প্ৰকাৰে
প্ৰকৃত্যা, এৱ = প্ৰকৃতিৰ দ্বাৰাহে
ক্ৰিয়মানানি = কৰা হয়
পশ্যতি = (বুলি) দেখা পায়
তথা = আৰু
আত্মানম = আত্মাক
অকৰ্তাৰম = অৰ্কতা
পশ্যতি = দেখা পায়
সঃ = তেওঁৱেই (যথাৰ্থ)
(পশ্যতি) = দেখা পায়

**য়দা, ভূতপৃথগ্‌ভাৱম, একস্থম, অনুপশ্যতি,**
**ততঃ, এৱ, চ, ৱিস্তাৰম, ব্ৰহ্ম, সম্পদ্যতে, তদা।।৩০।।**

**আৰু -**

য়দা = যেতিয়া (এই পুৰুষে)
ভূতপৃথগ্‌ভাৱম = ভূত সমূহৰ ভিন ভিন ভাৱক
একস্থম = এক পৰমাত্মাতেই স্থিত
চ = আৰু
ততঃ, এৱ = সেই পৰমাত্মাৰ পৰাই
বিস্তাৰম = সম্পূৰ্ণ ভূতৰ বিস্তাৰ
অনুপশ্যতি = দেখা পায়
তদা = তেতিয়াই (তেওঁ)
ব্ৰহ্ম = সচিদানন্দঘন ব্ৰহ্মক
সম্পদ্যতে = প্ৰাপ্ত হয়

**অনাদিত্বাত, নিৰ্গুণত্বাত, পৰমাত্মা, অয়ম, অব্যয়ঃ,**
**শৰীৰস্থঃ, অপি, কৌন্তেয়, ন, কৰোতি, ন, লিপ্যতে।।৩১।।**

কৌন্তেয় = হে অৰ্জুন
অনাদিত্বাত = অনাদি হোৱা বাবে (আৰু)
নিৰ্গুণত্বাত = নিৰ্গুণ হোৱা বাবে
অয়ম = এই
অব্যয়ঃ = অবিনাশী
পৰমাত্মা = পৰমাত্মা
শৰীৰস্থঃ অপি = শৰীৰত থাকিও প্ৰকৃততে
ন, কৰোতি = একো নকৰেও,
ন, লিপ্যতে = লিপ্তও নহয়

**য়থা, সৰ্বগতম, সৌক্ষ্ম্যাত, আকাশম, ন, উপলিপ্যতে,**
**সৰ্বত্ৰ, অৱস্থিতঃ, দেহে, তথা, আত্মা, ন, উপলিপ্যতে।।৩২।।**

য়থা = যিদৰে
সৰ্বগতম = সকলোতে ব্যাপ্ত
আকাশম = আকাশ
সৌক্ষ্ম্যাত = সূক্ষ্মতাৰ কাৰণে
ন, উপলিপ্যতে = লিপ্ত নহয়
তথা = সেইদৰে
দেহে = শৰীৰত
সৰ্বত্ৰ = সকলোতে
অৱস্থিতঃ = থকা
আত্মা = আত্মা (নিৰ্গুণ হোৱা কাৰণে শৰীৰৰ গুণসমূহৰ লগত)
ন, উপলিপ্যতে = লিপ্ত নহয়

**য়থা, প্ৰকাশয়তি, একঃ, কৃৎস্নম, লোকম, ইমম, ৰবিঃ**
**ক্ষেত্ৰম, ক্ষেত্ৰী, তথা, কৃৎস্নম, প্ৰকাশয়তি, ভাৰত।।৩৩।।**

ভাৰত = হে অৰ্জুন
য়থা = যিদৰে
একঃ = এটা
ৰবিঃ = সূৰ্যই
ইমম = এই
কৃৎস্নম = সম্পূৰ্ণ
লোকম = জগতক (ব্ৰহ্মাণ্ডক)
প্ৰকাশয়তি = প্ৰকাশিত কৰে
তথা = সেইদৰে
ক্ষেত্ৰী = এটা আত্মাই
কৃৎস্নম = সম্পূৰ্ণ
ক্ষেত্ৰম = ক্ষেত্ৰক (শৰীৰক)
প্ৰকাশয়তি = প্ৰকাশিত কৰে

**ক্ষেত্ৰক্ষেত্ৰজ্ঞয়োঃ, এৱম, অন্তৰম, জ্ঞানচক্ষুষা,**
**ভূতপ্ৰকৃতিমোক্ষম, চ, য়ে, ৱিদুঃ, য়ান্তি, তে, পৰম ।।৩৪।।**

এৱম = এইদৰে
ক্ষেত্ৰক্ষেত্ৰজ্ঞয়োঃ=ক্ষেত্ৰ আৰু ক্ষেত্ৰজ্ঞৰ
অন্তৰম = পাৰ্থক্য
চ = আৰু
ভূতপ্ৰকৃতিমোক্ষম=কাৰ্যসহিতে প্ৰকৃতিৰ পৰা মুক্তিৰ বিষয়ে
য়ে = যি পুৰুষে
জ্ঞানচক্ষুষা = জ্ঞানচক্ষুৰ দ্বাৰা
ৱিদুঃ = তত্ত্বেৰে জানে,
তে = সেই মহাত্মাজন
পৰম = পৰমব্ৰহ্ম পৰমাত্মাক
য়ান্তি = প্ৰাপ্ত হয়।

**শ্ৰীমদ্ভাগৱত গীতা, অধ্যায় ১৪ ৰ কেইটিমান শ্লোকৰ প্ৰতিলিপি**

**চতুৰ্দশ অধ্যায়**

**শ্ৰীভগৱানুবাচ**

**পৰম, ভূয়ঃ, প্ৰৱক্ষ্যামি, জ্ঞানানাম, জ্ঞানম, উত্তমম,**
**য়ত, জ্ঞাত্বা, মুনয়ঃ, সৰ্বে, পৰাম, সিদ্ধিম, ইতঃ, গতাঃ ।।১।।**

তাৰ পিছত শ্ৰী ভগৱানে ক'লে, হে অৰ্জুন -

জ্ঞানানাম = জ্ঞানসমূহৰ মাজত
উত্তমম (তত) = অতি উত্তম সেই
পৰম = পৰম
জ্ঞানম = জ্ঞান (মই)
ভূয়ঃ = আকৌ
প্ৰৱক্ষ্যামি = কবলৈ ধৰিছো
য়ত = যাক
জ্ঞাত্বা = জানি
সৰ্বে = সকলো
মুনয়ঃ = মুনিয়ে
ইতঃ = এই সংসাৰৰ পৰা (মুক্ত হৈ)
পৰাম = পৰম
সিদ্ধিম = সিদ্ধি
গতাঃ = লাভ কৰিছে।

**ইদম, জ্ঞানম, উপাশ্ৰিত্য, মম, সাধৰ্ম্যম, আগতাঃ**
**সৰ্গে, অপি, ন, উপজায়ন্তে, প্ৰলয়ে, ন, ব্যথন্তি, চ।।২।।**

**হে অৰ্জুন** ! -

ইদম = এই
জ্ঞানম = জ্ঞানক
উপাশ্ৰিত্য=আশ্ৰয় কৰি অৰ্থাৎ ধাৰণ কৰি
মম = মোৰ
সাধৰ্ম্যম = স্বৰূপক
আগতাঃ = প্ৰাপ্ত হোৱা পুৰুষ
সৰ্গে = সৃষ্টিৰ আৰম্ভণিত (পুনৰ)
ন, উপজায়ন্তে = উৎপন্ন নহয়
চ = আৰু
প্ৰলয়ে, অপি = প্ৰলয় কালতো
ন, ব্যথন্তি = ব্যাকুল নহয়।

**মম, য়োনিঃ, মহত, ব্ৰহ্ম, তস্মিন, গৰ্ভম, দধামি, অহম,**
**সম্ভৱঃ, সৰ্বভূতানাম, ততঃ, ভৱতি, ভাৰত ।।৩।।**

ভাৰত = হে অৰ্জুন
মম = মোৰ
মহত, ব্ৰহ্ম = মহত-ব্ৰহ্ম ৰূপ মূল প্ৰকৃতি (সম্পূৰ্ণ ভূতৰ)
য়োনিঃ = যোনি হয় অৰ্থাৎ গৰ্ভ ধাৰণৰ স্থান হয় (আৰু)
অহম = মই
তস্মিন = সেই যোনিত
গৰ্ভম = চৈতন্য সমুদায় ৰূপ গৰ্ভ
দধামি = স্থাপন কৰো।
ততঃ=সেই জড়-চৈতন্যৰ সংযোগত
সৰ্বভূতানাম=সকলো ভূতৰ (প্ৰাণীৰ)
সম্ভৱঃ = উৎপত্তি
ভৱতি = হয়।

**সৰ্বয়োনিষু, কৌন্তেয়, মূৰ্তয়ঃ, সম্ভৱন্তি, য়াঃ**
**তাসাম, ব্ৰহ্ম, মহত, য়েনিঃ, অহম, বীজপ্ৰদঃ, পিতা ।।৪।।**

**আৰু -**

কৌন্তেয় = হে অৰ্জুন
সৰ্বয়োনিষু = নানা প্ৰকাৰৰ সকলো যোনিত
য়াঃ = যিমান
মূৰ্তয়ঃ=মূৰ্তিসকল অৰ্থাৎ শৰীৰধাৰী প্ৰাণী
সম্ভৱন্তি = উৎপন্ন হয়

মহত, ব্ৰহ্ম = প্ৰকৃতি (হৈছে)
তাসাম = সেই সকলোৰে
য়োনিঃ = গৰ্ভধাৰণ কৰা মা (আৰু)
অহম = মই
বীজপ্ৰদঃ= বীজ স্থাপন কৰা
পিতা = পিতা হওঁ।

**সত্ত্বম, ৰজঃ, তমঃ, ইতি, গুণাঃ, প্ৰকৃতিসম্ভৱাঃ**
**নিবধ্নন্তি, মহাবাহো, দেহে, দেহিনম, অব্যয়ম।।৫।।**

**আৰু -**

মহাবাহো = হে অৰ্জুন
সত্ত্বম = সত্ত্ব গুণ
ৰজঃ = ৰজ গুণ আৰু
তমঃ = তম গুণ
ইতি = এই
প্ৰকৃতিসম্ভৱাঃ = প্ৰকৃতিৰ পৰা উৎপন্ন

গুণাঃ = তিনি গুণে
অব্যয়ম = অবিনাশী
দেহিনম = জীৱাত্মাক
দেহে = শৰীৰত
নিবধ্নন্তি = বান্ধি ৰাখে

**ন, অন্যম, গুণেভ্যঃ, কৰ্তাৰম, য়দা, দ্ৰষ্টা, অনুপশ্যতি,**
**গুণেভ্যঃ, চ, পৰম, বেত্তি, মদ্ভাৰম, সঃ, অধিগচ্ছতি।।১৯।।**

**আৰু হে অৰ্জুন -**

য়দা = যেতিয়া
দ্ৰষ্টা = দ্ৰষ্টাই
গুণেভ্যঃ = তিনি গুণৰ বাহিৰে
অণ্যম = আন কাকো
কৰ্তাৰম = কৰ্তা
ন, অনুপশ্যতি = নেদেখে
চ = আৰু
গুণেভ্যঃ = তিনিও গুণৰ পৰা

পৰম=অতি উচ্চ খাপৰ সচিদানন্দঘন স্বৰূপ পৰমাত্মাক
বেত্তি = তত্ত্বেৰে জানে (সেই সময়ত)
সঃ = তেওঁ
মদ্ভাৰম = মোৰ স্বৰূপক
অধিগচ্ছতি = প্ৰাপ্ত হয়।

**গুণান, এতান, অতীত্য, ত্ৰীন, দেহী, দেহসমুদ্ভৱান,**
**জন্ম-মৃত্যুজৰাদুঃখৈঃ ৱিমুক্তঃ, অমৃতম, অশ্নুতে।।২০।।**
**আৰু এই -**

দেহী = পুৰুষ
দেহসমুদ্ভৱান=শৰীৰৰ উৎপত্তিৰ কাৰণ ৰূপ
এতান = এই
ত্ৰীন = তিনিও
গুণান = গুণক

অতীত্য = অতিক্ৰম কৰি
জন্ম-মৃত্যুজৰাদুঃখৈঃ = জন্ম, মৃত্যু, বৃদ্ধাৱস্থা আৰু সকলো প্ৰকাৰৰ দুখৰ পৰা
ৱিমুক্তঃ = মুক্ত হৈ
অমৃতম = পৰমানন্দক
অশ্নুতে = প্ৰাপ্ত হয়।

**সমদুঃখসুখঃ, স্বস্থঃ, সমলোষ্টাশ্মকাঞ্চনঃ,**
**তুল্যপ্ৰিয়াপ্ৰিয়ঃ, ধীৰঃ, তুল্যনিন্দাত্মসংস্তুতিঃ।।২৪।।**
**আৰু -**

স্বস্থঃ = যি একেৰাহে আত্ম ভাৱত অৱস্থিত,
সমদুঃখসুখঃ=দুঃখ-সুখত সমভাৱাপন্ন,
সমলোষ্টাশ্মকাঞ্চনঃ = মাটি, শিল আৰু সোণত সমভাৱৰ
ধীৰঃ = জ্ঞানী

তুল্যপ্ৰিয়াপ্ৰিয়ঃ=প্ৰিয়-অপ্ৰিয় দুয়োকে সমান বুলি ভৱা (আৰু)
তুল্যনিন্দাত্মসংস্তুতিঃ = নিজৰ নিন্দা আৰু প্ৰসংশাতো সমভাৱাপন্ন -

**মাম, চ, য়ঃ, অব্যভিচাৰেণ, ভক্তিয়োগেন, সেৱতে,**
**সঃ, গুণান, সমতীত্য, এতান, ব্ৰহ্মভূয়ায়. কল্পতে।।২৬।।**

চ = আৰু
য় = যি পুৰুষে
অব্যভিচাৰেণ = অব্যভিচাৰী
ভক্তিয়োগেন = ভক্তিযোগৰ দ্বাৰা
মাম = মোক (একেৰাহে)
সেৱতে = ভজে,

সঃ = তেৰোঁ
এতান = এই
গুণান = তিনিগুণ সমূহ
সমতীত্য= সম্পূৰ্ণকৈ অতিক্ৰম কৰি
ব্ৰহ্মভূয়ায়=সচিদানন্দঘন ব্ৰহ্মক প্ৰাপ্ত হবলৈ
কল্পতে = যোগ্য হয়।

**ব্ৰহ্মণঃ, হি, প্ৰতিষ্ঠা, অহম, অমৃতস্য, অব্যয়স্য, চ,**
**শাশ্বতস্য, চ ধৰ্মস্য, সুখস্য, ঐকান্তিকস্য, চ ।।২৭।।**
**হে আৰ্জুন -**

হি = যিহেতু (সেই)
অব্যয়স্য = অবিনাশী
ব্ৰহ্মণঃ = পৰব্ৰহ্মৰ
চ = আৰু
অমৃতস্য = অমৃতৰ
চ = লগতে
শাশ্বতস্য = নিত্য

ধৰ্মস্য = ধৰ্মৰ
চ = আৰু
ঐকান্তিকস্য = অখণ্ড একৰস
সুখস্য = আনন্দৰ
প্ৰতিষ্ঠা = আশ্ৰয়
অহম = ময়েই হওঁ।

## শ্ৰীমদ্ভাগৱত গীতাৰ পঞ্চদশ অধ্যায়ৰ কেইটিমান শ্লোকৰ প্ৰতিলিপি

### পঞ্চদশ অধ্যায়

### শ্ৰীভগৱানুবাচ

**ঊৰ্দ্ধমূলম, অধঃশাখম, অশ্বত্থম, প্ৰাহুঃ, অব্যয়ম,**
**ছন্দাসি, য়স্য, পৰ্ণানি, য়ঃ, তম, বেদ, সঃ, বেদৱিত।।১।।**

**তাৰ পিছত শ্ৰী ভগৱানে আকৌ ক'লে, হে অৰ্জুন -**

ঊৰ্দ্ধমূলম = আদি পুৰুষ পৰমেশ্বৰৰূপ মূল থকা (আৰু)
অধঃশাখম=ব্ৰহ্মাৰূপ মুখ্য শাখা থকা(যি)
অশ্বত্থম = সংসাৰৰূপ আঁহতৰ গছক
অব্যয়ম = অবিনাশী
প্ৰাহুঃ = বোলে আৰু
ছন্দাসি = বেদ সমূহক

য়শ্য = যাৰ
পৰ্ণানি=পাত (বোলা হৈছে)
তম = সেই সংসাৰৰূপ বৃক্ষক
য়ঃ = যি পুৰুষে (শিপাৰে সৈতে)
বেদ = তত্ত্বৰে জানে
সঃ = তেওঁ
বেদৱিত=বেদৰ তাৎপৰ্য্যৰ জ্ঞাতা হয়।

**অধঃ, চ, ঊৰ্দ্ধম, প্ৰসৃতাঃ, তস্য, শাখা, গুণপ্ৰবৃদ্ধাঃ**
**ৱিষয়প্ৰৱালাঃ, অধঃ, চ, মূলানি, অনুসন্ততানি, কৰ্মানুৱন্ধীনি, মনুষ্য লোকে।।২।।**

**আৰু হে অৰ্জুন! -**

তস্য = সেই সংসাৰ বৃক্ষৰ
গুণপ্ৰবৃদ্ধাঃ=তিনিগুণ সদৃশ (জলৰ দ্বাৰা বৃদ্ধি প্ৰাপ্ত) আৰু
বিষয়প্ৰৱালাঃ=বিষয় ভোগ সদৃশ মুকুল থকা
শাখাঃ=দেৱতা, মানুহ আৰু নিম্ন যোনিৰূপ শাখা সমূহ
অধঃ = তলত
চ = আৰু
ঊৰ্দ্ধম = ওপৰত সকলোতে
প্ৰসৃতাঃ = বিস্তৃত হৈ থাকে (আৰু)

মনুষ্যলোকে = মনুষ্যলোকত
কৰ্মানুবন্ধীনি=কৰ্ম অনুযায়ী বন্ধনত ৰখা
মূলাণি (অপি)=অহংকাৰ, মমতা আৰুবাসনা সদৃশ শিপাও
অধঃ = তলত
চ = আৰু
(ঊৰ্দ্ধম) = ওপৰত
অনুসন্ততানি = সকলো লোকতে বিস্তাৰিত হৈ আছে।

**ন, ৰূপম, অস্য, ইহ, তথা,উপলভ্যতে, ন, অন্তঃ, ন,**
**চ, আদিঃ, ন, চ, সম্প্ৰতিষ্ঠা, অশ্বত্থম, এনম,**
**সুৱিৰূঢ়মূলম, অসঙ্গশস্ত্ৰেণ, দৃঢ়েন, ছিত্ত্বা।।৩।।**
**কিন্তু -**

অস্য = এই সংসাৰ বৃক্ষৰ
ৰূপম = স্বৰূপ (যেনেকুৱা কোৱা হৈছে)
তথা = তেনেকুৱা
ইহ = ইয়াত (বিচাৰ কালত)
ন, উপলভ্যতে = পোৱা নাযায়
(য়ত) = কাৰণ (ইয়াৰ)
ন, আদি = আদি নাই
চ = আৰু
ন, অন্তঃ = অন্ত নাই
চ = আৰু (এইটো)

ন, সম্প্ৰতিষ্ঠা = সু-সংস্তাপিত নহয়
(অতঃ) = এই কাৰণে
এনম = এই
সুৱিৰূঢ়মূলম= অহঙ্কাৰ, মমতা আৰু বাসনা ৰূপ অতি দৃঢ় মূলৰ
অশ্বত্থম= সংসাৰৰূপী আঁহতৰ গছক
দৃঢ়েন = দৃঢ়
অসঙ্গশস্ত্ৰেণ = বৈৰাগ্যৰূপী অস্ত্ৰেৰে
ছিত্ত্বা = কাটি -

**ততঃ, পদম, তত, পৰিমাৰ্গিতব্যম, য়স্মিন, গতাঃ, ন**
**নিবৰ্তন্তি, ভূয়ঃ, তম, এৱ, চ, আদ্যম, পুৰুষম, প্ৰপদ্যে,**
**য়তঃ, প্ৰবৃত্তিঃ, প্ৰসৃতা, পুৰাণী।।৪।।**

ততঃ = তাৰপাছত
তত = সেই
পদম = পৰমপদ ৰূপ পৰমেশ্বৰক
পৰিমাৰ্গিতব্যম = বিচাৰি ল'ব লাগে
য়স্মিন = যি ঠাইত
গতাঃ = যোৱা পুৰুষসকল
ভয়ঃ = আকৌ
ন, নিবৰ্তন্তি = ঘূৰি সংসাৰত নাহে
চ = আৰু

য়তঃ = যিজন পৰমেশ্বৰৰ পৰা (এই)
পুৰাণী = অতি পুৰণি
প্ৰবৃত্তিঃ = সংসাৰ বৃক্ষৰ প্ৰবৃত্তি
প্ৰসৃতা = বিস্তৃত হৈছে
তম, এৱ = সেই
আদ্যম,পুৰুষম=আদি পুৰুষ নাৰায়ণৰ
প্ৰপদ্যে=শৰণত মই আছো
(এইদৰে দৃঢ় নিশ্চয় কৰি সেই পৰমেশ্বৰৰ চিন্তন আৰু একান্তমনে ধ্যান কৰিব লাগে)

**নিৰ্মানমোহাঃ, জিতসঙ্গদোষাঃ, অধ্যাত্মনিত্যাঃ**
**ৱিনিবৃত্তকামাঃ, দ্বন্দ্বৈঃ, ৱিমুক্তাঃ, সুখঃদুঃখসজ্ঞৈঃ,**
**গচ্ছন্তি, অমূঢ়া, পদম, অব্যয়ম, তত।।৫।।**

নিৰ্মানমোহাঃ=মানবোধ আৰু মোহ যাৰ নষ্ট হৈছে,
জিতসঙ্গদোষাঃ=যি আসক্তি ৰূপ দোষক জিকিছে,
অধ্যাত্মনিত্যাঃ=যি সুস্থিৰ ভাৱে পৰমাত্মাত নিত্যৰত (আৰু)
ৱিনিবৃত্তকামাঃ = যাৰ ইচ্ছা পূৰ্ণৰূপেৰে নষ্ট হৈ গৈছে - সেই

সুখদুঃখসজ্ঞৈ=সুখ দুঃখ নামৰ
দ্বন্দ্বৈঃ = দ্বন্দ্বৰ পৰা
বিমুক্তাঃ = বিমুক্ত
আমূঢ়াঃ = জ্ঞানীজন
তত = সেই
অব্যয়ম = অবিনাশী
পদম = পৰমপদক
গচ্ছন্তি = প্ৰাপ্ত হয়।

**ন, তত, ভাসয়তে, সূৰ্যঃ, ন, শশাঙ্কঃ, ন, পাৱকঃ,**
**য়ত, গত্বা, ন, নিবৰ্তন্তে, তত, ধাম, পৰমম, মম।।৬।।**

**আৰু -**

য়ত = যি পৰমপদক
গত্বা = প্ৰাপ্ত হৈ (মনুষ্য)
ণ, নিবৰ্তন্তে = সংসাৰত উভতি নাহে,
তত = সেই (স্বয়ং প্ৰকাশিত পৰমপদক)
ন = না
সূৰ্যঃ = সূৰ্যই
ভাসয়তে = প্ৰকাশিত কৰিব পাৰে
ন, শশাঙ্কঃ = না চন্দ্ৰমাই (আৰু)
ন,পাৱক = না অগ্নিয়ে ,
তত = সেইটোৱেই
মম = মোৰ
পৰমম, ধাম = পৰমধাম হয়

**সৰ্বস্য, চ, অহম, হৃদি, সন্নিৱিষ্টঃ, মত্তঃ, স্মৃতিঃ**
**জ্ঞানম, অপোহনম, চ, বেদৈঃ, চ, সৰ্বৈঃ, অহম, এৱ**
**বেদ্যঃ, বেদান্তকৃত, বেদৱিত, এৱ, চ, অহম।।১৫।।**

অহম = ময়েই
সৰ্বস্য = সকলো প্ৰাণীৰ
হৃদি = হৃদয়ত
সন্নিৱিষ্টঃ = অন্তৰ্যামী ৰূপেৰে থাকো,
চ = আৰু
মত্তঃ = মোৰ পৰাই
স্মৃতিঃ = স্মৃতি,
জ্ঞানম = জ্ঞান
চ = আৰু
অপোহনম=অপোহন (স্মৃতি আৰু জ্ঞানৰ পৰিস্কাৰকৰণ)
(ভৱতি) = হয়
চ = আৰু
সৰ্বৈঃ = সকলো
বেদৈঃ = বেদসমূহৰ দ্বাৰা
অহম, এৱ = ময়েই
বেদ্যঃ = জানিবৰ যোগ্য হওঁ (আৰু)
বেদান্তকৃত = বেদান্তৰ কৰ্তা
চ = আৰু
বেদৱিত = বেদসমূহৰ জ্ঞাতাও
অহম, এৱ = ময়েই হওঁ ।

**দ্বৌ, ইমৌ, পুৰুযৌ, লোকে, ক্ষৰঃ, চ, অক্ষৰঃ, এৱ, চ,**
**ক্ষৰঃ, সৰ্বাণি, ভূতানি, কূটস্থ, অক্ষৰঃ, উচ্যতে।।১৬।।**

**আৰু হে অৰ্জুন -**

লোকে = এই সংসাৰত
ক্ষৰঃ = নাশৱান
চ = আৰু
অক্ষৰঃ = অবিনাশী
এৱ = বুলি
ইমৌ = এই
দ্বৌ = দুই ধৰণৰ
পুৰুযৌ = পুৰুষ আছে,
সৰ্বাণি = সম্পূৰ্ণ
ভূতানি = ভূত প্ৰাণীসমূহৰ শৰীৰক
ক্ষৰঃ = নাশৱান
চ = আৰু
কূটস্থঃ = জীৱাত্মক
অক্ষৰঃ = অবিনাশী
উচ্যতে = বোলা হয়

**উত্তমঃ, পুৰুষঃ, তু, অন্যঃ, পৰমাত্মা, ইতি, উদাহৃতঃ**
**য়ঃ, লোকত্ৰয়ম, আৱিশ্য, বিভৰ্তি, অব্যয়ঃ, ঈশ্বৰঃ ।।১৭।।**
**আৰু এই দুজনৰ পৰা -**

উত্তমঃ = উত্তম
পুৰুষঃ = পুৰুষ
তু = কিন্তু
অন্যঃ = অন্য হয়
য়ঃ = যিজনে
লোকত্ৰয়ম = ত্ৰিলোকত
আৱিশ্য = প্ৰৱেশ কৰি
ৱিভৰ্তি =সকলোৰে প্ৰতিপালন কৰে (তেওঁক)
অব্যয়ঃ = অবিনাশী
ঈশ্বৰঃ=পৰমেশ্বৰ (আৰু)
পৰমাত্মা = পৰমাত্মা
ইতি = এইদৰে
উদাহৃতঃ = বোলা হয়।

**য়স্মাত, ক্ষৰম, অতীতঃ, অহম, অক্ষৰাত, অপি, চ, উত্তমঃ**
**অতঃ, অস্মি, লোকে, বেদে, চ, প্ৰথিতঃ, পুৰুষোত্তমঃ ।।১৮।।**

য়স্মাত = কাৰণ
অহম = মই
ক্ষৰম = নাশৱান জড়বৰ্গ ক্ষেত্ৰৰ পৰা (সদায়েই)
অতীতঃ, চ = অতীত হওঁ আৰু
অক্ষৰাত,অপি = অবিনাশী জীৱাত্মাতকৈও
উত্তমঃ = উত্তম হওঁ,
অতঃ = এই কাৰণে
লোকে = এইলোকত (পৃথিৱীত)
চ, বেদে = আৰু বেদসমূহতো
পুৰুষোত্তম = পুৰুষোত্তম নামেৰে
প্ৰথিতঃ, অস্মি = প্ৰসিদ্ধ হওঁ।

**য়ঃ, মাম, এৱম, অসম্মূঢ়ঃ, জানাতি, পুৰুষোত্তমম,**
**সঃ, সৰ্বৱিত, ভজতি, মাম, সৰ্বভাৱেন, ভাৰত।।১৯।।**

ভাৰত = হে ভাৰত
য়ঃ = যি
অসম্মূঢ়ঃ = জ্ঞানী পুৰুষে
মাম = মোক
এৱম = এইদৰে (তত্ত্বেৰে)
পুৰুষোত্তমম = পুৰুষোত্তম
জানাতি = জানে
সঃ = সেই
সৰ্বৱিত = সৰ্বজ্ঞ পুৰুষে
সৰ্বভাৱেন=সকলো ধৰণে একেৰাহে
মাম = মোক-বাসুদেৱ পৰমেশ্বৰকেই
ভজতি = ভজে।

**(ওপৰোক্ত গুহ্যতম বিষয়ৰ জ্ঞানৰ মহিমা)**
**ইতি, গুহ্যতমম, শাস্ত্ৰম, ইদম, উক্তম, ময়া, অনঘ,**
**এতত, বুদধ্বা, বুদ্ধিমান, স্যাত, কৃতকৃত্যঃ, চ, ভাৰত ।।২০।।**

অনঘ = হে নিস্পাপ
ভাৰত = অৰ্জুন
ইতি = এইদৰে
ইদম = এই
গুহ্যতমম = অতি ৰহস্যযুক্ত গোপণীয়
শাস্ত্ৰম = শাস্ত্ৰ
ময়া = মোৰ দ্বাৰা
উক্তম = কোৱা হ'ল
এতত = ইয়াক
বুদধ্বা = তত্ত্বেৰে জানি (মনুষ্য)
বুদ্ধিমান = জ্ঞানৱান
চ = আৰু
কৃতকৃত্য = কৃতাৰ্থ
স্যাত = হয়

## শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ১৬ ৰ শ্লোকৰ প্ৰতিলিপি

### যোড়শ অধ্যায়

**শ্ৰীভগৱানুবাচ**

**অভয়ম, সত্ত্বসংশুদ্ধিঃ, জ্ঞানয়োগব্যৱস্থিতিঃ**
**দানম, দমঃ, চ, য়জ্ঞঃ, চ, স্বাধ্যায়ঃ, আৰ্জৱমঃ ।।১।।**

**তাৰ পিছত শ্ৰীকৃষ্ণ ভগৱানে আকৌ ক'লে, হৈ অৰ্জুন দৈৱী সম্পদ প্ৰাপ্ত আৰু অসুৰিক সম্পদ প্ৰাপ্ত পুৰুষৰ লক্ষণ পৃথকে-পৃথকে কম, তাৰ ভিতৰত -**

অভয়ম=সকলো প্ৰকাৰৰ নিৰ্ভীকতা,
সত্ত্বসংশুদ্ধিঃ = অন্তঃকৰণৰ পূৰ্ণ নিৰ্মলতা,
জ্ঞানয়োগব্যৱস্থিতিঃ = তত্ত্ব জ্ঞানৰ বাবে ধ্যানযোগত নিৰন্তৰ দৃঢ় স্থিতি
চ = আৰু
দানম = সাত্ত্বিক দান,
দমঃ = ইন্দ্ৰিয় সমূহৰ দমন,
য়জ্ঞঃ = ভগৱান, দেৱতা আৰু গুৰুসকলৰ পূজা আৰু হোম আদি উত্তম কৰ্মৰ আচৰণ (আৰু)

স্বাধ্যায়ঃ = বেদ শাস্ত্ৰ সমূহৰ অধ্যয়ন (আৰু) ভগৱানৰ নাম আৰু গুণৰ কীৰ্তন
তপঃ=স্বধৰ্ম পালন কৰিবৰ বাবে কষ্ট সহ্য কৰা
চ = আৰু
আৰ্জৱম=শৰীৰ আৰু ইন্দ্ৰিয় সমূহৰ সৈতে অন্তঃকৰণৰ সৰলতা-

**অহিংসা, সত্যম, অক্ৰোধঃ, ত্যাগঃ, শান্তিঃ, অপৈশুনম,**
**দয়া, ভূতেষু, অলোলুপ্ত্বম, মাৰ্দৱম, হ্ৰীঃ, অচাপলম।।২।।**

**আৰু -**

অহিংসা = মন, বাণী আৰু শৰীৰৰ দ্বাৰা কোনো ধৰণে কাকো কষ্ট নিদিয়া,
সত্যম = যথাৰ্থ আৰু প্ৰিয়ভাষণ,
অক্ৰোধঃ = নিজৰ অপকাৰ কৰাজনৰ প্ৰতিও ক্ৰোধৰ অভাৱ,
ত্যাগঃ = কৰ্মত কৰ্তৃত্বৰ অভিমানৰ ত্যাগ,
শান্তিঃ = বৈৰাগ্য অৰ্থাৎ চিত্ত চঞ্চলতাৰ অভাৱ
অপৈশুনম = কাকো নিন্দা নকৰা

ভূতেষু = সকলো ভূত প্ৰাণীৰ প্ৰতি
দয়া = অকাৰণতে দয়া
অলোলুপ্ত্বম=ইন্দ্ৰিয় সমূহৰ বিষয়ৰ লগত সংযোগ হ'লেও আসক্তিৰ অভাৱ
মাৰ্দৱম = কোমলতা,
হ্ৰীঃ=লোক লাজ আৰু শাস্ত্ৰ-বিৰুদ্ধাচৰণত লাজ (আৰু)
অচাপলম = ব্যৰ্থ চেষ্টাৰ অভাৱ -

**তেজঃ, ক্ষমা, ধৃতিঃ, শৌচম, অদ্রোহঃ, নাতিমানিতা,**
**ভৱন্তি, সম্পদম, দৈবীম, অভিজাতস্য, ভাৰত ।।৩।।**

**আৰু -**

তেজঃ = তেজস্বিতা,
ক্ষমা = ক্ষমা,
ধৃতিঃ = ধৈৰ্য্য,
শৌচম = বাহিৰৰ শুচিতা (আৰু)
অদ্রোহঃ = কাৰোৰে প্রতি শত্রুতাৰ অভাৱ (আৰু)
নাতিমানিতা=নিজৰ প্রতি সন্মান কামনাৰ অভাৱ (এই সকলোবোৰ)
ভাৰত = হে অৰ্জুন
দৈবীম, সম্পদম = দৈবী সম্পদক
অভিজাতস্য=লৈ জন্মা পুৰুষৰ (লক্ষণ)
ভৱন্তি = হয়

**দম্ভঃ, দর্পঃ, অভিমানঃ, চ, ক্রোধঃ, পাৰুষ্যম, এৱ, চ**
**অজ্ঞানম, চ, অভিজাতস্য, পাৰ্থ, সম্পদম, আসুৰীম ।।৪।।**

**আৰু -**

পাৰ্থ = হে পাৰ্থ
দম্ভঃ = দম্ভ (অহংকাৰ),
দর্পঃ = গৰ্ব
চ = আৰু
অভিমানঃ = অভিমান
চ = লগতে
ক্রোধঃ = ক্রোধ
পাৰুষ্যম = ৰুক্ষতা (কঠোৰতা)
চ = আৰু
অজ্ঞানম ,এৱ = অজ্ঞতাও (এই সকলোবোৰ)
আসুৰীম = আসুৰিক
সম্পদম = সম্পদক
অভিজাতস্য = লৈ জন্মা পুৰুষৰ (লক্ষণ হয়)

**দৈবী, সম্পত, বিমোক্ষায়, নিবন্ধায়, আসুৰী, মতা**
**মা, শুচঃ, সম্পদম, দৈবীম, অভিজাতঃ, অসি, পাণ্ডৱ ।।৫।।**

দৈবী, সম্পত = দৈবী সম্পদ
বিমোক্ষায় = মুক্তিৰ বাবে (আৰু)
আসুৰী = আসুৰী সম্পদ
নিবন্ধায়=বান্ধিবৰ বাবে
মতা = মানি লোৱা হৈছে।
(অতঃ) এই কাৰণে
পাণ্ডৱ = হে অৰ্জুন
মা, শুচঃ = শোক নকৰিবা ,
(য়তঃ) = কাৰণ (তুমি)
দৈবীম, সম্পদম=দৈবী সম্পদক লৈ
অভিজাতঃ = জন্ম গ্ৰহণ
অসি = কৰিছা।

**দ্বৌ, ভূতসৰ্গৌ, লোকে, অস্মিন, দৈৱঃ, আসুৰঃ, এৱ, চ**
**দৈৱঃ, বিস্তৰশঃ, প্ৰোক্তঃ, আসুৰম, পাৰ্থ, মে, শৃণু ।।৬।।**
**আৰু -**

পাৰ্থ = হে অৰ্জুন
অস্মিন = এই
লোকে = লোকত
ভূতসৰ্গৌ = ভূত সৃষ্টি বা মনুষ্য সমুদায়
দ্বৌ, এৱ = দুই ধৰণৰ (এটা হ'ল)
দৈৱঃ = দৈবী প্ৰকৃতিৰ
চ = আৰু (আনটো)
আসুৰঃ = আসুৰিক প্ৰকৃতিৰ (সেই দুটাৰ ভিতৰত)
দৈৱঃ = দৈৱী-প্ৰকৃতিৰ (বৰ্ণনা)
ৱিস্তৰশঃ = বিস্তৃতভাৱে
প্ৰোক্তঃ = কোৱা হ'ল (এতিয়া তুমি)
আসুৰম = আসুৰিক প্ৰকৃতিৰ মনুষ্য সমুদায়ৰ বিষয়ে বিস্তৃতভাৱে
মে = মোৰ পৰা
শৃণু = শুনা।

**প্ৰবৃত্তিম, চ, নিবৃত্তিম, চ, জনাঃ, ন, বিদুঃ, আসুৰাঃ**
**ন, শৌচম, ন, অপি, চ, আচাৰঃ, ন, সত্যম, তেষু, বিদ্যতে ।।৭।।**

আসুৰাঃ = অসুৰ স্বভাৱৰ
জনাঃ=মানুহে
প্ৰবৃত্তিম = প্ৰবৃত্তি
চ = আৰু
নিবৃত্তিম, চ = নিবৃত্তিকো
ন, বিদুঃ = নাজানে (এই কাৰণে)
তেষু = তেওঁলোকত
ন, শৌচম=বাহিৰ-ভিতৰৰ শুচিতা নাই
ন, আচাৰঃ = শ্ৰেষ্ঠ আচৰণো নাই
চ = আৰু
সত্যম, অপি = সত্যভাষণো
ন, বিদ্যতে = নাথাকে

**অসত্যম, অপ্ৰতিষ্ঠম, তে, জগত, আহুঃ, অনীশ্বৰম,**
**অপৰস্পৰসম্ভূতম, কিম, অন্যত, কামহৈতু, কম ।।৮।।**

তে = এই অসুৰ প্ৰকৃতিৰ লোকে
আহুঃ = কৈ ফুৰে (যে)
জগত = জগত
অপ্ৰতিষ্ঠম = ভিত্তিহীন,
অসত্যম=সম্পূৰ্ণ অসত্য (আৰু)
অনীশ্বৰম = বিনা-ঈশ্বৰৰ
অপৰস্পৰসম্ভুতম=নিজে-নিজে কেৱল স্ত্ৰী-পুৰুষৰ সংযোগত উৎপন্ন হৈছে (গতিকে)
কামহৈতুকম, এৱ=কেৱল কামনাই ইয়াৰ কাৰণ হয়
অন্যত=ইয়াক বাদ দিলে (আৰু)
কিম = কি আছে?

**এতাম, দৃষ্টিম, অৱষ্টভ্য, নষ্টাত্মানঃ, অল্পবুদ্ধয়ঃ**
**প্ৰভৱন্তি, উগ্ৰকৰ্মাণঃ, ক্ষয়ায়, জগতঃ, অহিতাঃ ।।৯।।**

এতাম = এনেকুৱা
দৃষ্টিম = মিছা জ্ঞানক
অৱষ্টভ্য = অৱলম্বন কৰি
নষ্টাত্মানঃ = যাৰ স্বভাৱ নষ্ট হৈছে (আৰু)
অল্পবুদ্ধয়ঃ=যাৰ বুদ্ধি ভ্ৰষ্ট হৈছে (সেই সকল)
অহিতাঃ = সকলোৰে অপকাৰ কৰা
উগ্ৰকৰ্মাণাঃ=ক্ৰুৰ কৰ্মা মানুহ (কেৱল)
জগতঃ = জগতৰ
ক্ষয়ায় = ধ্বংসৰ বাবেই
প্ৰভৱন্তি = সমৰ্থ হয়।

**কামম, আশ্ৰিত্য, দুষ্পূৰম, দম্ভমানমদান্বিতাঃ**
**মোহাত, গৃহীত্বা, অসদগ্ৰাহান, প্ৰৱৰ্তন্তে, অশুচিব্ৰতাঃ ।।১০।।**

দম্ভমানমদান্বিতাঃ = দম্ভ, মান আৰু মদত মত্ত মানুহ
দুষ্পূৰম = অপূৰণীয়
কামম = কামনাৰ
আশ্ৰিত্য = আশ্ৰয় লৈ
মোহাত = মোহগ্ৰস্ত হৈ (অজ্ঞতাৰে)
অসদগ্ৰাহান = মিছা সিদ্ধান্ত সমূহক
গৃহীত্বা = গ্ৰহণ কৰি (আৰু)
অশুচিব্ৰতাঃ=ভ্ৰষ্ট আচৰণ ধাৰণ কৰি (সংসাৰত)
প্ৰবৰ্তন্তে = ঘূৰি ফুৰে

**চিন্তাম, অপৰিমেয়াম, চ, প্ৰলয়ান্তাম, উপাশ্ৰিতাঃ,**
**কামোপভোগপৰমাঃ, এতাৱত, ইতি, নিশ্চিতাঃ ।।১১।।**

প্ৰলয়ান্তাম = মৃত্যুৰ লগত হে অন্তহোৱা
অপৰিমেয়াম = অসংখ্য
চিন্তাম = দুচিন্তাৰ
উপাশ্ৰিতাঃ = আশ্ৰয় লোৱা
কামোপভোগপৰমা=বিষয় ভোগ উপভোগ কৰাত তৎপৰ হোৱা
চ = আৰু
এতাৱত = “সুখ ইমানেই”
ইতি = এই বুলি
নিশ্চিতাঃ = নিশ্চিত হোৱা

**আশাপাশশতৈঃ, বদ্ধাঃ, কামক্ৰোধপৰায়ণাঃ,**
**ঈহন্তে, কামভোগাৰ্থম, অন্যায়েন, অৰ্থসঞ্চয়ান ।।১২।।**

আশাপাশশতৈঃ বদ্ধা=আশাৰ শ-শ জালত বদ্ধ হোৱা মনুষ্যই
কামক্ৰোধ পৰায়ণাঃ=কাম-ক্ৰোধৰ বশৱৰ্ত্তী হৈ
কামভোগাৰ্থম = বিষয়-ভোগৰ বাবে
অন্যাযেন = অন্যায়ভাৱে
অৰ্থসঞ্চয়ান=ধন আদি পদাৰ্থ সংগ্ৰহ কৰাৰ
ঈহন্তে = চেষ্টা কৰি থাকে

**ইদম, অদ্য, ময়া, লব্ধম, ইমম, প্ৰাপ্স্যে, মনোৰথম,**
**ইদম, অস্তি, ইদম, অপি, মে, ভৱিষ্যতি, পুনঃ, ধনম ।।১৩।।**
**আৰু তেওঁলোকে ভাৱে যে -**

ময়া = মই
অদ্য = আজি
ইদম = এইটো
লব্ধম = পালো (আৰু এতিয়া)
ইমম = এইটো
মনোৰথম = বাঞ্চিত বস্তু
প্ৰাপ্স্যে = লাভ কৰিম
মে = মোৰ লগত
ইদম = এই (ইমান)
ধনম = ধন
অস্তি = আছে , (আৰু)
পুনঃ, অপি = পুনৰায়
ইদম = এইটো (ধন)
ভৱিষ্যতি = হ'ব

**অসৌ, ময়া, হতঃ, শত্ৰুঃ, হনিষ্যে, চ, অপৰান, অপি,**
**ঈশ্বৰঃ, অহম, অহম, ভোগী, সিদ্ধঃ, অহম, বলৱান, সুখী ।।১৪।।**

**আৰু -**

অসৌ = সেই
শত্ৰুঃ = শত্ৰু
ময়া, হতঃ = মোৰ দ্বাৰা নিহত হ'ল
চ = আৰু (সেই)
অপৰান, অপি = অন্য শত্ৰুসকলকো
অহম = মই
হনিষ্যে = মাৰিম।
অহম = মই
ঈশ্বৰঃ = ঈশ্বৰ,
ভোগী = ঐশ্বৰ্য ভোগ কৰোঁতা
অহম = মই
সিদ্ধঃ = সকলো সিদ্ধিযুক্ত (আৰু)
বলৱান = বলবান (লগতে)
সুখী = সুখী।

**আঢ্যঃ, অভিজনৱান, অস্মি, কঃ, অন্যঃ, অস্তি, সদৃশঃ, ময়া,**
**য়ক্ষ্যে, দাস্যামি, মোদিষ্যে, ইতি, অজ্ঞানবিমোহিতাঃ ।।১৫।।**
**অনেকচিত্তৱিভ্ৰান্তা, মোহজালসমাবৃতাঃ**
**প্ৰসক্তাঃ, কামভোগেষু, পতন্তি, নৰকে, অশুচৌ ।।১৬।।**

**আৰু মই -**

আঢ্যঃ = বহুত ধনী (আৰু)
অভিজনৱান = অভিজাত্য সমন্বিত
অস্মি = হওঁ।
ময়া = মোৰ
সদৃশ = সমান
অন্যঃ = অন্য
কঃ = কোন
অস্তি = আছে? (মই)
য়ক্ষ্যে = যজ্ঞ কৰিম
দাস্যামি = দান দিম (আৰু)
মোদিষ্যে = আমোদ-প্ৰমোদ কৰিম
ইতি = এইদৰে
অজ্ঞানবিমোহিতাঃ = অজ্ঞানৰ দ্বাৰা মোহিত হোৱা সকল (আৰু)
অনেকচিত্তৱিভ্ৰান্তাঃ = অনেক চিন্তাৰ দ্বাৰা বিভ্ৰান্ত হোৱা সকল
মোহজালসমাবৃতাঃ= মোহজালত আৱদ্ধ (আৰু)
কামভোগেষু=বিষয় ভোগত
প্ৰসক্তাঃ=অত্যন্তআসক্ত(অসুৰসকল)
অশুচৌ = অতি লেতেৰা
নৰকে, পতন্তি = নৰকত পতিত হয়

**আত্মসম্ভাৱিতাঃ, স্তব্ধাঃ, ধনমানমদান্বিতাঃ**
**য়জন্তে, নাময়জ্ঞৈঃ, তে, দম্ভেন, অবিধিপূৰ্বকম ।।১৭।।**

**আৰু -**

তে = সেই
আত্মসম্ভাৱিতাঃ = নিজকে নিজে শ্ৰেষ্ঠ বুলি ভৱা
স্তব্ধাঃ = নম্ৰতাৰহিত গৰ্বী পুৰুষে
ধনমানমদান্বিতাঃ=ধন আৰু মানত মত্তহৈ
নামযজ্ঞৈঃ = নামমাত্ৰ যজ্ঞৰ দ্বাৰা
দম্ভেন = দম্ভ ভাৱেৰে
অবিধিপূৰ্বকম = শাস্ত্ৰবিধিৰহিত
য়জন্তে = যজন (পূজা) কৰে)

**অহঙ্কাৰম, বলম, দৰ্পম, কামম, ক্ৰোধম, চ, সংশ্ৰিতাঃ**
**মাম, আত্মপৰদেহেষু, প্ৰদ্বিষন্তঃ, অভ্যসূয়কাঃ ।।১৮।।**
**আৰু সেই -**

অহঙ্কাৰম, বলম= অহঙ্কাৰ, বল,
দৰ্পম = দৰ্প (মই বৰ ভাৱ)
কামম = কামনা (আৰু)
ক্ৰোধম = ক্ৰোধ আদিৰ
সংশ্ৰিতাঃ = বশৱৰ্ত্তী হোৱা
চ = আৰু
অভ্যসূয়কাঃ = আনৰ নিন্দা কৰা পুৰুষসকল
আত্মপৰদেহেষু = নিজৰ আৰু আনৰ শৰীৰত থকা
মাম=মোৰ (অন্তৰ্যামী ঈশ্বৰৰ) প্ৰতি
প্ৰদ্বিষন্তঃ = দ্বেষ কৰা বিধৰ হয়।

**তান, অহম, দ্বিষতঃ, ক্ৰুৰান, সংসাৰেষু, নৰাধমান**
**ক্ষিপামি, অজস্ৰম, অশুভান, আসুৰীষু, এৱ, য়োনিষু ।।১৯।।**
**এনেদৰে -**

তান = সেই
দ্বিষতঃ = ঈৰ্ষালু
অশুভান = পাপাচাৰী (আৰু)
ক্ৰুৰাণ = ক্ৰুৰকৰ্মা
নৰাধমান = নৰাধমক
অহম = মই
সংসাৰেষু = সংসাৰত
অজস্ৰম = বাৰে-বাৰে
আসুৰীষু = আসুৰী
য়োনিষু, এৱ = যোনিতহে
ক্ষিপামি = নিক্ষেপ কৰোঁ।

**আসুৰীম, য়োনিম, আপন্নাঃ,মূঢ়াঃ, জন্মনি, জন্মনি,**
**মাম, অপ্ৰাপ্য, এৱ, কৌন্তেয়, ততঃ, য়ান্তি, অধমাম, গতিম ।।২০।।**
**এই কাৰণে -**

কৌন্তেয় = হে অৰ্জুন
মূঢ়াঃ = সেই মূৰ্খসকল
মাম = মোক
অপ্ৰাপ্য, এৱ = প্ৰাপ্ত নোহোৱাৰ বাবেই
জন্মনি = জনমে
জন্মনি = জনমে
আসুৰীম = আসুৰী
য়োনিম = যোনিক
আপন্নাঃ = প্ৰাপ্ত হয় (আকৌ)
ততঃ = তাতকৈও
অধমাম = অতি নীচ
গতিম = গতিক
য়ান্তি = প্ৰাপ্ত হয় অৰ্থাৎ ঘোৰ নৰকত পতিত হয়।

**ত্ৰিবিধম, নৰকস্য, ইদম, দ্বাৰম, নাশনম, আত্মনঃ**
**কামঃ, ক্ৰোধঃ, তথা, লোভঃ, তস্মাত, এতত, ত্ৰয়ম, ত্যজেত ।।২১।।**
**আৰু হে অৰ্জুন -**

কামঃ = কাম
ক্ৰোধঃ = ক্ৰোধ
তথা = আৰু
লোভঃ = লোভ
ইদম = এই
ত্ৰিবিধম = তিনি ধৰণৰ
নৰকস্য = নৰকৰ
দ্বাৰম = দুৱাৰ
আত্মনঃ = আত্মাৰ
নাশনম= নাশকৰ্তা অৰ্থাৎ আত্মাক অধোগতিলৈ নিয়াৰ কাৰক হয়।
তস্মাত = সেইবাবে
এতত = এই
ত্ৰয়ম = তিনিটাক
ত্যজেত = ত্যাগ কৰিব লাগে।

**এতৈঃ, ৱিমুক্তঃ, কৌন্তেয়, তমোদ্বাৰৈঃ, ত্ৰিভিঃ, নৰঃ**
**আচৰতি, আত্মনঃ, শ্ৰেয়ঃ, ততঃ, য়াতি, পৰাম, গতিম ।।২২।।**

**কাৰণ -**

কৌন্তেয় = হে অৰ্জুন
এতৈঃ = এই
ত্ৰিভিঃ = তিনিটা
তমোদ্বাৰৈঃ = নৰকৰ দ্বাৰৰ পৰা
ৱিমুক্তঃ = মুক্ত
নৰঃ, আত্মনঃ = পুৰুষে নিজৰ
শ্ৰেয়ঃ = কল্যাণৰ (বাবে)
আচৰতি = আচৰণ কৰে,
ততঃ = ইয়াৰ দ্বাৰা (তেওঁ)
পৰাম = পৰম
গতিম = গতিলৈ
য়াতি = যায় অৰ্থাৎ মোক প্ৰাপ্ত হয়।

**য়ঃ, শাস্ত্ৰবিধিম, উৎসৃজ্য, বৰ্ততে, কামকাৰতঃ,**
**ন, সঃ, সিদ্ধিম, অৱাপ্নোতি, ন, সুখম, ন, পৰাম, গতিম ।।২৩।।**

**আৰু -**

য়ঃ = যি পুৰুষে
শাস্ত্ৰবিধিম = শাস্ত্ৰবিধি
উৎসৃজ্য = ত্যাগ কৰি
কামকাৰতঃ = নিজ ইচ্ছাৰে মনোময়
বৰ্ততে = আচৰণ কৰে
সঃ = তেওঁ
ন = না
সিদ্ধিম = সিদ্ধি
অৱাপ্নোতি = লাভ কৰে,
ন = না
পৰাম = পৰম
গতিম = গতি (আৰু)
ন = না
সুখম = সুখ (লাভ কৰে)।

**তস্মাত, শাস্ত্ৰম, প্ৰমাণম, তে, কাৰ্য়াকাৰ্য়ব্যৱস্থিতৌ,**
**জ্ঞাত্বা, শাস্ত্ৰবিধানোক্তম, কৰ্ম, কৰ্তুম, ইহ, অৰ্হসি ।।২৪।।**

তস্মাত = সেই কাৰণে
তে = তোমাৰ বাবে
ইহ = এই
কাৰ্য়াকাৰ্য়ব্যৱস্থিতৌ = কৰ্তব্য আৰু অকৰ্তব্যৰ ব্যৱস্থাত
শাস্ত্ৰম = শাস্ত্ৰহে
প্ৰমাণম = প্ৰমাণ হয়
(এৱম) = এইটো
জ্ঞাত্বা = জানি (তুমি)
শাস্ত্ৰবিধানোক্তম = শাস্ত্ৰ বিধি সন্মত
কৰ্ম = কৰ্মহে
কৰ্তুম, অৰ্হসি=কৰাৰ যোগ্য

**শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ১৭ ৰ শ্লোকৰ প্ৰতিলিপি**

**সপ্তদশ অধ্যায়**

**অৰ্জুন উৱাচ**

**য়ে, শাস্ত্ৰবিধিম, উৎসৃজ্য, য়জন্তে, শ্ৰদ্ধয়া, অন্বিতাঃ**
**তেষাম, নিষ্ঠা, তু, কা, কৃষ্ণ, সত্ত্বম, আহো, ৰজঃ, তমঃ ।।১।।**

**ভগৱানৰ এনে কথা শুনি অৰ্জুনে ক'লে -**

কৃষ্ণ = হে কৃষ্ণ
য়ে = যিসকলে
শাস্ত্ৰবিধিম = শাস্ত্ৰবিধি
উৎসৃজ্য = ত্যাগ কৰি
শ্ৰদ্ধয়া = শ্ৰদ্ধাৰে
অন্বিতাঃ = যুক্ত হৈ
য়জন্তে = দেৱতাসকলৰ পূজা কৰে
তেষাম = তেওঁলোকৰ
নিষ্ঠা = স্থিতি
তু = আকৌ
কা = কেনেধৰণৰ হয়?
সত্ত্বম = সাত্ত্বিকী হয়
আহো = অথবা
ৰজঃ = ৰাজসিক (অথবা)
তমঃ = তামসিক?

**ত্ৰিবিধা, ভৱতি, শ্ৰদ্ধা, দেহিনাম, সা, স্বভাৱজা,**
**সাত্ত্বিকী, ৰাজসী, চ, এৱ, তামসী, চ, ইতি, তাম, শৃণু ।।২।।**

**এইদৰে অৰ্জুনে সোধাত শ্ৰীকৃষ্ণ ভগৱানে ক'লে, হে অৰ্জুন -**

দেহিনাম = মানুহৰ
সা = সেই (শাস্ত্ৰীয় সংস্কাৰহীন কেৱল)
স্বভাৱজা = স্বভাৱ অনুযায়ী উৎপন্ন
শ্ৰদ্ধা = শ্ৰদ্ধা
সাত্ত্বিকী = সাত্ত্বিক
চ = আৰু
ৰাজসী = ৰাজসিক
চ = আৰু
তামসী = তামসিক
ইতি = এইদৰে
ত্ৰিবিধা, এৱ = তিনি বিধৰহে
ভৱতি = হয়
তাম = তাক (তুমি)
(মত্তঃ) = মোৰ পৰা
শৃণু = শুনা।

**সত্ত্বানুৰূপা, সৰ্বস্য, শ্ৰদ্ধা, ভৱতি, ভাৰত,**
**শ্ৰদ্ধাময়ঃ, অয়ম, পুৰুষ, য়ঃ, য়ৰ্দ্ধঃ, সঃ, এৱ, সঃ ।।৩।।**

ভাৰত = হে ভাৰত
সৰ্বস্য = সকলো মানুহৰ
শ্ৰদ্ধা = শ্ৰদ্ধা
সত্ত্বানুৰূপা = তেওঁলোকৰ অন্তঃকৰণৰ অনুৰূপ
ভৱতি = হয়
অয়ম = এই
পুৰুষঃ = পুৰুষ
শ্ৰদ্ধাময়ঃ = শ্ৰদ্ধাময়
(অতঃ) = সেই কাৰণে
য়ঃ = যি পুৰুষ
য়চ্ছ্ৰদ্ধঃ = যেনে শ্ৰদ্ধাযুক্ত
সঃ, এৱ = তেওঁ নিজেও
সঃ = তেনেকুৱাই হয়।

**য়জন্তে, সাত্ত্বিকাঃ, দেৱান, য়ক্ষৰক্ষাংসি, ৰাজসাঃ**
**প্ৰেতান, ভূতগণান, চ, অন্যে, য়জন্তে, তামসা, জনাঃ ।।৪।।**
**তেওঁলোকৰ ভিতৰত -**

সাত্ত্বিকাঃ = সাত্ত্বিক পুৰুষে
দেৱান = দেৱতাসকলক
য়জন্তে = পূজা কৰে
ৰাজসাঃ = ৰাজসিক পুৰুষে
য়ক্ষৰক্ষাংসি = যক্ষ আৰু ৰাক্ষস সকলক (আৰু)
অন্যে = অন্য (যিসকল)
তামসাঃ = তামসিক
জনাঃ = ব্যক্তি আছে (তেওঁলোকে)
প্ৰেতান = প্ৰেতসকলক
চ = আৰু
ভূতগণান = ভূতগণক
য়জন্তে = পূজা কৰে

**অশাস্ত্ৰৱিহিতম, ঘোৰম, তপ্যন্তে, য়ে, তপঃ, জনাঃ**
**দম্ভাহঙ্কাৰসংয়ুক্তাঃ, কামৰাগবলান্বিতাঃ ।।৫।।**
**আৰু হে অৰ্জুন**

য়ে = যি
জনাঃ = মানুহে
অশাস্ত্ৰৱিহিতম = শাস্ত্ৰবিধিৰহিত (কেৱল মনেসজা)
ঘোৰম = ঘোৰ
তপঃ = তপস্যাৰে
তপ্যন্তে = তপ কৰে (আৰু)
দম্ভাহঙ্কাৰসংযুক্তাঃ = দম্ভ আৰু অহংকাৰ যুক্ত (আৰু)
কামৰাগবলান্বিতাঃ = কামনা, আসক্তি আৰু বলৰ অভিমানেৰে যুক্ত হয় -

**কৰ্শয়ন্তঃ, শৰীৰস্থম, ভূতগ্ৰামম, অচেতসঃ, মাম,**
**চ, এৱ, অন্তঃশৰীৰস্থম, তান, ৱিদ্ধি, আসুৰনিশ্চয়ান ।।৬।।**
**আৰু যিসকলে -**

শৰীৰস্থম = দেহস্থিত
ভূতগ্ৰামম = ভূত সমূহক
চ = আৰু
অন্তঃশৰীৰস্থম = অন্তঃকৰণত স্থিত
মাম, এৱ = মই পৰমাত্মাকো
কৰ্শয়ন্তঃ = কষ্ট দিয়ে
তান = সেই
অচেতসঃ = অজ্ঞানী সকলক (তুমি)
আসুৰনিশ্চয়ান = অসুৰ স্বভাৱৰ
বিদ্ধি = জানিবা (নিশ্চয়)।

**আহাৰঃ, তু, অপি, সৰ্বস্য, ত্ৰিবিধঃ, ভৱতি, প্ৰিয়ঃ**
**য়জ্ঞঃ, তপঃ, তথা, দানম, ত্বোম, ভেদম, ইমম, শৃণু ।।৭।।**
**আৰু হে অৰ্জুন যেনেদৰে শ্ৰদ্ধা তিনিবিধ,**
**তেনেদৰেই -**

আহাৰঃ, অপি = আহাৰো
সৰ্বস্য = সকলোকে (নিজৰ নিজৰ প্ৰকৃতি অনুযায়ী)
ত্ৰিবিধঃ = তিনি প্ৰকাৰৰ
প্ৰিয়ঃ = প্ৰিয়
ভৱতি = হয়।
তু = আৰু
তথা = তেনেদৰেই
য়জ্ঞঃ = যজ্ঞ
তপঃ = তপস্যা (আৰু)
দানম = দান (প্ৰতিটো তিনিবিধৰ হয়)
তেষাম = সিবিলাকৰ
ইমম = এই (পৃথক-পৃথক)
ভেদম = পাৰ্থক্য (তুমি মোৰ পৰা)
শৃণু = শুনা।

**আয়ুঃসত্ত্ববলাৰোগ্যসুখপ্ৰীতিৱিৱৰ্ধনাঃ,**
**ৰস্যাঃ, স্নিগ্ধাঃ, স্থিৰাঃ, হৃদ্যাঃ, আহাৰাঃ, সাত্ত্বিকপ্ৰিয়াঃ ।।৮।।**

আয়ুঃসত্ত্ববলাৰোগ্যসুখপ্ৰীতিৱিৱৰ্ধনাঃ =আয়ু, বুদ্ধি, বল, আৰোগ্য, সুখ আৰু প্ৰীতি বৃদ্ধিকৰ
ৰস্যাঃ = ৰসযুক্ত
স্নিগ্ধাঃ = স্নিগ্ধ (আৰু)
স্থিৰাঃ=পুষ্টিকৰ (স্থিৰ হৈ থকা) (আৰু)
হৃদ্যাঃ = মনক ভাল লগা
আহাৰাঃ=আহাৰ অৰ্থাৎ ভোজ্য পদাৰ্থ
সাত্ত্বিকপ্ৰিয়াঃ=সাত্ত্বিক পুৰুষৰ প্ৰিয় হয়

**কট্‌ৱম্লৱণাত্যুষ্ণতীক্ষ্ণৰুক্ষৱিদাহিনঃ**
**আহাৰাঃ, ৰাজসস্য, ইষ্টাঃ, দুঃখশোকাময়প্ৰদাঃ ।।৯।।**

**আৰু -**

কট্‌ৱম্লৱণাত্যুষ্ণতীক্ষ্ণৰুক্ষৱিদাহিনঃ = তিতা, টেঙা, নিমখীয়া, বহুত গৰম, জলা, শুকান যি বিলাকে পুৰিব পাৰে (আৰু)
দুঃখশোকাময়প্ৰদাঃ=দুখ, শোক আৰু ৰোগ উৎপন্ন কৰা
আহাৰাঃ=আহাৰ অৰ্থাৎ ভোজ্য পদাৰ্থ
ৰাজসস্য = ৰাজসিক পুৰুষৰ
ইষ্টাঃ = প্ৰিয় হয়।

**য়াতয়ামম, গতৰসম, পূতি, পৰ্য্যুষিতম, চ, এত**
**উচ্ছিষ্টম, অপি, চ, অমেধ্যম, ভোজনম, তামসপ্ৰিয়ম ।।১০।।**

**আৰু -**

য়ত = যি
ভোজনম = ভোজন
য়াতয়ামম = আধা সিজা
গতৰসম = ৰসহীন (স্বাদহীন)
পূতি = দুৰ্গন্ধযুক্ত
পৰ্য্যুষিতম = বাহি, গেলা
চ = আৰু
উচ্ছিষ্টম = আনে খাই এৰা
চ = আৰু (যি)
অমেধ্যম, অপি = অপবিত্ৰও
(তত) = সেই ভোজন
তামসপ্ৰিয়ম= তামসিক পুৰুষৰ প্ৰিয় হয়।

**অফলাকাঙক্ষিভিঃ, য়জ্ঞঃ, বিধিদৃষ্টঃ, য়ঃ, ইজ্যতে,**
**য়ষ্টব্যম, এৱ, ইতি, মনঃ, সমাধায়, সঃ, সাত্ত্বিকঃ ।।১১।।**

**আৰু হে অৰ্জুন -**

য়ঃ = যি (যজ্ঞ)
বিধিদৃষ্টঃ = শাস্ত্ৰবিধি সন্মত ভাৱে
য়জ্ঞঃ = যজ্ঞ
য়ষ্টব্যম, এৱ = কৰাটো কৰ্তব্য হয়
ইতি = এইদৰে
মনঃ = মনক
সমাধায় = সমাধান কৰি (বুজাই)
অফলাকাঙক্ষিভিঃ=নিষ্কাম পুৰুষৰ দ্বাৰা
ইজ্যতে = কৰা হয়,
সঃ = সেইটো
সাত্ত্বিকঃ = সাত্ত্বিক হয়।

**অভিসন্ধায়, তু, ফলম, দম্ভাৰ্থম, অপি, চ, এৱ, য়ত**
**ইজ্যতে, ভৰতশ্ৰেষ্ঠ, তম, য়জ্ঞম, বিদ্ধি, ৰাজসম ।।১২।।**

তু = কিন্তু
ভৰতশ্ৰেষ্ঠ = হে অৰ্জুন
দম্ভাৰ্থম, এৱ = কেৱল দম্ভাচৰণৰ বাবেই
চ = অথবা
ফলম, অপি = ফলো (পাম বুলি)
অভিসন্ধায় = অন্তৰত ইচ্ছা কৰি
য়ত = যিটো যজ্ঞ
ইজ্যতে = কৰা হয়
তম = সেই
য়জ্ঞম = যজ্ঞক (তুমি)
ৰাজসম = ৰাজসিক
বিদ্ধি = জানিবা

**বিধিহীনম, অসৃষ্টান্নম, মন্ত্ৰহীনম, অদক্ষিণম**
**শ্ৰদ্ধাৱিৰহিতম, য়জ্ঞম, তামসম, পৰিচক্ষতে ।।১৩।।**

বিধিহীনম = শাস্ত্ৰবিধিহীন,
অসৃষ্টান্নম = অন্নদানৰহিত,
মন্ত্ৰহীনম = মন্ত্ৰবিহীন,
অদক্ষিণম = দক্ষিণা শূণ্য (আৰু)
শ্ৰদ্ধাৱিৰহিতম=শ্ৰদ্ধা নোহোৱাকৈ কৰা
য়জ্ঞম = যজ্ঞক
তামসম = তামসিক যজ্ঞ
পৰিচক্ষতে = বোলা হয়

**দেৱদ্বিজগুৰুপ্ৰাজ্ঞপূজনম, শৌচম, আৰ্জৱম**
**ব্ৰহ্মচৰ্য়ম, অহিংসা, চ, শৰীৰম, তপঃ, উচ্যতে ।।১৪।।**

দেৱদ্বিজগুৰুপ্ৰাজ্ঞপূজনম=দেৱতা, ব্ৰাহ্মণ, গুৰু আৰু জ্ঞানী সকলৰ পূজা,
শৌচম = পবিত্ৰতা,
আৰ্জৱম = সৰলতা,
ব্ৰহ্মচৰ্য়ম = ব্ৰহ্মচৰ্য্য
চ = আৰু
অহিংসা = অহিংসা
শৰীৰম = শৰীৰৰ
তপঃ = তপস্যা
উচ্যতে = বুলি কোৱা হয়

**অনুদ্বেগকৰম, ৱাক্যম, সত্যম, প্ৰিয়হিতম, চ, য়ত**
**স্বাধ্যায়াভ্যসনম, চ, এৱ, বাঙময়ম, তপঃ, উচ্যতে ।।১৫।।**

য়ত = যি
অনুদ্বেগকৰম = উদ্বেগ নকৰা
প্ৰিয়হিতম = প্ৰিয় আৰু হিতজনক
চ = আৰু
সত্যম = যথাৰ্থ
বাক্যম = ভাষণ হয়
চ = আৰু (যি)
স্বাধ্যায়অভ্যসনম=বেদ শাস্ত্ৰৰ পাঠ আৰু পৰমেশ্বৰৰ নাম জপৰ অভ্যাস
(তত) এৱ = তাকেই
বাঙময়ম = বাণীৰ
তপঃ = তপস্যা
উচ্যতে = বুলি কোৱা হয়

**(মানসিক তপস্যাৰ লক্ষণ)**

**মনঃপ্ৰসাদঃ, সৌম্যত্বম, মৌনম, আত্মৰিৰিগ্ৰহঃ**
**ভাৰসংশুদ্ধিঃ, ইতি, এতত, তপঃ, মানসম, উচ্যতে ।।১৬।।**

**আৰু -**

মনঃপ্ৰসাদঃ = মনৰ প্ৰসন্নতা,
সৌম্যত্বম = শান্তভাৰ,
মৌনম = ভগৱদ চিন্তনৰ স্বভাৰ,
আত্মবিনিগ্ৰহঃ = মনৰ নিগ্ৰহ (আৰু)
ভাৰসংশুদ্ধিঃ=অন্তঃকৰণৰ ভাৰৰ সম্পূৰ্ণ পবিত্ৰতা
ইতি = এইদৰে
এতত = ইয়াক
মানসম = মানসিক
তপঃ = তপস্যা
উচ্যতে = বুলি কোৱা হয়।

**(সাত্ত্বিক তপস্যাৰ লক্ষণ)**

**শ্ৰদ্ধয়া, পৰয়া, তপ্তম, তপঃ, তত, ত্ৰিবিধম, নৰৈঃ**
**অফলাকাঙ্ক্ষিভিঃ, যুক্তৈঃ, সাত্ত্বিকম, পৰিচক্ষতে ।।১৭।।**

**কিন্তু হে অৰ্জুন -**

অফলাকাঙ্ক্ষিভিঃ = নিষ্কাম
যুক্তৈঃ = যোগী
নৰৈঃ = পুৰুষৰ দ্বাৰা
পৰয়া = পৰম
শ্ৰদ্ধয়া = শ্ৰদ্ধাৰে
তপ্তম = কৰা
তত = সেই (পূৰ্বোক্ত)
ত্ৰিবিধম = তিনি প্ৰকাৰৰ
তপঃ = তপস্যাক
সাত্ত্বিকম = সাত্ত্বিক (তপস্যা)
পৰিচক্ষতে = বোলা হয়।

**সৎকাৰমানপূজাৰ্থম, তপঃ, দম্ভেন, চ, এৱ, য়ত**
**ক্ৰিয়তে, তত, ইহ, প্ৰোক্তম, ৰাসসম, চলম, অধ্ৰুৰম ।। ১৮।।**

য়ত = যি
তপঃ = তপস্যা
সৎকাৰমানপূজাৰ্থম= সৎকাৰ মান আৰু পূজাৰ বাবে (আৰু)
চ, এৱ= অন্য কোনো স্বাৰ্থৰ বাবে স্বভাৱতে
(ৰা) = অথবা
দম্ভেন = পাষণ্ড আচৰণ কৰি
ক্ৰিয়তে = কৰা হয়,
তত = সেই
অধ্ৰুৰম= অনিশ্চিত (আৰু)
চলম= ক্ষণস্থায়ী ফল দিয়া তপস্যাক
ইহ = ইয়াত
ৰাজসম = ৰাজসিক
প্ৰোক্তম = বুলি কোৱা হৈছে।

**মূঢ়গ্ৰাহেণ, আত্মনঃ, য়তঃ, পীডয়া, ক্ৰিয়তে, তপঃ**
**পৰস্য, উৎসাদনাৰ্থম, ৱা, তত, তামসম, উদাহৃতম ।।১৯।।**

য়ত = যি
তপঃ = তপস্যা
মূঢ়গ্ৰাহেণ = মূৰ্খতাৰে জিদ কৰি
আত্মনঃ = মন, বাণী আৰু শৰীৰক
পীড়য়া = কষ্ট দি
ৱা = অথবা
পৰস্য = আনৰ
উৎসাদনাৰ্থম = অনিষ্ট কৰিবলৈ
ক্ৰিয়তে = কৰা হয়,
তত = সেই তপস্যা
তামসম = তামসিক
উদাহৃতম = কোৱা হয়।

**দাতব্যম, ইতি, য়ত, দানম, দীয়তে, অনুপকাৰিণে,**
**দেশে, কালে, চ, পাত্ৰে, চ, তত, দানম, সাত্ত্বিক, স্মৃতম ।।২০।।**

দাতব্যম = দান দিয়াটো কৰ্তব্য হয় -
ইতি = এই ভাৱেৰে
য়ত = যি
দানম = দান
দেশে = দেশ (ঠাই)
চ = আৰু
কালে = কাল (সময়)
চ = আৰু
পাত্ৰে = পাত্ৰ পাওঁতে
অনুপকাৰিণে = উপকাৰ নকৰাজনৰ প্ৰতি
দীয়তে = দিয়া যায়
তত, দানম = সেই দান
সাত্ত্বিকম = সাত্ত্বিক
স্মৃতম = কোৰা হয়।

**য়ত, তু, প্ৰত্যুপকাৰাৰ্থম, ফলম, উদ্দিশ্য, ৱা, পুনঃ**
**দীয়তে, চ, পৰিক্লিষ্টম, তত, দানম, ৰাজসম, স্মৃতম ।।২১।।**

তু = কিন্তু
য়ত = যি (দান)
পৰিক্লিষ্টম = দুখমনেৰে
চ = আৰু
প্ৰত্যুপকাৰাৰ্থম = প্ৰত্যুপকাৰ বিচাৰি
ৱা, ফলম = অথবা ফল
উদ্দিশ্য = আশা কৰি
পুনঃ = আকৌ
দীয়তে = দিয়া হয়,
তত, দানম = সেই দান
ৰাজসম = ৰাজসিক
স্মৃতম = বুলি কোৰা হয়।

**অদেশকালে, য়ত, দানম, অপাত্ৰেভ্যঃ, চ, দীয়তে**
**অসৎকৃতম, অৱজ্ঞাতম, তত, তামসম, উদাহৃতম ।।২২।।**

য়ত = যি
দানম = দান
অসৎকৃতম = মান-সৎকাৰ নকৰাকৈ
(ৱা) = অথবা
অৱজ্ঞাতম = তিৰস্কাৰ কৰি
অদেশকালে = অযোগ্য দেশ-কালত
চ = আৰু
অপাত্ৰেভ্যঃ = কুপাত্ৰৰ প্ৰতি
দীয়তে = দিয়া হয়
তত = সেই দান
তামসম = তামসিক
উদাহৃতম = কোৰ হয়।

**ওঁ, তত্, সত, ইতি, নিৰ্দেশঃ, ব্ৰহ্মণঃ, ত্ৰিৱিধঃ, স্মৃতঃ**
**ব্ৰাহ্মণাঃ, তেন, বেদাঃ, চ, য়জ্ঞাঃ, চ, ৱিহিতাঃ, পুৰা ।।২৩।।**
**আৰু হে অৰ্জুন! -**

ওঁ = ওঁ
তত = তত্
সত = সত্
ইতি = এইদৰে (এইটো)
ত্ৰিৱিধঃ = তিনি প্ৰকাৰৰ
ব্ৰহ্মণঃ = সচিদানন্দঘন ব্ৰহ্মৰ
নিৰ্দেশঃ = নাম
স্মৃতঃ = কোৰা হৈছে
তেন = তাৰ দ্বাৰা
পুৰা = সৃষ্টিৰ আৰম্ভণিত
ব্ৰাহ্মণাঃ = ব্ৰাহ্মণ
চ = আৰু
বেদাঃ = বেদ
চ = আৰু
য়জ্ঞাঃ = যজ্ঞ আদি
ৱিহিতাঃ = ৰচিত হ’ল।

**তস্মাত, ওম, ইতি, উদাহৃত্য, য়জ্ঞদানতপঃক্রিয়াঃ**
**প্রবর্তন্তে, বিধানোক্তাঃ, সততম, ব্রহ্মৰাদিনাম ।।২৪।।**

তস্মাত = গতিকে
ব্রহ্মৰাদিনাম=বেদ মন্ত্রৰ উচ্চাৰণ কৰা শ্রেষ্ঠ পুৰষসকলৰ
বিধানোক্তাঃ = শাস্ত্রবিধি সন্মত
য়জ্ঞদানতপঃক্রিয়াঃ = যজ্ঞ, দান আৰু তপস্যা ৰূপ ক্রিয়া
সততম = সদায়েই
ওম = "ওঁ"
ইতি = এই (পৰমাত্মাৰ নাম)
উদাহৃতম = উচ্চাৰণ কৰিহে
প্রবর্তন্তে = আৰম্ভ হয়।

**তত, ইতি, অনভিসন্ধায়, ফলম, য়জ্ঞতপঃত্রিয়াঃ,**
**দানক্রিয়াঃ, চ, বিবিধাঃ, ক্রিয়ন্তে, মোক্ষকাঙক্ষিভিঃ ।।২৫।।**

**আৰু -**

তত্= তত্ অর্থাৎ 'তত' নামেৰে বুজোৱা পৰমাত্মাৰেই এইবোৰ সকলো হয়
ইতি = এই (ভাৱেৰে)
ফলম = ফল
অনভিসন্ধায় = নিবিচাৰি
বিবিধাঃ = নানা ধৰণৰ
য়জ্ঞতপঃক্রিয়াঃ= যজ্ঞ, তপস্যা আদি ক্রিয়া
চ = আৰু
দানক্রিয়াঃ = দান কর্মসমূহ
মোক্ষকাঙক্ষিভিঃ=কল্যাণ বিচৰা পুৰুষ সকলৰ দ্বাৰা
ক্রিয়ন্তে = কৰা হয়।

**সদ্ভাৱে, সাধুভাৱে, চ, সত, ইতি, এতত, প্রয়ুজ্যতে,**
**প্রশস্তে, কর্মণি, তথা, সত, শব্দঃ, পার্থ, য়ুজ্যতে ।।২৬।।**

**আৰু -**

সত = 'সত'
ইতি = এইদৰে
এতত = এই (পৰমাত্মাৰ নাম)
সদ্ভাৱে = সদ্ভাৱত
চ = আৰু
সাধুভাৱে = শ্রেষ্ঠ ভাৱত
প্রয়ুজ্যতে = প্রয়োগ কৰা হয়
তথা = আৰু
পার্থ = হে পার্থ
প্রশস্তে = উত্তম
কর্মনি = কর্মতো
সত = 'সত'
শব্দঃ = শব্দৰ
য়ুজ্যতে =প্রয়োগ কৰা হয়।

**য়জ্ঞে, তপসি, দানে, চ, স্থিতিঃ, সত, ইতি, চ, উচ্যতে**
**কর্ম, চ, এৱ, তদৰ্থীয়ম, সত, ইতি, এৱ, অভিধীয়তে ।।২৭।।**

চ = লগতে
য়জ্ঞে = যজ্ঞ
তপসি = তপস্যা
চ = আৰু
দানে = দানত
(য়া) = যি
স্থিতিঃ = স্থিতি আছে
(সা) এৱ = সেইটোও
সত = 'সত'
ইতি = এই বুলি
উচ্যতে = কোৱা হয়
চ = আৰু
তদৰ্থীয়ম=সেই পৰমাত্মাৰ বাবে কৰা
কর্ম = কর্ম
এৱ = নিশ্চিতভাৱে
সত, ইতি = 'সত' বুলিয়েই
অভিধীয়তে = কোৱা হয়।

**অশ্ৰদ্ধয়া, হুতম, দত্তম, তপঃ, তপ্তম, কৃতম, চ, য়ত**
**অসত, ইতি, উচ্যতে, পাৰ্থ, ন, চ, তত, প্ৰেত্য, নো, ইহ ।।২৮।।**

**আৰু -**

পাৰ্থ = হে অৰ্জুন
অশ্ৰদ্ধয়া = বিনা শ্ৰদ্ধাৰে কৰা
হুতম = হোমযজ্ঞ,
দত্তম = দান দিয়া (আৰু)
তপ্তম = সমাধা কৰা
তপঃ = তপস্যা
চ = আৰু
য়ত = যি (কোনো)
কৃতম = শুভ কৰ্ম কৰা হয়,

(তত) = সেই সকলোবোৰ
অসত = ‘অসত’
ইতি = বুলি
উচ্যতে = কোৱা হয় (সেইবাবে)
তত = সেইটো
ইহ = এইলোকত
(লাভদায়ক)
নো = নহয়
চ = আৰু
ন, প্ৰেত্য = মৰাৰ পাছতো
(লাভদায়ক) নহয়।

**শ্ৰীমদ্ভাগৱত গীতাৰ অন্তিম অধ্যায় ১৮ ৰ কিছুমান শ্লোকৰ প্ৰতিলিপি**

**অষ্টদশ অধ্যায়**

**সন্ন্যাসস্য, মহাবাহো, তত্ত্বম, ইচ্ছামি, ৰেদিতুম,**
**ত্যাগস্য, চ, হৃষীকেশ, পৃথক, কেশিনিষূদন ।। ১।।**

**ইয়াৰ পাছত অৰ্জুনে ক’লে -**

মহাবাহো = হে মহাবাহু
হৃষীকেশ = হে অন্তৰ্য্যামী
কেশিনিষূদন = হে বাসুদেৱ (মই)
সন্ন্যাসস্য = সন্ন্যাস
চ = আৰু

ত্যাগস্য = ত্যাগৰ
তত্ত্বম = তত্ত্বক
পৃথক = পৃথকভাৱে
বেদিতুম = জানিবলৈ
ইচ্ছামি = ইচ্ছা কৰিছো।

**কাম্যানাম, কৰ্মনাম, ন্যাসম, সন্ন্যাসম, কবয়ঃ, বিদুঃ**
**সৰ্বকৰ্মফলত্যাগম, প্ৰাহুঃ, ত্যাগম, ৱিচক্ষণাঃ ।।২।।**

**এইদৰে অৰ্জুনে সোধাত শ্ৰীভগৱানে ক’লে, ‘হে অৰ্জুন কিছুমান -**

কবয়ঃ = পণ্ডিতে
কাম্যানাম = কাম্য (ফল পাবলৈ কৰা)
কৰ্মনাম = কৰ্মৰ
ন্যাসম = ত্যাগকে
সন্ন্যাসম = সন্ন্যাস(বুলি)
বিদুঃ = বুজি পায় (আৰু অন্য)

বিচক্ষণাঃ = অভিজ্ঞ পুৰুষে
সৰ্বকৰ্মফলত্যাগম= সকলো কৰ্মফল
ত্যাগকে
ত্যাগম = ত্যাগ
প্ৰাহুঃ = বোলে।

**ত্যাজ্যম, দোষৱত, ইতি, একে, কৰ্ম প্ৰাহুঃ, মনীষিণঃ**
**য়জ্ঞদানতপঃকৰ্ম, ন, ত্যাজ্যম, ইতি, চ, অপৰে।।৩।।**

একে = কোনো-কোনো
মনীষিণঃ = বিদ্ধানে
ইতি = এইদৰে
প্ৰাহুঃ = কয় (যে)
কৰ্ম = কৰ্মমাত্ৰই
দোষৱত = দোষযুক্ত হয় (এই কাৰণে)
ত্যাজ্যম = ত্যাগ কৰিব লাগে,
চ = আৰু
অপৰে = আন কিছুমানে
ইতি = এই বুলি
(আহুঃ) = কয় (যে)
য়জ্ঞদানতপঃকৰ্ম = যজ্ঞ, দান আৰু তপস্যাৰ দৰে কৰ্ম
ন, ত্যাজ্যম = ত্যাগ কৰিব নালাগে।

**নিশ্চয়ম, শৃণু, মে, তত্ৰ, ত্যাগে, ভৰতসত্তম**
**ত্যাগঃ, হি, পুৰুষব্যাঘ্ৰ, ত্ৰিবিধঃ, সম্প্ৰকীৰ্তিতঃ ।।৪।।**

পুৰুষব্যাঘ্ৰ = হে পুৰুষ শ্ৰেষ্ঠ
ভাৰতসত্তম = অৰ্জুন
তত্ৰ= সন্যাস আৰু ত্যাগ- এই দুটাৰ পৰা প্ৰথমে
ত্যাগে = ত্যাগৰ বিষয়ে (তুমি)
মে = মোৰ (কথা)
নিশ্চয়ম = নিশ্চয়
শৃণু = শুনা
হি = কাৰণ
ত্যাগঃ = ত্যাগ (সাত্বিক, ৰাজসিক আৰু তামসিক)
ত্ৰিবিধঃ = তিনি প্ৰকাৰৰ
সম্প্ৰকীৰ্তিত = বুলি কথিত আছে।

**য়জ্ঞদানতপঃকৰ্ম, ন, ত্যাজ্যম, কাৰ্য়ম, এৱ, তত,**
**য়জ্ঞঃ, দানম, তপঃ, চ, এৱ, পাৱনানি, মনীষিণাম ।।৫।।**

য়জ্ঞদানতপঃকৰ্ম=যজ্ঞ, দান আৰু তপস্যাৰ দৰে কৰ্ম
ন, ত্যাজ্যম=ত্যাগ কৰিব নালাগে (বৰঞ্চ)
তত = সেইবোৰ
এৱ = অৱশ্যে
কাৰ্য়ম = কৰ্তব্য হয় (কাৰণ)
য়জ্ঞ = যজ্ঞ
দানম = দান
চ = আৰু
তপঃ, এৱ = তপস্যা (এই তিনিটা কৰ্মই)
মনীষিণাম = বুদ্ধিমান পুৰুষক
পাৱনানি = পবিত্ৰ কৰে।

**এতানি, অপি, তু, কৰ্মাণি, সঙ্গম, ত্যক্ত্বা, ফলানি, চ,**
**কৰ্তব্যানি, ইতি, মে, পাৰ্থ, নিশ্চিতম, মতম, উত্তমম ।।৬।।**

পাৰ্থ = হে পাৰ্থ
এতানি=এই যজ্ঞ, দান আৰু তপৰ দৰে কৰ্ম
তু = তথা
(অন্যানি) = আৰু
অপি = বাকী
কৰ্মাণি = সকলো কৰ্তব্যকৰ্ম
সঙ্গম = আসক্তি
চ = আৰু
ফলানি = ফলৰ (আশা)
ত্যক্ত্বা = ত্যাগ কৰি (অৱশ্যে)
কৰ্তব্যানি = কৰিব লাগিব।
ইতি = এইটো
মে = মোৰ দ্বাৰা
নিশ্চিতম = নিশ্চিত কৰা
উত্তমম = উত্তম
মতম = মত হয়

**নিয়তস্য, তু, সন্ন্যাসঃ, কৰ্মণঃ, ন, উপপদ্যতে,**
**মোহাত, তস্য, পৰিত্যাগঃ, তামসঃ, পৰিকীৰ্তিতঃ ।।৭।।**

তু = কিন্তু
নিয়তস্য = বিহিত
কৰ্মণঃ = কৰ্মৰ
সন্ন্যাসঃ = স্বৰূপাৰ্থত ত্যাগ
ন, উপপদ্যতে= উচিত নহয় (সেইবাবে)

মোহাত = মোহবশতঃ
তস্য = তাৰ (কৰ্মৰ)
পৰিত্যাগঃ = পৰিত্যাগ
তামসঃ = তামসিক
পৰিকীৰ্তিতঃ = ত্যাগ বুলি ঘোষিত

**দুঃখম, ইতি, এৱ, য়ত, কৰ্ম, কায়ক্লেশভয়াত, ত্যজ্যেত,**
**সঃ, কৃত্বা, ৰাজসম, ত্যাগম, ন, এৱ, ত্যাগফলম, লভেত।।৮।।**

য়তঃ = যিকোনো
কৰ্ম = কৰ্ম
(তত) = অৰ্থাৎ সেই সকলো কৰ্ম
দুঃখম, এৱ = দুঃখকৰ হয়
ইতি = এইদৰে (ভাবি যদি কোনোবাই)
কায়ক্লেশভয়াত = দেহৰ কষ্টৰ ভয়ত (কৰণীয় কৰ্ম)
ত্যজ্যেত = ত্যাগ কৰে

সঃ = তেওঁ (এনেকুৱা)
ৰাজসম = ৰাজসিক
ত্যাগম = ত্যাগ
কৃত্বা = কৰি
ত্যাগফলম = ত্যাগৰ ফলো
এৱ = কোনো ধৰণেই
ন, লভেত= নাপায়।

**কাৰ্য়ম, ইতি, এৱ, য়ত, কৰ্ম, নিয়তম, ক্ৰিয়তে, অৰ্জুন**
**সঙ্গম, ত্যক্ত্বা, ফলম, চ, এৱ, সঃ, ত্যাগঃ, সাত্ত্বিকঃ, মতঃ ।।৯।।**

অৰ্জুন = হে অৰ্জুন
য়ত = যিবিলাক
নিয়তম = শাস্ত্ৰবিহিত
কৰ্ম = কৰ্ম (কৰোতে)
কাৰ্য়ম = কৰিবই লাগে -
ইতি, এৱ = এই ভাৱেৰে
সঙ্গম = আসক্তি
চ = আৰু

ফলম = ফলৰ (আশা)
ত্যক্ত্বা = ত্যাগ কৰি
ক্ৰিয়তে = কৰা হয় -
সঃ, এৱ = সেইটোৱেই
সাত্ত্বিকঃ = সাত্ত্বিক
ত্যাগঃ = ত্যাগ
মতঃ = বুলি মানি লোৱা হৈছে।

**ন, দ্বেষ্টি, অকুশলম, কৰ্ম, কুশলে, ন, অনুষজ্জতে**
**ত্যাগী, সত্ত্বসমাৱিষ্ট, মেধাবী, ছিন্নসংশয়ঃ ।।১০।।**

অকুশলম = অকুশল
কৰ্ম = কৰ্মতো
ন, দ্বেষ্টি = দ্বেষ নকৰে (আৰু)
কুশলে = কুশল কৰ্মতো
ন, অনুষজ্জতে = আসক্ত নহয় (সেই)

সত্ত্বসমাবিষ্টঃ=সত্ত্বগুণেৰে মজি থকা পুৰুষ
ছিন্নসংশয় = নিসন্দেহৰূপে
মেধাবী = বুদ্ধিমান (আৰু)
ত্যাগী = প্ৰকৃত ত্যাগী হয়।

**ন, হি, দেহভৃতা, শক্যম, ত্যক্তুম, কর্মাণি, অশেষতঃ,**
**য়ঃ, তু, কর্মফলত্যাগী, সঃ, ত্যাগী, ইতি, অভিধীয়তে ।।১১।।**

হি = কাৰণ
দেহভৃতা=দেহধাৰী কোনো মানুহৰ দ্বাৰা
অশেষতঃ = সম্পূৰ্ণৰূপে
কর্মাণি = সকলো কর্মসমূহ
ত্যক্তুম = ত্যাগ কৰাটো
ন, শক্যম = সম্ভৱপৰ নহয় ,
তস্মাত = সেইবাবে
য়ঃ = যিজন
কর্মফলত্যাগী = কর্মফল ত্যাগী
সঃ, তু = তেওঁকেই
ত্যাগী = ত্যাগী
ইতি = বুলি
অভিধীয়তে = কোৱা হয়

**সুখম, তু, ইদানীম, ত্রিবিধম, শৃণু, মে, ভৰতর্ষভ,**
**অভ্যাসাত, ৰমতে, য়ত্র, দুঃখান্তম, চ, নিগচ্চতি।।৩৬।।**
**য়ত, তত, অগ্রে, ৱিষম, ইৱ, পৰিণামে, অমৃতোপমম**
**তত, সুখম, সাত্ত্বিকম, প্রোক্তম, আত্মবুদ্ধিপ্রসাদজম ।।৩৭।।**

ভৰতর্ষভ = হে ভাৰতশ্রেষ্ঠ
ইদানীম = এতিয়া
ত্রিবিধিম = তিনি বিধ
সুখম = সুখৰ
তু = বিষয়েও (তুমি)
মে = মোৰ পৰা
শৃণু = শুনা।
য়ত্র = যি সুখত (সাধক জনে)
অভ্যাসাত = ভজন, ধ্যান আৰু সেৱা আদিৰ অভ্যাসেৰে
ৰমতে = অনুশীলন কৰে
চ = আৰু (যাৰ দ্বাৰা)
দুঃখান্তম = দুঃখৰ অন্ত
নিগচ্ছতি = আহি পৰে
য়ত = যি (এনেকুৱা সুখ)
তত = সেইটো
অগ্রে =আৰম্ভণিত (যদিও)
ৱিষম = বিষৰ
ইৱ=তুল্যবোধ হয় (কিন্তু)
পৰিণামে = পৰিণামত
অমৃতোপমম = অমৃতৰতুল্য হয়
(অতঃ) = এই কাৰণে
তত = সেই
আত্মবুদ্ধিপ্রসাদজম =পৰমাত্মা-জ্ঞান ৰূপী প্রসাদৰ পৰা উদ্ভৱ হোৱা
সুখম = সুখ
সাত্ত্বিকম = সাত্ত্বিক
প্রোক্তম = বোলা হয়

**বিষয়েন্দ্রিয়সংয়োগাত, য়ত, তত, অগ্রে, অমৃতোপমম,**
**পৰিণামে, বিষম, ইৱ, তত, সুখম, ৰাজসম, স্মৃতম ।।৩৮।।**

য়ত = যি
সুখম = সুখ
বিষয়েন্দ্রিয়সংয়োগাত=বিষয় আৰু ইন্দ্রিয়ৰ সংযোগত
(ভৱতি) = হয়,
তত = সেইটো
অগ্রে = প্রথমে ভোগৰ সময়ত
অমৃতোপমম=অমৃততুল্য বোধ হ'লেও
পৰিণামে = পৰিণামত
বিষম = বিষৰ
ইৱ = তুল্য হয়,
(অতঃ) = এই কাৰণে
তত = সেই সুখক
ৰাজসম = ৰাজসিক
স্মৃতম = বোলা হয়।

**ব্ৰাহ্মণক্ষত্ৰিয়বিশাম, শূদ্ৰাণাম, চ, পৰন্তপ**
**কৰ্মাণি, প্ৰৱিভক্তানি, স্বভাৱপ্ৰভবৈঃ, গুণৈঃ ।।৪১।।**

পৰন্তপ = হে পৰন্তপ
ব্ৰাক্ষ্মণক্ষত্ৰিয়বিশাম = ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যসকলৰ
চ = আৰু
শূদ্ৰানাম = শূদ্ৰকুলৰ
কৰ্মাণি = কৰ্ম
স্বভাৱপ্ৰভবৈঃ = (তেওঁলোকৰ) স্বভাৱৰ পৰা উৎপন্ন হোৱা
গুণৈঃ = গুণ বিলাকৰ দ্বাৰা
প্ৰৱিভক্তানি = ভাগ-ভাগ কৰি দিয়া আছে।

**শমঃ, দমঃ, তপঃ, শৌচম, ক্ষান্তিঃ, আৰ্জৱম, এৱ, চ**
**জ্ঞানম, বিজ্ঞানম, আস্তিক্যম, ব্ৰহ্মকৰ্ম, স্বভাৱজম।।৪২।।**

শমঃ = অন্তঃকৰণক নিগ্ৰহ কৰা,
দমঃ = ইন্দ্ৰিয়সমূহক দমন কৰা,
তপঃ =ধৰ্ম পালনৰ বাবে কষ্ট সহ্য কৰা,
শৌচম = বাহিৰ-ভিতৰৰ শুচিতা,
ক্ষান্তিঃ = আনৰ অপৰাধ ক্ষমা কৰা
আৰ্জৱম=মন, ইন্দ্ৰিয় আৰু শৰীৰক সৰল কৰি ৰখা
আস্তিক্যম=বেদ, শাস্ত্ৰ, ঈশ্বৰ আৰু পৰলোক আদিত শ্ৰদ্ধা-বিশ্বাস ৰখা
জ্ঞানম = বেদ-শাস্ত্ৰৰ অধ্যয়ন-অধ্যাপন কৰা
চ, বিজ্ঞানম=আৰু পৰমাত্মা তত্ত্বৰ অনুভৱ কৰা (এই সকলোবোৰ)
এৱ = নিশ্চিতভাৱে
ব্ৰহ্মকৰ্ম, স্বভাজম = ব্ৰাহ্মণৰ স্বাভাৱিক কৰ্ম হয়।

**শৌৰ্য্যম, তেজঃ, ধৃতিঃ, দাক্ষ্যম, যুদ্ধে, চ, অপি, অপলায়নম,**
**দানম, ঈশ্বৰভাৱঃ, চ, ক্ষাত্ৰম, কৰ্ম, স্বভাৱজম ।।৪৩।।**

শৌৰ্য্যম = বীৰত্ব,
তেজঃ = পৰাক্ৰম ,
ধৃতিঃ = ধৈৰ্য্য,
দাক্ষম = চতুৰতা, কুশলতা
চ = আৰু
য়ুদ্ধে, অপি = যুদ্ধতো
অপলায়নম = পলায়ন নকৰা
দানম = দান দিয়া
চ = আৰু
ঈশ্বৰভাৱঃ = স্বামীভাৱ বা নেতৃত্ব গ্ৰহণৰ প্ৰবৃত্তি (এই সকলোবোৰ)
ক্ষাত্ৰম = ক্ষত্ৰিয়ৰ
স্বভাৱজম = স্বাভাৱিক
কৰ্ম = কৰ্ম হয়।

**কৃষিগৌৰক্ষ্যৱাণিজ্যম, বৈশ্যকৰ্ম, স্বভাৱজম**
**পৰিচৰ্য্যাত্মকম, কৰ্ম, শূদ্ৰস্য, অপি, স্বভাৱজম ।।৪৪।।**

কৃষিগৌৰক্ষ্যৱাণিজ্যম=কৃষি, গোপালন আৰু বাণিজ্যত সদব্যৱহাৰ
বৈশ্যকৰ্ম, স্বভাৱজম = বৈশ্যৰ স্বাভাৱিক কৰ্ম হয় (লগতে)
পৰিচৰ্য্যাত্মকম = সকলো বৰ্ণৰ সেৱা কৰা
শূদ্ৰস্য, অপি = শূদ্ৰৰো
স্বভাৱজম = স্বাভাৱিক
কৰ্ম = কৰ্ম হয়

**স্বে, স্বে, কৰ্মণি, অভিৰতঃ, সংসিদ্ধিম, লভতে, নৰঃ**
**স্বকৰ্মনিৰতঃ, সিদ্ধিম, য়থা, ৱিন্দতি, তত, শৃণু ।।৪৫।।**

স্বে, স্বে = নিজ-নিজ (স্বাভাৱিক)
কৰ্মণি = কৰ্মত
অভিৰতঃ = তৎপৰহৈ লাগি থকা
নৰঃ = মনুষ্য
সংসিদ্ধিম লভতে = ভগৱদ প্ৰাপ্তি ৰূপ পৰম সিদ্ধিক প্ৰাপ্ত হয়।
স্বকৰ্মনিৰত =নিজৰ স্বাভাৱিক কৰ্মত লাগি থকা মনুষ্য
য়থা = যিধৰণে কৰ্ম কৰি
সিদ্ধিম = পৰম সিদ্ধিক
বিন্দতি = প্ৰাপ্ত হয়
তত = সেই বিধি (তুমি)
শৃণু = শুনা।

**য়তঃ, প্ৰবৃত্তিঃ, ভূতানাম, য়েন, সৰ্বম, ইদম, ততম,**
**স্বকৰ্মণা, তম, অভ্যৰ্চ্য, সিদ্ধিং, বিন্দতি, মানবঃ ।।৪৬।।**

য়তঃ = যিজন পৰমেশ্বৰৰ পৰা
ভূতানাম = সম্পূৰ্ণ প্ৰাণীবোৰৰ
প্ৰবৃত্তিঃ = উৎপত্তি হৈছে (আৰু)
য়েন = যাৰ দ্বাৰা
ইদম = এই
সৰ্বম, = সমস্ত (জগত)
ততম = ব্যাপ্ত হৈছে,
তম = সেই পৰমেশ্বৰৰ
স্বকৰ্মণা=নিজৰ স্বাভাৱিক কৰ্মৰ দ্বাৰা
অভ্যৰ্চ্য = পূজা কৰি
মানৱঃ = মানুহে
সিদ্ধিম = পৰম সিদ্ধি
বিন্দতি = পায়।

**শ্ৰেয়াণ, স্বধৰ্মঃ, বিগুণঃ, পৰধৰ্মাত, স্বনুষ্ঠিতাত**
**স্বভাৱনিয়তম, কৰ্ম, কুৰ্বন, ন, আপ্নোতি, কিল্বিষম ।।৪৭।।**

স্বনুষ্ঠিতাত = ভালধৰণে পালন কৰা
পৰধৰ্মাত = পৰৰ ধৰ্মতকৈ
বিগুণঃ, (অপি) = গুণৰহিত হ'লেও
স্বধৰ্মঃ = নিজৰ ধৰ্ম
শ্ৰেয়ান = শ্ৰেষ্ঠ হয়
(য়স্মাত) = কাৰণ
স্বভাৱনিয়তম=স্বভাৱৰ ভিত্তিত বিহিত
কৰ্ম, কুৰ্বন= নিজৰ কৰ্ম কৰি (মানুহ)
কিল্বিষম = পাপক
ন, আপ্নোতি = প্ৰাপ্ত নহয়

**সহজম, কৰ্ম, কৌন্তেয়, সদোষম, অপি, ন, ত্যজেত,**
**সৰ্ব্বাৰম্ভাঃ, হি, দোষেণ, ধুমেন, অগ্নিঃ, ইৱ, আবৃতাঃ ।।৪৮।।**

কৌন্তেয় = হে কুন্তীপুত্ৰ
সদোষম = দোষযুক্ত
অপি = হ'লেও
সহজম = সহজাত
কৰ্ম = কৰ্ম
ন, ত্যজেত = ত্যাগ কৰিব নালাগে,
হি = কাৰণ
ধুমেন = ধোঁৱাই
অগ্নিঃ = অগ্নিক
ইৱ = (আৱৰি ৰখাৰ) দৰে
সৰ্বাৰম্ভাঃ= সকলো কৰ্ম (কিবা নহয় কিবা)
দোষেণ = দোষেৰে
আবৃতাঃ = যুক্ত হৈ থাকে।

**অসক্তবুদ্ধিঃ, সৰ্বত্ৰ, জিতাত্মা, বিগতস্পৃহঃ**
**নৈষ্কৰ্ম্যসিদ্ধিম, পৰমাম, সন্ন্যাসেন, অধিগচ্ছতি ।।৪৯।।**

সৰ্বত্ৰ = সৰ্বত্ৰ
অসক্তবুদ্ধিঃ = আসক্তিৰহিত বুদ্ধিৰ
বিগতস্পৃহঃ = স্পৃহাহীন (আৰু)
জিতাত্মা = জিতেন্দ্ৰিয় পুৰুষ
সন্ন্যাসেন = সাংখ্যযোগৰ দ্বাৰা
পৰমাম = সেই পৰম
নৈষ্কৰ্ম্যসিদ্ধিম = নৈষ্কৰ্ম সিদ্ধিক
অধিগচ্ছতি = প্ৰাপ্ত হয়।

**সিদ্ধিম, প্ৰাপ্তঃ, য়থা, ব্ৰহ্ম, তথা আপ্নোতি, নিবোধ, মে,**
**সমাসেন, এৱ, কৌন্তেয়, নিষ্ঠা, জ্ঞানস্য, য়া, পৰা।।৫০।।**

য়া = যি (টো)
জ্ঞানস্য = জ্ঞানযোগৰ
পৰা, নিষ্ঠা = শ্ৰেষ্ঠ নিষ্ঠা
সিদ্ধিম = সেই নৈষ্কৰ্মসিদ্ধিক
য়থা = যি বিধিৰে
প্ৰাপ্তঃ = প্ৰাপ্ত কৰি মানুহে
ব্ৰহ্ম, আপ্নোতি=ব্ৰহ্মক প্ৰাপ্তি কৰে
তথা = সেই বিধিক
কৌন্তেয়=হে কুন্তীপুত্ৰ (তুমি)
সমাসেন = সংক্ষেপতে
এৱ = নিশ্চিতভাৱে
মে, নিবোধ=মোৰ পৰা জানি লোৱা

**বুদধ্যা, বিশুদ্ধয়া, য়ুক্তঃ, ধৃত্যা, আত্মানম, নিয়ম্য, চ**
**শব্দাদীন, বিষয়ান, ত্যক্ত্বা, ৰাগদ্বেষৌ, ব্যুদস্য, চ ।।৫১।।**
**বিবিক্তসেৱী, লঘ্বাশী, য়তবাক্কায়মানসঃ,**
**ধ্যানযোগপৰঃ, নিত্যম, বৈৰাগ্যম, সমুপাশ্ৰিতঃ ।।৫২।।**
**অহঙ্কাৰম, বলম, দৰ্পম, কামম, ক্ৰোধম, পৰিগ্ৰহম,**
**বিমুচ্য, নিৰ্মমঃ, শান্তঃ, ব্ৰহ্মভূয়ায়, কল্পতে ।।৫৩।।**
**হে অৰ্জুন -**

বিশুদ্ধয়া = বিশুদ্ধ
বুদধ্যা = বুদ্ধিৰে
য়ুক্তঃ = যুক্ত (আৰু)
লঘ্বাশী = সাত্ত্বিক, নিয়মীয়া আৰু পৰিমিতাহাৰী,
শব্দাদীন = শব্দ আদি
বিষয়ান = বিষয় বিলাক
ত্যক্ত্বা = ত্যাগ কৰি
বিবিক্তসেৱী = নিৰ্জন আৰু পবিত্ৰ ঠাইত আশ্ৰয় লওঁতা
ধৃত্যা = সাত্ত্বিক ধাৰণা শক্তিৰ দ্বাৰা
আত্মানম = অন্তঃকৰণ আৰু ইন্দ্ৰিয়সমূহ
পৰায়ণ নিয়ম্য = সংযম কৰি
য়তবাক্কায়মানসঃ = মন, বাণী আৰু শৰীৰক বশ কৰা ,
ৰাগদ্বেষৌ = ৰাগ আৰু বিদ্বেষক
ব্যুদস্য = সকলো প্ৰকাৰে নষ্ট কৰি
বৈৰাগ্যম = ভালদৰে দৃঢ় বৈৰাগ্যৰ
সমুপাশ্ৰিতাঃ = আশ্ৰয় গ্ৰহণকাৰী
চ = আৰু
অহঙ্কাৰম = অহংকাৰ,
বলম = বল,
দৰ্পম = দৰ্প,
কামম = কাম,
ক্ৰোধম = ক্ৰোধ,
চ = আৰু
পৰিগ্ৰহম = পৰিগ্ৰহ
বিমুচ্য = ত্যাগ কৰি
নিত্যম = সদায়েই
ধ্যানযোগপৰঃ = ধ্যানযোগৰ হোৱা
নিৰ্মমঃ = মমতাহীন (আৰু)
শান্তঃ = শান্তিযুক্ত পুৰুষ
ব্ৰহ্মভূয়ায় = সচিদানন্দঘন ব্ৰহ্মত অভিন্ন ৰূপে স্থিত হোৱাৰ
কল্পতে = পাত্ৰ হয়।

**ব্ৰহ্মভূতঃ, প্ৰসন্নত্মা, ন, শোচতি, ন, কাঙক্ষতি,**
**সমঃ, সৰ্বেষু, ভূতেষু, মদ্ভক্তিম, লভতে, পৰাম ।।৫৪।।**

**আকৌ সেই -**

ব্ৰহ্মভূত = সচিদানন্দঘন ব্ৰহ্মত একীভাৱেৰে স্থিত
প্ৰসন্নাত্মা = প্ৰসন্ন মনৰ যোগীয়ে
ন = না (কোনো ব্যক্তি বা কথাৰ বাবে)
শোচতি=শোক কৰে (আৰু)
ন = না (কোনো বস্তুৰ)
কাঙ্ক্ষতি=আকাঙ্খা কৰে (এনেকুৱা)
সৰ্বেষু, ভূতেষু = সমস্ত প্ৰাণীত
সমঃ = সমভাৱাপন্ন যোগী
পৰাম, মদ্ভক্তিম=মোৰ পৰা ভক্তিক (শ্ৰেষ্ঠ ভক্তিক)
লভতে = প্ৰাপ্ত হয়।

**ভক্ত্যা, মাম, অভিজানাতি, য়াৱান, য়ঃ, চ, অস্মি, তত্ত্বতঃ**
**ততঃ, মাম, তত্ত্বতঃ, জ্ঞাত্বা, ৱিশতে, তদনন্তৰম ।।৫৫।।**

**আৰু সেই -**

ভক্ত্যা = শ্ৰেষ্ঠ ভক্তিৰ দ্বাৰা (তেওঁ)
মাম = মই পৰমাত্মাক
অহম = মই
য়ঃ = যি হওঁ
চ = আৰু
য়াৱান = যিমানৰ
অস্মি = হওঁ
তত্ত্বতঃ, অভিজানাতি = সেই কথা যথাৰ্থৰূপে তত্ত্বেৰে জানে (আৰু)
ততঃ = সেই ভক্তিৰে
মাম = মোক
তত্ত্বতঃ = তত্ত্বেৰে
জ্ঞাত্বা = জানি
তদনন্তৰম = সোনকালেই
বিশতে = মোত প্ৰৱেশ কৰে।

**সৰ্বকৰ্মাণি, অপি, সদা, কুৰ্বাণঃ, মদব্যপাশ্ৰয়ঃ**
**মৎপ্ৰসাদাত, অৱাপ্নোতি, শাশ্বতম, পদম, অব্যয়ম ।।৫৬।।**

আৰু -

মদব্যপাশ্ৰয়ঃ = মোৰ পৰায়ণ হোৱা কৰ্মযোগীয়ে
সৰ্বকৰ্মাণি = সকলো কৰ্ম
সদা = সদায়েই
কুৰ্বাণঃ, অপি = কৰি থাকিও
মৎপ্ৰসাদাত = মোৰ কৃপাত
শাশ্বতম = সনাতন
অব্যয়ম = অবিনাশী
পদম = পৰমপদ (ধাম)
অৱাপ্নোতি = লাভ কৰে।

**ঈশ্বৰঃ, সৰ্বভূতানাম, হৃদ্দেশে, অৰ্জুন, তিষ্ঠতি,**
**ভ্ৰাময়ন, সৰ্বভূতানি, য়ন্ত্ৰাৰূঢ়ানি, মায়য়া ।।৬১।।**

**কাৰণ -**

অৰ্জুন = হে অৰ্জুন
য়ন্ত্ৰাৰূঢ়ানি = শৰীৰৰূপ যন্ত্ৰত আৰোহণ কৰা
সৰ্বভূতানি = সকলো প্ৰাণীক
ঈশ্বৰঃ = অন্তৰ্য্যামী পৰমেশ্বৰে
মায়য়া = নিজৰ মায়াৰে (তেওঁলোকৰ কৰ্ম অনুসাৰে)
ভ্ৰাময়ন = ঘূৰাই থাকি
সৰ্বভূতানাম = সকলো প্ৰাণীৰ
হৃদ্দেশে = হৃদয়ত
তিষ্ঠতি=অধিষ্ঠিত আছে।

**তম, এৱ, শৰণম, গচ্ছ, সৰ্বভাৱেন, ভাৰত**

**তৎপ্ৰসাদাত, পৰাম, শান্তিম, স্থানম, প্ৰাপ্স্যসি, শাশ্বতম ।।৬২।।**

**সেই কাৰণে -**

ভাৰত = হে ভাৰত (তুমি)
সৰ্বভাৱেন = সকলো প্ৰকাৰে
তম, এৱ = সেই পৰমেশ্বৰৰেই
শৰণম = শৰণত
গচ্ছ = যোৱা।
তৎপ্ৰসাদাত=সেই পৰমাত্মাৰ কৃপাতে (তুমি)

পৰাম = পৰম
শান্তিম = শান্তি (আৰু)
শাশ্বতম = সনাতন
স্থানম = পৰমধাম
প্ৰাপ্স্যসি = লাভ কৰিবা।

**ইতি, তে, জ্ঞানম, আখ্যাতম, গুহ্যাত গুহ্যতৰম, ময়া**

**বিমৃশ্য, এতত, অশেষেন, য়থা, ইচ্ছসি, তথা, কুৰু ।।৬৩।।**

ইতি = এইদৰে (এই)
গুহ্যাত = গোপনীয়তকৈ (ও)
গুহ্যতৰম = অধিক গোপনীয়
জ্ঞানম = জ্ঞান
ময়া = মই
তে = তোমাক
আখ্যাতম = বিবৰি ক'লো (এতিয়া তুমি)

এতত = এই ৰহস্যযুক্ত জ্ঞান
অশেষেন = সম্পূৰ্ণভাৱে
বিমৃশ্য = ভালদৰে চিন্তা কৰি
য়থা = যেনেদৰে
ইচ্ছসি = ইচ্ছা কৰা
তথা = তেনেদৰে
কুৰু = কৰা।

**সৰ্বগুহ্যতমম, ভূয়ঃ, শৃণু, মে, পৰমম, বচঃ,**

**ইষ্টঃ, অসি, মে, দৃঢ়ম, ইতি, ততঃ, বক্ষ্যামি, তে, হিতম ।।৬৪।।**

**ইমানখিনি কোৱা স্বত্ত্বেও অৰ্জুনৰ পৰা**

**একো উত্তৰ নোপোৱাত শ্ৰীকৃষ্ণ ভগৱানে**

**আকৌ ক'লে - হে অৰ্জুন**

সৰ্বগুহ্যতমম = সম্পূৰ্ণ গোপনীয়তকৈও অতি গোপনীয়
মে = মোৰ
পৰমম = পৰম ৰহস্যযুক্ত
বচঃ = বচন (তুমি)
ভূয়ঃ = আকৌ
শৃণু = শুনা (তুমি)
মে = মোৰ

দৃঢ়ম = অতিশয়
ইষ্টঃ = প্ৰিয়
অসি = হোৱা,
ততঃ = এই কাৰণে
ইতি = এই
হিতম=পৰম হিতকাৰী বচন (মই)
তে = তোমাক
বক্ষ্যামি = কম।

**মন্মনাঃ, ভৱ, মদ্ভক্তঃ, মদ্যাজী, মাম, নমস্কুৰু**
**মাম, এৱ, এষ্যসি, সত্যম, তে, প্ৰতিজানে, প্ৰিয়ঃ, অসি, মে ।।৬৫।।**

**হে অৰ্জুন! তুমি -**

মন্মনাঃ =মোতেই মন স্থিৰ কৰা(বিধৰ)
ভৱ = হোৱা
মদ্ভক্তঃ = মোৰ ভক্ত
(ভৱ) = হোৱা
মদ্যাজী = মোৰ পূজাৰী
(ভৱ) = হোৱা (আৰু)
মাম = মোক
নমস্কুৰু = প্ৰণাম কৰা।
(এৱম) =এনেকুৱা কৰিলে (তুমি)
মাম, এৱ =মোকেই
এষ্যসি =লাভ কৰিবা(এইটো মই)
তে = তোমাৰ ওচৰত
সত্যম = সত্য
প্ৰতিজানে = প্ৰতিজ্ঞা কৰিছো
(য়তঃ) = কাৰণ (তুমি)
মে = মোৰ
প্ৰিয়ঃ = অত্যন্ত প্ৰিয়
অসি = হোৱা।

**সৰ্বধৰ্মান, পৰিত্যজ্য, মাম, একম, শৰণম, ব্ৰজ,**
**অহম, ত্বা, সৰ্বপাপেভ্যঃ, মোক্ষয়িষ্যামি, মা, শুচঃ ।।৬৬।।**

**সেই কাৰণে -**

সৰ্বধৰ্মান = সম্পূৰ্ণ ধৰ্ম অৰ্থাৎ কৰণীয় কৰ্ম (মোত)
পৰিত্যজ্য = ত্যাগ কৰি (এৰি দি) (তুমি কেৱল)
একম = এজন
মাম = মোৰ (সৰ্বশক্তিমান, সৰ্বধাৰ পৰমেশ্বৰৰ)
শৰণম = শৰণত
ব্ৰজ = আহা,
অহম = মই
ত্বা = তোমাক
সৰ্বপাপেভ্যঃ =সকলো পাপৰ পৰা
মোক্ষয়িষ্যামি=মুক্ত কৰি দিম (তুমি)
মা, শুচঃ =শোক নকৰিবা।

**অধ্যেষ্যতে, চ, য়ঃ, ইমম, ধৰ্ম্যম, সংবাদম, আৱয়োঃ**
**জ্ঞানয়জ্ঞেন, তেন, অহম, ইষ্টঃ, স্যাম, ইতি, মে, মতিঃ ।।৭০।।**

য় = যি পুৰুষে
ইমম = এই
ধৰ্ম্যম = ধৰ্মময়
আৱয়োঃ = আমাৰ দুয়োৰো
সংবাদম = সংবাদ ৰূপ গীতা শাস্ত্ৰ
অধ্যেষ্যতে = পঢ়িব
তেন, চ = তেওঁৰ দ্বাৰাও
অহম = মই
জ্ঞানয়জ্ঞেন = জ্ঞান যজ্ঞৰ দ্বাৰা
ইষ্টঃ = পূজিত
স্যাম = হম,
ইতি = এইটো
মে = মোৰ
মতিঃ ॄ অভিমত হয়।

পাঠক সকলে লক্ষ্য কৰিব যে, গীতা অধ্যায় ১৮ ৰ শ্লোক সংখ্যা ৭০ ত “ইষ্ট” শব্দৰ অৰ্থ “পূজিত” অৰ্থাৎ “পূজ্য” কৰা আছে। শ্লোক ৬৪ তো “ইষ্ট” শব্দ আছে। যদি তাৰো অৰ্থ “পূজ্য দেৱতা” অৰ্থাৎ “ইষ্টদেৱ” কৰা হয় তেতিয়া স্পষ্ট হ’ব যে, গীতা জ্ঞান দাতাৰো ইষ্টদেৱ পৰম অক্ষৰ ব্ৰহ্ম হয়।

***07/23***